ASM-3106

গুৱাহাটী বিশ্ববিদ্যালয়

Gauhati University

দূৰ আৰু অন্‌লাইন শিক্ষা কেন্দ্ৰ

Centre for Distance and Online Education



অসমীয়া স্নাতকোত্তৰ পাঠ্যক্ৰম

M.A. in Assamese

(Under CBCS)

তৃতীয় ষান্মাসিক

Semester- III

পাঠ্যবিষয় ঃ **ASM-3106**

অসমীয়া ভাষাৰ গঠন

STRUCTURE OF ASSAMESE LANGUAGE

SLM Development Team:

Head, Department of Assamese, Gauhati University
Programme Coordinator, MA in Assamese, GUCDOE
Dr. Apurba Kr. Deka, Assistant Professor, GUCDOE
Mr. Dalim Ch. Das, Assistant Professor, GUCDOE

Course Coordination:

Dr. Debahari Talukdar	Director, Gauhati University
Prof. Taranee Deka	Programme Coordinator, GUCDOE Dept. of Assamese, Gauhati University
Dr. Apurba Kr. Deka	Asstt. Prof., GUCDOE
Mr. Dipankar Saikia	Editor SLM, GUCDOE

Contributor

Prof. (Rted.) Phanindra Narayan Dutta Block III (Unit-3)
Professor, CIIL

Dr. Apurba Kr. Deka
Assistant Professor, GUCDOE

Content Editing:

Prof. Pranita Devi
Professor, Dept. of Assamese, G.U.

Typesetting & Cover Designing:

Bhaskar Jyoti Goswami	GUCDOE
Nishanta Das	GUCDOE

ISBN: 978-81-986642-6-6

December, 2024

© Copyright by GUCDOE, All rights reserved. No part of this work may be reproduced, stored in a retrieval system, or transmitted, in any form or by any means, electronic, mechanical, photocopying, or otherwise.
Published on behalf of Gauhati University Centre for Distance and Online Education by the Director, and printed at Gauhati University Press, Guwahati-781014.

বিষয়সূচী (Contents)

প্রথম গোট ঃ ধ্বনিতত্ত্ব **পৃষ্ঠাঃ ৪—৮৬**

প্রথম বিভাগ ঃ ধ্বনি আৰু ধ্বনিতত্ত্বৰ সাধাৰণ আলোচনা
দ্বিতীয় বিভাগ ঃ অসমীয়া ভাষাৰ ধ্বনি
তৃতীয় বিভাগ ঃ অসমীয়া স্বৰধ্বনিৰ উপধ্বনি আৰু ধ্বনিৰ সংযুতি
চতুর্থ বিভাগ ঃ অসমীয়া ব্যঞ্জনধ্বনিৰ উপধ্বনি
পঞ্চম বিভাগ ঃ অসমীয়া ভাষাৰ সন্ধি
ষষ্ঠ বিভাগ ঃ অসমীয়া ভাষাৰ শ্বাসাঘাত আৰু অনুনাসিকতা

দ্বিতীয় গোট ঃ ৰূপতত্ত্ব **পৃষ্ঠাঃ ৮৭—১৭৫**

প্রথম বিভাগ ঃ ৰূপতত্ত্বৰ সাধাৰণ পৰিচয়
দ্বিতীয় বিভাগ ঃ অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক বিশিষ্টতা
তৃতীয় বিভাগ ঃ অসমীয়া ভাষাৰ ৰূপতত্ত্ব ঃ প্রাকৃতি
চতুর্থ বিভাগ ঃ অসমীয়া ভাষাৰ বচন আৰু লিংগ
পঞ্চম বিভাগ ঃ অসমীয়া ভাষাৰ কাৰক আৰু কাৰক বিভক্তি
ষষ্ঠ বিভাগ ঃ অসমীয়া ভাষাৰ ক্রিয়াপদ
সপ্তম বিভাগ ঃ অসমীয়া ভাষাৰ ব্যাকৰণগত বিষয়

তৃতীয় গোট ঃ বাক্যতত্ত্ব **পৃষ্ঠাঃ ১৭৬—২৩৮**

প্রথম বিভাগ ঃ বাক্যতত্ত্বৰ সাধাৰণ আলোচনা
দ্বিতীয় বিভাগ ঃ অসমীয়া ভাষাৰ বাক্যৰীতি
তৃতীয় বিভাগ ঃ ৰূপান্তৰ বহুজন বা ৰূপান্তৰ উৎপাদত ব্যাকৰণ আৰু শব্দগুচ্ছৰ গঠন
চতুর্থ বিভাগ ঃ বাক্যৰ উপাদানগত আৰু গাঁথনিক সম্বন্ধ

চতুর্থ গোট ঃ অর্থতত্ত্ব **পৃষ্ঠাঃ ২৩৯-২৬২**

প্রথম বিভাগ ঃ অর্থতত্ত্ব
দ্বিতীয় বিভাগ ঃ অর্থৰ পৰিৱর্তন
তৃতীয় বিভাগ ঃ বর্ণনাত্মক দৃষ্টিভঙ্গীৰে অর্থতত্ত্বৰ বিচাৰ

প্ৰথম গোট ঃ ধ্বনিতত্ত্ব

প্ৰথম বিভাগ ঃ ধ্বনি আৰু ধ্বনিতত্ত্বৰ সাধাৰণ আলোচনা
দ্বিতীয় বিভাগ ঃ অসমীয়া ভাষাৰ ধ্বনি
তৃতীয় বিভাগ ঃ অসমীয়া ব্যঞ্জনধ্বনিৰ উপধ্বনি
চতুৰ্থ বিভাগ ঃ অসমীয়া স্বৰধ্বনিৰ উপধ্বনি আৰু ধ্বনিৰ সংযুতি
পঞ্চম বিভাগ ঃ অসমীয়া ভাষাৰ সন্ধি
ষষ্ঠ বিভাগ ঃ অসমীয়া ভাষাৰ শ্বাসাঘাত আৰু অনুনাসিকতা

প্ৰথম বিভাগ
ধ্বনি আৰু ধ্বনিতত্ত্বৰ সাধাৰণ পৰিচয়

বিভাগৰ গঠনঃ

১.১ ভূমিকা (Introduction)

১.২ উদ্দেশ্য (Objectives)

১.৩ ধ্বনি আৰু বাগিন্দ্রিয় (Organ of Speech)

১.৪ ধ্বনিৰ উচ্চাৰণৰ প্ৰক্ৰিয়া

১.৫ ধ্বনিৰ শ্ৰেণীবিভাজন

১.৫.১ ব্যঞ্জন ধ্বনিৰ বিভাজন

১.৫.২ স্বৰধ্বনিৰ বিভাজন

১.৬ ধ্বনিবিজ্ঞান (Phoneties) আৰু ধ্বনিতত্ত্ব (Phenology)

১.৭ বৰ্ণ বিজ্ঞান (Phonemies)

১.৮ সাৰাংশ (Summing Up)

১.৯ আৰ্হি প্ৰশ্ন (Sample Questions)

১.১০ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

১.১ ভূমিকা (Introduction)

ভাষা হ'ল মূলতঃ মানুহে বাগিন্দ্রিয়ৰ জৰিয়তে উচ্চাৰণ কৰা কেতবোৰ ধ্বনি যাৰ ব্যৱহাৰ যাদৃচ্ছিক বা যথেষ্ট। ভাষা অনুসৰি এই ধ্বনিবোৰ নিৰ্দিষ্ট ক্ৰমত উচ্চাৰিত হয় আৰু এজনে আন এজনৰ ওচৰত মনৰ ভাৱ প্ৰকাশ কৰে। ভাষাৰ মূল ভিত্তি এই ধ্বনিবোৰ। ভিতৰৰ পৰা (হাওঁফাওঁৰ পৰা) প্ৰৱাহিত বায়ু প্ৰৱাহক মুখবিৱৰত বিভিন্ন স্থান বাধাপ্ৰাপ্ত হোৱা বাবে ধ্বনিবোৰ ভিন ভিন ধৰণে উচ্চাৰিত হয়।

ভাষাৰ অন্তৰ্গত ধ্বনিসমূহৰ উচ্চাৰণ পদ্ধতিৰ বিশ্লেষণ প্ৰক্ৰিয়াৰ নামে হ'ল ধ্বনিতত্ত্ব। ভাষা একোটাত বিভিন্ন প্ৰকাৰৰ ধ্বনি থাকিব পাৰে। এই ধ্বনিসমূহৰ উচ্চাৰণৰ স্থান আৰু ধৰণ অনুসৰি হোৱা বিশ্লেষণ ধ্বনিবিজ্ঞান মূল বিষয়।

এই বিভাগটিত ধ্বনি আৰু ধ্বনিতত্ত্বৰ সকলো দিশ বিশ্লেষণ কৰাৰ প্ৰয়াস কৰা হৈছে।

১.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- ধ্বনি আৰু বাগিন্দ্রিয় বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- ধ্বনি উচ্চাৰণৰ লগত জড়িত উচ্চাৰণৰ স্থান আৰু উচ্চাৰণৰ বিষয়ে আলোচনা কৰিব পাৰিব
- ধ্বনি বিকাশ আৰু ধ্বনিতত্ব বুজিব পাৰিব
- বৰ্ণবিজ্ঞান কি? ধ্বনি প্রয়োগ কি? বিচাৰ কৰিব পাৰিব।

১.৩ ধ্বনি আৰু বাগিন্দ্রিয়

ধ্বনি ভাষাৰ নূন্যতম গোট। এটা বা একাধিক ধ্বনিযুক্ত হৈ ৰূপ বা আকৃতিৰ সৃষ্টি। এই ৰূপসমূহ মুক্ত বা মুক্তৰূপে লগলাগি শব্দ গঠিত হৈ বাক্য গঠন কৰে আৰু বাক্যই মনৰ ভাৱ প্রকাশ কৰে। এনেদৰে ভাষাৰ জৰিয়তে মনোভাৱ প্রকাশিত হয়। এই ধ্বনিসমূহ উচ্চাৰণ কৰোতে মানুহৰ হাওঁফাওঁৰ পৰা এটা বায়ু প্রৱাহ নির্গত হয় আৰু ই সাধাৰণতে মুখেৰে বাহিৰ ওলাই, কেতিয়াবা নাকেৰেও বাহিৰ ওলায়। এই বায়ু প্রৱাহ নির্গত হোৱাৰ আগতে মুখবিৱৰত বিভিন্ন ইন্দ্রিয়ৰ দ্বাৰা বিভিন্ন স্থানত বাধাপ্রাপ্ত হয়। তাৰ ফলত বায়ু প্রৱাহৰ গতিৰ তাৰতম্য ঘটে। ফলশ্বৰূপে একেটা বায়ু প্রৱাহৰ বাবে বেলেগ বেলেগ ধ্বনিৰ সৃষ্টি হয়। মুখমণ্ডলৰ ভিতৰত যিবিলাক অংগই এই ধ্বনিসমূহ সৃষ্টিত সহায় কৰে সেই অংগ প্রত্যংগবোৰকে বাগিন্দ্রিয় বুলি কোৱা হয়।

এই বাগিন্দ্রিয়সমূহক দুভাগত ভাগ কৰিব পাৰি। (১) উচ্চাৰণৰ স্থান (Point of Articulation) আৰু (২) উচ্চাৰক বা উচ্চাৰণ কৰণ (Arti culation)। তলত বাগিন্দ্রিয় চিত্র আঁকি বিভিন্ন বাগিন্দ্রিয়বোৰ চিহ্নিত কৰা হৈছে।



১। (ক) ওপৰৰ ওঁঠ (Upper lips)

(খ) তলৰ ওঁঠ (Lower lips)

২। (ক) ওপৰ পাৰিৰ দাঁত (Upper teeth)

(খ) তলৰ পাৰিৰ দাঁত (Lower teeth)

৩। জিভাৰ আগ (Tip of the tongue)

৪। জিভাদল বা জিভা (Blade of the tongue)

৫। আগজিভা (Front of the tongue)

৬। পাচজিভা (Back of the tongue, also called dorsum)

৭। জিভামূল (Root of the tongue)

৮। দন্ত-মূল (Alveolar ridge-also called teeth ridge)

৯। কঠিন তালু (Hard palate)

১০। কোমল তালু (Soft palate-also called Valum)

১১। আলজিভা (Uvula)

১২। গলকোষ (Velic)

১৩। উপজিভা (Epiglottis)

১৪। কণ্ঠ (Glottis)

১৫। স্বৰতন্ত্রী (Vocal cords)

উচ্চাৰণৰ স্থান ঃ বাগিন্দ্রিয়ৰ যিবোৰ অংগই লৰচৰ নকৰি একে স্থানতে থাকে, সেইবোৰে হ'ল উচ্চাৰণৰ স্থান। এই অংগবোৰে অন্য অংগৰ স্পর্শ বা হেঁচা অনুভৰ কৰে আৰু অন্য অংগ ওচৰলৈ আহি এই স্থানত বায়ু প্রৱাহ বাধাপ্রাপ্ত হয়। উচ্চাৰণৰ স্থান প্রধানকৈ চাৰিটা—

(ক) ওপৰৰ ওঁঠ

(খ) ওপৰৰ দাঁত

(গ) ওপৰৰ দাঁতৰ গুৰি বা দন্তমূল

আৰু (ঘ) তালু

বহুতে আলজিভাখনকো উচ্চাৰণৰ স্থান হিচাপে বিবেচনা কৰে। এই হিচাপত উচ্চাৰণৰ স্থান পাঁচটা।

উচ্চাৰক বা উচ্চাৰণকৰণ ঃ

বাগিন্দ্রিয়ৰ যিবোৰ অংগই লৰচৰ কৰিব পাৰে; তল-ওপৰ, লৰচৰ কৰি উচ্চাৰণ স্থানক স্পর্শ কৰি হাওঁফাওঁৰ পৰা ওলাই অহা বায়ু প্রৱাহক বাধা প্রদান কৰিব পাৰে বা বায়ু নির্গমন পথ সলনি কৰে, সেইবোৰ অংগকে উচ্চাৰক বা উচ্চাৰণকৰণ বোলে। উচ্চাৰণকৰণ মুলত পাঁচবিধ—

(ক) তলৰ ওঁঠ

(খ) জিভা

(অ) জিভাৰ আগ

(আ) জিভাৰ আগ অংশ

(ই) জিভাৰ মাজ অংশ

(ঈ) জিভাৰ পিছ অংশ বা গুৰি

(গ) কোমল তালু

(ঘ) আলজিভা

আৰু (ঙ) স্বৰতন্ত্ৰী

এইখিনিতে উল্লেখ কৰিব পাৰি যে মানুহৰ ঘটিকা বা স্বৰতন্ত্ৰত দুখন পাতল পৰ্দা থাকে। কেতবোৰ ধ্বনি উচ্চাৰণৰ সময়ত পৰ্দা দুখন কঁপি উঠে আৰু কেতবোৰ ধ্বনি উচ্চাৰণৰ সময়ত পৰ্দা দুখনত কঁপনি সৃষ্টি নহয়। কঁপনি সৃষ্টি হৈ উচ্চাৰিত ধ্বনিসমূহক ঘোষ বা সঘোষ আৰু কঁপনি সৃষ্টি নোহোৱাকৈ উচ্চাৰিত ধ্বনিসমূহক অঘোষ ধ্বনি বোলা হয়।

আত্মমূল্যায়ন প্ৰশ্ন ঃ

(১) উচ্চাৰণৰ স্থান আৰু উচ্চাৰণকৰণৰ পাৰ্থক্য কোনখিনিত?

.....

.....

.....

১.৪ উচ্চাৰণ প্ৰক্ৰিয়া

ওপৰৰ অনুচ্ছেদত ধ্বনিৰ উচ্চাৰণৰ স্থান আৰু উচ্চাৰণকৰণ সম্পৰ্কে আলোচনা কৰি আহিছোঁ। ইয়াত এই দুয়োবিধ উপাদানৰ সহায়ত ধ্বনি কেনেদৰে উচ্চাৰিত হয় তাৰ বিষয়ে বিশ্লেষণ কৰাৰ চেষ্টা কৰিম।

আমি ধ্বনি উচ্চাৰণ কৰাৰ সমটয়ত হাওঁফাওঁৰ পৰা এটি বায়ুৰ প্ৰৱাহ বাহিৰলৈ ওলাই আহে। এই বায়ু প্ৰৱাহৰ নিৰ্গমন পথ হ'ল প্ৰধানত মুখবিৱৰ। কেকিয়াবা নাসিকা বিৱৰেও বায়ুপ্ৰৱাহ ওলাই যায়। সৰহভাগ ধ্বনি উচ্চাৰণৰ সময়ত আলজিভাখনে ওপৰলৈ দাং খায় নাসিকাবিৱৰ বন্ধ কৰি ৰাখে। উচ্চাৰণৰ স্থানত উচ্চাৰণকৰণে স্পৰ্শ কৰি ক্ষন্তেকৰ বাবে মুখবিৱৰত বায়ুপ্ৰৱাহৰ গতি ৰোধ কৰে। যাৰ ফলত মুখবিৱৰত বায়ুৰ চাপ বৃদ্ধি

পায়। সেই সময়ত উচ্চাৰণকৰণ হঠাৎ আঁতৰি গ'লে বায়ু প্ৰৱাহ মুখবিৱৰেৰে জোৰেৰে আঁতৰি যোৱাৰ ফলত বায়ুমণ্ডলত স্ফোটন হয় আৰু সেই স্ফোটনে ধ্বনিৰ ৰূপ পায়। অৱশ্যে কেতবোৰ ধ্বনিৰ ক্ষেত্ৰত বায়ুপ্ৰৱাহ মুখবিৱৰত ৰুদ্ধ হয় আৰু নাসিকা বিৱৰেৰেহে বাহিৰ ওলায়। কেতবোৰ ধ্বনিৰ ক্ষেত্ৰত আকৌ উচ্চাৰণকৰণে উচ্চাৰণ স্থানত স্পৰ্শ নকৰে ফলত সম্পূৰ্ণৰূপে বায়ু বাধাপ্ৰাপ্ত নহয়। এইক্ষেত্ৰত আংশিকভাৱে বায়ুপ্ৰৱাহ বাধাপ্ৰাপ্ত হৈ ধ্বনি উচ্চাৰণ হয়। উদাহৰণস্বৰূপে অসমীয়া ভাষাত [ক] ধ্বনি উচ্চাৰণৰ বেলিকা দেখিবলৈ পাওঁ যে আমাৰ পাচজিভা দাং খাই পাচ তালুত বায়ুৰ প্ৰৱাহ বাধাগ্ৰস্থ কৰে। ধ্বনি [প] ধ্বনি উচ্চাৰণৰ সময়ত তলৰ ওঁঠে ওপৰৰ ওঁঠত স্পৰ্শ কৰি বায়ু প্ৰৱাহ ৰোধ কৰে আৰু তলৰ ওঁঠত হঠাৎ আঁতৰি অহাৰ পিছত স্ফোটন ঘটি [প] ধ্বনিৰ সৃষ্টি হয়।

১.৫ ধ্বনিৰ শ্ৰেণীবিভাজন

ধ্বনিসমূহক বহলভাৱে দুটা ভাগত ভাগ কৰিব পাৰি (১) স্বৰ ধ্বনি আৰু ব্যঞ্জন ধ্বনি। ওপৰৰ ধ্বনি সম্পৰ্কীয় আলোচনাৰ পৰা গম পোৱা গ'ল যে ধ্বনিসমূহক উচ্চাৰণ কৰোঁতে মুখবিৱৰত বিভিন্ন উচ্চাৰণ স্থানত উচ্চাৰক বা উচ্চাৰণকৰণে ভিতৰৰ পৰা ওলাই অহা বায়ুক বাধা প্ৰদান কৰে। এনেদৰে বায়ু প্ৰৱাহ বাধাপ্ৰাপ্ত হৈ উচ্চাৰিত হোৱা ধ্বনিসমূহক ব্যঞ্জন ধ্বনি বোলা হয়। এই ধ্বনিবোৰৰ উপৰি আন এক শ্ৰেণীৰ ধ্বনি আছে যিবোৰৰ উচ্চাৰণত মুখবিবৰ বা নাসিকা বিবৰত বায়ু প্ৰৱাহ বাধাপ্ৰাপ্ত নহয়। ফলত হাওঁফাওঁৰ পৰা বায়ু প্ৰৱাহ অবিৰতভাৱে ওলাই থাকে। কিন্তু জিভাখনৰ বিভিন্ন অংশ বিভিন্ন উচ্চাতাত দাং খাই বায়ুপথ সংকীৰ্ণ কৰে আৰু ধ্বনিৰ উচ্চাৰণ নিয়ন্ত্ৰণ কৰে। এনেদৰে উচ্চাৰিত হোৱা ধ্বনিসমূহক স্বৰধ্বনি বোলা হয়।

১.৫.১ ব্যঞ্জনধ্বনিৰ বিভাজন

ব্যঞ্জনধ্বনিবোৰক দুই ধৰণে বিভাজন কৰা হয়। উচ্চাৰণৰ স্থান অনুসৰি আৰু উচ্চাৰণৰ ধৰণ অনুসৰি। ব্যঞ্জনধ্বনিসমূহক তলৰ তালিকাত দিয়া ধৰণে দেখুৱাব পাৰি—

উচ্চাৰণৰ স্থান অনুসৰি →

উচ্চাৰণৰ ধৰণ অনুসৰি ↑

ধ্বনি → ↓		ওষ্ঠ্য		দন্ত্য		দন্তমূলীয়		মূর্ধণ্য		তালব্য		পশ্চতালব্য		আনজিহ্বীয়	
		অ*	স	অ	স	অ	স	অ	স	অ	স	অ	স	অ	স
স্পৰ্শ / নিয়ত	অল্প প্ৰাণ														
	মহা প্ৰাণ														
নাসিক্য															
উষ্ম															
পাৰ্শ্ব/লুণ্ঠিত															
কম্পিত															

উচ্চাৰণ স্থান অনুসৰি ব্যঞ্জধ্বনিৰ বিভাজন ঃ

অ = অঘোঘ

স = সঘোষ

ঔষ্ঠধ্বনি (Labial sound) ঃ তলৰ ওঁঠ ওপৰলৈ উঠি ওপৰৰ ওঁঠক স্পর্শ কৰি উচ্চাৰণ হোৱা ধ্বনিক ঔষ্ঠ্য ধ্বনি বুলি কোৱা হয়। অসমীয়া ভাষাৰ [প] বর্গৰ ধ্বনিসমূহ ঔষ্ঠ ধ্বনি।

দন্ত্যধ্বনি (Dental sound) ঃ জিভাৰ আগটো দাং খাই ওপৰৰ পাৰিৰ দাঁত স্পর্শ কৰি বায়ুপ্ৰৱাহ বাধাপ্রস্থ হৈ উচ্চাৰিত হোৱা ধ্বনিক দন্ত্যধ্বনি বোলা হয়। সংস্কৃত ভাষাৰ [ত] বর্গৰ ধ্বনিসমূহ দন্ত্যধ্বনি।

দন্ত্যমূলীয় ধ্বনি (Alveolar sound) ঃ জিভাৰ আগটো দাং খাই ওপৰৰ পাৰিৰ দাঁতৰ গুৰি (দন্তমূল) অংশ স্পর্শ কৰি উচ্চাৰিত হোৱা ধ্বনিসমূহক দন্তমূলীয় ধ্বনি বুলি কোৱা হয়। অসমীয়া ভাষাৰ [ত] বর্গৰ ধ্বনিসমূহ দন্ত্যমূলীয় ধ্বনি।

তালব্য ধ্বনি ঃ জিভাৰ আগ অংশটো দাং খাই তালুৰ আগ অংশত স্পর্শ কৰি উচ্চাৰিত হোৱা ধ্বনিবোৰক তালব্য ধ্বনি বুলি কোৱা হয়। সংস্কৃত ভাষাৰ [শ] বর্গৰ তালব্য ধ্বনি।

মূর্ধণ্য ধ্বনি (Netroflex or carebral) ঃ জিভাৰ মাজ অংশটো দাং খাই সামান্য ঘোৰ খাই পাছলৈ আহি তালুৰ ওপৰ অংশত (মধ্য তালু) স্পর্শ কৰি উচ্চাৰিত হোৱা ধ্বনিবোৰে হ'ল মূর্ধণ্য ধ্বনি। সংস্কৃত ভাষাৰ [ট] বর্গৰ ধ্বনিসমূহ এই শ্রেণীৰ।

পশ্চতালব্য ধ্বনি (Velar) ঃ পাচজিভা দাং খাই পাচতালু স্পর্শ কৰি উচ্চাৰিত হোৱা ধ্বনিক পশ্চতালব্য বা কণ্ঠীয় ধ্বনি বোলা হয়। অসমীয়া ভাষাৰ [ক] বর্গৰ ধ্বনিসমূহ এই শ্রেণীৰ।

আলজিহ্বীয় ধ্বনি ঃ জিভাৰ গুৰি অংশ দাং খাই আলজিহ্বাৰ ওচৰত বায়ু প্ৰৱাহ বন্ধ কৰি উচ্চাৰিত ধ্বনিয়ে হ'ল আলজিহ্বীয় ধ্বনি। অসমীয়া ভাষাত [হ] ধ্বনি আলজিহ্বীয় ধ্বনি।

উচ্চাৰণৰ ধৰণ অনুসৰি ব্যঞ্জন ধ্বনিৰ বিভাজন ঃ উচ্চাৰণৰ স্থান আৰু উচ্চাৰণৰ কৰণৰ কার্যকলাপে ধ্বনিৰ উচ্চাৰণ সম্পর্কীয় সকলো ধৰণৰ দিশ সামৰি ল'ব নোৱাৰে। ইয়াৰ লগত অন্য দিশো আছে। ধ্বনি উচ্চাৰণ কৰোতে বাগিন্দ্রিয়সমূহ কেনেদৰে সঞ্চাৰিত হয়, সামগ্রিক পৰিস্থিতি, কেনে ধৰণে একাধিক বাগিন্দ্রিয়ই ধ্বনি উচ্চাৰণত সহযোগ কৰে, স্বৰতন্ত্রীয় ভূমিকা, বায়ু প্ৰৱাহৰ ধৰণ আদিয়েও ধ্বনি উচ্চাৰণত প্রভাৱ পেলায় আৰু ধ্বনিৰ গুণাগুণ নিৰূপণ কৰে। ধ্বনি উচ্চাৰণৰ এই দিশটোক উচ্চাৰণৰ ধৰণ বুলি কোৱা হয়।

ধ্বনিৰ গুণাগুণ নির্ণয়ত ঘটিকা বা স্বৰতন্ত্রই বিশেষ ভূমিকা পালন কৰে। স্বৰতন্ত্রৰ ভূমিকাৰ বাবে ঘোৰ/অঘোৰ ধ্বনিৰ সৃষ্টি হয়। এই বিষয়ে আগতে উল্লেখ কৰা হৈছে। ধ্বনিৰ এনেধৰণৰ আন এটা গুণ হ'ল মহাপ্রাণতা। বর্গীয় ধ্বনিৰ প্রথম আৰু তৃতীয় ধ্বনি অল্পপ্রাণ আৰু দ্বিতীয় আৰু চতুর্থ ধ্বনি মহাপ্রাণ। অল্পপ্রাণ ধ্বনিৰ লগত শ্বাসযুক্ত [হ] ধ্বনি সংযুক্ত হ'লে মহাপ্রাণতা আহে। উদাহৰণস্বৰূপে— [প] + মহাপ্রাণতা = [ফ], [ব]+ মহাপ্রাণতা= ইত্যাদি।

ঘৃষ্ট ধ্বনি (Fricative sound) ঃ যিবোৰ ধ্বনি উচ্চাৰণ কৰাৰ সময়ত উচ্চাৰণকৰণে কোনো উচ্চাৰণ স্থানত স্পর্শ নকৰে কিন্তু উচ্চাৰণ স্থআনৰ ওচৰ চাপি অহাৰ ফলত ওলাই অহা বায়ু প্রৱাহ বিশেষ উচ্চাৰণ স্থানত ঘঁহনি খাই ঘর্ষণযুক্ত হৈ পৰে সেই ধ্বনিসমূহকে ঘৃষ্ট ধ্বনি বোলে। এইবোৰ ধ্বনি উচ্চাৰণ সময়ত মুখবিৱৰত থকা বায়ুত স্ফোটন ঘটে ভাৱে স্ফোট ধ্বনি আৰু মুখবিবৰৰ বাহিৰলৈ ওলাই অহা ধ্বনি কিঞ্চিৎ উষ্ম হৈ পৰে বাবে উষ্মধ্বনি বোলে। অসমীয়া ভাষাৰ চ, জ, ম, হ উষ্মধ্বনিৰ উদাহৰণ।

পার্শ্বীয় ধ্বনি (Lateral sound) ঃ যিবোৰ ধ্বনি উচ্চাৰণ কৰোতে উচ্চাৰণকৰণে মাজ অংশেৰে উচ্চাৰণ স্থান স্পর্শ কৰে আৰু দুয়োকাষে বায়ু প্রৱাহিত হৈ ওলাই যায়, তেনেবোৰ ধ্বনিক পার্শ্বীয় ধ্বনি বোলা হয়। এই ধ্বনি উচ্চাৰণৰ ফলত উচ্চাৰক জিভাখনে লুটি খাই পৰে বাবে লুণ্ঠিত ধ্বনিও কোৱা হয়। উদাহৰণস্বৰূপে অসমীয়া ভাষাৰ [ল] ধ্বনি।

কম্পিত ধ্বনি (Trill sound) ঃ কম্পিত ধ্বনি উচ্চাৰণৰ সময়ত জিভাৰ আগভাগে উচ্চাৰণ স্থানত সামান্যভাৱে স্পর্শ কৰি থাকে আৰু মুখ বিবৰৰ পৰা ওলাই অহা বায়ুপ্রৱাহে জিভাৰ আগটো সামান্য কঁপাই তোলে। অসমীয়া ভাষাৰ [ৰ] কম্পিত ধ্বনিৰ উদাহৰণ।

আত্মমূল্যায়ন প্রশ্ন

(১) উচ্চাৰণ স্থান আৰু উচ্চাৰণকৰণ মানে কি? (৬০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.....

.....

(২) মহাপ্রাসতা আৰু ঘোষতা কি? (৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.....

.....

১.৫.২ স্বৰধ্বনিৰ বিভাজন

ব্যঞ্জনধ্বনিৰ লেখীয়াকৈ স্বৰধ্বনিৰ বিভাজন কৰা নহয়। স্বৰধ্বনি উচ্চাৰণ মুখ্য ভূমিকা গ্রহণ কৰে জিভাখনে। সেয়ে প্রধানত স্বৰধ্বনি উচ্চাৰণত জিভাৰ কোনটো অংশই

লৰচৰ কৰে আৰু সেই অংশটোৰ অৱস্থান নিম্নত নে উচ্চত তাৰ ওপৰত ভিত্তি কৰিহে স্বৰধ্বনিৰ বিভাজন কৰা হয়। তদুপৰি এই ধ্বনি উচ্চাৰণৰ সময়ত মুখ বিৱৰৰ বিস্তৃতি আৰু উচ্চাৰণৰ সময়ত ওঁঠ দুটাৰ আকৃতি বা অৱস্থান অনুসৰি বিভাজন কৰা হয়। সেয়েহে স্বৰধ্বনিসমূহক তলত দিয়া ধৰণে চাৰিটা ভাগত ভাগ কৰি বিভাজন কৰা হয়।

(১) জিভাৰ বিভিন্ন অংশৰ কার্যক্ষমৰ ভিত্তিত—

(ক) অগ্ৰ বা সন্মুখ বা প্ৰান্তীয় (Front)

(খ) মধ্য বা কেন্দ্ৰীয় (Centrtal)

(গ) পশ্চ (Back)

(২) জিভাৰ অৱস্থানৰ উচ্চতা অনুসৰি—

(ক) উচ্চ (High)

(খ) মধ্য (Mid)

(গ) নিম্ন (Low)

অৱশ্যে ভাষা অনুসৰি এই বিভাজন কম-বেছি হ'ব পাৰে। তেতিয়া উচ্চ-মধ্য, মধ্য-নিম্ন আদি বিভাগ কৰিব পাৰি।

(৩) মুখ বিবৰৰ বিস্তৃতি অনুসৰি—

(ক) সংবৃত (Close)

(খ) বিবৃত (Open)

ভাষাভেদে ইয়াৰো অন্য উপবিভাগ পাব পাৰি।

(৪) ধ্বনি উচ্চাৰণৰ সময়ত হোৱা ওঁঠ দুটাৰ আকৃতি বা অৱস্থা অনুসৰি—

(ক) সংবৃতৌষ্ঠ (Lip-rounded)

(খ) বিবৃতৌষ্ঠ (Lip open or unrounded)

স্বৰধ্বনি উচ্চাৰণৰ সময়ত ওঁঠ দুটাৰ আকৃতি গোলাকাৰ হ'লে তাক সংবৃতৌষ্ঠ, দীঘলীয়া হ'লে বিবৃতৌষ্ঠ আৰু অর্ধ গোলাকাৰ হ'লে অর্ধ-সংবৃতৌষ্ঠ বুলি কোৱা হয়।

আত্মমূল্যায়ন প্ৰশ্ন

(১) স্বৰধ্বনি বিভাজনৰ মূল ভিত্তি কি? (৩৫টা মান শব্দৰ ভিতৰত উত্তৰ লিখক)

.....

.....

.....

১.৬ ধ্বনিবিজ্ঞান (Phonetics) আৰু ধ্বনিতত্ত্ব (Phonology)

ওপৰৰ আলোচনাৰ পৰা গম পোৱা গ'ল যে ভাষাৰ মূল হৈছে ধ্বনি। ধ্বনিৰ প্ৰণালীবদ্ধ, তথ্যপূৰ্ণ অথবা বিজ্ঞানসন্মত অধ্যয়নে হ'ল ধ্বনি বিজ্ঞান। মানুহৰ বাগধ্বনিৰ সমস্ত বিষয় ইয়াত আলোচনা কৰা হয়। ভাষাৰ সকলো ধৰণৰ ধ্বনি, ৰীতি আৰু উচ্চাৰণ প্ৰণালী ই সামৰি লয়। অৰ্থাৎ ধ্বনিবিজ্ঞানত বাগিন্দ্ৰিয়ৰ গঠন আৰু ক্ৰিয়াকলাপ, ধ্বনিৰ প্ৰকাৰভেদ লিপান্তৰকৰণ, ধ্বনি সংবাহনকে ধৰি প্ৰয়োগশালাত ধ্বনিৰ প্ৰয়োগলৈকে সকলো দিশ খৰচি মাৰি অধ্যয়ন কৰা হয়।

ধ্বনিতত্ত্ব হ'ল- নিৰ্দিষ্ট ভাষা বিশেষৰ ধ্বনি উচ্চাৰণ বা ধ্বনি-ৰীতিৰ আলোচনাই ধ্বনিতত্ত্ব। ধ্বনিবিজ্ঞানে নীতি নিৰ্ধাৰণ কৰি দিয়া বিশেষ বিশেষ নীতিৰ আধাৰত বিশেষ বিশেষ ভাষাৰ ধ্বনিৰ স্বৰূপ, বৰ্গীকৰণ আদিৰ আলোচনা ধ্বনিতত্ত্বত কৰা হয়। সাধাৰণভাৱে ক'বলৈ গ'লে ধ্বনিবিজ্ঞান ভাষা নিৰপেক্ষ অৰ্থাৎ সাৰ্বজননী কিন্তু ধ্বনিতত্ত্ব হ'ল বিশেষ একোটা ভাষাৰ ধ্বনিসমূহৰ বিৱৰণ আৰু বিশ্লেষণ। ধ্বনিতত্ত্ব হ'ল কোনো বিশেষ ভাষাৰ ধ্বনিসমূহৰ ক্ষেত্ৰত ধ্বনিবিকাশৰ জ্ঞানৰ প্ৰয়োগ। অৰ্থাৎ বিশেষ ভাষাৰ ব্যৱহাৰিক ধ্বনিবিজ্ঞানে হ'ল ধ্বনিতত্ত্ব।

আলোচনাৰ সুবিধাৰ বাবে ধ্বনিবিজ্ঞানক চাৰিভাগত ভাগ কৰিব পাৰি—

(১) উচ্চাৰণাত্মক ধ্বনিবিজ্ঞান (Articulatory Phonetics) ঃ ধ্বনিৰ উচ্চাৰণক কেন্দ্ৰ কৰি গঢ় লোৱা শাখা।

(২) শ্ৰুতি ধ্বনিবিজ্ঞান বা তৰংগায়িত ধ্বনিবিজ্ঞান (Aconstic Phonetics) ঃ বক্তাৰ পৰা শ্ৰোতালৈ প্ৰেৰিত ধ্বনি তৰংগৰ বিশ্লেষণৰ ভিত্তিত গঢ় লোৱা শাৰণ।

(৩) শ্ৰৱণাত্মক ধ্বনিবিজ্ঞান (Andiotory Phonetics) ঃ শ্ৰৱণ প্ৰক্ৰিয়াৰ বিশ্লেষণক কেন্দ্ৰ কৰি গঢ় লোৱা শাখা।

(৪) যান্ত্ৰিক ধ্বনিবিজ্ঞান (Instrumental Phonetics) ঃ প্ৰয়োগশালত যন্ত্ৰপাতিৰে ধ্বনিৰ পৰীক্ষা-নিৰীক্ষাৰ ওপৰত ভিত্তি কৰি গঢ় লোৱা শাখা।

ধ্বনিতত্ত্বই সাধাৰণতে দুটা দিশ সামৰে। সমকালিক ধ্বনিতত্ত্ব (Synchronic Phonology) আৰু ঐতিহাসিক ধ্বনিতত্ত্ব। সমকালিক ধ্বনিতত্ত্ব বৰ্ণবিজ্ঞানৰ আলোচ্য বিষয়। ধ্বনিতত্ত্বৰ আলোচনাত বৰ্ণবিজ্ঞানে বিশেষ প্ৰাধান্য পাই আহিছে বাবে বৰ্তমানেই বৰ্ণবিজ্ঞানে এটা পৃথক শাখা হিচাপে প্ৰতিষ্ঠা লাভ কৰিছে। ঐতিহাসিক ধ্বনিতত্ত্ব ভাষা এটাৰ ধ্বনি পৰিৱৰ্তনৰ ৰীতি সম্বলিত।

১.৭ **বৰ্ণবিজ্ঞান** (Phonemics)

সকলো ভাষাতে সকলো ধ্বনিয়ে সমানে সমানে গুৰুত্ব লাভ নকৰে। দুই এটা ধ্বনি আন ধ্বনিৰ সহযোগী বা বিকল্প ৰূপতহে প্ৰয়োগ হোৱা দেখা যায়। ধ্বনি প্ৰয়োগৰ সময়ত সন্নিকট ধ্বনিৰ প্ৰভাৱ অথবা আদ্য, মধ্য বা অন্ত্য অৱস্থান অনুসৰি একেটা ধ্বনিৰে একাধিক ৰূপ ভেদ (Variants) পোৱা যায়। আচলতে একেটা ধ্বনিৰে ৰূপ ভেদবোৰক একোটা গোট বুলি ধৰিলে এই গোটটোৱেই হ'ল বিশিষ্ট ধ্বনি। যিটো ধ্বনিৰূপৰ প্ৰয়োগ বিস্তৃত সেই ৰূপটোৰ জৰিয়তে বিশিষ্ট ধ্বনিটোক সূচোৱা হয়, আৰু অন্যান্য ধ্বনিৰূপবোৰ হ'ল সেই বিশিষ্ট ধ্বনিটোৰ উপধ্বনি। বিশিষ্ট ধ্বনিক বৰ্ণ বুলিও কোৱা হয়।

মনত ৰখা ভআল

বিশিষ্ট ধ্বনিক বুজাবলৈ দুডাল তিৰ্যক ৰেখা || ব্যৱহাৰ কৰা হয় আৰু উপধ্বনি বুজাবলৈ বৰবন্ধনী [] ব্যৱহাৰ কৰা হয়।

বৰ্ণবিজ্ঞানত ধ্বনিৰ পৰা উপধ্বনি অথবা বিশিষ্ট ধ্বনি চিহ্নিত কৰা হয়। বিশিষ্ট ধ্বনি চিহ্নিত কৰিবলৈ দুটা প্ৰক্ৰিয়াৰ প্ৰণালী অৱলম্বন কৰা হয়—

(১) সদৃশ যোৰ (Minimal pair) নিৰূপণ

আৰু (২) ধ্বনিৰ প্ৰয়োগ-বিশ্লেষণ

(১) সদৃশ যোৰ নিৰূপণ ঃ এটা ভাষাৰ ধ্বনিসমূহৰ ভিতৰত উচ্চাৰণৰ স্থান, উচ্চাৰণৰ ধৰণ আৰু ধ্বনি গুণৰ ওপৰত নিৰ্ভৰ কৰি কিছুমান ধ্বনিগোটৰ মাজত আন কেতবোৰ ধ্বনিগোটতকৈ মিল বা সাদৃশ্য বেছি। এই মিল থকা বা সাদৃশ্য থকা ধ্বনিবিলাকক সদৃশ ধ্বনিগোট (Similar sound group) বোলা হয়। এনেদৰে মিল থকা বা সূক্ষ্ম পাৰ্থক্য থকা সদৃশ ধ্বনি দুটাকে সদৃশ যোৰ বা নূন্যতম বিৰোধী যুগ্ম (Minimal pair) বোলা হয়। সাধাৰণতে একেটা পৰিবেশ (অভিন্ন আৰু সদৃশ) এনে ধৰণৰ সদৃশ যোৰবিলাকৰ বিচাৰ কৰিবলৈ অতি উজু হয়। অৱশ্যে কেতিয়াবা সন্নিৱিষ্ট ধ্বনিসমূহে পৰস্পৰে পৰস্পৰক প্ৰভাৱিত কৰা বাবে একেটা পৰিবেশত সদৃশ পোৱা নাযাবও পাৰে।

ধ্বনি পৰিবেশ ঃ

ধ্বনিৰ পৰিবেশ বুলিলে শব্দত থকা এটা ধ্বনিৰ পূৰ্বৱৰ্তী আৰু পৰৱৰ্তী ধ্বনি বা ধ্বনিসমষ্টি আৰু সিবিলাকৰ লগত জড়িত সুৰ, শ্বাসাঘাত আদিকো বুজায়। ধ্বনিৰ পৰিবেশ মূলত দুই প্ৰকাৰৰ। যেনে—

(ক) অভিন্ন পৰিবেশ (Identical Environment) ঃ ধৰা হ'ল, দুটা ধ্বনি দুটা শব্দত ব্যৱহাৰ হৈছে। ধ্বনি দুটাৰ প্ৰত্যেকৰে আগৰ আৰু পিছৰ থকা ধ্বনিসমূহ সম্পূৰ্ণ একে, তেতিয়া ধ্বনি দুটাৰ পৰিবেশক অভিন্ন পৰিবেশ বোলা হয়। উদাহৰণস্বৰূপে অসমীয়া / আ ক ৰ / (আক্অৰ্) আৰু / আখৰ / (আক্অৰ্) শব্দ দুটাৰ / ক / আৰু /খ/ ৰ আগৰ আৰু পিছৰ ধ্বনিসমষ্টি সম্পূৰ্ণ একে। দুয়োটা ধ্বনিৰ আগত 'আ' আৰু পিছত 'অৰ' ধ্বনি বা ধ্বনিসমষ্টি আছে। গতিকে /ক/ আৰু /খ/ ৰ পৰিবেশ অভিন্ন।

(খ) সদৃশ পৰিবেশ (Analogous Environment) ঃ এই পৰিবেশ বুজাবলৈ আমি অসমীয়া ভাষাৰ দুটা শব্দ ল'ব পাৰোঁ। অসমীয়া ভাষাৰ /আকৰ/ (আক্অৰ্) আৰু /বাখৰ/ (ব্আখ্ৰ) শব্দ দুটাৰ /ক/ আৰু /খ/ৰ পৰিবেশ সম্পূৰ্ণ অভিন্ন নহয়, কিন্তু বহুলাংশে মিল আছে। এনে পৰিস্থিতিত অতিৰিক্ত বা বৃদ্ধি ঘটা ধ্বনিয়ে যদি ধ্বনি সমষ্টিৰ ওপৰত প্ৰভাৱ পেলাব নোৱাৰে, তেনেহ'লে তেনে মিল পৰিবেশক সদৃশ পৰিবেশ বোলা হয়। ধ্বনিৰ সকলো অভিন্ন পৰিবেশ সদৃশ কিন্তু সদৃশ পৰিবেশে অভিন্ন নহয়।

(২) ধ্বনিৰ প্ৰয়োগ বিশ্লেষণ ঃ

আলোচ্য ধ্বনি ব্যৱহৃত সদৃশ যোৰত দুয়োটা পৰিবেশ (অভিন্ন আৰু সদৃশ) আৰু তিনিটা অৱস্থানত (আদ্য, মধ্য আৰু অন্ত্য) প্ৰয়োগ হোৱাৰ পাছত ইবিলাকৰ মাজত অৰ্থভেদ বা বিৰোধ হয় নে নহয় তাক জানিবৰ বা যি পদ্ধতি অৱলম্বন কৰা হয় তাকে ধ্বনিৰ প্ৰয়োগ বিশ্লেষণ বোলা হয়। ধ্বনিৰ প্ৰয়োগ দুই প্ৰকাৰৰ—

(ক) বিৰোধী বা প্ৰতীপ প্ৰয়োগ (Contrastive Distribution)

আৰু (খ) অবিৰোধী বা অপ্ৰতীপ প্ৰয়োগ (Non contrastive Distribution)

(ক) বিৰোধী বা প্ৰতীপ প্ৰয়োগ

অভিন্ন বা সদৃশ পৰিবেশত যিবিলাক ধ্বনিৰ প্ৰয়োগ হ'লে অৰ্থভেদ হয় তাকে বিৰোধী বা প্ৰতীপ প্ৰয়োগ বোলে। পৰিবেশ অভিন্ন বা সদৃশ কিন্তু আলোচ্য ধ্বনি ভিন্ন হ'লেহে ধ্বনিবিলাকৰ মাজত বিৰোধ ঘটে, ধ্বনিটোৰ একে হ'লে বিৰোধ নঘটে। দুই বা ততোধিক ধ্বনিৰ ভিতৰত যিবিলাক ধ্বনিৰ অভিন্ন বা সদৃশ পৰিবেশত বিৰোধ পোৱা যায় সেই ধ্বনিবোৰক বিশিষ্ট ধ্বনি (Phoneme) বোলা হয়। আদ্য, মধ্য আৰু অন্ত্য পৰিবেশত সংযুক্ত বা একাকী ৰূপত বিৰোধ ঘটা ধ্বনি মাত্ৰে বিশিষ্ট ধ্বনি। তলত অসমীয়া ভাষাৰ /ক/, /খ/, /গ/ আৰু /ব/ ধ্বনিৰ বিৰোধ দেখুওৱা হ'ল—

আদ্য (অভিন্ন পৰিবেশ)	মধ্য (অভিন্ন/সদৃশ পৰিবেশ)	অন্ত্য(সদৃশ পৰিবেশ)
কাট/kat/	আকৰ /akar/	নাক /nak/
খাট/khat/	আখৰ /akhar/	ৰাখ /rakh/
গাত/gat/	আগৰ /agar/	নাগ /nag/
ঘাট/ghat/	বাঘৰ /baghar/	মাঘ /magh/

(খ) অবিৰোধী বা অপ্রতীপ প্রয়োগ ঃ

অভিন্ন বা সদৃশ পৰিবেশত দুটা ধ্বনি প্রয়োগৰ ফলত যদি অর্থৰ তাৰতম্য নঘটে অর্থাৎ বিৰোধ নঘটে তেন্তে সেয়াই অবিৰোধী বা অপ্রতীপ প্রয়োগ। এই ধ্বনি কিছুমানৰ একোটা অৱস্থানত আৰু অভিন্ন বা সদৃশ পৰিবেশত কেতিয়াবা প্রয়োগ নহ'বও পাৰে। সাধাৰণতে দুটা বিশিষ্ট ধ্বনিৰ সকলো অৱস্থানত অবিৰোধী প্রয়োগ নহয়। অবিশিষ্ট বা উপধ্বনিৰহে অবিৰোধী প্রয়োগ হয়। ধ্বনিৰ অবিৰোধী প্রয়োগ দুই ধৰণে আলোচনা কৰিব পাৰি—

(অ) পৰিপূৰক প্রয়োগ (complementary distribution) আৰু

(আ) অয়ত বিকল্প প্রয়োগ (Free variation)।

(অ) পৰিপূৰক প্রয়োগ ঃ

ধ্বনিৰ মিল থকা দুই বা ততোধিক ধ্বনি একে অৱস্থানত বা একে পৰিবেশত কেতিয়াও প্রয়োগ নহয়, ইটোৰ পৰা সিটো আঁতৰি ফুৰে তেনে প্রয়োগকে পৰিপূৰক প্রয়োগ বোলা হয়। এই পৰিপূৰক প্রয়োগ হোৱা ধ্বনিসমূহক লগ লগাই একোটা গোট কৰা হয়। এই ধ্বনি গোটক একোটা একোটা বিশিষ্ট ধ্বনি আৰু ইয়াৰ অন্তর্গত ধ্বনিসমূহক সেই বিশিষ্ট ধ্বনিৰ একোটা উপধ্বনি (Allophone) বোলা হয়। কথাযাৰ অন্যধৰণে বুজাব পাৰি। আমি জানো যে এটা ধ্বনি তিনিটা অৱস্থান প্রয়োগ হৈ শব্দ গঠন কৰে। সেই ধ্বনিটোৰ যদি একাধিক উপধ্বনি থাকে, তেন্তে বেলেগ বেলেগ উপধ্বনিয়ে বেলেগ বেলেগ স্থানতহে প্রয়োগ হ'ব। একেটা উপধ্বনিয়ে সকলো স্থানত প্রয়োগ হ'ব। একেটা উপধ্বনিয়ে সকলো স্থানত প্রয়োগ হয়। এই একাধিক উপধ্বনিৰ তিনিটা অৱস্থানৰ প্রয়োগ সম্পূর্ণ কৰে। সেয়েহে এই প্রয়োগক পৰিপূৰক প্রয়োগ বোলে। উদাহৰণস্বৰূপে— অসমীয়া ভাষাৰ /ফ/ আৰু /ভ/ৰ দুটাকৈ উপধ্বনি আছে। এই উপধ্বনি দুটাৰ পৰিপূৰক প্রয়োগ হয়। ইয়াক এনেদৰে দেখুৱাব পাৰি—

বিশিষ্ট ধ্বনি	উপধ্বনি ÷β		প্রয়োগ	
		আদ্য	মধ্য	অন্ত্য
/ফ/ (ph)	[ফ] (ph) [ফ] (ɸ)	ফাল (phal) —	লফ (laph) —	— লাফ (laɸ)
/ভ/ (bh)	[ভ] (bh) [ভ] (β)	ভাল (bhal) —	লাভা (labha) —	— লাভ (laβ)

(আ) অয়ত বিকল্প প্রয়োগ ঃ

কেতিয়াবা কিছুমান ধ্বনি অন্য কেতবোৰ ধ্বনিৰ সলনি ব্যৱহাৰ হয় তৎসত্ত্বেও কিন্তু বিৰোধ নঘটে। তেতিয়া এই প্রয়োগক অয়ত বিকল্প প্রয়োগ বুলি কোৱা হয়। ধ্বনিৰ এনে বিকল্প প্রয়োগ কেতিয়াবা আদ্য, মধ্য বা অন্ত্য অৱস্থআনত আৰু কেতিয়াবা সকলো অৱস্থানতে হ'ব পাৰে। অসমীয়া ভাষাৰ পৰা এনে কেতবোৰ প্রয়োগ তলত দাঙি ধৰা হ'ল—

আদ্য অৱস্থান ঃ

সুৰেণ (Suren)

চুৰেণ (Curen)

মধ্য অৱস্থান ঃ

আশা (asa)

আখা (akha)

অন্ত্য অৱস্থান ঃ

বিষ (bix)

বিহ (bih)

এইদৰে আলোচনা কৰিলে দেখা যায় যে বর্ণবিজ্ঞানত ধ্বনি প্রয়োগৰ আলোচনাই প্রধানকৈ অগ্রাধিকাৰ পায়। ইয়াত বিৰোধ বিচাৰ কৰি ধ্বনি বর্ণৰ প্রকৃতি নিৰূপণ কৰা হয়।

১.৮ সাৰাংশ (Summing Up)

মানৱ শৰীৰৰ মুখবিৱৰত থকা বিভিন্ন অংগ বিশেষকৈ ওঁঠ, জিভা, তালু, কণ্ঠ ঘটিকা আদিয়ে মৌখিক ধ্বনি উচ্চাৰণত সহায় কৰে এই অংগবোৰকে বাগিন্দ্রিয় বুলি কোৱা হয়। ধ্বনি প্রধানত দুই ধৰণৰ স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনি। উচ্চাৰণৰ স্থান আৰু ধৰণ অনুসৰি ব্যঞ্জনিধ্বনিবোৰক বিভাজিত কৰা হয়। আনহাতে ধ্বনি উচ্চাৰণৰ কার্যক্ষম

হোৱা জিভাৰ অংশ আৰু জিভাখন উঠা নমা কৰা উচ্চতা অনুসৰি বিভাজন কৰা হয়। সকলো ধৰণৰ বানধ্বনি, ৰীতি আৰু উচ্চাৰণ প্ৰণালীৰ যি অধ্যয়ন তাকে ধ্বনিবিজ্ঞান বোলা হয়। এটা নিৰ্দিষ্ট ভাষাৰ ধ্বনিৰ অধ্যয়নকে ধ্বনিতত্ব বোলা হয়।

১.৯ আৰ্হি প্ৰশ্ন (Sample Questions)

১। বাগিন্দ্ৰিয় বুলিলে কি বুজা যায়? ইয়াৰ বিভিন্ন অংগৰ নাম কি কি?

২। বানিন্দ্ৰিয়ক কি কি ভাগত ভগাব পাৰি? সেইবোৰ কি কি?

৩। উচ্চাৰণৰ স্থান আৰু উচ্চাৰণৰ ধৰণ মানে কি? অসমীয়া ভাষাৰ পৰা উদাহৰণ দি আলোচনা কৰা।

৪। উচ্চাৰণৰ স্থান অনুসৰি হোৱা বিভিন্ন ধ্বনিবোৰৰ বিষয়ে আলোচনা কৰক।

৫। স্বৰধ্বনিৰ বিভাজন কেনেদৰে কৰা হয়?

৬। ধ্বনিবিজ্ঞান আৰু ধ্বনিতন্ত্ৰ মানে কি? বুজাই লিখক।

৭। ধ্বনিবিজ্ঞান কেইপ্ৰকাৰৰ? আলোচনা কৰক।

৮। ধৰ্মবিজ্ঞান মানে কি? বহলাই আলোচনা কৰক।

৯। ধ্বনিৰ প্ৰয়োগ বুলিলে কি বুজা যায়?

১০। চমুটোকা ঃ

নিয়ত ধ্বনি, অনিয়ত ধ্বনি, উপধ্বনি, ধ্বনিৰ পৰিবেশ, সদৃশ মোৰ, পৰিপূৰক প্ৰয়োগ, অৱত বিকল্প প্ৰয়োগ।

১.১০ প্ৰসংগ পুথি (References/Suggested Readings)

গোলোক চন্দ্ৰ গোস্বামী ঃ ধ্বনিবিজ্ঞানৰ ভূমিকা, ১৯৭৭ অসমীয়া ব্যাকৰণৰ মৌখিক বিচাৰ, ১৯৯১।

ৰমেশ পাঠক ঃ ব্যাকৰণ আৰু প্ৰাকৃতিক বিজ্ঞান।

উপেন্দ্ৰনাথ গোস্বামী ঃ ভাষাবিজ্ঞান, ১৯৭০।

ফনীন্দ্ৰনাৰায়ণ দত্তবৰুৱা ঃ আধুনিক ভাষাবিজ্ঞান পৰিচয়, ১৯৯০।

যগেশ সেন ডেকা ঃ ব্যাকৰণ, প্ৰাচ্য আৰু পাশ্চাত্য, ২০০১।

* * *

দ্বিতীয় বিভাগ
অসমীয়া ভাষাৰ ধ্বনি

বিভাগৰ গঠন ঃ

২.১ ভূমিকা (Introduction)

২.২ উদ্দেশ্য (Objectives)

২.৩ অসমীয়া ধ্বনিৰ আঁতিগুৰি

২.৪ অসমীয়া ভাষাৰ স্বৰধ্বনি

২.৫ অসমীয়া ভাষাৰ ব্যঞ্জনধ্বনি

২.৬ অসমীয়া ভাষাৰ লয়বৰ্ণ

২.৭ সাৰাংশ (Summing Up)

২.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

২.৯ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

২.১ ভূমিকা (Introduction)

পূৰ্ববৰ্তী বিভাগটিত বাগধ্বনিৰ এটি সাধাৰণ আভাস দাঙি ধৰি অহা হৈছে। এই বিভাগটিত অসমীয়া ধ্বনি সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰা হ'ব।

অসমীয়া ভাষাৰ উৎস ভাষা হ'ল সংস্কৃত। সংস্কৃত ভাষাৰ পৰা বিভিন্ন স্তৰৰ পৰিবৰ্তনৰ মাজেৰে অসমীয়া ভাষা গঢ় লৈছে। অসমীয়া ভাষাৰ ধ্বনিসমূহৰ উৎসেয়ো সংস্কৃত ভাষা। সংস্কৃত ধ্বনিসমূহ বিভিন্ন পৰিবৰ্তনৰ মাজেৰে আহি অসমীয়া ভাষাত ব্যৱহাৰ হৈছে। অসমীয়া ভাষাত ৮ স্বৰধ্বনি আৰু ২১ টা বিশিষ্ট ব্যঞ্জন ধ্বনিৰ প্ৰয়োগ পোৱা যায়। তদুপৰি ৰ আৰু য - এই দুটা অৰ্ধস্বৰৰ ব্যৱহাৰো অসমীয়া ভাষাত আছে। এইবোৰৰ উপৰি অনুনাসিকতা শ্বাসাঘাত আৰু সন্ধি আদিকো অসমীয়া ভাষাত বিশিষ্ট ধ্বনিৰ মৰ্যাদা দিয়া হয়। এই বিভাগটিত অসমীয়া ধ্বনিতত্ত্বৰ এই দিশবোৰৰ বিষয়ে খৰচি মাৰি আলোচনা কৰা হ'ব।

২.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়নৰ অন্তত আপোনালোকে—

- অসমীয়া ভাষাৰ ধ্বনিবোৰৰ উৎস বিচাৰ কৰিব পাৰিব,
- অসমীয়া ভাষাৰ বিশিষ্ট স্বৰ ধ্বনি আৰু ইবোৰৰ প্ৰয়োগৰ বিষয়ে জানিব পাৰিব,
- অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনি আৰু ইবোৰৰ প্ৰয়োগ বিশ্লেষণ কৰিব পাৰিব,
- অসমীয়া ভাষাৰ ধ্বনিৰ সংযুতি বিশ্লেষণ কৰিব পাৰিব।

২.৩ অসমীয়া ধ্বনিৰ আঁতিগুৰি

আমি সকলোৱে জানো যে সংস্কৃত ভাষাৰ পৰাই অসমীয়া ভাষাৰ উদ্ভৱ হৈছে। সংস্কৃত ভাষাৰ ধ্বনিসমূহে পৰিবৰ্তিত ৰূপত অসমীয়া ভাষাত ব্যৱহৃত হৈছে। প্ৰাৰম্ভিক স্তৰত সংস্কৃত ভাষাত ধ্বনি আছিল ১৪ টা। অ, আ, ই, ঈ, উ, ঊ, এ, ঐ, ও, ঔ, ঋ, ঋৃ, ঌ আৰু ঌৗ। ইয়াৰে ঌ আৰু ঌৗৰ প্ৰয়োগ আগতে নাইকিয়া হয়। পৰৱৰ্তী সময়ত ঋৃ-ৰ প্ৰয়োগো নোহোৱা হৈ পৰে। অৰ্থাৎ সংস্কৃত ভাষাত ১১ স্বৰধ্বনিৰ প্ৰয়োগ ৰৈ যায়। এই ধ্বনিবোৰ লিখিবলৈ ১১ টা আখৰ আছিল। আখৰবোৰ অৰ্থাৎ যিমানটা ধ্বনি উচ্চাৰিত আছিল সিমানটা ধ্বনি বুজাবলৈ সম পৰিমাণৰ আখৰো আছিল। অসমীয়া ভাষাত সংস্কৃতৰ ১২ টা আখৰে প্ৰয়োগ হয়, কিন্তু উচ্চাৰিত ৰূপত অৰ্থাৎ ধ্বনিৰূপত আটাইবোৰ ধ্বনি ৰক্ষিত নহ'ল। অ, আ, ই, উ, এ, ও এইকেইটা সংস্কৃতৰ স্বৰধ্বনিহে অসমীয়াত ৰক্ষিত হ'ল। তদুপৰি সংস্কৃতত থকা হ্ৰস্বদীৰ্ঘৰ পাৰ্থক্য অসমীয়াত ৰক্ষিত হ'ল। তদুপৰি সংস্কৃতত থকা হ্ৰস্বদীৰ্ঘৰ পাৰ্থক্য অসমীয়া ভাষাত নোহোৱা হ'ল। অন্য দুটা সংস্কৃতত নথকা ধ্বনি অসমীয়া ভাষাত সৃষ্টি হ'ল। কিন্তু সংস্কৃতত এই ধ্বনি দুটা বুজাবলৈ আখৰ নথকা বাবে সংস্কৃত 'অ' আৰু 'এ' ধ্বনিৰ ওপৰত ঊৰ্ধকমা প্ৰয়োগ কৰি এই ধ্বনি দুটা বুজাবলৈ প্ৰয়োগ কৰা হ'ল। যেনে — হ + অ' + ল = হ'ল; ল + অ' + ৰ + আ = ল'ৰা; (ল + অ + ৰ + আ = লৰা মানে লৰোৱা) ইয়াৰ /অ/ ধ্বনি আৰু ল'ৰাৰ শব্দৰ /অ'/ ধ্বনি একে নহয়)। আনহাতে, ব + এ' + ল = বেল (ফল) ব + এ + ল = বেল (ঘন্টা); এই বেল শব্দৰ /এ'/ ধ্বনি আৰু 'বেল' (ঘন্টা) শব্দৰ /এ/ ধ্বনি একে নহয়।

তলৰ তালিকাখনৰ পৰা অসমীয়া ভাষাৰ স্বৰধ্বনি প্ৰয়োগ হোৱা আখৰ আৰু সংস্কৃতৰ উৎস ধ্বনি সম্পৰ্কে ভালদৰে বুজিব পৰা যায়।

সংস্কৃত ধ্বনি/আখৰ	অসমীয়া আখৰ	অসমীয়া ধ্বনি
অ	অ	অ, অ'
আ	আ	আ
ই	ই	ই
ঈ	ঈ	—
উ	উ	উ
ঊ	ঊ	—
এ	এ	এ, এ'
ঐ	ঐ	—
ও	ও	ও
ঔ	ঔ	—
ঋ	ঋ	—

সংস্কৃতৰ ব্যঞ্জনধ্বনি হ'ল ৩৩ টা। যেনে — ক, খ, গ, ঘ, ঙ, চ, ছ, জ, ঝ, ঞ, ট, ঠ, ড, ঢ, ণ, ত, থ, দ, ধ, ন, প, ফ, ব, ভ, ম, য, ৰ, ল, ৱ, শ, ষ, স আৰু হ। আনহাতে অসমীয়া ভাষাৰ ব্যঞ্জনধ্বনি হ'ল ২১ টা। এইকেইটাৰ উপৰি ৰ আৰু য় এই অর্ধস্বৰ দুটাৰো প্রয়োগ আছে। শ্বাসাঘাত, অনুনাসিকা আৰু সন্ধিকো অসমীয়া ভাষাত বিশিষ্ট ধ্বনিৰ মর্যাদা দিয়া হয়। সংস্কৃতৰ ৩৩ টা ধ্বনিৰ অতি সমসংখ্যক ধ্বনিহে অসমীয়া ভাষাত ৰক্ষিত হৈছে। বেছি সংখ্যক ধ্বনি পৰিবর্তন হৈ অসমীয়া ভাষাত ব্যৱহাৰ হৈছে। কেতবোৰ আকৌ নতুন বৈশিষ্ট্যপূর্ণ হৈ ব্যৱহাৰ হৈছে।

সংস্কৃতৰ ব্যঞ্জনধ্বনিবোৰ কেনেদৰে পৰিবর্তিত ৰূপত অসমীয়া ভাষাত ব্যৱহাৰ হৈছে, সেই কথাখিনি তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি —

সংস্কৃতৰ ক, খ, গ, ঘ, ঙ ধ্বনি অসমীয়া ভাষাত প্রায় অপৰিবর্তিত ৰূপত ৰক্ষিত হৈছে। সংস্কৃতৰ 'চ'-বর্গৰ অসমীয়াত নোহোৱা হৈছে। সংস্কৃতৰ তালব্য /চ/ আৰু /ছ/ ধ্বনিৰ ভেদ অসমীয়াত পোৱা নাযায়। দুয়োটা ধ্বনিৰ সলনি অসমীয়াত দন্তমূলীয় /চ/ ধ্বনি পোৱা যায়। একেদৰে সংস্কৃতৰ /জ/ আৰু /ঝ/ৰ সলনি অসমীয়া ভাষাত দন্তমূলীয় /জ/ ধ্বনি পোৱা যায়। ঞ' ধ্বনিৰ উচ্চাৰণ অসমীয়াত নাই।

সংস্কৃতৰ ত-বর্ণ আৰু র্ত-বর্ণৰ ধ্বনি অসমীয়াত পোৱা নাযায় যদিও আখৰ হিচাপে প্রয়োগ আছে। দুয়োটা বর্ণ ধ্বনি নোহোৱা হৈ অসমীয়াত দন্তমূলীয় 'ত' বর্ণৰ ব্যৱহাৰ থাকে।

সংস্কৃত 'প' বর্ণৰ ধ্বনিসমূহ অবিকলভাৱে অসমীয়াত ব্যৱহাৰ আছে।

সংস্কৃতৰ শ, ষ, স ধ্বনি তিনিটা অসমীয়াত ৰক্ষিত হোৱা নাই। তিনিওটা ধ্বনিৰ সলনি অসমীয়াত পশ্চতালব্য উষ্ম ধ্বনি /স/ (x) ধ্বনি হিচাপে প্রয়োগ হয়। এই ধ্বনিৰ তির্ব্বতবর্মীয় ভাষাৰ প্রভাৱৰ ফল বুলি কোৱা হয়। যুক্তব্যঞ্জনৰ আদি স্থানত ইয়াৰ উচ্চাৰণ /চ/ হয়।

সংস্কৃতৰ 'হ' ধ্বনি অসমীয়াত ৰক্ষিত।

সংস্কৃতৰ তালব্য /ৰ, ল/ অসমীয়াত দন্তমূলীয় হৈছে। সংস্কৃতৰ ড়, ঢ় আদি উচ্চাৰণ অসমীয়াত /চ/ হিচাপে উচ্চাৰিত হয়।

ওপৰোক্ত কথাখিনি আমি তালিকা আকাৰে তলত দিয়া ধৰণে দেখুৱাব পাৰোঁ —

সংস্কৃতৰ ব্যঞ্জনধ্বনি/আখৰ	অসমীয়া আখৰ	অসমীয়া ব্যঞ্জন ধ্বনি
ক	ক	ক
খ	খ	খ
গ	গ	গ
ঘ	ঘ	ঘ
ঙ	ঙ	ঙ
চ	চ	চ
ছ	ছ	
জ	জ	জ
ঝ	ঝ	
ঞ	ঞ	—
ট	ট	ত
ত	ত	
ঠ	ঠ	থ
থ	থ	
ড	ড	ধ
দ	দ	
ঢ	ঢ	ধ
ধ	ধ	
ণ	ণ	ন
ন	ন	
প	প	প
ফ	ফ	ফ
ব	ব	ব
ভ	ভ	ভ
ম	ম	ম
শ	শ	স
স	স	
য	য, য়	জ, য় (অর্ধস্বৰ)
ৰ	ৰ	ৰ
ল	ল	ল
ৱ	ৱ	ৱ (অর্ধস্বৰ)
হ	হ	হ
ক্ষ	ক্ষ	খ
ড়	ড়	ৰ
ঢ়	ঢ়	ৰ, ৰহ্

আত্মমূল্যায়ন প্রশ্ন

১। সংস্কৃতৰ স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰ কিমানটা ধ্বনি অসমীয়াত সম্পূৰ্ণভাৱে ৰক্ষিত হৈছে?

.....

.....

.....

২। অসমীয়া ভাষাৰ কোন কোন স্বৰধ্বনিক বুজাবলৈ আখৰ নাই আৰু কোন কোন আখৰৰ বাবে স্বৰধ্বনি অসমীয়া ভাষাত নাই?

.....

.....

.....

২.৪ অসমীয়া ভাষাত স্বৰধ্বনি

আগৰ অনুচ্ছেদতে আমি পাই আহিছো যে, অসমীয়া ভাষাত ৮ টা বিশিষ্ট স্বৰধ্বনি আছে। সেইবোৰ হ'ল ঃ ই, এ', এ, উ, ও, অ', অ, আ। এই ধ্বনিকেইটাৰ প্রতিধ্বনিত্ব কৰা আখৰ সমূহ আন্তৰাষ্ট্রীয় ধ্বনিলিপিসহ তলত দিয়া ধৰণৰ —

অসমীয়া স্বৰধ্বনি	আখৰ	আন্তৰাষ্ট্রীয় ধ্বনিলিপি
ই	ই, ঈ (ি, ী)	i
এ'	— (ে')	e
এ	এ (ে)	ɛ
উ	উ, ঊ (ু, ূ)	u
ও	ও (ো)	o
অ'	— (')	]
অ	অ	D
আ	আ (া)	a

আগতে আলোচনা কৰি অহা হৈছে যে স্বৰধ্বনিৰ বিভাজন ধ্বনি উচ্চাৰণৰ সময়ত জিভাৰ কার্যশীল অংশ, উচ্চতা অনুসৰি জিভাৰ অৱস্থান, ওঠৰ আকৃতি আদিৰ ওপৰত নির্ভৰ কৰি কৰা হয়। জিভাৰ আগ অংশ কার্যশীল হ'লে সেই ধ্বনিক প্রাৰম্ভীয়, একেদৰে মাজ দোখৰ কার্যশীল হ'ল কেন্দ্রীয় আৰু গুৰি অংশ কার্যশীল হ'লে সেই ধ্বনিক মূলীয় ধ্বনি বোলা হয়। স্বৰধ্বনি উচ্চাৰণৰ জিভাৰ কার্যশীল অংশই অৱস্থান কৰা উচ্চতা অনুযায়ী উচ্চ, উচ্চভাস, উচ্চমধ্য, মধ্য, উচ্চ মধ্য, মধ্য নিম্ন, নিম্ন আদি ধৰণে বিভাজন কৰা হয়। স্বৰ উচ্চাৰণৰ সময়ত হোৱা ওঁঠৰ আকৃতি অনুসৰি

সংবৃত্তৌষ্ঠ আৰু বিবৃতৌষ্ঠ্য স্বৰধ্বনি ৰূপে বিভাজন কৰা হয়। ওঁঠ দুটা গোলাকাৰ হ'লে সংবৃতৌষ্ঠ্য আৰু ওঁঠ দুটা দীঘলীয়া হ'লে সেই স্বৰধ্বনিক বিবৃতৌষ্ঠ স্বৰ ধ্বনি বুলি নামাকৰণ কৰা হয়। এই দিশবোৰৰ ওপৰত নির্ভৰ কৰি অসমীয়া স্বৰধ্বনিসমূহক তলত দিয়া ধৰণে তালিকাভুক্ত কৰিব পাৰি —

	ওঁঠৰ আকৃতি অনুসৰি ⟶	বিবৃতৌষ্ঠ্য		সংবৃতৌষ্ঠ্য
জিভাৰ উচ্চতা অনুসৰি ↑	জিভাৰ অংশ অনুসৰি ⟶	প্রান্তীয়/সন্মুখ (Front)	প্রান্তীয়/সন্মুখ (Central)	মূলীয়/পশ্চ (Back)
	উচ্চ (High)	ই (i)		উ (u)
	উচ্চ-মধ্য (Higher-Mid)	এ' (e)		ও (o)
	নিম্ন-মধ্য (Lower-Mid)	এ (ε)		অ' (ɔ)
	নিম্ন (Low)		আ (a)	অ (D)

প্রয়োগ বিচাৰ ঃ

অসমীয়া ভাষাৰ ৮ টা স্বৰধ্বনিৰে তিনি প্রয়োগ বিশ্লেষণ কৰিলে দেখা পোৱা যায় যে, ইহঁতে তিনি প্রকাৰৰ বিৰোধৰ সৃষ্টি কৰে। তলত এই তিনি প্রকাৰৰ বিৰোধ দাঙি ধৰা হ'ল —

(ক) <u>আঠটা স্বৰৰ বিৰোধ</u> ঃ বদ্ধাক্ষৰত অথবা পৰৱর্তী অক্ষৰত /ই, উ/ নাথাকিলে যুক্তাক্ষৰতো আঠোটা স্বৰৰ পৰস্পৰৰ মাজত বিৰোধ ঘটে। বদ্ধাক্ষৰত আঠোটা স্বৰৰ বিৰোধৰ উদাহৰণ তলত দিয়া ধৰণে দেখুৱাব পাৰি —

ই ঃ /ব ই ল/ বিল
এ' ঃ /ব' এ ল/ বেল (ইংৰাজী)
এ ঃ /ব এ ল/ বেল
আ ঃ /ব আ ল/ বাল
অ' ঃ /ব অ' ল/ ব'ল
অ ঃ /ব অ ল/ বল
ও ঃ /ব ও ল/ বোল
উ ঃ /ব উ ল/ বুল

এয়া অভিন্ন পৰিবেশত অসমীয়া ৮ টা স্বৰৰ প্রয়োগ হৈ হোৱা বিৰোধ। এই বিৰোধে ধ্বনি কেইটাক বিশিষ্ট ধ্বনিৰ মর্যাদা দিছে।

(খ) <u>ছটা স্বৰৰ বিৰোধ</u> ঃ যুক্তাক্ষৰত কেতিয়াবা আকৌ ছটা স্বৰৰহে বিৰোধ ঘটে। এই পৰিবেশত /এ/ আৰু /অ/ স্বৰ লোপ পায় অর্থাৎ ইহঁত দুটাৰ বিৰোধ নিৰাকৃত (Neutralised) হয়। পৰৱর্তী অক্ষৰত ই-স্বৰ আৰু ব্যৱধায়ক ৰূপে নাসিক্য

বা অনুনাসিক ধ্বনিৰ বিপৰীতে অন্য এগৰাকী ব্যঞ্জণ থাকিলে এনে বিৰোধ ঘটে। যেনে —

/ই/ ঃ /ভ ই ন ই হ ই/ ভিনিহি
/এ'/ ঃ /অ ব এ' ল ই/ আবেলি
/আ/ ঃ /ম অ দ আ হ ই/ মদাহী
/অ'/ ঃ /ৰ অ' দ আ ল ই/ ৰ'দালি
/ও/ ঃ /ভ ও গ ই/ ~ /ভ উ গ ই/ ভোগী ~ ভুগী

(গ) <u>পাঁচটা স্বৰৰ বিৰোধ</u> ঃ যুক্তাক্ষৰত, আসন্ন পৰবর্তী অক্ষৰত /উ/ আৰু যিকোনো একাক ব্যঞ্জণ থাকিলে মাথোন পাঁচটা স্বৰৰ মাজত বিৰোধ ঘটে। এনে পৰিবেশত /এ/, /অ/ আৰু /ও/- ৰ প্রয়োগ নহয়। যেনে —

/ই/ ঃ /ৰ ই ত উ/ ঋতু	/ই ত ই/ ইতি
/এ'/ ঃ /ৰ এ' ন উ/ ৰেণু	/এ' ত ই/ এটি
/আ/ ঃ /ৰ আ ন উ/ ৰাণু	/আ ত ই/ আটি
/অ'/ ঃ /প অ' ত উ/ পটু	/অ' ত ই/ অতি
/উ/ ঃ /প উ ত উ/ পুতু	/উ ত ই/ উটি

এনেদৰে তিনি ধৰণৰ বিৰোধ বিচাৰৰ পৰা অসমীয়া বিশিষ্ট স্বৰধ্বনি কেইটাৰ প্রয়োগৰ আভাস পাব পাৰি। এই স্বৰ সমূহৰ ভিতৰত /এ/, /অ/ আৰু /ও/ স্বৰৰ প্রয়োগৰ সীমাবদ্ধতা আছে। বাকী স্বৰবোৰৰ প্রয়োগৰ সীমাবদ্ধতা নাই অর্থাৎ /ই/, /এ'/, /আ/, /অ'/ আৰু /উ/-ৰ সকলো অৱস্থানতে প্রয়োগ হয়। /এ/, /অ/ আৰু /ও/ ধ্বনিৰ প্রয়োগ সাধাৰণতে তলত দিয়া ধৰণৰ —

<u>/এ/-ৰ প্রয়োগ</u> ঃ

(i) বৃদ্ধাক্ষৰত /এ/-ৰ বহুল প্রয়োগ। যেনে —
/ত এ ল/ 'তেল', /প এ ত/ 'পেট' ইত্যাদি।

(ii) আসন্ন পৰৱর্তী অক্ষৰত /এ'/, /এ/, /আ/, /অ'/ আৰু /ও/ থাকিলে ব্যৱধায়ক যিকোনো একাকী বা সংযুক্ত ব্যঞ্জন থাকিলে পূর্বৱর্তী অক্ষৰত /এ/ বহিব পাৰে। উল্লেখযোগ্য যে, পৰৱর্তী অক্ষৰত /এ'/, /অ'/, /ও/ থাকিলে /এ/-ৰ বিকল্পে /এ'/-ৰ প্রয়োগ হয়। যেনে —
/ম এ খ এ ল আ/ 'মেখেলা'
/ল এ ত এ ৰ আ/ 'লেতেৰা'
কিন্তু /ম এ ল এ'/~/ম এ' ল এ'/ 'মেলে'

/অ/-ৰ প্ৰয়োগ ঃ

(i) সাধাৰণতে পৰৱৰ্তী অক্ষৰত /ই/, /উ/ নাথাকিলে /অ/-ৰ প্ৰয়োগ বহুল ভাৱে হয়। যেনে —
/ম অ ন/ 'মন', /ধ অ ন/ 'ধন', /জ অ ন/ 'জন' ইত্যাদি। কিন্তু ব্যৱধায়ক /ম/, /ন/, /ঙ/-ৰ পাছ /উ/ থাকিলে /অ/-বিকল্পে /অ'/ হয়। যেনে — /ধ অ ন উ/ ~ /ধ অ' ন উ/ 'ধনু'।

(ii) পূৰ্বৱৰ্তী বা পৰৱৰ্তী অক্ষৰত /অ'/ থাকিলে /অ/-ৰ বিকল্পে /অ'/ হয়। যেনে — /হ অ' ব অ/~/হ অ' ব অ'/ 'হ'ব'।

/ও/-ৰ প্ৰয়োগ ঃ

(i) পৰৱৰ্তী অক্ষৰত /ই/ থাকিলে যিকোনো একাকী ব্যঞ্জনৰ মাজত ব্যৱধায়কৰূপে থাকিলে /ও/-ৰ বিকল্পে /উ/ হয়। যেনে —
/গ ও প ই/ ~ /গ উ প ই/ 'গোপী' ~ 'গুপী'। একেদৰে সংযুক্ত স্বৰ (—) ৰূপে /ই/, /উ/ থাকিলে /ও/-ৰ বিকল্পে /উ/ হয়। যেনে —/দ ই ওঁ/ ~ /দ ই উ/ 'দিও'।

(ii) পৰৱৰ্তী অক্ষৰত /উ/ থাকিলে যুক্তাক্ষৰত /ও/-ৰ প্ৰয়োগ নহয়।

আত্মমূল্যায়ন প্ৰশ্ন

অসমীয়া বিশিষ্ট স্বৰধ্বনিসমূহৰ শব্দৰ আদ্য, মধ্য আৰু অন্ত্য অৱস্থান প্ৰয়োগ আছে নে? (৪০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

২.৫ অসমীয়া ভাষাৰ ব্যঞ্জনধ্বনি ঃ

অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনি ২১ টা। সেইকেইটা হ'ল — প (p), ফ (ph), ব (b), ভ (bh), ত (t), থ (th), দ (d), ধ (dh), ক (k), খ (kh), গ (g), ঘ (gh), ম (m), ন (n), ঙ (***ŋ***), চ (s), জ (z), স (x), হ (h), ৰ (r) আৰু ল (l)। ড বাণীকান্ত কাকতি, গোলোক চন্দ্ৰ গোস্বামী আদি ভাষাবিদে 'ৱ' আৰু 'য়' অৰ্দ্ধস্বৰ বা অৰ্ধব্যঞ্জন দুটাকো ব্যঞ্জনধ্বনিৰ অন্তৰ্ভুক্ত কৰি অসমীয়া বিশিষ্ট ব্যঞ্জনধ্বনিৰ সংখ্যা ২৩ টা বুলি দেখুৱাইছে।

অসমীয়া বিশিষ্ট ব্যঞ্জনধ্বনিসমূহক চাৰিধৰণে বিভাজন কৰি দেখুৱাব পাৰি—

(১) উচ্চাৰণৰ স্থান অনুসৰি — ঔষ্ঠ্য (Bilabial), দন্তমূলীয় (Alveolar), পশ্চতালব্য (Velar) আৰু কণ্ঠনালীয় বা আলজিহকীয় (Glottal)।

(২) উচ্চাৰণৰ ধৰণ অনুযায়ী — নিয়ত বা স্পর্শ, নাসিক্য, উষ্ম, পার্শ্বীয় বা তাড়িৎ, কম্পিত।

(৩) স্বৰতন্ত্রীৰ কম্পন হোৱা বা নোহোৱা অনুসৰি ঘোষ বা সঘোষ আৰু অঘোষ।

(৪) শ্বাসযুক্ত বায়ুপ্রবাহৰ দ্বাৰা ধ্বনি উচ্চাৰিত হোৱা বা নোহোৱা অনুসৰি নিযত বা স্বৰ্শধ্বনিবোৰৰ দুটা বিভানজন পোৱা যায় — (i) মহাপ্রান (শ্বাসযুক্ত), (ii) অল্পপ্রাণ (শ্বাসহীন)। এই চাৰিটা দিশ চাই অসমীয়া ভাষাৰ ব্যঞ্জন ধ্বনিবোৰক তলত দিয়া ধৰণে বিভাজন কৰিব পাৰি —

উচ্চাৰণৰ স্থান ⟶		ওষ্ঠ্য		দন্তমূলীয়		পশ্চতালব্য		কণ্ঠনলীয়/আলজিহ্বীয়	
উচ্চাৰণৰ ধৰণ ↓		অঘোষ	সঘোষ	অঘোষ	সঘোষ	অঘোষ	সঘোষ	অঘোষ	সঘোষ
স্পর্শধ্বনি	অল্পপ্রাণ	প	ব	ত	দ	ক	গ		
	মহাপ্রাণ	ফ	ভ	খ	ধ	খ	ঘ		
নাসিক্য			ম		ন		ঙ		
উষ্ম				চ	জ		স		হ
কম্পিত					ৰ				
পার্শ্বীয়/তাড়িৎ					ল				

অর্ধব্যঞ্জন 'ৱ' আৰু 'য়'-ৰ উচ্চাৰণ ক্রমে ওষ্ঠ্য সঘোষ আৰু তালব্য সঘোষ।

প্রয়োগ বিচাৰ ঃ

অসমীয়া ভাষাৰ বিশিষ্ট ধ্বনি 'ঙ' আৰু অর্ধস্বৰ 'ৱ' আৰু 'য' আদ্যস্থানত প্রয়োগ নাই। বাকীবোৰ ধ্বনিৰ সকলো স্থানতে প্রয়োগ আৰু বিৰোধ দেখিবলৈ পোৱা যায়। তলত বিশিষ্ট ধ্বনিসমূহৰ আদ্য, মধ্য আৰু অন্ত্য অবস্থানত প্রয়োগ দেখুৱাই বিৰোধ বিচাৰ কৰা হ'ল —

ক, খ, গ, ঘ -ৰ অভিন্ন পৰিবেশত বিৰোধ বিচাৰ —

	আদ্যস্থান	মধ্যস্থান	অন্ত্যস্থান
ক, খ	/ক আ ম/	/আ ক অ ৰ/	/চ অ ক/
	/খ আ ম/	/আ খ অ ৰ/	/চ অ খ/
গ, ঘ	/গ আ ম/	/ব আ গ অ ৰ/	/ব আ গ/
	/ঘ আ ম/	/ব আ ঘ অ ৰ/	/ব আ ঘ/

ত, থ, দ, ধ -ৰ অভিন্ন পৰিবেশত বিৰোধ বিচাৰ —

ত, থ	/ত আ ন/	/এ ত আ/	/ক আ ত/
	/ধ আ ন/	/এ থ আ/	/ক আ থ/

দ, ঘ	/দ আ ন/	/আ দ আ/	/ব অ দ/
	/ধ আ ন/	/আ ধ আ/	/ব অ ধ/

প, ফ, ব, ভ -ৰ অভিন্ন পৰিবেশত বিৰোধ বিচাৰ —

প, ফ	/প আ ত/	/এ প আ ল/	/চ আ প/
	/ফ আ ত/	/এ ফ আ ল/	/চ আ ফ/
ব, ভ	/ব আ ত/	/আ ব আ ম/	/প আ ব/
	/ভ আ ত/	/আ ভ আ স/	/প আ ভ/

ম, ন, ঙ -ৰ অভিন্ন পৰিবেশত বিৰোধ বিচাৰ —

ম, ন	/ম আ ক/	/অ ম অ ল/	/ম অ ম/
	/ন আ ক/	/অ ন অ ল/	/ম অ ন/
ন, ঙ	—	/চ ই ন আ/	/চ ই ন/
	—	/চ ই ঙ আ/	/চ ই ঙ/

চ, জ, স, হ -ৰ অভিন্ন পৰিবেশত বিৰোধ বিচাৰ —

চ, জ	/চ আ ক/	/ম অ চ ই ব/	/ক আ চ/
	/জ আ ক/	/ম অ জ ই ব/	/ক আ জ/
স, হ	/স আ ত/	/ব অ স অ ন/	/ব ই স/
	/হ আ ত/	/ব অ হ অ ন/	/ব ই হ/

ৰ, ল -ৰ অভিন্ন পৰিবেশত বিৰোধ বিচাৰ —

ৰ, ল	/ৰ আ খ/	/ম অ ৰ অ ম/	/ক অ ৰ/
	/ল আ খ/	/ম অ ল অ ম/	/ক অ ল/

প্রয়োগৰ দিশত অসমীয়া ব্যঞ্জনধ্বনিবোৰ কেতবোৰ বিশেষ বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। সেই তলত দিয়া ধৰণৰ —

(i) শব্দৰ আৰম্ভণিতে স্বৰবর্ণৰ আগত ৰ য় ঙ - এই তিনিটা বিশিষ্ট ব্যঞ্জন ধ্বনিৰ বাহিৰে আন সকলোবোৰ বিশিষ্ট ব্যঞ্জন ধ্বনিৰ প্রয়োগ দেখিবলৈ পোৱা যায়।

(ii) সংযুক্ত ব্যঞ্জনৰ আদি ব্যঞ্জনৰূপে ১৫ টা ব্যঞ্জন ধ্বনিৰ প্রয়োগ হয়। সেই বিশিষ্ট ব্যঞ্জন ধ্বনিকেইটা হ'ল — প, ব, ভ, ত, দ, ধ, ক, খ, গ, ঘ, ম, ন, চ, জ আৰু হ।

(iii) পদান্তত যংযুক্ত ব্যঞ্জনৰ অন্ত্যবর্ণৰূপে প, ত, ক, দ, ধ, চ, জ আৰু হ এই ব্যঞ্জনধ্বনি কেইটাৰ প্রয়োগ হয়।

আত্মমূল্যায়ন প্রশ্ন

অসমীয়া ব্যঞ্জনধ্বনিবোৰৰ সকলো ধ্বনিৰে সকলো স্থান আৰু পৰিবেশত প্ৰয়োগ বিচাৰ কৰিব পাৰি নে? (৫০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

২.৬ অসমীয়া ভাষাৰ লয়বৰ্ণ

আগতে কৈ অহা হৈছে যে অসমীয়া ভাষাত 'অনুনাসিকতা', 'সন্ধি', শ্বাসাঘাত আদিকো বিশিষ্ট ধ্বনি বা বৰ্ণৰ মৰ্যাদা দিয়া হয়। এইসমূহক একেলগে 'লয়বৰ্ণ' বুলি কোৱা হৈছে।

অনুনাসিকতা ঃ

ধ্বনি উচ্চাৰণৰ সময়ত হাওঁফাওঁৰ পৰা ওলোৱা বায়ু প্ৰবাহ আংশিক মুখবিৰৰ আৰু আংশিক নাসিকা বিৱৰেৰে ওলাই গ'লে অনুনাসিকাৰ সৃষ্টি হয়। ই নিজাববীয়াকৈ উচ্চাৰিত নহয়। বিশেষকৈ স্বৰধ্বনিৰ লগতহে ই উচ্চাৰিত হয়। সেয়েহে ইয়াক উপাহিত বৰ্ণও কোৱা হয়।

অসমীয়া ভাষাত অনুনাসিকতা বিশিষ্ট ধ্বনিগুণ অৰ্থাৎ বৰ্ণ। ইয়াক (ঁ) চন্দ্ৰবিন্দুৰে সুচোৱা হয়। অসমীয়া ভাষাত অনুনাসিকতা স্বৰ আৰু অনুনাসিকতা নোহোৱা স্বৰৰ মাজত বিৰোধ ঘটে, অৰ্থাৎ অৰ্থৰ পৰিবৰ্তন ঘটে। যেনে —

বাহ (bah) (চৰাইৰ পজা)

বাঁহ (ba [h) (বাঁহ উদ্ভিদ)

সেয়েহে চন্দ্ৰবিন্দু (ঁ) বিশিষ্ট ধ্বনি।

সন্ধি ঃ

ধ্বনিৰ সংযোগৰ নামে সন্ধি। অৰ্থাৎ কথা কওঁতে উচ্চাৰিত ধ্বনিবোৰৰ ইটোৰ পৰা সিটোলৈ যি সংক্ৰমণ ঘটে তাকে সন্ধি বোলে। অসমীয়া ভাষাত সন্ধি এক প্ৰকাৰ লয় বিশেষ। সন্ধিৰ পৰিবৰ্তনৰ বাবে অসমীয়া ভাষাত ৰ অৰ্থৰ তাৰতম্য ঘটে। তলত এটা উদাহৰণ দাঙি ধৰিবলৈ যত্ন কৰা হ'ল —

(i) সি তাৰ কথাত কাণ দিছে।

(ii) সি তাৰ কথাত কান্দিছে।

(iii) সীতাৰ কথাত কাণ দিছে।

(iv) সীতাৰ কথাত কান্দিছে।

ওপৰত চাৰিটা বাক্য দিয়া হৈছে। চাৰিওটা বাক্যৰ স্বৰ, ব্যঞ্জণ আৰু অন্যান্য ধ্বনিগুণ একে কেবল সন্ধি বেলেগ অৰ্থাৎ ধ্বনিৰ মাজৰ সংক্ৰমণ ভিন ভিন। তাৰ

ফলত বাক্য চাৰিওটাৰ অর্থও ভিন ভিন হৈছে। সেয়েহে অসমীয়া ভাষাত সন্ধি বিশিষ্ট ধ্বনি।

শ্বাসাঘত ঃ

মানুহে কথা কওঁতে কেতবোৰ ধ্বনি উচ্চাৰণত বেছিকৈ জোৰ দিয়ে আৰু কেতবোৰ ধ্বনি উচ্চাৰণত কমকৈ জোৰ দিয়ে। বেছিকৈ জোৰ দিলে বায়ুৰ চাপ বেছি হয় বেছিকৈ বায়ু ওলাই। কমকৈ জোৰ দিলে বায়ুৰ চপ কম হয় আৰু বায়ু কমকৈ ওলায়। ধ্বনি উচ্চাৰণৰ এই আপেক্ষিক জোৰ বা বলকে শ্বাসাঘাত বা বলাঘাত (stress) বোলা হয়।

অসমীয়া ভাষাত শ্বাসাঘাতৰ ফলত শব্দৰ অর্থত তাৰতম্য ঘটে। যেনে —

প র্ই চ এ' ⇒ পিছে (পি খাইছে)

প ই চ এ' ⇒ পিচে (পিচে, তুমি তালৈ গ'লা নে?)

অসমীয়া ভাষাৰ কামৰূপী উপভাষাত শ্বাসাঘাতৰ প্রয়োগ অধিক (অসমীয়া সন্ধি আৰু শ্বাসঘাত 'সম্পর্কে' পৰৱর্তী সময়ত বিস্তৃতভাৱে আলোচনা কৰা হ'ব।)

আত্মমূল্যায়ন প্রশ্ন

অসমীয়া ভাষাৰ লয় বর্ণ সমূহক কি কাৰণে বিশিষ্ট ধ্বনিৰ মর্যাদা দিব পাৰি?
(৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

.....

.....

.....

২.৭ সাৰাংশ (Summing Up)

অসমীয়া বিশিষ্ট স্বৰধ্বনি বা বর্ণ ৮ টা। সেয়া হ'ল — ই, এ', এ, উ, ও, অ', অ, আ। এই স্বৰধ্বনিকেইটা উচ্চাৰণাত্মক বৈশিষ্ট্য পৰিলক্ষিত হয়। স্বৰধ্বনিৰ উচ্চাৰণত ওঁঠৰ আকৃতি অনুসৰি বিবৃতৌষ্ঠ আৰু সংবৃতৌষ্ঠ; জিভাৰ অংশ অনুযায়ী প্রান্তীয়, কেন্দ্রীয় আৰু মূলীয়; আৰু জিভাৰ উচ্চতা অনুসৰি উচ্চ, উচ্চমধ্য, নিম্নমধ্য আৰু নিম্ন — এই কেইটা ভাগত ভাগ কৰিব পাৰি। স্বৰধ্বনিৰ বিপৰীতে বিশিষ্ট ব্যঞ্জনধ্বনিৰ সংখ্যা বেছি। অসমীয়াত অর্দ্ধস্বৰ - 'ৱ' আৰু 'য়'ক সংযুক্ত কৰি উচ্চাৰণৰ ফালৰ পৰা ২৩ টা বিশিষ্ট ব্যঞ্জন পোৱা যায়। উচ্চাৰণৰ স্থান আৰু বৰণ অনুসৰি অসমীয়াৰ বিশিষ্ট ব্যঞ্জনধ্বনি সমূহক শ্রেণীবিভাগ কৰিব পাৰি। অসমীয়াৰ বিশিষ্ট স্বৰ আৰু ব্যঞ্জনৰ প্রয়োগৰ ক্ষেত্রত বৈশিষ্ট্য থকা দেখা যায়। আঠোটা বিশিষ্ট স্বৰৰ ভিতৰত /ই/, /এ/, /আ/, /অ'/ আৰু /উ/ৰ প্রয়োগত সীমাৱদ্ধতা নাই, অর্থাৎ

ইহঁতে সকলো অৱস্থানতে বহিব পাৰে। কিন্তু /এ/, /আ/ আৰু /ও/ৰ পৰিবেশ সীমাবদ্ধ। আনহাতে, বিশিষ্ট ব্যঞ্জন ধ্বনিকেইটাৰ ভিতৰত /য়/, /ৰ/ আৰু /ঙ/- এই তিনিটাৰ বাহিৰে আন সকলোবোৰে আদ্য, মধ্য আৰু অন্ত্য অৱস্থানত প্ৰয়োগ তথা বিৰোধ পোৱা যায়। অসমীয়া ভাষাৰ ধ্বনিতত্ত্বৰ আলোচনাৰ ক্ষেত্ৰত সন্ধি, শ্বাসাঘাত আৰু অনুনাসিকতাৰ আলোচনাও প্ৰয়োজনীয়।

২.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

১) স্বৰধ্বনি বুলিলে কি বুজা? স্বৰধ্বনিসমূহক কি কি ভিত্তিত কি ধৰণে শ্ৰেণীবিভাগ কৰা হয়, বুজাই লিখি অসমীয়া স্বৰবৰ্ণৰ তালিকা এখন প্ৰস্তুত কৰি দেখুৱাওক।

২) ব্যঞ্জনধ্বনি বুলিলে কি বুজা? ব্যঞ্জনধ্বনিৰ বিভিন্ন শ্ৰেণীবিভাজনৰ ভিত্তি কি? অসমীয়া ভাষাৰ ব্যঞ্জনধ্বনিৰ শ্ৰেণীবিভাগ কৰি দেখুৱাওক।

৩) বাগ্‌ধ্বনি কিছুমানক ঘোষ-অঘোষ আৰু কিছুমানক মহাপ্ৰাণ-অল্পপ্ৰাণ বুলি কোৱাৰ কাৰণ কি?

৪) অসমীয়া ভাষাৰ প, ফ, ব, ভ ধ্বনিকেইটা উচ্চাৰণ স্থান অনুসৰি কি ধ্বনি? ইহঁতৰ উচ্চাৰণ কেনেদৰে হয়?

৫) অসমীয়া বিশিষ্ট স্বৰৰ প্ৰয়োগ বিচাৰ কৰক।

৬) অসমীয়া বিশিষ্ট ব্যঞ্জনবৰ্ণকেইটাৰ আদি, মধ্য আৰু অন্ত্যস্থানত বিৰোধ বিচাৰ কৰক।

৭) চমুটোকা প্ৰস্তুত কৰক —
(ক) শ্বাসাঘাত, (খ) অসমীয়া সন্ধি, (গ) অসমীয়া ভাষাৰ অনুনাসিকতা

২.৯ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

গোলক চন্দ্ৰ গোস্বামী ঃ *অসমীয়া বৰ্ণ - প্ৰকাশ*

(—) ঃ *ধ্বনি-বিজ্ঞানৰ ভূমিকা*

দীপাংকৰ মৰল ঃ *ব্যৱহাৰিক ধ্বনিবিজ্ঞান*

ৰমেশ পাঠক ঃ *ভাষা-বিজ্ঞানৰ ভূমিকা*

ভবেন বৰুৱা ঃ অসমীয়া কবিতাঃ ৰূপান্তৰৰ পৰ্ব

G. C. Goswami ঃ *Structure of Assamese*

B. Kakati ঃ *Assamese, Its Formation and Development*

* * *

তৃতীয় বিভাগ
অসমীয়া ব্যঞ্জনধ্বনিৰ উপধ্বনি

বিভাগৰ গঠনঃ

৩.১ ভূমিকা (Introduction)

৩.২ উদ্দেশ্য (Objectives)

৩.৩ অসমীয়া ব্যঞ্জনধ্বনিৰ উপধ্বনি ঃ সাধাৰণ আভাস

৩.৩ অসমীয়া ব্যঞ্জনধ্বনিৰ উপধ্বনি

৩.৩.১ নিয়ত বা স্পৰ্শধ্বনিৰ উপধ্বনি

৩.৩.২ অন্যান্য ব্যঞ্জনধ্বনিৰ উপধ্বনি

৩.৪ সাৰাংশ (Summing Up)

৩.৫ আৰ্হি প্ৰশ্ন (Sample Questions)

৩.৬ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

৩.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগটিত অসমীয়া ভাষাৰ স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰি অহা হৈছে। এই বিভাগটিত অসমীয়া ব্যঞ্জনধ্বনিৰ উপধ্বনিসমূহৰ বিষয়ে আলোচনা কৰা হ'ব।

বিশিষ্ট ধ্বনি হৈছে কিছুমান ধ্বনিগত সাদৃশ্য থকা ধ্বনিৰ সমষ্টি। সেয়েহে এটা বিশিষ্ট ধ্বনিত দুটা বা তাতোকৈ বেছি উপধ্বনি থাকে।

৩.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- অসমীয়া ব্যঞ্জনধ্বনিসমূহৰ কি কি পৰিবেশ আৰু অৱস্থানত ধ্বনিগুণৰ পৰিৱৰ্তন ঘটে অর্থাৎ এটা বিশিষ্ট ধ্বনি অন্য বিশিষ্ট ধ্বনিৰ সম্পৰ্কলৈ অহাৰ বাবে কেনেদৰে ধ্বনিগুণৰ পৰিৱৰ্তন ঘটে অর্থাৎ উপধ্বনিৰ সৃষ্টি হয় বিচাৰ কৰিব পাৰিব,
- ব্যঞ্জনধ্বনিৰ উপধ্বনিসমূহ চিনাক্ত কৰিব পাৰিব,
- উপধ্বনিসমূহৰ প্ৰয়োগ বিচাৰ কৰিব পাৰিব।

৩.৩ অসমীয়া ব্যঞ্জনধ্বনিৰ উপধ্বনি ঃ সাধাৰণ আভাস

প্ৰকৃতাৰ্থত বিশিষ্ট ধ্বনি বা বৰ্ণ হ'ল এটা সামূহিক গোট। অৰ্থাৎ এটা বিশিষ্ট ধ্বনিক একাধিক ধ্বনিয়ে প্ৰতিনিধিত্ব কৰে। তেতিয়া সেই ধ্বনিবোৰক বিশিষ্ট ধ্বনি বা সেইটোৰ উপধ্বনি বুলি কোৱা হয়। কথাখিনি আমি আনধৰণেও বুজাব পাৰোঁ। আমি জানো যে বৰ্ণ বা বিশিষ্ট ধ্বনি লগ লাগি শব্দ গঠিত হয়। সেই ধ্বনিবোৰ শব্দৰ আদ্য, মধ্য বা অন্ত্য অৱস্থানত প্ৰয়োগ হয় আৰু আন আন বৰ্ণৰ লগত নিকটৱৰ্তী হৈ থাকে। এয়াই হ'ল ধ্বনিৰ পৰিবেশ। সেই পৰিবেশভেদে একোটা বিশিষ্টধ্বনিৰ ধ্বনিগুণৰ তাৰতম্য ঘটে। যেনে— শব্দৰ আগত বহা ধ্বনি এটাৰ অন্ত্য অৱস্থানত কথা ধ্বনিতকৈ উচ্চাৰণ বেলেগ হ'ব পাৰে। একেদৰে নাসিক্য ধ্বনিৰ লগত বহা এটা ধ্বনিৰ স্পৰ্শ ধ্বনি এটাৰ লগত বহা ধ্বনিত উচ্চাৰণৰ তাৰতম্য হয়। এই বেলেগ বেলেগ উচ্চাৰিত ৰূপবোৰে হ'ল সেই বিশিষ্ট ধ্বনিটোৰ উপধ্বনি।

ভাষাবিদ গোলোকচন্দ্ৰ গোস্বামীৰ মতে কেতবোৰ পৰিবেশৰ বাবে অসমীয়া ব্যঞ্জন ধ্বনিবোৰৰ উচ্চাৰণৰ তাৰতম্য ঘটে অৰ্থাৎ উপধ্বনিৰ সৃষ্টি হয়। সেইবোৰ তলত দিয়া ধৰণৰ—

(১) নাসিক্য ধ্বনিৰ প্ৰভাৱ ঃ স্পৰ্শবৰ্ণবোৰ নাসিক্য ধ্বনিৰ লগত সংযুক্ত হ'লে ধ্বনিগুণৰ তাৰতম্য ঘটে।

(২) 'য়' বৰ্ণৰ প্ৰভাৱ ঃ য-কাৰ সংযুক্ত ব্যঞ্জনৰ উচ্চাৰণ দীৰ্ঘ হয়।

(৩) 'ৰ'-ৰ প্ৰভাৱ ঃ 'ৰ' সংযুক্ত সকলো বৰ্ণৰে মাত্ৰা কেতিয়াবা একে থাকে আৰু কেতিয়াবা দীৰ্ঘ হয়।

পূৰ্বৱৰ্তী স্বৰ শ্বাসাঘাত যুক্ত হ'লে মাত্ৰা সদায় অৰ্ধদীৰ্ঘ হয়। স, য ভিন্ন সকলোবোৰ 'ৰেফ'যুক্ত দন্তমূলীয় বৰ্গৰ উচ্চাৰণ ঈষৎ মূৰ্ধণ্য হয়।

(৪) আদ্য প্ৰয়োগ ঃ শব্দ বা বাক্যৰ আদিতে স্বৰবৰ্ণৰ পূৰ্বৱৰ্তী একক ব্যঞ্জনবৰ্ণৰ উচ্চাৰণ সদায় মুক্ত হয়।

য, ৰ, ল, হ এই বৰ্ণকেইটা আদ্য প্ৰয়োগত অঘোষ ৰূপে আৰম্ভ হৈ লগে লগে সঘোষ হৈ পৰে। সকলোবোৰ অনিয়ত বৰ্ণৰ উচ্চাৰণ ঈষৎ দীৰ্ঘ হয়।

(৫) অন্ত্য প্ৰয়োগ ঃ স্বৰ অনুৱৰ্তী অন্য একাকি ব্যঞ্জনৰ উচ্চাৰণত সদায় মাত্ৰাৰ তাৰতম্য ঘটে। এইক্ষেত্ৰত অন্ত্য সন্ধিয়ে ব্যঞ্জনৰ উচ্চাৰণ দীৰ্ঘ কৰে।

মধ্যসন্ধি অৰ্থাৎ হাইফেন বা কমাৰ পূৰ্বৱৰ্তী অন্ত্যব্যঞ্জনৰ দৈৰ্ঘ স্বাভাৱিক মাত্ৰাৰ প্ৰায় দুগুণ হয়। বহিসন্ধিৰ পূৰ্বৱৰ্তী ব্যঞ্জনৰ দৈৰ্ঘ তাতোকৈ বেছি হয়।

অনিয়ত ব্যঞ্জনৰ দৈৰ্ঘ অযুক্ত বা নিয়ত ব্যঞ্জনতকৈ বেছি।

(৬) আন্তঃস্বৰ প্ৰয়োগ ঃ দুটা স্বৰৰ মাজত প্ৰয়োগ হোৱা ব্যঞ্জনবোৰৰ উচ্চাৰণ আপেক্ষিকভাৱে শিখিল। মহাপ্ৰাণ বৰ্ণৰ শিথিলতা অল্পপ্ৰাণ বৰ্ণতকৈ কম।

(৭) স্বৰৰ প্ৰভাৱ ঃ পূৰ্বৱৰ্তী অথবা পৰৱৰ্তী স্বৰৰ প্ৰভাৱতো ব্যঞ্জন ধ্বনিৰ ধ্বনিগুণৰ তাৰতম্য ঘটে।

এনেদৰে আলোচনা কৰিলে দেখা যায় যে উপধ্বনিৰ সৃষ্টি বা ধ্বনিগুণৰ পৰিৱৰ্তনৰ দিশত ধ্বনি এটাৰ পৰিবেশৰ প্ৰভাৱ অতি গুৰুত্বপূৰ্ণ। এই উপধ্বনিবোৰৰ দুটা মূল চৰ্ত থাকে। (ক) উপধ্বনিবিলাকৰ মাজত ধ্বনিগত সাদৃশ্য থাকিব লাগিব আৰু (খ) উপধ্বনিবিলাকৰ মাজত পৰিপূৰক প্ৰয়োগ হ'ব লাগিব।

আত্মমূল্যায়ন প্ৰশ্ন ঃ

উপধ্বনি সৃষ্টিত পৰিবেশৰ প্ৰভাৱ মূলত কি কি দিশত দেখিবলৈ পোৱা যায়? (৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

.....

.....

.....

৩.৩ অসমীয়া ব্যঞ্জনধ্বনিৰ উপধ্বনি

অসমীয়া বিশিষ্ট ধ্বনিৰ উপধ্বনিৰ বিষয়ে ভাষাবিদ গোলোক চন্দ্ৰ গোস্বামীয়ে 'অসমীয়া বৰ্ণ প্ৰকাশ' গ্ৰন্থখনত আৰু ভাষাবিদ দীপাংকৰ মৰলে 'ব্যৱহাৰিক ধ্বনিবিজ্ঞান' নামৰ গ্ৰন্থখনত আলোচনা আগবঢ়াইছে। এই গ্ৰন্থ দুখনৰ আলোচনাৰ আঁত ধৰিয়ে আমি আমাৰ আলোচনা আগবঢ়াই নিবলৈ যত্ন কৰিম।

স্মৰ্তব্য যে, উপধ্বনিবিলাকৰ ভিতৰত যিটো উপধ্বনিৰ প্ৰয়োগৰ বিস্তৃতি বেছি সেইটোকে বিশিষ্টধ্বনিৰ মৰ্যাদা দিয়া হয়। উপধ্বনি পৰ্যালোচনাৰ দিশ দুটা— (ক) বৰ্ণনা আৰু (খ) প্ৰয়োগ।

৩.৩.১ নিয়ত বা স্পৰ্শ ধ্বনিৰ উপধ্বনি

নিয়ত বা স্পৰ্শ ধ্বনিসমূহৰ প্ৰধান উপধ্বনিসমূহ এনে ধৰণৰ

অল্পপ্ৰাণ ধ্বনিৰ উপধ্বনি ঃ

প |P| : $[P^{7}]$, [P]

বর্ণনা ঃ [P^{7}] ঃ অঘোষ, অল্পপ্রাণ, ঔষ্ঠ্য, একক নিয়ত ব্যঞ্জন ধ্বনি।

[P] ঃ অঘোষ, অল্পপ্রাণ, যুক্ত নিয়ত ব্যঞ্জন ধ্বনি।

প্রয়োগ ঃ [P^{T}] ঃ এই ধ্বনিৰ প্রয়োগ শব্দৰ শেষত হয়। যেনে— ta[P^{7}], sa[P^{7}]

p, t, k, s আদি ধ্বনিৰ মতে সংযুক্ত হৈ মধ্যস্থানত প্রথমটো সব্যয় হিচাপে ব্যৱহাৰ হয়। যেনে— t^{h}a[P^{7}]Dr, xua[P^{7}]LD

[P] ইয়াৰ বাহিৰে বাকী সকলো স্থানত [P] ৰ প্রয়োগ হয়। যেনে— [P]ε[P]a, KD[P]al, [P]an, [P]at

অসমীয়া ভাষাত [P] উপধ্বনিৰ প্রয়োগৰ বিস্তৃতি বেছি। গতিকে |P| এটা বিশিষ্ট ধ্বনি আৰু ইয়াৰ উপধ্বনি দুটা [P^{7}] আৰু [P]।

ব |b| : [b^{7}], [b]

বর্ণনা ঃ [b^{7}] ঃ সঘোষ, অল্পপ্রাণ, ঔষ্ঠ্য, একক নিয়ত ব্যঞ্জনধ্বনি।

[b] ঃ সঘোষ, অল্পপ্রাণ, যুক্ত নিয়ত ব্যঞ্জনধ্বনি।

প্রয়োগ ঃ [b^{7}] ঃ শব্দৰ শেষত ব্যৱহাৰ হয়। যেনে— KO[b^{7}], XDSi[b^{7}], k^{h}u[b^{7}]

b, d, z আদি ধ্বনিৰ মতে সংযুক্ত হৈ মধ্যস্থানত ব্যৱহাৰ হয়। যেনে— KD[b^{7}]za, XD[b^{7}]dD, ti[b^{7}]bot

[b] ঃ [b^{7}] উপধ্বনিৰ প্রয়োগৰ বাহিৰে বাকী সকলো স্থানতে [b] উপধ্বনিৰ প্রয়োগ হয়।

অসমীয়া ভাষাত [b] উপধ্বনিৰ প্রয়োগৰ বিস্তৃতি বেছি। গতিকে |b| এটা বিশিষ্ট ধ্বনি আৰু [b^{7}], [b] এই দুটা এই বিশিষ্ট ধ্বনিৰ উপধ্বনি।

ত |t| : [t^{7}], [$\underline{t}$], [t]

বর্ণনা ঃ [t^{7}] ঃ অঘোষ, অল্পপ্রাণ, দন্তমূলীয়, একক নিয়ত ব্যঞ্জনধ্বনি।

[$\underline{t}$] ঃ অঘোষ, অল্পপ্রাণ, দন্তমূলীয়, কিঞ্চিৎযুক্ত নিয়ত ব্যঞ্জনধ্বনি।

[t] ঃ অঘোষ, অল্পপ্রাণ, দন্তমূলীয় যুক্ত নিয়ত ব্যঞ্জনধ্বনি।

প্রয়োগ ঃ [t^7] ঃ শব্দৰ শেষত ব্যৱহাৰ হয়। যেনে— pa[t^7], ka[t^7], ma[t^7]

t, m, n, s আদি ধ্বনিৰ সৈতে সংযুক্ত হৈ মধ্যস্থানত প্রয়োগ হয়। যেনে- u[t^7]tor, a[t^7]ma, za[t^7]nD

[t̲] ঃ শব্দৰ 'ৰ'ৰ পৰৱর্তী স্থানত প্রয়োগ হয়। যেনে— SDr[t̲]o, bor[t̲]oman

[t] ঃ ওপৰৰ প্রয়োগবোৰক বাদ দি বাকী সকলো স্থানতে ইয়াৰ প্রয়োগ হয়। যেনে— [t]ar, [t]e[t]eli, sin[t]a

[t] উপধ্বনিৰ প্রয়োগৰ বিস্তৃতি বেছি। সেয়েহে অসমীয়া ভাষাত |t| এটা বিশিষ্ট ধ্বনি আৰু [t^7], [t̲], [t]— এই তিনিটা ইয়াৰ উপধ্বনি।

দ |d| : [d^7], [d̲], [d]

বর্ণনা ঃ [d^7] ঃ সঘোষ, অল্পপ্রাণ, দন্তমূলীয়, অযুক্ত, নিয়ত ব্যঞ্জনধ্বনি।

[d̲] ঃ সঘোষ, অল্পপ্রাণ, দন্তমূলীয়, কিঞ্চিৎযুক্ত নিয়ত ব্যঞ্জনধ্বনি।

[d] ঃ সঘোষ, অল্পপ্রাণ, দন্তমূলীয়, যুক্ত, নিয়ত ব্যঞ্জনধ্বনি।

প্রয়োগ ঃ [d^7] ঃ শব্দৰ শেষত প্রয়োগ হয়। যেনে— mo[d^7], k^ha[d^7], promo[d^7]

d, b^h, m আদি ধ্বনিৰ সৈতে সংযুক্ত হৈ প্রয়োগ হয়। যেনে- u[d^7]dam, k^ho[d^7]dor, po[d^7]mo, u[d^7]d^har

[d̲] ঃ 'ৰ'ৰ পৰৱর্তী স্থানত প্রয়োগ হয়। যেনে— por[d̲]a, ur[d̲]u, Or[d̲]ar

[d] ঃ বাকী সকলো স্থানতে ইয়াৰ প্রয়োগ হয়। যেনে— [d]in, [d]ax, bo[d]on

অসমীয়া ভাষাত [d] উপধ্বনিৰ প্রয়োগৰ বিস্তৃতি বেছি। সেয়েহে |d| বিশিষ্ট ধ্বনি আৰু [d^7], [d̲], [d]— ইয়াৰ উপধ্বনি।

ক |k| : [k+], [k⁷], [k]

বর্ণনা ঃ [k+] ঃ অঘোষ, অল্পপ্রাণ, অগ্রপশ্চতালব্য, যুক্ত, নিয়ত ব্যঞ্জনধ্বনি।

[k⁷] ঃ অঘোষ, অল্পপ্রাণ, পশ্চতালব্য, একক, নিয়ত ব্যঞ্জনধ্বনি।

[k] ঃ অঘোষ, অল্পপ্রাণ, পশ্চতালব্য, যুক্ত, নিয়ত ব্যঞ্জনধ্বনি।

প্রয়োগ ঃ [k+] ঃ ই, এ, উ আৰু অ' আদি ধ্বনিৰ আগত প্রয়োগ হয়। যেনে— [k+]il, [k+]esu, [k+]umar, [k+]ola

[k⁷] ঃ এই উপধ্বনিৰ প্রয়োগ শব্দৰ শেষত আৰু k, h, s, m আদি ধ্বনিৰ সৈতে সংযুক্ত হৈ মধ্য অৱস্থানত প্রয়োগ হয়। যেনে— ta[k⁷], mo[k⁷]ka, mu[k⁷]kʰo, no[k⁷]sa,

[k] ঃ বাকী সকলো স্থানতে [k] উপধ্বনিৰ প্রয়োগ হয়। যেনে— [k]am, a[k]or

অসমীয়া ভাষাত [k] উপধ্বনিৰ বিস্তৃতি বেছি। সেয়েহে |k| বিশিষ্ট ধ্বনি আৰু [k+], [k⁷], [k] ইয়াৰ উপধ্বনি।

গ |g| : [g+], [g⁷], [g]

বর্ণনা ঃ [g+] ঃ সঘোষ, অল্পপ্রাণ, পশ্চতালব্য, যুক্ত, নিয়ত, ব্যঞ্জনধ্বনি।

[g⁷] ঃ সঘোষ, অল্পপ্রাণ, পশ্চতালব্য, একক, নিয়ত, ব্যঞ্জনধ্বনি।

[g] ঃ সঘোষ, অল্পপ্রাণ, পশ্চতালব্য, যুক্ত, নিয়ত, ব্যঞ্জনধ্বনি।

প্রয়োগ ঃ [g+] ঃ ই, এ, উ আৰু অ' ধ্বনিৰ আগত প্রয়োগ হয়। যেনে— [g+]it, [g+]ela, [g+]un, [g+]ol

[g⁷] ঃ এই উপধ্বনিৰ প্রয়োগ শব্দৰ শেষত আৰু m, n আদি ধ্বনিৰ সৈতে সংযুক্ত হৈ প্রয়োগ হয়। যেনে— xoza[g⁷], ba[g⁷]mi, mo[g⁷]no

[g] ঃ বাকী সকলো স্থানতে এই উপধ্বনিৰ প্রয়োগ হয়। যেনে— bor[g]i, ba[g]an

অসমীয়া ভাষাত [g] উপধ্বনিৰ প্ৰয়োগৰ বিস্তৃতি বেছি। গতিকে |g| বিশিষ্ট ধ্বনি আৰু [g+], [g^{7}], [g] —এই তিনিটা বিশিষ্ট ধ্বনিৰ উপধ্বনি।

মহাপ্ৰাণ ধ্বনিৰ উপধ্বনি ঃ

ফ |p^{h}| : [ɸ], [p^{h}]

বৰ্ণনা ঃ [ɸ] ঃ অঘোষ, ঔষ্ঠ্য, ঘৃষ্ঠ, একক ব্যঞ্জনধ্বনি।

[p^{h}] ঃ অঘোষ, মহাপ্ৰাণ, ঔষ্ঠ্য, যুক্ত, নিয়ত ব্যঞ্জনধ্বনি।

প্ৰয়োগ ঃ [ɸ] ঃ এই উপধ্বনিৰ প্ৰয়োগ শব্দৰ শেষত হয়। যেনে— la[ɸ], ma[ɸ], zird[ɸ]

[p^{h}] ঃ বাকী সকলো স্থানতে এই উপধ্বনিৰ প্ৰয়োগ হয়। যেনে— [p^{h}]at, [p^{h}]oni, lo[p^{h}]a, xo[p^{h}]urd

অসমীয়া ভাষাত [p^{h}] উপধ্বনিৰ প্ৰয়োগৰ বিস্তৃতি বেছি। সেয়েহে |p^{h}| বিশিষ্ট ধ্বনি আৰু ইয়াৰ উপধ্বনি দুটা [ɸ] আৰু [p^{h}]।

ভ |b^{h}| : [β], [b^{h}]

বৰ্ণনা ঃ [β] ঃ সঘোষ, ঔষ্ঠ্য, ঘৃষ্ঠ, একক ব্যঞ্জনধ্বনি

[b^{h}] ঃ সঘোষ, মহাপ্ৰাণ, ঔষ্ঠ্য, নিয়ত, যুক্ত ব্যঞ্জনধ্বনি

প্ৰয়োগ ঃ [β] ঃ এই উপধ্বনিৰ প্ৰয়োগ শব্দৰ শেষত হয়। যেনে— xulo[β], durlo[β], la[β]

[b^{h}] ঃ বাকী সকলো স্থানতে [b^{h}] উপধ্বনিৰ প্ৰয়োগ হয়। যেনে— [b^{h}]al, so[b^{h}]a, [b^{h}]itor, a[b^{h}]ax

অসমীয়া ভাষাত [b^{h}] উপধ্বনিৰ প্ৰয়োগৰ বিস্তৃতি বেছিবাবে |b^{h}| বিশিষ্ট ধ্বনি আৰু [β], [b^{h}] ইয়াৰ উপধ্বনি।

থ | t^h | : [$t^{h\Gamma}$], [$\underline{t}^h$], [t^h]

বর্ণনা ঃ [$t^{h\Gamma}$] ঃ অঘোষ, মহাপ্রাণ, দন্তমূলীয়, কিঞ্চিৎ যুক্ত, নিয়ত ব্যঞ্জনধ্বনি

[$\underline{t}^h$] ঃ অঘোষ, মহাপ্রাণ, পশ্চদন্তমূলীয়, যুক্ত, নিয়ত ব্যঞ্জনধ্বনি

[t^h] ঃ অঘোষ, মহাপ্রাণ, দন্তমূলীয়, যুক্ত নিয়ত ব্যঞ্জনধ্বনি

প্রয়োগ ঃ [$t^{h\Gamma}$] ঃ শব্দৰ শেষত প্রয়োগ হয়। যেনে— ka[$t^{h\Gamma}$] , u[$t^{h\Gamma}$]

[$\underline{t}^h$] ঃ 'ৰ'-ৰ পৰৱৰ্তী স্থানত প্রয়োগ হয়। যেনে— Dr[$\underline{t}^h$]

[t^h] ঃ বাকী থকা সকলো স্থানতে এই উপধ্বনিৰ প্রয়োগ হয়। যেনে— [t^h]al, pi[t^h]a, ga[t^h]i

অসমীয়া ভাষাত [t^h] উপধ্বনিৰ প্রয়োগৰ বিস্তৃতি বেছি। সেইবাবে | t^h | বিশিষ্ট ধ্বনি আৰু [$t^{h\Gamma}$], [$\underline{t}^h$], [t^h] —এই তিনিটা ইয়াৰ উপধ্বনি।

ধ | d^h | : [$d^{h\Gamma}$], [$\underline{d}^h$], [d^h]

বর্ণনা ঃ [$d^{h\Gamma}$] ঃ সঘোষ, মহাপ্রাণ, দন্তমূলীয়, কিঞ্চিৎযুক্ত, নিয়ত ব্যঞ্জনধ্বনি।

[$\underline{d}^h$] ঃ সঘোষ, মহাপ্রাণ, পশ্চদন্তমূলীয়, যুক্ত, নিয়ত ব্যঞ্জনধ্বনি।

[d^h] ঃ সঘোষ, মহাপ্রাণ, দন্তমূলীয়, যুক্ত, নিয়ত ব্যঞ্জনধ্বনি।

প্রয়োগ ঃ [$d^{h\Gamma}$] ঃ শব্দৰ শেষত প্রয়োগ হয়। যেনে— bo[$d^{h\Gamma}$], bolo[$d^{h\Gamma}$]

[$\underline{d}^h$] ঃ শব্দৰ 'ৰ'-ৰ পৰৱৰ্তী স্থানত প্রয়োগ হয়। যেনে— Dr[$\underline{d}^h$]o, bor[$\underline{d}^h$]it

[d^h] ঃ বাকী সকলো স্থানতে প্রয়োগ হয়। যেনে— [d^h]on, a[d^h]a, to[d^h]a

অসমীয়া ভাষাত [d^h]ৰ প্রয়োগৰ বিস্তৃতি বেছি, গতিকে অসমীয়া ভাষাত [d^h] এটা বিশিষ্ট ধ্বনি আৰু [$d^{h\Gamma}$], [$\underline{d}^h$], [d^h] —ইয়াৰ উপধ্বনি।

খ |k^h| : [k^h+], [$k^{hΓ}$], [k^h]

বর্ণনা ঃ [k^h+] ঃ অঘোষ, মহাপ্রাণ, অগ্র পশ্চতালব্য, যুক্ত, নিয়ত ব্যঞ্জনধ্বনি।

[$k^{hΓ}$] ঃ অঘোষ, মহাপ্রাণ, পশ্চতালব্য, কিঞ্চিৎ যুক্ত, নিয়ত ব্যঞ্জনধ্বনি।

[k^h] ঃ অঘোষ, মহাপ্রাণ, পশ্চতালব্য, যুক্ত, নিয়ত ব্যঞ্জনধ্বনি।

প্রয়োগ ঃ [k^h+] ঃ ই (i), e (এ), উ (u) আৰু অ' (o) আদি ধ্বনিৰ আগত প্রয়োগ হয়। যেনে— [k^h+]iriki, [k^h+]eti, [k^h+]uta, [k^h+]ol

[$k^{hΓ}$] ঃ এই উপধ্বনিৰ প্রয়োগ শব্দৰ শেষত হয়। যেনে— du[$k^{hΓ}$], xu[$k^{hΓ}$]

[k^h] ঃ বাকী সকলো স্থানতে প্রয়োগ হয়। যেনে— [k^h]am, zo[k^h]am, mur[k^h]o

অসমীয়া ভাষাত |k^h| বিশিষ্ট ধ্বনি আৰু বাকীবোৰ ইয়াৰ উপধ্বনি।

ঘ |g^h| : [g^h+], [$g^{hΓ}$], [g^h]

বর্ণনা ঃ [g^h+] ঃ সঘোষ, মহাপ্রাণ, অগ্রপশ্চতালব্য, যুক্ত, নিয়ত ব্যঞ্জনধ্বনি।

[$g^{hΓ}$] ঃ সঘোষ, মহাপ্রাণ, পশ্চতালব্য, কিঞ্চিৎ যুক্ত, নিয়ত ব্যঞ্জনধ্বনি।

[g^h] ঃ সঘোষ, মহাপ্রাণ, পশ্চতালব্য, যুক্ত, নিয়ত ব্যঞ্জনধ্বনি।

প্রয়োগ ঃ [g^h+] ঃ ই (i), e (এ), উ (u) আৰু অ' (o) আদি ধ্বনিৰ আগত প্রয়োগ হয়। যেনে— [g^h+]in, [g^h+]ehu, [g^h+]uronia, [g^h+]arial

[$g^{hΓ}$] ঃ শব্দৰ শেষত আৰু n, r আদি ধ্বনিৰ লগত সংযুক্ত হৈ প্রয়োগ হয়। যেনে— ma[$g^{hΓ}$], ba[$g^{hΓ}$], krito[$g^{hΓ}$]no, xi[$g^{hΓ}$]re

[g^h] ঃ বাকী সকলো স্থানতে [g^h]ৰ প্রয়োগ হয়। যেনে— [g^h]or, Dr[g^h]o

অসমীয়া ভাষাত [g^h] উপধ্বনিৰ প্ৰয়োগৰ বিস্তৃতি বেছি। সেয়েহে | g^h | বিশিষ্ট ধ্বনি আৰু [g^h+] , [g^{hr}] , [g^h] ইয়াৰ তিনিটা উপধ্বনি।

আত্মমূল্যায়ন প্রশ্ন ঃ

উপধ্বনিৰ দিশত একেজাতীয় অল্পপ্রাণ আৰু মহাপ্রাণ ধ্বনিসমূহৰ মাজত কি পার্থক্য দেখিবলৈ পোৱা যায়? (৫০টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক।

.....

.....

.....

.....

৩.৩.২ অসমীয়া ভাষাৰ অন্যান্য ব্যঞ্জনধ্বনিৰ উপধ্বনি

গোলোক চন্দ্র গোস্বামীয়ে তেওঁৰ 'অসমীয়া বর্ণ প্রকাশ' নামৰ গ্রন্থখনত অসমীয়া নাসিক্য, উষ্ম, পার্শ্বীক আৰু কম্পিত ধ্বনিৰ উপধ্বনিসমূহৰ বিষয়ে বহলাই আলোচনা কৰি গৈছে। আমি তেওঁ দেখুওৱা উপধ্বনিসমূহৰ বিষয়ে চমুকৈ আপোনালোকৰ আগত দাঙি ধৰাৰ চেষ্টা কৰিম।

নাসিক্য ধ্বনি ঃ

ম |m| ঃ

|ম| বিশিষ্ট ধ্বনিৰ বর্ণনা হ'ল— ঔষ্ঠ্য, সঘোষ, নাসিক্য ব্যঞ্জনধ্বনি।

উপধ্বনি ঃ

অর্ধ-দীর্ঘ |ম| ঃ ই সঘোষ নাসিক্য ঔষ্ঠ্য ধ্বনি। ইয়াৰ মাত্রা অর্ধদীর্ঘ আৰু সুথিৰ। 'য-কাৰ' আৰু 'ৱেফ' অথবা 'ৰ-কাৰ' যুক্ত হ'লে এই উপধ্বনিৰ প্রয়োগ হয়। যেনে—

ক আ ম য় অ, 'কাম্য', গ ৰ আ ম য় অ, 'গ্রাম্য'

ক অ ৰ ম অ, 'কর্ম', অ ম ৰ ই ত 'অমৃত'

সুথিৰ |ম| ঃ ই ঔষ্ঠ্য সঘোষ নাসিক্য সুথিৰ আৰু স্বাভাৱিক মাত্রা যুক্ত। শব্দৰ আদিত প্রয়োগ হয়। যেনে— ম ই ক ই ৰ, 'মিকিৰ', ম এ' ক উ ৰ ই 'মেকুৰী'

শিথিল |ম| ঃ ই ঔষ্ঠ্য সঘোষ নাসিক্য শিথিল ধ্বনি। আন্তঃস্বৰ অৱস্থানত আৰু ম-ভিন্ন অন্য বৰ্ণৰ লগত সংযুক্ত পৰৱৰ্তী ব্যঞ্জনৰূপে ইয়াৰ প্ৰয়োগ হয়। যেনে—

ন ই ম ই ল এ', 'নিমিলে', জ অ ন ম অ 'জন্ম'

ক ও ম ও ৰ আ, 'কোমোৰা', প অ দ ম অ 'পদ্ম'

অন্ত্য অঘোষ [ম] ঃ ই ঔষ্ঠ্য অঘোষ শিথিল ইষৎ দীৰ্ঘ ধ্বনি। ই শব্দৰ শেষত প্ৰয়োগ হয়। যেনে—

ম অ ৰ অ ম, 'মৰম', ব ই ৰ আ ম 'বিৰাম',

ন অ ব অ ম 'নবম', ক উ হ উ ম 'কুহুম'

ন |n| ঃ

বৰ্ণনা ঃ দন্তমূলীয় সঘোষ নাসিক্য ধ্বনি।

উপধ্বনি ঃ

মূৰ্ধন্য [ণ] ঃত দন্তমূলীয়, সঘোষ, অৰ্ধ-দীৰ্ঘ আৰু সুথিৰ নাসিক্য ধ্বনি। ৰেফ যুক্ত হ'লে এই ধ্বনিৰ উচ্চাৰণ হয়। যেনে—

ক অ ৰ ন অ, 'কৰ্ণ', প অ ৰ ন অ 'পৰ্ণ'

ব অ ৰ ন অ ন আ 'বৰ্ণনা', প উ ৰ ণ ই ম আ 'পূৰ্ণিমা'

পশ্চ-দন্ত্য [ন] ঃ দন্তমূলীয়, সঘোষ, সুথিৰ ধ্বনি। শব্দৰ আদিতে স্বাভাৱিক মাত্রাযুক্ত আৰু মাজত অৰ্ধদীৰ্ঘ। যেনে—

ন য় আ এ 'ন্যায়', ন য় অ স ত অ 'ন্যস্ত'

ই-ৰ পৰৱৰ্তী অৱস্থানত [নত]-অৰ [ন]-অণ্ড দন্তমূলৰ আগ ভাগত উচ্চাৰিত হয়। যেনে—

স ই ন ত আ 'চিন্তা', স ন ত আ প 'সন্তাপ'

'ৰ'-কাৰ সংযুক্ত হ'লে [ন]-অৰ উচ্চাৰণ স্থানো আগবাঢ়ে। শব্দৰ আদিত ই স্বাভাৱিক মাত্রাযুক্ত আৰু সুথিৰ। যেনে—

ন ৰ ই প অ ত ই 'নৃপতি', ন ৰ ই ত য় অ 'নৃত্য'

শুদ্ধ দন্তমূলীয় [ন] ঃ

ওপৰৰ আলোচনাৰ বাহিৰে বাকী সকলো পৰিবেশ আৰু অৱস্থান ইয়াৰ প্ৰয়োগ হয়। যেনে—

ন ই ম অ খ 'নিমখ', ন আ ন আ ন 'নানান', ন ই ম ন অ 'নিম্ন'

অৰ্ধঘোষ [ন] ঃ দন্ত্যমূলীয়, অৰ্ধ অঘোষ, নাসিক্য ধ্বনি। পদান্তত আৰু [চ]-ৰ লগত সংযুক্ত হৈ দ্বিতীয় ব্যঞ্জনৰূপে প্ৰয়োগ হয়। যেনে—

চ ন আ ন 'স্নান', প ৰ অ শ ন অ 'প্রশ্ন'

আ প ও ন 'আপোন', স অ গ উ ন 'শগুণ'

ঙ [n] ঃ পশ্চতালব্য, সঘোষ, নাসিক্য ধ্বনি।

উপধ্বনি ঃ

অৰ্ধদীৰ্ঘ [ঙ] ঃ পশ্চতালব্য, সঘোষ অৰ্ধদীৰ্ঘ নাসিক্য ধ্বনি সংযুক্ত ব্যঞ্জনৰ আদি ব্যঞ্জনৰূপে প্ৰয়োগ হয়। যেনে—

অ ঙ ক অ 'অঙ্ক', 'অ ঙ স ই দ আ ৰ 'অংশীদাৰ'

দীৰ্ঘ অঘোষ [ঙ] ঃ পশ্চতালব্য, অঘোষ দীৰ্ঘ মাত্রা নাসিক্য ধ্বনি পদান্তত প্ৰয়োগ হয়। যেনে—

খ অ ঙ 'খং', চ এ ল এ ঙ 'চেলেং'

শিথিল [ঙ] ঃ পশ্চতালব্য, সঘোষ, শিথিল নাসিক্য ধ্বনি আন্তস্বৰ অৱস্থানত প্ৰয়োগ হয়। যেনে—

দ ই ঙ ই 'ডিঙি', চ এ' ঙ এ' ল ই 'চেঙেলী'

উষ্মধ্বনি ঃ

চ |s| ঃ দন্তমূলীয় অঘোষ, উষ্ম ব্যঞ্জনধ্বনি।

উপধ্বনি ঃ

সুষিৰ অৰ্ধদীৰ্ঘ [স] ঃ দন্তমূলীয়, অঘোষ, সুষিৰ, সুথিৰ অৰ্ধদীৰ্ঘ মাত্রাৰ শব্দৰ আদ্য স্থানত আৰু পদান্তত ই, এ', এ, আ, তা— এই স্বৰকেইটা লগত থাকিলে এই ধ্বনিৰ প্ৰয়োগ হয়। যেনে—

চ ই ন 'চিন', চ এ ন ই 'চেনী', চ এ ন এ হ 'চেনেহ'

ৰ-কাৰ যুক্ত হ'লেও এই ধ্বনিৰ প্ৰয়োগ হয়। যেনে—

চ ৰ ই জ অ ন ই ‘সৃজনী’, চ ৰ অ ম ‘শ্রম’

কুঞ্চিত অর্ধদীর্ঘ [চ] ঃ দন্তমূলীয়, অঘোষ, কুঞ্চিত আৰু সুথিৰ, মাত্রা অর্ধদীর্ঘ।

শব্দৰ আদিত অ’, ও, উ স্বৰৰ আগত পদান্তত ও, উ -ৰ পিছত আৰু ৰ বর্ণৰ লগত সংযুক্ত হ’লে এই ধ্বনিৰ প্রয়োগ হয়। যেনে—

চ অ’ ৰ ই ত ৰ অ ‘চৰিত্র’, চ ও ক আ ‘চোকা’

চ উ ন ‘চূণ’, ক ও চ ‘কোচ’

হ উ চ ‘হুচ’ ইত্যাদি

তালব্যীভূত অর্ধদীর্ঘ [চ] ঃ কিঞ্চিৎ তালব্য, অঘোষ অর্ধদীর্ঘ সুথিৰ উষ্ণ ব্যঞ্জনধ্বনি। য-কাৰ যুক্ত হ’লে এই ধ্বনিৰ প্রয়োগ হয়। যেনে—

চ য় আ ম ‘শ্যাম’, চ য় উ ত ই ‘চ্যুতি’

ব অ’ ই স য় অ ‘বৈশ্য’, স ই চ য় অ ‘শিষ্য’

স্বাভাৱিক মাত্রাযুক্ত [চ] ঃ দন্তমূলীয় অঘোষ উষ্মধ্বনি। সকলো অৱস্থানতে প্রয়োগ হয়। যেনে—

চ ত অ ম ভ অ ‘স্তম্ভ’, অ স ত অ ম ‘অষ্টম’

আ ৰ চ ই ‘আর্চি’, স অ চ আ ‘সচা’

জ [z] ঃ দন্তমূলীয় সঘোষ উষ্ম ব্যঞ্জন ধ্বনি

উপধ্বনি ঃ

ঈষৎ পূর্ব উদগীর্ণ [জ] ঃ দন্তমূলীয়, সঘোষ, সুষিৰ ধ্বনি। এই উপধ্বনি উচ্চাৰণ হোৱাৰ পূর্বে কণ্ঠ ৰোধ হয়। শব্দৰ আদিত স্বৰবর্ণৰ আগত ইয়াৰ প্রয়োগ হয়। যেনে—

জ ই ব অ ন ‘জীৱন’, জ ই ৰ ন অ ‘জীর্ণ’

জ ই ‘যি’, জ উ ক ত ই ‘যুক্তি’

অর্ধদীর্ঘ [জ] ঃ দন্তমূলীয়, দীর্ঘ, শিথিল, কিঞ্চিৎ অঘোষ উষ্ম ধ্বনি। শব্দৰ অন্ত্য স্থানত ব্যৱহাৰ হয়। যেনে—

ক আ ম ই জ ‘কাজিম’, ব ই জ ‘বীজ’

আ খ এ’ জ ‘আখেজ’, ন ই ম অ জ ‘নিমজ’

শিথিল [জ] ঃ দন্তমূলীয়, শিথিল, সুষিৰ সঘোষ উষ্মধ্বনি। আন্তঃস্বৰ অৱস্থানত প্ৰয়োগ হয়। যেনে—

চ ই জ ই ল ‘চিজিল’, ব ই জ উ ল ই ‘বিজুলী’

স [x] ঃ পশ্চতালব্য অঘোষ উষ্ম ব্যঞ্জনধ্বনি।

উপধ্বনি ঃ

শুদ্ধ-তালব্য উষ্ম [স] ঃ পশ্চতালব্য, অঘোষ, অৰ্ধদীৰ্ঘ, সুথিৰ, কেতিয়াবা স্বাভাৱিক মাত্ৰাযুক্ত আৰু শিথিল উষ্মধ্বনি।

ই, এ’ স্বৰৰ পূৰ্বৱৰ্তী, মধ্যৱৰ্তী আৰু পৰৱৰ্তী অৱস্থানত প্ৰয়োগ হয়। যেনে—

স ই ক অ ন ই ‘শিকনি’, স ই ল ‘শিল’

স এ’ ত উ ‘সেতু’, দ এ’ স ‘দেশ’

ব আ ৰ স ই ক ‘বাৰ্ষিক’, ব ই স ই স অ অ ‘বিশিষ্ট’

মধ্য পশ্চ তালব্য [স] ঃ পশ্চতালব্য, অঘোষ, আদ্য আৰু অন্ত্য অৱস্থানত অৰ্ধদীৰ্ঘ, স্বৰমধ্যাৱৰ্তী অৱস্থানত স্বাভাৱিক মাত্ৰাযুক্ত আদি অৱস্থানত সুথিৰ আৰু আন অৱস্থানত শিথিল।

আ আৰু এ স্বৰৰ আগে পাচে সকলো অৱস্থানতে এই উপধ্বনিৰ প্ৰয়োগ হয়। যেনে—

স এ ক ‘সেক’, স আ প ‘সাপ’

ম এ স ‘মেষ’, ব ই ন আ স ‘বিনাশ’

আ স আ ৰ ‘আশাৰ’, ব ই স আ ল ‘বিশাল’

অন্ত্য পশ্চতালব্য [স] ঃ পশ্চতালব্য, অঘোষ, আদ্য আৰু অন্ত্য অৱস্থানত অৰ্ধদীৰ্ঘ, মধ্য অৱস্থানত স্বাভাৱিক মাত্ৰাযুক্ত, আদ্য অৱস্থানত সুথিৰ আন পৰিবেশত শিথিল।

অ, অ’, ও, উ স্বৰৰ পূৰ্বৱৰ্তী আৰু পৰৱৰ্তী অৱস্থানত এই উপধ্বনিৰ প্ৰয়োগ হয়। যেনে—

স অ ৰ উ ‘সৰু’, স অ গ উ ন ‘শগুণ’

অ স অ ম ‘অসম’, স উ ক উ ৰ ‘শুকুৰ’

অ স ও ক ‘অশোক’, অ স উ ৰ ‘অসুৰ’ ইত্যাদি।

হ [h] ঃ কণ্ঠীয়, সঘোষ উষ্ম ব্যঞ্জনধ্বনি

উপধ্বনি ঃ

অর্ধদীর্ঘ-অর্ধাঘোষ [হ] ঃ কণ্ঠীয়, অর্ধাঘোষ, মাত্রা অর্ধদীর্ঘ, উষ্ম ব্যঞ্জনধ্বনি। ই সুথিৰ। আদ্য আৰু অন্ত্য অৱস্থানত ইয়াৰ প্রয়োগ হয়। যেনে—

হ ই ত 'হিত', হ আ ক ই ম 'হামিক'

ম ও হ 'মোহ', ম আ ন উ হ 'মানুহ' ইত্যাদি।

অনানাসিক [হঁ] ঃ কণ্ঠীয়, সঘোষ, অনুনাসিক উষ্মধ্বনি। অনুনাসিক স্বৰবর্ণৰ আগত বা পিছত, অনুনাসিক স্বৰৰ মধ্যৱর্তী অৱস্থানত ইয়াৰ প্রয়োগ হয়। যেনে—

হঁ আ হঁ 'হাঁহ', ক অঁ হঁ আ ৰ 'কঁহাৰ'

ম আঁ ন উ হঁ 'মানুহ', ক ওঁ হঁ 'কোঁহ' ইত্যাদি।

অঘোষ [হ] ঃ কণ্ঠীয়, অঘোষ, উষ্মধ্বনি। শব্দৰ মাজত খ অথবা স-ৰ পূর্বৱর্তী অৱস্থানত প্রয়োগ হয়। ইয়াক 'ঃ'-ৰে লিখা হয়। যেনে—

দ উ হ খ অ 'দুঃখ', ন ই হ স এ' স 'নিঃশেষ'

দ উ হ স অ হ অ 'দুঃসহ' ইত্যাদি।

শিথিল [হ] ঃ কণ্ঠীয়, সঘোষ, শিথিল উষ্মধ্বনি। আন্তঃস্বৰ অথবা শব্দৰ মাজত সংযুক্ত অৱস্থানত প্রয়োগ হয়। যেনে—

ব ই হ ই ত 'বিহিত', ব এ হ এ ল আ 'বেহেলা'

আ ৰ হ ই 'আৰ্হি', আ হ ল আ দ 'আহ্লাদ'

পার্শ্বিক ধ্বনি ঃ

ল [l] ঃ ব্যঞ্জনধ্বনি দন্তমূলীয়, সঘোষ, পার্শ্বিক ব্যঞ্জনধ্বনি।

উপধ্বনি ঃ

অর্ধদীর্ঘ [ল] ঃ দন্তমূলীয়, সঘোষ, অর্ধদীর্ঘ, সুথিৰ পার্শ্বিক ব্যঞ্জনধ্বনি।

য-কাৰ সংযুক্ত হ'লে এই ধ্বনিৰ উচ্চাৰণ হয়। যেনে—

ম উ ল য় অ 'মূল্য', ম আ ল য় অ 'মাল্য'

স আ ফ ল য় অ 'সাফল্য' ইত্যাদি।

অর্ধাঘোষ [ল] ঃ দন্তমূলীয়, অর্ধ সঘোষ, কিঞ্চিৎ দীর্ঘ পার্শ্বিক ব্যঞ্জনধ্বনি। শব্দৰ আদিত আৰু পদান্তত প্ৰয়োগ হয়। যেনে—

ল ই ন 'লীন', ল ই খ অ ক 'লিখক'

ব ই ল 'বিল', ম আ ত আ ল 'মাতাল' ইত্যাদি।

শিথিল [ল] ঃ দন্তমূলীয়, সঘোষ, শিথিল পার্শ্বিক ধ্বনি। আন্তঃস্বৰ অৱস্থানত আৰু সংযুক্ত ব্যঞ্জনৰ পৰৱৰ্তী ধ্বনি হিচাপে এই উপধ্বনি প্ৰয়োগ হয়। যেনে—

উ ক অ ল ত ই 'উকালতি', ম ই ল অ ন 'মিলন'

ব ই প ল অ ব 'বিপ্লব', গ ল আ ন ই 'গ্লানি'

কম্পিত ধ্বনি ঃ

ৰ [r] ঃ দন্তমূলীয়, সঘোষ, কম্পিত ব্যঞ্জনধ্বনি।

দন্তমূলীয় কম্পিত [ৰ] ঃ দন্তমূলীয়, সঘোষ, অৰ্ধদীৰ্ঘ কম্পিত ধ্বনি। আদ্য অৱস্থানত প্ৰয়োগ হয়। যেনে—

ৰ ই ত ই 'ৰীতি', ৰ এ ঙ ন ই 'ৰেঙনি'

ৰ উ ত ই 'ৰুটি', ৰ অ ত অ ন 'ৰতন'

দন্তমূলীয় কম্পিত [ৰ] ঃ দন্তমূলীয়, সঘোষ, সুথিৰ কম্পিত ধ্বনি। 'ৰ'-কাৰ ৰূপে অথবা ব্যঞ্জনৰ পৰৱৰ্তী ধ্বনি ৰূপে ইয়াৰ প্ৰয়োগ হয়। যেনে—

ত ৰ ই ন 'তৃণ', ব ই ক ৰ অ ম 'বিক্ৰম'

ম আ ত ৰ আ 'মাত্ৰা', স অ ম প ৰ অ ত ই 'সম্প্ৰতি'

অনুনাসিক [ৰঁ] ঃ দন্তমূলীয়, সঘোষ, অনুনাসিক কম্পিত ধ্বনি। সাধাৰণতে নাসিক্য ব্যঞ্জন অথবা অনুনাসিক স্বৰবৰ্ণৰ পিছত প্ৰয়োগ হয়। যেনে—

ন ৰ ই প অ ত ই 'নৃপতি', ক এঁ ৰ আ 'কেঁৰা'

ক ৰ ওঁ ত আ 'কৰোঁতা', ভ অঁ ৰ আ ল ই 'ভৰালী' ইত্যাদি।

আত্মমূল্যায়ন প্ৰশ্ন ঃ

উষ্মধ্বনি, পার্শ্বিক ধ্বনি আৰু কম্পিত ধ্বনিৰ ভিতৰত কোনবোৰ ধ্বনিৰ ধ্বনিগুণ পৰিবৰ্তনত অনুনাসিকতাই প্ৰভাৱ পেলায়? (৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

.....

৩.৪ সাৰাংশ (Summing Up)

অৱস্থান আৰু পৰিবেশভেদে বিশিষ্ট ধ্বনিবিলাকৰ ধ্বনিগুণৰ পৰিৱৰ্তন ঘটে। ধ্বনিগুণৰ পৰিৱৰ্তনৰ ফলত বিশিষ্ট ধ্বনিৰ পৰিৱৰ্তিত ধ্বনিবোৰেই হ'ল তাৰ উপধ্বনি। অসমীয়া ভাষাত প্ৰধানত নাসিক্য ধ্বনি, য়-ধ্বনিৰ প্ৰভাৱ, 'ৱ'-ৰ প্ৰভাৱ আদিৰ বাবে বিশিষ্ট ধ্বনিৰ ধ্বনিগুণৰ পৰিৱৰ্তন ঘটে। শব্দৰ আদ্য, মধ্য আৰু অন্ত্য স্থানৰ প্ৰয়োগ অনুসৰিও ধ্বনিগুণৰ পৰিৱৰ্তন ঘটে। আন্তঃস্বৰ প্ৰয়োগ, স্বৰৰ প্ৰভাৱৰ বাবে অনিয়ত ব্যঞ্জনসমূহৰ ধ্বনিগুণৰ পৰিৱৰ্তন হয়। অসমীয়া ব্যঞ্জনধ্বনিবোৰৰ একাধিক উপধ্বনি দেখিবলৈ পোৱা যায়। এই উপধ্বনিবোৰৰ মাজত ধ্বনিগত সাদৃশ্য বিৰাজমান হোৱাৰ লগতে পৰিপূৰক প্ৰয়োগহে হয়।

৩.৫ আৰ্হি প্ৰশ্ন (Sample Questions)

১। উপধ্বনি মানে কি? কি কি কাৰণত উপধ্বনিবিলাকৰ মাজত ধ্বনিগুণৰ পাৰ্থক্য দেখিবলৈ পোৱা যায়।

২। কি কি পৰিবেশৰ বাবে অসমীয়া ব্যঞ্জনধ্বনিসমূহৰ ধ্বনিগুণৰ পৰিৱৰ্তন হয়? উদাহৰণসহ বুজাই লিখক।

৩। অসমৰ অল্পপ্ৰাণ ধ্বনিসমূহৰ প্ৰধান উপধ্বনিসমূহৰ প্ৰয়োগ বিচাৰ কৰক।

৪। অসমীয়া মহাপ্ৰাণ ধ্বনিসমূহৰ উপধ্বনি নিৰ্ণয় কৰি প্ৰয়োগ বিচাৰ দেখুৱাওক।

৫। অসমীয়া নাসিক্য ধ্বনিসমূহৰ উপধ্বনিসমূহ দেখুৱাই সেই উপধ্বনিসমূহৰ ধ্বনিগুণৰ পাৰ্থক্যবোৰ নিৰ্ণয় কৰক।

৬। উষ্মধ্বনিসমূহৰ উপধ্বনিসমূহ দেখুৱাই সেইবোৰৰ প্ৰয়োগ বিশ্লেষণ কৰক।

৭। পাৰ্শ্বিক আৰু কম্পিত ধ্বনিৰ উপধ্বনিসমূহ দেখুৱাওক।

৩.৬ প্ৰসংগ পুথি (References/Suggested Readings)

গোলোক চন্দ্ৰ গোস্বামী ঃ অসমীয়া বৰ্ণ প্ৰকাশ, তৃতীয় প্ৰকাশ, বীণা লাইব্ৰেৰী, গুৱাহাটী, ১৯৯৬।

ঃ ধ্বনি-বিজ্ঞানৰ ভূমিকা, তৃতীয় প্ৰকাশ, গুৱাহাটী, ১৯৮৫।

দীপাংকৰ মৰল ঃ ব্যৱহাৰিক ধ্বনিবিজ্ঞান, প্ৰথম প্ৰকাশ, বনলতা, গুৱাহাটী, ২০০৭।

ৰমেশ পাঠক ঃ ভাষাবিজ্ঞানৰ ভূমিকা

G.C. Goswami ঃ Structure of Assamese

B. K. Kakati ঃ Assamese, Its Formation and Development

* * *

চতুর্থ বিভাগ
অসমীয়া স্বৰধ্বনিৰ উপধ্বনি আৰু ধ্বনিৰ সংযুতি

বিভাগৰ গঠনঃ

৪.১ ভূমিকা (Introduction)

৪.২ উদ্দেশ্য (Objectives)

৪.৩ স্বৰধ্বনিৰ ধ্বনিগুণ পৰিৱৰ্তনৰ পৰিবেশ

৪.৪ স্বৰধ্বনিৰ উপধ্বনি

৪.৫ অসমীয়া ধ্বনিৰ সংযুতি

৪.৬ সাৰাংশ (Summing Up)

৪.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

৪.৮ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

৪.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগত অসমীয়া ব্যঞ্জনধ্বনিৰ উপধ্বনিসমূহৰ বিষয়ে আলোচনা কৰি অহা হৈছে। এই বিভাগটিত অসমীয়া স্বৰধ্বনিৰ উপধ্বনিবোৰৰ বিষয়ে আলোকপাত কৰা হ'ব।

অসমীয়া ভাষাৰ স্বৰধ্বনিসমূহ প্ৰত্যেকৰে একাধিক উপধ্বনিৰ প্ৰয়োগ আছে। এই উপধ্বনিসমূহৰ অৱস্থান আৰু পৰিবেশৰ বাবে ধ্বনিগুণৰ পৰিৱৰ্তন হৈ উপধ্বনিৰ সৃষ্টি হয়। এই স্বৰধ্বনি সমূহৰ উপধ্বনিৰ লগতে এই ধ্বনি সমূহৰ সংযুতিৰো প্ৰয়োগ আছে। এই বিভাগটিত স্বৰধ্বনিৰ উপধ্বনি সৃষ্টিৰ অৱস্থান আৰু পৰিবেশৰ প্ৰভাৱ, উপধ্বনিসমূহৰ বৰ্ণনা আৰু প্ৰয়োগ আৰু ধ্বনিসমূহৰ সংযুতিবোৰৰ বিষয়ে পৰ্যালোচনা কৰা হ'ব।

৪.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- অসমীয়া ভাষাৰ স্বৰধ্বনিসমূহৰ ধ্বনিগুণৰ পৰিৱৰ্তনত পৰিবেশৰ প্ৰভাৱ সম্পৰ্কে জানিব পাৰিব,
- অসমীয়া ভাষাৰ স্বৰধ্বনিৰ উপধ্বনিসমূহৰ বিষয়ে বিচাৰ কৰিব পাৰিব,
- অসমীয়া ধ্বনিৰ সংযুতিবোৰ পৰ্যালোচনা কৰিব পাৰিব।

৪.৩ স্বৰধ্বনিৰ ধ্বনিগুণ পৰিৱৰ্তনৰ পৰিবেশ

শব্দত ধ্বনি এটাৰ প্ৰয়োগৰ স্থান আৰু পৰিবেশৰ বাবে ধ্বনিগুণৰ কেনেদৰে পৰিৱৰ্তন হয় সেই বিষয়ে ব্যঞ্জনধ্বনিৰ আলোচনাৰ প্ৰসংগত আমি জানি আহিছোঁ। ব্যঞ্জনধ্বনিসমূহৰ নিচিনাকৈ স্বৰধ্বনিসমূহৰো পৰিবেশৰ বাবে ধ্বনিগুণৰ পৰিৱৰ্তন হয়, অৰ্থাৎ উপধ্বনিৰ সৃষ্টি হয়। এই বিষয়ে ভাষাবিদ গোলোকচন্দ্ৰ গোস্বামীয়ে তেওঁৰ অসমীয়া বৰ্ণপ্ৰকাশ নামৰ গ্ৰন্থখনত আলোচনা কৰিছে। তেওঁৰ আলোচনাৰ আঁত ধৰিয়েই আমি ইয়াত পৰিবেশৰ প্ৰভাৱ সম্পৰ্কে চমুকৈ উল্লেখ কৰিম—

(১) নাসিক্য ধ্বনিৰ প্ৰভাৱ ঃ

- আসন্ন পূৰ্ববৰ্ণ নাসিক্য বৰ্ণ হ'লে স্বৰবৰ্ণবোৰ অনুনাসিক হয়।
- অনুনাসিক স্বৰৰ পিছত 'হ' থাকিলে তাৰ পৰৱৰ্তী স্বৰ অনুনাসিক হয়।
- সংযুক্ত স্বৰৰ এটা অনুনাসিক হ'লে আনটোও অনুনাসিক হয়।

(২) য-কাৰৰ প্ৰভাৱ ঃ

য-কাৰৰ প্ৰভাৱত স্বৰধ্বনিৰ ধ্বনিগুণৰ পৰিৱৰ্তন হয়।

(৩) ৰ-কাৰৰ প্ৰভাৱ ঃ

'ৰ'-কাৰৰ প্ৰভাৱতো স্বৰধ্বনিৰ ধ্বনিগুণৰ পৰিৱৰ্তন হয়।

(৪) অঘোৰ উষ্মবৰ্ণৰ প্ৰভাৱ ঃ

অঘোৰ উষ্মবৰ্ণ বিশেষকৈ 'চ' আৰু 'স' পৰৱৰ্তী স্বৰৰ ধ্বনিগুণৰ তাৰতম্য ঘটে।

(৫) সন্ধিৰ প্ৰভাৱ ঃ

অসমীয়া ভাষাত সন্ধিৰ প্ৰভাৱতো স্বৰবৰ্ণৰ ধ্বনিগুণৰ তাৰতম্য ঘটা দেখা যায়।

৪.৪ অসমীয়া স্বৰধ্বনিৰ উপধ্বনি

ভাষাবিদ দীপাংকৰ মৰলে 'ব্যৱহাৰিক ধ্বনিবিজ্ঞান' নামৰ গ্ৰন্থখনত অসমীয়া বিশিষ্ট স্বৰধ্বনিসমূহৰ প্ৰধান প্ৰধান উপধ্বনিসমূহ দেখুৱাইছে। তাৰ আলমতে অসমীয়া স্বৰধ্বনিৰ উপধ্বনিসমূহৰ বিষয়ে তলত আলোচনা দাঙি ধৰা হ'ল।

ই | i | ঃ [i], [i:], [ĩ], [ĩ :]

<u>বৰ্ণনা ঃ</u>

[i] ঃ প্ৰান্তীয়-বিবৃতৌষ্ঠ-উচ্চ স্বৰধ্বনি

[i:] ঃ প্ৰান্তীয়-বিবৃতৌষ্ঠ-দীৰ্ঘ-উচ্চ স্বৰধ্বনি

[ĩ] ঃ প্ৰান্তীয়-বিবৃতৌষ্ঠ-অনুনাসিক-উচ্চ স্বৰধ্বনি

[ĩ :] ঃ প্রান্তীয়-বিবৃতৌষ্ঠ-অনুনাসিক-দীর্ঘ-উচ্চ স্বৰধ্বনি

<u>প্রয়োগ ঃ</u>

[i] ঃ শব্দৰ সকলো স্থানত প্রয়োগ হয়। যেনে— [i]ta (ইটা), t[i]la (টিলা), at[i] (অতি)

[i:] ঃ একাক্ষৰী শব্দসমূহত প্রয়োগ হয়। যেনে— k[i:] (কি), b[i]l (বিল)

[ĩ] ঃ বহু আক্ষৰিক শব্দত নতুবা আসন্ন পূর্ববর্ণ নাসিক্য হ'লে প্রয়োগ হয়।। যেনে— x[ĩ]soni (সিঁচনি), n[ĩ]la (নীলা)

[ĩ :] ঃ একাক্ষৰী শব্দসমূহত প্রয়োগ হয়।। যেনে— x[ĩ]s (সিঁচ)

গতিকে দেখা গ'ল যে অসমীয়া ভাষাত [i] উপধ্বনিৰ প্রয়োগৰ বিস্তৃতি অধিক। সেয়েহে | i | এটা বিশিষ্ট ধ্বনি আৰু ইয়াৰ [i], [i:], [ĩ] আৰু [ĩ :] এই চাৰিটা উপধ্বনি।

এ' | e | ঃ [e], [e:], [ẽ], [ẽ :]

বর্ণনা ঃ

[e] ঃ প্রান্তীয়-বিবৃতৌষ্ঠ-উচ্চমধ্য স্বৰধ্বনি

[e:] ঃ প্রান্তীয়-বিবৃতৌষ্ঠ-দীর্ঘ-উচ্চমধ্য স্বৰধ্বনি

[ẽ] ঃ প্রান্তীয়-বিবৃতৌষ্ঠ-অনুনাসিক-উচ্চমধ্য স্বৰধ্বনি

[ẽ :] ঃ প্রান্তীয়-বিবৃতৌষ্ঠ-দীর্ঘ-অনুনাসিক-উচ্চমধ্য স্বৰধ্বনি

প্রয়োগ ঃ

[e] ঃ শব্দৰ মধ্যত, দ্বি-আক্ষৰিক শব্দত পৰৱর্তী অক্ষৰৰ অক্ষৰাধাৰ বা (—) হ'লে প্রয়োগ হয়। যেনে— k[e]bol (কেবল), b^h[e]ti (ভেটি), p[e]tu (পেটু)

[e:] ঃ একাক্ষৰী শব্দত প্রয়োগ হয়। যেনে— b^h[e:]d (ভেদ)

[ẽ] ঃ সাধাৰণতে নাসিক্য ধ্বনিৰ পৰৱর্তী স্থানত প্রয়োগ হয়। যেনে— sɛn[ẽ]l*i*, (ভেদ), m[ẽ]z*i* (মেজি)

[ẽ :] ঃ একাক্ষৰী শব্দৰ নাসিক্য ধ্বনিৰ পিছত প্রয়োগ হয়। যেনে— m[ẽ]l (মেল)

দেখা যায় যে অসমীয়া ভাষাত [e] উপধ্বনিৰ প্রয়োগৰ বিস্তৃতি বেছি। গতিকে | e | বিশিষ্ট ধ্বনি আৰু ইয়াৰ চাৰিটা উপধ্বনি।

এ | ɛ | ঃ [ɛ], [ɛ :], [ɛ̃]

বর্ণনা ঃ

[ɛ] ঃ প্রান্তীয়-বিবৃতৌষ্ঠ-নিম্নমধ্য স্বৰধ্বনি

[ɛ :] ঃ প্রান্তীয়-বিবৃতৌষ্ঠ-দীর্ঘ-নিম্নমধ্য স্বৰধ্বনি

[ɛ̃] ঃ প্রান্তীয়-বিবৃতৌষ্ঠ-অনুনাসিক-নিম্নমধ্য স্বৰধ্বনি

প্রয়োগ ঃ

[ɛ] ঃ শব্দৰ সকলো স্থানত প্রয়োগ হয়। যেনে— [ɛ]t[ɛ]k[ɛ] (এতেকে)

[ɛ :] ঃ সাধাৰণতে একাক্ষৰী শব্দত প্রয়োগ হয়। যেনে— k^h[ɛ :]l (খেল), d[ɛ :]

[ɛ̃] ঃ আসন্ন পূৰ্ববর্ণ নাসিক্য m, n ত হ'লে প্রয়োগ হয়। যেনে— m[ɛ̃]n[ɛ̃]zar (মেনেজাৰ)

অসমীয়া ভাষাত |ɛ| উপধ্বনিৰ প্রয়োগৰ বিস্তৃতি বেছি। সেয়েহে |ɛ| বিশিষ্ট স্বৰধ্বনি। [ɛ], [ɛ :], [ɛ̃] এই তিনিটা ইয়াৰ উপধ্বনি।

আ |a| ঃ [a], [a :], [ã], [ã :]

বর্ণনা ঃ

[a] ঃ কেন্দ্রীয়-বিবৃতৌষ্ঠ-নিম্ন স্বৰধ্বনি।

[a :] ঃ কেন্দ্রীয়-বিবৃতৌষ্ঠ-দীর্ঘ-নিম্ন স্বৰধ্বনি।

[ã] ঃ কেন্দ্রীয়-বিবৃতৌষ্ঠ-অনুনাসিক-নিম্ন স্বৰধ্বনি।

[ã :] ঃ কেন্দ্রীয়-বিবৃতৌষ্ঠ-দীর্ঘ-অনুনাসিক-নিম্ন স্বৰধ্বনি।

প্রয়োগ ঃ

[a] ঃ শব্দৰ সকলো স্থানতে প্রয়োগ হয়। যেনে— [a]z[a]r[a] (আজাৰা)

[a :] ঃ একাক্ষৰী শব্দসমূহত প্রয়োগ হয়। যেনে— a[a :]m (আম), k^h[a :] (খা)

[ã] ঃ বহু আক্ষৰিক শব্দত বা নাসিক্য ধ্বনিৰ পিছত প্রয়োগ হয়। যেনে— b[ã]hi (বাঁহী), m[ã]la (মালা)

[ã :] ঃ একাক্ষৰী শব্দত প্রয়োগ হয়। যেনে— b[ã :]h (বাঁহ)

উ |u| ঃ [u], [u :], [ũ], [ũ :]

বর্ণনা ঃ

[u] ঃ মূলীয়-সংবৃতৌষ্ঠ-উচ্চ স্বৰধ্বনি

[u :] ঃ মূলীয়-সংবৃতৌষ্ঠ-দীর্ঘ-উচ্চ স্বৰধ্বনি

[ũ] ঃ মূলীয়-সংবৃতৌষ্ঠ-অনুনাসিক-উচ্চ স্বৰধ্বনি

[ũ :] ঃ মূলীয়-সংবৃতৌষ্ঠ-দীর্ঘ-অনুনাসিক-উচ্চ স্বৰধ্বনি

প্রয়োগ ঃ

[u] ঃ শব্দৰ সকলো স্থানত প্রয়োগ হয়। যেনে— [u]l[u] (উলু), h[u]d[u] (হুদু)

[u :] ঃ একাক্ষৰী শব্দত প্রয়োগ হয়। যেনে— h[u :]l (হুল), x[u :]l (শূল)

[ũ] ঃ বহু আক্ষৰিত শব্দত ব্যৱহাৰ হয়। যেনে— k[ũ]hi (কুঁহি), m[ũ]kul (মুকুল)

[ũ :] ঃ একাক্ষৰী শব্দসমূহৰ প্রয়োগ হয়। যেনে— m[ũ :]l (মূল), k[ũ :]h (কুঁহ)

গতিকে দেখা গ'ল যে [u] উপধ্বনিটোৰ প্রয়োগৰ বিস্তৃতি বেছি। সেয়েহে অসমীয়া ভাষাত |u| বিশিষ্ট উপধ্বনি আৰু [u], [u :], [ũ], [ũ :] —এই চাৰিটা ইয়াৰ উপধ্বনি।

ও |o| ঃ [o], [o :], [õ]

বর্ণনা ঃ

[o] ঃ মূলীয়-সংবৃতৌষ্ঠ-উচ্চ স্বৰধ্বনি

[o :] ঃ মূলীয়-সংবৃতৌষ্ঠ-দীর্ঘ-উচ্চমধ্য স্বৰধ্বনি

[õ] ঃ মূলীয়-সংবৃতৌষ্ঠ-অনুনাসিক-উচ্চমধ্য স্বৰধ্বনি

প্রয়োগ ঃ

[o] ঃ শব্দৰ সকলো স্থানত প্রয়োগ হয়। যেনে— [o]loma (ওলমা), k^h[o]la (খোলা), k^hal[o] (খালো)

[o :] ঃ একাক্ষৰী শব্দসমূহত প্রয়োগ হয়। যেনে— k^h[o :]l (খোল)

[õ] ঃ আসন্ন পূর্ববর্ণ নাসিক্য হ'লে প্রয়োগ হয়। যেনে— m[õ]mai (মোমাই)

অসমীয়া ভাষাত [o] উপধ্বনিৰ প্ৰয়োগৰ বিস্তৃতি বেছি। গতিকে |o| বিশিষ্ট স্বৰধ্বনি [o], [o:], [õ] এই তিনিটা এই বৰ্ণৰ উপধ্বনি।

অ'|ɔ| ঃ [ɔ], [ɔ:]

বৰ্ণনা ঃ

[ɔ] ঃ মূলীয়-সংবৃতৌষ্ঠ-নিম্নমধ্য স্বৰধ্বনি

[ɔ:] ঃ মূলীয়-সংবৃতৌষ্ঠ-দীৰ্ঘ-নিম্নমধ্য স্বৰধ্বনি

প্ৰয়োগ ঃ

[ɔ] ঃ দ্বিআক্ষৰিক শব্দত পৰৱৰ্তী অক্ষৰৰ অক্ষৰাধাৰ |i| বা |u| হ'লে এই উপধ্বনিৰ প্ৰয়োগ হয়। যেনে— g[ɔ]ti (গতি), g[ɔ]ru (গৰু)

[ɔ:] ঃ একাক্ষৰী শব্দসমূহত প্ৰয়োগ হয়। যেনে— b[ɔ:]l (ব'ল), h[ɔ:]l (হ'ল)

অ|D| ঃ [D], [D:], [D̃]

বৰ্ণনা ঃ

[D] ঃ মূলীয়-সংবৃতৌষ্ঠ-নিম্ন স্বৰধ্বনি

[D:] ঃ মূলীয়-সংবৃতৌষ্ঠ-দীৰ্ঘ-নিম্ন স্বৰধ্বনি

[D̃] ঃ মূলীয়-সংবৃতৌষ্ঠ-অনুনাসিক-নিম্ন স্বৰধ্বনি

প্ৰয়োগ ঃ

[D] ঃ শব্দৰ সকলো স্থানত প্ৰয়োগ হয়। যেনে— [D]ka (অকা), k[D]m[D]l(কমল

[D:] ঃ একাক্ষৰী শব্দসমূহত প্ৰয়োগ হয়। যেনে— k[D:]l (কল)

[D̃] ঃ আসন্ন পূৰ্ববৰ্ণ নাসিক্য হ'লে এই উপধ্বনিৰ প্ৰয়োগ হয়। যেনে— m[D̃]r[D̃]m(মৰম)

আত্মমূল্যায়ন প্ৰশ্ন ঃ

সকলো স্বৰবৰ্ণৰ ধ্বনিগুণৰ পৰিৱৰ্তনত নাসিক্য ধ্বনিৰ প্ৰভাৱ আছেনে? (৩০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

.....

.....

.....

.....

৪.৫ অসমীয়া ধ্বনিৰ সংযুতি

স্বৰবৰ্ণ বা ব্যঞ্জনবৰ্ণ যদি শব্দত এটাতকৈ অধিক একেলগে প্ৰয়োগ হয়; তেতিয়া তাক সংযুতি বুলি কোৱা হয়। একাধিক স্বৰ একেলগে থাকিলে স্বৰ সংযুতি আৰু ইহঁতক একেলগে সংযুক্ত স্বৰ বুলি কোৱা হয়। একেদৰে একাধিক ব্যঞ্জনধ্বনি একেলগে প্ৰয়োগ হ'লে তাক ব্যঞ্জন সংযুতি আৰু ইহঁতক একেলগে সংযুক্ত ব্যঞ্জন বুলি কোৱা হয়।

(১) স্বৰ সংযুতি

অসমীয়া ভাষাত সৰ্বাধিক পাঁচোটা স্বৰ একেলগে প্ৰয়োগ হয়। অসমীয়া স্বৰ সংযুতিৰ কেতবোৰ উদাহৰণ তলত উল্লেখ কৰা হ'ল—

(ক) দুটা স্বৰৰ সংযুতি ঃ

অসমীয়া ভাষাত দুটা স্বৰৰ সংযুতি সৰ্বাধিক প্ৰয়োগ হয়। তলত কেতবোৰ উদাহৰণ দাঙি ধৰা হ'ল—

ইএ' ঃ দ ই এ' 'দিয়ে', ন অ' দ ই এ' 'নদীয়ে'

ইএ ঃ জইএক 'জীয়েক', ভঅনইএক 'ভনীয়েক'

ইআ ঃ হইআ 'হিয়া'

ইঅ ঃ কইঅ 'কিয়'

ইও ঃ সইও 'সিও'

ইঅ' ঃ জইঅ'ৰই 'জীয়ৰী'

ইউ ঃ জঅ'দইউ 'যদিও'

এ'ই ঃ এ'ই 'এই', জএই 'যেই'

এ'অ' ঃ দএ'অ'লইআ 'দেৱলীয়া'

এ'ও ঃ কঅ'লএ'ও 'ক'লৈও'

এ'উ ঃ দএ'উ 'দেউ'

আই ঃ আই ‘আই’

আএ ঃ লআএক ‘লায়েক’

আঅ ঃ খআঅ ‘খাৱ’

আঅ’ ঃ ভআঅ’ৰইআ ‘ভাৱৰীয়া’

আও ঃ নআও ‘নাও’

আউ ঃ লআউ ‘লাউ’

অঅ ঃ লঅঅ ‘লৱ’

অ’ই ঃ অ’ই ‘ঐ’ অথবা ‘অ’ই’

অ’উ ঃ মঅ’উ ‘মৌ’

ওএ’ ঃ সওএ ‘শোৱে’

ৰওঅ ঃ ৰওঅ ‘ৰোৱ’

ওও ঃ কঅৰওও ‘কৰোঁও’

উএ’ ঃ গঅ’ৰউএ’ ‘গৰুৱে’

উআ ঃ বঅৰউআ ‘বৰুৱা’

(খ) তিনিটা স্বৰৰ সংযুতি ঃ

ইএ’ই ঃ ইএ’ই ‘ইয়েই’

আইও ঃ পআইও ‘পায়ো’

আইউ ঃ বআইউ ‘বায়ু’

ইএ’ও ঃ দইএ’ও ‘দিয়েও’

ওআও ঃ কঅৰওআও ‘কৰোঁৱাও’ ইত্যাদি।

(গ) চাৰিটা স্বৰৰ সংযুতি ঃ

এ’ইএ’ই ঃ জএ’ইএ’ই ‘যেয়েই’

ইওএ’ই ঃ দইওএই ‘দিওঁৱেই’

আইএ’ই ঃ আইএ’ই ‘আয়েই’

অওএ'ই ঃ লঅওঅই 'লওঁয়েই'

অ'ইআই ঃ মঅ'ইআই 'মৈয়াই' ইত্যাদি।

(ঘ) পাঁচটা স্বৰৰ সংযুতি ঃ

আইউএ'ই ঃ আইউএ'ই 'আয়ুৰেই'

উআইএ'ই ঃ খউআইএ'ই 'খুৱাইয়েই' ইত্যাদি

আত্মমূল্যায়ন প্রশ্ন ঃ

সকলো স্বৰৰ সংযুতি পোৱা যায়নে? (৪টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

.....

.....

.....

.....

(২) ব্যঞ্জন সংযুতি

অসমীয়া ভাষাত বহুলভাৱে সংযুক্ত ব্যঞ্জনধ্বনিৰ প্রয়োগ পোৱা যায়। মন কৰিবলগীয়া যে অসমীয়া ভাষাৰ সংযুক্ত ব্যঞ্জনৰ অধিকাংশই সংস্কৃত তৎসম আৰু বিদেশী ঋণ শব্দত পোৱা যায়। শব্দৰ আদি, মধ্য আৰু অন্ত্য অৱস্থানতে সংযুক্ত ব্যঞ্জনৰ প্রয়োগ হয়। তলত ৰ সংযুক্ত ব্যঞ্জনৰ কেতবোৰ উদাহৰণ দাঙি ধৰা হ'ল—

(ক) দুটা ব্যঞ্জনৰ সংযুতি ঃ

অসমীয়া ভাষাত দুটা ব্যঞ্জনৰ সংযুতি এশতকৈ অধিক পোৱা যায়। কেতবোৰ উদাহৰণ—

পপ ঃ থআপপৰ 'থাপ্পৰ/থাপ্পৰ'

পত ঃ সউপতঅ 'সুপ্ত'

পস ঃ লইপসআ 'লিপ্সা'

পন ঃ চঅপনঅ 'স্বপ্ন'

পৰ ঃ পৰআন 'প্রাণ'

পল ঃ পলআবঅন 'প্লাৱন'

তপ ঃ উতপআত ‘উৎপাত’

তত ঃ বইততঅ ‘বিত্ত’

তথ ঃ উতথআন ‘উত্থান’

তন ঃ জঅতনঅ ‘যত্ন’

কত ঃ ভঅকতই ‘ভক্তি’

কক ঃ পঅককঅ ‘পক্ক’

কখ ঃ লঅকখঅ ‘লক্ষ’

কস ঃ নঅকসআ ‘নক্সা’

কৰ ঃ কৰঅমইক ‘ক্রমিক’

কল ঃ কলআনতই ‘ক্লান্তি’

কয় ঃ বআকয় ‘বাক্য’

বব ঃ চঅববইছ ‘চব্বিশ’

বদ ঃ সঅতআবদই ‘শতাব্দী’

বভ ঃ লিখিত ৰূপ ‘ভ্য’, সবভ ‘সভ্য’

বধ ঃ সতঅবধঅ ‘স্তবদ্ধ’

দদ ঃ খঅদদঅৰ ‘খদ্দৰ’

দভ ঃ উদভঅব ‘উদ্ভৱ’

দধ ঃ উদধআৰ ‘উদ্ধাৰ’

দম ঃ পঅদমঅ ‘পদ্ম’

গধ ঃ দউগধঅ ‘দুগ্ধ’

গৰ ঃ গৰঅহঅন ‘গ্রহণ’

ফল ঃ ফলএগ ‘ফ্লেগ’

থয় ঃ কঅথয়অ ‘কথ্য’

ভৰ ঃ ভৰঅম ‘ভ্রম’

ঘন ঃ বইঘনঅ ‘বিঘ্ন’

ঘৰ ঃ ঘৰআন ‘ঘ্রাণ’

চত ঃ চতঅমভঅ ‘স্তম্ভ’

হম ঃ বৰঅহমআ ‘ব্রহ্মা’

হন ঃ আহনইক ‘আহ্নিক’

হৰ ঃ হৰঅদ ‘হ্রদ’

হল ঃ পৰঅহলআদ ‘প্রহ্লাদ’

মপ ঃ কঅমপঅন ‘কম্পন’

মৱ ঃ সঅমবঅল ‘সম্বল’

ৰপ ঃ দঅৰপঅ ‘দর্প’

ৰখ ঃ মউৰখঅ ‘মূর্খ’

ৰঘ ঃ অৰঘঅ ‘অর্ঘ’

মৰ ঃ মৰইনআল ‘মৃণাল’

মল ঃ মলআন ‘ম্লান’

নত ঃ চইনতআ ‘চিন্তা’

নদ ঃ বইনদউ ‘বিন্দু’

নধ ঃ অনধঅ ‘অন্ধ’

নচ ঃ পঅনচঅম ‘পঞ্চম’

নজ ঃ অনজঅন ‘অঞ্জন’

নম ঃ জঅনমঅ ‘জন্ম’

ঙক ঃ অঙকঅ ‘অঙ্ক’

ঙগ ঃ মঅঙগঅল ‘মঙ্গল’

ঙখ ঃ সঅঙখঅ ‘শঙ্খ’

ৰন ঃ বঅৰনঅ ‘বর্ণ’

(খ) তিনিটা ব্যঞ্জনৰ সংযুতি ঃ

চপৰ ঃ চপৰইঙ ‘স্প্রিং’

চতৰ ঃ চতৰই ‘স্ত্রী’

চকৰ ঃ চকৰউ ‘স্ক্রু’

চমৰ ঃ চমৰইতই ‘স্মৃতি’

নতৰ ঃ সঅনতৰআস ‘সন্ত্রাস’

নতয় ঃ অনতয়অ ‘অন্ত্য’

ঙকৰ ঃ সঙকৰআনতই ‘সংক্রান্তি’

ঙগৰ ঃ সঙগৰঅহ ‘সংগ্রহ’

মভৰ ঃ সঅমভৰঅম ‘সম্ভ্রম’ ইত্যাদি।

আত্মমূল্যায়ন প্রশ্ন ঃ

শব্দৰ সকলো অৱস্থানতে সংযুক্ত ব্যঞ্জনৰ প্রয়োগ হয়নে? (৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

.....

৪.৬ সাৰাংশ (Summing Up)

অসমীয়া ভাষাৰ ব্যঞ্জনধ্বনিৰ নিচিনাকৈ স্বৰধ্বনিসমূহবো উপধ্বনিৰ প্রয়োগ আছে। উপধ্বনি সৃষ্টিৰ মূল কথা স্বৰৰ ধ্বনিগুণৰ পৰিৱর্তন হোৱা। বিভিন্ন পৰিবেশৰ বাবে স্বৰৰ ধ্বনিগুণৰ পৰিৱর্তন ঘটে। তাৰ ভিতৰত নাসিক্যধ্বনিৰ প্রভাৱ, য-কাৰৰ প্রভাৱ, ৰ-কাৰৰ প্রভাৱ, সন্ধিৰ প্রভাৱ উল্লেখযোগ্য স্বৰধ্বনিৰ উপধ্বনিবোৰ বিশ্লেষণ কৰিলে দেখা যায় যে উচ্চাৰণৰ দীর্ঘতা আৰু অনুনাসিকতা স্বৰধ্বনিৰ উপধ্বনি সৃষ্টিৰ প্রধান কাৰক।

একেদৰে স্বৰ আৰু ব্যঞ্জনধ্বনিৰ সংযুতিৰ প্রয়োগো অসমীয়া ভাষাত বিশেষ মন কৰিবলগীয়া। অসমীয়া ভাষাত সর্বাধিক পাঁচটা স্বৰৰ সংযুতি পোৱা যায়। ব্যঞ্জনৰ দিশত সর্বাধিক তিনিটা ব্যঞ্জনৰ সংযুতি পোৱা যায় যদিও দুটা ব্যঞ্জন সংযুতিৰ প্রয়োগ সর্বাধিক।

৪.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১। অসমীয়া স্ৱৰবৰ্ণসমূহৰ ধ্বনিগুণৰ পৰিৱৰ্তন ঘটোৱা পৰিবেশসমূহ চমুকৈ আলোচনা কৰক।

২। অসমীয়া ভাষাৰ স্ৱৰবৰ্ণৰ উপধ্বনিসমূহৰ বৰ্ণনা আৰু প্ৰয়োগ বিশ্লেষণ কৰক।

৩। অসমীয়া স্ৱৰবৰ্ণসমূহৰ উপধ্বনি নিৰ্ণয় কৰক।

৪। সংযুতি মানে কি? অসমীয়া ভাষাৰ বিশিষ্ট ধ্বনিসমূহৰ সংযুতি বিচাৰ কৰক

৫। স্ৱৰসংযুতি মানে কি? অসমীয়া ভাষাৰ সংযুতিসমূহৰ বিষয়ে আলোচনা কৰক।

৬। অসমীয়া স্ৱৰৰ উপধ্বনি নিৰ্মাণত অনুনাসিকতাৰ প্ৰভাৱ বিচাৰ কৰক।

৪.৮ প্ৰসংগ পুথি (References/Suggested Readings)

গোলোক চন্দ্ৰ গোস্বামী ঃ অসমীয়া বৰ্ণ প্ৰকাশ

(—) ঃ ধ্বনি-বিজ্ঞানৰ ভূমিকা

দীপাংকৰ মৱল ঃ ব্যৱহাৰিক ধ্বনিবিজ্ঞান

ৱমেশ পাঠক ঃ ভাষাবিজ্ঞানৰ ভূমিকা

G.C. Goswami ঃ Structure of Assamese

B. K. Kakati ঃ Assamese, Its Formation and Development

* * *

পঞ্চম বিভাগ
অসমীয়া ভাষাৰ সন্ধি

বিভাগৰ গঠনঃ

৫.১ ভূমিকা (Introduction)

৫.২ উদ্দেশ্য (Objectives)

৫.৩ সন্ধি কি?

৫.৪ অসমীয়া ভাষাৰ সন্ধি

৫.৫ অসমীয়া সন্ধি আৰু বিশিষ্টতা

৫.৫.১ শাব্দিক সন্ধি

৫.৫.২ বাক্য সন্ধি বা যতি

৫.৬ অসমীয়া ভাষাৰ সন্ধি পৰিৱৰ্তন

৫.৭ সাৰাংশ (Summing Up)

৫.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

৫.৯ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

৫.১ ভূমিকা (Introduction)

আগৰ বিভাগটিত অসমীয়া ভাষাৰ স্বৰধ্বনিৰ উপধ্বনিসমূহৰ বিষয়ে আলোচনা কৰি অহা হৈছে। এই বিভাগটিত অসমীয়া সন্ধিৰ বিষয়ে পৰ্যালোচনা কৰা হ'ব।

আমি সকলোৱে জানো যে অসমীয়া ভাষাৰ সংস্কৃত ভাষাৰ পৰা উদ্ভৱ হৈছে। সংস্কৃত ভাষাত সন্ধি এক অপৰিহাৰ্য অংগ আছিল। কিন্তু অসমীয়া ভাষাত সন্ধিৰ সেই বৈশিষ্ট্য ৰক্ষিত নহ'ল। অসমীয়া ভাষাত সংস্কৃতৰ পৰা অহা যিখিনি শব্দ পোনপটীয়াকৈ ব্যৱহাৰ হৈছিল, সেইবোৰত সন্ধিৰ নিয়ম একেদৰে থাকিল। কিন্তু অন্যান্য ক্ষেত্ৰত আমূল পৰিৱৰ্তন হ'ল। সন্ধিৰ প্ৰভাৱ অসমীয়া ভাষাত অতি কম। ধাতু আৰু প্ৰাতিপাদিকৰ লগত প্ৰত্যয়, বিভক্তি লগ লগাৰ সময়তে সন্ধিৰ উদাহৰণ পোৱা যায়। অসমীয়া ভাষাত সন্ধি একপ্ৰকাৰ লয় বিশেষ। কেতবোৰ বিশেষ পৰিস্থিতিত ইয়াৰ বিৰোধী প্ৰয়োগ দেখিবলৈ পোৱা যায় এই বিভাগটিত এই সকলোবোৰ দিশ আলোচনা কৰা হ'ব।

৫.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়নৰ অন্তত আপোনালোকে—

- সন্ধিৰ সংজ্ঞা দাঙি ধৰিব পাৰিব,
- অসমীয়া সন্ধিৰ স্বৰূপ বিচাৰ কৰিব পাৰিব,

- অসমীয়া সন্ধিৰ প্ৰকাৰ ভেদ কৰিব পাৰিব,
- অসমীয়া সন্ধি প্ৰকৰণৰ নিয়মবোৰ চালি জাৰি চাব পাৰিব।

৫.৩ সন্ধি কি?

সন্ধি শব্দৰ অৰ্থ হৈছে মিলন বা সংযোগ। এই সংযোগ শব্দত থকা ধ্বনিৰ লগত ধ্বনিৰ সংযোগ। সংস্কৃত ভাষাত দুটা ওচৰা-ওচৰিকৈ থকা শব্দৰ শেষ আৰু আদি ধ্বনিৰ মিলনৰ ফলত দুয়োটা ধ্বনিৰ গুণৰ পৰিৱৰ্তন হৈ যি মিলন হয় তাকে সন্ধি বোলা হয়। যেনে দেৱ+ইন্দ্ৰ=দেৱেন্দ্ৰ। ইয়াত দেৱ শব্দৰ শেষত থকা 'অ' আৰু দ্বিতীয় শব্দৰ আদিত থকা 'ই' মিলি 'এ' হৈছে আৰু নতুন শব্দ 'দেৱেন্দ্ৰ' গঠিত হৈছে।

সন্ধি একপ্ৰকাৰৰ লয় বিশেষ। সন্ধিৰ ধাৰণা আমি এনেদৰেও বিচাৰ কৰিব পাৰোঁ। মানুহে যেতিয়া বক্তব্য ৰাখে তেতিয়া ক'ব লগা কথাখিনি শেষ নোহোৱালৈকে একে লেঠাৰি নিৰবিচ্ছিন্নভাৱে চলি থাকে। বক্তব্যখিনিত বহুতো বৰ্ণ, শব্দ, বাক্য থাকে আৰু সকলোবোৰ ইটোৰ লগত সিটো লগ লাগি থাকে। অৰ্থাৎ ইটোৰ পৰা সিটোলৈ সংক্ৰমণ হৈ থাকে। এই ধ্বনি বা বৰ্ণৰ পৰা বৰ্ণলৈ, পদৰ পৰা পদলৈ আৰু বাক্যৰ পৰা বাক্যলৈ যি সংক্ৰমণ হয় তাকে সন্ধি বুলি কোৱা হয়। (গোলোক চন্দ্ৰ গোস্বামী, ধ্বনি বিজ্ঞানৰ ভূমিকা)।

সন্ধি মূলতঃ দুই প্ৰকাৰৰ—

(i) আভ্যন্তৰীণ সন্ধি বা বদ্ধ সন্ধি (Internal Juncture) আৰু

(ii) বহিঃ সন্ধি বা মুক্ত সন্ধি (External Juncture)

শব্দৰ অন্তৰ্গত বৰ্ণবিলাকৰ মাজত যি সংক্ৰমণ ঘটে তাক আভ্যন্তৰীণ সন্ধি বোলা হয়। উদাহৰণস্বৰূপে— 'খাম' শব্দটোত 'খ'ৰ পৰা 'আ' বা 'আ'ৰ পৰা 'ম'লৈ সংক্ৰমণ ঘটিছে। এই সংক্ৰমণে হ'ল আভ্যন্তৰীণ সন্ধি। আকৌ এটা শব্দৰ শেষৰটো বৰ্ণৰ পৰা পৰৱৰ্তী শব্দৰ প্ৰথমটো বৰ্ণলৈ যি সংক্ৰমণ ঘটে তাক বহিঃসন্ধি বোলা হয়। যেনে— ভাত খাম। ইয়াত 'ভাত' শব্দৰ 'ত'ৰ পৰা 'খাম' শব্দৰ 'খ'লৈ সংক্ৰমণ হৈছে।

সন্ধিৰ অন্য বিভাজন কেতবোৰো আছে। যেনে শব্দৰ ক্ষেত্ৰত সন্ধি হ'লে তাক শাব্দিক সন্ধি আৰু বাক্যৰ ক্ষেত্ৰত সন্ধি হ'লে তাক বাক্যসন্ধি বোলা হয়। তদুপৰি সন্ধিযুক্ত বৰ্ণ স্বৰ বা ব্যঞ্জন ধ্বনি হোৱাৰ ওপৰত নিৰ্ভৰ কৰি স্বৰসন্ধি আৰু ব্যঞ্জন সন্ধি নামেৰেও নামাকৰণ কৰা হয়। স্বৰবৰ্ণৰ লগত স্বৰবৰ্ণৰ সন্ধি হ'লে তাক স্বৰসন্ধি আৰু ব্যঞ্জনবৰ্ণৰ লগত ব্যঞ্জনবৰ্ণৰ সন্ধি হ'লে তাক ব্যঞ্জনসন্ধি বোলা হয়।

আত্মমূল্যায়ন প্রশ্ন ঃ

আভ্যন্তৰীণ সন্ধি আৰু বাহ্যিক সন্ধিৰ পার্থক্য কোনখিনিত? (৪০টা মান শব্দৰ ভিতৰত উত্তৰ লিখক)

.....

.....

.....

৫.৪ অসমীয়া ভাষাৰ সন্ধি

অসমীয়া ভাষাত সন্ধিযুক্ত অলেখ শব্দ আছে। কিন্তু সেইবিলাক শব্দ সংস্কৃত ভাষাৰ পৰা পোনে পোনে আহি অসমীয়া ভাষাত ব্যৱহাৰ হৈছে। সেই সকলোবোৰ সংস্কৃত সন্ধিৰ নিয়মত সম্পন্ন হোৱা। অসমীয়া ভাষাৰ নিজা শব্দ অর্থাৎ তদ্ভৱ আৰু দেশজ শব্দৰ মাজত সন্ধি নহয়।

আমি সকলোৱে জানো যে অসমীয়া ভাষাটো সংস্কৃত ভাষাৰ পৰা অহা। কিন্তু অসমীয়া সন্ধিৰ নিয়ম সংস্কৃত সন্ধিৰ লগত নিমিলে। অসমীয়া সন্ধিৰ প্রকৃত উদাহৰণ ধাতু আৰু প্রাতিপাদিকৰ পাছত প্রত্যয়-বিভক্তি লগ হ'লেহে পাওঁ। ধাতু বা প্রাতিপাদিকৰ পাছত প্রত্যয় বিভক্তি লগ লাগি যি নতুন শব্দৰ সৃষ্টি হয় আৰু তাৰ ফলত লগ লগা ধ্বনিবোৰৰ যি পৰিৱর্তন হয় সেয়াই প্রকৃতার্থত অসমীয়া সন্ধি।

অসমীয়া সন্ধিৰ প্রধান বৈশিষ্ট্য

ভাষাবিদ নগেন ঠাকুৰে 'পালি-প্রাকৃত-অপভ্রংশ ভাষা আৰু সাহিত্য' গ্রন্থখনত অসমীয়া সন্ধিৰ কেইটামান প্রধান বৈশিষ্ট্য উল্লেখ কৰিছে। সেই তলত দাঙি ধৰা হ'ল—

(১) অসমীয়া ভাষাত শব্দৰ লগত শব্দৰ বর্ণ বা আখৰ মিলি হোৱা সন্ধি নাই। ধাতু বা প্রাতিপাদিকৰ স্বৰৰ লগত প্রত্যয়ৰ আদিস্বৰ মিলিত হৈহে অসমীয়া ভাষাত সন্ধি হয়। কিন্তু এইক্ষেত্রতো নিয়মবোৰ বেলেগ বেলেগ হোৱা দেখা যায়। যেনে— (ক) কেতিয়াবা প্রত্যয়ৰ স্বৰ লোপ পায়, (খ) কেতিয়াবা ধাতু বা প্রাতিপাদিকৰ আৰু প্রত্যয়ৰ দুয়োটা স্বৰ ভিন্ন স্বৰলৈ, বিশেষকৈ দ্বিস্বৰলৈ পৰিৱর্তন হয়, (গ) কেতিয়াবা দুই স্বৰৰ মাজত ৱ, য় শ্রুতিৰ আগম হয়।

(২) ব্যঞ্জনৰ লগত ব্যঞ্জন মিলিত হৈ হোৱা সন্ধি অসমীয়া ভাষাত অতি তাকৰ। কেতবোৰ ক্ষেত্রত ব্যঞ্জনৰ লগত স্বৰ মিলি ব্যঞ্জন সন্ধি হোৱা যেন লাগিলেও শব্দৰ কোনো পৰিৱর্তন নহয় বাবে তাক সন্ধি বুলি ক'ব পৰা নাযায়। যেনে পষ+এক=পষেক, হাত+এৰে=হাতেৰে ইত্যাদি

(৩) অসমীয়া সন্ধিৰ প্ৰকৃতি প্ৰধানকৈ অন্তৰ্সন্ধিহে। ব্যঞ্জনসন্ধি বুলি অভিহিত কৰিব পৰা দুই এটা শব্দত বহিৰ্সন্ধিৰ লক্ষণ দেখা পোৱা গ'লেও অসমীয়া নিজা শব্দৰ মাজত হোৱা সন্ধিৰ প্ৰকৃতি প্ৰধানতঃ অন্তৰ্সন্ধিৰ লক্ষণযুক্ত।

আত্মমূল্যায়ন প্ৰশ্ন ঃ

অসমীয়া সন্ধিৰ প্ৰকৃত স্বৰূপ কি? (৪০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

.....

.....

.....

.....

৫.৫ অসমীয়া ভাষাৰ সন্ধি আৰু বিশিষ্টতা

অসমীয়া ভাষাত শাব্দিক সন্ধি আৰু বাক্য সন্ধি দুয়োটাই বিশিষ্ট বুলি বিবেচনা কৰা হয়।

৫.৫.১ শাব্দিক সন্ধি

অসমীয়া ভাষাত শাব্দিক সন্ধি বিশিষ্ট। অৱশ্যে এই শাব্দিক সন্ধিক যুক্ত সন্ধি বুলি ধৰা হয়। কিন্তু ইয়াৰ উদাহৰণ সম্পূৰ্ণ বাক্য এটাৰ ক্ষেত্ৰতহে দেখিবলৈ পোৱা যায়। এই সন্ধিত আভ্যন্তৰীণ সন্ধি আৰু বাক্যৰ বহিৰ্সন্ধি বা যুক্ত সন্ধিৰ লগত বিৰোধ দেখা যায়। তলত ইয়াৰ উদাহৰণ দাঙি ধৰা হ'ল—

(১) সি—তাৰ—কথাত—কাণ—দিছে।

'সি তাৰ কথাত কাণ দিছে।'

(২) সি—তাৰ—কথাত—কান্দিছে।

'সি তাৰ কথাত কান্দিছে।'

(৩) সীতাৰ—কথাত—কাণ—দিছে।

'সীতাৰ কথাত কাণ দিছে।'

(৪) সীতাৰ—কথাত—কান্দিছে।

'সীতাৰ কথাত কান্দিছে।'

ওপৰৰ চাৰিওটা বাক্যৰে বৰ্ণৰ অনুক্ৰমবোৰ অভিন্ন। কিন্তু বাক্যবোৰৰ মাজত সন্ধি প্ৰক্ৰিয়া একে নহয়, সেয়েহে প্ৰত্যেকটো বাক্যৰে অৰ্থও ভিন্ন। প্ৰথম বাক্যত তিনিটা-চাৰিটা বহিৰ্সন্ধিৰ প্ৰয়োগ হৈছে। কিন্তু দ্বিতীয় বাক্যত 'কাণ' আৰু 'দিছে'ৰ মাজত বহিৰ্সন্ধি নোহোৱা হৈ 'কান্দিছে' হৈছে— অৰ্থাৎ আভ্যন্তৰীণ সন্ধিলৈ পৰিণত হৈছে। সেইদৰে তৃতীয় বাক্যত 'সি' আৰু 'তাৰ'-ৰ মাজৰ বহিৰ্সন্ধি নোহোৱা হৈ আভ্যন্তৰীণ সন্ধিৰে যুক্ত হৈ 'সীতাৰ' হৈ পৰিছে। ইয়াত বহিৰ্সন্ধি তিনিটাৰ প্ৰয়োগ আছে। চতুৰ্থ বাক্যত মাত্ৰ দুটাহে বহিৰ্সন্ধিৰ প্ৰয়োগ হৈছে। ইয়াত 'সি' আৰু 'তাৰ'-ৰ মাজৰ বহিৰ্সন্ধি আঁতৰি আভ্যন্তৰীণ সন্ধি যুক্ত হৈ 'সীতাৰ' সৃষ্টি হৈছে। একেদৰে 'কাণ' আৰু 'দিছে'ৰ মাজৰ বহিৰ্সন্ধি আঁতৰি আভ্যন্তৰীণ সন্ধি যুক্ত হৈ 'কান্দিছে' শব্দত সৃষ্টি হৈছে। এনেদৰে আভ্যন্তৰীণ আৰু বহিৰ্সন্ধিৰ মাজত বিৰোধ ঘটি বাক্যবোৰৰ অৰ্থৰ তাৰতম্য ঘটিছে।

৫.৫.২ বাক্য সন্ধি বা যতি ঃ

বাক্যৰ দিশত হোৱা সন্ধিয়েই হ'ল বাক্য সন্ধি। বাক্য সন্ধিক 'যতি' বুলিও কোৱা হয়। এই সন্ধিক বিভিন্ন যতি চিহ্নৰ দ্বাৰা সূচিত কৰা হয়।

বাক্য সন্ধি দুই প্ৰকাৰৰ— মধ্য যতি আৰু অন্ত্য যতি। বাক্যাংশৰ মাজত এই সন্ধিৰ প্ৰয়োগ হ'লে তাক মধ্যযতি আৰু বাক্যৰ অন্তত এই সন্ধিৰ প্ৰয়োগ হ'লে তাক অন্ত্যযতি বোলা হয়। ভাষাবিদ গোলোক চন্দ্ৰ গোস্বামীয়ে অসমীয়া যতিক 'অসমীয়া বৰ্ণ-প্ৰকাশ' গ্ৰন্থখনত তলত দিয়া ধৰণে দেখুৱাইছে—

মধ্য-যতি ঃ

(১) উন্নত বা কমা (,) ;

(২) সম বা হাইফেন (-),

অন্ত-যতি ঃ

(১) অৱনত বা দাৰি (।);

(২) উন্নত বা প্ৰশ্নবোধক (?);

(৩) সম বা ৰুদ্ধ (;),

(৪) আশ্চৰ্যবোধক (!)।

মধ্য যতি ঃ

কমা (,) ঃ 'কমা' এটা মধ্যসন্ধি। বাক্যাংশৰ মাজত ইয়াৰ প্ৰয়োগ হয়। ইয়াৰ পূৰ্বৱৰ্তী ব্যঞ্জনৰ ধ্বনিগুণ শেষান্তৰ দৰে হয়। এই সন্ধিৰ পূৰ্বৱৰ্তী অন্ত্যস্বৰ দীৰ্ঘ হয়। শব্দৰ মাজৰ যুক্ত সন্ধিতকৈ 'কমা'ৰ ক্ষেত্ৰত বিৰতি কিছু দীঘলীয়া হয়।

হাইফেন (-) ঃ হাইফেনো মধ্যযতি, বাক্যাংশৰ মাজত ইয়াৰ প্ৰয়োগ হয়। হাইফেনৰ পূৰ্বৱৰ্তী ব্যঞ্জনবৰ্ণৰ ধ্বনিগুণ পদান্তৰ দৰে হয় আৰু পৰৱৰ্তী ব্যঞ্জনৰ ধ্বনিগুণ শব্দৰ আদি ধ্বনিৰ নিচিনা হয়। এই সন্ধিৰ বিৰতি যুক্ত সন্ধিতকৈ অলপ বেছি কিন্তু 'কমা'-তকৈ অলপ কম।

অন্ত্যযতি ঃ

দাৰি (।) ঃ সাধাৰণ বাক্য এটাৰ অন্তত 'দাৰি' প্ৰয়োগ হয়। দাৰি যতিত অন্ত্য অক্ষৰৰ বদ্ধ-স্বৰ দীৰ্ঘ আৰু মুক্ত-স্বৰ ততোধিক দীৰ্ঘ হয়, আৰু বাক্যটোৰ সুৰো ক্ৰমে অৱনত হৈ নিম্ন স্তৰত পৰে; সঘোষ বৰ্ণবোৰ অঘোষ হৈ অন্ত পৰে।

উন্নত-যতি ঃ

উন্নত যতি দুই ধৰণৰ— সাধাৰণ উন্নত-যতি (?) আৰু ক্ষিপ্ৰ উন্নত-যতি (?)। প্ৰশ্নবোধক বাক্যত উন্নত-যতি প্ৰয়োগ হয়।

সাধাৰণ উন্নত-যতি ঃ সাধাৰণ প্ৰশ্নবোধক বাক্যত এই সন্ধিৰ প্ৰয়োগ হয়। এই সন্ধিযুক্ত বাক্যত অন্ত্যপদৰ অন্ত্য স্বৰবৰ্ণ বৰ দীঘল হয়। বদ্ধ অক্ষৰতকৈ মুক্ত অক্ষৰত আপেক্ষিকভাৱে বেছি দীঘল হয়। ঘোষত্ব লাগে লাহে অন্ত পৰে। এই সন্ধিৰ প্ৰয়োগ হোৱা বাক্যটোৰ সুৰ দাৰিৰ প্ৰয়োগতকৈ সাধাৰণতে অলপ ওপৰত আৰম্ভ হয়। কমা যতিতকৈ সুৰ অলপ উন্নত হৈ বাক্যটো শেষ হয়। প্ৰশ্নবোধক প্ৰাকৃতি, যেনে— নে, নেকি, কি আদি ব্যৱহাৰ নকৰাকৈ প্ৰশ্ন সুধিলে সাধাৰণতে এই যতি প্ৰয়োগ হয়।

ক্ষিপ্ৰ উন্নত যতি ঃ সাধাৰণতে আশ্চৰ্য বুজাবলৈ প্ৰশ্নবোধক বাক্যত এই যতিৰ প্ৰয়োগ হয়। এই সন্ধিত বাক্যৰ শেহৰ স্বৰবৰ্ণ বৰ দীঘলীয়াকৈ উচ্চাৰিত হৈ হঠাৎ অন্ত হয়। এই যতি পৰিলে দাৰিৰ প্ৰয়োগতকৈ অলপ নিম্ন স্তৰত বাক্যটোৰ সুৰ আৰম্ভ হয়।

সম বা ৰুদ্ধ যতি (ঃ) ঃ

সমসন্ধিৰ লক্ষণবোৰ প্ৰায় দাৰি (।)ৰ দৰে। ইয়াৰ সুৰ দাৰিতকৈ কিছু উন্নত। দীঘল বাক্যত কেতিয়াবা মধ্যসন্ধিৰ নিচিনাকৈ প্ৰয়োগ হয়।

সম যতি বহু ক্ষেত্ৰত প্ৰয়োগ হয়। আদেশ, অনুজ্ঞা আদি বুজাবলৈ ইয়াৰ ব্যৱহাৰ হয়। যেনে—

তুমি যোৱা ঃ ; আপুনি আহক ঃ ইত্যাদি।

তালিকাৰ বস্তুৰ নাম কওঁতেও ইয়াৰ প্ৰয়োগ হ'ব পাৰে। যেনে— এক ঃ দুই ঃ তিনি ঃ চাৰি ঃ পাঁচ ঃ ইত্যাদি।

চাউল ঃ দালি ঃ মিঠাতেল ঃ ইত্যাদি।

কেতিয়াবা প্রশ্ন সোধোতেও ইয়াৰ প্রয়োগ হয়। যেনে—

তুমি আহিবা নেকি ঃ

তেওঁ যাব নে ঃ ইত্যাদি।

আশ্চর্য-বোধক যতি (!) ঃ

আশ্চর্য বুজাবলৈ এই যতিৰ ব্যৱহাৰ হয়। এই যতিৰ অন্ত্যস্বৰ অতি চুটি। সুৰ বাক্যৰ অন্তত বেছি উন্নত। যেনে—

এইটো ইমান ডাঙৰ সাপ!

বাপৰে কি আচৰিত কথা! ইত্যাদি।

বাক্যৰ সন্ধিৰ বিৰোধৰ উদাহৰণ ঃ

সকলো প্রকাৰ বাক্য সন্ধি বা যতিৰ ক্ষেত্রত বিৰোধ দেখা নাযায়। বাক্য সন্ধিত হোৱা কেতবোৰ বিৰোধত উদাহৰণ তলত দাঙি ধৰা হ'ল—

(১) ৰং বিৰঙৰ পখিলাবিলাক, মোৰ ভাল লাগে।

(২) ৰং বিৰঙৰ পখিলাবিলাক? মোৰ ভাল লাগে।

(৩) ৰং বিৰঙৰ পখিলাবিলাক, তোমাৰ ভাল লাগে।

(৪) ৰং বিৰঙৰ পখিলাবিলাক— তোমাৰ ভাল লাগে?

(৫) ৰং বিৰঙৰ পখিলাবিলাক— তোমাৰ ভাল লাগে?

ওপৰৰ বাক্যবোৰত প্রথম দুটা বাক্যৰ বর্ণসমূহ আৰু সিহঁতৰ ক্রম অভিন্ন। কেৱল যতি বেলেগ। কিন্তু দুয়োটা বাক্যৰ অর্থ একে নহয়। প্রথম বাক্যটো সাধাৰণ অর্থ প্রকাশক। কিন্তু দ্বিতীয় বাক্যৰ অর্থ ভিন্ন। তাৰ অর্থ এনে ধৰণৰ— 'তুমি মোক ৰং বেৰঙৰ কথা সুধিছা নেকি? হয় মোৰ ভাল লাগে।

পৰৱর্তী বাক্য তিনিটাৰ বর্ণানুক্রম অভিন্ন। কিন্তু অর্থ একে নহয়। (৩) নং বাক্যটোৰ অর্থ সাধাৰণ অর্থবাচক। (৪) নং বাক্যটোৰ অর্থ 'মই জানিব খুজিছোঁ তোমাৰ ৰং বেৰঙৰ পখিলাবিলাক ভাল লাগে নেকি।' (৫) নং বাক্যটোৰ অর্থ 'ৰং বেৰঙৰ পখিলাবিলাক ভাল লাগে বুলি জানি মই অলপ আচৰিত হৈছোঁ।'

আত্মমূল্যায়ন প্রশ্ন ঃ

(১) শাব্দিক সন্ধিৰ বিৰোধৰ পৰিবেশ কি? (৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

(২) বাক্য সন্ধিৰ মূলক আধাৰ কি বুলি ধাৰণা কৰিব পাৰি? (৪০টা মান শব্দৰ ভিতৰত উত্তৰ লিখক)

.....

.....

৫.৬ অসমীয়া ভাষাৰ সন্ধি পৰিৱৰ্তন

অসমীয়া ভাষাত সন্ধি পৰিৱৰ্তন অতি কম পৰিমাণে দেখা যায়। যিখিনি পৰিৱৰ্তন দেখা যায় সেইখিনি স্বৰবৰ্ণৰ পৰিৱৰ্তনৰ ক্ষেত্ৰতহে দেখা যায়। অসমীয়া ভাষাত সন্ধিৰ ক্ষেত্ৰত ব্যঞ্জনধ্বনিৰ পৰিৱৰ্তন অতি সীমিত।

তলত অসমীয়া স্বৰসন্ধি আৰু ব্যঞ্জনসন্ধি পৰিৱৰ্তনৰ কেতবোৰ নিয়ম আৰু উদাহৰণ দাঙি ধৰিবলৈ প্ৰয়াস কৰিলোঁ—

স্বৰবৰ্ণৰ পৰিৱৰ্তন ঃ

ভাষাবিদ গোলোকচন্দ্ৰ গোস্বামীয়ে 'অসমীয়া ব্যাকৰণ প্ৰয়োগ' গ্ৰন্থখনত অসমীয়া স্বৰসন্ধিক দুটা ভাগত ভাগ কৰি দেখুৱাইছে।

(১) ব্যঞ্জনৰ পিছত থকা স্বৰৰ সন্ধি, আৰু

(২) স্বৰৰ পিছত থকা স্বৰৰ সন্ধি।

গ্ৰন্থখনত আগবঢ়োৱা কেতবোৰ সন্ধিৰ নিয়ম ইয়াত আলোচনা কৰিবলৈ চেষ্টা কৰা হ'ল—

(১) ব্যঞ্জনৰ পিছত থকা স্বৰৰ সন্ধি ঃ

(ক) ব্যঞ্জনৰ পিছত থকা অ, আ, ও, উ আৰু দ্বিস্বৰৰ লগত অ স্বৰৰ সন্ধি হ'লে মাজত এটা 'ৱ'ৰ আগম হয়। আৰু ইয়াত পিছত 'অ' যোগ হয়। যেনে—

(অ) অ + অ ঃ

লঅ+অ (ল+অ) → লঅৱঅ (লৱ)

কঅ+অ (ক+অ) → কঅৱঅ (কৱ) ইত্যাদি।

(আ) আ+অ ঃ

খআ+অ (খা+অ) → খআৱঅ (খাৱ)

পআ+অ (পা+অ) → পআৱঅ (পাৱ) ইত্যাদি।

(ই) ও+অ ঃ

সও+অনই (শো+অনি) → সওৱঅনই (শোৱনি)

ৰও+অ (ৰো+অ) → ৰওৱঅ (ৰোৱ)

ধও+অ (ধো+অ) → ধওৱঅ (ধোৱ) ইত্যাদি।

(ঈ) উ+অ ঃ

উলউ+অনই (উলু+অনি) → উলউৱনই (উলুৱনি)

কঅচউ +অনই (কচু+অনি) → কচউৱনই (কচুৱনি) ইত্যাদি।

(উ) ঔ+অ ঃ

ঔ+অনই (ঔ+অনি) → ঔৱঅনই (ঔৱনি)

ভঔ-ভঔ+অনই → ভঔ-ভঔৱঅনই (ভৌ-ভৌৱনি) ইত্যাদি।

(খ) ব্যঞ্জনৰ পিছত অ বা আ থাকিলে আ-স্বৰৰ লগত অ, আ-ৰ সন্ধি হ'লে অ বা আ ওৱ হয় আৰু পিছৰ স্বৰ লগ লাগে। যেনে—

(অ) অ+আ ঃ

লঅ+আ (ল+আ) → লওৱআ (লোৱা)

হঅ+আ (হ+আ) → হওৱআ (হোৱা)

(আ) আ+আ ঃ

খআ+আ (খা+আ) → খওৱআ (খোৱা)

পঅঢ়আ+আ (পঢ়া+আ) → পঢ়ওৱআ (পঢ়োৱা)

(গ) ব্যঞ্জনৰ পিছত থকা ও, উ, ঊ আৰু ঔৰ লগত আ বা এ-ৰ সন্ধি হ'লে মাজত ৱ-ৰ আগম হয় আৰু পিছত আ বা এ স্বৰ লগ লাগে। যেনে—

(আ) ও+এ ঃ

বলও+এ (বলো+এ) → বলওৱএ (বলোৱে)

(আ) উ+এ ঃ

গঅৰউ+এ (গৰু+এ) → গৰুৱে

(ই) ঔ+আ ঃ

ধঔ+আ (ঢৌ+আ) → ধওৱআ (ঢৌৱা)

(ঈ) ঔ+এ ঃ

ধঔ+এ (ঢৌ+এ) → ধঔৱএ (ঢৌৱে)

(ঘ) ব্যঞ্জনৰ পিছৰ পদান্তৰ অ বা আ-ৰ লগত এ-ৰ সন্ধি হ'লে এ-ৰ ঠাইত য় হয়। যেনে—

(অ) অ+এ ঃ

কঅ+এ (ক+এ) → কঅয় (কয়)

বঅলঅ+এ (বল+এ) → বঅলঅয় (বলয়)

(আ) আ+এ ঃ

জআ+এ (যা+এ) → জআয় (যায়)

খআ+এ (খা+এ) → খআয় (খায়)

(ঙ) ব্যঞ্জনৰ পিছত থকা ই, ঈ, ঋ, এ, ঐৰ লগত অ, আ বা এ যোগ হ'লে মাজত য় আগম হয় আৰু পিছৰ স্বৰটো য়-ত যোগ হয়।

(অ) ই+অ ঃ

বউধই+অক (বুধি+অক) → বউধইয়অক (বুধিয়ক)

মঅলই+অন (মলি+অন) → মঅলইয়অন (মলিয়ন)

(আ) ই+আ ঃ

দই+আ (দি+আ) → দইয়আ (দিয়া)

গউৰই+আল (গুৰি+আল) → গউৰইয়আল (গুৰিয়াল)

(ই) ই+আ ঃ

জঈ+আৰঈ (জী+আৰী) → জঈয়আৰঈ (জীয়াৰী)

জঈ+আ (জী+আ) → জঈয়আ (জীয়া)

(ঈ) ই+এ ঃ

হঅৰই+এ (হৰি+এ) → হঅৰইয়এ (হৰিয়ে)

হআবই+এদই (হাবি+এদি) → হআবইয়এদই (হাবিয়েদি)

(ঊ) ঈ+এ ঃ

পএহঈ+এ (পেহী+এ) → পএহইয়এ (পেহীয়ে)

নঅদঈ+এদই (নদী+এদি) → নঅদঈয়এদই (নদীয়েদি)

(ঋ) ঋ+এ ঃ

মআতৃঋ+এ (মাতৃ+এ) → মআতৃঋয়এ (মাতৃয়ে)

(এ) এ+এ ঃ

ভআবএ+এ (ভাবে+এ) → ভআবএয়এ (ভাবেয়ে)

(ঐ) ঐ+আ ঃ

মঐ+আ (মৈ+আ) → মঐয়আ (মৈয়া)

(ও) ঐ+এ ঃ

আতঐ+এ (আতৈ+এ) → আতঐয়এ (আতৈয়ে)

(চ) ও স্বৰৰ পিছত ই স্বৰ লগ লাগিলে সন্ধি হৈ ও স্বৰ উ হয়। যেনে—

সও+ই (শো+ই) → সউই (শুই)

ধও+ই (ধো+ই) → ধউই (ধুই)

(ছ) ব্যঞ্জন শব্দৰ আগত যদি ও স্বৰ থাকে আৰু ই, উ স্বৰৰ সন্ধি হয় তেতিয়া পূৰ্বৱৰ্তী ও স্বৰ উ-লৈ পৰিৱৰ্তন হয়। যেনে—

ভওগ+ই (ভোগ+ই) → ভউগই (ভুগি)

চওৰ+ই (চোৰ+ই) → চউৰই (চুৰি)

জওল+ঈয়া (জোল+ঈয়া) → জউলঈয়আ (জুলীয়া)

কওচ+উনই (কোচ+উনী) → কউচউনই (কুচুনী)

চোৰ+উনই (চোৰ+উনী) → চউৰউনই (চুৰুনী) ইত্যাদি।

(জ) আ স্বৰান্ত প্রত্যয় যোগ হ'লে শব্দৰ শেষৰ ব্যঞ্জনৰ আগৰ আ অ হয়। যেনে—

চআক+আ (চাক+আ) → চঅকআ (চকা)

মআৰ+ওৱা (মাৰ+ওৱা) → মঅৰওৱা (মৰোৱা)

কআজঅল+আ (কাজল+আ) → কঅজঅলআ (কজলা)

পঅথআৰ+উৱা (পথাৰ+উৱা) → পঅথঅৰউৱআ (পথৰুৱা)

নঅলবআৰই +ঈয়া (নলবাৰী+ঈয়া) → নঅলবঅৰঈয়আ (নলবৰীয়া) ইত্যাদি।

(ঝ) স্বৰৰ পিছত থকা ই পিছত অন্য স্বৰ থাকিলে ই-ৰ ঠাইত য় হয় আৰু পিছৰ স্বৰ তাত লগ লাগে। যেনে—

খআই+এই (খাই+এই) → খআয়এই (খায়েই)

আই+ও (আই+ও) → আয়ও (আয়ো)

দউই+এ (দুই+এ) → দউয়এ (দুয়ে)

চঅৰআই+এ (চৰাই+এ) → চঅৰআয়এ (চৰায়ে) ইত্যাদি।

(ঞ) স্বৰ শব্দৰ উ বা ও স্বৰান্ত শব্দৰ লগত অন্য স্বৰৰ সন্ধি হ'লে 'ৱ'ৰ আগম হয় আৰু পিছৰ স্বৰ ইয়াত লগ লাগে। যেনে—

নআও+এৰে (নাও+এৰে) → নআৱএৰএ (নাৱেৰে)

নআও+অৰীয়া (নাও+অৰীয়া) → নআৱঅৰইয়আ (নাৱৰীয়া) ইত্যাদি।

স্বৰ আৰু ব্যঞ্জনৰ সন্ধি ঃ

দুই বা তিনি শব্দৰ পিছত -খন, -ডাল, -টা, -জন আদি ৰূপ লগ লাগিলে দুই বা তিনিৰ শেষৰ ই-স্বৰ লোপ পায়। যেনে—

দুই+টা → দুটা	তিনি+টা → তিনটা
দুই+ডাল → দুডাল	তিনি+ডাল → তিনডাল
দুই+জন→ দুজন	তিনি+জন → তিনজন
দুই+ঘৰ → দুঘৰ	তিনি+ঘৰ → তিনঘৰ ইত্যাদি।

ব্যঞ্জন আৰু স্বৰৰ সন্ধি ঃ

(ক) শব্দৰ পদান্ত ব্যঞ্জনৰ লগত উ-স্বৰ লগ লাগিলে উ ও-লৈ পৰিবর্তিত হয়। যেনে—

তাৰ+উপৰি → তাৰোপৰি

ইয়াৰ+উপৰি → ইয়াৰোপৰি

ওপৰ+উপৰি → ওপৰোপৰি, ইত্যাদি।

(খ) অনুস্বাৰ (ং)-ৰ পিছত স্বৰ থাকিলে অনুস্বৰৰ ঠাইত ঙ্ হয়। যেনে—

খং+আল → খঙাল

শিং+এৰে → শিঙেৰে

জোং+আল → জোঙাল, ইত্যাদি।

ব্যঞ্জনৰ লগত ব্যঞ্জনৰ সন্ধি ঃ

আগতে কৈ অহা হৈছে যে অসমীয়া ভাষাত ব্যঞ্জনৰ লগত ব্যঞ্জনৰ সন্ধি বিৰল। মাথো কেইটামান পৰিবেশত এই সন্ধি হয়। তাৰ উদাহৰণ কেতবোৰ তলত দাঙি ধৰাৰ চেষ্টা কৰা হ'ল—

(ক) ধ-ব্যঞ্জনান্ত শব্দৰ পিছত অন্য ব্যঞ্জন যোগ হ'লে ধ-ৰ ঠাইত দ হয়। যেনে—

আধ্+খনীয়া → আদ্খনীয়া

আধ্+ধতুৰা → আদ্ধতুৰা

বুধ+বৰীয়া → বুদবৰীয়া, ইত্যাদি।

(খ) সংখ্যাবাচক শব্দ এক, ছয় শব্দৰ পিছত -টা, -খন, -ডাল আদি নিৰ্দেশক লগ লাগিলে এক-ৰ ক, ছয়-ৰ য় লোপ পায়। যেনে—

এক+টা → এটা	এক+দিন → এদিন
এক+ডাল → এডাল,	এক+খন → এখন
ছয়+টা → ছটা	ছয়+দিন → ছদিন
ছয়+ডাল → ছডাল	ছয়+খন → ছখন, ইত্যাদি।

(গ) পাঁচ, সাত, আঠ আৰু দহ সংখ্যাবাচক শব্দৰ পিছত টা লগ লাগিলে মাজ ও-ৰ আগম হয়। যেনে—

পাঁচ+টা → পাঁচোটা	সাত+টা → সাতোটা
আঠ+টা → আঠোটা	দহ+টা → দহোটা, ইত্যাদি।

৫.৭ সাৰাংশ (Summing Up)

সন্ধি হ'ল বৰ্ণৰ লগত বৰ্ণৰ মিলন বা সংযোগ। সন্ধি মূলত দুবিধ— আভ্যন্তৰীণ সন্ধি আৰু বহি সন্ধি। তদুপৰি স্বৰবৰ্ণ আৰু ব্যঞ্জন বৰ্ণৰ মিলনৰ ওপৰত ভিত্তি কৰি ইয়াক স্বৰসন্ধি আৰু ব্যঞ্জনসন্ধি এই ভাগেৰেও বিভাজন কৰিব পাৰি। অসমীয়া ভাষাত নিজস্বভাৱে হোৱা সন্ধি কম। সংস্কৃতৰ পৰা অহা যিবোৰ শব্দ পোনপটীয়াকৈ অসমীয়াত ব্যৱহাৰ হৈছে সেইবোৰত সংস্কৃতৰ নিয়ম অনুসৰি সন্ধি হয়। অসমীয়া ভাষাত প্ৰকৃতাৰ্থত ধাতু আৰু প্ৰাতিপদিকৰ পিছত প্ৰত্যয় আৰু বিভক্তি লগ লাগিলেহে সন্ধি হয়। অসমীয়া ভাষাত শব্দ আৰু বাক্যৰ ক্ষেত্ৰত সন্ধি হোৱা দেখিবলৈ পোৱা যায়। বাক্য সন্ধিক 'যতি'

বুলি কোৱা হয়। স্বৰ সন্ধিৰ তুলনাত অসমীয়া ভাষাত ব্যঞ্জনৰ সন্ধিৰ উদাহৰণ অতি তাকৰ।

৫.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

১। সন্ধি মানে কি? সন্ধিৰ প্ৰকাৰ ভেদ দেখুৱাওক।

২। অসমীয়া ভাষাৰ সন্ধি আছে নে? সংস্কৃতৰ পৰা এই সন্ধি ক'ত ক'ত আঁতৰিছে?

৩। অসমীয়া ভাষাৰ শাব্দিক সন্ধিৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰক।

৪। যতি বা বাক্য সন্ধি কি? অসমীয়া ভাষাৰ 'যতি'ৰ বিষয়ে আলোচনা কৰক।

৫। বহিঃসন্ধি মানে কি? অসমীয়া ভাষাৰ বহিঃসন্ধিৰ বিষয়ে চমুকৈ লিখক।

৬। অসমীয়া ভাষাত শাব্দিক বিশিষ্ট ধ্বনিৰ মৰ্যাদা দিব পাৰিনে? উদাহৰণসহ আলোচনা কৰক।

৭। চমুটোকা লিখক ঃ
আভ্যন্তৰীণ সন্ধি, যতি, অসমীয়া ভাষাৰ ব্যঞ্জন সন্ধি, স্বৰ সন্ধি।

৫.৯ প্ৰসংগ পুথি (References/Suggested Readings)

গোলোক চন্দ্ৰ গোস্বামী ঃ অসমীয়া বৰ্ণ প্ৰকাশ, ১৯৯৬

(—) ঃ ধ্বনি-বিজ্ঞানৰ ভূমিকা, ২০১৭

(—) ঃ অসমীয়া ব্যাকৰণ প্ৰৱেশ, ২০০৩

(—) ঃ অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ, ২০০৮

দীপাংকৰ মৰল ঃ ব্যৱহাৰিক ধ্বনিবিজ্ঞান, ২০০৭

লীলাৱতী শইকীয়া বৰা ঃ সংস্কৃত পালি-প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ, ২০০২

নগেন ঠাকুৰ ঃ পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা আৰু সাহিত্য, ১৯৯৪

ৰমেশ পাঠক ঃ ভাষাবিজ্ঞানৰ ভূমিকা

B. Kakati ঃ Assamese Its Formation and Development

G.C. Goswami ঃ Structure of Assamese

* * *

ষষ্ঠ বিভাগ
অসমীয়া ভাষাৰ শ্বাসাঘাত আৰু অনুনাসিকতা

বিভাগৰ গঠনঃ

৬.১ ভূমিকা (Introduction)

৬.২ উদ্দেশ্য (Objectives)

৬.৩ শ্বাসাঘাত

৬.৪ অসমীয়া ভাষাৰ শ্বাসাঘাত

- ৬.৪.১ শ্বাসাঘাতৰ মাত্রা
- ৬.৪.২ শাব্দিক শ্বাসাঘাত
- ৬.৪.৩ বাক্য শ্বাসাঘাত

৬.৫ অনুনাসিকতা

৬.৬ অসমীয়া ভাষাৰ অনুনাসিকতা

৬.৭ সাৰাংশ (Summing Up)

৬.৮ আৰ্হি প্রশ্ন (Sample Questions)

৬.৯ প্রসংগ গ্রন্থ (References/Suggested Readings)

৬.১ ভূমিকা (Introduction)

পূর্ব্বৱর্তী বিভাগটিত অসমীয়া ভাষাৰ সন্ধিৰ বিষয়ে আলোচনা কৰা হৈছে। এই বিভাগটিত আলোচনা কৰা হ'ব অসমীয়া ভাষাৰ শ্বাসাঘাত আৰু অনুনাসিকতাৰ বিষয়ে।

অসমীয়া ভাষাৰ লয় বর্ণৰ দুটা অন্যতম হ'ল শ্বাসাঘাত আৰু অনুনাসিকতা। শ্বাস মানে বায়ুযুক্ত। ধ্বনি উচ্চাৰণত পৰা বায়ুৰ চাপে হ'ল শ্বাসাঘাত। এই শ্বাসাঘাতৰ অসমীয়া ভাষাত অর্থৰ তাৰতম্য ঘটে। আনহাতে, অনুনাসিকতা হ'ল ধ্বনি উচ্চাৰণৰ সময়ত বাহিৰলৈ ওলোৱা বায়ু প্রৱাহৰ নাসিকা বিৱৰেৰে সম্পূর্ণ নির্গমন। ইয়ো অসমীয়া ভাষাত বিশিষ্ট গুণসম্পন্ন।

এই বিভাগটিত শ্বাসাঘাত আৰু অনুনাসিকতা সম্পর্কীয় সকলো দিশ সামৰি লোৱাৰ চেষ্টা কৰা হ'ব।

৬.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- শ্বাসাঘাত কাক কয় বুজিব পাৰিব,
- অসমীয়া ভাষাত শ্বাসাঘাতৰ প্রভাৱ বিচাৰ কৰিব পাৰিব,

- শ্বাসাঘাতৰ বাবে অসমীয়া ভাষাত কেনেদৰে বিৰোধ ঘটে তাক বিশ্লেষণ কৰিব পাৰিব,
- অসমীয়া ভাষাৰ অনুনাসিকতা ব্যাখ্যা কৰিব পাৰিব,
- অনুনাসিকতাৰ বাবে অসমীয়া ভাষাত হোৱা বিৰোধ বিচাৰ কৰিব পাৰিব।

৬.৩ সন্ধি কি?

কথা কওঁতে উচ্চাৰিত সকলো ধ্বনিতে সমানে জোৰ নপৰে। কিছুমান ধ্বনিৰ উচ্চাৰণত বেছি জোৰ দিয়া হয়, কিছুমান ধ্বনিৰ উচ্চাৰণত জোৰ কম পৰে। উচ্চাৰণত বেছি জোৰ দিয়াৰ ফলত হাওঁফাওঁৰ পৰা ওলাই অহা বায়ু একেটা চাপতে বৰ বেছিকৈ বাহিৰ হয়। যিবোৰ ধ্বনি উচ্চাৰণৰ জোৰ কম পৰে সেই ক্ষেত্ৰত বহির্গামী বায়ুৰ চাপো কম হয় আৰু বায়ুও তাকৰকৈ ওলায়। ধ্বনিৰ উচ্চাৰণৰ এই আপেক্ষিক জোৰ বা বলৰ নামেই শ্বাসাঘাত বা বলাঘাত (Stress)। উচ্চাৰণত জোৰৰ তাৰতম্য শব্দ আৰু বাক্য— এই দুয়োটা ক্ষেত্ৰতে দেখিবলৈ পোৱা যায়। এটা শব্দৰ ক্ষেত্ৰত শব্দৰ সকলো অক্ষৰতে সমানে জোৰ নপৰে। শব্দৰ প্ৰত্যেক অক্ষৰৰ উচ্চাৰণত জোৰৰ তাৰতম্য ঘটে। বাক্যৰ ক্ষেত্ৰত দেখা পাওঁ কথা পাতোতে এটা বাক্যৰ সকলো অংশতে সমানে জোৰ নপৰে। কেতিয়াবা বাক্যৰ এটা খণ্ডত, কেতিয়াবা আকৌ আন এটা খণ্ডত গুৰুত্ব বুজি জোৰ দিয়া হয়। শব্দৰ বিভিন্ন অক্ষৰত হোৱা শ্বাসাঘাতক শাব্দিক শ্বাসাঘাত আৰু বাক্যৰ বিভিন্ন অংশত হোৱা শ্বাসাঘাতক বাক্য শ্বাসাঘাত বোলা হয়। জোৰ বা বল কম বেছি হোৱাৰ ওপৰত নির্ভৰ কৰি শ্বাসাঘাতক দুই ধৰণে ভগাব পাৰি— (১) মুখ্য শ্বাসাঘাত বা গুৰু শ্বাসাঘাত (´), আৰু (২) গৌণ শ্বাসাঘাত বা লঘু শ্বাসাঘাত।

আত্মমূল্যায়ন প্ৰশ্ন ঃ

শ্বাসাঘাতত বায়ুৰ প্ৰভাৱ কি? (৪০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

৬.৪ অসমীয়া ভাষাৰ শ্বাসাঘাত

অসমীয়া ভাষাত শাব্দিক শ্বাসাঘাত আৰু বাক্য শ্বাসাঘাত এই দুয়ো প্ৰকাৰৰ শ্বাসাঘাতৰে প্ৰয়োগ আছে। অৱশ্যে উপভাষিক অঞ্চলভেদে ইয়াৰ প্ৰয়োগৰ তাৰতম্য

দেখিবলৈ পোৱা যায়। উজনি অসমৰ ভাষাৰ শব্দৰ তুলনাত নামনি অসমৰ ভাষাত শ্বাসাঘাতৰ প্রয়োগ বেছি। উজনি অসমৰ উপভাষাত শ্বাসাঘাত শব্দৰ মাজত পৰে। নামনি অসমৰ ভাষাত কিন্তু শ্বাসাঘাত সদায় শব্দৰ আদিতে পৰে। অসমীয়া ভাষাত শাব্দিক আৰু বাক্য শ্বাসাঘাত— দুয়োবিধে বিশিষ্ট ধ্বনিগুণ অর্থাৎ বর্ণ হিচাপে স্বীকৃত। অসমীয়া ভাষাৰ শ্বাসাঘাত সম্পর্কত ভাষাবিদ গোলোকচন্দ্র গোস্বামীয়ে 'অসমীয়া বর্ণ-প্রকাশ' নামৰ গ্রন্থখনত বিস্তৃতভাৱে আলোচনা আগবঢ়াইছে। উক্ত গ্রন্থখনৰ সহায়তে আমিও এই বিভাগটিৰ আলোচনা আগবঢ়াম।

মুখ্য শ্বাসাঘাত আৰু গৌণ শ্বাসাঘাত ঃ

অসমীয়া ভাষাত শাব্দিক শ্বাসাঘাত

মুখ্য শ্বাসাঘাত আৰু গৌণ শ্বাসাঘাত ঃ

অসমীয়া ভাষাত শাব্দিক শ্বাসাঘাত দুই প্রকাৰৰ—

(১) মুখ্য শ্বাসাঘাত বা গুৰু শ্বাসাঘাত

(২) গৌণ শ্বাসাঘাত বা লঘু শ্বাসাঘাত

মুখ্য শ্বাসাঘাত বুজাবলৈ (´) চিহ্ন ব্যৱহাৰ কৰা হয়। গৌণ শ্বাসাঘাতত কোনো ধৰণৰ চিহ্নৰ প্রয়োগ কৰা নহয়।

মুখ্য শ্বাসাঘাত সদায় শব্দৰ প্রথম নাইবা দ্বিতীয় অক্ষৰত পোৱা যায়। সাধাৰণতে এই শ্বাসাঘাত যুক্ত ব্যঞ্জন নথকা শব্দত দ্বিতীয় অক্ষৰত আৰু যুক্ত ব্যঞ্জন থকা শব্দত প্রথম বা দ্বিতীয় অক্ষৰত পৰে। বাকী সকলো স্থানতে গৌণ শ্বাসাঘাত পৰে।

৬.৪.১ শ্বাসাঘাতৰ মাত্রা ঃ

মুখ্য শ্বাসাঘাত ঃ মুখ্য শ্বাসাঘাতৰ লক্ষণ—

(১) শব্দৰ ইয়েই গুৰুতম শ্বাসাঘাত।

(২) এই মুখ্য শ্বাসাঘাতযুক্ত অক্ষৰাধাৰৰ মুখৰতা সকলোতকৈ বেছি আৰু সুৰ উন্নত।

(৩) মুখ্য শ্বাসাঘাতযুক্ত স্বৰবর্ণটোৰ মাত্রা স্বাভাৱিক মাত্রাতকৈ বেছি। বদ্ধাক্ষৰত অর্ধদীর্ঘ আৰু যুক্তাক্ষৰত ততোধিক বেছি।

(৪) মুখ্য শ্বাসাঘাত প্রথম নাইবা দ্বিতীয় অক্ষৰত পৰে।

মাত্রাৰ দিশলৈ যদি চাওঁ, মুখ্য শ্বাসাঘাতৰ মাত্রা মাথো এটা। ইয়াক (')-ৰে সূচাব পাৰি।

গৌণ শ্বাসাঘাতৰ মাত্রা ঃ

গৌণ শ্বাসাঘাতৰ মাত্রা একাধিক। এটা শব্দত যিমানটা অক্ষৰ থাকে ইয়াৰ মাত্রাও সিমানটা হ'ব পাৰে। যদি মুখ্য শ্বাসাঘাতৰ মাত্রা [১ম] বুলি ধৰা হয়, তেন্তে গৌণ শ্বাসাঘাতৰ মাত্রা বা উপমাত্রাসমূহক [২য়], [৩য়], [৪র্থ], [৫ম] এনেদৰে দেখুৱাব পাৰি। ইহঁতৰ মাত্রা ক্রমে কমি যায়।

[২য়] ঃ ইয়াৰ মাত্রা মুখ্য শ্বাসাঘাতৰ মাত্রাতকৈ অলপ কম। গৌণ শ্বাসাঘাত মাত্রাসমূহৰ ভিতৰত ইয়েই তীব্র। মুখ্য শ্বাসাঘাত দ্বিতীয় অক্ষৰত পৰিলে প্রথম অক্ষৰত এই উপমাত্রা [২] পৰে। অর্থাৎ মুখ্য শ্বাসাঘাতৰ আগৰ অক্ষৰত ইয়াক পোৱা যায়।

[৩য়] ঃ [২য়]-তকৈ ইয়াৰ মাত্রা অলপ কম। অক্ষৰাধাৰৰ মুখৰতাও আপেক্ষিকভাৱে কম।

[৪র্থ] ঃ ইয়াৰ মাত্রা [২য়]-তকৈ কম।

এনেদৰে ক্রমান্বয়ে গৌণ শ্বাসাঘাতৰ উপমাত্রাসমূহৰ বলাঘাত কমি গৈ থাকে।

মুখ্য শ্বাসাঘাতৰ মাত্রা শব্দৰ দ্বিতীয় অক্ষৰত পৰিলে গৌণ শ্বাসাঘাতৰ মাত্রাসমূহৰ অৱস্থান তলত দিয়া ধৰণে দেখুৱাব পাৰি—

[২য়] উপমাত্রা সদায় প্রথম অক্ষৰত পৰে। যেনে—

২য় ১ম ২য় ১ম
সউ খই, 'সুখী'; মআ নউহ, 'মানুহ'

[৩য়] উপমাত্রা সদায় পদান্ত অক্ষৰত পৰে। যেনে—

২য় ১ম ৩য় ২য় ১ম ৩য়
ম উ ক অ ল ই, 'মুকলি'; অ ল অ' উ ক ই ক, 'অলৌকিক'

[৪র্থ] উপমাত্রা চাৰিটা বা পাঁচোটা অক্ষৰৰ শব্দৰ উপধা অক্ষৰৰ আগৰ অক্ষৰত পৰে। ছটা অক্ষৰৰ শব্দত উপধা নাইবা মুখ্য শ্বাসাঘাতৰ ঠিক পিছৰ অক্ষৰত পৰে আৰু সাতোটা অক্ষৰৰ শব্দত মাজৰ অক্ষৰত পৰে। যেনে—

চাৰিটা অক্ষৰৰ শব্দত ঃ

২য় ১ম ৪র্থ ৩য় ২য় ১ম ৪র্থ ৩য়
ভ ই ত অ ৰ অ ত এ, 'ভিতৰতে' ধ অ ন অ নত অ'ৰ ই, 'ধন্বন্তৰি'

পাঁচোটা অক্ষৰৰ শব্দত ঃ

২য় ১ম ৫ম ৪র্থ ৩য় ২য় ১ম ৫ম ৪র্থ ৩য়

অ স অ ন ত ও স ই আ, 'অসন্তোষীয়া' প উ ৰ উ হ ই ত আ ল ই, 'পুৰুহিতালি'

ছটা অক্ষৰৰ শব্দত ঃ

২য় ১ম ৬ষ্ঠ ৫ম ৪র্থ ৩য়

ম অ হ আ প উ ৰ উ ম ই আ, 'মহোপুৰুষীয়া'

সাতোটা অক্ষৰৰ শব্দত ঃ

২য় ১ম ৭ম ৬ষ্ঠ ৫ম ৪র্থ ৩য়

ম অ হ আ প উ ৰ উ ম ই আ ন ই, 'মহাপুৰুষীয়ানী'

মুখ্য শ্বাসাঘাত শব্দৰ আদি অক্ষৰত পৰিলে গৌণ শ্বাসাঘাতৰ উপমাত্রাসমূহৰ পৰৱৰ্তী অক্ষৰত পৰে। এই উপমাত্রাসমূহৰ অৱস্থান তলত দেখুওৱা হ'ল—

১ম ২য়	১ম ২য়
ব আ ৰ অ, 'বাৰ	ক আ ন দ অ, 'কাণ্ড'
১ম ৩য় ২য়	১ম ৩য় ২য়
ন ই চ ই ল আ, 'নিছিলা'	স আ ন ত অ ন আ, 'সান্ত্বনা'

১ম ৪র্থ ৩য় ২য়

ঘ অ' ই ন ই এ ক এ, 'ঘৈণীয়েকে'

১ম ৫ম ৪র্থ ৩য় ২য়

ঘ অ' ই ন ই এ ক অ ল অ' ই, 'ঘৈণীয়েকলৈ' ইত্যাদি।

আত্মমূল্যায়ন প্রশ্ন ঃ

(১) মুখ্য শ্বাসাঘাত আৰু গৌণ শ্বাসাঘাত শব্দৰ ক'ত প্রয়োগ হয়? (৫০টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

(২) শ্বাসাঘাতৰ মাত্রা মানে কি? (৪০টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

৬.৪.২ শাব্দিক শ্বাসাঘাত

পূর্বৱর্তী অনুচ্ছেদত অসমীয়া ভাষাৰ শাব্দিক শ্বাসাঘাতৰ বিষয়ে আলোচনা কৰি অহা হৈছে। সেই কথাখিনিকে পুনৰাই দোহাৰিবৰ চেষ্টা কৰা হৈছে। অসমীয়া ভাষাত শাব্দিক শ্বাসাঘাত দুই প্ৰকাৰৰ— মুখ্য শ্বাসাঘাত বা গুৰু শ্বাসাঘাত আৰু গৌণ শ্বাসাঘাত বা লঘু শ্বাসাঘাত। মুখ্য শ্বাসাঘাতৰ মাত্ৰা এবিধে পোৱা যায়, কিন্তু গৌণ শ্বাসাঘাতৰ ছটা উপমাত্ৰা পোৱা যায়। মাত্ৰাবোৰৰ প্ৰকোপ ক্ৰমে কমি যায়। মুখ্য শ্বাসাঘাত বুজাবলৈ যিটো স্বৰৰ ওপৰত বলাঘাত পৰে তাৰ ওপৰত বৃ [ˊ] চিহ্ন প্ৰয়োগ কৰা হয়। কিন্তু গৌণ শ্বাসাঘাতৰ বাবে কোনো চিহ্ন প্ৰয়োগ কৰা নহয়।

অসমীয়া ভাষাত শ্বাসাঘাতক বৰ্ণৰ মৰ্যাদা দিয়া হৈছে। অৰ্থাৎ শ্বাসাঘাতৰ বাবে অৰ্থৰ তাৰতম্য ঘটে বা বিৰোধ হয়। কিন্তু মন কৰিবলগীয়া যে মুখ্য বা গৌণ শ্বাসাঘাতৰ অভিন্ন পৰিবেশত কেতিয়াও বিৰোধ পোৱা নাযায়। মাথো স্থানৰহে বিৰোধ ঘটে।

অসমীয়া ভাষাত মুখ্য শ্বাসাঘাত সদায় শব্দৰ প্ৰথম নাইবা দ্বিতীয় অক্ষৰত পোৱা যায়। একক ব্যঞ্জনত দ্বিতীয় অক্ষৰত আৰু যুক্তব্যঞ্জন থাকিলে প্ৰথম বা দ্বিতীয় অক্ষৰত মুখ্য শ্বাসাঘাত পৰে বাকী মুখ্য শ্বাসাঘাত নথকা স্থানত গৌণ শ্বাসাঘাত পৰে।

৬.৪.৩ বাক্য শ্বাসাঘাত ঃ

বাক্যৰ দিশত হোৱা শ্বাসাঘাতক বাক্য শ্বাসাঘাত বুলি কোৱা হয়। মানুহে কথা পাতোতে বাক্যৰ সকলো অংশতে জোৰ নপৰে। বিষয়বস্তু উপস্থাপনৰ গুৰুত্ব অনুসৰি বাক্য এটাৰ বেলেগ বেলেগ অংশত উচ্চাৰণৰ সময়ত জোৰ দিয়া হয়। বিভিন্ন অংশত পৰা উচ্চাৰণৰ জোৰ অনুসৰি বাক্যটোৰ অৰ্থৰ তাৰতম্য ঘটে। সেয়েহে বাক্য শ্বাসাঘাতক বৰ্ণৰ মৰ্যাদা দিয়া হয়।

এটা বাক্যত থকা সকলোবোৰ শব্দতে শাব্দিক শ্বাসাঘাত পৰে। শব্দত পৰা শ্বাসাঘাতবোৰৰ যিকোনো এটা শব্দত শ্বাসাঘাতৰ স্থান বাক্য শ্বাসাঘাতে লয়। সেই শাব্দিক শ্বাসাঘাতটোৰ বলৰ কোনো তাৰতম্য নঘটে যদিও বাক্যৰ অন্য শাব্দিক শ্বাসাঘাতসমূহৰ তীব্ৰতা হ্ৰাস পোৱা পৰিলক্ষিত হয়।

ভাষাবিদ গোলোকচন্দ্ৰ গোস্বামীয়ে অসমীয়া ভাষাৰ বাক্য শ্বাসাঘাতক দুটা বুলি দেখুৱাইছে—

(১) সাধাৰণ বাক্য-শ্বাসাঘাত আৰু

(২) গুৰুত্ব-জ্ঞাপক বাক্য শ্বাসাঘাত।

গুৰুত্বজ্ঞাপক শ্বাসাঘাতৰ বল সকলো শ্বাসাঘাতকৈ বেছি। এই শ্বাসাঘাতযুক্ত অক্ষৰৰ মুখৰতা আৰু সুৰ উচ্চ। স্বৰবৰ্ণৰ মাত্রা সদায় দীর্ঘ হয়। সাধাৰণ বাক্য শ্বাসাঘাতৰ বল শাব্দিক শ্বাসাঘাতৰ সমপর্যায়ৰ। অসমীয়া ভাষাত কেতিয়াও, নিশ্চয়, অসম্ভৱ, আদি শব্দৰ প্রয়োগ আছে। এই শব্দবোৰে সাধাৰণতে জোৰ বুজায় বা বিষয়বস্তুৰ গুৰুত্ব বঢ়ায়। একেদৰে কেতবোৰ প্রত্যয় বাক্যত ব্যৱহাৰ হ'লে জোৰ বুজায়। এনেধৰণৰ শব্দ বা প্রত্যয় থাকিলে বাক্যত গুৰুত্বজ্ঞাপন শ্বাসাঘাত পৰে।

তলত বাক্য শ্বাসাঘাতৰ ফলত কেনেদৰে বাক্যৰ বিষয়বস্তুৰ গুৰুত্ব বা অর্থৰ পৰিৱর্তন হয় উদাহৰণসহ দেখুৱাবলৈ যত্ন কৰা হ'ল।

সেই মানুহজন তালৈ কিয় আহিছে। এটা অসমীয়া ভাষাৰ সাধাৰণ বাক্য। যদি এই বাক্যটোৰ বিভিন্ন শব্দত বেলেগে বেলেগে শ্বাসাঘাত পৰে তেতিয়া তাৰ অর্থৰ বা বিষয়বস্তুৰ গুৰুত্বৰ পৰিৱর্তন ঘটিব। যেনে—

(ক) <u>সেই মানুহজন</u> তালৈ কিয় আহিছে।

ইয়াত 'সেই মানুহজন' এই অংশত জোৰ দিয়া হৈছে ফলত সেই মানুহজনেহে ইয়াত গুৰুত্ব লাভ কৰিছে। আন বিষয়ে নহয়।

(খ) সেই মানুহজন <u>তালৈ</u> কিয় আহিছে।

ইয়াত 'তালৈ' শব্দটোত জোৰ পৰিছে। ফলত নির্দিষ্ট ঠাইটুকুৰাইহে গুৰুত্ব পাইছে।

(গ) সেই মানুহজন তালৈ <u>কিয়</u> আহিছে।

ইয়াত 'কিয়' শব্দটোৰ ওপৰত জোৰ দিয়া হৈছে। সেয়েহে মানুহজন সেই ঠাইলৈ যোৱাৰ কাৰণটোৱেহে গুৰুত্ব পাইছে।

এনেদৰে বাক্য শ্বাসাঘাতৰ ফলত বাক্য এটাৰ অর্থৰ তাৰতম্য ঘটা দেখা যায়।

আত্মমূল্যায়ন প্রশ্ন ঃ

(১) মুখ্য শ্বাসাঘাত আৰু গৌণ শ্বাসাঘাত কি? (৪০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

(২) শাব্দিক শ্বাসাঘাত আৰু বাক্য শ্বাসাঘাতৰ সম্পর্ক কোনখিনিত? (৪০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

৬.৫ অনুনাসিকতা

আমি জানো যে ধ্বনি উচ্চাৰণৰ সময়ত হাওঁফাওঁৰ পৰা ওলাই অহা বায়ুপ্ৰবাহ কেৱল মুখবিৱৰেৰে ওলায় নগৈ যদি নাসিকা বিৱৰেৰে ওলায় যায় তেতিয়া নাসিক্য ধ্বনিৰ সৃষ্টি হয়। সাধাৰণভাৱে ক'বলৈ গ'লে অনুনাসিকতা হ'ল আংশিক নাসিকতা। হাওঁফাওঁৰ পৰা ওলায় অহা বায়ুপ্ৰবাহ আংশিক নাসিকাবিবৰ আৰু আংশিক মুখবিৱৰেদি ওলায় আহিলে অনুনাসিকতাৰ সৃষ্টি হয়।

৬.৬ অসমীয়া ভাষাৰ অনুনাসিকতা

অনুনাসিকতা অসমীয়া ভাষাত বিশিষ্ট ধ্বনিগুণ অর্থাৎ বর্ণৰ মর্যাদাসম্পন্ন। ইয়াক [ঁ] আখৰেৰে সূচোৱা হয়। ই গাইগুটীয়াভাৱে উচ্চাৰিত নহয়। আনধ্বনিৰ বিশেষকৈ স্বৰধ্বনিৰ লগতহে ই উচ্চাৰিত হয়। সেয়েহে ইয়াক উপহিত ধ্বনিও বোলা হয়। স্বৰধ্বনিৰ উপৰি য়, ৱ, হ, ৰ, ল আদি ধ্বনিৰ সৈতেও ইয়াৰ উচ্চাৰণ হয়। মনত ৰখা ভাল যে স্বৰৰ ভিতৰত অ' স্বৰৰ লগত ইয়াৰ উচ্চাৰণ বিৱল।

অসমীয়া ভাষাত [ঁ] প্ৰয়োগৰ সীমাবদ্ধতা দেখিবলৈ পোৱা যায়। শব্দৰ প্ৰথম নাইবা দ্বিতীয় অক্ষৰত স্বৰৰ লগত ইয়াৰ বহুল প্ৰয়োগ দেখিবলৈ পোৱা যায়। আনবোৰ অক্ষৰত ইয়াৰ প্ৰয়োগ কম। কেৱল ও স্বৰৰ লগত শব্দৰ প্ৰথম আৰু দ্বিতীয় অক্ষৰৰ বাহিৰেও অন্য অক্ষৰতো ইয়াৰ বেছিকৈ প্ৰয়োগ দেখিবলৈ পোৱা যায়।

অসমীয়া ভাষাত অনুনাসিকতা থকা আৰু নথকা স্বৰৰ মাজত বিৰোধ দেখিবলৈ পোৱা যায়। তলত কেতবোৰ উদাহৰণ দাঙি ধৰা হ'ল—

হাহ হাঁহ

বাহি বাঁহী ইত্যাদি।

আত্মমূল্যায়ন প্ৰশ্ন ঃ

অনুনাসিকতাক অসমীয়া ভাষাত কিয় বর্ণৰ মর্যাদা দিয়া হয়? (৪০টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

.....

.....

৬.৭ সাৰাংশ (Summing Up)

কথা কওঁতে ধ্বনিৰ উচ্চাৰণৰ সময়ত হোৱা বায়ুৰ আপেক্ষিক জোৰ বা বলৰ নামেই শ্বাসাঘাত বলাঘাত। শব্দ আৰু বাক্য— এই দুয়ো ক্ষেত্ৰতে শ্বাসাঘাত দেখিবলৈ পোৱা যায়। শ্বাসাঘাত দুবিধ মুখ্য শ্বাসাঘাত আৰু গৌণ শ্বাসাঘাত। অসমীয়া ভাষাৰ মান্যভাষাৰ তুলনাত কামৰূপী উপভাষাত শ্বাসাঘাতৰ প্ৰয়োগ অধিক। অসমীয়া ভাষাত শ্বাসাঘাত বৰ্ণৰ মৰ্যাদাসম্পন্ন। শ্বাসাঘাতৰ বাবে বাক্যৰ অৰ্থৰ তাৰতম্য ঘটে।

অনুনাসিকতাকো অসমীয়া ভাষাত বৰ্ণৰ মৰ্যাদা দিয়া হয়। ইয়াক চন্দ্ৰবিন্দুৰে [ঁ] বুজোৱা হয়। ই শব্দত নিজাববীয়াকৈ ব্যৱহাৰ নহয়। অন্য ধ্বনি বিশেষকৈ স্বৰধ্বনিৰ লগতহে ইয়াৰ প্ৰয়োগ হয়। অসমীয়া ভাষাত অনুনাসিকতা থকা আৰু নথকা বাবে স্বৰৰ মাজত স্পষ্ট বিৰোধ ঘটা দেখা যায়। সেয়েহে [ঁ] ক অসমীয়া ভাষাত বিশিষ্ট ধ্বনি বা বৰ্ণ হিচাপে বিবেচনা কৰে।

৬.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

১। লয়বৰ্ণ মানে কি? অসমীয়া ভাষাত থকা লয়বৰ্ণসমূহৰ পৰিচয়মূলক টোকা লিখক।

২। শ্বাসাঘাত মানে কি? অসমীয়া শ্বাসাঘাতৰ বিষয়ে এটি প্ৰৱন্ধ লিখক।

৩। শাব্দিক শ্বাসাঘাত আৰু বাক্য শ্বাসাঘাত কি? অসমীয়া ভাষাত শ্বাসাঘাতে কেনেদৰে বিৰোধ ঘটায় উদাহৰণসহ আলোচনা কৰক।

৪। অসমীয়া ভাষাত শ্বাসাঘাতক কিয় বৰ্ণৰ মৰ্যাদা দিয়া হয়? বুজাই লিখক।

৫। শ্বাসাঘাতৰ মাত্ৰা মানে কি? বহলাই লিখক।

৬। অনুনাসিকতা কি? অসমীয়া ভাষাত অনুনাসিকতাৰ কেনেদৰে বিৰোধ ঘটিছে আলোচনা কৰক।

৭। চমুটোকা লিখক ঃ

মুখ্য শ্বাসাঘাত, বাক্য শ্বাসাঘাত, শ্বাসাঘাতৰ মাত্ৰা, অসমীয়া ভাষাত "ঁ"-ৰ প্ৰয়োগ, উপহিত বৰ্ণ।

৬.৯ প্ৰসংগ পুথি (References/Suggested Readings)

গোলোক চন্দ্ৰ গোস্বামী ঃ অসমীয়া বৰ্ণ প্ৰকাশ

(—) ঃ অসমীয়া ব্যাকৰণ প্ৰৱেশ

(—) ঃ ধ্বনি-বিজ্ঞানৰ ভূমিকা

(—) ঃ অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ

দীপাংকৰ মৰল	ঃ	ব্যৱহাৰিক ধ্বনিবিজ্ঞান
ৰমেশ পাঠক	ঃ	ভাষা বিজ্ঞানৰ ভূমিকা
B. Kakati	ঃ	Assamese, Its Formation and Development
G.C. Goswami	ঃ	Structure of Assamese

* * *

দ্বিতীয় গোট ঃ ৰূপতত্ত্ব

প্রথম বিভাগ ঃ ৰূপতত্ত্বৰ সাধাৰণ পৰিচয়
দ্বিতীয় বিভাগ ঃ অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক বিশিষ্টতা
তৃতীয় বিভাগ ঃ অসমীয়া ভাষাৰ ৰূপতত্ত্ব ঃ প্রাকৃতি
চতুর্থ বিভাগ ঃ অসমীয়া ভাষাৰ বচন আৰু লিংগ
পঞ্চম বিভাগ ঃ অসমীয়া ভাষাৰ কাৰক আৰু কাৰক বিভক্তি
ষষ্ঠ বিভাগ ঃ অসমীয়া ভাষাৰ ক্রিয়াপদ
সপ্তম বিভাগ ঃ অসমীয়া ভাষাৰ ব্যাকৰণগত বিষয়

প্ৰথম বিভাগ
ৰূপতত্ত্বৰ সাধাৰণ পৰিচয়

বিভাগৰ গঠনঃ

১.১ ভূমিকা (Introduction)
১.২ উদ্দেশ্য (Objectives)
১.৩ ৰূপতত্ত্ব কি?
১.৪ ৰূপ বা আকৃতি, প্ৰাকৃতি, উপাকৃতি
১.৫ প্ৰাকৃতিৰ শ্ৰেণীবিভাজন
    ১.৫.১ প্ৰকৃতি
    ১.৫.২ সৰ্গ
    ১.৫.৩ মূলাভাস প্ৰকৃতি
১.৬ সাৰাংশ (Summing Up)
১.৭ আৰ্হি প্ৰশ্ন (Sample Questions)
১.৮ প্ৰসংগ পুথি (References/Suggestion Readings)

১.১ ভূমিকা (Introduction)

এই কাকতখনৰ প্ৰথম খণ্ডটিত ধ্বনিতত্ত্ব আৰু অসমীয়া ধ্বনিতত্ত্বৰ বিষেয় খৰচি মাৰি আলোচনা কৰি অহা হৈছে। এই বিভাগটিত ৰূপতত্ত্বৰ সাধাৰণ পৰিচয় দাঙি ধৰাৰ প্ৰয়াস কৰা হ'ব।

ভাষাৰ প্ৰাথমিক একক হ'ল ধ্বনি। ধ্বনিৰ পিছতে ভাষাৰ দ্বিতীয় স্তৰটি হ'ল ৰূপ বা আকৃতি। ৰূপ হ'ল এক বা একাধিক ধ্বনিৰ সংযোগত গঠিত হোৱা অৰ্থবহ নিম্নতম গোট। এই ৰূপৰ লগত ৰূপৰ সংযোগ ঘটি বিভিন্ন শব্দৰ সৃষ্টি হয়। ৰূপৰ লগত ৰূপৰ সংযোগ হোৱাৰো কেতবোৰ নিয়ম থাকে। ৰূপতত্ত্বই ৰূপৰ গঠন, প্ৰকাৰ, ৰূপৰ লগত ৰূপৰ সংযোগ হোৱাৰ বিভিন্ন প্ৰক্ৰিয়া আদি দিশবোৰ সামৰি লয়। এই বিভাগটিত ৰূপতত্ত্বৰ বিষয়ে সকলো কথা দাঙি ধৰাৰ প্ৰয়াস কৰা হ'ব।

১.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- ৰূপ বা আকৃতি, প্ৰাকৃতি আৰু উপাকৃতিৰ বিষয়ে আলোচনা কৰিব পাৰিব,
- প্ৰাকৃতিৰ শ্ৰেণী বিভাজন কৰিব পাৰিব,
- প্ৰকৃতি আৰু সৰ্গৰ বিভিন্ন বিভাজনসমূহৰ বিষয়ে ফঁহিয়াই চাব পাৰিব।

১.৩ ৰূপতত্ত্ব কি?

ৰূপতত্ত্ব হৈছে ভাষা অধ্যয়নৰ দ্বিতীয় স্তৰ। ধ্বনিতত্ত্ব আৰু বাক্যতত্ত্বৰ মাজৰ স্তৰটোৱে হৈছে ৰূপতত্ত্ব। ৰূপতত্ত্ব ইংৰাজী 'morphology' শব্দটোৰ পৰা আহিছে। ইয়াৰ আধাৰ হ'ল 'morpheme'। ইয়াক বুজাবলৈ অসমীয়াত প্ৰাকৃতি আৰু ৰূপগ্ৰাম প্ৰতিশব্দ দুটা ব্যৱহাৰ কৰা হয়। আনহাতে 'morpheme' শব্দটোৰ মূল হ'ল 'morph'। অসমীয়াত আকৃতি আৰু ৰূপ এই প্ৰতিশব্দ দুটাৰ দ্বাৰা 'morph' শব্দটোক বুজোৱা হয়।

প্ৰসিদ্ধ ভাষাবিদ E.A. Nida-ৰ মতে— 'Morphology is the study of morphemes and their arrangments in forming words or parts of words.' অৰ্থাৎ ৰূপতত্ত্ব হৈছে শব্দ বা শব্দাংশ গঠনত ভাগ লোৱা প্ৰাকৃতি আৰু সিবিলাকৰ প্ৰয়োগ সম্বন্ধে অধ্যয়ন।" ৰূপতত্ত্বৰ পৰিসৰ অতি বিশাল। এটা ভাষাত ৰূপৰ গঠন আ ৰু প্ৰকৃতি, ৰূপৰ লগত ৰূপৰ সংযোগ সাধন আৰু তাৰ ফলত বিভিন্ন পদৰ গঠন, লিংগ, পুৰুষ, বচনবাচক বিভক্তিৰ সংযোগ, শব্দৰ পৰা শব্দৰূপ আৰু ধাতুৰ পৰা ক্ৰিয়াৰূপ সাধন এই সকলোবোৰ ব্যাকৰণগত দিশৰ পুংখানুপুংখ আলোচনাই হ'ল ৰূপতত্ত্ব।

১.৪ ৰূপ বা আকৃতি, প্ৰাকৃতি আৰু উপাকৃতি

ওপৰৰ আলোচনাৰ ৰূপতত্ত্ব সম্পৰ্কে এটা আভাস লাভ কৰিলোঁ। কিন্তু ৰূপতত্ত্বৰ বিষয়ে সঠিকভাৱে জানিবলৈ ৰূপ বা আকৃতি, প্ৰাকৃতি আৰু উপাকৃতি কি তাক জনাটো দৰকাৰ।

ৰূপ বা আকৃতি ঃ কোনো এটা ভাষাৰ ক্ষুদ্ৰতম অৰ্থবহ ধ্বনি বা ধ্বনিগোটটোকে ৰূপ বা আকৃতি বুলি কোৱা হয়। আমি জানো যে ভাষাৰ আটাইতকৈ ক্ষুদ্ৰতম গোটটোৱে ধ্বনি। কিন্তু ধ্বনিৰ কোনো অৰ্থ নাথাকে। ভাষাৰ অৰ্থবহ ক্ষুদ্ৰতম গোটটোৱে হ'ল ৰূপ বা আকৃতি। এই ৰূপ বা আকৃতি এটা ধ্বনিৰেও গঠন হ'ব পাৰে বা একাধিক ধ্বনিৰেও গঠন হ'ব পাৰে। অৰ্থৰ দিশত ই সম্পূৰ্ণ অৰ্থও দিব পাৰে অথবা আংশিক অৰ্থও প্ৰকাশ কৰিব পাৰে। উদাহৰণস্বৰূপে, অসমীয়া ভাষাত ভোগালী শব্দটো যদি বিভাজন কৰা হয় তেতিয়া ভোগ+আলী দুটা খণ্ড পাম। দুয়োটাই অৰ্থপূৰ্ণ। ইয়াতকৈ যদি আৰু বিভাজন কৰো তেতিয়া অৰ্থ নোহোৱা হ'ব। সেয়ে ভোগ আৰু আলী দুটা আকৃতি বা ৰূপ। ইংৰাজী ভাষাৰ 'Boys' শব্দটো বিভাজন কৰিলে 'Boy+s' দুটা আকৃতি পাম 's' আকৃতিটোৱে বহুবচন বুজায়। একেদৰে অসমীয়া ভাষাত মানুহজন=মানুহ+জন, গৰুবোৰ=গৰু+বোৰ, নাচনী=নাচ+অনী আদি আকৃতি বা ৰূপবোৰ নিৰ্ণয় কৰিব পাৰোঁ।

ওপৰৰ উদাহৰণবোৰ চালে দেখিম যে মানুহ, গৰু, নাচ, ভোগ আদি ৰূপ বা আকৃতি বাক্যত আন ৰূপৰ সহায় নোলোৱাকৈ ব্যৱহাৰ হ'ব পাৰে। যেনে— মানুহ মৰণশীল, গৰু এবিধ জন্তু, নাচ বা নৃত্য এবিধ কলা। এনেধৰণৰ স্বাধীনভাৱে বাক্যত ব্যৱহাৰ হ'ব পৰা ৰূপবোৰক মুক্ত ৰূপ বা মুক্ত আকৃতি বোলা হয়। আনহাতে, -আলী, -

জন, -বোৰ, -অনী আদি আকৃতিবোৰ স্বাধীনভাৱে বাক্যত ব্যৱহাৰ নহয়, অন্য ৰূপৰ লগত লগ লাগিহে ব্যৱহাৰ হয়। এই ৰূপবোৰক যুক্ত বা বদ্ধ ৰূপ।

প্ৰাকৃতি আৰু উপাকৃতি ঃ ৰূপবোৰকে প্ৰাকৃতি বুলিও কোৱা হয়। ধ্বনিতত্ত্বৰ দিশত ধ্বনি আৰু বিশিষ্ট ধ্বনিৰ যি সম্পৰ্ক ৰূপতত্ত্বৰ দিশত ৰূপ বা আকৃতিৰ লগত প্ৰাকৃতিৰ সম্পৰ্ক প্ৰায় একেধৰণৰ। নিৰ্দিষ্ট ভাষা এটাৰ যেতিয়া ৰূপ বা আকৃতিৰ অধ্যয়নৰ ক্ষেত্ৰত প্ৰাকৃতিৰ প্ৰসংগ আহি পৰে। আকৃতি অধ্যয়ন কৰিবলৈ লওঁতে এইবোৰৰ বিশ্লেষণ কৰা হয় আৰু অৰ্থবহ আকৃতিসমূহক এটা শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰা হয়। তেতিয়া সেই গোটটোকে প্ৰাকৃতি বুলি কোৱা হয়। কথাষাৰ এনেদৰে বুজাব পাৰি— আকৃতিসমূহৰ মাজৰ পৰা বিৰোধ বিচাৰ কৰা হয়। আৰু বিৰোধ নথকা আকৃতিসমূহক এটা গোটৰ অন্তৰ্ভুক্ত কৰা হয়। সেই গোটটোকে প্ৰাকৃতি বুলি কোৱা হয়। বিভিন্ন আকৃতিবোৰ যেতিয়া সেই গোটটোৰ অন্তৰ্ভুক্ত হয়, অৰ্থাৎ প্ৰাকৃতিৰ অন্তৰ্ভুক্ত হয়, তেতিয়া আকৃতিসমূহক সেই প্ৰাকৃতিটোৰ অন্তৰ্গত একোটা উপাকৃতি বুলি কোৱা হয়। অৰ্থাৎ প্ৰাকৃতি মানে প্ৰকৃতাৰ্থত এটা গোট বিশেষ। সেই গোটটোত এটা বা একাধিক উপাকৃতি থাকে। তলত আকৃতি, প্ৰাকৃতি আৰু উপাকৃতিৰ ধাৰণা স্পষ্ট কৰি তুলিবলৈ কেতবোৰ উদাহৰণ দাঙি ধৰা হ'ল—

ইংৰাজী ভাষাত বহুবচন বুজাবলৈ তিনিটা বদ্ধৰূপৰ প্ৰয়োগ আছে। -s, -z আৰু -iz। ইহঁতৰ প্ৰয়োগ এনেধৰণৰ— Cups, Boys আৰু Bones। এই তিনিটা ৰূপৰ একে অৰ্থ আৰু প্ৰয়োগো পৰিপূৰক। এই তিনিটাক এটা গোট হিচাপে ল'লে তাক 'প্ৰাকৃতি' বুলি কোৱা হ'ব। প্ৰাকৃতিৰ অন্তৰ্ভুক্ত হোৱাৰ পিছত -s-, -z আৰু -iz হ'ব সেই প্ৰাকৃতিটোৰ একোটা উপাকৃতি।

একেদৰে অসমীয়া ভাষাৰ 'যা' ধাতুটোক বিভিন্ন পুৰুষ আৰু কালত ৰূপ কৰিলে— যাওঁ, গ'লোঁ, লৈছোঁ, যোৱা, লৈছিলোঁ, যাম, যাব, গৈছিল আদিবোৰ পাওঁ। এইবোৰ বিশ্লেষণ কৰিলে 'যা' আকৃতিটোৰ চাৰিটা বেলেগ বেলেগ ৰূপ পাওঁ— যা, যো, গ, গৈ। এই চাৰিটাক এটা গোট হিচাপে ল'লে 'যা' প্ৰাকৃতি নামেৰে তাক পাব পাৰোঁ। যা, যো, গ, গৈ এই চাৰিটা 'যা' প্ৰাকৃতিটোৰ একোটা উপাকৃতি।

অসমীয়া ভাষাত নঞৰ্থক ক্ৰিয়া গঠনৰ বাবে ক্ৰিয়াৰ আগত 'ন' যোগ হয়। ক্ৰিয়াপদৰ প্ৰথম স্বৰৰ অনুসাৰে 'ন' ৰূপটো পৰিৱৰ্তন হয়। সেই অনুসৰি 'ন'ৰ ছটা ভিন ভিন ৰূপ পাওঁ। যেনে— ন-, না-, নি-, নু- আৰু নো-। (প্ৰয়োগ ঃ ন-হয়, নাখায়, নি-লিখে, নে-খেলে, নু-ফুৰে, নো-ধোৱে।)

এই ছটা আকৃতিক বা ৰূপক এটা গোট কৰি ইয়াক নঞৰ্থক প্ৰাকৃতি {ন} হিচাপে নামকৰণ কৰিব পাৰোঁ। তেতিয়া ন-, না-, নু-, নে-, নি- আৰু নো- এই ছটা প্ৰত্যেকে {ন} প্ৰাকৃতিটোৰ অন্তৰ্গত একোটা উপাকৃতি হ'ব।

আত্মমূল্যায়ন প্রশ্ন ঃ

১। উপাকৃতিসমূহৰ প্রয়োগক কিয় পৰিপূৰক বুলি কোৱা হয়? (৪০টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

২। প্রাকৃতি আৰু উপাকৃতিৰ মাজত পার্থক্য কি? (৫০টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

১.৫ প্রাকৃতিৰ শ্রেণীবিভাজন

প্রাকৃতিৰ শ্রেণীবিভাজন আমি তলত দেখুওৱা ৰেখাচিত্র অনুসৰি বিভাজন কৰিব পাৰোঁ—



প্রয়োগৰ প্রকৃতি অনুসৰি প্রাকৃতিক দুটা প্রধান ভাগত ভাগ কৰিব পাৰি। প্রকৃতি বা মূল-প্রাকৃতি আৰু সর্গ। কিছুমান ভাষাবিদে মূলাভাস প্রাকৃতি নামৰ আন এটা বিভাগৰো আলোচনা কৰিছে।

১.৫.১ প্ৰকৃতি বা মূলপ্ৰাকৃতি

যিবোৰ প্ৰাকৃতি বাক্যত অকলে স্বাধীনভাৱে ব্যৱহাৰ হ'ব পাৰে। সেইবোৰকে প্ৰকৃতি বা মূল প্ৰাকৃতি বুলি কোৱা হয়। কথাষাৰ আন ধৰণেও ক'ব পাৰি। যিবোৰ ৰূপ বা প্ৰাকৃতিক কেন্দ্ৰ কৰি তাৰ আগত বা পিছত অন্যান্য বদ্ধ প্ৰাকৃতি লগ লাগি ভিন ভিন অৰ্থবাচক ৰূপৰ সৃষ্টি কৰে তেনে প্ৰাকৃতিবোৰক প্ৰকৃতি বা মূল প্ৰাকৃতি বুলি কোৱা হয়। উদাহৰণস্বৰূপে অসমীয়া ভাষাৰ 'খালোহেঁতেন' পদটোত খা-ল-ও-হেতেন এই পাঁচোটা ৰূপ লগ লাগি আছে। 'খা' ৰূপটো নাথাকিলে বাকী ৰূপবোৰৰ প্ৰয়োগ অৰ্থহীন হৈ পৰিব। সেয়েহে 'খা' ৰূপটোৱে হ'ল প্ৰকৃতি বা মূল প্ৰাকৃতি। একেদৰে গৰুবোৰ (গৰু-বোৰ), অবাট (অ-বাট), নাচনী (নাচ-অনী), নাযাও (না-যা-ও) আদি পদবোৰৰ ক্ৰমে গৰু, বাট, নাচ, যা আদি ৰূপবোৰ প্ৰকৃতি।

প্ৰকৃতিৰ শ্ৰেণীবিভাজন ঃ ৰূপগত বৈশিষ্ট্য অনুসৰি প্ৰকৃতিক চাৰি প্ৰকাৰত ভাগ কৰিব পাৰি—

(১) নাম প্ৰকৃতি বা প্ৰাতিপদিক (Nomial বা Substaintive root morpheme) ঃ যিবোৰ প্ৰকৃতিৰ পৰা নামপদ বা নামশব্দৰ সৃষ্টি হয়।

(২) ধাতুপ্ৰকৃতি (verbal root morpheme) ঃ যিবোৰ প্ৰকৃতিৰ পৰা ধাতুপদ, ক্ৰিয়াপদ আৰু কৃদন্ত ৰূপৰ সৃষ্টি হয়।

(৩) অব্যয় প্ৰকৃতি (Absolute বা Indeclinable root morpheme) যিবোৰ প্ৰকৃতিৰ পৰা অব্যয়বোৰ পাব পাৰি।

(৪) নামধাতু প্ৰকৃতি (Nominal -Verbal root morpheme) ঃ যিবোৰ প্ৰকৃতিৰ পৰা নামপদ আৰু ধাতুপদ দুয়োবিধে সৃষ্টি হয়। যেনে— অসমীয়া ভাষাৰ 'মাত', 'চিন', 'মান' আদি। ইয়াৰ পৰা সৃষ্টি হোৱা নামপদ— 'মাত', 'চিন', 'মান' আৰু ধাতুপদ— 'মাতিছোঁ', 'চিনিছোঁ', মানিছোঁ'।

১.৫.২ সৰ্গ

যিবোৰ ৰূপ বা প্ৰাকৃতি বাক্যত অকলে ব্যৱহাৰ হ'ব নোৱাৰে; মুক্ত প্ৰাকৃতিৰ আশ্ৰয়তহে বিশেষ অৰ্থত ব্যৱহাৰ হয়, সেইবোৰকে বদ্ধ প্ৰাকৃতি বোলে। এই ধৰণৰ ৰূপ বা প্ৰাকৃতিক সৰ্গ বুলিও কোৱা হয়। অৰ্থাৎ যিবোৰ প্ৰাকৃতি প্ৰকৃতিৰ লগত লগ লাগি নতুন নতুন পদৰ সৃষ্টি কৰে সেইবোৰ প্ৰাকৃতিকে সৰ্গ বুলি কোৱা হয়।

সৰ্গৰ শ্ৰেণী বিভাজন ঃ

সৰ্গক তিনিটা দিশৰ ওপৰত নিৰ্ভৰ কৰি শ্ৰেণীবিভাজন কৰা হয়— (১) প্ৰকৃতি অনুযায়ী, (২) অৱস্থান অনুযায়ী আৰু গুণ অনুযায়ী।

প্ৰকৃতি অনুযায়ী ঃ প্ৰকৃতি অনুযায়ী প্ৰাকৃতিৰ তিনিটা প্ৰকাৰভেদ পোৱা যায়— (ক) ব্যাহত প্ৰাকৃতি, (খ) অব্যাহত প্ৰাকৃতি আৰু (গ) শূন্য প্ৰাকৃতি।

(ক) ব্যাহত প্রাকৃতি ঃ ব্যাহত প্রাকৃতিবিলাক একেলেথাৰি প্রয়োগ নহয়। ব্যাহত হৈ শব্দমূলৰ বা প্রকৃতিৰ মাজে মাজে এনে প্রাকৃতিবোৰ সোমাই পৰে। হিব্রু ভাষাৰ প্রাকৃতি এনেধৰণৰ প্রাকৃতি। উদাহৰণস্বৰূপে—

|z-k-r|> zaakar 'তেওঁৰ মনত পৰিছিল'

|z-k-r|> yizoor 'তেওঁ মনত পেলাইছিল'

|z-k-r|> zikrii 'মোৰ স্মৃতি' ইত্যাদি।

(খ) অব্যাহত প্রাকৃতি ঃ যিবিলাক প্রাকৃতি প্রকৃতিৰ আগে-পিছে বা মাজত একেলগে প্রয়োগ হয়, তেনে প্রাকৃতিক অব্যাহত প্রাকৃতি বোলা হয়। পৃথিৱীৰ সৰহসংখ্যক ভাষাৰ প্রাকৃতি এই শ্রেণীৰ।

(গ) শূন্য প্রাকৃতি ঃ কেতিয়াবা মূল-প্রাকৃতি বা প্রকৃতিৰ লগত আপাতদৃষ্টিত কোনো প্রাকৃতি লগ লাগি নাথাকে কিন্তু ভাষাৰ বিশ্লেষণৰ সুবিধার্থে একোটা প্রাকৃতি লগ লাগি থকা বুলি ধাৰণা কৰি লোৱা হয়। এনে প্রাকৃতিক শূন্য প্রাকৃতি বোলা হয়। উদাহৰণস্বৰূপে অসমীয়া ভাষাত অকর্মক ক্রিয়াৰূপৰ সৈতে কর্তাকাৰকত শূন্য প্রাকৃতিৰ প্রয়োগ আছে বুলি ধাৰণা কৰিলে বিশ্লেষণৰ সুবিধা হয়। যেনে—

(ক) ৰাম (-এ) ভাত খালে।

(খ) ৰাম (-) গ'ল।

(ক) বাক্যত কর্তা ৰামৰ লগত '-এ' বিভক্তি লগ লাগিছে কিন্তু (খ) বাক্যত কোনো বিভক্তি লগ লগা নাই। কিন্তু বিভক্তি লগ নালাগিলে শব্দ গঠন নহয়। সেয়েহে ইয়াত শূন্য বিভক্তি থকা বুলি ধাৰণা কৰা হয়।

অৱস্থান অনুযায়ী সর্গৰ বিভাজন ঃ

অৱস্থান অনুযায়ী সর্গক প্রধানত তিনিটা ভাগত ভাগ কৰিব পাৰি— পূর্বসর্গ/উপসর্গ, মধ্যসর্গ আৰু পৰসর্গ।

উপসর্গ ঃ যিবোৰ সর্গ প্রকৃতিৰ আগত ব্যৱহাৰ হয় তাক পূর্বসর্গ বা উপসর্গ বোলা হয়। সংস্কৃত ভাষাত প্র, পৰা, অপ, সম, নি, অনু আদি কৰি কুৰিটা উপসর্গ আছে। অসমীয়া ভাষাতো উপসর্গৰ প্রয়োগ দেখিবলৈ পোৱা যায়।

মধ্যসর্গ ঃ যিবোৰ সর্গ প্রকৃতি বা মূল-প্রাকৃতিৰ মাজত সোমাই ব্যৱহাৰ হয়, তাক মধ্যসর্গ বোলা হয়। অসমীয়া ভাষাত মধ্যসর্গৰ প্রয়োগ নাই। হিব্রু আদি ভাষাত এই প্রত্যয়ৰ প্রয়োগ দেখিবলৈ পোৱা যায়।

পৰসর্গ ঃ যিবোৰ সর্গ মূলৰূপ বা প্রকৃতিৰ পাছত বহি অর্থবাচক ৰূপৰ সৃষ্টি কৰে, সেইবোৰ সর্গকে পৰসর্গ বোলে। যেনে— অসমীয়া ভাষাৰ -অনি (ফুল-অনি>ফুলনি), -অক (লিখ-অক>লিখক), -অনী (নাচ-অনী>নাচনী), -অনীয়া (মান-অনীয়া>মাননীয়া), -আৰু (লেখ-আৰু>লেখাৰু), -আলি (বেজ-আলি>বেজালি)। ইংৰাজী ভাষাৰ s (cup-s>cups), -z (boy-z>Boys), -iz (Box-iz> Boxes) ইত্যাদি।

গুণ অনুযায়ী সৰ্গৰ বিভাজন ঃ গুণ বা কাৰ্য অনুযায়ী সৰ্গবোৰক দুটা ভাগত ভগাব পাৰি— (ক) শব্দসাধনমূলক বা ব্যুৎপত্তিমূলক সৰ্গ বা প্ৰত্যয় আৰু (খ) ৰূপাত্মক সৰ্গ বা বিভক্তি।

যিবোৰ সৰ্গই মূলৰূপ বা প্ৰকৃতিৰ লগ লাগি নতুন অৰ্থবাচক ভিন্ন শব্দৰ সাধন কৰে সেইবোৰক শব্দসাধনমূলক সৰ্গ বা ব্যুৎপত্তিমূলক সৰ্গ বা প্ৰত্যয় বুলি কোৱা হয়।

যিবোৰ সৰ্গই নাম প্ৰকৃতি বা ধাতু প্ৰকৃতিৰ লগত লগ লাগি বাক্যত ব্যৱহৃত সব্যয় পদ ৰচনা কৰে, সেইবোৰ সৰ্গক বিভক্তি বা ৰূপাত্মক সৰ্গ বুলি কোৱা হয়। এইবোৰে প্ৰকৃতিৰ ৰূপৰ পৰিৱৰ্তন ঘটায় আৰু কাৰকাদিৰ বোধ জন্মায়। বিভক্তি দুবিধ শব্দ বিভক্তি আৰু ক্ৰিয়া বিভক্তি। শব্দৰ লগত লগ হৈ কাৰকৰ ধাৰণা দিয়া বিভক্তিবোৰক শব্দবিভক্তি আৰু ধাতুৰ লগত লগ লাগি বিভিন্ন ফালৰ নিৰ্দেশ দিয়া বিভক্তিবোৰক ক্ৰিয়া বিভক্তি বোলা হয়।

১.৫.৩ মূলাভাস প্ৰাকৃতি

মুক্ত আৰু বদ্ধ প্ৰাকৃতি অৰ্থাৎ প্ৰকৃতি আৰু সৰ্গৰ উমৈহতীয়া গুণধৰ্মী আন এবিধ ৰূপ বা প্ৰাকৃতিও কিছুমান ভাষাত পোৱা যায়। এইবিধ প্ৰাকৃতিয়ে প্ৰকৃতি আৰু সৰ্গৰ মাজত অৱস্থান কৰে। এই প্ৰাকৃতিবোৰে কেতিয়াবা প্ৰকৃতি হিচাপে আৰু কেতিয়াবা সৰ্গ হিচাপে ভাষাত ব্যৱহাৰ হয়। এই প্ৰাকৃতিবোৰক মূলাভাস প্ৰাকৃতি বুলি কোৱা হয়। উদাহৰণস্বৰূপে অসমীয়া ভাষাৰ -জন, -খন, -ডাল আদি নিৰ্দিষ্টতাবাচক আৰু অনিৰ্দিষ্টতাবাচক প্ৰাকৃতিসমূহ এই শ্ৰেণীৰ। এই প্ৰাকৃতিসমূহ কেতিয়াবা মুক্তৰূপেও ব্যৱহাৰ হয়। যেনে— জনে জনে, খনে খনে, ডালত ইত্যাদি। কেতিয়াবা বদ্ধৰূপে প্ৰয়োগ হয়। যেনে— এজন, দুখন, তিনিডাল ইত্যাদি।

আত্মমূল্যায়ন প্ৰশ্ন ঃ

(১) মুক্তৰূপ আৰু প্ৰকৃতিৰ মাজত কিবা পাৰ্থক্য আছে নেকি? (৩০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

.....

.....

.....

(২) শূন্য প্ৰাকৃতি আৰু অন্যান্য প্ৰাকৃতি একে নে? (৪০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

.....

.....

.....

(৩) প্রত্যয় আৰু বিভক্তিৰ মাজত পার্থক্য কি? (৪০টা শব্দৰ ভিতৰত উত্তৰ লিখক।)

.....

.....

.....

১.৬ সাৰাংশ (Summing Up)

ৰূপতত্ত্ব হ'ল ভাষা অধ্যয়নৰ দ্বিতীয় স্তৰ। অর্থবহ ন্যুন্যতম ধ্বনি গোটকে ৰূপ বা আকৃতি বোলা হয়। ৰূপক দুটা ভাগত ভগাব পাৰি— মুক্ত ৰূপ আৰু বদ্ধ ৰূপ। একে অর্থবহ আকৃতিৰ গোটসমূহকে প্রাকৃতি বুলি কোৱা হয়। এটা ভাষাত ৰূপৰ গঠন আৰু প্রকৃতি বিচাৰ, সিবিলাকৰ সংযোগ, শব্দৰ পৰা শব্দৰূপ আৰু ধাতুৰ পৰা ক্রিয়াৰূপ সাধন এই সকলোবোৰৰ আলোচনাই ৰূপতত্ত্ব। প্রকৃতার্থত প্রাকৃতিৰ সকলো স্তৰৰ আলোচনাই ৰূপতত্ত্ব। প্রাকৃতিক দুটা প্রধান ভাগত ভগাব পাৰি— প্রকৃতি আৰু সর্গ। প্রকৃতিৰ ভাগ চাৰিটা— নাম প্রকৃতি, ধাতু প্রকৃতি, নামধাতু প্রকৃতি আৰু অব্যয় প্রকৃতি। সর্গক তিনিটা দিশৰ ওপৰত নির্ভৰ কৰি বিভাজন কৰা হয়। (১) প্রকৃতি অনুযায়ী— ব্যাহত প্রাকৃতি, অব্যাহত প্রাকৃতি আৰু শূন্য প্রাকৃতি; (২) অৱস্থান অনুযায়ী— পূর্বসর্গ, মধ্যসর্গ আৰু পৰসর্গ; (৩) গুণ অনুযায়ী— প্রত্যয় আৰু বিভক্তি।

১.৭ আৰ্হি প্রশ্ন (Sample Questions)

১। ৰূপ বা আকৃতি মানে কি? প্রাকৃতি আৰু উপাকৃতিৰ লগত ইয়াৰ সম্পর্ক কি?

২। বদ্ধৰূপ আৰু মুক্তৰূপ মানে কি? অসমীয়া ভাষাৰ উদাহৰণ দি বুজাই লিখক।

৩। প্রাকৃতিক কি কি ভাগত ভগাব পাৰি? আলোচনা কৰক।

৪। প্রকৃতি আৰু সর্গ মানে কি? বদ্ধ প্রাকৃতি আৰু মুক্ত প্রাকৃতিৰ মাজত সম্পর্ক কি?

৫। সর্গৰ শ্রেণীবিভাজন সম্পর্কে আলোচনা কৰক।

৬। চমু উত্তৰ দিয়ক ঃ

(ক) প্রকৃতি, (খ) মূলাভাস প্রাকৃতি, (গ) ব্যাহত প্রাকৃতি, (ঘ) শূন্য প্রাকৃতি, (ঙ) অব্যাহত প্রাকৃতি

১.৮ প্রসংগ গ্রন্থ (References/Suggestion Readings)

অপর্ণা কোঁৱৰ ঃ *ভাষাবিজ্ঞান উপক্রমণিকা*, ১৯৭০

উপেন্দ্রনাথ গোস্বামী ঃ *ভাষাবিজ্ঞান*, ১৯৭০
গোলোক চন্দ্র গোস্বামী ঃ *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ*, ১৯৯০
ফনীন্দ্র নাৰায়ণ দত্তবৰুৱা ঃ *আধুনিক ভাষাবিজ্ঞান পৰিচয়*, ১৯৯০
বসন্ত কুমাৰ ভট্টাচার্য ঃ *ভাষাবিজ্ঞান প্ৰৱেশ*, ২০০৮
ৰমেশ পাঠক ঃ *ব্যাকৰণ আৰু প্ৰাকৃতি বিজ্ঞান*, ১৯৮৮
প্ৰণীতা দেৱী ঃ *ভাষাবিজ্ঞানৰ জিলিঙণি*, ২০০৭

***

দ্বিতীয় বিভাগ
অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক বিশিষ্টতা

বিভাগৰ গঠনঃ

২.১ ভূমিকা (Introduction)
২.২ উদ্দেশ্য (Objectives)
২.৩ ঐতিহাসিক পটভূমি বিচাৰ
২.৪ অসমীয়া ভাষাৰ ৰূপগত বিশিষ্টতা
২.৫ ৰূপগত দিশত অন্যান্য ভাষাৰ প্ৰভাৱ
২.৬ সাৰাংশ (Summing Up)
২.৭ আৰ্হি প্ৰশ্ন (Sample Questions)
২.৮ প্ৰসংগ পুথি (References/Suggested Readings)

২.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগটিত ৰূপতত্ত্বৰ সাধাৰণ আভাস দাঙি ধৰি অহা হৈছে। এই বিভাগটিত একে মূলৰ পৰা উদ্ভূত হ'লেও অমসীয়া ভাষাই অন্যান্য মগধীয় ভাষাসমূহৰ পৰা ৰূপতত্ত্বৰ কি কি দিশত বিশিষ্টতা লাভ কৰিছে সেই বিষয়ে পৰ্যালোচনা কৰা হ'ব।

ভাৰতীয় আৰ্য ভাষাৰ অন্তৰ্গত মাগধী প্ৰাকৃতৰ পৰা অসমীয়া ভাষাৰ উৎপত্তি হৈছে। মাগধী প্ৰাকৃতৰ পৰা অসমীয়াৰ লগতে বঙালী, উৰিয়া, ভোজপুৰী, মগধী আদি ভাষাসমূহৰো উদ্ভৱ হৈছে। আৰ্য ভাষাৰ পৰা বিকাশ লাভ কৰিলেও অসমত প্ৰচলিত নানা আৰ্য ভিন্ন ভাষাসমূহৰ প্ৰভাৱৰ কাৰণে আৰু স্থানগত উচ্চমানৰ বাবে অসমীয়া ভাষা ভাৰতীয় অন্যান্য আৰ্য ভাষাসমূহৰ ভিতৰত নিজস্ব বৈশিষ্ট্যৰে গঢ় লৈ উঠিছে। এই বৈশিষ্ট্যসমূহে অসমীয়া ভাষাক আন ভাৰতীয় আৰ্য ভাষাসমূহৰ পৰস্বকীয় বুলি ক'লে প্ৰধানকৈ ধ্বনিতত্ত্ব আৰু ৰূপতত্ত্বৰ ক্ষেত্ৰত দেখা বিশেষত্বসমূহৰ কথাই ক'ব লাগিব। অৱশ্যে শব্দভাণ্ডাৰৰ ক্ষেত্ৰতো এনে স্বকীয়তা পৰিলক্ষিত হয়।

২.২ উদ্দেশ্য (Objectives)

এই বিভাগটিৰ আলোচিত কথাখিনি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- অসমীয়া ভাষাৰ স্বকীয়তাসমূহ গঢ় লৈ উঠাৰ পটভূমি বিচাৰ কৰিব পাৰিব,
- ৰূপগত স্বকীয়তাসমূহ পৰ্যালোচনা কৰিব পাৰিব,
- ৰূপগত দিশত অসমীয়া ভাষাত পৰা অনা-আৰ্যমূলীয় ভাষাৰ প্ৰভাৱসমূহ ব্যাখ্যা কৰিব পাৰিব।

২.৩ ঐতিহাসিক পটভূমি বিচাৰ

ভাৰতবর্ষৰ উত্তৰ পূৱ প্রান্তৰ অসম ৰাজ্যত অসমীয়া ভাষা প্রচলিত। অকল অসম ৰাজ্যতে নহয় উত্তৰ-পূর্বাঞ্চলৰ আটাইবোৰ ৰাজ্যতে অসমীয়া ভাষাৰ প্রচলন আছিল। অসমীয়া ভাষাৰ উদ্ভৱ আৰু বিকাশ সম্পর্কে পণ্ডিতসকলৰ মাজত মতানৈক্য আছে। প্রায়ভাগ পণ্ডিতৰ মতে এই ভাষাটো মাগধী প্রাকৃতৰ পৰা আহিছে। আর্য ভাষাই মগধ, বিদেহ অঞ্চলৰ পৰা আহি উত্তৰ বঙ্গৰ মাজেৰে প্রাচীন কামৰূপত প্রৱেশ কৰে আৰু সপ্তম শতিকামানৰে পৰা অসমত সুকীয়া ভাষাৰূপে গঢ় লয়।

যি সময়ত অসমীয়া ভাষাই কামৰূপত থিতাপি লৈছিল সেই সময়ত অসংখ্য জনগোষ্ঠীয় লোক এই অঞ্চলত বাস কৰিছিল। এই জনগোষ্ঠীসমূহৰ ভিতৰত বড়ো, ৰাভা, মিছিং, তিৱা, কছাৰী, কার্বি, ডিমাছা, টাই, আহোম আদি উল্লেখযোগ্য। প্রত্যেকটো জনগোষ্ঠীৰে আকৌ নিজস্ব একোটা ভাষা আছিল। সেয়েহে অসমীয়া ভাষাৰ স্থিতি আছিল অনা আর্য ভাষাৰ সাগৰৰ মাজত থকা এটা দ্বীপৰ নিচিনা। এই ভাষাটোৰ চৌপাশে বিভিন্ন অনার্য ভাষা-ভাষী লোক আছিল। সেই ভাষাবোৰৰ প্রভাৱ অসমীয়া ভাষাৰ ওপৰত অভাৱনীয়ভাৱে পৰিছিল। তাৰফলত ধ্বনিতত্ত্ব, ৰূপতত্ত্ব আদি দিশত অসমীয়া ভাষাই সুকীয়া ৰূপ পৰিগ্রহণ কৰিছিল। এই ভাষাসমূহৰ ভিতৰত সৰহভাগে আছিল তিব্বত-বর্মীয় ভাষাগোষ্ঠীৰ। সেয়েহে অসমীয়া ভাষাত তিব্বতবর্মীয় ভাষাৰ প্রভাৱ অধিক।

অসমীয়া ভাষাৰ ওপৰত অনার্যমূলীয় ভাষাৰ প্রভাৱ সম্পর্কে প্রায় সকলো পণ্ডিতে স্বীকাৰ কৰি গৈছে। বাণীকান্ত কাকতিয়ে তেওঁৰ গৱেষণা গ্রন্থখনত অসমীয়া ভাষাৰ সুকীয়া ৰূপ গ্রহণত থলুৱা জনজাতীয় আর্যভিন্ন ভাষাৰ অৱদান অনস্বীকার্য বুলি কৈছে। তেওঁ আর্যভিন্ন উপাদানসমূহক তিনিটা ভাগত ভাগ কৰি দেখুৱাইছে—

(১) অষ্ট্র-এছীয়— (ক) খাচী, (খ) কোলাৰীয় আৰু (গ) মালয়ী

(২) তিব্বত বর্মীয় আৰু

(৩) টাই-আহোম

সুনীতি কুমাৰ চেটার্জীয়ে অসমীয়া ভাষাৰ গঠনত ইণ্ডো-মংগোলয়দ (কিৰাত)সকলৰ অৱদান যথেষ্ট সবল বুলি কৈছে। ভাষাবিদ গ্রিয়ার্ছনে অন্যান্য সমমূলীয় ভাষাত বিৰল অথচ অসমীয়া ভাষাত প্রৱল কেতবোৰ উপাদান বড়ো প্রমুখ্যে অন্যান্য তিব্বতবর্মীয় ভাষাত পোৱা যায় বাবে অসমীয়া ভাষাতো এই থলুৱা ভাষাৰ প্রভাৱ পৰাটো স্বাভাৱিক বুলি দেখুৱাইছে।

কাকতিৰ পৰৱর্তী অসমৰ ভাষাবিদসকলে (ৰামচৰণ ঠাকুৰীয়া, ৰমেশ পাঠক, সত্যেন্দ্র নাৰায়ণ গোস্বামী আদি) অসমীয়া ভাষাত অষ্ট্রিক উপাদান সৰহ বুলি মন্তব্য কৰিছে। কালিৰাম মেধি, ভগৱান মৰল, বিৰিঞ্চি কুমাৰ বৰুৱাই অসমীয়া ভাষাত দ্রাবিড় উপাদানসম্পর্কে আলোচনা কৰিছে। প্রমোদ চন্দ্র ভট্টাচার্য, বিষ্ণুপ্রসাদ ৰাভা ৰূপনাথ ব্রহ্ম আদি ভাষাবিদে অসমীয়া ভাষাত তিব্বত-বর্মীয় ভাষাৰ উপাদান সম্বন্ধে আলোচনা আগবঢ়াইছে।

অসমীয়া ভাষাত আর্যভিন্ন উপাদান কেৱল মাত্র মান্য অসমীয়াতহে যে আছে তেনে নহয়। অসমীয়া ভাষাৰ প্ৰাচীন, অৰ্বাচীন, লিখিত ৰূপ, কথিত ৰূপ, শিলালিপি, তাম্ৰলিপি, সাঁচিপতীয়া পুথি আদিতো এনে নিদৰ্শন পোৱা যায়। শ্ৰীকৃষ্ণ কীৰ্তন, চৰ্যাপদ, ডাক ভণিতা, ব্যৱহাৰিক পুথি, মন্ত্ৰপুথি, বিভিন্ন মৌখিক সাহিত্যতো এনে উপাদান পোৱা যায়।

আত্মমূল্যায়ন প্ৰশ্ন ঃ

অসমীয়া ভাষাত অনাৰ্যমূলীয় কোন কোন ভাষাৰ উপাদান বেছিকৈ থকা পৰিলক্ষিত হয়? (৩০টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

.....

.....

.....

২.৪ অসমীয়া ভাষাৰ ৰূপগত বিশিষ্টতা

আগতে উল্লেখ কৰি অহা হৈছে যে অসমীয়া ভাষাৰ ৰূপগত দিশ কেতবোৰ বিশেষ বৈশিষ্ট্য দেখিবলৈ পোৱা যায় যিবোৰ বৈশিষ্ট্য অন্য সমগোত্ৰীয় মগধীয় ভাষাবোৰত পোৱা নাযায়। এই বৈশিষ্ট্যবোৰে হ'ল অসমীয়া ভাষাৰ ৰূপগত বিশিষ্টতা। এই বিশিষ্টতাবোৰ অনা আৰ্য ভাষাৰ প্ৰভাৱৰ ফল।

সংস্কৃতৰ 'য' ধ্বনিৰ পৰাই অসমীয়া ভাষাত বৈশিষ্ট্যপূৰ্ণ স (X) ধ্বনিটোৰ বিকাশ হোৱা বুলি সুনীতি কুমাৰ চট্টোপাধ্যায় প্ৰমুখ্যে এদল পণ্ডিতে মত পোষণ কৰিছে। সংস্কৃতৰ 'য' ধ্বনিটো 'খ' হিচাপে উচ্চাৰিত হোৱাটো নব্য ভাৰতীয় আৰ্য ভাষাৰ এটা সাধাৰণ বৈশিষ্ট্য। সম্ভৱতঃ 'য'ৰ পৰা 'খ' ধ্বনিলৈ পৰিৱৰ্তন হয় আৰু 'খ'ৰ পৰাই প্ৰাচীন অসমত 'স' ধ্বনিৰ বিকাশ হয়। ধ্বনিগতভাৱেও দুয়োটা ধ্বনিৰ মাজত বিশেষ পাৰ্থক্য নাই। দুয়োটাই পশ্চতালব্য, অঘোষ ধ্বনি। কেৱলমাত্ৰ 'স' ধ্বনি উচ্চাৰণৰ সময়ত বহির্গামী বায়ু কিছুমানে ঘৰ্ষণ খাই উত্তপ্ত হৈ পৰে। ভাষাৰ ধ্বনিগত প্ৰক্ৰিয়া (Phenomena) অনুসৰি পাৰস্পৰিক স্থান সলনিৰ জৰিয়তে 'খ' ধ্বনি 'স'লৈ পৰ্যবসিত হোৱা বুলি ভাবিবৰ থল আছে।

অসমীয়া ভাষাৰ তদ্ভৱ শব্দত সংস্কৃতৰ 'য' ধ্বনি 'খ'লৈ পৰিৱৰ্তন হোৱাৰ কথা আমি আগতে উনুকিয়াই আহিছোঁ বাংলা, উড়িয়া, ভোজপুৰী, মৈথিলী, মগহী আদি ভাষাতো 'য' ধ্বনি 'খ'লৈ পৰিৱৰ্তন হয়। একেদৰে মিথিলাৰ ব্ৰাহ্মণসকলৰ ভাষাতো 'য' ধ্বনি 'খ' হোৱা দেখা যায়। অসমলৈ মিথিলা, মগধ, কনৌজ আদি ঠাইৰ পৰা ব্ৰাহ্মণসকলৰ আগমন ঘটিছিল। সম্ভৱতঃ লোকসকলৰ জৰিয়তে প্ৰাচীন অসমত 'স' ধ্বনিৰ বিকাশ হয়।

আত্মমূল্যায়ন প্রশ্ন ঃ

ধ্বনিগত দিশত অসমীয়া ভাষাই স্বতন্ত্রতা লাভ কৰাৰ মূল কাৰণসমূহ কি কি ? (৪০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.....

.....

.....

শব্দৰ গঠন, বিভক্তি, প্রত্যয় আদিৰ ক্ষেত্রতো অসমীয়া ভাষাই অন্যান্য আর্য ভাষাৰ তুলনাত স্বকীয় ৰূপ পৰিগ্রহণ কৰিছে। এনে ৰূপতাত্ত্বিক বৈশিষ্ট্য কেতবোৰ তলত দাঙি ধৰা হ'ল—

১। নঞৰ্থক ক্রিয়া বুজাবলৈ ক্রিয়াৰ আগত 'ন' যোগ কৰা ৰীতি অসমীয়া ভাষাৰ অন্যতম বৈশিষ্ট্য। এই নিয়ম অতি প্রাচীন স্তৰৰ পৰাই অসমীয়া ভাষাত প্রচলিত আছে। ক্রিয়া ৰূপৰ আগত 'ন' যোগ হ'লে ক্রিয়াপদটোৰ প্রথম স্বৰ অনুযায়ী ইয়াৰ সমীভৱন হয়। যেনে—

অ ঃ নহ'ল, নকৰি, নকৰোঁ, নপঢ়োঁ

আ ঃ নাখাওঁ, নাযাওঁ, নাজানো

ই ঃ নিদিওঁ, নিদিলা, নিলিখোঁ

উ ঃ নুধুলে, নুলুকাওঁ

এ ঃ নেখেলিবি, নেদেখিলোঁ ইত্যাদি।

ধাতুৰ আদ্যস্বৰত 'আ' স্বৰ থাকিলে কেতিয়াবা 'ন'টো 'না' নহৈ 'নে' হয়। যেনে—

নাখায় ~ নেখায়

নাযায় ~ নেযায়

নাজানো ~ নেজানো

ক্রিয়াৰ আগত 'ন' ৰূপ যোগ কৰি নঞৰ্থক ক্রিয়া গঠন কৰা ৰীতি অন্যান্য ভাৰতীয় আর্য ভাষাত দেখিবলৈ পোৱা নাযায়। অসমীয়া ভাষাত এই বৈশিষ্ট্যটো চীন-তিব্বতীয় ভাষাৰ পৰা আহিছে। ড° উপেন্দ্রনাথ গোস্বামীয়ে অসমীয়া ভাষাৰ উদ্ভৱ-বিকাশ আৰু সমৃদ্ধি নামৰ গ্রন্থখনত এই ক্ষেত্রত চীনতিব্বতীয় ভাষাগোষ্ঠীৰ বড়ো, গাৰো, দেউৰী, ৰাভা, টাই, নগা আদি ভাষাৰ বৈশিষ্ট্যলৈ আঙুলিয়াইছে। এইবোৰ ভাষাত নঞৰ্থক ৰূপবোৰ ক্রিয়াৰ আগত ব্যৱহাৰ হয়। চীন তিব্বতীয় ভাষাবোৰৰ সাধাৰণ নঞৰ্থক আৰু

অনুজ্ঞাসূচক নঞৰ্থক- এই দুই ধৰণৰ ৰূপ পোৱা যায়। বড়ো-কাছাৰী ভাষাৰ সাধাৰণ নঞৰ্থক ৰূপ হ'ল 'আ' আৰু অনুজ্ঞাৰ নঞৰ্থক ৰূপ হ'ল 'দা'।

দা-থাঙ্ 'নাযাবা'

গাৰো, ডিমাছা আৰু দেউৰী ভাষাত অনুজ্ঞাসূচক নঞৰ্থক ৰূপ হ'ল 'দা'। যেনে—

গাৰো ঃ দা-স্তু 'থুই নেপেলাবা'

ডিমাচা ঃ দাথাং 'নাযাবা'

দেউৰী ঃ দাহা 'নাখাবা'

অনুজ্ঞাসূচক নঞৰ্থক ৰূপবোৰ ৰাভা ভাষাত 'টা' কক্‌বৰক ভাষাত 'তা' আৰু তিৱা ভাষাত 'তা'।

চীন-তিব্বতীয় ভাষাৰ আহোম আৰু আও নগা ভাষাত নঞৰ্থক ৰূপ ক্ৰিয়াৰ আগত থকাৰ লগতে ক্ৰিয়াৰ প্ৰথম স্বৰ অনুসৰি সমীভৱনো হয়। যেনে—

আহোম ভাষা ঃ নঞৰ্থক ৰূপ 'মা' ঃ মা-তঙ>মতঙ 'নুবুজোঁ'

মা-লুক>মুলুক 'নুঠো'

আও নগা ভাষা ঃ নঞৰ্থক ৰূপ অনুজ্ঞাৰ 'তা' আৰু সাধাৰণ 'মা'

তা-ইমলা>তিইম্‌লা 'আশা নকৰিব'

মা-উতান>মুউতান 'নুজুখিবা'

অৱশ্যে এই ৰীতি বড়ো ভাষাতো আছে। যেনে—

পা-দেৰ>পেদেৰ 'ডাঙৰ কৰ'

পা-জো>পোজো 'বহুওৱা'

২। সম্বন্ধবাচক শব্দৰ পিছত পুৰুষ অনুযায়ী বিভিন্ন প্ৰত্যয় যোগ কৰি সম্বন্ধ নিৰূপণ কৰা ৰীতি অসমীয়া ভাষাৰ এক বিশেষ বৈশিষ্ট্য। এই বৈশিষ্ট্য অন্যান্য ভাৰতীয় আৰ্য-ভাষাসমূহত নাই।

অসমীয়া ভাষাত সম্বন্ধ বুজাবলৈ আই, বোপাই, মা, দেউতা, পিতা, খুৰা, ভাই, দাদা, শহুৰ, শাহু, জোঁৱাই, বৈনাই, তাৰৈ, ভিন্‌দেউ আদি শব্দৰ প্ৰয়োগ হয়। এই শব্দবোৰৰ পিছত কিছুমান প্ৰত্যয় যোগ হয়। এই প্ৰত্যয়বোৰ পুৰুষ অনুসৰি ভিন ভিন হয়। এই প্ৰত্যয়বোৰকে 'সম্বন্ধ বুজোৱা পুৰুষবাচক সৰ্গ বা প্ৰত্যয়' বুলি কোৱা হয়। উদাহৰণস্বৰূপে— মোৰ দেউতা, তোৰ দেউতা-ৰে, তোমাৰ দেউতা-ৰা, তাৰ দেউতা-ক ইত্যাদি ৰূপবোৰত সম্বন্ধ বুজোৱা 'দেউতা' শব্দটোৰ পিছত -ৰে, -ৰা, -ক আদি প্ৰত্যয় লগ লাগিছে। এইবোৰে 'সম্বন্ধ বুজোৱা পুৰুষবাচক সৰ্গ'।

এইক্ষেত্রত প্রথম পুৰুষত কোনো প্রত্যয় বা সর্গ লগ নালাগে। দ্বিতীয় পুৰুষৰ তুচ্ছার্থত-ৰে (-এৰ), মান্যার্থত-ৰা (-এৰা) আৰু তৃতীয় পুৰুষত-ক (-এক) প্রত্যয় লগ লাগে। ইয়াৰে সম্বন্ধ বুজোৱা শব্দটো আ-স্বৰান্ত হ'লে -ৰে, -ৰা, -ক আৰু আন স্বৰান্ত আৰু ব্যঞ্জনান্ত শব্দৰ পিছত -এৰ, -এৰা, -এক প্রত্যয় যোগ হয়। প্রত্যয়বোৰ যোগ হোৱাৰ পিছতহে এই শব্দবোৰত বিভক্তি লগ লাগে। তলত এই প্রত্যয়বোৰৰ প্রয়োগ দাঙি ধৰা হ'ল—

	পুৰুষ	প্রথম	দ্বিতীয়		তৃতীয়
			তুচ্ছ	মান্য	
	প্রত্যয়	-০	-ৰ (-এৰ)	-ৰা (-এৰা)	-ক (-এক)
সম্বন্ধ বুজোৱা শব্দ	বোপাই	বোপাই	বাপেৰ	বাপেৰা	বাপেক
	দেউতা	দেউতা	দেউতাৰ	দেউতাৰা	দেউতাক
	মা	মা	মাৰ	মাৰা	মাক
	শাহু	শাহু	শাহুয়েৰ	শাহুয়েৰা	শাহুয়েক
	ভনী	ভনী	ভনীয়েৰ	ভনীয়েৰা	ভনীয়েক

অসমীয়া ভাষাৰ এই বৈশিষ্ট্যটো অষ্ট্রিক ভাষাৰ প্রভাৱৰ ফল বুলি ড° বাণীকান্ত কাকতিয়ে মত প্রকাশ কৰিছে। যেনে— ছাওঁতালী ভাষাত এঙ্গ-এঞ 'মোৰ মা', এঙ্গ -ত 'তাৰ মাক'।

সম্বন্ধবাচক শব্দৰ ক্ষেত্রত অসমীয়া ভাষাৰ আন এটা উল্লেখযোগ্য বৈশিষ্ট্য হ'ল— এই ভাষাত বয়স অনুযায়ী সম্বন্ধ বুজাবলৈ বেলেগ বেলেগ শব্দ ব্যৱহাৰ কৰা হয়; যেনে— ককাই-ভাই, বাই-ভনী ইত্যাদি। গালং, ৰাভা, আবৰ, দেউৰী, চুতীয়া আদি ভাষাতো এই বৈশিষ্ট্যটো দেখা যায়। যেনে—

গালং ঃ আচি (ককাই)
আচিৰ (ভাই)
আঞি (বাই)

আবৰ ঃ ত্রিডমে (ভনী)

ৰাভা ঃ দাদা (ককাই)
ফজং (ভাই)
বিবি (বাই)
জিনং/জানং (ভনী)

৩। অসমীয়া ভাষাৰ অন্য এটা উল্লেখযোগ্য বৈশিষ্ট্য হ'ল নির্দিষ্টতাবাচক প্রত্যয়ৰ ব্যৱহাৰ। কোনো বস্তুক নির্দিষ্টকৈ দেখুৱাবৰ বাবে শব্দৰ পাছত কেতবোৰ প্রত্যয় যোগ কৰা হয়। এই প্রত্যয়বোৰকে নির্দিষ্টবাচক প্রত্যয় বোলে। অসমীয়া ভাষাত এইবোৰ সাধাৰণতে বিশেষ্য, বিশেষণ আৰু সংখ্যাবাচক শব্দৰ উপৰি প্রথম আৰু দ্বিতীয় পুৰুষৰ বাহিৰে আন কিছুমান সর্বনামৰ পিছত যোগ হয়। এই প্রত্যয়বোৰে বস্তুৰ আকৃতি-প্রকৃতি, ভাল-বেয়া, তুচ্ছার্থ-মান্যার্থ, পৰিমাণ-সংখ্যা, পুংলিংগ-স্ত্রীলিংগ আদিৰ ধাৰণা নির্দিষ্ট কৰি তোলে। শব্দ বিভক্তি যোগ হ'লে সেইবোৰৰ পাছতহে হয়। এই প্রত্যয়বোৰ ৰূপসাপেক্ষ। অসমীয়া ভাষাত এই প্রত্যয় ব্যৱহাৰৰ ৰীতি অতি ব্যাপক। অন্যান্য মগধীয় ভাষাসমূহতো নির্দিষ্টতাবাচক প্রত্যয়ৰ ব্যৱহাৰ আছে যদিও ইয়াৰ ব্যাপকতাই এই ভাষাত ইয়াক অন্যতম বৈশিষ্ট্য হিচাপে চিনাকি দিয়াইছে।

অসমীয়া ভাষাত তিনিকুৰিতকৈ অধিক নির্দিষ্টতাবাচক প্রত্যয়ৰ প্রয়োগ আছে। সেই প্রত্যয়বোৰৰ ভিতৰত কেতবোৰ হ'ল ঃ -জন, -জনা, -জনী, -খন, -খনি, -গৰাকী, -ডাল, -ডালি, -কণ, -কণি, -গছ, -গছি, -চটা, -চটি, -টা, -টো, -টি, -টাঁৰ, -টাঁৰি, -গোট, -ডোখৰ, -ডুখৰি, -ধাৰ, -ধাৰি, -ফেৰা, -ফেৰি, -পাট আদি। নির্দিষ্টতাবাচক প্রত্যয় কিছুমানৰ প্রয়োগ তলত দেখুওৱা হ'ল—

-জন, -জনা, -জনী ঃ মানুহজন, বৰজনা, মানুহজনী

-খন, -খনি ঃ হাতখন, নৈখনি

-টা, -টো, -টি ঃ এটা, ঘৰটো, মানুহটি

-গৰাকী ঃ মহিলাগৰাকী

-ডোখৰ, -ডুখুৰি ঃ কাঠডোখৰ, মাছডুখুৰি,

-ডাল, -ডালি ঃ বাঁহডাল, খৰিডালি

-কণ, -কণি ঃ ল'ৰাকণ, কেঁচুৱাকণি

-গছ, -গছি ঃ জৰিগছ, চাকিগছি

-চটা, -চটি ঃ কাঠচটা, চিৰিচটি

-টাঁৰ, -টাৰি ঃ বাঢ়নীটাঁৰ, চুলিটাঁৰি

-ধাৰ, -ধাৰি ঃ মালাধাৰ, মণিধাৰি

-ফেৰা, -ফেৰি ঃ লোণফেৰা, বস্তুফেৰি

-পাট ঃ বঠাপাট

-আখি ঃ কলআখি

-কোছা ঃ চাবিকোছা

-খিলা ঃ পাণখিলা

-গাল ঃ ভাতগাল

-চকল ঃ আমচকল

-চপৰা ঃ মাটি চপৰা

-চলু ঃ পানীচলু

-জাক ঃ চৰাইজাক

-জাউৰি ঃ গালিজাউৰি

-জোপা ঃ ফুলজোপা

-থোপা ঃ ফুলথোপা

-লদা ঃ গোবৰলডা

-পাহ ঃ ফুলপাহ

-হাল ঃ গৰুহাল। ইত্যাদি।

অসমীয়া ভাষাৰ এই বৈশিষ্ট্যটো চীন তিব্বতীয় ভাষাৰ পৰা আহিছে। চীন তিব্বতীয় ভাষাৰ বড়ো, ৰাভা, গাৰো, কক্‌বৰক, ডিমাছা, টাই, দেউৰী-চুতীয়া এইবোৰ ভাষাত নির্দিষ্টতাবাচক প্রত্যয়ৰ ব্যৱহাৰ আছে। এই ভাষাবোৰৰ পৰা কেতবোৰ উদাহৰণ দাঙি ধৰা হ'ল—

ৰাভা	ঃ	কায়-<u>বে</u> 'মানুহজন', পান-বে 'গছদান'
গাৰো	ঃ	কিতাপ <u>কিং-ছা</u> 'কিতাপ এখন',
		মান্‌দে-চাক-<u>ছা</u> 'মানুহ এজন
ডিমাছা	ঃ	চেম-খাইছা 'লোণকণ', চিনি-<u>খাইচা</u> 'চেনিকণ'
টাই	ঃ	চাঙ-ছি-ট্যু 'হাতী চাৰিটা', নুক-ট্যু 'চৰাইটো'
দেউৰী-চুতীয়া	ঃ	পেমচু-হাচ্ছা এখিলা পান'; গুঁই-<u>তিচ্চা</u> 'এখন তামোল'

মন কৰিবলগীয়া যে অসমীয়া ভাষাৰ কিছুমান নির্দিষ্টতাবাচক প্রত্যয় বড়ো ভাষাত অসমীয়া ভাষাৰ নিচিনাকৈ ব্যৱহাৰ হয়। যেনে ঃ -মুথা, -আখি, -হালি, -জোৰা ইত্যাদি।

৪। অসমীয়া ভাষাৰ আন এটা অন্যতম স্বকীয় বৈশিষ্ট্য হ'ল— প্রত্যয় নিষ্পন্ন কর্মবাচ্য গঠনৰ ঠাইত বিশ্লেষণাত্মক কর্মবাচ্যৰ গঠন। অসমীয়া কর্মবাচ্য গঠনৰ এই প্রক্রিয়া সুকীয়া ধৰণৰ আৰু এই ক্ষেত্রত ইয়াৰ নিজস্ব বৈশিষ্ট্য আছে।

অসমীয়া ভাষাত দুই ধৰণে কর্মবাচ্য গঠন হয়। ধাতুৰ পিছত '-আ' লগ লগাই। তাৰ পিছত সহায়ক ক্রিয়া 'হয়' বা 'যায়' যোগ কৰি কর্মবাচ্য গঠন কৰা হয়। যেনে—

ৰাতি আকাশত তৰা দেখা যায়।

কিতাপ পঢ়া হয়।

অ-কাৰান্ত বা আ-কাৰান্ত ধাতুত '-আ' যোগ হ'লে 'ৰ' আগম হয়। যেনে—

হাবিত গছ পোৱা যায়।

পাঁচনী ধাতুৰ পৰাও কর্মবাচ্য গঠন কৰিব পাৰি। ধাতুৰ শেষ স্বৰ 'আ' আৰু কর্মবাচ্যৰ প্রত্যয় 'আ' লগ হৈ '-ওৱা' বা '-উৱা' ৰূপ হয়। যেনে—

কৰা+আ = কৰোৱা (হ'ল)

নচা+আ = নচুৱা

দেখ্, শুন্ আদি কেইটামান ধাতুৰ পিছত অসমাপিকাৰ '-ই' বিভক্তি যোগ কৰি অসমীয়া ভাষাত কর্মবাচ্য গঠন কৰা হয়। যেনে—

মানুহজনৰ কথা নুশুনি।

দূৰৰ পৰা পাহাৰ নীলা দেখি।

এনেদৰে প্রত্যয় নিষ্পন্ন নহৈ সহায়ক ক্রিয়াৰ সহায়ত বিশ্লেষণাত্মক ৰীতিৰে অথবা অসমাপিকা ৰূপ '-ই'ৰ সহায়ত সীমিত ধাতুৰ পৰা কর্মবাচ্য গঠনৰ ৰীতি অসমীয়া ভাষাৰ স্বকীয় বৈশিষ্ট্য।

৫। কর্তা কাৰকৰ বিভক্তি '-এ'-ৰ লগত কৰণ কাৰকৰ বিভক্তি '-এ'-ৰ মিশ্রণ অসমীয়া ভাষাৰ অন্যতম সাধাৰণ বৈশিষ্ট্য।

অসমীয়া ভাষাৰ কর্তা আৰু কৰণ উভয়তে '-এ' বিভক্তিৰ প্রয়োগ হয়। কর্তা কাৰকৰ '-এ' বিভক্তিয়ে কর্তাই যি কার্য কৰে বা যি হয় তাৰ ভাৱ প্রকাশ কৰে। যেনে— ৰামে কামটো কৰিলে। কৰণ কাৰকৰ '-এ' বিভক্তিয়ে কর্তাৰ দ্বাৰা কার্য সম্পন্ন কৰাৰ ভাৱ অর্থাৎ কর্মবাচ্যৰ ভাৱ প্রকাশ কৰে। যেনে— হাতে বোৱা কাপোৰ (হাতেৰে বোৱা কাপোৰ)। আ-কাৰন্ত শব্দৰ পিছত '-এ' বিভক্তি লগ লাগিলে '-ই' হয়। যেনে— ল'ৰাই পঢ়ি আছে। ই, ঈ আৰু ঐ-কাৰান্ত শব্দৰ পিছত '-এ' লগ লাগিলে 'য়' আৰু উ, ঊ, ঔ-কাৰান্ত শব্দৰ পিছত লগ লাগিলে 'ৱ'-ৰ আগম হয়। যেনে—

হৰিয়ে ভাত খালে।

ৰাণীয়ে ৰজাক কথাটো জনালে।

মধুৱে কথাটো শুনিলে।

সংস্কৃতৰ কর্তাৰ একবচনৰ বিভক্তি -সু (অঃ) মাগধী প্রাকৃতত '-এ' হৈছিল। অসমীয়া ভাষাত কর্তাৰ '-এ' বিভক্তি ৰক্ষিত হৈছে। সংস্কৃতৰ কৰণ কাৰকৰ বিভক্তি '-এন'-ৰ পৰা পালি-প্রকৃতিৰ মাজেৰে পৰিৱর্তন হৈ অসমীয়াত '-এ' বিভক্তিৰ বিকাশ হৈছে।

সংস্কৃত -এন>প্রা.-এণ>অপ.-এঁ>অস.-ও

৬। অসমীয়া ভাষাত লিংগভেদ বুজাবলৈ লিংগ নিৰপেক্ষ ৰূপৰ আগত পুৰুষ বা স্ত্রী বুজোৱা শব্দ যোগ কৰি লিংগ নিৰূপণ কৰা হয়। অসমীয়া ভাষাত এই বৈশিষ্ট্যটো তিব্বত-বর্মীয় ভাষাৰ পৰা অহা। তিব্বতবর্মীয় ভাষাগোষ্ঠীৰ অন্তর্গত ভাষাবোৰত এই বৈশিষ্ট্যটো দেখা যায়। যেনে—

অসমীয়া	ঃ	মতা মানুহ— মাইকী মানুহ
		মতা ম'হ— মাইকী ম'হ
ৰাভা	ঃ	মাবা গোৰায় (মতা ঘোঁৰা)— মাজু গোৰায় (মাইকী ঘোঁৰা)
বড়ো	ঃ	ফান্থা বুৰমা (মতা ছাগলী) —ফান্থী বুৰমা (মাইকী ছাগলী)

৭। অসমীয়া ভাষাত সমষ্টিবাচক শব্দৰ দ্বাৰা বহুবচনৰ নির্দেশ কৰা হয়। এই বৈশিষ্ট্যটো অসমীয়া ভাষালৈ তিব্বত-বর্মীয় ভাষাৰ পৰা আহিছে। তিব্বত-বর্মীয় ভাষাবোৰত সমষ্টিবোধক সুকীয়া শব্দ প্রয়োগ কৰি বহুবচন নির্দেশ কৰা হয়। তিব্বতবর্মীয় ভাষাৰ দৰে অসমীয়া ভাষাতো -বোৰ, -বিলাক, -হঁত মূল ৰূপৰ পিছত যোগ দিলেও মূল ৰূপৰ পৰিৱর্তন নহয়। গোৱালপৰীয়া আৰু কামৰূপী উপভাষাৰ বহুবচনৰ ৰূপ -গিলাক/-গিলান/-গিলা/-গ্ল আদি অনার্যমূলীয়।

৮। অসমীয়া ভাষাৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য প্রতিধ্বন্যাত্মক শব্দৰ ব্যৱহাৰ। প্রতিধ্বনাত্মক শব্দৰ গঠন আৰু প্রয়োগৰ বিস্তৃতি অসমীয়া ভাষাৰ স্বতন্ত্র বৈশিষ্ট্য। একেটা শব্দকে হুবহু ৰূপত অথবা আংশিক পৰিৱর্তন কৰি দুবাৰকৈ ব্যৱহাৰ কৰাকে অভ্যাস বা পুনৰুক্তি বোলা হয়। এই অভ্যাস পুনৰুক্তিৰ সহায়ত বিভিন্ন শব্দৰ গঠন হয়। অভ্যাসৰ দ্বাৰা গঠিত শব্দবোৰ কেতবোৰ ধ্বন্যাত্মক আৰু কেতবোৰ অধ্বন্যাত্মক। যিবোৰ শব্দ কিবা ধ্বনি শুনি তাৰ বর্ণগত ৰূপ দি তৈয়াৰ কৰা হয় সেইবোৰ ধ্বন্যাত্মক শব্দ আৰু বাকীবোৰ অধ্বন্যাত্মক শব্দ। যেনে—

ধ্বন্যাত্মক শব্দ ঃ টিক্ টিক্, টক্-টক্, জিৰ্-জিৰ্, মচ্-মচ্, খিল-খিলনি, চেটেপ-চেটেপ, কা-কা, ফিৰফিৰীয়া, কিনকিনীয়া, গুণ-গুননি ইত্যাদি।

অধ্বন্যাত্মক শব্দ ঃ কিচ্-কিচ্, চিক্-চিক্, খেচ্--খেচ্, চেক্-চেক্, মল-মল, টলৌ-টলৌ ইত্যাদি।

কেতিয়াবা অর্থযুক্ত প্রথম অংশটোৰ লগত অর্থহীন দ্বিতীয় অংশ লগ লাগি নতুন শব্দৰ সৃষ্টি হয় সেই শব্দবোৰক প্রতিধ্বন্যাত্মক শব্দ বোলে। যেনে— কিতাপ-চিতাপ; আন্ধাৰ-মুন্ধাৰ, মাছ-তাছ, চেনি-তেনি ইত্যাদি।

আন কেতবোৰ প্রতিধ্বন্যাত্মক শব্দ ঃ চা-চিনাকী, জা-জলপান, ঔষধ-পাতি, বিয়া-বাৰু ইত্যাদি।

তিব্বত-বর্মীয় ভাষা গোষ্ঠীৰ বিভিন্ন ভাষাত প্রতিধ্বন্যাত্মক শব্দৰ প্রয়োগ আছে। অসমীয়া ভাষাত প্রতিধ্বন্যাত্মক শব্দৰ ব্যৱহাৰ তিব্বত-বর্মীয় ভাষাৰ প্রভাৱৰ ফল। তলত কেতবোৰ উদাহৰণ দাঙি ধৰা হ'ল—

দেউৰী-চুটীয়া ভাষা ঃ চিঙ-পিঙ (নিমখ-চিমখ)

ঝিবি-পিবি (বাটি-চাটি)

গেপা-চেপা (পাচি-চাচি)

কাৰবি ভাষা ঃ অক-আক (মাছ-তাছ)

ছক-ছাক (ধান-চান)

বড়ো ভাষা ঃ হিনজাৱ-চিনজাৱ (মাইকী-চাইকী)

মকৱ-চকৱ (গৰু-চৰু) ইত্যাদি।

আত্মমূল্যায়ন প্রশ্ন ঃ

ৰূপগত দিশত অসমীয়া ভাষাই স্বকীয়তা লাভ কৰাৰ দিশত কি কি ভাষাৰ প্ৰভাৱ দেখা যায়। (৪০টা শব্দত উত্তৰ দিয়ক)

.....

.....

.....

২.৫ ৰূপগত দিশত অনার্য ভাষাসমূহৰ অন্যান্য প্রভাৱ

ওপৰৰ অনুচ্ছেদত ৰূপগত দিশত অসমীয়া ভাষাৰ সমগোত্রীয় ভাষাসমূহত নথকা স্বকীয়তা সম্পৰ্কে আলোচনা কৰি অহা গৈছে। এই স্বকীয়তাৰ ক্ষেত্রত অনার্যমূলীয় ভাষাসমূহৰ প্রভাৱ দেখা যায়। এইবোৰৰ উপৰিও অসমীয়া ভাষাৰ ৰূপগত দিশত আন কেতবোৰ বৈশিষ্ট্য দেখিবলৈ পোৱা যায় যিবোৰ অনার্যমূলীয় ভাষাৰ প্রভাৱৰ ফল। তলত সেই বৈশিষ্ট্যবোৰ উল্লেখ কৰা হ'ল—

(১) অসমীয়া ভাষাত দ্বিবচন নাই। দ্বিবচনৰ সলনি বহুবচনৰ প্রত্যয় সংযোগৰ দ্বাৰা বচন নিৰূপণ কৰা ৰীতি তিব্বত-বর্মীয় ভাষাৰ পৰা আহিছে।

(২) অসমীয়া ভাষাত ব্যৱহাৰ হোৱা -মা/-মীয়া, -চা/চীয়া আদি প্রত্যয়সমূহ বড়ো ভাষাৰ পৰা অহা। যেনে— পেখম, যুগমীয়া, ৰাংচা, কলচীয়া, ধেপচা ইত্যাদি।

(৩) অসমীয়া ভাষাত ৫মী বিভক্তি নাই। ৬ষ্ঠী বিভক্তিৰ '-ৰ'ৰ পিছত 'পৰা পৰসর্গ যোগ দি অপাদান কাৰকৰ ভাৱ প্রকাশ কৰা হয়। বড়ো, ৰাভা আদি ভাষাত এই বৈশিষ্ট্য দেখা যায়।

(৪) অসমীয়া ভাষাৰ যৌগিক ক্রিয়াৰ প্রভাৱ দেখা যায়। প্রয়োগ আছে। যেনে—

খাম বান্ধ (গোট মাৰ); বৰো ঃ খাম (এঠাইত থিত)

থলামুৰি মাৰ (মূৰত থাপৰ মাৰ);

বৰো ঃ থলামদিৰি (চৰিয়া) ইত্যাদি।

(৫) অসমীয়া ভাষাত স্বাথিক প্রত্যয়ৰ বহুল প্রয়োগ আছে। যেনে—

পালেগৈ, খালেহি, আহিবহি, মানুহেবা, সিবা, যাবচোন ইত্যাদি।

এই বৈশিষ্ট্যটো অসমীয়া ভাষাত বৰো ভাষাৰ পৰা আহিছে।

(৬) বাণীকান্ত কাকতিৰ মতে চেলেক, গম, জিৰা, ৰেপ, আগিচ, গচক, চেকুৰ, বখলিয়া আদি ধাতুসমূহ বৰো ভাষাৰ পৰা অহা।

(৭) অসমীয়া ভাষাত অচেতন পদার্থৰ লিংগভেদ নাই। এই বৈশিষ্ট্যটো তিব্বত-বর্মীয় ভাষাৰ পৰা অহা।

(৮) অসমীয়া ভাষাৰ ক্রিয়াপদত লিংগ আৰু বচনৰ সংগতি নাই। ইয়ো তিব্বত-বর্মীয় ভাষাৰ প্রভাৱ।

আত্মমূল্যায়ন প্রশ্ন ঃ

তিব্বত-বর্মীয় ভাষাসমূহৰ ভিতৰত কোনটো ভাষাৰ প্রভাৱ অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ দিশত অধিক বুলি ভাবিব পাৰি? (৩০টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

২.৬ সাৰাংশ (Summing Up)

অসমীয়া ভাষা সংস্কৃতৰ পৰা অহা মাগধী প্রাকৃতৰ পৰা উদ্ভৱ হৈছে। একে মূলৰ পৰা উৎপত্তি হ'লেও কেতবোৰ ধ্বনিগত, ৰূপগত আৰু শব্দগত বৈশিষ্ট্যই অসমীয়া ভাষাক স্বকীয়তা প্রদান কৰিছে। অনার্যমূলীয় বিশেষকৈ তিব্বত-বর্মীয় ভাষাৰ প্রভাৱত এইকেইটা দিশত এই বৈশিষ্ট্যসমূহে গা কৰি উঠিছে। বিশেষকৈ ৰূপতত্ত্বৰ দিশত নঞৰ্থক ক্রিয়াৰ গঠন, সম্বন্ধবাচক পুৰুষবাচক বিভক্তি প্রয়োগ, সম্বন্ধবাচক শব্দ, লিংগভেদ, প্রত্যয় নিৰূপন্ন কর্ম-বাচ্যৰ ঠাইৰ বিশ্লেষণাত্মক কর্মবাচ্যৰ গঠন, নির্দিষ্টতাবাচক প্রত্যয়ৰ প্রয়োগ আদি অসমীয়া ভাষাৰ উল্লেখযোগ্য স্বকীয় বৈশিষ্ট্য।

২.৭ আৰ্হি প্রশ্ন (Sample Questions)

১। অসমীয়া ভাষাৰ স্বকীয়তা মানে কি? ই কি কি দিশ সামৰি লয়?

২। ৰূপগত দিশত কি কি বিষয়ে অসমীয়া ভাষাক অন্যান্য মগধীয় ভাষাৰ পৰা পৃথক কৰিছে? আলোচনা কৰক।

৩। অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ স্বকীয়তাৰ দিশত কি কি ভাষাৰ প্ৰভাৱ পৰিছে?

৪। ৰূপতত্ত্বৰ দিশত অসমীয়া ভাষাত কোনটো তিব্বত-বর্মীয় ভাষাৰ প্ৰভাৱ আটাইতকৈ বেছি বুলি ভাবিব পাৰি? বিচাৰ কৰক।

২.৮ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

উপেন্দ্রনাথ গোস্বামী ঃ অসমীয়া ভাষাৰ ব্যাকৰণ

(—) ঃ অসমীয়া ভাষাৰ ৰূপ-কথা

(—) ঃ অসমীয়া ভাষাৰ উদ্ভৱ বিকাশ আৰু সমৃদ্ধি

(—) ঃ ভাষা-বিজ্ঞান

বিৰিঞ্চি কুমাৰ বৰুৱা ঃ অসমীয়া ভাষা আৰু সংস্কৃতি

নগেন ঠাকুৰ ঃ পালি-প্ৰাকৃত-অপভ্রংশ ভাষা আৰু সাহিত্য

গোলোক চন্দ্র গোস্বামী ঃ অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ

লীলাৱতী শইকীয়া বৰা ঃ অসমীয়া ভাষাৰ ৰূপতত্ত্ব

ৰমেশ পাঠক ঃ অসমীয়া ভাষাৰ ইতিহাস

Banikonta Kakati ঃ Assamese : Its Formation and Development

***

তৃতীয় বিভাগ

অসমীয়া ভাষাৰ ৰূপতত্ত্ব ঃ প্ৰাকৃতি

বিভাগৰ গঠন ঃ

৩.১ ভূমিকা (Introduction)

৩.২ উদ্দেশ্য (Objectives)

৩.৩ অসমীয়া ভাষাৰ প্ৰকৃতি বিভাজন

- ৩.৩.১ প্ৰকৃতি বা মূল প্ৰাকৃতি
- ৩.৩.২ মূলাভাস প্ৰাকৃতি
- ৩.৩.৩ সৰ্গ

৩.৪ অসমীয়া ভাষাত শব্দ-সাধন-প্ৰক্ৰিয়া

- ৩.৪.১ নাম শব্দৰ সাধন
- ৩.৪.২ ধাতু শব্দৰ সাধন

৩.৫ অসমীয়া ভাষাৰ নিৰ্দিষ্টতাবাচকআৰু অনিৰ্দিষ্টতাবাচক প্ৰত্যয়

৩.৬ অসমীয়া ভাষাৰ সম্বন্ধ বুজোৱা পুৰুষবাচক বৰ্গ

৩.৭ সাৰাংশ (Summing Up)

৩.৮ আৰ্হিপ্ৰশ্ন (Sample Questions)

৩.৯ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

৩.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগটোত অসমীয়া ৰূপতত্ত্বৰ স্বকীয় বৈশিষ্ট্যসমূহৰ বিষয়ে পৰ্যালোচনা কৰি অহা হৈছে। ইয়াৰ পৰৱৰ্তী বিভাগসমূহত অসমীয়া ৰূপতত্ত্বৰ বিভিন্ন দিশৰ বিষয়ে বিস্তৃতভাৱে বিশ্লেষণ কৰা হ'ব। এই বিভাগটিৰ আলোচিত বিষয় হ'ল ৰূপতত্ত্বৰ এটি উল্লেখযোগ্য দিশ প্ৰাকৃতি।

অসমীয়া ভাষাৰ প্ৰাকৃতিসমূহক প্ৰকৃতি বা মূল প্ৰাকৃতি, মূলাভাস প্ৰাকৃতি আৰু সৰ্গত বিভক্ত কৰিব পাৰি। সৰ্গ যোগ কৰি নতুন নতুন শব্দ-সাধন কৰা হয়। তদুপৰি পুনৰুক্তি অথবা সংযুক্ত শব্দৰ গঠনেৰেও অসমীয়া ভাষাত নাম শব্দ বা ধাতু শব্দৰ গঠন কৰা হয়। বচন আৰু লিংগ নিৰ্ণয়ৰ ক্ষেত্ৰত এই ভাষাৰ কিছুমান নিজস্ব প্ৰক্ৰিয়া আছে। নিৰ্দিষ্টতাবাচক, অনিৰ্দিষ্টতাবাচক আৰু সম্বন্ধ বুজোৱা পুৰুষবাচক সৰ্গৰ গঠন আৰু প্ৰয়োগৰ দিশতো উল্লেখযোগ্য বৈশিষ্ট্য পৰিলক্ষিত হয়। এই বিভাগটিত এই সকলোবোৰ দিশ সামৰি লোৱাৰ চেষ্টা কৰা হৈছে।

৩.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়নৰ অন্তত আপোনালোকে—

- অসমীয়া ভাষাৰ প্ৰাকৃতিসমূহ বিভাজন কৰিব পাৰিব;
- অসমীয়া ভাষাৰ শব্দ-সাধন প্ৰক্ৰিয়া সম্পৰ্কে জ্ঞান লাভ কৰিব পাৰিব আৰু সেইবোৰ ব্যাখ্যা কৰিব পাৰিব;
- অসমীয়া ভাষাৰ নিৰ্দিষ্টতাবাচক, অনিৰ্দিষ্টতাবাচক আৰু সম্বন্ধ বুজোৱা পুৰুষবাচক সৰ্গসমূহৰ গঠন আৰু প্ৰয়োগ বিশ্লেষণ কৰিব পাৰিব ।

৩.৩ অসমীয়া ভাষাৰ প্ৰাকৃতি বিভাজন

অসমীয়া ভাষাত মুক্ত আৰু বদ্ধ বা যুক্ত— এই দুয়ো প্ৰকাৰৰ প্ৰাকৃতি পোৱা যায়। উদাহৰণস্বৰূপে— মানুহ, গৰু, বাঘ, হৰিণ, ঘৰ, দুৱাৰ, গছ, বিৰিখ, খা, যা আদি মুক্ত প্ৰাকৃতি। এইবোৰ বাক্যত স্বাধীনভাৱে ব্যৱহাৰ হ'ব পাৰে। আনহাতে, -অনি, -উৱা, -এ, -জন, -বোৰ আদি বাক্যত নিজস্ব বা স্বাধীনভাৱে প্ৰয়োগ হ'ব নোৱাৰে। এইবোৰ অন্য প্ৰাকৃতিৰ লগত লগ লাগিহে বাক্যত ব্যৱহাৰ হ'ব পাৰে। যেনে— ফুল + অনি = ফুলনি; যা + ওৱা = যোৱা, সিহঁত + এ = সিহঁতে, মানুহ + জন = মানুহজন, গৰু + বোৰ = গৰুবোৰ। এইবোৰ হ'ল বদ্ধ বা যুক্ত প্ৰাকৃতি। অসমীয়া ভাষাৰ প্ৰাকৃতিবোৰক দুটা ভাগত ভাগ কৰিব পাৰি—

(ক) প্ৰকৃতি বা মূল প্ৰাকৃতি আৰু (খ) সৰ্গ।

কিছুমান পণ্ডিতে এই দুটা বিভাগৰ উপৰি মূলাভাস প্ৰাকৃতি নামৰ আন এটা বিভাগো আলোচনা কৰিছে।

৩.৩.১ প্ৰকৃতি বা মূল-প্ৰাকৃতি (Root Morpheme)

যিবোৰ ৰূপ বা প্ৰাকৃতিক কেন্দ্ৰ কৰি তাৰ আগত বা পিছত অন্যান্য প্ৰাকৃতি লগ লাগে আৰু ভিন ভিন অৰ্থবাচক ৰূপৰ সৃষ্টি কৰে, তেনে প্ৰাকৃতিবোৰক প্ৰকৃতি বা মূল প্ৰাকৃতি বোলা হয়। এই প্ৰকৃতিবোৰ ভাষা এটাৰ শব্দ বা পদৰ আধাৰ। উদাহৰণস্বৰূপে— 'নপঢ়িলোঁহেঁতেন' পদটোত 'ন-পঢ়-ইল্-ওঁ-হেঁতেন' এই পাঁচোটা ৰূপ সংযুক্ত হৈ আছে। ইয়াত 'পঢ়' ৰূপটোক কেন্দ্ৰ কৰি আগত বা পিছত অন্যান্য ৰূপবোৰ লগ লাগি 'নপঢ়িলোহেঁতেন' পদটো গঠন কৰিছে। 'পঢ়' ৰূপটোক বাদ দিলে বাকীবোৰৰ প্ৰয়োগ অৰ্থহীন হৈ পৰিব। 'পঢ়' ৰূপটোৱে হ'ল প্ৰকৃতি বা মূল-প্ৰাকৃতি। তেনেদৰে 'মানুহবোৰ' (মানুহ + বোৰ), 'অসমীয়া' (অসম +ঈয়া), 'অবাট' (অ + বাট), 'ফুলনি' (ফুল + অনি), 'নাখাওঁ' (ন +খা + ওঁ) আদি পদবোৰৰ ক্ৰমে 'মানুহ', 'অসম', 'বাট', 'খা' আদি ৰূপবোৰ প্ৰকৃতি বা মূল-প্ৰাকৃতি।

প্ৰকৃতিৰ শ্ৰেণী বিভাজন ঃ

ৰূপগত বৈশিষ্ট্য অনুসৰি অসমীয়া প্ৰকৃতি বা মূল প্ৰাকৃতিবোৰক চাৰিটা ভাগত ভাগ কৰিব পাৰি—

১। নাম প্ৰকৃতি বা প্ৰাতিপদিক (Nomial বা Substaintive root morpheme)

২। ধাতু প্ৰকৃতি (Verbal root morpheme)

৩। অব্যয় প্ৰকৃতি (Absolute বা Indeclinable root morpheme)

৪। নাম-ধাতু প্ৰকৃতি (Nominal-Verbal root morpheme)

১। নাম প্ৰকৃতি বা প্ৰাতিপদিক ঃ যিবোৰ প্ৰকৃতিৰ পৰা নামপদ বা নাম শব্দৰ সৃষ্টি হয়, সেইবোৰ হ'ল নাম প্ৰকৃতি বা প্ৰাতিপদিক। অসমীয়া ভাষাত এইবোৰ সাধাৰণতে মুক্ত ৰূপ। যেনে— মানুহ, গৰু, পশু, পক্ষী, ৰাম, হৰি, ভাল, বেয়া, যা, বল, এক, দুই ইত্যাদি।

২। ধাতু প্ৰকৃতি ঃ ধাতু শব্দ, ক্ৰিয়াপদ আৰু কৃদন্ত ৰূপৰ সৃষ্টি কৰা প্ৰকৃতিসমূহে হ'ল ধাতু প্ৰকৃতি। সংস্কৃত ভাষাত ধাতু প্ৰকৃতিবোৰ মুক্ত ৰূপ হোৱাৰ দৰে অসমীয়া ভাষাতেই মুক্ত ৰূপ। যেনে- খা, যা, ধৰ্, কৰ্, পঢ় ইত্যাদি।

৩। অব্যয় প্ৰকৃতি ঃ যিবোৰ প্ৰকৃতিৰ পৰা অব্যয়বোৰ পাব পাৰি সেইবোৰে হ'ল অব্যয় প্ৰকৃতি। অসমীয়া ভাষাত অব্যয়বোৰ মুক্ত ৰূপ। যেনে— আৰু, অথবা, বা, অথচ, যদি, বাৰু ইত্যাদি।

৪। নাম-ধাতু প্ৰকৃতি ঃ অসমীয়া ভাষাত এনে কেতবোৰ প্ৰাকৃতি আছে, যিবোৰ প্ৰকৃতিৰ পৰা নামপদ আৰু ধাতুপদ-দুয়োবিধ প্ৰকৃতিয়ে পাব পাৰি। তেনেবোৰ প্ৰকৃতিকে নাম-ধাতু প্ৰকৃতি বোলা হয়। যেনে- মাত, চিন, মান ইত্যাদি। ইহঁতৰ পৰা 'মাত', 'চিন', 'মান' আদি নাম শব্দ আৰু মাতিছোঁ, চিনিছোঁ, মানিছোঁ আদি ধাতু শব্দ পাব পাৰি। অসমীয়া ভাষাত ইয়াৰ সংখ্যা অতি সীমিত।

ড° গোলোক চন্দ্ৰ গোস্বামীয়ে পোন প্ৰথমে এই নাম-ধাতু প্ৰকৃতি নাম দি এই প্ৰকৃতিবোৰক পৃথককৈ আলোচনা কৰে। বহুতে এই ধৰণৰ প্ৰকৃতিবোৰক নাম প্ৰকৃতি অথবা ধাতু প্ৰকৃতিৰ ভিতৰুৱাকৈ আলোচনা কৰে।

অসমীয়া প্ৰাকৃতিবোৰৰ বিভাজনক তলত দিয়া ধৰণে ৰেখাচিত্ৰৰ সহায়ত দেখুৱাব পাৰি—



৩.৩.২ সৰ্গ (Affix)

অসমীয়া ভাষাত বদ্ধ বা যুক্ত ৰূপবোৰকে সাধাৰণভাৱে সৰ্গ বা প্ৰত্যয় বুলি কোৱা হয়। ইহঁতে মূল ৰূপৰ সহায় নোহোৱাকৈ অকলে বাক্যত ব্যৱহাৰ হৈ অৰ্থ প্ৰকাশ কৰিব নোৱাৰে। মূলৰূপ (শব্দ বা ধাতু)ৰ আগত বা পিছত যোগ হৈহে ইহঁতে বাক্যত ব্যৱহাৰ হৈ অৰ্থ প্ৰকাশ কৰে।

প্ৰয়োগৰ প্ৰকৃতি অনুসৰি অসমীয়া সৰ্গবোৰক দুই ধৰণে বিভাজন কৰিব পাৰি— অৱস্থান অনুসৰি (Positional affix) আৰু গুণ বা কাৰ্য অনুসৰি (Functional affix)। অৱস্থান অনুসৰি ইয়াক দুটা ভাগত ভগাব পাৰি— উপসৰ্গ আৰু পৰসৰ্গ। গুণ বা কাৰ্য অনুসৰি ইহঁতক আকৌ দুটা ভাগত ভাগ কৰিব পাৰি— প্ৰত্যয় আৰু বিভক্তি। 'প্ৰত্যয়'ক শব্দসাধন মূলক বা বুৎপত্তিমূলক সৰ্গ বুলিও কোৱা হয়।

১। অৱস্থান অনুসৰি সৰ্গৰ বিভাজন ঃ

অৱস্থান অনুসৰি সৰ্গবোৰক তিনিটা ভাগত ভগাব পাৰি— উপসৰ্গ, মধ্যসৰ্গ আৰু পৰসৰ্গ। অসমীয়া ভাষাত মধ্যসৰ্গ পাবলৈ নাই।

ক) উপসৰ্গ বা পূৰ্বসৰ্গ (Prefix) ঃ

যিবোৰ সৰ্গ মূলৰূপ বা প্ৰকৃতিৰ আগত ব্যৱহাৰ হয় সেইবোৰক উপসৰ্গ বা পূৰ্বসৰ্গ বোলা হয়। সংস্কৃতত প্ৰ, পৰা, অপ, সম, নি, অনু, নিৰ, দূৰ, প্ৰতি অভি, সু, অধি, উৎ, অতি, পৰি, অপি, উপ, অব, বি আ -এই কুৰিটা উপসৰ্গ আছে। অসমীয়া ভাষাৰ তৎসম শব্দবোৰত এই আটাইকেইটা উপসৰ্গৰ প্ৰয়োগ হয়। যেনে— প্ৰহাৰ, পৰাজয়, অপমান, উপবন, সংযোগ, অনুভৱ ইত্যাদি। সংস্কৃতৰ পৰা প্ৰত্যক্ষভাৱে অথবা কিছু পৰিবৰ্তন হৈ অহা কেতবোৰ উপসৰ্গৰ প্ৰয়োগ অসমীয়াত আছে। ইহঁতে কিছু ভিন্ন অৰ্থ প্ৰয়োগ কৰে। যেনে—

আও- আওবাট, আওহেলা, আওমৰণ
অনা- অনাগত, অনাতাঁৰ
অ- অসময়, অবাট, অকাজ
নি- নিমাত, নিদান ইত্যাদি।

অসমীয়া ভাষাত এই শ্ৰেণীৰ উপসৰ্গ অতি তাকৰ।

অসমীয়া ভাষাত ক্ৰিয়াৰ নঞৰ্থক গঠন কৰা 'ন'টো উপসৰ্গ হিচাপে প্ৰয়োগ হয়। ইয়াৰ প্ৰয়োগৰ ক্ষেত্ৰত ধাতুৰ প্ৰথম স্বৰ অনুসৰি 'ন'ৰ লগত সংযুক্ত হৈ থকা অ স্বৰৰ পৰিবৰ্ত্তন হয়। যেনে—

ন- কয় = নকয়
ন- খায় = নাখায়
ন- উঠে = নুঠে
ন- গ'ল = ন'গল ইত্যাদি।

এইবোৰৰ উপৰি অসমীয়া ভাষাত দৰ, ব, বদ, বে, গৰ, হৰ, কাৰ, বৰ আদি আৰবী, ফাৰ্চী ভাষাৰ পৰা অহা উপসর্গৰ প্রয়োগ আছে। যেনে—

দৰকাৰ, বনাম, বদনাম, বেনামী, গৰমিল, হৰদম, কাৰবাৰ, বৰবাদ ইত্যাদি।

(খ) অনুসর্গ বা পৰসর্গ (Suffix) ঃ

যিবোৰ সর্গ মূলৰূপ বা প্রকৃতিৰ পাছত বহি অর্থবাচক ৰূপৰ সৃষ্টি কৰে, সেইবোৰ সর্গকে অনুসর্গ বা পৰসর্গ বোলে। যেনে— -অনি (ফুলনি), -অক (লিখক), -অনী (নাচনী), -অনীয়া (মগনীয়া), —আৱ (লেখাৱ), -অতি (আগলতি), —ৰা (জপৰা), -আলি (বেজালি), -এ (মানুহে), -বোৰ (গৰুবোৰ), -এক (বাপেক), -ঈ (বগী) ইত্যাদি।

মূলৰূপৰ পাছত একেলেথাৰিয়ে ইটোৰ পাছত সিটোকৈ কেবাটাও অনুসর্গ ব্যৱহাৰ হ'ব পাৰে। যেনে- খেতিয়কসকলৰ (খেতি্ = ই + অক + সকল + অৰ), ইয়াত মূল ৰূপ "খেত্'। ইয়াৰ পাছত লগ লগা ই, অক্, সকল, অৰ এই চাৰিটা অনুসর্গ।

২। গুণ বা কার্য অনুসৰি অসমীয়া সর্গৰ বিভাজন ঃ

গুণ বা কার্য অনুসৰি অসমীয়া ভাষাৰ সর্গবোৰক দুটা ভাগত বিভক্ত কৰিব পাৰি— (ক) প্রত্যয় আৱ (খ) বিভক্তি।

(ক) প্রত্যয় (Affix) ঃ

যিবোৰ সর্গই মূলৰূপ বা প্রকৃতিৰ লগ লাগি নতুন অর্থবাচক ভিন্ন শব্দৰ সাধন কৰে সেইবোৰক প্রত্যয় বোলা হয়। ইহঁতে ভিন্ন অর্থবাচক শব্দ সাধন কৰে বাবে শব্দসাধনমূলক বা ব্যুৎপত্তিমূলক (derivatives) প্রত্যয় বোলে। অসমীয়া ভাষাত প্রত্যয় দুবিধ- কৃৎ প্রত্যয় আৱ তদ্ধিত প্রত্যয়।

কৃৎ প্রত্যয় ঃ যিবোৰ প্রত্যয় ধাতু প্রকৃতিৰ লগত যোগ হৈ শব্দৰ সাধন কৰে, তেনেবোৰ প্রত্যয়ক কৃৎ প্রত্যয় বোলা হয়। যেনে—

-অক ঃ লিখ্ + অক = লিখক
-অন ঃ খা + অন = খাৱন
-অনা ঃ বাজ্ + অনা = বাজনা
-অনি ঃ নাচ্ + অনি = নাচনি
-অনী ঃ বিচ্ + অনী = বিচনী
-অনীয়া ঃ মাগ্ + অনীয়া = মগনীয়া
-আৱ ঃ শিক্ + আৱ = শিকাৱ
-উৱা ঃ কান্দ্ + উৱা = কান্দুৱা ইত্যাদি।

সংস্কৃতৰ পৰা অহা কেতবোৰ কৃৎ প্রত্যয়ো অসমীয়াত ব্যৱহাৰ হয়। যেনে—

-অন ঃ নন্দি + অন্ = নন্দন
-ণক্ ঃ দা + ণক্ = দায়ক
-ইন ঃ পৰি + শ্রম + ইন্ = পৰিশ্রমী ইত্যাদি।

তদ্ধিত প্রত্যয় ঃ নাম প্রকৃতি বা প্রাতিপাদিক অথবা ধাতু প্রকৃতিৰ পৰা সাধিত নামবাচক ৰূপৰ লগত যোগ হৈ নতুন শব্দৰ সৃষ্টি কৰা প্রত্যয়বোৰক তদ্ধিত প্রত্যয় বোলা হয়। যেনে—

-অক	ঃ	খেতি + অক = খেতিয়ক
-অতি	ঃ	বাপ + অতি = বাপতি
-অনি	ঃ	বন + অনি = বননি
-অৰি/অৰী	ঃ	লগ + অৰী = লগৰী
		লহ + অৰি = লাহৰি
-অৰীয়া	ঃ	নাও + অৰীয়া = নাৱৰীয়া
-আল	ঃ	খং + আল = খঙাল
-ইয়াল	ঃ	মৰম + ইয়াল = মৰমিয়াল
-ঈ	ঃ	ধন + ঈ = ধনী
-উৱা	ঃ	সাৰ + উৱা = সাৰুৱা ইত্যাদি।

সংস্কৃতৰ তদ্ধিত প্রত্যয় কিছুমানৰো অসমীয়া ভাষাত প্রয়োগ আছে। যেনে—

-ষ্ণ	ঃ	মনু + ষ্ণ = মানৱ
		শিশু + ষ্ণ = শৈশৱ
-ষ্ণি	ঃ	দশৰথ + ষ্ণি = দাশৰথি
-ষ্ণেয়	ঃ	সুমি + ষ্ণেয় = সৌমিত্রেয় ইত্যাদি

অসমীয়া ভাষাৰ লিংগবাচক (পুংলিংগ আৰু স্ত্রীলিংগ), বচনাত্মক (একবচন আৰু বহুবচন) আৰু নির্দিষ্টতাবাচক প্রত্যয়বোৰ তদ্ধিত প্রত্যয়। এইবোৰৰ বিষয়ে পৰৱর্তী সময়ত বিস্তৃতভাৱে আলোচনা কৰা হ'ব।

স্বার্থিক প্রত্যয় ঃ মূল অর্থ বা কার্যত জোৰ বুজাবলৈ অসমীয়া ভাষাৰ ক্রিয়া ৰূপৰ পিছত কিছুমান প্রত্যয় যোগকৰা হয়। এইবোৰকে স্বার্থিক প্রত্যয় বা ক্রিয়াবাচক পৰসর্গ বোলে। এই প্রত্যয়বোৰ যোগ হোৱাৰ ফলত কার্যৰ পূর্ণ সমাপ্তি, নিশ্চয়তা, সম্ভাৱনা আৰু কেতিয়াবা সন্দেহ প্রকাশ পায়। কেতবোৰ স্বার্থিক প্রত্যয়ৰ উদাহৰণ তলত দাঙি ধৰা হ'ল—

-গৈ	ঃ	থাকিলগৈ, কৰিলেগৈ
-চোন	ঃ	কৰিলাচোন, গ'লাচোন
-দে, -দেই	ঃ	আহিবাদে, খাবাদেই
-দেখো, -দেখোন	ঃ	গ'লদেখো, ক'লোদেখোন
-হি	ঃ	আহিপালেহি
-চাগৈ	ঃ	আহিলচাগৈ ইত্যাদি।

বিভক্তি (Inflective) ঃ বিভক্তিবোৰক ৰূপাত্মক (Declensional) সৰ্গ বুলিও কোৱা হয়। যিবোৰ সৰ্গই নাম প্ৰকৃতি বা ধাতু প্ৰকৃতিৰ লগত লাগ লাগি বাক্যত ব্যৱহৃত সব্যয় পদ ৰচনা কৰে, তাকে বিভক্তি বা ৰূপাত্মক সৰ্গ বোলা হয়। এইবোৰে প্ৰকৃতিৰ ৰূপৰ পৰিবৰ্ত্তন ঘটায় আৰু কাৰকাদিৰ বোধ জন্মায়। বিভক্তি দুবিধ - শব্দ বিভক্তি আৰু ক্ৰিয়া বিভক্তি।

শব্দ বিভক্তি ঃ শব্দৰ লগত লগহৈ কাৰকৰ ধাৰণা দিয়া বিভক্তিবোৰক শব্দ বিভক্তি বোলা হয়। অসমীয়া ভাষাত শব্দ বিভক্তি ছটা। এই বিভক্তি আৰু এইবোৰৰ চিহ্নসমূহ তলৰ তালিকাত দিয়া ধৰণৰ—

বিভক্তি	বিভক্তিৰ চিন	
	স্বৰান্ত শব্দত	ব্যঞ্জনান্ত শব্দত
প্ৰথমা	-এ, ই	-এ
দ্বিতীয়	- ক	-অক
তৃতীয়া	-ৰে	-এৰে
চতুৰ্থী	-লৈ	-অলৈ
ষষ্ঠী	- ৰ	-অৰ
সপ্তমী	-ত	-অত

অসমীয়া ভাষাত পঞ্চমী বিভক্তিৰ চিন নাই। ষষ্ঠী বিভক্তিৰ চিন 'ৰ'-ৰ পিছত 'পৰা' পৰসৰ্গ লগ লগাই অপদান কাৰকৰ ভাৰ বুজোৱা হয়। স্বৰান্ত আৰু ব্যঞ্জনান্ত শব্দত শব্দ বিভক্তি লগ লগাৰ উদাহৰণ তলৰ তালিকাখনত দেখুওৱা হ'ল—

বিভক্তি	**স্বৰান্ত শব্দ**	**ব্যঞ্জনান্ত শব্দ**
প্ৰথমা	সীতাই (সীতা + ই)	ৰামে্ (ৰাম্ +এ)
দ্বিতীয়া	সীতাক (সীতা + ক)	ৰামক (ৰাম্ +অক)
তৃতীয়া	সীতাৰে (সীতা + ৰে)	ৰামেৰে (ৰাম্ +এৰে)
চতুৰ্থী	সীতালৈ (সীতা + লৈ)	ৰামলৈ (ৰাম্ +অলৈ)
ষষ্ঠী	সীতাৰ (সীতা + ৰ)	ৰামৰ (ৰাম্ +অৰ)
সপ্তমী	সীতাত (সীতা + ত)	ৰামত (ৰামঞ্জ +অত)

বহুবচনৰ ক্ষেত্ৰত শব্দৰ পিছত বহুবচনাত্মক প্ৰত্যয় যোগ হোৱাৰ পিছত বহুবচনৰ প্ৰত্যয়ৰ লগত শব্দবিভক্তি পৰসৰ্গৰ লেখীয়াকৈ যোগ হয়। যেনে—

ৰাম +হঁত + এ = ৰামহঁতে, সীতা +হঁত +ৰ = সীতাহঁতৰ

ক্ৰিয়া বিভক্তি ঃ যিবোৰ বিভক্তি ধাতুৰ পিছত লগ লাগি বিভিন্ন কালৰ নিৰ্দেশ কৰে, তাকে ক্ৰিয়া বিভক্তি বোলা হয়। ক্ৰিয়া বিভক্তিবোৰ ধ্বনি সাপেক্ষ অৰ্থাৎ ধাতুৰ শেষত থকা স্বৰ বা ব্যঞ্জন ধ্বনি সাপেক্ষে এইবোৰৰ পৰিৱৰ্তন হয়। যেনে— দি +এ = দিয়ে, খা +এ = খায়। তদুপৰি পুৰুষ অনুসৰিও এইবোৰৰ চিনবোৰ বেলেগ বেলেগ হয়।

যেনে— মই যাওঁ, তুমি যোৱা, সি যায়। তদুপৰি দ্বিতীয় পুৰুষত তুচ্ছার্থ আৰু মান্যার্থৰ বিভক্তি বেলেগ বেলেগ হয়।

অসমীয়া ভাষাত ক্রিয়াৰ কাল পাঁচোটা— বর্তমান, পূর্ণ বর্তমান, ভূত, স্বৰূপভূত আৰু ভবিষ্যত। পুৰুষ আৰু কাল অনুসৰি অসমীয়া ভাষাত ক্রিয়া বিভক্তিবোৰ তলত উল্লেখ কৰা হ'ল—

কাল	প্রথম পুৰুষ	দ্বিতীয় পুৰুষ		তৃতীয় পুৰুষ
		তুচ্ছার্থ	মান্যার্থ	
বর্তমান	ওঁ	-অ	-আ	-এ
পূর্ণ বর্তমান	-ইছোঁ	-ইছ	-ইছা	-ইছে
ভূত	-ইছিলোঁ	-ইছিলি	-ইছিলা	-ইছিল
স্বৰূপভূত	-ইলোঁ	-ইলি	-ইলা	-ইলে
ভৱিষ্যত	-ইম	-ইবি	-ইবা	-ইব

ক্রিয়া বিভক্তিবোৰ যোগ হ'লে সাধাৰণতে অসমীয়া সন্ধিৰ নিয়ম অনুসৰি সন্ধি হয়। কেতবোৰ ক্ষেত্রত অৱশ্যে এই নিয়মৰ ব্যতিক্রম ঘটে। বর্তমান কালত 'অ'কাৰন্ত আৰু 'আ'-কাৰান্ত ধাতুত দ্বিতীয় পুৰুষৰ তুচ্ছার্থৰ 'অ' যোগ হ'লে 'অ' বা 'আ' 'ও' হয় আৰু 'ৱ' আগম হয়। যেনে— ক্ + আ = কোৱা, যা + আ = যোৱা। তৃতীয় পুৰুষৰ 'এ' স্বৰান্ত ধাতুত 'য়' হয়। যেনে— যা +এ = যায়। অ-কাৰান্ত আৰু ও-কাৰান্ত ধাতুবোৰ ক্রমে অ'-কাৰান্ত আৰু উ-কাৰান্ত হয়। যেনে- ক +ইলোঁ = ক'লোঁ, ৰো + ইম = ৰুম। ভূত আৰু ভৱিষ্যত কালৰ ইলো, ইলা, ইলে, ইম, ইবা, ইব আদি স্বৰান্ত ধাতুত লগ লাগিলে 'ই' লোপ পায়। যেনে— খা +ইলোঁ = খালো, খা + ইব = খাব ইত্যাদি।

অসমীয়া ক্রিয়া বিভক্তিৰ পুৰুষ আৰু কাল অনুসৰি প্রয়োগৰ উদাহৰণ তলৰ তালিকাত সন্নিবিষ্ট কৰা হ'ল—

আকাৰান্ত ধাতু 'খা'

কাল	প্রথম পুৰুষ	দ্বিতীয় পুৰুষ		তৃতীয় পুৰুষ
		মান্য	তুচ্ছ	
বর্তমান	মই খাওঁ	তুমি খোৱা	তই খা	সি খায়
পূর্ণ বর্তমান	মই খাইছোঁ	তুমি খাইছা	তই খাইছ	সি খাইছে
ভূত	মই খালোঁ	তুমি খালা	তই খালি	সি খালে
পূর্ণভূত	মই খাইছোঁ	তুমি খাইছা	তই খাইছ	সি খাইছে
ভবিষ্যত	মই খাম	তুমি খাবা	তই খাবি	সি খাব

অসমীয়া ভাষাৰ সৰ্গবোৰৰ বিভাজন তলত দিয়া ধৰণে ৰেখা চিত্ৰৰ সহায়ত দেখুৱাব পাৰি—



৩.৩.৩ মূলভাস প্ৰাকৃতি (Sub-root morpheme)

অসমীয়া ভাষাত এক প্ৰকাৰ প্ৰাকৃতি আছে, যি প্ৰকৃতাৰ্থত প্ৰকৃতিও নহয় অথবা সৰ্গও নহয়। প্ৰকৃতি আৰু সৰ্গৰ মাজতে এই প্ৰাকৃতিয়ে অৱস্থান কৰে। এইবিধ প্ৰাকৃতিকে ড° গোলোক চন্দ্ৰ গোস্বামীয়ে মূলাভাস প্ৰাকৃতি নামকৰণ কৰি আলোচনা কৰিছে। ইয়াক উপ-প্ৰকৃতিও বুলিব পাৰি। এই প্ৰাকৃতিবোৰে প্ৰয়োগ সাপেক্ষে কেতিয়াবা প্ৰকৃতি আৰু কেতিয়াবা সৰ্গৰ ধৰ্ম আচৰণ কৰে।

এই শ্ৰেণীৰ প্ৰকৃতিৰ সংখ্যা অতি তাকৰ । অসমীয়া ভাষাৰ একবচনাত্মক প্ৰত্যয়, যেনে— জন, খন, ডাল, গৰাকী, নিৰ্দিষ্টতাবাচক প্ৰত্যয় আৰু বহুবচনাত্মক প্ৰত্যয়সমূহ এই শ্ৰেণীৰ অন্তৰ্গত।

আত্মমূল্যায়ন প্ৰশ্ন

১) কি ভিত্তিত অসমীয়া সৰ্গসমূহ বিভাজন কৰিব পাৰি? (৩০ টামান শব্দৰ ভিতৰত উত্তৰ লিখিব)।

.....

.....

.....

.....

২) ক্ৰিয়া বিভক্তি যোগ হ'লে সন্ধিৰ নিয়ম মতে সমীভৱন হয়নে ? (২০ টামান শব্দৰ ভিতৰত উত্তৰ লিখিব)।

.....

.....

.....

.....

৩.৪ অসমীয়া ভাষাৰ শব্দ-সাধন প্ৰক্ৰিয়া

শব্দ-সাধন মানে হ'ল নতুন শব্দৰ গঠন কাৰ্য। যি প্ৰক্ৰিয়াৰ দ্বাৰা নতুন শব্দ বা ৰূপৰ সাধন কৰা হয়, তাকে শব্দ-সাধন প্ৰক্ৰিয়া বুলি কোৱা হয়। অসমীয়া শব্দবোৰক দুটা বহল ভাগত ভগাব পাৰি— নাম শব্দ আৰু ধাতু শব্দ। এই দুয়ো প্ৰকাৰৰ শব্দক তিনিটা প্ৰক্ৰিয়াৰে সাধন হয়—

ক) সৰ্গ যোগ কৰি

খ) অভ্যাস বা পুনৰুক্তিৰ দ্বাৰা

গ) একাধিক ভিন্ন অৰ্থবাচক শব্দ লগ লাগি অথবা সংযুক্ত শব্দ গঠনেৰে।

৩ .৪.১ নাম শব্দৰ গঠন

নাম শব্দ অথবা ধাতু শব্দৰ পৰা বিভিন্ন প্ৰক্ৰিয়াৰ সহায়েৰে নাম শব্দৰ গঠন কৰা হয়। নাম শব্দ গঠনৰ প্ৰক্ৰিয়াসমূহ তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি—

১। সৰ্গ যোগ কৰি ঃ মূল শব্দৰূপৰ লগত উপসৰ্গ বা পৰসৰ্গ যোগ কৰি নাম শব্দ গঠন কৰা হয়। যেনে—

উপসৰ্গ ঃ	অ	ঃ	অসময়, অবুজ, অহিত
	অন	ঃ	অনুচিত, অনিচ্ছা
	অনা	ঃ	অনাহক, অনাকটা, অনাবৃষ্টি
	আও	ঃ	আওবাট, আওপাক, আওমৰণ
	কু	ঃ	কুকৰ্ম, কুদিন, কুৰূপা
	বি	ঃ	বিপাক, বিধৰ্মী, বিদেশী
	বে	ঃ	বেসিক, বেআইনি
	সু	ঃ	সুকবি, সুখবৰ, সুদিন ইত্যাদি।

পৰসৰ্গ ঃ ধাতুৰ পিছত কৃৎ প্ৰত্যয় আৰু নাম শব্দ অথবা প্ৰাতিপাদিকৰ পিছত তদ্ধিত প্ৰত্যয় লগলাগি গঠন কৰে। যেনে—

কৃৎ প্ৰত্যয় ঃ	-অক	ঃ	গণ + অক = গণক
	-অন	ঃ	খা + অন = খাঅন
	-অনা	ঃ	খুন্দ + অনা = খুন্দনা
	-অনি	ঃ	গচক্ + অনি = গচকনি
	-অৰীয়া	ঃ	পলা + অৰীয়া = পলৰীয়া
	-উৱা	ঃ	কান্দ + উৱা = কান্দুৱা ইত্যাদি ।
তদ্ধিত প্ৰত্যয় ঃ	-অক	ঃ	খেতি + অক = খেতিয়ক
	-অনি	ঃ	ফুল + অনি = ফুলনি
	-অতি	ঃ	বাপ + অতি = বাপতি

-অৰি ঃ ভাল + অৰি = ভালৰি
-অৰীয়া ঃ নাও +অৰীয়া = নাওৰীয়া
-আক ঃ জোন +আক = জোনাক
-আমি ঃ ঠগ +আমি = ঠগামি
-আলি ঃ ল'ৰা +আলি = ল'ৰালি
-ইয়া ঃ নাল +ইয়া = নলীয়া
-উলা ঃ পেট +উলা = পেটুলা ইত্যাদি।

২। অভ্যাস বা পুনৰুক্তিৰ দ্বাৰা নাম শব্দৰ গঠন ঃ একেটা শব্দকে হুবহু একে ৰূপত অথবা আংশিক পৰিবৰ্ত্তন কৰি দুবাৰকৈ ব্যৱহাৰ কৰাকে **অভ্যাস** বা **পুনৰুক্তি** বোলা হয়। এই অভ্যাস বা পুনৰুক্তিৰ সহায়তো নাম শব্দৰ গঠন কৰিব পাৰি। এনেদৰে গঠন হোৱা শব্দবোৰক ধ্বন্যাত্মক শব্দ বোলে। ধ্বন্যাত্মক শব্দবোৰ সচৰাচৰ দুটা অংশেৰে গঠিত হয়। দ্বিতীয় অংশটো প্রথম অংশৰ পুনৰুক্তি। সাধাৰণতে প্রথম অংশৰ হুবহু পুনৰুক্তিৰে ধ্বনাত্মক শব্দ গঠিত হয়। যেনে—

জ্বৰ-জ্বৰ, তিতা-তিতা, কোন-কোন, জিৰ-জিৰ, কল্-কল্, শুনি-শুনি,
চাওতে-চাওতে, হ-হ, মচ্-মচ্, টিক্-টিক্ ইত্যাদি।

কেতিয়াবা দ্বিতীয় অংশৰ প্রথম ধ্বনিটো পৰিবর্তনহৈ পুনৰুক্তি হয়। ইয়াৰ ফলতো নতুন শব্দৰ সৃষ্টি হয়। যেনে—

কক্-বক্, টল্-মল্, চত্-বত্, খক্-মক্, দগ্-মগ্,
আমন-জিমন, থুনুক-থানাক, নদন-বদন ইত্যাদি।

কেতবোৰ শব্দৰ কেতিয়াবা পুনৰুক্ত শব্দত আদ্য বর্ণ লোপ পায়। যেনে—

খদম্-দম্, টিঘিল-ঘিল ইত্যাদি।

কেতিয়াবা অর্থযুক্ত প্রথম অংশটোৰ লগত অর্থহীন দ্বিতীয় অংশ লাগি নতুন শব্দৰ সৃষ্টি কৰে। এই শব্দবোৰক প্রতিধন্যাত্মক শব্দ বোলে। যেনে—

কিতাপ-চিতাপ, আন্ধাৰ-মুন্ধাৰ, বৰ-চৰ, মাছ-চাচ, চেনি-তেনি ইত্যাদি

আন কেতবোৰ প্রতিধন্যাত্মক শব্দ হ'ল-

চা-চিনাকি, জা-জলপান, ঔষধ-পাতি, বিয়া-বাৰু ইত্যাদি।

কেতবোৰ ধ্বন্যাত্মক শব্দ কোনো বস্তু, কার্য আদিৰ বিৱৰণ, শাৰীৰিক অৱস্থা, বিশুদ্ধতা, গাঢ়তা আদি বুজাবলৈ গঢ় লৈ উঠিছে। যেনে—

ফিৰফিৰীয়া, কিনকিনীয়া, মলমলীয়া, কিচকিচীয়া ইত্যাদি।

৩। একাধিক ভিন্ন অর্থবাচক শব্দ লগ লাগি ঃ দুই বা তাতোকৈ অধিক শব্দ লগ লাগি সমাস হৈ নতুন শব্দৰ গঠন হয়। এই শব্দবোৰক সংযুক্ত শব্দ বোলা হয়। যেনে-

সীতা- ৰাম, গুৰু-গোসাই, গৰু-ম'হ, ভকত-সেৱা, বাঘ-চকা,;
ডেকা-চাং, তল-সৰা, দৰা-কইনা, হাতে-কটা, নেজাল-তৰা, ল'ৰা-বুঢ়া,
চলে-বলে-কৌশলে ইত্যাদি।

কেতিয়াবা বিদেশী শব্দৰ লগত অসমীয়া শব্দ লগ লাগিও নতুন শব্দৰ গঠন হয়। যেনে—

ভোটাধিকাৰ, হেড-পণ্ডিত, হাট-বজাৰ, ফিল্মোৎসৱ ইত্যাদি। কেতিয়াবা দুটা বিদেশী শব্দ লগ লাগি নতুন শব্দৰ সৃষ্টি হয়। যেনে- ফুলচার্ট, হাফ-মোজা, হাফ-টিকট ইত্যাদি।

৩.৪.২ ধাতু শব্দৰ গঠন

কোনো মৌলিক ধাতু অথবা নাম শব্দৰ লগত বিভিন্ন অর্থবাচক প্রত্যয় লগ লগাই অথবা কোনো ধ্বনিৰ অনুকৰণত এককভাৱে বা এটা অংশৰ দ্বিৰুক্তি ঘটাই অথবা নাম পদ অথবা ক্রিয়াপদৰ লগত ধাতু লগ লগাই অসমীয়া ভাষাত নতুন ধাতুৰ গঠন কৰা হয়। এই ধাতুবোৰক সাধিত ধাতু বুলি কোৱা হয়। সাধিত ধাতু চাৰি প্রকাৰৰ— পাঁচনী ধাতু, নামধাতু, ধ্বন্যাত্মক ধাতু, সংযুক্ত বা যৌগিক ধাতু আৰু প্রত্যয়ান্ত ধাতু।

১। পাচনী ধাতু ঃ মৌলিক ধাতুৰ পিছত -আ, -উৱা আৰু -ওৱা প্রত্যয় লগ লগাই পাচনী ধাতু গঠন কৰা হয়। যেনে—

-আ	ঃ	কৰ্ + আ = কৰা	
		দি + আ = দিয়া	
		লিখ + আ = লিখা	ইত্যাদি
-উৱা	ঃ	কান্দ্ + উৱা = কন্দুৱা	
		নাচ + উৱা = নচুৱা	
		দেখ + উৱা = দেখুৱা	
		হাঁহ্ + উৱা = হহুৱা	ইত্যাদি
-ওৱা	ঃ	কৰ্ + ওৱা = কৰোৱা	
		ৰাখ + ওৱা = ৰখোৱা	
		মিল + ওৱা = মিলোৱা	ইত্যাদি।

২। নাম ধাতুঃ নাম পদ, বিশেষ্য আৰু বিশেষণ শব্দৰ পিছত -আ, -ইয়া আৰু উৱা প্রত্যয় লগ লগাই নামধাতু তৈয়াৰ কৰা হয়। যেনে—

-আ	ঃ	কিল + আ = কিলা
		লাঠি + আ = লঠিয়া
		গুলি + আ = গুলিয়া
		বহল + আ = বহলা ইত্যাদি।

-ইয়া ঃ চৰ + ইয়া = চৰিয়া
গাল + ইয়া = গলিয়া
টাঙন + ইয়া = টঙনিয়া ইত্যাদি

-উৱা ঃ আগ + উৱা = আগুৱা

৩। ধ্বন্যাত্মক ধাতু ঃ কোনো ধ্বনিৰ অনুকৰণত এই ধ্বন্যাত্মক ধাতুবোৰৰ গঠন হয়। এই ধাতুবোৰৰ কিছুমানত এটা অংশ আৰু কিছুমানত দুটা অংশ থাকে। দ্বিতীয় অংশটো প্ৰথম অংশৰ পুনৰুক্তি বা দ্বিত্বৰূপ। এই একক বা দ্বিতীয় ৰূপৰ পাছত '-আ' প্ৰত্যয় লগ লাগি এই ধাতুবোৰ গঠন কৰা হয়। যেনে—

কেঁক + আ = কেঁকা
মল-মল + আ = মলমলা
ধৰ-ফৰ + আ = ধৰফৰা ইত্যাদি

৪। সংযুক্ত বা যৌগিক ধাতু ঃ বিশেষ্য বা বিশেষণ, ক্ৰিয়াৰ অসমাপিকা ৰূপ, ক্ৰিয়াৰ ভৱিষ্যৎ কালৰ তৃতীয় পুৰুষৰ ৰূপ, ক্ৰিয়াৰ ভূতকালিক ৰূপ, ক্ৰিয়াৰ ভূতকালিক কৃদন্ত ৰূপ, আৰু তুমুনন্ত ক্ৰিয়া ৰূপৰ পিছত ধাতু লগ লাগি কিছুমান নতুন ধাতুৰ সৃষ্টি হয়। এই ধাতুবোৰক সংযুক্ত ধাতু অথবা যৌগিক ধাতু বুলি কোৱা হয়। যেনে-

নাম কৰ, চমু কৰ, খাই পেলা, পৰি যা, ক'ব পাৰ, খাব খোজ,
ধৰা পৰ, খোৱা কৰ, খাবলৈ ধৰ, পঢ়িবলৈ বহ ইত্যাদি ।

৫। প্ৰত্যয়ান্ত ধাতু ঃ মৌলিক ধাতুৰ পাছত ক্, চ্, ট্, ত্, খ্, ল্ আৰু হ্ প্ৰত্যয় লগ লগাই কেতবোৰ প্ৰত্যয়ান্ত ধাতুৰ গঠন হয়। যেনে—

মৰ্দ + চ = মলচ্
ঘোঁক্ + ট = ঘোঁকট
খোচ্ + ৰ = খোচৰ
খোচ + ৰ = খোচৰ
টক্ + ল = টকাল
চো + হ = চোহ্ ইত্যাদি।

আত্মমূল্যায়ন প্ৰশ্ন

শব্দ-সাধনত সৰ্গবোৰে কি ভূমিকা পালন কৰে? (৫০ টামান শব্দৰ ভিতৰত উত্তৰ লিখিব)।

.....
.....
.....

৩.৫ অসমীয়া ভাষাৰ নির্দিষ্টতাবাচক আৰু অনির্দিষ্টতাবাচক প্রত্যয়

নির্দিষ্টতাবাচক প্রত্যয় ঃ

কোনো বস্তুক নির্দিষ্টকৈ দেখুৱাবৰ বাবে শব্দৰ পাছত কেতবোৰ প্রত্যয় যোগ কৰা হয়। এই প্রত্যয়বোৰকে নির্দিষ্টবাচক প্রত্যয় বোলে। এইবোৰ সাধাৰণতে বিশেষ্য, বিশেষণ আৰু সংখ্যাবাচক শব্দৰ উপৰি প্রথম আৰু দ্বিতীয় পুৰুষৰ বাহিৰে আন কিছুমান সর্বনামৰ পিছত যোগ হয়। এই প্রত্যয়বোৰে বস্তুৰ আকৃতি-প্রকৃতি, ভাল-বেয়া, তুচ্ছার্থ-মান্যার্থ, পৰিমাণ-সংখ্যা, পুংলিংগ-স্ত্রীলিংগ আদিৰ ধাৰণা নির্দিষ্ট কৰি তোলে। শব্দ বিভক্তি যোগ হ'লে সেইবোৰৰ পাছতহে হয়। এই প্রত্যয়বোৰ ৰূপসাপেক্ষ।

অসমীয়া ভাষাত তিনিকুড়িতকৈ অধিক নির্দিষ্টতাবাচক প্রত্যয়ৰ প্রয়োগ আছে। সেই প্রত্যয়বোৰৰ ভিতৰত কেতবোৰ হ'ল : -জন, -জনা, -জনী, খন, -খনি, -গৰাকী, -ডাল, -ডালি, -কণ, -কণি, -গছ, -গছি, -চটা, -চটি, -টা, -টো, -টি, -টাৰ, -টাৰি, -গোট, -ডোখৰ, -ডুখৰি, -ধাৰ, -ধাৰি, ফেৰা, -ফেৰি, -পাট আদি। নির্দিষ্টতাবাচক প্রত্যয় কিছুমানৰ প্রয়োগ তলত দেখুওৱা হ'ল—

-জন, -জনা, -জনী ঃ মানুহজন, বৰজনা, মানুহজনী
-খন, -খনি ঃ হাতখন, নৈখনি
-টা, -টো, -টি ঃ এটা, ঘৰটো, মানুহটি
-গৰাকী ঃ মহিলাগৰাকী
-ডোখৰ, ডুখুৰি ঃ কাঠডোখৰ, মাছডুখুৰি
-ডাল, -ডালি ঃ বাঁহডাল, খৰিডালি -
-কণ, কণি ঃ ল'ৰাকণ, কেঁচুৱাকণি
-গছ, গছি ঃ জৰিগছ, চাকিগছি
-চটা, চটি ঃ কাঠচটা, চিৰিচটি
-টাৰ, -টাৰি ঃ বাঢ়নীটাঁৰ, চুলিটাৰি
-ধাৰ, -ধাৰি ঃ মালাধাৰ, মণিধাৰি
-ফেৰা, -ফেৰি ঃ লোণফেৰা, বস্তুফেৰি
-পাট ঃ বঠাপাট
-আখি ঃ কলআখি
-কোছা ঃ চাবিকোছা
-খিলা ঃ পাণখিলা
-গাল ঃ ভাতগাল
-চকল ঃ আমচকল
-চপৰা ঃ মাটি চপৰা
-চলু ঃ পানীচলু

-জাক ঃ চৰাইজাক

-জাউৰি ঃ গালিজাউৰি

-জোপা ঃ ফুলজোপা

-থোপা ঃ ফুলথোপা

-লদা ঃ গোবৰলডা

-পাহ ঃ ফুলপাহ

-হাল ঃ গৰুহাল ইত্যাদি।

অনির্দিষ্টতাবাচক প্রত্যয় ঃ

কোনো প্রাণী বা বস্তুৰ, কথা বা ভাৱক অনির্দিষ্টকৈ বুজাবলৈ যিবোৰ প্রত্যয় ব্যৱহাৰ কৰা হয়, সেইবোৰকে অনির্দিষ্টতাবচক প্রত্যয় বোলে। এই প্রত্যয়বোৰে সংখ্যাবাচক শব্দ অথবা নির্দিষ্টতাবাচক প্রত্যয়ৰ পিছত লগলাগি নামপদৰ আগত বা পিছত ব্যৱহাৰ হৈ নামপদৰ অনির্দিষ্টতা প্রকাশ কৰে। অসমীয়া ভাষাত ব্যৱহাৰ হোৱা কেতবোৰ অনির্দিষ্টতাবাচক প্রত্যয় হ'ল ঃ -মান, -চেৰেক, -দিয়েক, -এক, -কেই, বা আদি। এই প্রত্যয়বোৰৰ প্রয়োগৰ উদাহৰণ তলত দাঙি ধৰা হ'ল—

-মান ঃ মানুহ দুজনমান, কিতাপ দুখনমান

-চেৰেক ঃ জনচেৰেক মানুহ

-দিয়েক ঃ গুটিদিয়েক চিন্তা

-এক ঃ মাহেক, পযেক

-কেই ঃ কেইজনমান ল'ৰা

-বা ঃ কেইবাজনীও ছোৱালী ইত্যাদি।

কোনো বিশেষ্য শব্দৰ আগত দুটা ভিন্ন সংখ্যাবাচক শব্দ ব্যৱহাৰ কৰিও অসমীয়া ভাষাত অনির্দিষ্টতা প্রকাশ কৰা হয়। যেনে— তিনি-চাৰিদিনমান, এডাল-দুডাল।

৩.৬ অসমীয়া ভাষাৰ সম্বন্ধ বুজোৱা পুৰুষবাচক সর্গ

অসমীয়া ভাষাত সম্বন্ধ বুজাবলৈ আই, বোপাই, মা, দেউতা, পিতা, খুৰা, ভাই, দাদা, শহুৰ, শাহু, জোৱাই, বৈনাই, তাৰৈ, ভিনদেউ আদি শব্দৰ প্রয়োগ হয়। এই শব্দবোৰৰ পিছত কিছুমান প্রত্যয় যোগ হয়। এই প্রত্যয়বোৰ পুৰুষ অনুসৰি ভিন ভিন হয়। এই প্রত্যয়বোৰকে 'সম্বন্ধ বুজোৱা পুৰুষবাচক সর্গ বা প্রত্যয়' বুলি কোৱা হয়। উদাহৰণস্বৰূপে— মোৰ দেউতা, তোৰ দেউতাৰ, তোমাৰ দেউতাৰা, তাৰ দেউতা-ক ইত্যাদি ৰূপবোৰত সম্বন্ধ বুজোৱা 'দেউতা' শব্দটোৰ পিছত -ৰ, -ৰা, -ক আদি প্রত্যয় লগ লাগিছে। এইবোৰে 'সম্বন্ধ বুজোৱা পুৰুষবাচক সর্গ'।

এই ক্ষেত্রত প্রথম পুৰুষত কোনো প্রত্যয় বা সর্গ লগ নালাগে। দ্বিতীয় পুৰুষৰ তুচ্ছার্থত -ৰ (-এৰ), মান্যার্থত —ৰা (-এৰা) আৰু তৃতীয় পুৰুষত -ক (এক) প্রত্যয় লগ

লাগে। ইয়াৰে সম্বন্ধ বুজোৱা শব্দতো আ-কাৰান্ত হ'লে -ৰ, -ৰা, -ক আৰু আন স্বৰান্ত আৰু ব্যঞ্জনান্ত শব্দৰ পিছত -এৰ, -এৰা, -এক প্ৰত্যয় যোগ হয়। প্ৰত্যয়বোৰ যোগ হোৱাৰ পিছতহে এই শব্দবোৰত বিভক্তি লগ লাগে। তলত এই প্ৰত্যয়বোৰৰ প্ৰয়োগ দাঙি ধৰা হ'ল—

পুৰুষ	**প্ৰথম**	**দ্বিতীয়**		**তৃতীয়**
		তুচ্ছ	মান্য	
প্ৰত্যয়	-০	-ৰ (-এৰ)	-ৰা (-এৰা)	-ক (-এক)
বোপাই	বোপাই	বাপেৰ	বাপেৰা	বাপেক
দেউতা	দেউতা	দেউতাৰ	দেউতাৰা	দেউতাক
মা	মা	মাৰ	মাৰা	মাক
শাহু	শাহু	শাহুয়েৰ	শাহুয়েৰা	শাহুয়েক
ভনী	ভনী	ভনীয়েৰ	ভনীয়েৰা	ভনীয়েক

আত্মমূল্যায়ন প্ৰশ্ন

পুৰুষবাচক সৰ্গবোৰ সম্বন্ধবাচক শব্দৰ লগত কেনেদৰে লগ লাগে? (৩৫ টামান শব্দৰ ভিতৰত উত্তৰ লিখিব)।

.....

.....

.....

.....

.....

৩.৭ সাৰাংশ (Summing Up)

অসমীয়া ভাষাৰ মুক্ত আৰু বদ্ধ বা যুক্ত প্ৰাকৃতিসমূহক প্ৰকৃতি বা মূল-প্ৰাকৃতি আৰু সৰ্গ এই দুটা ভাগত ভাগ কৰিব পাৰি। এই দুয়োটা বিভাগৰ উপৰি দুয়োটাৰে মাজত মূলাভাস প্ৰাকৃতি নামৰ অন্য এবিধ প্ৰাকৃতিও আছে। অসমীয়া ভাষাত থকা নাম শব্দ আৰু ধাতু শব্দক সৰ্গ যোগ কৰি সাধন কৰা হয়। পুনৰুক্তি আৰু সংযুক্ত শব্দৰ গঠনেৰে ও এই ভাষাত শব্দ সাধিত হয়। নিৰ্দিষ্টতাবাচক আৰু অনিৰ্দিষ্টতাবাচক প্ৰত্যয় প্ৰয়োগৰ দিশতো এই ভাষাত বিশেষ বৈশিষ্ট্য পৰিলক্ষিত হয়। নিৰ্দিষ্টতাবাচক প্ৰত্যয় যোগ হোৱাৰ ফলত কোনো বস্তুক নিৰ্দিষ্টকৈ বুজোৱাৰ লগতে বস্তুৰ আকৃতি-প্ৰকৃতি, ভাল-বেয়া, তুচ্ছার্থ-মান্যার্থ, পৰিমাণ, সংখ্যা, লিংগ আদিৰ ধাৰণা সুনিৰ্দিষ্ট হয়। এই ভাষাত সম্বন্ধবাচক শব্দবোৰৰ পিছত পুৰুষ অনুসৰি -ৰ, -ৰা, -ক আদি পুৰুষবাচক সৰ্গসমূহ লগ হয়। এইটো অসমীয়া ভাষাৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য।

৩.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

১) অসমীয়া ভাষাৰ প্ৰাকৃতি বিভাজন দেখুৱাই এটি আলোচনা দাঙি ধৰক।

২) অসমীয়া ভাষাৰ শব্দ-সাধন প্ৰক্ৰিয়া সম্পৰ্কে এটি প্ৰৱন্ধ যুগুত কৰক।

৩) শব্দ-সাধন বুলিলে কি বুজা যায় ? অসমীয়া ভাষাৰ নাম আৰু ধাতু শব্দসমূহ কেনেদৰে সাধন কৰা হয়।

৪) প্ৰকৃতি বা মূল-প্ৰাকৃতি মানে কি ? অসমীয়া ভাষাত প্ৰকৃতি কেইপ্ৰকাৰৰ বুজাই লিখক।

৫) অসমীয়া ভাষাৰ সৰ্গসমূহক কেইধৰণে ভাগ কৰিব পাৰি ? ব্যাখ্যা কৰক।

৮) অসমীয়া ভাষাৰ নিৰ্দিষ্টতাবাচক, অনিৰ্দিষ্টতাবাচক আৰু পুৰুষ বুজোৱা পুৰুষবাচক সৰ্গসমূহৰ গঠন আৰু প্ৰয়োগ সম্পৰ্কে আলোচনা কৰক।

৯। চমুটোকা প্ৰস্তুত কৰক—

(ক) মূলাভাস প্ৰাকৃতি, (খ) প্ৰকৃতি, (গ) শব্দ-সাধনৰ প্ৰত্যয়, (ঘ) অভ্যাস বা পুনৰুক্তি, (ঙ) যৌগিক শব্দ, (চ) নিৰ্দিষ্টতাবাচক প্ৰত্যয়, (ছ) অনিৰ্দিষ্টতাবাচক প্ৰত্যয়, (জ) পুৰুষ বুজোৱা পুৰুষবাচক সৰ্গ।

৩.৯ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

গোলোক চন্দ্ৰ গোস্বামী ঃ *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ*

(—) ঃ *অসমীয়া ব্যাকৰণ প্ৰবেশ*

উপেন্দ্ৰনাথ গোস্বামী ঃ *অসমীয়া ভাষাৰ ব্যাকৰণ*

ৰমেশ পাঠক ঃ *অসমীয়া ভাষাৰ ইতিহাস*

লীলাৱতী শইকীয়া বৰা ঃ *অসমীয়া ভাষাৰ ৰূপতত্ত্ব*

G.C. Goswami ঃ *Structure of Assamese*

B. Kakati ঃ *Assamese, Its Formation and Development*

***

চতুর্থ বিভাগ

অসমীয়া ভাষাৰ বচন আৰু লিংগ

বিভাগৰ গঠন ঃ

৪.১ ভূমিকা (Introduction)
৪.২ উদ্দেশ্য (Objectives)
৪.৩ বচন কি ?
৪.৪ অসমীয়া ভাষাৰ বচন
৪.৪.১ একবচনৰ অর্থ প্রকাশ কৰাৰ উপায়
৩.৩.২ বহুবচনৰ অর্থ প্রকাশ কৰাৰ উপায়
৪.৫ অসমীয়া ভাষাৰ লিংগ
৪.৬ অসমীয়া ভাষাত লিংগ নির্ণয়ৰ উপায়
৪.৭ সাৰাংশ (Summing Up)
৪.৮ আৰ্হিপ্রশ্ন (Sample Questions)
৪.৯ প্রসংগ গ্রন্থ (References/Suggested Readings)

৪.১ ভূমিকা (Introduction)

পূর্বৱর্তী বিভাগটিত অসমীয়া ভাষাৰ প্রাকৃতিৰ বিভাজন সম্পর্কে আলোকপাত কৰি অহা হৈছে। এই বিভাগটিত অসমীয়া ভাষাৰ বচন আৰু লিংগ সম্পর্কে আলোচনা কৰা হ'ব।

ভাষাৰ ৰূপতত্ত্বৰ দুটা উল্লেখযোগ্য উপকৰণ হ'ল বচন আৰু লিংগ। বচনে সংখ্যা বা পৰিমাণৰ ধাৰণা দিয়ে আৰু লিংগই মতা আৰু মাইকীৰ ধাৰণা দিয়ে। অসমীয়া ভাষাটো সংস্কৃত সম্ভূত ভাষা তথাপি ভাষাগত দিশত ই ভালেমান ক্ষেত্রতত সংস্কৃতৰ পৰা ফালৰি কাটি আহিছে। বচন আৰু লিংগৰ ক্ষেত্রতো অসমীয়া ভাষাৰ নিজস্ব বৈশিষ্ট্য কেতবোৰ দেখিবলৈ পোৱা যায়। এই বিভাগটিত অসমীয়া ভাষাৰ বচন আৰু লিংগৰ সকলো দিশ আলোচনা কৰিবলৈ প্রয়াস কৰা হ'ব।

৪.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- বচন আৰু লিংগৰ ধাৰণা লাভ কৰিব পাৰিব,
- অসমীয়া ভাষাৰ বচন নিৰূপণৰ প্রক্রিয়া সমূহ পর্যালোচনা কৰিব পাৰিব,
- অসমীয়া ভাষাৰ লিংগ সম্পর্কে বিচাৰ কৰিব পাৰিব।

৪.৩ বচন কি ?

'বচন' শব্দটো সংস্কৃতৰ পৰা অহা শব্দ। ইয়াৰ অর্থ হ'ল 'কথা' বা 'উক্তি'। কিন্তু ভাষাৰ আলোচনাত ইয়াৰ অর্থ সুকীয়া। যাৰ দ্বাৰা সংখ্যাৰ ধাৰণা জন্মে তাকে বচন বুলি কোৱা হয়। অর্থাৎ বচনে সংখ্যা বুজায়। সংস্কৃত ভাষাত বচন তিনি প্ৰকাৰৰ আছিল। একবচন, দ্বিবচন আৰু বহুবচন। একবচনে এটাৰ, দ্বিবচনে দুটাৰ আৰু বহুবচনে দুটাতকৈ অধিক বস্তুৰ ধাৰণা দিয়ে। সংস্কৃতৰ দ্বিবচন পালি-প্ৰাকৃত স্তৰতে লুপ্ত হ'ল। আধুনিক ভাৰতীয় আর্যভাষাবোৰত কেৱল একবচন আৰু বহুবচনহে ৰক্ষিত হ'ল। একবচনে এটাৰ আৰু বহুবচনে দুটা বা ততোধিক বস্তুৰ ধাৰণা দিয়ে। এই ভাষাবোৰত সংস্কৃতৰ দ্বিবচনৰ ধাৰণা বহুবচনে দিয়ে। এই দুটা বচনৰ উপৰি আধুনিক ভাৰতীয় আর্য ভাষাবোৰত কিছুমান ৰূপ আছে, যিবোৰে কোনো ব্যক্তি,প্ৰাণী বা বস্তুৰ সংখ্যা বা পৰিমাণৰ ধাৰণা স্পষ্টকৈ দিব নোৱাৰে। এই ৰূপবোৰকে বচন নিৰপেক্ষ ৰূপ বুলি কোৱা হয়। যেনে— মানুহ, গৰু, ঘৰ, নৈ, পুখুৰী ইত্যাদি। বাক্যত ব্যৱহৃত এই ৰূপবোৰে সংখ্যা বা পৰিমাণৰ ধাৰণা স্পষ্টকৈ দিব নোৱাৰে।

৪.৪ অসমীয়া ভাষাৰ বচন ঃ

আধুনিক ভাৰতীয় আর্য ভাষাবোৰৰ নিচিনাকে অসমীয়া ভাষাতো বচন দুবিধ— একবচন আৰু বহুবচন। একেদৰে অসমীয়া ভাষাত বচন নিৰপেক্ষ ৰূপৰো প্ৰয়োগ আছে। যেনে— মানুহ, গৰু, গছ, নদী, ঘৰ আদি। বাক্যত এনে ৰূপবোৰ ব্যৱহাৰ হ'লে এইবোৰে সংখ্যাৰ ধাৰণা স্পষ্ট কৰিব নোৱাৰে। অসমীয়া ভাষাৰ বচনৰ আলোচনাত বচন নিৰপেক্ষ ৰূপৰ ভূমিকা গুৰুত্বপূর্ণ। সংস্কৃতৰ দৰে অসমীয়া ভাষাতো সকলো নামপদৰে অর্থাৎ, বিশেষ্য বিশেষণ আৰু সর্বনাম পদৰ বচন পোৱা যায়।

অসমীয়া ভাষাৰ বিশেষ্য পদবোৰৰ একবচন, বহুবচন আৰু বচন নিৰপেক্ষ— এই তিনিওটা ৰূপে পোৱা যায়। যেনে—

একবচন	ঃ	মানুহজন, কিতাপখন, গছডাল
বহুবচন	ঃ	মানুহবোৰ, কিতাপবোৰ, গছবিলাক
বচননিৰপেক্ষ	ঃ	মানুহ, কিতাপ, গছ ইত্যাদি।

সর্বনাম পদবোৰৰ কেৱল একবচন আৰু বহুবচনৰ ৰূপ পোৱা যায়। যেনে—

একবচন	ঃ	মই, তুমি, তই, আপুনি, তাই, সেইটো
বহুবচন	ঃ	আমি, তোমালোক, তহঁত, আপোনালোক, তাইহঁত, সেইবোৰ ইত্যাদি

বিশেষণ পদবোৰ একবচন আৰু বহুবচনত পোৱা যায় যেনে—

একবচন	ঃ	ভালটো, ৰঙাখন, বগীজনী, সৰুটো
বহুবচন	ঃ	ভালবোৰ, ৰঙাবোৰ, বগীহঁত, সৰুবিলাক, ইত্যাদি

অসমীয়া ভাষাত বচন ব্যাকৰণগত বিষয় নহয়। অর্থাৎ বচন অনুসৰি বাক্যৰূপৰ কোনো সাল সলনি নহয়। তাৰ ফলত বিশেষণ পদৰ পৰা বিশেষ্যৰ বা বিশেষ্যপদৰ পৰা ক্রিয়াপদৰ অথবা ক্রিয়াপদৰ পৰা বিশেষ্য, সর্বনাম পদৰ বচন জানিব নোৱাৰি। উদাহৰণ স্বৰূপে 'মানুহ আহিছে' বাক্যটোৰ পৰা 'মানুহ' পদটো কি বচনত আছে তাক বাক্যৰ গাঁথনিৰ পৰা জানিব নোৱৰি। এটা মানুহো আহিব পাৰে, দুটা মানুহো আহিব পাৰে অথবা বহুত মানুহো আহিব পাৰে।

সংস্কৃত, হিন্দী আদি ভাষাত কর্তাৰ বচন অনুসৰি ক্রিয়াৰূপ হোৱাৰ নিচিনাকৈ অসমীয়া ভাষাত কর্তাৰ বচনে বাক্যৰ গাঁথনিত কোনো প্রভাৱ বিস্তাৰ নকৰে। সেয়েহে অসমীয়া ভাষাত বচন ব্যাকৰণগত বিষয় নহয়।

আত্মমূল্যায়ণ প্রশ্ন ঃ

১। বচন নিৰপেক্ষ ৰূপ মানে কি? (২৫ টা শব্দৰ ভিতৰত উত্তৰ দিয়া।)

.....

.....

.....

২। অসমীয়া ভাষাত বচন কিয় ব্যাকৰণগত বিষয় নহয়? (৩০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

.....

.....

.....

৪.৪.১ অসমীয়া ভাষাত একবচনৰ অর্থ প্রকাশ কৰাৰ উপায় ঃ

অসমীয়া ভাষাত একবচন বুজাবলৈ কেইটামান উপায় অৱলম্বন কৰা হয়। সেইবোৰ তলত আলোচনা কৰা হ'ল—

(ক) কোনো প্রাকৃতি যোগ নকৰাকৈ সংজ্ঞাবাচক বিশেষ্য আৰু সর্বনাম শব্দ ব্যৱহাৰ কৰি একবচনৰ অর্থ প্রকাশ কৰা হয়। যেনে—

ৰাম এজন ভাল ল'ৰা।

তুমি ঘৰলৈ যোৱা।

সি ক'লৈ গ'ল? ইত্যাদি।

(খ) কেতিয়াবা নামপদৰ পিছত নির্দিষ্টতাবাচক প্রত্যয় যোগ কৰি একবচনৰ অর্থ প্রকাশ কৰা হয়। যেনে—

মানুহজন গ'ল।

গৰুটো পথাৰত আছে।

নগৰখন ধুনীয়া।

মানুহজনী মৰমিয়াল। ইত্যাদি

কেতিয়াবা সংখ্যাবাচক শব্দ 'এক'ৰ লগত নির্দিষ্টতাবাচক প্রত্যয় যোগ কৰিও একবচন বুজোৱা হয়। যেনে—

এজন মানুহ।

এডাল গছ।

এখন তামোল। ইত্যাদি

কেতিয়াবা প্রতি, প্রত্যেক আদি ৰূপৰ পিছত নির্দিষ্টতা বাচক প্রত্যয় যোগ কৰি একবচনৰ অর্থ প্রকাশ কৰা হয়। যেনে—

প্রতিজন মানুহক।

প্রত্যেকজন ব্যক্তিক।

প্রতিখন নগৰ। ইত্যাদি।

(গ) কেতিয়াবা সংখ্যাবাচক শব্দ 'এক'ৰ লগত নামপদ যোগ কৰিও একবচন বুজোৱা হয়। যেনে—

এসপ্তাহ সময়।

এঘণ্টা ধৰি কামটো কৰি আছে।

এনিশা গুৱাহাটীত কটালোঁ। ইত্যাদি।

৪.৪.২ বহুবচনৰ অর্থ প্রকাশ কৰাৰ উপায় ঃ

অসমীয়া ভাষাত বচন নিৰপেক্ষ আৰু একবচনাত্মক ৰূপৰ পৰা বিভিন্ন পদ্ধতিৰে বহুবচন কৰা হয়। এই পদ্ধতিবোৰ তলত চমুকৈ আলোচনা কৰা হ'ল—

(ক) বহুবচনাত্মক প্রত্যয় যোগ কৰি ঃ সংজ্ঞাবাচক বা সম্বন্ধবাচক শব্দৰ পিছত বহুবচনাত্মক প্রত্যয় যোগ কৰি বহুবচন বুজোৱা হয়। অসমীয়াত তিনিটা বিশুদ্ধ বহুবচনাত্মক প্রত্যয় আছে। সেই তিনিটা হ'ল ঃ -বোৰ, -বিলাক আৰু -হঁত। যেনে— মানুহবোৰ, গৰুবিলাক, ল'ৰাহঁত, ছোৱালীবিলাক।

এই তিনিটাৰ উপৰি অসমীয়াত কিছুমান সমষ্টিবাচক বা সমূহবাচক শব্দ আছে। যিবোৰ বহুবচনৰ প্রত্যয় হিচাপে ব্যৱহাৰ কৰা হয়। সেইবোৰৰ কিছুমানৰ প্রয়োগ তলত দেখুওৱা হ'ল—

সকল	ঃ	মহিলাসকল
বৃন্দ	ঃ	সুধীবৃন্দ
গণ	ঃ	দেৱগণ
গুচ্ছ	ঃ	পুষ্পগুচ্ছ
সোপা	ঃ	ভাতসোপা

মখা ঃ পৰুৱামখা
জাঁক ঃ গৰুজাঁক
মালা ঃ কবিতামালা
ৰাজি ঃ তাৰকাৰাজি
মণ্ডলী ঃ মন্ত্রীমণ্ডলী ইত্যাদি।

খ) নিত্য বহুবচনাত্মক শব্দ প্রয়োগ কৰি ঃ অসমীয়া ভাষাৰ কেতবোৰ শব্দ নিত্য বহুবচনাত্মক। এই শব্দবোৰে অকলে বহুতৰ অর্থ প্রকাশ কৰে। ৰাইজ, প্রজা আদি এনেধৰণৰ শব্দ।

গ) বচন নিৰপেক্ষ ৰূপ প্রয়োগ কৰি ঃ বচন নিৰপেক্ষ ৰূপ কিছুমানেও বহুবচনৰ সর্গ নোলোৱাকৈ বহুবচনৰ অর্থ প্রকাশ কৰে। এই ৰূপবোৰে কেতিয়াবা চিৰন্তন আৰু কেতিয়াবা সাধাৰণ ভাব প্রকাশ কৰে। যেনে— মানুহ মৰে, চৰাই উৰিব পাৰে ইত্যাদি।

ঘ) বহুত্ববাচক বিশেষণ প্রয়োগ কৰি ঃ সংখ্যা বা পৰিমাণ বুজোৱা অনেক, অসংখ্য, অগণন, অজস্র, ঢেৰ, বহুত আদি বহুত্ববাচক বিশেষণ বচন নিৰপেক্ষ বিশেষ্যৰ আগত বা পাছত ব্যৱহাৰ কৰি বহুবচনৰ অর্থ প্রকাশ কৰা হয়। যেনে— অনেক মানুহ, অসংখ্য মাছ, অজস্র লোক, ঢেৰ কিতাপ, বহুত টকা ইত্যাদি ।

ঙ) সংখ্যাবাচক শব্দৰ পাছত নির্দিষ্ট বাচক সর্গ যোগ কৰি ঃ দুই বা তাতোকৈ অধিক বুজোৱা বিভিন্ন সংখ্যাবাচক শব্দৰ পাছত নির্দিষ্টতাবাচক প্রত্যয় যোগ দি, সেইবোৰ নামপদৰ আগত বা পাছত ব্যৱহাৰ কৰি বহুবচনৰ অর্থ প্রকাশ কৰা হয়। যেনে— দুখন কিতাপ, চাৰিজন মানুহ, কলম চাৰিটা ইত্যাদি।

চ) বিভিন্ন পদৰ পুনৰুক্তি কৰি ঃ বিশেষ্য, বিশেষণ, সর্বনাম আৰু ক্রিয়া বিশেষণৰ পুনৰুক্তি কৰি বহুবচনৰ অর্থ প্রকাশ কৰা হয়। যেনে—

ঘৰে ঘৰে, গছে গছে
পকা পকা, ডাঙৰ ডাঙৰ
যি যি, কোন কোন
ঘনে ঘনে, বাৰে বাৰে ইত্যাদি।

৪.৫ অসমীয়া ভাষাৰ লিংগ ঃ

'লিংগ' শব্দৰ অর্থ 'চিহ্ন'। যি চিহ্নৰ দ্বাৰা স্ত্রী আৰু পুৰুষ অথবা মতা-মাইকীৰ ধাৰণা দিব পাৰি সেইবোৰ চিহ্নকে লিংগ বোলা হয়। কিছুমান ভাষাত প্রাণীবাচক আৰু অপ্রাণীবাচক সকলো শব্দৰে লিংগ ভেদ কৰিব পাৰি কিন্তু কেতবোৰ ভাষাত অকল প্রাণীবোৰক শব্দ বোৰৰহে লিংগ ভেদ কৰিব পাৰি। সংস্কৃত ভাষাত প্রাণীবাচক-অপ্রাণীবাচক সকলো শব্দৰে লিংগ ভেদ কৰিব পাৰি। সেয়েহে এই ভাষাত লিংগ তিনিটা পুংলিংগ, স্ত্রীলিংগ আৰু ক্লীৱলিংগ। পুৰুষ বা মতাৰ ধাৰণা দিয়া ৰূপবোৰ পুংলিংগ, স্ত্রী

বা মাইকীৰ ধাৰণা দিয়াবোৰ স্ত্রীলিংগ। পুৰুষ বা স্ত্রীৰ ধাৰণা স্পষ্ট কৰি নিদিয়া ৰূপবোৰে ক্লীৱ লিংগ। সংস্কৃতত এই তিনিটা লিংগৰ ভেদ প্রধানত তিনিটা কথাৰ ওপৰত ভিত্তিৰ কৰি নির্ণয় কৰা হয়। শব্দটোৰ অর্থ অনুযায়ী, শব্দটোত যোগ হোৱা বিভিন্ন প্রত্যয় অনুযায়ী আৰু শব্দটোৰ গঠন আৰু আকৃতি অনুযায়ী।

সংস্কৃত লিংগৰ এনে বৈশিষ্ট্য আধুনিক ভাৰতীয় আর্য ভাষাবোৰত ৰক্ষিত হোৱা নাই। অসমীয়া ভাষাত অর্থ অনুযায়ীহে লিংগ নির্ণয় কৰা হয়। এই ভাষাত কেৱল পুংলিংগ আৰু স্ত্রীলিংগৰ মাজতহে ভেদ ৰক্ষিত হৈছে। ক্লীবলিংগ পুংলিংগৰ লগত মিলি গৈছে। তদুপৰি অসমীয়া ভাষাত কেৱল প্রাণীবাচক শব্দৰহে লিংগভেদ হয়। কিন্তু প্রাণীবাচক শব্দবোৰৰ মাজত এনে কেতবোৰ শব্দ আছে যিবোৰে পুৰুষ আৰু স্ত্রীৰ ভেদ দেখুৱাব নোৱাৰে। এই ৰূপবোৰকে লিংগ নিৰপেক্ষ বুলি কোৱা হয়। এই লিংগ নিৰপেক্ষ ৰূপবোৰক বিভিন্ন প্রক্রিয়াৰে পুংলিংগ বা স্ত্রীলিংগলৈ পৰিবর্তন কৰা হয়।

অসমীয়া লিংগৰ আন এটা প্রধান বৈশিষ্ট্য হ'ল যে ই ব্যাকৰণগত বিষয় নহয়। সেয়েহে বাক্যৰ গাঁথনিত লিংগই প্রভাৱ বিস্তাৰ নকৰে। অর্থাৎ লিংগ অনুযায়ী বিশেষণ বা ক্রিয়াৰ পৰিবর্তন নহয়। যেনে— ভাল মানুহ। বেয়া মানুহ। ল'ৰাজন গ'ল। ছোৱালীজনী গ'ল। ইত্যাদি। কিন্তু কিছুমান তৎসম বা তদ্ভৱ শব্দত সংস্কৃতৰ দৰে বিশেষ্যৰ লিংগ অনুযায়ী বিশেষণৰ লিংগ পৰিবর্তন হোৱা দেখা যায়। যেনে—

বিদ্বান পুৰুষ	—	বিদূষী মহিলা
সুন্দৰ যুৱক	—	সুন্দৰী যুৱতী
অজলা ল'ৰা	—	আজলী ছোৱালী
কলা ল'ৰা	—	কলী ছোৱালী ইত্যাদি।

সেয়েহে লিংগক অসমীয়া ভাষাত আংশিক ব্যাকৰণগত বিষয় বুলি কোৱা হয়।

ওপৰৰ আলোচনা পৰা আমি এইখিনি কথা ক'ব পাৰো যে, অসমীয়া ভাষাত লিংগ দুবিধ পুংলিংগ আৰু স্ত্রীলিংগ। কিছুমান পণ্ডিতে সংস্কৃত ব্যাকৰণৰ আর্হিত অসমীয়াতো পুংলিংগ, স্ত্রীলিংগ আৰু ক্লীৱলিংগ— এই তিনিটা লিংগৰ কথা আলোচনা কৰিছে। অসমীয়া শব্দৰূপৰ ক্ষেত্রত পুংলিংগ আৰু ক্লীৱলিংগৰ মাজত পার্থক্য দেখা নাযায়। সেইবোৰ অসমীয়া ভাষাত প্রাণীবাচক শব্দৰ ক্ষেত্রতহে লিংগভেদ কৰা হয়। সেই পিনৰ পৰা অসমীয়া ভাষাত লিংগ দুবিধ। এই ভাষাত লিংগ বিচাৰ সম্পূর্ণৰূপে অর্থৰ ওপৰত নির্ভৰ কৰে। দুই এটা শব্দত লিংগই আংশিকভাৱে ব্যাকৰণগত ৰূপ লাভ কৰিলেও অসমীয়া ভাষাত লিংগ ব্যাকৰণগত বিষয় নহয়।

আত্মমূল্যায়ণ প্রশ্ন

১। অসমীয়া ভাষাৰ লিংগ সংস্কৃতৰ লিংগতকৈ কি কি দিশত পৃথক? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক।)

.....

.....

.....

২। লিংগ অসমীয়া ভাষাত ব্যাকৰণগত বিষয় হয়নে? (৩০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

.....

.....

.....

৪.৬ অসমীয়া ভাষাত লিংগ নির্ণয়ৰ উপায় ঃ

অসমীয়া ভাষাত সাধাৰণতে চাৰিটা উপায়ে লিংগ নির্ণয় কৰা হয়—

১। ভিন ভিন পুৰুষ আৰু স্ত্রীবাচক শব্দ প্রয়োগ কৰি,

২। লিংগ নিৰপেক্ষ ৰূপৰ আগত 'মতা' আৰু 'মাইকী' শব্দ প্রয়োগ কৰি,

৩। লিংগ নিৰপেক্ষ শব্দৰ পাছত -টো, -জন, -জনী আদি নির্দিষ্টতাবাচক প্রত্যয় যোগ কৰি; আৰু

৪। বিভিন্ন পুংলিংগবাচক শব্দৰ পাছত স্ত্রী প্রত্যয় প্রয়োগ কৰি।

১। ভিন ভিন পুৰুষ আৰু স্ত্রীবাচক শব্দ প্রয়োগ কৰি অসমীয়া ভাষাত লিংগভেদ কৰা হয়। যেনে—

আই — বোপাই
পিতৃ — মাতৃ
ককা — আইতা
দাদা — বৌ
দৰা — কইনা
দমৰা — চেঁউৰী ইত্যাদি

২। লিংগ নিৰপেক্ষ বা উভয়লিংগবাচক ৰূপৰ আগত 'মতা' আৰু 'মাইকী' শব্দ লগাই পুংলিগ আৰু স্ত্রীলিংগ নিৰূপণ কৰা হয়। যেনে—

মতা মানুহ — মাইকী মানুহ
মতা কুকুৰ — মাইকী কুকুৰা
মতা ছাগলী — মাইকী ছাগলী ইত্যাদি।

৩। লিংগ নিৰপেক্ষ বা উভয়লিংগবাচক শব্দৰ পাছত -টো, -জন, জনী আদি নির্দিষ্টতাবাচক প্রত্যয় যোগ কৰি লিংগভেদ কৰা হয়। যেনে—

মানুহজন	—	মানুহজনী	
গৰুটো	—	গৰুজনী	ইত্যাদি।

৪। পুংলিংগবাচক শব্দৰ পাছত স্ত্রী প্রত্যয় প্রয়োগ কৰি অসমীয়া ভাষাত লিংগ নির্ণয় কৰা হয়। অসমীয়া ভাষাত স্ত্রী প্রত্যয় মূলতঃ চাৰিটা— -ঈ, -নী, -অনী আৰু -ৰী।

-ঈ ঃ -ঈ প্রত্যয় ব্যৱহাৰ হ'লে শব্দৰ বিভিন্ন প্রকাৰৰ পৰিৱর্তন ঘটে।

(ক) ব্যঞ্জনান্ত শব্দৰ পিছত লগ লাগিলে কোনো ধৰণৰ পৰিৱর্তন নহয়। যেনেঃ নিলাজ—নিলাজী, বান্দৰ—বান্দৰী। অৱশ্যে কেতিয়াবা মূল শব্দৰ ও-কাৰ উ-কাৰ হয়। যেনেঃ কোঁৱৰ—কুঁৱৰী।

(খ) কিছুমান আ-কাৰান্ত শব্দৰ পিছত বহিলে আকাৰৰ ঠাইত ই-কাৰ হয়। মূল শব্দটোত ও-কাৰ থাকিলে উ-কাৰ হয়। যেনেঃ পেহা—পেহী, বগা—বগী, খোনা—খুনী, লোধোমা—লুধুমী।

(গ) কিছুমান আ-কাৰান্ত শব্দৰ আকাৰৰ ঠাইত ঈকাৰ বহে আৰু শব্দটোৰ আদিত থকা অ-কাৰ আকাৰত পৰিণত হয়। যেনেঃ অজলা—আজলী, অঁকৰা—আঁকৰী, পগলা—পাগলী, কণা—কাণী।

-অনী ঃ সাধাৰণতে ব্যঞ্জনান্ত শব্দৰ পিছত -অনী ব্যৱহাৰ হৈ স্ত্রী লিংগ বুজায়। যেনে ঃ পাঠক—পাঠকনী, কুমাৰ—কুমাৰণী।

-নী ঃ অ-কাৰান্ত আৰু আ-কাৰান্ত শব্দৰ পিছত -নী যোগ হয়। যেনেঃ ডেকা—ডেকানী, গৃহস্থ—গৃহস্থনী

-নী প্রত্যয়ৰ -ইনী আৰু -উনী এই দুটা সম্প্রসাৰিত ৰূপ আছে। -উনী ৰূপ হ'লে শব্দৰ আদিৰ ও-কাৰ উ-কাৰ হয়। যেনে ঃ ভূত—ভূতুনী, চোৰ—চুৰুনী।

-ৰী ঃ '-ৰী'ৰ প্রয়োগ সীমিত। ইয়াৰ তিনিটা সম্প্রসাৰিত ৰূপ আছে। সেইকেইটা হ'লঃ -অৰী, -এৰী আৰু -উৰী। যেনেঃ কলা—কালৰী, ডেকা—ডেকেৰী, বেঙা—বেঙুৰী ইতাদি।

কেতিয়াবা কিছুমান বিশেষ্য আৰু বিশেষণ শব্দত -আ, -আই, -ইআ আদি প্রত্যয় লগ লগাইও পুংলিংগবাচক শব্দ তৈয়াৰ কৰা হয়। যেনে— আঘোনা, নদাই, ভদীয়া ইত্যাদি।

কেতিয়াবা -আ প্রত্যয়ৰ সংযোগত স্ত্রীলিংগবাচক শব্দ পাব পাৰি — ৰহিমলা, ৰূপা আদি।

কেৱল পুৰুষবাচক শব্দ আৰু স্ত্রীবাচক শব্দ কেতবোৰৰ প্রয়োগো অসমীয়া ভাষাত পোৱা যায়। যেনে—

পুৰুষবাচক ঃ ডঙুৱা, বৰলা, হালোৱা আদি।

স্ত্রীবাচক ঃ লাহতী, নামতী, ফুলতী, ৰোৱনী, দাৱনী, পোহাৰী, ৰচকী, সধবা, আয়তী, বিধবা, ধাই ইত্যাদি।

কেতবোৰ শব্দৰ আকৌ শেষত ই-কাৰ প্রয়োগ কৰি পুংলিংগ আৰু ঈ-কাৰ প্রয়োগ কৰি স্ত্রীলিংগ বুজোৱা হয়। যেনে—

পুংলিংগ	স্ত্রীলিংগ
ৰান্ধনি	ৰান্ধনী
নাচনি	নাচনী ইত্যাদি।

আত্মমূল্যায়ণ প্রশ্ন

১। লিংগ নিৰপেক্ষ ৰূপ মানে কি? (২০ টা শব্দৰ ভিতৰত উত্তৰ লিখক।)

.....

.....

.....

২। কোনবোৰ শব্দৰ লিংগভেদ কৰা যায়? (৩০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

.....

.....

.....

৪.৭ সাৰাংশ (Summing Up)

বচন আৰু লিংগৰ ক্ষেত্রত অসমীয়া ভাষা সংস্কৃত ভাষাৰ পৰা ভালেমান দিশত ফালৰি কাটি আহিছে। সংস্কৃত তিনিটা বচনৰ ঠাইত অসমীয়াত একবচন আৰু বহুবচন— এটা দুটা বচনহে ৰক্ষিত হ'ল। দ্বিবচন লোপ পালে আৰু অসমীয়াত দ্বিবচন বহুবচনৰ ভিতৰুৱা হৈ পৰে। সংস্কৃতৰ বচন ব্যাকৰণগত বিষয় আছিল কিন্তু অসমীয়াত বচন ব্যাকৰণগত বিষয় নহয়। বচন নিৰুপেক্ষ ৰূপৰ পৰা একাধিক পদ্ধতি অৱলম্বন কৰি অসমীয়া ভাষাত বচন নিৰূপণ কৰা হয়। সংস্কৃতৰ তিনিটা লিংগৰ ঠাইত অসমীয়া ভাষাত দুটা লিংগহে থাকিল। সংস্কৃতৰ ক্লীৱলিংগ অসমীয়া ভাষাত পুংলিংগৰ অন্তর্ভুক্ত হ'ল। নামবাচক শব্দৰ অর্থ অনুযায়ী অসমীয়া ভাষাত লিংগ নিৰূপণ কৰা হয়। লিংগ নিৰপেক্ষ ৰূপৰ পৰা পুংলিংগ বা স্ত্রীলিংগ নির্ণয় কৰিবলৈ অসমীয়া ভাষাত প্রধানতঃ চাৰিটা উপায় অবলম্বন কৰা হয়— ভিন ভিন পুৰুষ বা স্ত্রীবাচক শব্দ প্রয়োগ কৰি, লিংগ নিৰপেক্ষ ৰূপৰ আগত মতা-মাইকী শব্দ প্রয়োগ কৰি, নির্দিষ্টতাবাচক প্রত্যয় প্রয়োগ কৰি আৰু স্ত্রীপ্রত্যয় প্রয়োগ কৰি অসমীয়া ভাষাত লিংগ আংশিক ব্যাকৰৰণগত বিষয়।

৪.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

১) বচন কি? অসমীয়া বচন সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

২) অসমীয়া ভাষাৰ বচন নিৰূপণৰ প্ৰক্ৰিয়াসমূহ দাঙি ধৰক।

৩) সংস্কৃতৰ বচন অসমীয়া ভাষাত কেনেদৰে পৰিবৰ্তিত হৈছে? অসমীয়া বচনৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

৪) লিংগ কি? সংস্কৃত ভাষাৰ লিংগ আৰু অসমীয়া ভাষাৰ লিংগ একে নে? বিচাৰ কৰক।

৫) অসমীয়া ভাষাৰ লিংগৰ বৈশিষ্ট্যসমূহ বিচাৰ কৰক।

৮) অসমীয়া ভাষাত লিংগ নিৰূপণ কৰাৰ উপায় সমূহ আলোচনা কৰা।

৪.৯ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

উপেন্দ্রনাথ গোস্বামী ঃ *অসমীয়া ভাষাৰ ব্যাকৰণ*

(—) *অসমীয়া ভাষাৰ ৰূপকথা*

গোলোক চন্দ্র গোস্বামী ঃ *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ*

(—) ঃ *অসমীয়া ব্যাকৰণ প্ৰবেশ*

ৰমেশ পাঠক ঃ *অসমীয়া ভাষাৰ ইতিহাস*

লীলাৱতী শইকীয়া বৰা ঃ *অসমীয়া ভাষাৰ ৰূপতত্ত্ব*

G.C. Goswami ঃ *Structure of Assamese*

B. Kakati ঃ *Assamese, its Formation and Development*

***

পঞ্চম বিভাগ

অসমীয়া ভাষাৰ কাৰক আৰু কাৰক বিভক্তি

বিভাগৰ গঠন ঃ

৫.১ ভূমিকা (Introduction)

৫.২ উদ্দেশ্য (Objectives)

৫.৩ কাৰক আৰু কাৰক বিভক্তি

৫.৪ অসমীয়া ভাষাৰ কাৰক

৫.৫ অসমীয়া ভাষাৰ কাৰক বিভক্তি

৫.৬ সাৰাংশ (Summing Up)

৫.৭ আৰ্হিপ্ৰশ্ন (Sample Questions)

৫.৮ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

৫.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগটিত অসমীয়া ভাষাৰ বচন আৰু লিংগৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰি অহা হৈছে। এই বিভাগটিত অসমীয়া ৰূপতত্ত্বৰ এটি উল্লেখযোগ্য দিশ কাৰক আৰু কাৰক বিভক্তিৰ বিভিন্ন দিশৰ সম্যক পৰিচয় দাঙি ধৰাৰ প্ৰয়াস কৰা হ'ব।

ৰূপতত্ত্বৰ এটি প্ৰধান আলোচ্য বিষয় হ'ল 'কাৰক'। কাৰক আৰু সম্বন্ধ পদৰ বোধ জন্মাবলৈ অথবা কাৰক আৰু সম্বন্ধ পদৰ অৰ্থ প্ৰকাশ কৰিবলৈ কেতবোৰ সৰ্গ ব্যৱহাৰ কৰা হয়। এই সৰ্গবোৰকে শব্দবিভক্তি বা কাৰক বিভক্তি বুলি কোৱা হয়। এই বিভাগটিৰ আলোচনাত কাৰকৰ এটি সাধাৰণ ধাৰণা দিবলৈ চেষ্টা কৰাৰ লগতে অসমীয়া ভাষাৰ কাৰকৰ বিভাজন আৰু সেই কাৰকবোৰৰ বোধ জন্মাবলৈ ব্যৱহাৰ কৰা বিভক্তি আৰু সেই বিভক্তিবোৰৰ প্ৰয়োগ সম্পৰ্কে পৰ্যালোচনা কৰা হ'ব।

৫.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- কাৰক আৰু কাৰক বিভক্তিৰ এটি সাধাৰণ আভাস লাভ কৰিব,
- অসমীয়া ভাষাৰ কাৰক সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব।
- অসমীয়া ভাষাত প্ৰয়োগ হোৱা কাৰক আৰু শব্দ বিভক্তিবোৰৰ বিষয়ে জানিব পাৰিব।

৫.৩ কাৰক আৰু কাৰক বিভক্তি

'কাৰক' সংস্কৃত ভাষাৰ শব্দ। মহামুনি পানিনিৰ মতে— "ক্ৰিয়ান্বয়ি কাৰকম্"।

অর্থাৎ ক্রিয়াৰ লগত বাক্যত ব্যৱহৃত আন পদৰ যি সম্পৰ্ক সেয়াই কাৰক। ভিন ভিন শব্দৰ লগ লাগি এটা বাক্য গঠন হয়। সেই বিভিন্ন পদবোৰৰ মাজত এটা সম্পৰ্ক থাকে। বিশেষকৈ বাক্যটোৰ ক্রিয়াপদটোৰ লগত আন পদবোৰৰ সম্পৰ্ক থাকে। যেনে—

মানুহজনে ক'লে।
তেওঁ ল'ৰাজনক মাতিলে।
ৰামে চিঠিৰে জনাইছে।
ছোৱালীজনীলৈ আনিছোঁ।
হৰিৰ পৰা জানিছোঁ
ঘৰত আছে।

ওপৰৰ বাক্যবোৰত গ'ল, মাতিলে, জনাইছে, আনিছোঁ, জানিছোঁ, আছে আদি ক্রিয়া পদৰ লগত মানুহজন, লৰাজন, চিঠি, ছোৱালীজনী, হৰি ঘৰ আদি পদৰ সম্পৰ্ক আছে। এই সম্পৰ্কই হ'ল কাৰক।

কেতিয়াবা আকৌ ক্রিয়াপদৰ লগত আন পদৰ সম্পৰ্কৰ উপৰিও নামপদৰ লগত নামপদৰ সম্পৰ্ক থাকে। এই সম্পৰ্কক সম্বন্ধ পদ বোলা হয়। উদাহৰণস্বৰূপে— ৰামৰ ঘৰ। এই বাক্যটোত ক্রিয়াপদৰ লগত আন পদৰ সম্পৰ্ক স্থাপন হোৱা নাই। নামপদৰ লগত নামপদৰহে সম্পৰ্ক স্থাপন হৈছে। এয়াই সম্বন্ধপদ।

কাৰক আৰু সম্বন্ধপদৰ বোধ জন্মাবলৈ অথবা কাৰক আৰু সম্বন্ধপদৰ অর্থ প্রকাশ কৰিবলৈ কেতবোৰ সর্গৰ প্রয়োজন কৰা হয়। সেই সর্গবোৰকে শব্দ বিভক্তি বা কাৰক বিভক্তি বুলি কোৱা হয়। এই বিভক্তিবোৰৰ জৰিয়তে কাৰক আৰু সম্বন্ধপদক চিনিব পাৰি। ওপৰৰ বাক্যবোৰলৈ চালে আমি পাম—

মানুহজনে	—	মানুজন এ
লৰাজনক	—	ল'ৰাজন ক
চিঠিৰে	—	চিঠি + ৰে
ছোৱালীজনীলৈ	—	ছোৱালীজনী + লৈ
হৰিৰ পৰা	—	হৰি + ৰ-পৰা
ঘৰত	—	ঘৰ + ত

ওপৰৰ আচ টনা সর্গবোৰ হ'ল শব্দ বিভক্তি বা কাৰক বিভক্তি।

আত্মমূল্যায়ন প্রশ্ন

১। কাৰক বুলিলে কি বুজায়? (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক।)

.....

.....

.....

২। শব্দ বিভক্তি কি? (৩৫ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

.....

.....

.....

৫.৪ অসমীয়া ভাষাৰ কাৰক ঃ

আধুনিক ভাষা বৈজ্ঞানিক দৃষ্টিকোণৰ পৰা প্ৰাধান্য আৰু গঠনলৈ চাই ভাষাবিদ ফণীন্দ্ৰ নাৰায়ণ দত্তবৰুৱাই অসমীয়া কাৰকক তলত দিয়া ধৰণে তালিকাবদ্ধ কৰি দেখুৱাইছে—

কাৰকৰ শ্ৰেণী বিভাজন		কাৰকসমূহ
কেন্দ্ৰীয় বা কেন্দ্ৰস্থ কাৰক (Core Case)		কৰ্তা (Agnative) কৰ্ম (Objective)
প্ৰান্তীয় বা প্ৰান্তস্থ (Perepheral case)	বাক্য গঠনত (Syntactic)	সম্বন্ধ (Genetive) কৰণ (Instrumental)
	স্থান নিৰ্দেশক (Local)	নিমিত্ত (Allative) অপাদান (Ablative) অধিকৰণ (Localive)

আমি সকলোকে জানো যে ক্ৰিয়াৰ লগত সংগতি ৰাখি বাক্য এটা গঠন কৰিবলৈ কম পক্ষেও এটা কৰ্তা বা এটা কৰ্ম আৱশ্যক। সেয়েহে এই দুটা কাৰকক কেন্দ্ৰীয় বা কেন্দ্ৰস্থ কাৰক বুলিব পাৰি। এই দুটাৰ পিছতে অন্যটো গুৰুত্বপূৰ্ণ কাৰক হ'ল 'সম্বন্ধ'। ইয়াক আশ্ৰয় কৰিয়ে কৰণ, অপাদান আৰু অধিকৰণ কাৰকৰ ৰূপ হয়। সেয়ে ইয়াক বাক্য গঠনগত কাৰক বুলিব পাৰি। কাৰণ কাৰকৰ ক্ৰিয়াৰ লগত প্ৰত্যক্ষ সম্পৰ্ক নাই, ই কৰ্তা হিচাপে ব্যৱহৃত বিশেষ্য আৰু সৰ্বনামৰ লগত লগ লাগি বিশেষ্য শব্দগুচ্ছ (noun phrase) গঠন কৰে। সেয়েহে সম্বন্ধ আৰু কৰণ কাৰকক বাক্য গঠনগত কাৰকৰ শ্ৰেণীত ধৰা হয়। নিমিত্ত, অপাদান আৰু অধিকৰণ কাৰকে ক্ৰিয়াপদে বুজোৱা কাৰ্য্য সংঘটনৰ স্থান নিৰ্দেশ কৰে। সেয়েহে এই কাৰক তিনিটাক স্থান নিৰ্দেশক কাৰকৰ ভিতৰত ধৰা হয়।

অসমীয়া ভাষাৰ কাৰক পৰ্যালোচনা পৰম্পৰাগত কাৰকৰ বিভাজন ভিত্তিতে কৰা হয়। সেই অনুসৰি অসমীয়া ভাষাৰ কাৰক ছয়টা—

কৰ্তা, কৰ্ম, কৰণ, নিমিত্ত, অপাদান আৰু অধিকৰণ।

৫.৫ অসমীয়া ভাষাৰ কাৰক বিভক্তি বা শব্দ বিভক্তি

অসমীয়া ভাষাত কাৰক আৰু সম্বন্ধপদৰ সম্পৰ্ক দুটা উপায়েৰে বুজোৱা হয়—

(১) শব্দ বিভক্তি বা কাৰক বিভক্তি যোগ কৰি

(২) সম্বন্ধপদৰ ৬ষ্ঠী বিভক্তি ‘ৰ’-ৰ পিছত পৰা অনুপদ যোগ কৰি।

কাৰক বা সম্বন্ধ পদৰ অর্থ প্রকাশ কৰিবলৈ কিছুমান সর্গ আছে। সেই সর্গবোৰকে কাৰকবিভক্তি বা শব্দবিভক্তি বোলা হয়। অসমীয়া ভাষাত শব্দ বিভক্তি ছ-বিধ ঃ প্রথমা, দ্বিতীয়া, তৃতীয়া, চতুর্থী, ষষ্ঠী আৰু সপ্তমী। কর্তা আৰু কর্ম কাৰকত কেতিয়াবা বিশেষ পৰিৱেশ আৰু পৰিস্থিতিত কোনো বিভক্তি প্রত্যক্ষভাৱে লগ নালাগে। কিন্তু তেনেবোৰ বিভক্তিহীন পদে কর্তা আৰু কাৰকৰ অর্থ প্রকাশ কৰে আৰু বিভক্তিযুক্ত পদৰ দৰে প্রয়োগ হয়। তেতিয়া তাত শূণ্য বিবক্তি যোগ হোৱা বুলি ধৰা হয়। অসমীয়া ভাষাত অপাদান কাৰক আছে কিন্তু সেই কাৰকৰ বোধ জন্মাবলৈ পঞ্চমী বিভক্তি নাই। ষষ্ঠী বিভক্তি ‘ৰ’ৰ পিছত পৰা অনুপদ লগ লগাই অপদান কাৰকৰ বোধ জন্মোৱা হয়। আনহাতে কৰণ কাৰকৰ বোধ জন্মাবলৈ ষষ্ঠী বিভক্তি ‘ৰ’ৰ পিছত দি, দ্বাৰা, হতুৱাই জৰিয়তে আদি অনুপদ ব্যৱহাৰ কৰা হয়।

কাৰক আৰু সম্বন্ধপদ অনুসৰি অসমীয়া শব্দবিভক্তি আৰু অনুপদবোৰৰ তালিকা তলত উল্লেখ কৰা হ’ল—

কাৰক	বিভক্তি	বিভক্তিৰ চিন		অনুপদ
		স্বৰান্ত শব্দত	ব্যঞ্জনান্ত শব্দত	
কর্তা	প্রথমা	-ϕ, -এ, ই	- ϕ,-এ	—
কর্ম	দ্বিতীয়া	- ϕ, -ক	-ϕ, -অক	—
কৰণ	তৃতীয়া	-ৰে	-এৰে	দি, দ্বাৰা, হতুৱাই, জৰিয়তে সৈতে
	নিমিত্ত	চতুর্থী	-লৈ	-অলৈ —
অপাদান	—	—	—	পৰা
সম্বন্ধ পদ	ষষ্ঠী	-ৰ	-অৰ	—
অধিকৰণ	সপ্তমী	-ত	-অত	—

আত্মমূল্যায়ন প্রশ্ন

১। অনুপদ মানে কি? (২০ টা শব্দৰ ভিতৰত উত্তৰ লিখক।)

.....

.....

.....

২। অসমীয়া ভাষাত অপাদান কাৰকৰ বোধ কেনেদৰে বুজোৱা হয়? (৩০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

.....

.....

.....

অসমীয়া ভাষাৰ কাৰক আৰু সম্বন্ধ পদ বুজাবৰ বাবে ব্যৱহাৰ হোৱা কাৰক বা শব্দ বিভক্তিসমূহৰ বিষয়ে তলত বিস্তৃতভাৱে আলোচনা কৰা হ'ল—

১। কর্তা কাৰক (Agentive or Nominative Case) ঃ

বাক্যত ব্যৱহৃত যিবোৰ বিশেষ্য বা সর্বনাম পদে ক্রিয়াপদে বুজোৱা কার্য সম্পাদন কৰে সেই পদৰ কাৰকেই হৈছে কর্তা। কর্তাই ক্রিয়াৰ লগত প্রত্যক্ষভাৱে সম্বন্ধ স্থাপন কৰে। ই স্বয়ংসম্পূর্ণ আৰু ই কাৰো ওপৰত নির্ভৰ নকৰে। 'The Karta Karaka or Agentive is defined as independant. The action identified by the verbs is rather dependant or Karta for results.' Anantanarayan (1975). অর্থগত সম্বন্ধৰ আলোচনাত যিটো কর্তা, বাক্যগত বিশ্লেষণত সিয়েই উদ্দেশ্য (Subject)।

কর্তা কাৰকৰ ওপৰৰ তালিকাত দিয়া বিভিন্ন বিভক্তি সমূহৰ প্রয়োগ কিছুমান নিয়মৰ অধীন। সাধাৰণতে সকর্মক ক্রিয়াৰ কর্তা হিচাপে ব্যৱহৃত ব্যঞ্জনান্ত বিশেষ্য আৰু সর্বনাম শব্দত {-এ}, অকাৰন্ত বা আকাৰান্ত শব্দত {-ই}, [ইকাৰন্ত শব্দত {- এ}, {-য়ে} আৰু ওকাৰন্ত শব্দ {-ৰে} ৰূপত যুক্ত হয়] আৰু অকর্মক ক্রিয়াৰ কর্তা হিচাবে ব্যবহৃত সকলো বিশেষ্য আৰু সর্বনাম শব্দত আৰু সকর্মক আৰু অকর্মক উভয় শ্রেণীৰ ক্রিয়াৰ কর্তা হিচাপে ব্যৱহৃত স্বৰান্ত সর্বনাম শব্দত {-ø} যুক্ত হয়। যেনে—

{- এ} ঃ /মানুহ - এ > মানুহে ভাত খায়।/
/তেখেতে - এ > তেখেতে অংক জানে।/
/মণি - এ > মণিয়ে ভাত ৰান্ধে।/
/যদু - এ > যদুৰে কেৰম খেলে।/

{-ই} ঃ /লতা - ই > লতাই গীত গায়।/

/পাৰ - ই > পাৰই ৰুণ দিয়ে।/

{- ø} ঃ /মানুহ - ø> মানুহ মৰে।/

/চৰাই - ø> চৰাই উৰে।/

/তেওঁ - ø> তেওঁ ছবি আঁকে।/

/সি - ø> সি দেৰিকৈ শোৱে।/

কেতিয়াবা বিশেষণ পদ বিশেষ্য হিচাপে ব্যৱহৃত হ'লে সি কাৰক-বিভক্তি যুক্ত হৈ ব্যৱহৃত হয়। যেনে—

/ভালে পায় ভালক।/

২। কর্ম কাৰক (Objective or Accusative Case) ঃ

বাক্যত ব্যৱহৃত যি বিশেষ্য বা সর্বনাম পদৰ ওপৰত ক্রিয়াই বুজোৱা কার্য সম্পাদিত হয় অর্থাৎ যিয়ে ক্রিয়াৰ কার্যৰ ফল ভোগ কৰে সেই বিশেষ্য বা সর্বনাম পদবোৰকেই কর্মকাৰক বোলা হয়। 'The Karma relation is the most desired of the Karta by the action identified by the verb.' (Anantanarayana ibid), পৰম্পৰাগত বৈয়াকৰণিকৰ আলোচনাত 'দান' কার্যৰ গ্রাহকক কর্মকাৰকৰ ভিতৰত সামৰা নহৈছিল আৰু তাক 'সম্প্রদান' কাৰক বুলি গণ্য কৰা হৈছিল। কিন্তু সাম্প্রতিক কালৰ বর্ণনাত্মক ভাষাবিজ্ঞানৰ ভিত্তিত কৰা কাৰকৰ আলোচনাত অসমীয়াত 'দান'কার্যৰ গ্রাহককো কর্মৰ ভিতৰত সামৰা হয়।

কর্ম দুই প্রকাৰৰ হ'ব পাৰে - মুখ্য (direct) আৰু গৌণ (indirect)। 'দে' ধাতু আৰু সকলোবোৰ পাচনী ধাতুৰ দুটাকৈ কর্ম থাকে; এটা অপ্রাণীবাচক (inanimate) আৰু আনটো প্রাণী বাচক (animate)। অপ্রাণীবাচক বিশেষ্য পদক মুখ্য আৰু প্রাণীবাচক বিশেষ্য বা সর্বনাম পদক গৌণ কর্ম বুলি গণ্য কৰা হয়।

কর্মকাৰকৰ বিভক্তিসমূহৰ ব্যৱহাৰো কিছুমান নিয়মত বন্ধা। সাধাৰণতে অপ্রাণীবাচক মুখ্য কর্মত {- ø} যুক্ত হয়; প্রাণীবাচক গৌণ কর্মত ব্যঞ্জনান্ত শব্দৰ পিছত {- অক} আৰু স্বৰান্ত শব্দৰ পিছত {-ক} যুক্ত হয়। যেনে—

{- ø} ঃ /ছাত্রই মাচুল - ø > মাচুল দিব লাগে।/

/আমি ভাত - ø > ভাত খালোঁ।/

{- অক} ঃ /ৰামে ৰাৱণ - অক > ৰাৱণক মাৰিলে।/

/মানুহে মানুহ - অক > মানুহক বেচে।/

{- ক} ঃ /ৰাৱণে সীতা - ক > সীতাক হৰণ কৰিছিল।/

/মই গৰু - ক > গৰুক ঘাঁহ দিলোঁ।/

{-ø, -ক}ঃ /মায়ে কইনা - ক > কইনাক আঙঠি -ø > আঙঠি পিন্ধালে।/

প্রাণীবাচক বিশেষ্য শব্দ অপ্রাণীবাচক বিশেষ্যৰ দৰে ব্যৱহৃত হ'লে প্রাণীবাচক বিশেষ্যৰ লগতো {-ø} যুক্ত হয়। যেনে,

/বাঘে মানুহ - ø মানুহ খায়।/

এইখিনিতে আমি মনত পেলাব পাৰোঁ যে কর্মকাৰকৰ বদ্ধ প্রাকৃতি যুক্ত হ'বৰ সময়ত স্বৰান্ত সর্বনাম শব্দই একোটা তির্যক ৰূপ লাভ কৰে। যেনে—

মই - ক > মো - ক > মোক

তই - ক > তো - ক > তোক

তুমি - ক > তোমা - ক > তোমাক

আপুনি - ক > আপোনাক - ক > আপোনাক

সি - ক > তা - ক > তাক

৩। সম্বন্ধ (Genitive or Possessive Case) ঃ

কোনো বিশেষ্য বা সর্বনাম শব্দ আন এটা বিশেষ্য বা সর্বনাম শব্দৰ অংশ অথবা ভোগ দখলৰ বস্তু হিচাপে ব্যৱহৃত হ'লে পূর্ণ বস্তু বা প্রাণী বুজোৱা শব্দটোৰ আনটোৰ লগত সম্বন্ধ কাৰক (বিকল্পে সম্বন্ধ পদ) হয়। মন কৰিবলগীয়া যে এই ক্ষেত্রত দুটা বিশেষ্য বা সর্বনাম পদৰ মাজতহে সম্বন্ধ হয়, বিশেষ্য/সর্বনাম আৰু ক্রিয়াৰ মাজত নহয়। সেয়ে পৰম্পৰাগত ব্যাকৰণত সম্বন্ধক কাৰক বুলি নকৈ 'সম্বন্ধ পদ' বুলি উল্লেখ কৰিছিল। হকেটৰ সংজ্ঞামতেও ই কাৰকৰ ভিতৰত নপৰে। কিন্তু অন্যান্য পশ্চিমীয়া ভাষা বৈজ্ঞানিকসকলে সম্বন্ধক কাৰকৰ ভিতৰতে গণ্য কৰিছে।

অসমীয়াত সম্বন্ধ কাৰক অতিশয় গুৰুত্বপূর্ণ। কৰণ, সম্প্রদান আৰু কিছু পৰিমাণে অধিকৰণ কাৰকৰ পদ গঠন কৰিবলৈ হ'লে সম্বন্ধ কাৰকৰ ওপৰত ভেজা দিহে কৰিব লাগে। অসমীয়া সম্বন্ধ কাৰক বুজোৱা বদ্ধ প্রাকৃতি বা বিভক্তি দুটা; ব্যঞ্জনান্ত বিশেষ্য বা সর্বনাম শব্দত {- অৰ} আৰু স্বৰান্ত শব্দত {-ৰ} যুক্ত হয়; এই বিভক্তি যুক্ত হ'বৰ সময়ত স্বৰান্ত সর্বনাম পদে প্রায়েই ওকাৰান্ত তির্যক ৰূপ লাভ কৰে। তলৰ উদাহৰণবোৰলৈ চোৱা যাওক ঃ—

{- অৰ} ঃ গছ - অৰ > গছৰ পাত (বিচ্ছেদ্য)

মানুহ - অৰ > মানুহৰ মন (অবিচ্ছেদ্য)

হাত - অৰ > হাতৰ আঙুলি (অবিচ্ছেদ্য)

{- ৰ} ঃ লতা - ৰ > লতাৰ শিপা (অবিচ্ছেদ্য)

গীতা - ৰ > গীতাৰ কিতাপ (বিচ্ছেদ্য)

মই - ৰ > মোৰ - ৰ > মোৰ কিতাপ (তির্যক ৰূপ, বিচ্ছেদ্য)

তুমি -ৰ> তোমা -ৰ> তোমাৰ হাত (তির্যক ৰূপ, অবিচ্ছেদ্য)

সি - ৰ > তা - ৰ > তাৰ আচৰণ (তির্যক ৰূপ, বিচ্ছেদ্য)

মনকৰিবলগীয়া যে সম্বন্ধ দুই প্ৰকাৰৰ হ'ব পাৰে— বিচ্ছেদ্য আৰু অবিচ্ছেদ্য। ওপৰৰ 'গীতাৰ কিতাপ' শব্দগুচ্ছত 'গীতা' আৰু 'কিতাপ'ৰ মাজৰ সম্বন্ধ বিচ্ছেদ্য; 'গীতা'ৰ পৰা 'কিতাপ'ক বেলেগ কৰিব পাৰি। 'হাতৰ আঙুলি' শব্দগুচ্ছত 'হাত' আৰু 'আঙুলি'ৰ মাজৰ সম্বন্ধ অবিচ্ছেদ্য; 'হাত'ৰ পৰা আঙুলিক বেলেগ কৰিব নোৱাৰি।

৪। **কৰণ কাৰক (Instrumental Case)ঃ**

কৰ্তাৰ কাৰ্য সাধনৰ হাতিয়াৰ বা মাধ্যম হিচাপে ব্যৱহাৰ হোৱা বিশেষ্য বা সৰ্বনাম শব্দৰ কৰণ কাৰক হয়। 'Karana is understood as the best means of bringing about an action.' (Ananthanarayana)। মনকৰিবলগীয়া যে ক্ৰিয়াৰ লগত কৰণ কাৰকৰ, কৰ্তা বা কৰ্মৰ লেখীয়াকৈ, প্ৰত্যক্ষভাৱে সম্বন্ধ নহয়; কৰ্তাৰ হাতিয়াৰ বা অস্ত্ৰস্বৰূপেহে ই ক্ৰিয়াৰ লগত পৰোক্ষভাৱে সম্বন্ধিত। সেয়ে ইয়াক 'বাক্যগত কাৰক'ৰ শ্ৰেণীভুক্ত কৰা হৈছে। প্ৰয়োজন সাপেক্ষেহে কৰণ কাৰকৰ ব্যৱহাৰ হয়। 'কৰণ কাৰক'ৰ ব্যৱহাৰ নোহোৱাকৈও বাক্য সম্পূৰ্ণ হ'ব পাৰে।

কৰণ কাৰকৰ বিভক্তি সমূহৰ ব্যৱহাৰো বিশেষ বিশেষ নিয়মৰ অধীন। অস্ত্ৰ বা হাতিয়াৰ হিচাপে ব্যৱহৃত সকলো ব্যঞ্জনান্ত বিশেষ্য শব্দৰ লগত {-এৰে} আৰু স্বৰান্ত বিশেষ্য শব্দৰ লগত {- ৰে} যুক্ত হয়। সাধাৰণতে মাধ্যম হিচাপে ব্যৱহৃত বিশেষ্য শব্দৰ লগত {- এদি} আৰু কোনো ব্যক্তিবাচক বিশেষ্য বা সৰ্বনাম কোনো কাৰ্য সাধনৰ কাৰক হ'লে তাত {- অৰ দ্বাৰা বা - ৰ দ্বাৰা} যুক্ত হয়। তলৰ উদাহৰণবোৰলৈ চালে কথাযাৰ স্পষ্ট হ'ব।

{- এৰে}ঃ /সি বাওঁ হাত - এৰে > হাতেৰে ভাত খায়।/
/তাই কাণ - এৰে > কাণেৰে নুশুনে।/
/মিস্ত্ৰীয়ে কৰত - এৰে > কৰতেৰে কাঠ কাটে।/

{- ৰে} ঃ /তেওঁ চকু - ৰে > চকুৰে নেদেখে।/
/কৃষকে গৰু - ৰে > গৰুৰে হাল বায়।/
/তাই কটাৰী - ৰে > কটাৰীৰে তামোল কাটে।/

{-এদি} ঃ /সি পিছ দুৱাৰ - এদি > দুৱাৰেদি পলাই গ'ল।/
/তুমি সেই বাট - এদি > বাটেদি নাযাবা।/
/তাইৰ চকু - এদি > চকুৰেদি পানী ওলাল।/

কেতিয়াবা কাব্যিক লয়ৰ দাবীত {-এদি} ৰ পৰা {- দি} অংশ বাদ দিয়া হয়—

/তুমি যাবা তোমাৰ বাটেদি,
মই যাম মোৰ বাটে বাটে।

{- অৰ দ্বাৰা, - ৰ দ্বাৰা} ঃ /তাৰ দ্বাৰা একো নহ'ব।/
/ৰজাই দূতৰ দ্বাৰা খবৰ পঠিয়ালে।/

আত্মমূল্যায়ন প্রশ্ন

(১) কাৰকৰ আলোচনা প্ৰসংগত 'প্ৰথমা', 'দ্বিতীয়া', 'তৃতীয়া' আদি কি? এইবোৰক কাৰক-বিভক্তি বুলিব পাৰি নে?

.....

.....

.....

(২) কৰ্তা কৰ্ম উভয়তে ব্যৱহৃত একে ৰূপৰ কাৰক-বিভক্তিটো কি? দুয়ো ক্ষেত্ৰত ইয়াৰ ব্যৱহাৰৰ নিয়ম কি?

.....

.....

.....

(৩) সম্বন্ধ-কাৰকক বাক্যগত বোলাৰ যুক্তি কি?

.....

.....

.....

৫। নিমিত্ত কাৰক (Destinational or Allative Case) ঃ

'অহা', 'যোৱা', 'পঠা' আদিৰ নিচিনা গতি বুজোৱা ক্ৰিয়াপদৰ কাৰ্যৰ লক্ষ্য বা উদ্দেশ্য হ'ল নিমিত্ত কাৰক। শ্ৰদ্ধা, ভক্তি, প্ৰসাদ, দান আদি অৰ্পণৰ পাত্ৰকো এই কাৰকৰ ভিতৰতে সামৰা হয় । পৰম্পৰাগত ব্যাকৰণত এই দ্বিতীয় বৰ্গৰ পদৰ কাৰকক সম্প্ৰদান (Dative) কাৰক বুলি উল্লেখ কৰা হৈছিল। সাম্প্ৰতিক অসমীয়া ভাষাবৈজ্ঞানিক আলোচনাত 'সম্প্ৰদান কাৰক' পাৰিভাষিকটো লুপ্তপ্ৰায়; ইয়াৰ ঠাই 'নিমিত্ত কাৰক' পাৰিভাষিকে দখল কৰিছে। গোস্বামী (১৯৮৭) আৰু গোস্বামী (১৯৮৯) দুয়ো 'নিমিত্ত-কাৰক' পাৰিভাষিকৰ পোষকতা কৰিছে। দত্তবৰুৱা (২০০৭) ই নিমিত্ত কাৰকক ইংৰাজীৰ পৰিভাষিকৰ সমান্তৰাল হিচাপে প্ৰতিষ্ঠা কৰিছে।

অসমীয়াত নিমিত্ত কাৰক বুজাবলৈ প্ৰধানকৈ {-অলৈ} আৰু {-লৈ} বদ্ধ প্ৰাকৃতি ব্যৱহাৰ কৰা হয়; ব্যঞ্জনান্ত বিশেষ্য পদৰ লগত {-অলৈ} আৰু স্থানবাচক সৰ্বনাম আৰু স্বৰান্ত বিশেষ্য পদৰ লগত {-লৈ} যুক্ত হয়। কোনো ব্যক্তিবাচক সৰ্বনাম শব্দ গতিবাচক ক্ৰিয়াৰ লগত সম্বলিত হৈ নিমিত্ত কাৰকত ব্যৱহৃত হ'বলৈ হ'লে {-অলৈ} ৰ আগত {-ৰ ওচৰ} শব্দগুচ্ছ প্ৰয়োগ কৰিবলগীয়া হয়। অৰ্থাৎ ব্যক্তিবাচক সৰ্বনামৰ লগত {- অলৈ বা - লৈ} পোনে পোনে লগ নালাগে। অৱশ্যে 'দানৰ পাত্ৰ' অৰ্থ প্ৰকাশ কৰিব লাগিলে {- অলৈ} বা {- ই} যুক্ত হ'ব পাৰে। ব্যক্তিবাচক সৰ্বনাম শব্দবোৰে {- লৈ} বা যুক্ত হ'বৰ সময়ত স্বাভাৱিক নিয়মে ওকাৰান্ত তিৰ্যক ৰূপ লাভ কৰে।

সাম্প্রতিক কালৰ মান্য কথিত (standard colloqual) ভাষাত নিমিত্ত কাৰকৰ বিভক্তি লুপ্তপ্রায় হৈ আহিছে। গতি বুজোৱা ক্রিয়াৰ লক্ষ্য হিচাপে ব্যৱহৃত স্থানবাচক শব্দত নৱীন প্রজন্মই প্রায়ে {- ø} বদ্ধ প্রাকৃতি আৰু কেতিয়াবা {- অত} বা {- ত} বদ্ধ প্রাকৃতি ব্যৱহাৰ কৰিবলৈ লৈছে। এয়া অসমীয়া মানুহৰ ভাষাতাত্ত্বিক মিতব্যয়িতাৰ চানেকি। (দত্তবৰুৱা-১৯৯৬)।

তলৰ উদাহৰণবোৰলৈ চোৱা যাওঁক ঃ—

{-অলৈ} ঃ /সি বজাৰ - অলৈ > বজাৰলৈ গৈছে।/
/মই ঘৰ - অলৈ > ঘৰলৈ টকা পঠালোঁ।/
/ঈশ্বৰ - অলৈ > ঈশ্বৰলৈ ভক্তি ৰাখিবা।/

{- লৈ} ঃ /তেওঁ টিহু - লৈ > টিহুলৈ গ'ল।/
/ভগৱতী - লৈ > ভগৱতীলৈ প্রসাদ আগবঢ়াইছোঁ।/
/মই > মো - লৈ > মোলৈ নাপাহৰিব।/
/তই > তো - লৈ > তোলৈ চিঠি পঠাম।/
/তুমি > তোমা - লৈ মনত পৰে।/
/তাই সি - তা - লৈ > তালৈ গ'ল।/

{- ক, -ø} ঃ / সি বজাৰ - অত > বজাৰত অথবা বজাৰ - ø> বজাৰ গৈছে।/
/তাই গুৱাহাটী-ত> গুৱাহাটীত বা গুৱাহাটী -ø> গুৱাহাটী গৈছে।/

৬। অপাদান কাৰক (Ablative Case) ঃ

'অহা', 'যোৱা', 'অনা' আদি গতিবাচক ক্রিয়াৰ উৎপন্ন স্থল বা কোনো বস্তু বা অনুভূতিৰ উৎপন্ন স্থল বুজাবলৈ বিশেষ্য বা সর্বনাম শব্দৰ যি ৰূপ ব্যৱহাৰ কৰা হয় তাকেই অপাদান কাৰক বোলা হয়। মূলতে আপদ অর্থাৎ ভয়ৰ উৎপত্তি স্থল বুজোৱা শব্দৰূপ বা পদকে অপাদান কাৰক বোলা হৈছিল।

অসমীয়াত অপাদান কাৰক বুজাবলৈ কোনো সুকীয়া বদ্ধ-প্রাকৃতি বা বিভক্তি নাই। বিশেষ্য বা সর্বনামৰ সম্বন্ধ কাৰকৰ ৰূপৰ পিছত 'পৰা' পৰসর্গ বহুৱাই, অর্থাৎ বিশেষ্য বা সর্বনামৰ পিছত {-ৰ পৰা} যোগ কৰি অপাদান কাৰকৰ পদ গঠন কৰা হয়। পোনপটীয়া কাৰক বিভক্তি নথকা কাৰণে কিছুমানে অসমীয়াত অপাদান কাৰক নাই বুলি ক'ব খোজে। এই মত ভিত্তিহীন। ইংৰাজী ভাষাত সম্বন্ধৰ বাহিৰে অন্য কাৰক বিভক্তি নথকা সত্ত্বেও Fillmore এ ইংৰাজীত Agentive, Objective, Instrumental আদি ছটা কাৰকৰ স্থিতি বিচাৰি পাইছে। অসমীয়াত অপাদান কাৰক আছে, মাথো এই কাৰক বুজাবলৈ কোনো অযৌগিক কাৰক-বিভক্তি নাই। অসমীয়াত যি যৌগিক প্রাকৃতি বা বিভক্তিৰ সহায়ত অপাদান কাৰক বুজোৱা হয় তাৰ কোনো উপাকৃতি নাই। অপাদান কাৰকৰ কেইটামান উদাহৰণ দিয়া হ'ল।

{- অৱ পৰা, -ৰ পৰা} ঃ /সি নগাৱঁৰ পৰা ধুবুৰীলৈ বদলি হ'ল/
/গছৰ পৰা পাত সৰিল/
/তেওঁৰ পৰা এশ টকা আনিলোঁ/

৭। **অধিকৰণ কাৰক (Locative Case) ঃ**

যি বিশেষ্য, সর্বনাম অথবা ক্রিয়া-বিশেষণ পদ কোনো ক্রিয়াৰ কার্য সাধনৰ স্থান বুজাবৰ কাৰণে ব্যৱহাৰ কৰা হয় সেই পদৰ ক্রিয়াৰ লগত অধিকৰণ কাৰকৰ সম্বন্ধ হোৱা বুলি কোৱা হয়। অধিকৰণ কাৰকক দুই ভাগত ভগাব পাৰি— স্থানাধিকৰণ আৰু কালাধিকৰণ। কোনো স্থানবাচক শব্দ অধিকৰণত ব্যৱহাৰ কৰিলে তাক কালাধিকৰণ কাৰক বুলি গণ্য কৰা হয়।

অধিকৰণ কাৰকৰ বদ্ধ-প্রাকৃতিসমূহৰ ভিতৰত {- অত} সবাতোকৈ বেছি উৎপাদনশীল। ব্যঞ্জনান্ত শব্দত {-অত}, স্বৰান্ত শব্দত {-ত}, পুনৰাবৃত্ত শব্দত {-এ} আৰু কিছুমান সময় বুজোৱা শব্দত {- ø} যোগ কৰা হয়। যেনে—

{- অত} ঃ /দেউতা ঘৰ - অত > ঘৰত নাই।/
/বজাৰ - অত > বজাৰত বোমা ফুটিছে।/
/দিন - ত > দিনত তৰা নেদেখি।/

{- ত} ঃ /নলবাৰী - ত > নলবাৰীত ৰাস হয়।
/বাৰী - ত > বাৰীত তামোলৰ গছ আছে।/
/সভা দহ বজা - ত > বজাত আৰম্ভ হ'ব/

{-এ} ঃ /আজিকালি ঘৰ - এ > ঘৰে ঘৰে স্নাতক।/
/ৰাম বন - এ > বনে বনে ঘুৰি ফুৰিছিল।/
/দেওবাৰ - এ > দেওবাৰে দেওবাৰে হাট বহে।/

{- ø} ঃ /ফেঁচাই ৰাতি - ø > ৰাতি ভালকৈ দেখে।/
/তেওঁ গধূলি - ø > গধূলি ৰাস্তাত ফুৰে।/
/কাইলৈ - ø > কাইলৈ দৰমহা দিয়া হ'ব।/

মন কৰিবলগীয়া যে সময় বুজোৱা 'দিন' আৰু 'বজা' শব্দত {- অত} যুক্ত হয় যদিও 'বাৰ' শব্দত {-এ} আৰু দিনৰ ভাগ বুজোৱা সময়বাচক শব্দত {-য} বদ্ধ-প্রাকৃতি যুক্ত হয়। এয়াও এক যাদৃচ্ছিক (arbitrary) প্রণালী। আন এটা মনকৰিবলগীয়া কথা এয়ে যে কোনো ব্যক্তিবাচক সর্বনাম অধিকৰণ কাৰকত ব্যৱহাৰ কৰিব লাগিলে তাত কাৰকৰ বদ্ধৰূপ পোনে পোনে লগ নালাগে; সর্বনাম শব্দৰ সম্বন্ধৰ ৰূপৰ পিছত ওপৰ - অত > ওপৰত যোগ কৰা হয়। যেনে,—

/তেওঁ - ৰ > তেওঁৰ ওপৰত ভৰসা নাই।/
/আপুনি - ৰ > আপোনাৰ ওপৰত মোৰ আস্থা আছে।/

স্নাতকোত্তৰ মহলৰ ছাত্ৰ-ছাত্ৰীৰ উপযোগী হোৱাকৈ অসমীয়া কাৰক প্ৰকৰণ সম্পৰ্কীয় কথাবোৰ, সৰ্বাধুনিক চিন্তা আৰু তথ্য সহকাৰে, যথেষ্ট বিস্তৃতভাৱে দিবৰ যত্ন কৰা হৈছে। এইবোৰ কথা ছাত্ৰ-ছাত্ৰীৰ জ্ঞানৰ সম্প্ৰসাৰণত সহায়ক হ'ব। পৰীক্ষাৰ প্ৰশ্নোত্তৰৰ কাৰণে তেওঁ বিতৰ্কিত কথাবোৰলৈ নগৈ পৰম্পৰাগত ৰীতি অনুযায়ী কথাবোৰ উদাহৰণ সহ ব্যাখ্যা কৰিলেই যথেষ্ট হ'ব। উদাহৰণস্বৰূপে 'অসমীয়াত কাৰক কেইপ্ৰকাৰ আৰু কি কি' বুলি সুধিলে তেওঁলোকে পৰম্পৰাগত ক্ৰমত, 'কৰ্তাৰ পৰা 'অধিকৰণ'লে বৰ্ণনা কৰি তাত দেখা সাম্প্ৰতিক পৰিৱৰ্তনবোৰৰ কথা ক'লেই যথেষ্ট হ'ব। প্ৰশ্নৰ উত্তৰ দিওঁতে তেওঁলোকে সোধা কথাৰ পোনপটীয়া উত্তৰ দিবলৈ যত্ন কৰিলে এই পাঠৰ ভিতৰতে সকলো সমল বিচাৰি পাব।

আত্মমূল্যায়ন প্ৰশ্ন

(১) নিমিত্ত কাৰকত বদ্ধ-প্ৰাকৃতি যোগ কৰাৰ সময়ত ব্যক্তিবাচক সৰ্বনামৰ কেনে পৰিৱৰ্তন হয় ?

.....

.....

.....

(২) নতুন প্ৰজন্মই 'অহা', যোৱা' আদি গতিবাচক ক্ৰিয়াৰ লগত কেনে ধৰণৰ বদ্ধ-প্ৰাকৃতিযুক্ত নিমিত্ত কাৰকৰ পদ ব্যৱহাৰ কৰে ?

.....

.....

.....

(৩) নিমিত্ত অপাদান আৰু অধিকৰণ কাৰকৰ মাজত কি বিষয়ত ঐক্য আছে?

.....

.....

.....

(৪) {-এ} বদ্ধ-প্ৰকৃতি কি কি কাৰক গঠন কৰিবলৈ ব্যৱহাৰ হয়? কি কি সন্দৰ্ভত ই যুক্ত হ'ব পাৰে?

.....

.....

.....

(৫) কি কি কাৰকত কি সন্দৰ্ভত {-ø} বদ্ধ-প্ৰাকৃতি যুক্ত হয়?

.....

.....

.....

৫.৬ সাৰাংশ (Summing Up)

বিভক্তি যোগত বাক্যত বিশেষ্য বা সর্বনাম শব্দই প্রধানকৈ ক্রিয়াৰ লগত স্থাপন কৰা সম্পর্ককে কাৰক বুলি কোৱা হয়। কেতিয়াবা বিশেষ্য বা সর্বনামৰ লগত সম্পর্ক দেখিবলৈ পোৱা যায় ইয়াক সম্বন্ধ পদ বুলি কোৱা হয়। অসমীয়া ভাষাত কাৰক ছবিধ— কর্তা, কর্ম, কৰণ, নিমিত্ত, অপদান আৰু অধিকৰণ। অসমীয়া ভাষাত কাৰক আৰু সার্থকপদ বুজাবলৈ দুটা উপায় অৱলম্বন কৰা হয়— বিভক্তি যোগ কৰি আৰু ষষ্ঠী বিভক্তি '-ৰ'ৰ পিছত অনুপদ যোগ কৰি। অসমীয়া ভাষাত কাৰক বিভক্তি ছয়বিধ— প্রথমা, দ্বিতীয়া, তৃতীয়া, চতুর্থী, ষষ্ঠী, আৰু সপ্তমী। কর্তাআৰু কর্ম কাৰকত শূণ্য বিভক্তিৰ প্রয়োগ হয়। কাৰণ কাৰকত আৰু সম্বন্ধ পদবুজাবলৈ কাৰক বিভক্তিৰ উপৰি অনুপদৰ প্রয়োগ হয়। কাৰক অনুযায়ী এই ভাষাত প্রয়োগ হোৱা কাৰক বিভক্তিসমূহ এনেধৰণৰ—

কর্তাকাৰক ঃ -ø, -এ, -ই; **কর্মকাৰক ঃ** -ø, -ক, -অক; **কৰণ কাৰক ঃ** -ৰে- এৰে, অনুপদ- দি, দ্বাৰা, হতুৱাই, সৈতে ইত্যাদি; **নৈমিত্তকাৰক ঃ** লৈ, অলৈ; **সম্বন্ধপদ ঃ** -ৰ; **অধিকৰণ কাৰক ঃ** -ত, -অত। অসমীয়া ভাষাত অপাদান কাৰক আছে কিন্তু কাৰক বিভক্তি নাই। সম্বন্ধ পদৰ ষষ্ঠী বিভক্তি -'ৰ'ৰ পিছত পৰা অনুপদ লগ লগাই অপাদান কাৰক বুজোৱা হয়।

৫.৭ আৰ্হি প্রশ্ন (Sample Questions)

১) কাৰক আৰু কাৰক বিভক্তি কি আলোচনা কৰক।

২) অসমীয়া কাৰকৰ বিষয়ে এটি প্রৱন্ধ যুগুত কৰক।

৩) অসমীয়া বাষাত কাৰক কেই প্রকাৰৰ? এই কাৰকৰ অর্থ প্রকাশ কৰিবলৈ প্রয়োগ কৰা কাৰকৰ বিভক্তি সমূহ কি কি?

৪) অসমীয়া ভাষাত কাৰকৰ বোধ জন্মাবলৈ কি কি উপায় অৱলম্বন কৰা হয়?

৫) চমুটোকা লিখা ঃ

কাৰক, সম্বন্ধপদ, অসমীয়া ভাষাৰ অপাদান কাৰক, নিমিত্ত কাৰক, শব্দ বিভক্তি

৫.৮ প্রসঙ্গ গ্রন্থ (References/Suggested Readings)

উপেন্দ্রনাথ গোস্বামী ঃ *অসমীয়া ভাষাৰ ব্যাকৰণ*

(—) *অসমীয়া ভাষাৰ ৰূপকথা*

গোলোক চন্দ্র গোস্বামী ঃ *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ*

(—) ঃ *অসমীয়া ব্যাকৰণ প্রবেশ*

ফনীন্দ্র নাৰায়ণ দত্তবৰুৱা ঃ *'কাৰক বিচাৰৰ নতুন চিন্তাধাৰা, সাহিত্য সভা পত্রিকা*

ৰমেশ পাঠক ঃ *অসমীয়া ভাষাৰ ইতিহাস*
লীলাৱতী শইকীয়া বৰা ঃ *অসমীয়া ভাষাৰ ৰূপতত্ত্ব*
নৰনাৰায়ণ শর্মা ঃ *অসমীয়া ভাষাৰ ৰূপতত্ত্ব আৰু ব্যাকৰণ*
G. C. Goswami ঃ *Structure of Assamese*

***

ষষ্ঠ বিভাগ

অসমীয়া ভাষাৰ ক্রিয়াপদ

বিভাগৰ গঠন ঃ

৬.১ ভূমিকা (Introduction)

৬.২ উদ্দেশ্য (Objectives)

৬.৩ ধাতুৰ সংজ্ঞা

৬.৪ অসমীয়া ধাতুৰ শ্রেণী বিভাজন

৬.৫ অসমীয়া ক্রিয়াপদ

৬.৬ অসমীয়া ভাষাৰ অন্যান্য ক্রিয়া

৬.৭ অসমীয়া ক্রিয়াৰ অন্যান্য দিশ

৬.৮ ধাতুৰূপ

৬.৯ সাৰাংশ (Summing Up)

৬.১০ আৰ্হিপ্রশ্ন (Sample Questions)

৬.১১ প্রসংগ গ্রন্থ (References/Suggested Readings)

৬.১ ভূমিকা (Introduction)

পূর্বৱর্তী বিভাগটিত অসমীয়া ভাষাৰ কাৰক আৰু কাৰক বিভক্তি সম্পর্কে আলোচনা কৰা হৈছে। এই বিভাগটিত অসমীয়া ভাষাৰ ধাতু ক্রিয়াপদ আৰু ধাতুৰূপৰ বিষয়ে আলোচনা দাঙি ধৰা হ'ব।

ৰূপতত্ত্বৰ এটি গুৰুত্বপূর্ণ দিশ হ'ল ক্রিয়াপদ। ক্রিয়াপদ অব্যয় পদৰ এটি প্রধান ভাগ। কোনো কাম কৰা বা হোৱা বা ঘটা বুজোৱা পদবোৰকে ক্রিয়াপদ বোলা হয়। ভাষা এটাৰ ৰূপতত্ত্বৰ ভালেমান দিশ ক্রিয়াপদৰ লগত সম্পর্কিত। ধাতু, কাল, ভাৱ বাক্যৰ সেইবোৰ সময়তহে ক্রিয়াপদৰ কার্যপদ্ধতি সংযোগ হৈ আছে।

ধাতুৰ লগত পুৰুষবাচক, কালবাচক আৰু ভাৱবাচক বিভিন্ন সর্গবোৰ লগ হৈ ক্রিয়াপদ গঠন হয়। ধাতুত পুৰুষ, কাল আৰু ভাৱ অনুযায়ী বিভিন্ন বিভক্তি যোগ কৰি ক্রিয়াৰ বিভিন্ন ৰূপ আৰু ব্যৱহাৰ নির্দেশ কৰাই হৈছে ধাতুৰূপ। এই বিভাগটিত অসমীয়া ভাষাৰ ক্রিয়াপদ আৰু ধাতুৰূপৰ বিভিন্ন দিশ আলোচনা কৰাৰ প্রয়াস কৰা হ'ব।

৬.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- ধাতুৰ বিষয়ে ধাৰণা লাভ কৰি অসমীয়া ধাতুৰ শ্রেণীবিভাজন কৰিব পাৰিব,

- অসমীয়া ভাষাৰ ক্রিয়াপদ আৰু ক্রিয়াপদৰ শ্রেণী বিভাজন সম্পর্কে পর্যালোচনা আগবঢ়াব পাৰিব,
- অসমীয়া ভাষাৰ ধাতুৰূপ সম্পর্কে বিচাৰ কৰিব পাৰিব।

৬.৩ ধাতুৰ সংজ্ঞা ঃ

ক্রিয়াপদৰ মুলকেই ধাতু বুলি কোৱা হয়। যিকোনো ভাষাত ধাতুৰ লগত বিভিন্ন সর্গ বিলাক যেনে— পুৰুষবাচক সর্গ, দশাবাচক সর্গ অথবা কালবাচক সর্গবোৰ লগ লাগি ক্রিয়া পদৰ গঠন কৰে। অর্থাৎ ভাষা এটাত ব্যৱহাৰ হোৱা বদ্ধ প্রাকৃতি বা সর্গবিলাক আঁতৰালে যিটো নুন্যতম ৰূপ পোৱা যায় তাকে ধাতু বুলি কোৱা হয়। উদাহৰণ স্বৰূপে, অসমীয়া ভাষাৰ কৰ্, কৰা, কৰক, কৰে, কৰোঁ, কৰিলে, কৰিছিল, কৰিব, কৰিম, কৰিলোহেঁতেন আদিবোৰ ক্রিয়াপদ। এই পদবোৰৰ পৰা কৰ্-ø, কৰিম= কৰ-ইম-ø, কৰা= কৰ্-আ, কৰক=কৰ্-অক, কৰে= কৰ্-এ, কৰো = কৰ্-ওঁ, কৰিলে = কৰ্-ইল-এ, কৰিছিল= কৰ্-ইছ্-ইল-ø, কৰিব = কৰ্-ইব-অ, কৰিলোহেতেন = কৰ্-ইল-ও-হেঁতেন তলত আচ টনা বদ্ধৰূপবিলাক আঁতৰাই দিলে এটা সূক্ষ্মৰূপ পোৱা যাব। সেয়া হ'ল 'কৰ্। এই 'কৰ্ হ'লসেই ক্রিয়াপদবোৰৰ মূল। সেয়াই ধাতু। প্রায়বোৰ ধাতুতে বদ্ধ প্রাকৃতিসমূহত প্রত্যক্ষভাৱে লগ লাগি ক্রিয়া পদ গঠন কৰে। কেতবোৰ ধাতুবদ্ধ প্রকৃতি লগ লগাৰ আগত তির্যক ৰূপ লাভ কৰে।

৬.৪ অসমীয়া ধাতুৰ শ্রেণীবিভাজন ঃ

অসমীয়া ভাষাৰ ধাতুক উৎপত্তি, প্রকৃতি আৰু গাঠনিক দিশলৈ চাই প্রধানকৈ তিনিটা ভাগত ভাগ কৰিব পাৰি—

(১) মুখ্য বা মৌলিক ধাতু (Primary Roots)
(২) গৌণ বা সাধিত ধাতু (Secondary Roots বা Derivatives)
(৩) যৌগিক ধাতু (Compounded Roots)

(১) মুখ্য বা মৌলিক ধাতু (Primary Roots) ঃ

যিবোৰ ধাতুক অর্থপূর্ণভাৱে খণ্ডিত কৰিব নোৱাৰি অর্থাৎ যিবোৰ ধাতু স্বয়ং সিদ্ধ সেইবোৰে হ'ল মুখ্য বা মৌলিক ধাতু। যেনে— খা, যা, কৰ্, মৰ্, শুন্, উৰ্, পঢ়্, উজা, ওপজ্, ওলম্, আন্, ফুৰ্, নাচ্, কাট্ ইত্যাদি।

(২) গৌণ বা সাধিত ধাতু (Secondary Roots বা Derivatives)

অসমীয়া ভাষাত গৌণধাতু দুই প্রকাৰৰ—
(ক) পাঁচনী ধাতু আৰু (খ) নাম ধাতু

এই দুইবিধৰ ওপৰি ধ্বন্যাত্মক ধাতুকো গৌণধাতু বা সাধিত ধাতুৰ আওতালৈ আনি আলোচনা কৰা হয়।

(ক) পাঁচনী ধাতু ঃ

কোনো এটা কার্য কর্তাই নিজে নকৰি আনৰ দ্বাৰা কৰোৱা বা আনক পাচি কৰা বুজোৱা ধাতুবোৰকে পাঁচনী ধাতু বুলি কোৱা হয়। মৌলিক ধাতুৰ পিছত '-আ' আৰু '-উৱা' বা '-ওৱা' প্রত্যয় যোগ কৰি পাঁচনী ধাতু গঠন কৰা হয়। পাঁচনী ধাতুত পুৰুষবাচক, কালবাচক বদ্ধ প্রাকৃতি লগলগাই পাঁচনী ক্রিয়া গঠন কৰা হয়। অসমীয়া ভাষাত পাঁচনী ধাতু গঠন কৰা কেতবোৰ উদাহৰণ—

-আ ঃ ক্ + আ = কোৱা
ল + আ = লোৱা
দি + আ = দিয়া
কৰ + আ = কৰা
নাচ + আ = নচা
কাট + আ = কটা ইত্যাদি।

(খ) নামধাতু ঃ

নামপদত সাধাৰণতে বিশেষ্য বা বিশেষণ শব্দত সর্গ যোগ কৰি এক প্রকাৰ সাধিত ধাতু গঠন কৰা হয়। এই প্রকাৰ ধাতুক নামধাতু বুলি কোৱা হয়। অসমীয়া ভাষাত নামপদত তিনিটা প্রত্যয় যোগ কৰি নামধাতু গঠন কৰা হয় ঃ -আ, -ইয়া আৰু -উৱা। এই প্রত্যয়বোৰ যোগ হ'লে কেতিয়াবা নামপদটোৰ আদ্যস্বৰৰ পৰিবর্তন ঘটে। অসমীয়া ভাষাৰ কেতবোৰ নামধাতুৰ উদাহৰণ—

'-আ' প্রত্যয়যুক্ত ঃ কিল্ + আ = কিলা
চব্ + আ = চৰা
বোল + আ = বোলা
ভুকু + আ = ভুকুৱা
লাঠি + আ = লঠিয়া
বহল + আ = বহলা

'-ইয়া' প্রত্যয়যুক্ত ঃ টাঙন + ইয়া = টঙনিয়া
ৰিঙ + ইয়া = ৰিঙিয়া

'-উৱা' প্রত্যয়যুক্তঃ আগ + উৱা = আগুৱা
পাচ + উৱা = পাচুৱা ইত্যাদি।

ধ্বন্যাত্মক ধাতু ঃ

কোনো ধ্বনিৰ অনুকৰণত সৃষ্টি হোৱা শব্দবোৰক ধ্বন্যাত্মক শব্দ বুলি কোৱা হয়। এই ধ্বন্যাত্মক শব্দবোৰৰ পিছত '-আ' প্রত্যয় লগ লগাই ধ্বন্যাত্মক শব্দ ন্ঠন কৰা

হয়। ধ্বন্যাত্মক ধাতুবোৰো এক প্রকাৰ নামধাতু। উদাহৰণ—

কেঁক + আ = কেঁকা

ফোঁপ + আ = ফোঁপা

দপ্‌দপ্‌ + আ = দপ্‌দপা

ফুচ্‌ফুচ্‌ + আ = ফুচ্‌ফুচা ইত্যাদি।

(৩) যৌগিক ধাতু ঃ

ভাষাবিদ উপেন্দ্রনাথ গোস্বামীৰ মতে 'কিছুমান ধাতুৰে বিশেষ্য বা বিশেষণ, অসমাপিকা ক্রিয়া, ক্রিয়াৰ ভৱিষ্যৎকালৰ তৃতীয় পুৰুষৰ ৰূপ, ক্রিয়াৰ অতীত কৃদন্ত ৰূপ, তুমুনন্ত ক্রিয়াৰূপ আৰু প্রত্যয়ান্ত ধাতুৰ পাছত লগলাগি ভিন্ন অর্থ প্রকাশক এক শ্রেণী নতুন ধাতুৰ সৃষ্টি কৰে।' এই ধাতুবোৰকে যৌগিক ধাতু বোলা হয়। এই ধাতুবোৰৰ মূল (base) দুটা। দুটা ভিন্নমূলীয় ৰূপৰ সংযোগত সৃষ্টি হোৱা এই ধাতুবোৰক যৌগিক বা সংযুক্ত ধাতু বোলা হয়। যেনে—

বিশেষ্য বা বিশেষণৰ পাছত ধাতু যোগ হৈ ঃ

শেষ কৰ্‌, চমু কৰ্‌, নাম কৰ্‌, ভাল কৰ্‌, শেষ কৰ, ভাল পা, ঘৰ খা ইত্যাদি

অসমাপিকা ক্রিয়াৰ পাছত ধাতু যোগ কৰি ঃ

খাই পেলা, পৰি যা, লৈ যা, বহি থাক, ৰাখি থ, কৈ চা, বাগৰি পৰ ইত্যাদি।

ক্রিয়াৰ ভৱিষ্যতকালৰ তৃতীয় পুৰুষৰ ৰূপৰ পাছত ধাতু যোগ কৰি ঃ

যাব পাৰ্‌, ক'ব পাৰ্‌, কৰিব পাৰ্‌, বহিব পাৰ্‌, পঢ়িব পাৰ্‌, যাব খোজ ইত্যাদি।

ক্রিয়াৰ অতীত কৃদন্ত ৰূপৰ পাছত ধাতু প্রয়োগ কৰি ঃ

ধৰা পৰ্‌, খোৱা কৰ্‌, মৰা পৰ্‌, শোৱা কৰ্‌, অহা-যোৱা কৰ্‌ ইত্যাদি।

নিমিত্তার্থক ক্রিয়া-ৰূপৰ পাছত ধাতু যোগ কৰি ঃ

পঢ়িবলৈ যা, লিখিবলৈ ধৰ, ৰান্ধিবলৈ যা, কৰিবলৈ ধৰ ইত্যাদি।

প্রত্যয়ান্ত ধাতুৰ পাছত আন ধাতু যোগ কৰি ঃ

বাগৰ দে, থেকেচ মাৰ, চোঁচ্‌ৰ খা, গচক মাৰ্‌ ইত্যাদি।

অসমীয়া ভাষাত ধাতুৰ এই বিভাজনৰ ওপৰি আন এটা বিভাজনো আছে। ধাতুৰ শেষত থকা ধ্বনি স্বৰ ধ্বনি নে ব্যঞ্জন ধ্বনি তাৰ ওপৰত ভিত্তি কৰি অসমীয়া ধাতুবোৰক স্বৰান্ত ধাতু আৰু ব্যঞ্জনান্ত ধাতু এই দুই প্রকাৰত ভাগ কৰিব পাৰি।

আত্মমূল্যায়ন প্রশ্ন

১। ধাতু আৰু ক্রিয়াপদৰ মাজত পার্থক্য কি? (২৫ টা মান শব্দৰ ভিতৰত উত্তৰ লিখক।)

.....

.....

.....

২। নামধাতু আৰু ধ্বন্যাত্মক ধাতুৰ মাজত পার্থক্য আছে নে? (৪০ টা মান শব্দৰ ভিতৰত দিয়ক।)

.....

.....

.....

৬.৫ অসমীয়া ভাষাৰ ক্রিয়াপদ

ক্রিয়াপদবোৰে কোনো কাম কৰা, হোৱা বা নোহোৱা বুজায়। বিবিধ ধাতুৰ লগত কাল, ভাৱ আৰু পুৰুষবাচক বিভক্তি যোগ কৰি ক্রিয়াপদ গঠন কৰে। পুৰুষবাচক বিভক্তিসমূহ কেতিয়াবা (বর্তমান কালত) ধাতুত পোনপটীয়াকৈ লগ লাগে। কেতিয়াবা দশা বা কাল বুজোৱা বিভক্তিসমূহ লগ লগাৰ পাছত পুৰুষবাচক বিভক্তিসমূহ লগ লাগি ক্রিয়া পদ গঠন কৰে। যেনে—

মই ভাত খালোঁ।

সি ঘৰলৈ গ'ল।

মানুহজনে কামটো কৰিলে।

আপুনি যাব।

তুমি গৈছিলা।

তেওঁ নাখালে।

ওপৰৰ আচটনাবোৰ ক্রিয়াপদৰ উদাহৰণ।

অসময়ীয়া ভাষাত ক্রিয়াপদক কার্যৰ সমাপ্তি বা অসমাপ্তিৰ ওপৰত নির্ভৰ কৰি দুটা ভাগত ভগাব পাৰি—

(১) সমাপিকা ক্রিয়া আৰু

(২) অসমাপিকা ক্রিয়া

সমাপিকা ক্রিয়া ঃ যিবোৰ ক্রিয়াৰ কার্যৰ সমাপ্তি বুজেৰাৰ লগতে বাক্য শেষ হোৱা বুজায় সেইবোৰ ক্রিয়াক সমাপিকা ক্রিয়া বোলে।

যেনে— তেওঁ ভাত খালে।

মানুহজন গ'ল। ইত্যাদি।

অসমাপিকা ক্রিয়া ঃ যিবোৰ ক্রিয়াই কার্য সম্পূর্ণ হোৱাৰ অর্থ প্রকাশ কৰিব নোৱাৰে অথবা বাক্যৰ অর্থ সম্পূর্ণ কৰিব নোৱাৰে তেনেবোৰ ক্রিয়াক অসমাপিকা ক্রিয়া বোলা হয়। এনেবোৰ ক্রিয়াই কার্য সম্পূর্ণ কৰা বা বাক্য সম্পূর্ণ কৰাৰ বাবে অন্য ক্রিয়াৰ সহায় ল'ব লাগে। যেনে— ল'ৰাজনে ভাত খাই শুলে। ইয়াত খাই ক্রিয়াই কার্য বা বাক্য সম্পূর্ণ কৰিব পৰা নাই। 'শুলে' ক্রিয়াইহে কার্য বা বাক্য সম্পূর্ণ কৰিছে। 'শুলে' সমাপিকা ক্রিয়া আৰু 'খাই' অসমাপিকা ক্রিয়া। অসমীয়া ভাষাত সাধাৰণতে 'ই' প্রত্যয় ক্রিয়াৰ লগত লগ লগাই অসমাপিকা ক্রিয়া গঠন কৰা হয়।

বাক্যত ক্রিয়াৰ কর্ম থকা বা নথকাৰ ওপৰত নির্ভৰ কৰি সমাপিকা ক্রিয়াক দুভাগত ভগাব পাৰি—

(ক) সকর্মক ক্রিয়া আৰু

(খ) অকর্মক ক্রিয়া

(ক) সকর্মক ক্রিয়া ঃ যিবিলাক সমাপিকা ক্রিয়াৰ কর্ম থাকে, সেইবোৰে হ'ল সকর্মক ক্রিয়া। যেনে—

তেওঁ ভাত খালে।

মই কিতাপ পঢ়ো।

শিক্ষকে ছাত্রক অংক শিকাইছে।

ওপৰৰ বাক্যবোৰত ভাত, কিতাপ, ছাত্রক, অংক আদি কর্ম। তৃতীয় বাক্যটোত শিকাইছে ক্রিয়াটোৰ ছাত্র আৰু অংক দুটা কর্ম আছে। দুটা কর্ম থকা ক্রিয়াক দ্বিকর্মক ক্রিয়া বুলি কোৱা হয়।

(খ) অকর্মক ক্রিয়া ঃ যিবিলাক ক্রিয়াৰ কোনো কর্ম নাথাকে তেনেবোৰ ক্রিয়াক অকর্মক ক্রিয়া বোলা হয়। যেনে—

মানুহ মৰে।

চৰাই উৰে

ওপৰৰ বাক্য দুটাৰ 'মৰে' আৰু 'উৰে' ক্রিয়া দুটাৰ কোনো কাম নাই। সেয়েহে এই দুটা অকর্মক ক্রিয়া।

আত্মমূল্যায়ন প্রশ্ন

১। সাধাৰণতে কিহৰ ওপৰত ভিত্তিৰ কৰি অসমীয়া ভাষাৰ ক্রিয়া পদৰ বিভাজন কৰা হয়? (৪০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

.....

.....

.....

৬.৬ অসমীয়া ভাষাৰ অন্যান্য ক্রিয়া ঃ

ওপৰত আলোচনা কৰা ক্রিয়াবোৰৰ উপৰিও অসমীয়া ভাষাত আৰু কেতবোৰ ক্রিয়াপদ পোৱা যায়। যেনে— পাচনী ক্রিয়া, নাম ক্রিয়া, নঞৰ্থক ক্রিয়া, তুমুনন্ত বা নিমিতার্থ ক্রিয়া আৰু কৃদন্ত। তলত এইবোৰৰ বিষয়ে চমুকৈ আলোচনা কৰা হ'ল—

পাঁচনী ক্রিয়া ঃ পাচনী ধাতুৰ লগত কাল আৰু পুৰুষবাচক বিভক্তি যোগ কৰি গঠন হোৱা ক্রিয়াবোৰেই পাঁচনী ক্রিয়া। আনক পাঁচি বা আনৰ হতুৱাই কোনো কার্য বুজাবলৈ ধাতুৰ পিছত -অ, -ওৱা/-উৱা প্রত্যয় যোগ কৰি পাঁচনী ধাতু গঠন কৰা হয়। এই পাঁচনী ধাতুৰ লগত কালবাচক বা পুৰুষবাচক বিভক্তি লগ লাগি পাঁচনী ক্রিয়া গঠন হয়। যেনে—

সি কামটো কৰালে।
তুমি তাক পঢ়ুৱালা। ইত্যাদি।

নামক্রিয়া ঃ -আ, -ইয়া, -উৱা প্রত্যয় নাম শব্দত লগ লাগি নামধাতু গঠন হয়। সেই নামধাতুত কাল বাচক বা পুৰুষবাচক বিভক্তি লগ লাগি নাম ক্রিয়া গঠন হয়। যেনে—

মানুহজনে তাক টঙনিয়ালে।
ৰামে সুহুৰিয়াইছে।
আমি আগুৱাইছোঁ। ইত্যাদি

নঞৰ্থক ক্রিয়া ঃ যিবিলাক ক্রিয়াই কোনো কাম নকৰা, নোহোৱা নথকা আদি বুজাই সেইবোৰ ক্রিয়াক নঞৰ্থক ক্রিয়া বোলা হয়। অসমীয়া ভাষাত নঞৰ্থক ক্রিয়া বুজাবলৈ ক্রিয়া পদৰ আগত 'ন' উপসর্গ লগ লাগে। 'ন' উপসর্গ লগ লগাৰ সময়ত 'ন'ৰ লগত যুক্ত থকা 'অ' স্বৰ ধ্বনি ক্রিয়াৰূপটোৰ প্রথম স্বৰ অনুযায়ী পৰিবর্তন হয়। যেনে—

অঃ নকৰো, নগ'ল, নকৰে, নপঢ়ে।
আঃ নাখাওঁ, নাযাবা, নাপাওঁ, নাযাওঁ
ই ঃ নিদিওঁ, নিশিকে, নিলিখে, নিকিনো
উ ঃ নুৰে, নুশুলে, নুলুকায়, নুনুমাই
এ ঃ নেখেলে, নেমেলে, নেদেখি ইত্যাদি।

অনিয়মিত ক্রিয়া ঃ যিবোৰ ক্রিয়াৰ কাল আৰু পুৰুষ অনুসৰি ৰূপ নহয় সেইবোৰ ক্রিয়াকেই অনিয়মিত ক্রিয়া বোলে। অসমীয়া ভাষাত অনিয়মিত ক্রিয়া চাৰিটা— নাই, আছ, থাক্ আৰু বল্।

নিমিতার্থ ক্রিয়া বা তুমুনন্ত ঃ সাধাৰণতে নিমিত্ত অর্থ প্রকাশ কৰা 'ইব' প্রত্যায়ন্ত ধাতুৰ পিছত '-অৰ' আৰু '-অলৈ' যোগ কৰি নিমিত্তার্থক ক্রিয়া গঠন কৰা হয়। এই ক্রিয়াবোৰ অসমাপিকা ৰূপত পোৱা যায়। ধাতুত '-অৰ', '-অলৈ' লগ লগাৰ পিছত সহায়কাৰী সমাপিকা ক্রিয়া ব্যৱহাৰ কৰি নিমিত্তার্থক ক্রিয়া গঠন কৰা হয়। যেনে—

মই পঢ়িব খুজিছোঁ।

তেওঁ আহিবৰ হৈছে।

তেওঁ অংক শিকিবলৈ আহিছে।

কামটো কৰিবলৈ আছে। ইত্যাদি।

কৃদন্ত পদ ঃ কৃদন্ত পদবোৰ একপ্রকাৰ অসমাপিকা ক্রিয়া। কাল অনুযায়ী কৃদন্ত পদ তিনিবিধ—

ক) বর্তমানকালিক কৃদন্ত

খ) অতীত বা ভূতকালিক কৃদন্ত

গ) ভৱিষ্যতকালিক কৃদন্ত

বর্তমানকালিক কৃদন্ত ঃ -ওঁতা, আৰু -ওঁতে প্রত্যয়ান্ত পদবোৰে হ'ল বর্তমানকালিক কৃদন্ত। কোনো এটা ক্রিয়া সম্পন্ন কৰাজনক বা এটা ক্রিয়া কৰি থকা বুজাবলৈ ধাতুৰ পিছত -ওঁতা আৰু -ওঁতে যোগ কৰি বর্তমান কালিক কৃদন্ত গঠন কৰা হয়। যেনে—

কৰোঁতা, পঢ়োঁতা, ৰখোঁতা, খুৱাওঁতা, থাকোঁতে, চাওঁতে, যাওঁতে, শুনোতে, পঢ়োতে ইত্যাদি।

ভূতকালিক কৃদন্ত ঃ এই কৃদন্তবোৰ বিশেষণ ৰূপে সাধাৰণতে ব্যৱহাৰ হয়। ধাতুৰ পিছত '-আ' প্রত্যয় যোগ কৰি এই শ্রেণীৰ কৃদন্তবোৰ গঠন কৰা হয়। যেনে—

সদায় প্রার্থনা কৰা উচিত।

যোৱা কথা গ'ল।

কোৱা কথা।

হোৱা উচিত। ইত্যাদি।

ভৱিষ্যতকালিক কৃদন্ত ঃ ভৱিষ্যতকালীক কৃদন্তবোৰ বিশেষণৰূপে নামপদৰ আগত বা পাছত ব্যৱহাৰ হয়। ভৱিষ্যত কালৰ তৃতীয় পুৰুষৰ ক্রিয়াৰূপৰ পিছত '-লগীয়া' অনুপদ যোগ দি ভৱিষ্যত কৃদন্ত গঠন কৰা হয়।

ক'বলগীয়া কথাটো ক'ব লাগে।

এইটো ধৰিবলগীয়া কথা নহয়।

কৰিবলগীয়া কামটো কৰিব লাগে

আত্মমূল্যায়ন প্রশ্ন

১। তুমুনন্ত কিদৰে গঠন হয়? (৩০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক ।)

.....

.....

.....

২। কৃদন্তবোৰে কি ভাৱ প্ৰকাশ কৰে? (৪০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

.....

.....

.....

৬.৭ ক্ৰিয়া পদৰ অন্যান্য দিশ ঃ

ক্ৰিয়া পদৰ পুৰুষ ঃ

কৰ্তা অনুযায়ী অসমীয়া ভাষাৰ ক্ৰিয়াপদৰ পুৰুষ তিনিটা—

(১) প্ৰথম পুৰুষ (First person)

(২) দ্বিতীয় পুৰুষ (Second person)

(৩) তৃতীয় পুৰুষ (Third person)

ক্ৰিয়াৰ যি বক্তা সিয়ে প্ৰথম পুৰুষ। অসমীয়া ভাষাত মই, আমি ক্ৰিয়াৰ প্ৰথম পুৰুষৰ কৰ্তা। যাক লক্ষ্য কৰি কিবা কোৱা যায় সেয়াই কৰ্ম। তই, তুমি, আপুনি, তহঁত, তোমালোক, আপোনালোক দ্বিতীয় পুৰুষৰ ক্ৰিয়াৰ কৰ্তা। যাক লক্ষ্য কৰি বা যাৰ বিষয়ে কিবা কোৱা হয় সেয়াই তৃতীয় পুৰুষ। সি, তাই, তেওঁ, তেখেত, সিহঁত তেওঁলোক তৃতীয় পুৰুষৰ ক্ৰিয়াৰ কৰ্তা। পুৰুষৰ মান্য আৰু তুচ্ছ এই দুটা উপৰূপ পোৱা যায়।

ক্ৰিয়াপদৰ ভাব (mood) ঃ

যাৰ দ্বাৰা সাধাৰণ ভাৱ প্ৰকাশৰ উপায়েই হ'ল নিৰ্দেশক ভাৱ। বৰ্তমান, অতীত, ভৱিষ্যতৰ তিনিওটা কালৰে ক্ৰিয়াপদৰ নিৰ্দেশক ভাৱ হ'ব পাৰে। নিৰ্দেশক ভাৱে ক্ৰিয়াৰ কাৰ্যক কোনো এটা সময়ৰ বৰ্ণনা দিয়ে। সেয়ে—

মই ভাত খালোঁ।

তেওঁ পঢ়িলে।

সি পঢ়িব।

ক্ৰিয়াৰ অনুজ্ঞা ভাৱত আদেশ, অনুমতি, অনুৰোধ, আশীৰ্বাদ, ইচ্ছা আদি অৰ্থ প্ৰকাশ পায়।

ক্ৰিয়াৰ কাল ঃ

ক্ৰিয়াপদৰ কাৰ্য সম্পাদনৰ সময়ৰ সূচনা দিব পৰা ক্ষমতাই হ'ল কাল। বাক্য এটাত ব্যৱহৃত ক্ৰিয়াপদৰ ক্ৰিয়াই সংঘটিত কৰা কাৰ্য সাধনৰ সময় নিৰ্দেশ কৰে। ক্ৰিয়াৰ কাৰ্য ইতিমধ্যে সংঘটিত হৈছে নে বৰ্তমান সময়ত সংঘটিত হৈ আছে নে ভৱিষ্যতে সংঘটিত হ'ব এই কথাৰ নিৰ্দিষ্টতা ক্ৰিয়া পদটোৱে দিব পাৰে। সেয়াই ক্ৰিয়াৰ কাল। অসমীয়া ভাষাত ক্ৰিয়াৰ কাল তিনিটা— বৰ্তমান, অতীত আৰু ভৱিষ্যৎ। বৰ্তমান কালৰ অনুজ্ঞা (দশা), নিত্য বৰ্তমান আৰু স্বৰূপ বৰ্তমান; অতীত বা ভূত কালৰ স্বৰূপ ভূত আৰু অপূৰ্ণভূত,

এই কেইটা ৰূপ পোৱা যায়। এই কালসমূহ বুজাবলৈ ধাতুত কালবাচক বিভক্তি সমূহ লগ লাগে আৰু তাৰ পিছত পুৰুষবাচক বিভক্তি সমূহ লগ লাগি ক্রিয়া গঠন হয়।

ক্রিয়াৰ দশা ঃ

কোনো কালত ক্রিয়াই বুজোৱা কার্য সম্পাদনৰ স্থিতি, যেনে— কার্যসম্পন্ন হোৱা বা চলি থকা আদি কথাৰ ধাৰণা 'দশা'ই দিয়ে। অসমীয়া ভাষাত বর্তমান, অতীত আৰু ভৱিষ্যত কালৰ তিনিটা দশা আছে। সামান্য, সম্পন্ন আৰু অসম্পন্ন বা চলিত দশা বুজাবলৈ ধাতুৰ পিছত ক্রমে '- ø', '-ইছ্', '-ই -আছ' বিভক্তি যোগ কৰা হয়। উদাহৰণ স্বৰূপে, 'পঢ়্ ধাতুত দশা সূচক বিভক্তি লগ লাগিলে ক্রিয়াপদসমূহৰ এনেদৰে পৰিবর্তন হ'ব।

দশা	কাল	ধাতু	বিভক্তি	ক্রিয়াপদ
সামান্য	বর্তমান	পঢ়্	- ø - ওঁ	পঢ়োঁ
	অতীত		-ইছ্ -ইল্+ওঁ	পঢ়িছিলোঁ
	ভৱিষ্যৎ		- ø -ইম	পঢ়িম
সম্পন্ন	বর্তমান	পঢ়্	-ইছ্-ওঁ	পঢ়িছোঁ
	অতীত		-ইছ্-ইল-ও	পঢ়িছিলো
চলিত	বর্তমান	পঢ়্	-ই আছ্-ওঁ	পঢ়ি আছোঁ
	অতীত		-ই আছ্ -ইল -ওঁ	পঢ়ি আছিলোঁ
	ভৱিষ্যত		-ই থাক -ইব	পঢ়ি থাকিব

ক্রিয়াৰ বাচ্য ঃ

'বাচ্য' শব্দৰ অর্থ ক'বলগীয়া। ক্রিয়াৰ বাচ্য মানে ক্রিয়াৰ ক'বলগীয়া। সাধাৰণতে ক্রিয়াই কর্তাৰ বিষয়ে কয়। কেতিয়াবা কর্মৰ বিষয়ে কয় আৰু কেতিয়াবা কর্ত্তা-কর্ম দুয়োটাকে গুৰুত্বহীন কৰি ক্রিয়াৰ কার্যৰ বিষয়ে কয়। সেই অনুসৰি অসমীয়া ভাষাত বাক্য তিনিবিধ—

(ক) কর্তৃবাচ্য

(খ) কর্মবাচ্য

(গ) ভাৱবাচ্য

উদাহৰণ স্বৰূপে—

কর্তৃবাচ্য ঃ আমি ৰাতি আকাশত চন্দ্র দেখোঁ।

কর্মবাচ্য ঃ (ক) দিনত আকাশত চন্দ্র দেখা নাযায়।

(খ) দিনত আকাশত চন্দ্র নেদেখি

ভাৱবাচ্য ঃ কেতিয়া অহা হ'ল।

৬.৮ ধাতুৰূপ ঃ

ধাতু বা ক্রিয়াৰ মূলত ভাৰ, কাল, দশা আৰু পুৰুষ অনুযায়ী বিভিন্ন বিভক্তি যোগ কৰি বিভিন্ন ক্রিয়া পদ (সমাপিকা) গঠন কৰা হয়। এনেদৰে ক্রিয়াৰ বিভিন্ন ৰূপ আৰু ব্যৱহাৰ নির্দেশ কৰাই হ'ল ধাতুৰূপ। ধাতুত ক্রিয়াৰ বিভিন্ন ৰূপ আৰু ব্যৱহাৰ নির্দেশ কৰাই হ'ল ধাতুৰূপ। ধাতুত সাধাৰণতে কালবাচক আৰু পুৰুষবাচক বিভক্তি যোগ হলেহে ক্রিয়াপদ গঠন হয়। এই দুবিধ বিভক্তিৰ ওপৰি দশ সূচক বিভক্তি কেতবোৰো ধাতুৰ লগত কেতিয়াবা লগ লাগে। আনহাতে কেতবোৰ সুকীয়া পুৰুষবাচক বিভক্তিৰ সহায়ত অনুজ্ঞাৰ ভাৱ প্রকাশ কৰা হয়। ধাতুৰ পৰা ক্রিয়াপদ গঠন কৰা এই বিভক্তিসমূহে হ'ল ক্রিয়া বিভক্তি। এই বিভক্তিসমূহ তলত তালিকা অনুসৰি দেখুওৱা হ'ল।

পুৰুষবাচক বিভক্তি ঃ

পুৰুষবাচক বিভক্তিসমূহ বর্তমান কালত ধাতুত পোনপটীয়াকে লগ লাগে। কেতিয়াবা দশা বা কালবাচক বিভক্তিসমূহ লগ লগাৰ পাছত লগ লাগে। পুৰুষবাচক বিভক্তি লগ লগাৰ পিছতহে ক্রিয়াপদ বুলি পৰিগণিত হয়। অসমীয়া ভাষাত ব্যৱহাৰ হোৱা পুৰুষবাচক বিভক্তিসমূহ পুৰুষ অনুসৰি তলত দিয়া ধৰণে তালিকাভুক্ত কৰিব পাৰি।

	কাল	পুৰুষবাচক বিভক্তি			
		প্রথম	দ্বিতীয়		তৃতীয়
			তুচ্চ	মান্য	
বর্তমান	অনুজ্ঞা	—	—০	-আ	-অক, -ওক
	নিত্য বর্তমান	-ওঁ	-অ	-আ	-এ, -য়
	স্বৰূপ বর্তমান	-ওঁ	-অ	-আ	-এ
ভূত	সাধাৰণ ভূত	-ওঁ	-ই	-আ	-এ
	অপূর্ণ ভূত	-ওঁ	-ই	-আ	-০
ভৰিষ্যৎ	ভৰিষ্যৎ	-ম	-ই	আ	-০

কালবাচক বিভক্তি ঃ

আমি জানো যে অসমীয়া ভাষাত ক্রিয়াৰ প্রধান কাল তিনিটা— বর্তমান, ভূত বা অতীত আৰু ভৰিষ্যৎ। এই কালসমূহ বুজাবলৈ ধাতুত ভিন্ন ভিন্ন কালবাচক বিভক্তি যোগ দিয়া হয়। কালবাচক বা সময়সূচক বিভক্তি লগ লগাৰ পিছত পুৰুষবাচক বিভক্তি লগ লাগি ক্রিয়া গঠন হয়। পুৰুষবাচক বিভক্তি লগ নলগাকৈ কালবাচক বিভক্তি লগ লাগিব নোৱাৰে। কালবাচক বিভক্তিসমূহ এনেদৰে তালিকাভুক্ত কৰিব পাৰি—

কাল	বিভক্তি
বর্তমান	-০
ভূত বা অতীত	-ইল্, -ল
ভৱিষ্যৎ	-ইব

দশাসূচক বিভক্তি ঃ

অসমীয়া ভাষাত ক্রিয়াৰ দশা আৰু দশাসূচক বিভক্তিৰ বিষয়ে ৬.৭ অনুচ্ছেদত আলোচনা কৰি অহা হৈছে। ধাতুত প্রথমে দশাসূচক বিভক্তি লগ লাগে তাৰ পাছতহে ক্রমে কালবাচক বিভক্তি আৰু শেষত পুৰুষবাচক বিভক্তি লগ লাগি ক্রিয়াপদৰ গঠন হয়।

ধাতুৰূপৰ তালিকা ঃ

ওপৰৰ আলোচনাৰ পৰা এইটো স্পষ্ট হ'ল যে ধাতুত প্রথমতে দশাসূচক তাৰ পাছত কালবাচক আৰু শেষত পুৰুষবাচক বিভক্তি লগ লাগি ক্রিয়াৰ বিভিন্নৰূপ বা ব্যৱহাৰ নির্দেশ কৰে। এয়াই হৈছে ধাতুৰূপ। ধাতুৰূপত যোগ হোৱা দশাবাচক, কাল, ভাৰ আৰু পুৰুষবাচক বিভক্তিবোৰ এনেদৰে তালিকাভুক্ত কৰিব পাৰি—

প্রধান কাল	কাল আৰু দশাৰ বিভাগ	ভাব	দশাবাচক বিভক্তি	কালবাচক বিভক্তি	পুৰুষবাচক বিভক্তি			
					প্রথম পুৰুষ	দ্বিতীয়পুৰুষ		তৃতীয় বিভক্তি
						তুচ্চ	মান্য	
বর্তমান		অনুজ্ঞা			-	-ø	-আ	-অক,-ওক
	নিত্য বর্তমান				-ওঁ	-অ	আ	-এ, -য়
	স্বৰূপ বর্তমান		-ইছ		ওঁ	-অ	-আ	-এ
ভূত বা অতীত	সাধাৰণ ভূত			-ই/ল	-ওঁ	-ই	-আ	-এ
	অপূর্ণভূত		-ইছ	-ইল্	-ওঁ	-ই	-আ	-ø
ভৱিষ্যৎ	ভৱিষ্যৎ			-ইব	ইম/-ম	-ই	-আ	-ø

এই বিভক্তি বিলাক ধাতুৰ পিছত লগ লাগিহে অসমীয়া ভাষাত ক্রিয়া পদ গঠন হয়। অসমীয়া ভাষাৰ এটা অ-কাৰন্ত ধাতু 'ক' আৰু এটা আকাৰন্ত ধাতু 'মা'— এই ধাতু দুটাৰ ৰূপ কৰি তলত দেখুওৱা হ'ল—

ধাতু ৰূপ ঃ অ-কাৰন্ত 'ক' ধাতু

কাল প্রথম পুৰুষ	দ্বিতীয় পুৰুষ		তৃতীয় পুৰুষ	
		তুচ্চ	মান্য	
নিত্য বর্তমান	মই কওঁ	তই কৰ	তুমি কোৱা	সি কয়
স্বৰূপ বর্তমান	মই কৈছোঁ	তই কৈছ	তুমি কৈছা	সি কৈছে
সাধাৰণ ভূতকাল	মই ক'লো	তই ক'লি	তুমি ক'লা	সি ক'লে
অপূর্ণ ভূতকাল	মই কৈছিলোঁ	তই কৈছিলি	তুমি কৈছিলা	সি কৈছিল
ভৱিষ্যৎ কাল	মই ক'ম	তই ক'বি	তুমি ক'বা	সি কৈছিল

ধাতু ৰূপ ঃ আ-কাৰন্ত 'যা' ধাতু

কাল	প্রথম পুৰুষ	দ্বিতীয় পুৰুষ		তৃতীয় পুৰুষ
		তুচ্চ	মান্য	
নিত্য বর্তমান	মই যাওঁ	তই যাৱ	তুমি যোৱা	সি যায়
স্বৰূপ বর্তমান	মই গৈছোঁ	তই গৈছ	তুমি গৈছা	সি গৈছে
সাধাৰণ ভূতকাল	মই গ'লো	তই গ'লি	তুমি গ'লা	সি গ'ল
অপূর্ণ ভূতকাল	মই গৈছিলোঁ	ত গৈছিলি	তুমি গৈছিলা	সি গৈছিল
ভৱিষ্যৎ কাল	মই যাম	তই যাবি	তুমি যাবা	সি যাব

ধাতুৰ ৰূপ-ধ্বনিতাত্ত্বিক পৰিবর্তন (Morpho phonemic change)

ধাতুৰ লগত ক্রিয়াবিভক্তি লগ হৈ ক্রিয়াপদ গঠন কৰাৰ সময়ত ধাতুৰ কেতবোৰ ৰূপ ধ্বনিগত পৰিবর্তন সাধিত হয়। সেই পৰিবর্তনবোৰ তলত দাঙি ধৰা হ'ল।

ক) পুৰুষ বিভক্তি {-অক} বা {-আ} যোগ কৰিব লাগিলে ধাতুৰ শেষত থকা -অ বা -আ ধ্বনি -ও লৈ ৰূপান্তৰিত হয়। যেনে— ক - অক > কওক, খা - অক > খাওক, খা - আ > খোৱা, যা - আ > যোৱা।

খ) -ইৰে আৰম্ভ হোৱা কোনো ক্রিয়া-বিভক্তি যোগ কৰিবলৈ হ'লে ধাতুৰ শেষত থকা ই লোপ পায়; যেনে সী - ইছে > সীছে; নি - ছে > নিছে।

গ) অনুজ্ঞাৰ - বিভক্তিৰ বাহিৰে অন্য বিভক্তি যোগ কৰাৰ সময়ত সকলো একাৰন্ত ধাতু - ই কাৰন্তলৈ পৰিৱর্তিত হয়।

ঘ) 'যা' ধাতুৰে অতীত কালত ৰূপ হ'বৰ সময়ত 'গ' তির্যক ৰূপ লাভ কৰে; কাল আৰু দশা বুজোৱা বিভক্তি 'গ'ৰ লগত লগ লাগে। যেনে— যা > গ' -ল; যা > গ - ইছ্ - ইল্ > গৈছিল।

আত্মমূল্যায়ন প্রশ্ন

১। অন্ত্যধ্বনিৰ গুণৰ ভিত্তিত অসমীয়া ধাতুক কেইটা ভাগত ভগাব পাৰি? এনে বিভাজনৰ যুক্তিযুক্ততা কি?

.....

.....

.....

২। অসমীয়াত কোন কোন পুৰুষবাচক প্রাকৃতিৰ উপাকৃতি আছে? সেইবোৰ উদাহৰণসহ আলোচনা কৰা।

.....

.....

.....

৩। দশাক কালৰ ভিতৰত সামৰিব পাৰি নে? অসমীয়া দশা বুজোৱা ক্রিয়াবিভক্তিবোৰ কি কি?

.....

.....

.....

৪। অসমীয়াত নির্ণয়াত্মক আৰু অনুজ্ঞা ক্রিয়াৰ ভেদ ক'ত আৰু কেনেকৈ প্রকাশ কৰা হয়?

.....

.....

.....

৬.৯ সাৰাংশ (Summing Up)

ক্রিয়াৰ মুলকে ধাতু বোলা হয়। অসমীয়া ভাষাত ধাতুক প্রধানতঃ তিনিটা ভাগত ভগাব পাৰি— মুখ্যধাতু, গৌণ ধাতু আৰু যৌগিক ধাতু। গৌণ ধাতু বা সাধিত ধাতুক নামধাতু আৰু পাঁচনী ধাতু এই দুটা ভাগত ভগাব পাৰি। ধাতুৰ লগত বিভিন্ন বিভক্তি লগলাগি ক্রিয়া পদৰ গঠন কৰে। অসমীয়া ভাষাত ক্রিয়াপদক সকর্মক, অকর্মক, সমাপিকা, অসমাপিকা আদি ভাগত ভগাই আলোচনা কৰা হয়।

বাক্য গঠনত ক্রিয়াই প্রধান ভূমিকা পালন কৰে। ক্রিয়াই উদ্দেশ্যৰ ঘৰত বহা বিশেষ্য বা সর্বনামৰ লগত পুৰুষগত অন্বয় স্থাপন কৰে। ইয়াৰ উপৰিও ক্রিয়াৰ ৰূপেই ক্রিয়াৰ কার্য সংগঠিত হোৱাৰ সময় বা কাল, কার্য সম্পাদনৰ অগ্রগতি বা দশা, ক্রিয়াৰ অন্তর্নিহিত ভাব আদি প্রকাশ কৰে। একেদৰে ক্রিয়াৰ বিশেষ ৰূপে দশাগত আৰু বাচ্যজনিত ভেদ প্রকাশ কৰে। অসমীয়া ক্রিয়াৰ বচন আৰু লিংগ অনুসৰি কোনো পৰিবর্তন নহয়।

ক্রিয়াপদৰ ৰূপেই ক্রিয়াৰ কর্ম থকা বা নথকা, বাচ্য সমাপন সুৰ লহৰ যুক্ত হয় নে নহয় ইত্যাদি কথা ঠাৱৰ কৰে।

৬.১০ আর্হি প্রশ্ন (Sample Questions)

১) ধাতু কি আৰু ই কেইপ্রকাৰৰ?

২) অসমীয়াত পাঁচনী ধাতু কেনেকৈ গঠন কৰা হয়? পাঁচনী ধাতুৰ পৰা কেনেকৈ পাঁচনী ক্রিয়া গঠন কৰা হয়?

৩) নাম ধাতু কেনেতৈ গঠন কৰা হয়? এটা বিশেষ্যৰ পৰা উৎপন্ন আৰু আন এটা বিশেষণৰ পৰা উৎপন্ন নাম ধাতুৰ বিভিন্ন কালত ৰূপ কৰি দেখুৱাওক।

৪) তিনিবিধ যৌগিক ধাতুৰ গঠন উদাহৰণসহ ব্যাখ্যা কৰক।

৫) ধাতুক স্বৰান্ত আৰু ব্যঞ্জনান্ত বুলি ভাগ কৰাৰ কিবা যুক্তি আছে নে? উদাহৰণসহ ব্যাখ্যা কৰা।

৬) অসমীয়াত কর্ম-বাচ্য কেনেকৈ গঠন কৰা হয়?

৭) অকর্মক আৰু অসমাপিকা ক্রিয়াৰ মাজত ভেদ কি?

৯) অনিয়মিত ক্রিয়া কি? উদাহৰণসহ ব্যাখ্যা কৰা।

৬.১১ প্রসঙ্গ গ্রন্থ (References/Suggested Readings)

উপেন্দ্রনাথ গোস্বামী ঃ *অসমীয়া ভাষাৰ ব্যাকৰণ*

গোলোক চন্দ্র গোস্বামী ঃ *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ*

ফনীন্দ্র নাৰায়ণ দত্তবৰুৱা ঃ 'কাৰক বিচাৰৰ নতুন চিন্তাধাৰা, *অসম সাহিত্য সভা পত্রিকা*

(—) ঃ 'অসমীয়া বাক্য বিন্যাস', *অসম সাহিত্য সভা পত্রিকা*

(—) ঃ 'ৰূপান্তৰস্ফোট ব্যাকৰণৰ চমু পৰিচয়', *ভাষাৰ তত্ত্বকথা (নাহেন্দ্র পাদুন সম্পাদিত)*

(—) ঃ 'ভাষাতাত্ত্বিক মিতব্যয়িতা', *ভাষাতত্ত্বৰ আদিকথা* (দীপ্তি ফুকন পাটগিৰি সম্পাদিত)

দীপ্তি ফুকন বাটগিৰি ঃ *ভাষাতত্ত্ব*

Merry Puzary ঃ *Case in Assamese in Languages of the North East India*

Berlock Filmore ঃ *Case for Case*

লীলাৱতী শইকীয়া বৰা ঃ *অসমীয়া ভাষাৰ ৰূপতত্ত্ব*

নাৰায়ণ শর্মা ঃ *অসমীয়া ৰূপতত্ত্ব আৰু ব্যাকৰণ*

C.F. Hocket ঃ *A Course in Modern Linguistics*

Ananta N. Konwar	ঃ	*Karaka Theory and Case Grammar : Indian Linguistics*
P N Dutta Baruah	ঃ	*A Contrastive Analysis of the Morphological Aspects of Assamese and Oriya*
(—)	ঃ	*An intensive Course in Assamese*
(—)	ঃ	*A Contrastive Analysis of the Assamese and Bengali Syntax* (Ph.D. Thesis of Mysore University)
(—Ed.)	ঃ	*Languages of the North East.*

***

সপ্তম বিভাগ

অসমীয়া ভাষাৰ 'ব্যাকৰণগত বিষয়'

বিভাগৰ গঠন ঃ

৭.১ ভূমিকা (Introduction)

৭.২ উদ্দেশ্য (Objectives)

৭.৩ অসমীয়া ভাষাৰ ব্যাকৰণগত বিষয়বা বৈয়াকৰণিক শ্রেণী

৭.৪ আংশিকভাৱে বৈয়াকৰণিক শ্রেণী

৭.৫ সাৰাংশ (Summing Up)

৭.৬ আৰ্হিপ্রশ্ন (Sample Questions)

৭.৭ প্রসংগ গ্রন্থ (References/Suggested Readings)

৭.১ ভূমিকা (Introduction)

পূর্বৱর্তী বিভাগত অসমীয়া ভাষাৰ ক্রিয়াৰ সকলোবোৰ দিশ বিস্তৃতভাৱে আলোচনা কৰা হৈছে। এই বিভাগটিত অসমীয়া ভাষাৰ ব্যকাৰণগত বিষয় সম্পর্কে খৰচি মাৰি বিশ্লেষণ কৰা হ'ব।

এই বাক্যত অর্থপূর্ণ প্রয়োগৰ বাবে বিভিন্ন গুণাগুণ বা ধাৰণাক ভিত্তি কৰি বিশেষ্য, সর্বনাম, ক্রিয়া বিশেষণ, ক্রিয়া আদিৰ ৰূপগত পৰিৱর্তন হয়। এই গুণাগুণ বা ধাৰণাই হ'ল 'ব্যাকৰণগত' বা 'বৈয়াকৰণিক শ্রেণী'। স্বৰূপার্থত পুৰুষ, কাৰক, কাল আৰু দশা অসমীয়া ভাষাৰ প্রকৃত ব্যাকৰণগত বিষয়। এইবোৰৰ উপৰি আন কেতবোৰ আংশিকভাৱে ব্যাকৰণগত বিষয় পোৱা যায়। এই বিভাগটিত অসমীয়া ভাষাৰ ব্যাকৰণগত বিষয়সূহক দুটা ভাগত বিভক্তি কৰি পর্যালোচনা কৰা হৈছে।

৭.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- অসমীয়া ভাষাত ব্যৱহৃত বিভিন্ন বৈয়াকৰণিক শ্রেণী সম্বন্ধে ভালদৰে অৱগত হৈ সেইবোৰ বিষয় আনক বুজাই দিব পাৰিব;
- বচন আৰু লিংগক আংশিক ব্যাকৰণগত বিষয় বোলাৰ কাৰণ জ্ঞাত হৈ বিষয় দুটা বিশ্লেষণ কৰিব পাৰিব;

৭.৩ অসমীয়া ভাষাৰ ব্যাকৰণগত বিষয় বা বৈয়াকৰণিক শ্রেণী

অসমীয়া ৰূপতত্ত্বৰ আলোচনাত আজিকালি সঘনাই ব্যৱহাৰ হ'বলৈ ধৰা 'ব্যাকৰণগত বিষয়' বা 'বৈয়াকৰণিক শ্রেণী' বোলা পৰিভাষা দুটা তেনেই অর্বাচীন প্রয়োগ।

ইংৰাজীত লিখা ভাষাবিজ্ঞানৰ পুথিত প্ৰায়ে বৰ্ণনা কৰা Grammatical Categories শব্দগুচ্ছৰ এয়া অসমীয়া তৰ্জমামূলক ধাৰনা মাথোন। সাধাৰণতে পুৰুষ (person), লিংগ (Gender), বচন (Number), কাৰক (Case), কাল (Tense), দশা (Aspect) আদিক 'বৈয়াকৰণিক শ্ৰেণী' পৰিভাষাৰ ভিতৰত সামৰা হয়। ভাষাৰ বৈয়াকৰণিক বিশ্লেষণৰ বাবেহে এই পৰিভাষাসমূহ প্ৰয়োগ কৰা হয়। অৱশ্যে এইবোৰৰ কিছুমান অন্য প্ৰসংগতো ব্যৱহৃত হয়; যেনে,- 'প্ৰকৃতি বনাম পুৰুষ', 'ডাকৰ বচন', 'মহাকাল', 'দুৰ্দশা' আদি। মন কৰিবলগীয়া যে শব্দগুচ্ছসমূহৰ এই অৰ্থ ৰূপতত্ত্বৰ আলোচনাত অন্তৰ্ভুক্ত নহয়। ৰূপতত্ত্বত 'ব্যাকৰণগত বিষয়' বা 'বৈয়াকৰণিক শ্ৰেণীসমূহ কেৱল মাত্ৰ শব্দৰ ব্যৱহাৰৰ গুণাগুণ সম্পৰ্কীয় কথা আলোচনা কৰিবলৈহে ব্যৱহাৰ কৰা হয়। কেৱল ব্যাকৰণগত আলোচনাতে এই পৰিভাষাসমূহ সীমিত অৰ্থত ব্যৱহাৰ হয় কাৰণে এইবোৰক 'ব্যাকৰণগত বিষয়' বা 'বৈয়াকৰণিক শ্ৰেণী' বোলা হয়। পৰম্পৰাগত ব্যাকৰণতো এই শ্ৰেণীসমূহৰ বিষয়ে আলোচনা কৰা হৈছিল; কেৱল মাত্ৰ নামকৰণৰ এই মোহৰটো মৰা হোৱা নাছিল।

অৰ্থপূৰ্ণ বাক্য গঠন কৰিবৰ নিমিত্তে অসমীয়া ভাষাৰ বিশেষ্য, সৰ্বনাম, ক্ৰিয়া-বিশেষণ, ক্ৰিয়া আদিৰ বিভিন্ন গুণাগুণক ভিত্তি কৰি বিভিন্ন ধৰণৰ ৰূপগত পৰিবৰ্তন সাধিত হয়। যি গুণাগুণ বা ধাৰণাৰ ভিত্তিত বিশেষ্য, সৰ্বনাম, ক্ৰিয়া আদি শব্দৰ নিয়মিত ৰূপগত পৰিবৰ্তন হয়, সেই গুণাগুণ বা ধাৰণাসমূহেই হ'ল 'ব্যাকৰণগত বিষয়' বা 'বৈয়াকৰণিক শ্ৰেণী'। পৰম্পৰাগত ভাৱে বৈয়াকৰণিক শ্ৰেণীসমূহৰ ভিতৰত আলোচনা কৰা কিছুমান কথা আধুনিক অসমীয়া ভাষাৰ ক্ষেত্ৰত শুদ্ধ অৰ্থত বৈয়াকৰণিক শ্ৰেণীৰ আলোচনাৰ ভিতৰত নপৰে।

অসমীয়া ভাষা সংস্কৃতমূলীয় কাৰণে পৰম্পৰাগত ব্যাকৰণত সংস্কৃতত থকা সকলো বৈয়াকৰণিক শ্ৰেণীকে অসমীয়াত প্ৰযোজ্য বুলি বিস্তৃত আলোচনা আগবঢ়োৱা হৈছে। প্ৰকৃতপক্ষে অসমীয়াত 'বৈয়াকৰণিক শ্ৰেণী'ৰ সংখ্যা সীমিত; সেইবোৰ হ'ল *পুৰুষ, কাৰক, কাল আৰু দশা। লিংগ* আৰু *বচন* স্বৰূপার্থত অসমীয়া ভাষাত বৈয়াকৰণিক নহয়; এই দুটা শ্ৰেণীৰ ভিত্তিত পৰিবৰ্তন সাধন কৰা ৰূপসমূহে যথা— বৰুৱা ঃ বৰুৱানী, চৰাই ঃ চৰাইবোৰ আদিয়ে কোনো ব্যাকৰণগত চাহিদা পূৰণ নকৰে । দুই এটা উদাহৰণৰ ভিত্তিত, টানি-আজুৰি, লিংগ আৰু বচনক অসমীয়াত আংশিকভাৱে ব্যাকৰণগত বা বৈয়াকৰণিক বুলি দেখুৱাব পাৰি।

তলত অসমীয়া ভাষাত ব্যৱহাৰ হোৱা বিশুদ্ধ 'বৈয়াকৰণিক শ্ৰেণী সমূহ আলোচনা কৰি শেষৰ ফালে আংশিকভাৱে 'বৈয়াকৰণিক'বুলিব পৰা শ্ৰেণী দুটাৰ বিষয়ে আলোচনা কৰা হ'ল ।

উপেন্দ্রনাথ গোস্বামী অসমীয়া ভাষাৰ ব্যাকৰণ গ্ৰন্থত 'ব্যাকৰণগত বিষয়' পৰিভাষাটো ব্যৱহাৰ কৰিছে তেওঁৰ অনুগামীসকলেও এই পৰিভাষাটোকে চলাই আহিছে। কিন্তু ইংৰাজী পৰিভাষা 'Grammatical Categories'-ৰ যথার্থ অর্থ প্ৰকাশ কৰিবলৈ 'বৈয়াকৰণিক শ্ৰেণী' পৰিভাষাটোহে বেছি উপাদেয় হ'ব। এতিয়াৰ পৰা এই আলোচনাত 'বৈয়াকৰণিক শ্ৰেণী' পৰিভাষাহে ব্যৱহাৰ কৰা হ'ব।

১। পুৰুষ (Person) ঃ

সংস্কৃত আৰু ইংৰাজী ভাষাৰ নিচিনাকৈ অসমীয়া ভাষাতো পুৰুষ বৈয়াকৰণিক শ্ৰেণী। ই মুখ্যতঃ ব্যক্তিবাচক সর্বনাম আৰু ক্ৰিয়াৰ ক্ষেত্ৰত প্ৰযোজ্য। পুৰুষ তিনিটা— প্ৰথম বা উত্তম পুৰুষ, দ্বিতীয় বা মধ্যম পুৰুষ আৰু তৃতীয় বা নাম পুৰুষ। বক্তা আৰু তেওঁৰ সতীর্থসকল দ্বিতীয় পুৰুষৰ আৰু বক্তা শ্ৰোতাক বাদ দি বাকী সকলো ব্যক্তিবাচক সর্বনাম আৰু সকলো বিশেষ্য পদ তৃতীয় পুৰুষৰ হয়; তৃতীয় পুৰুষত বিশেষ্য বা নাম পদ সংখ্যা গৰিষ্ঠ কাৰণে ইয়াক বিকল্পভাবে নাম পুৰুষ বুলিও উল্লেখ কৰা হয়। দ্বিতীয় পুৰুষৰ আকৌ মান্যানুসাৰে ভেদ থাকে; তলৰ তালিকাখনৰ পৰা ভালদৰে বুজিব পৰা যাব।

সর্বনাম আৰু বিশেষ্যৰ নিচিনাকৈ ক্ৰিয়াপদৰো পুৰুষ থাকে। ক্ৰিয়াৰ বিভিন্ন পুৰুষ বুজাবলৈ বিভিন্ন বদ্ধ প্ৰাকৃতি যোগ কৰা হয়। তলৰ তালিকাখনৰ পৰা সেইবোৰ স্পষ্টকৈ বুজিব পৰা যাব।

পুৰুষ আৰু মান	সর্বনাম	ক্ৰিয়া
প্ৰথম দ্বিতীয় { নিম্নার্থ বা তুচ্ছার্থ সমানার্থ মান্যার্থ তৃতীয়	মই, আমি, তই, তঁহতে, তুমি, তোমালোকে, আপুনি আপোনালোকে, সি, তাই, তেখেতে	কৰ-ওঁ > কৰোঁ কৰ-অ > কৰ কৰ-আ > কৰা কৰ-এ > কৰে কৰ-এ > কৰে

মন কৰিবলগীয়া যে, দ্বিতীয় পুৰুষৰ মান্যার্থ আৰু তৃতীয় পুৰুষৰ ক্ৰিয়াৰূপবোৰ একে। সেয়ে কোনো ব্যাকৰণবিদে 'আপুনি' আৰু 'আপোনালোক'ক তৃতীয় পুৰুষৰ সর্বনাম বুলি গণ্য কৰিব বিচাৰে। এইখিনিতে আৰু এটা কথা উল্লেখ কৰিব পাৰি যে প্ৰথম আৰু তৃতীয় পুৰুষৰ ক্ৰিয়াৰ লগত যুক্ত হোৱা বদ্ধ প্ৰাকৃতি কাল (১.৩.৪ দ্ৰষ্টব্য) অনুযায়ী ভিন্ ভিন্ হয় । প্ৰদত্ত উদাহৰণৰ ক্ৰিয়াপদবোৰ বর্তমান কালৰ।

২। কাৰক ঃ

আমি জানোঁ যে শব্দৰ লগত শব্দ মিলি অর্থপূর্ণ বাক্য গঠিত হয়। এনেদৰে বাক্য গঠিত হ'বৰ কাৰণে শব্দবোৰে পৰস্পৰৰ মাজত নানা ধৰণৰ সম্বন্ধ স্থাপন কৰে । প্রায় ক্ষেত্রত ক্রিয়া ভিন্ন অন্য শব্দই ক্রিয়াৰ লগত কিবা নহয় কিবা ধৰণৰ সম্বন্ধ স্থাপন কৰে; কেতিয়াবা দুটা ক্রিয়া ভিন্ন অন্য শব্দয়ো পৰস্পৰৰ মাজত 'এটা আনটোৰ অংশস্বৰূপে' অথবা 'এটা আনটোৰ দখলাধীন' এই সম্বন্ধ প্রকাশ কৰে। এনেদৰে বাক্য গঠনৰ নিমিত্তে শব্দই শব্দৰ লগত ধাৰণ কৰা সম্বন্ধকে কাৰক বোলে। কেতিয়াবা কোনো শব্দ বিশেষকৈ বিশেষ্য বা সর্বনাম শব্দ, ক্রিয়াৰ কার্যৰ 'কৰোঁতা' হিচাপে প্রকাশিত হয়; তেনে শব্দৰ কাৰকক কর্তা কাৰক বোলে। কেতিয়াবা কোনো শব্দ— বিশেষ্য বা সর্বনাম— ক্রিয়াৰ কার্যৰ ফল ভোগ কৰে; তাকে কর্ম কাৰক বোলে। কেতিয়াবা কোনো বিশেষ্য শব্দ ক্রিয়াৰ কার্য সাধনত অস্ত্র বা মাধ্যম হিচাপে ব্যৱহৃত হয়; তেতিয়া তাৰ কৰণ কাৰক হয়। কেতিয়াবা কোনো বিশেষ্য শব্দই ক্রিয়াৰ লগত প্রত্যক্ষ সম্বন্ধ স্থাপন নকৰি অন্য বিশেষ্য বা সর্বনাম শব্দৰ 'অংশ স্বৰূপে' বা 'ধাৰক' অর্থ প্রকাশ কৰে; তাক সম্বন্ধ কাৰক, বিকল্পে সম্বন্ধ পদ বোলে। এনেদৰে অসমীয়াত ক্রিয়াৰ লগত বিশেষ্য বা সর্বনামৰ ছয় প্রকাৰৰ কাৰকৰ সম্বন্ধ হ'ব পাৰে; আকৌ বিশেষ্য বা সর্বনামৰ লগত আন বিশেষ্যৰ সম্বন্ধ হৈ আৰু এক প্রকাৰ কাৰক হ'ব পাৰে। এনেদৰে অসমীয়াত সর্বমুঠ সাত প্রকাৰ কাৰক দেখা যায় । সেইবোৰ পৰম্পৰাগত বা প্রথাগত ক্রমত লিখি উলিয়ালে এনেকুৱা হ'বঃ— কর্তা, কর্ম, কৰণ, নিমিত্ত, অপাদান, সম্বন্ধ আৰু অধিকৰণ কাৰক। এই প্রতিটো কাৰক বুজাবলৈ সুকীয়া সুকীয়া বদ্ধ প্রাকৃতি বা কাৰক-বিভক্তি ব্যৱহাৰ কৰা হয়; প্রায়বোৰ বদ্ধ প্রাকৃতিৰে এক বা একাধিক উপাকৃতি থাকে। এই সমস্ত কথা পূর্বৰ বিভাগত বিস্তাৰিতভাৱে আলোচনা কৰা হৈছে।

৩। কাল ঃ

বাক্যত ব্যৱহৃত প্রতিটো ক্রিয়া পদৰেই সেই ক্রিয়াই বুজোৱা কার্য সাধনৰ সময়ৰ নির্দেশ কৰাৰ ক্ষমতা থাকে। ক্রিয়াৰ কার্য আগতে সংঘটিত হৈছিল নে বর্তমান সংঘটিত হ'ব ধৰিছে নে ভৱিষ্যতে সংঘটিত হ'ব সেই কথাৰ সূচনা ক্রিয়াপদটোৰ ৰূপেই দিব পাৰে। ইয়াৰ বাবে কোনো কালবাচক ক্রিয়া-বিশেষণৰ প্রয়োগৰ প্রয়োজন নহয়। ক্রিয়াপদৰ কার্য সম্পাদনৰ সময়ৰ সূচনা দিব পৰা ক্ষমতা বা গুণটোৱেই হৈছে কাল। হকেটে ক'বৰ দৰে 'Tenses typically show different locations of an event in time' (Hocket, 1966, Sec.27.9)।

অসমীয়া ভাষাত ক্রিয়াৰ কাল তিনিটাঃ— বর্তমান, অতীত আৰু ভৱিষ্যৎ। এই কালসমূহ বুজাবলৈ ধাতুত ভিন্ ভিন্ কালসূচক বদ্ধ-প্রাকৃতি বা ক্রিয়া বিভক্তি যোগ দিয়া হয়। সেইবোৰ তালিকাবদ্ধ কৰিলে এনেকুৱা হ'ব—

কাল	কালসূচক বদ্ধ-প্রাকৃতি	উপাকৃতি
বর্তমান	{-ø}	
অতীত	{-ইল}	{-ল}
ভৱিষ্যৎ	{-ইব}	{- ব, - ইম্, - ম}

এই প্রাকৃতিসমূহ সাধাৰণ বর্তমান কালত ধাতুৰ লগত পোনপটীয়াভাৱে লগ লাগে। পুৰুষ বুজোৱা প্রাকৃতি বা ক্রিয়া-বিভক্তিৰ পিছত লগ লাগে। এই সম্পর্কীয় বিস্তাৰিত বিৱৰণ আগৰ বিভাগত দিয়া হৈছে।

৪। দশা (Aspect) ঃ

ক্রিয়াপদৰ ক্ষেত্রত প্রযোজ্য আন এটা বৈয়াকৰণিক শ্রেণী হ'ল দশা। পৰম্পৰাগত ব্যাকৰণে, আনকি গোস্বামী (১৯৮১) য়েও দশাক এটা সুকীয়া বৈয়াকৰণিক শ্রেণী বুলি উপলব্ধি কৰা নাছিল; তেওঁলোকে দশাক কালৰেই এটা বিভাজন বুলি ভাবি অসমীয়াত পাঁচ প্রকাৰ কালৰ স্থিতি ঘোষণা কৰিছিল (গোস্বামীঃ ১৯৮১ঃ পৰিচ্ছেদ ৪১)। দশা হ'ল কোনো কালত ক্রিয়াই বুজোৱা কার্য সম্পাদনৰ স্থিতি, যথা, কার্য সম্পন্ন হোৱা বা চলি থকা, আদি কথাৰ আভাস দিব পৰা বৈয়াকৰণিক শ্রেণী। অসমীয়া ভাষাৰ ক্রিয়াপদৰ, বর্তমান আৰু অতীত কালত, তিনিটাকৈ দশা বিচাৰি পাব পাৰি। এই দশাসমূহ আৰু দশা বুজোৱা প্রাকৃতিসমূহ তালিকাবদ্ধ কৰিলে এনেকুৱা হ'ব ঃ—

দশা	প্রাকৃতি	উপাকৃতি
সামান্য	{-ø}	-
সম্পন্ন	{-ইছ}	{-ছ}
অসম্পন্ন বা চলিত	{-ই আছ}	-

ক্রিয়াপদৰ দশা প্রকাশ কৰিবলৈ হ'লে ধাতুৰ লগত দশা বুজোৱা প্রাকৃতি পোনপটীয়াভাৱে লগ লাগে; দশা-প্রাকৃতিৰ পিছতহে ক্রমে কাল বুজোৱা আৰু পুৰুষ বুজোৱা প্রাকৃতি যুক্ত হয়। দশা, কাল আৰু পুৰুষ বুজোৱা প্রাকৃতি যোগ হ'লে ক্রিয়াৰূপৰ কেনে পৰিবর্তন হয় তাক তলৰ ফলাৰ পৰা সহজে বুজিব পাৰি—

দশা	কাল	ধাতু + প্রাকৃতিসমূহ	ক্রিয়াপদ
	বর্তমান	পঢ় - ø - ওঁ	পঢ়োঁ
সামান্য	অতীত	পঢ় - ø - ইল্ - ওঁ	পঢ়িছিলোঁ
	ভৱিষ্যৎ	পঢ়-ø-ইম্	পঢ়িম
	বর্তমান	পঢ় - ইছ্ - ওঁ	পঢ়িছোঁ
সম্পন্ন	অতীত	পঢ় - ইছ্ -ইল - ওঁ	পঢ়িছিলোঁ
	বর্তমান	পঢ় - ই আছ্ - ওঁ	পঢ়ি আছোঁ
চলিত	অতীত	পৰ্ - ই আছ্ - ইল- ওঁ	পঢ়ি আছিলোঁ
	ভৱিষ্যৎ	পঢ় - ই থাক্ — ইব	পঢ়ি থাকিব

মন কৰিবলগীয়া যে ভৱিষ্যৎ কালৰ চলিত দশা বুজাবলৈ হ'লে মূল ধাতুত {-ই} যোগ কৰাৰ পাছত 'থাক' সহায়কাৰী ধাতু ব্যৱহাৰ কৰি তাত পুৰুষ-প্রাকৃতি যোগ দিব লাগে। ভৱিষ্যত কালৰ সম্পন্ন দশা নাই।

৫। ভাব (Mood) ঃ

কোনো কোনো ভাষাত ক্রিয়াপদে ক্রিয়াৰ কার্য সাধনৰ অন্তৰালত থকা আভাসমূলক, আদেশ বা অনুৰোধমূলক, সংশয়বোধক আদি ধৰণৰ ভাব প্রকট কৰি তোলে। ক্রিয়াৰ অন্তর্নিহিত এই আভাসক ভাব বোলে। কিছুমান ভাষাত বিভিন্ন ভাব প্রকাশ কৰিবলৈ বিভিন্ন প্রাকৃতি আছে। অসমীয়া ভাষাত ক্রিয়াপদৰ মাত্র দুটা ভাব বিচাৰি পাব পাৰি— এটা নির্ণয়াত্মক আভাসমূলক বা বর্ণনাত্মক (Indicative) আৰু আনটো অনুজ্ঞা (Imperative)। কিন্তু অসমীয়াত ভাব বুজাবৰ কাৰণে কোনো সুকীয়া প্রাকৃতি বা বিভক্তি নাই। কেৱল মাত্র দ্বিতীয় পুৰুষৰ সন্মান ৰহিত বা তুচ্চার্থত, সন্মানার্থত আৰু তৃতীয় পুৰুষৰ বেলেগ বেলেগ পুৰুষ বাচক প্রাকৃতি ব্যৱহাৰ কৰি নির্ণয়াত্মক আৰু অনুজ্ঞাৰ মাজৰ ভেদ দেখুওৱা হয়। তলৰ উদাহৰণ দুটালৈ চোৱা যাওক—

ভাব	পুৰুষ	ক্রিয়া
নির্ণয়াত্মক	তই	যাৱ
অনুজ্ঞা	তই	যা
নির্ণয়াত্মক	আপুনি, সি, তেওঁ	যায়
অনুজ্ঞা	আপুনি, সি, তেওঁ	যাওক

৬। বাচ্য (Voice) ঃ

বাচ্য শব্দৰ অর্থ ক'বলগীয়া। ব্যাকৰণত ই 'ক্রিয়াৰ ক'বলগীয়া' অর্থ সূচায়। ক্রিয়াপদে সচৰাচৰ কর্তাৰ বিষয়ে প্রকাশ কৰে আৰু কেতিয়াবা কর্তাক অৱজ্ঞা কৰি বা উহ্য ৰাখি কর্মৰ বিষয়ে প্রকাশ কৰে। কেতিয়াবা আকৌ কিছুমান ক্রিয়াপদে ক্রিয়াৰ নিজৰ কার্যৰ ওপৰতে গুৰুত্ব দিয়ে আৰু কর্তা-কর্ম দুয়ো অপ্রধান হৈ পৰে। সেই অনুক্রমে ক্রিয়াপদৰ বাচ্য তিনিটা- কর্তৃবাচ্য, কর্মবাচ্য আৰু ভাববাচ্য। কর্তৃবাচ্যত ক্রিয়াপদে প্রধানকৈ কর্তাৰ, কার্য সাধনৰ বিষয়ে প্রকাশ কৰে, কর্মবাচ্যত কর্তাক গৌণপন্থা দি কর্মৰ ওপৰত গুৰুত্ব প্রদান কৰে আৰু ভাব বাচ্যত কেৱল ক্রিয়াৰ ওপৰত গুৰুত্ব প্রদান কৰে আৰু ভাব বাচ্যত কেৱল ক্রিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তলৰ উদাহৰণবোৰলৈ চোৱা যাওক—

কর্তৃবাচ্য ঃ /আমি ৰাতি আকাশত চন্দ্র দেখোঁ।/

কর্মবাচ্য ঃ (ক) /দিনত আকাশত চন্দ্র নেদেখি।/

(খ) /দিনত আকাশত চন্দ্র দেখা নাযায়।/

ভাববাচ্য ঃ /কেতিয়া অহা হ'ল?/

কর্তৃবাচ্যৰ বাক্যটোত ক্রিয়াপদৰ কর্তাৰ লগত পুৰুষগত অন্বয় হৈছে। কর্মবাচ্যৰ (ক) উদাহৰণত কর্মৰ ওপৰত গুৰুত্ব আৰোপিত হৈছে আৰু কর্তা উহ্য আছে; কর্তা কোন সেই কথাৰ ইংগিত নাই; ই এক সাধাৰণীকৃত অভিজ্ঞতাৰ পৰিপ্রকাশ। সেয়ে ইয়াক নৈর্ব্যক্তিক বা ব্যক্তি নিৰপেক্ষ কর্মবাচ্য বুলিব পাৰি। গোস্বামী (১৯৮৭) য়ে ইয়াক জতুৰা কর্মবাচ্য বুলিছে; কাৰণ সীমিত সংখ্যক ধাতুৰ পৰাহে এনে কর্মবাচ্য গঠন কৰিব পাৰি। ধাতুত কেৱল {-ই} যোগ দি এনে ধৰণৰ কর্মবাচ্যৰ পদ গঠন কৰিব পাৰি। ওপৰত দিয়া কর্ম বাচ্যৰ (খ) উদাহৰণতো কর্মৰ ওপৰত গুৰুত্ব আৰোপিত হৈছে; ইয়াত যৌগিক উপায়ে ক্রিয়াপদ গঠন কৰা হৈছে। ধাতুত {- আ} যোগ দি পিছফালে (হ-) ধাতুৰ পৰা উৎপন্ন ক্রিয়াপদ বহুওৱা হয়। ভাববাচ্যৰ ক্রিয়াপদৰ গঠন কর্মবাচ্যৰ ক্রিয়াপদৰ দৰেই; ইয়াত কর্তা আৰু কর্ম দুয়ো উহ্য থাকে অথবা কর্তা সম্বন্ধ কাৰকত প্রকাশিত হয়।

৭.৪ আংশিকভাৱে বৈয়াকৰণিক শ্রেণী (Partially Grammatical)

অসমীয়াত লিংগ আৰু বচন শুদ্ধ অর্থত বৈয়াকৰণিক শ্রেণী নহয়। লিংগ আংশিকভাৱেহে বৈয়াকৰণিক শ্রেণী বুলিব পাৰি। অসমীয়াত প্রধানকৈ অর্থৰ চাহিদা পূৰণ কৰিবলৈহে বিশেষ্যৰ লিংগভেদ ঠাৱৰ কৰা হয়। তলৰ

/সভালৈ বৰুৱা-বৰুৱানী দুয়ো গ'ল/

বাক্যত 'বৰুৱা বৰুৱানী' শব্দই অর্থৰ চাহিদাহে পূৰণ কৰিছে, কোনো ব্যাকৰণগত প্রয়োজন বা চাহিদা পূৰণ কৰা নাই। কিন্তু কেতিয়াবা লিংগভেদে ব্যাকৰণৰ চাহিদাও পূৰণ কৰে । কোনো বাক্যত তিৰোতা বুজোৱা বিশেষ্য পদ থাকিলে সংশ্লিষ্ট সংখ্যাবাচক শব্দতো স্ত্রী লিংগ বুজোৱা প্রাকৃতি যোগ দিব লগা হয়। যেনে—

/বৰুৱানী এজনী (এজন নহয়) ভাল শিপিনী।/

/সৌজনী গাই ৰমেনৰ।/

তৎসম বিশেষ্যৰ লগত ব্যৱহৃত বিশেষণ পদৰো বিশেষ্যৰ লিংগৰ লগত সংগতি ৰাখি লিংগভেদ কৰা হয়। যেনে-

/গুণৱান ল'ৰা/বনাম/গুণৱতী ছোৱালী/

/বর্ষামুখৰ পৃথিৱী/অথচ/মুখৰা ভার্যা/

এই লিংগভেদ কেতিয়াও ক্রিয়াৰ ক্ষেত্রত প্রযোজ্য নহয়।

লিংগৰ নিচিনা বচনেও কোনো ব্যাকৰণগত চাহিদা বা প্রয়োজন পূৰণ নকৰে। ই কেৱল অর্থৰ প্রয়োজন পূৰণ কৰে। ই আংশিকভাৱেও বৈয়াকৰণিক শ্রেণী নহয়। তথাপিও অসমীয়াত একবচনৰ পৰা বহুবচনৰ বিশেষ্য বা সর্বনাম গঠনৰ নিয়মিত প্রক্রিয়া আছে। সেই কাৰণে কোনো কোনোৱে বচনক আংশিকভাৱে বৈয়াকৰণিক শ্রেণী বুলিব খোজে। তলৰ একবচনৰ পৰা বহুবচন গঠন কৰাৰ বৈয়াকৰণিক পদ্ধতিৰ উদাহৰণ দিয়া হৈছে; যেনে— 'মানুহ ঃ মানুহবোৰ'; 'অধ্যাপক ঃ অধ্যাপকসকল'; 'তেওঁ ঃ তেওঁলোক'; 'সি ঃ সিহঁত' ইত্যাদি।

আত্মমূল্যায়ন প্রশ্ন

১) ব্যাকৰণগত বিষয় মানে কি? (৩০ টা মান শব্দৰ ভিতৰত উত্তৰ লিখক।)

.....

.....

.....

২) অসমীয়া ভাষাত বচন আৰু লিংগক কিয় আংশিক ব্যাকৰণগত বিষয় হিচাপে গণ্য কৰা হয়? (৩৫ টা মান শব্দৰ ভিতৰত উত্তৰ লিখক।)

.....

.....

.....

৭.৫ সাৰাংশ (Summing Up)

অসমীয়া ভাষাৰ ব্যাকৰণত বিষয় বুলিলে সাধাৰণতে পুৰুষ লিংগ, বচন, কাৰক, কাল, দশা আৰু বাচ্যকে বুজায়। এইবোৰৰ ভিতৰত লিংগ আৰু বচন শুদ্ধ অর্থত ব্যাকৰণগত বিষয় নহয়; কাৰণ বিশেষ্য আৰু সর্বনামৰ একবচনৰ পৰা বহুবচনলৈ পুংলিংগৰ পৰা স্ত্রীলিংগলৈ ইমান প্রণালীবদ্ধ যে ইহঁতক ব্যাকৰণত ঠাই নিদি নোৱাৰি। ক্রিয়াপদৰ ক্ষেত্রত ভাব (mood) বুজাবৰ বাবে কোনো দিশৰ বিভক্তি নাই; অনুজ্ঞাত কেৱল নির্ণয়বোধকত ব্যৱহাৰ হোৱা পুৰুষ বিভক্তিৰ সলনি এলানি সুকীয়া পুৰুষ বিভক্তিৰ ব্যৱহাৰ হয়।

৭.৬ আৰ্হি প্ৰশ্ন (Sample Questions)

১) ব্যাকৰণগত বিষয় মানে কি? অসমীয়া ভাষাত কি কি ব্যাকৰণগত বিষয় পোৱা যায়?

২) অসমীয়া ভাষাত কোনবোৰ বিষয়ক শুদ্ধ ব্যাকৰণগত বিষয় বা শ্ৰেণী বুলি কোৱা হয়?

৩) অসমীয়া ভাষাত আংশিক ব্যাকৰণগত শ্ৰেণীসমূহ কি কি?

৪) অসমীয়া ভাষাত বিশেষ্যৰ ক্ষেত্ৰত প্ৰযোজ্য বৈয়াকৰণিক শ্ৰেণী কি কি? ইয়াৰ কোনবোৰ ক্ৰিয়াৰ ক্ষেত্ৰত প্ৰযোজ্য হয়?

৭.৭ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

উপেন্দ্রনাথ গোস্বামী ঃ *অসমীয়া ভাষাৰ ব্যাকৰণ*

গোলোক চন্দ্র গোস্বামী ঃ *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ*

ফনীন্দ্র নাৰায়ণ দত্তবৰুৱা ঃ 'কাৰক বিচাৰৰ নতুন চিন্তাধাৰা, *অসম সাহিত্য সভা পত্রিকা*

(—) ঃ 'অসমীয়া বাক্য বিন্যাস', *অসম সাহিত্য সভা পত্রিকা*

(—) ঃ 'ৰূপান্তৰস্ফোট ব্যাকৰণৰ চমু পৰিচয়', *ভাষাৰ তত্ত্বকথা (নাহেন্দ্র পাদু সম্পাদিত)*

(—) ঃ 'ভাষাতাত্ত্বিক মিতব্যয়িতা', *ভাষাতত্ত্বৰ আদিকথা* (দীপ্তি ফুকন পাটগিৰি সম্পাদিত)

দীপ্তি ফুকন বাটগিৰি ঃ *ভাষাতত্ত্ব*

Merry Puzary ঃ *Case in Assamese in Languages of the North East Ed.*

Berlock Filmore ঃ *Case for Case*

লীলাৱতী শইকীয়া বৰা ঃ *অসমীয়া ভাষাৰ ৰূপতত্ত্ব*

নাৰায়ণ শৰ্মা ঃ *অসমীয়া ৰূপতত্ত্ব আৰু ব্যাকৰণ*

C.F. Hocket ঃ *A Course in Modern Linguistics*

Ananta N. Konwar ঃ *Karaka Theory and Case Grammar : Indian Linguistics*

P N Dutta Baruah ঃ *A Contrastive Analysis of the Morphological Aspects of Assamese and Oriya*

(—) ঃ *An intensive Course in Assamese*

(—) ঃ *A Contrastive Analysis of the Assamese and Bengali Syntax* (Ph.D. Thesis of Mysore University)

(—Ed.) ঃ *Languages of the North East.*

***

তৃতীয় গোট ঃ বাক্যতত্ত্ব

প্রথম বিভাগ ঃ বাক্যতত্ত্বৰ সাধাৰণ আলোচনা

দ্বিতীয় বিভাগ ঃ অসমীয়া ভাষাৰ বাক্যৰীতি

তৃতীয় বিভাগ ঃ ৰূপান্তৰ বহুজন বা ৰূপান্তৰ উৎপাদক ব্যাকৰণ আৰু শব্দগুচ্ছৰ গঠন

চতুর্থ বিভাগ ঃ বাক্যৰ উপাদানগত আৰু গাঁথনিক সম্বন্ধ

প্ৰথম বিভাগ

বাক্যতত্ত্বৰ সাধাৰণ আলোচনা

বিভাগৰ গঠন ঃ

১.১ ভূমিকা (Introduction)

১.২ উদ্দেশ্য (Objectives)

১.৩ বাক্যতত্ত্ব বা বাক্যৰীতি

১.৪ বাক্যতত্ত্বৰ আধাৰ

১.৫ বাক্যত পদৰ সঙ্গতি আৰু পদৰ ক্ৰম

১.৬ বাক্য গঠনৰ বৈশিষ্ট্য

১.৭ বাক্যৰ গাঁথনিক বিভাজন

১.৮ বাক্যৰ শ্ৰেণীবিভাজন

১.৯ বাক্যৰ ৰূপান্তৰ

১.১০ সাৰাংশ (Summing Up)

১.১১ আৰ্হিপ্ৰশ্ন (Sample Questions)

১.১২ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

১.১ ভূমিকা (Introduction) ঃ

ধ্বনিতত্ত্ব আৰু ৰূপতত্ত্বৰ পিছতে ভাষা বিশ্লেষণৰ তৃতীয় স্তৰটো হ'ল বাক্যতত্ত্ব (Syntax)। ই ভাষাবিজ্ঞানৰ অতি বিস্তৃত বিষয়। কথা কওঁতে ধ্বনি, প্ৰাকৃতি আদিৰ সৃষ্টি হ'লেও অৱশেষত বাক্যৰ মাধ্যমেৰে বক্তাৰ ভাব স্পষ্ট ৰূপত প্ৰকাশ পায়। ইয়াকে ভাষাৰ বৃহত্তম একক বুলি ক'ব পাৰি।

বাক্যতত্ত্বত শব্দৰ পৰা সাধন আৰু গঠন কৰি উলিওৱা বিভিন্ন ৰূপক কেনেকৈ বিভিন্ন নিয়মে সংযোজিত কৰি অৰ্থপূৰ্ণ বাক্য গঠন কৰা হয়, কি প্ৰণালীৰে কোন শ্ৰেণীৰ বাক্যৰ পৰা অন্য এক শ্ৰেণীৰ বাক্য গঠন কৰি উলিওৱা হয় ইত্যাদি কথা আলোচনা কৰা হয়।

১.২ উদ্দেশ্য (Objectives) ঃ

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- বাক্যতত্ত্বৰ সাধাৰণ ধাৰণা লাভ কৰিব পাৰিব;
- বাক্যতত্ত্বৰ আধাৰ বিচাৰ কৰিব পাৰিব;
- বাক্যত পদৰ সংগতি আৰু ক্ৰমৰ বিষয়ে অধ্যয়ন কৰিব পাৰিব;
- বাক্যৰ বিভাজন সম্পৰ্কে জানিব পাৰিব;

- বাক্য গঠনৰ বৈশিষ্ট্য বুজিব পাৰিব;
- বাক্যৰ ৰূপান্তৰৰ ধাৰণা পাব পাৰিব।

১.৩ বাক্যতত্ত্ব বা বাক্যৰীতি ঃ

বাক্যতত্ত্ব বা বাক্যৰীতিৰ ইংৰাজী পৰিভাষা হ'ল 'Syntax'। ই গ্ৰীক ভাষাৰ 'Syntaxis' শব্দৰ পৰা অহা। গ্ৰীক ভাষাত 'Syn' মানে একেলগে আৰু 'taxis' মানে সজোৱা। সজোৱা মানে শব্দ সজোৱা। অৰ্থাৎ 'Syntax' মানে 'শব্দ একেলগে সজোৱা' প্ৰণালী। বাক্যতত্ত্ব বা বাক্যৰীতি বুলিলে কোনো এটা ভাষাত থকা শব্দসমূহক বিভিন্ন প্ৰত্যয়, বিভক্তি যোগ কৰি সেইবোৰক বিভিন্ন নিয়মেৰে একাদিক্ৰমে সংযোজিত কৰি সম্পূৰ্ণ অৰ্থ বহন কৰা বাক্য গঠন প্ৰণালীক বুজা যায়।

আমি জানো যে ৰূপ বা প্ৰাকৃতিসমূহৰ সংযোগৰ ফলতে পদ গঠন হয়। এই পদসমূহে বিশেষ ক্ৰম ৰক্ষা কৰি সজ্জিত হৈ অৰ্থপূৰ্ণ বাক্য ৰচনা কৰে আৰু এক শ্ৰেণীৰ বাক্যৰ পৰা বিভিন্ন শ্ৰেণীৰ বাক্য গঠন হয়। বাক্যতত্ত্ব বা বাক্যৰীতিত এই বিষয়ে পুংখানুপুংখ বিচাৰ বিশ্লেষণ কৰা হয়। সহজ ভাৱে ক'বলৈ গ'লে ৰূপ বা প্ৰাকৃতিৰ সংযোগত গঠিত পদসমূহে কি নিয়ম বা প্ৰণালীৰে এটাৰ পাছত এটা যুক্ত হৈ অৰ্থপূৰ্ণ বাক্য গঠন কৰে আৰু মনৰ ভাৱ অনুসৰি বিভিন্ন শ্ৰেণীৰ বাক্য গঠন কৰে, সেই নিয়ম আৰু প্ৰকাৰভেদ নিৰ্ণয় কৰাই বাক্যতত্ত্বৰ মূল কাম। এটা বাক্যৰ পদবোৰ ইয়াৰ অংগ বাক্যত ওচৰাওচৰিকৈ বহা পদ বা শব্দবোৰৰ এটাক আনটোৰ নিকটস্থ অংগ বোলা হয়। এই নিকটস্থ অংগবোৰৰ সংযোগৰ ফল স্বৰূপে বাক্যৰ প্ৰকৃত অৰ্থগত দিশটো সম্পন্ন হয়। বাক্যত ব্যৱহৃত শব্দৰ স্থান আৰু কাৰ্য অনুসৰি সিহতক উদ্দেশ্য-বিধেয়, কৰ্তা-কৰ্ম-ক্ৰিয়া আদি বিভিন্ন ভাগত ভগাব পাৰি। শব্দগুচ্ছ বা খণ্ডবাক্য (phrase), বাক্যাংশ (clause) আদিৰ গঠন প্ৰক্ৰিয়া বাক্যতত্ত্বৰ ভিতৰুৱা। বাক্যতত্ত্বত কেতিয়াবা পদৰ বিভাজন, এটা পদৰ সৈতে আনটো পদৰ সম্পৰ্ক, সমাজৰ প্ৰকাৰ, ভিন্নতা আদিও আলোচনা কৰা হয়। এইবোৰৰ উপৰিও নতুন নতুন সূত্ৰ প্ৰয়োগ কৰি ভাষা বিশেষৰ বাক্য গঠন প্ৰণালী আৰু ইবিলাকৰ ৰূপান্তৰণ বাক্যতত্ত্বত বিচাৰ কৰা হয়। বাক্যতত্ত্বৰ এই দিশবোৰৰ বিষয়ে পৰৱৰ্তী সময়ত আলোচনা কৰা হ'ব।

১.৪ বাক্যতত্ত্বৰ আধাৰ ঃ

বাক্যতত্ত্ব বা বাক্যৰীতিৰ আধাৰ হ'ল বাক্য। মানুহে কথা কওঁতে ধ্বনি উচ্চাৰণ কৰে আৰু সংযুক্ত হৈ প্ৰাকৃতি গঠন হয়। প্ৰাকতিবোৰ নিৰ্দিষ্টক্ৰমত লগ হৈ বাক্য গঠন হয় আৰু বাক্যৰ দ্বাৰাহে বক্তাৰ মনৰ বাৰ শ্ৰোতাই বুজিব পাৰে। প্ৰকৃতাৰ্থত প্ৰাকৃতিসমূহে বাক্যত পদ গঠন কৰে। এই পদ বা শব্দবোৰৰ সুসংগঠনত বাক্যৰ সৃষ্টি হয়। বাক্যত পদবোৰৰ প্ৰয়োগৰ ৰীতিকে বাক্যতত্ত্ব বোলা হয়। বাক্যগঠনত পদৰ ওপৰি আন এবিধ উপাদান হ'ল সুৰ লহৰ। সুৰ লহৰ নহলে বাক্য উচ্চাৰিত হ'ব নোৱাৰে।

পদ বৰ্ণৰে গঠিত গোট আনহাতে সুৰ লহৰ হ'ল লয় বৰ্ণৰ দ্বাৰা গঠিত গোট। সুৰ লহৰে পদবা পদ সমষ্টিৰে নিৰ্মিত বাক্য, খণ্ডবাক্য, গৰ্ভবাক্য বা বাক্যাংশৰ সীমা নিৰ্দিষ্ট কৰে। বিৰাম চিনৰ দ্বাৰা সুৰ লহৰ সূচিত কৰা হয়। বিৰাম চিনক যতি চিহ্নও বোলা হয়।

আত্মমূল্যায়ণ প্রশ্ন

১। বাক্যতত্ত্বই কি বুজায়? (৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

.....

.....

২। সুৰ লহৰক কিয় বাক্যৰ এটা মূল উপাদান হিচাপে বিবেচনা কৰা হয়? (৪০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

.....

.....

১.৫ বাক্যত পদৰ সঙ্গতি আৰু পদৰ ক্রম ঃ

আগৰ অনুচ্ছেদতে উনুকিয়াই অহা হৈছে যে বাক্য ৰচিত হয় পদেৰে। বাক্যত পোৱা পদবোৰ তলত দিয়াধৰণে দেখুৱাব পাৰি—

(১) কাৰকবাচক পদ ঃ (ক) বিশেষ্য
(খ) সর্বনাম

(২) বিশেষণ পদ

(৩) ক্রিয়াপদ, আৰু

(৪) অব্যয় পদ

বাক্যৰ মূল আধাৰ হ'ল ক্রিয়াপদ। বাক্যৰ অর্থ ক্রিয়াপদে নির্ণয় কৰে। সেইবাবে অব্যয়পদ, সম্বোধন পদ, সম্বন্ধ পদ আদিৰ ব্যতিৰেকে কাৰকবোৰক প্রতিটো পদৰ লগত ক্রিয়াপদৰ সম্পর্ক এৰাব নোৱাৰা।

ক্রিয়াপদৰ লগত কর্তা, কর্ম, কৰণ, নিমিত্তার্থক, অপাদান আৰু অধিকৰণ এই ছয়টা কাৰকবাচক পদৰ পোনপটীয়া সম্পর্ক আছে। বাক্যত ক্রিয়াপদৰ লগত কর্তাপদৰ সম্পর্ক অতি গাঢ়। ক্রিয়াৰ সম্পর্ক কর্মপদৰ লগত গাঢ় আৰু কৰণ, নিমিত্তার্থক, অপদান অধিকৰণৰ লগত কম গাঢ়। তলত এটা বাক্যৰ উদাহৰণৰ দ্বাৰা বুজোৱাৰ প্রয়াস কৰা হ'ল—

মানুহজনে কিতাপৰ টোপোলাটো তৎক্ষণাত বাছেৰে ঘৰৰ পৰা গুৱাহাটীলৈ
কর্তা কর্ম ক্রিয়া বিশেষণ কৰণ অপাদান নিমিত্তার্থক
পঠিয়াই দিলে।
ক্রিয়া

ওপৰৰ বাক্যটো লক্ষ্য কৰিলে দেখা যায় যে কৰ্তা (মানুহজনে)ঃ আৰু ক্ৰিয়া (পঠিয়াই দিলে) সংযোগতকৈ বাক্যটো সাৰ্থক হৈছে। কৰ্তা আৰু ক্ৰিয়া অবিহনে বাক্যটো অসাৰ্থক। কৰ্তাক বাদ দিলেও অন্য পদবোৰৰ লগত ক্ৰিয়াপদৰহে সম্পৰ্ক আছে। বিশেষকৈ কাৰকবাচক পদবোৰৰ লগত ক্ৰিয়া পদৰ সম্পৰ্ক গাঢ়। সেয়েহে বাক্যৰ গাঁথনিক দিশত এফালে কৰ্তা আৰু আনফালে অন্য কাৰকবোৰক পদ সহিতে ক্ৰিয়াৰ অৱস্থান। এই দুটা ভাগকে উদ্দেশ্য আৰু বিধেয় বুলি জনা যায়। ওপৰত উল্লেখ কৰা বাক্যটোক উদ্দেশ্য আৰু বিধেয় অনুসৰি এনেদৰে ভাগ কৰিব পাৰি—

উদ্দেশ্য	বিধেয়
মানুহজনে	কিতাপৰ টোপোলাটো তৎক্ষণাত বাছেৰে ঘৰৰ পৰা গুৱাহাটীলৈ পঠিয়াই দিলে।

পদৰ ক্ৰম ঃ প্ৰত্যেকটো ভাষাৰে বাক্যত ব্যৱহৃত পদবোৰ এটা সুনিৰ্দিষ্ট ক্ৰমত থাকে। সুনিৰ্দিষ্ট ক্ৰমত থাকিলেহে বাক্যৰ অৰ্থ স্পষ্ট হয়। সুনিৰ্দিষ্ট ক্ৰমত নাথাকিলে বাক্যত খেলিমেলি লাগে, অৰ্থ অস্পষ্ট হয়, নিৰ্দিষ্ট অৰ্থ প্ৰকাশ নাপায়, বাক্য নিৰৰ্থক হৈ পৰে। ভাষাভেদে বাক্যত পদৰ ক্ৰম ভিন্ন ভিন্ন। কিছুমান ভাষাত পদৰ ক্ৰমৰ অলপো তাৰতম্য ঘটিব নোৱাৰে। কোনোবাটো ভাষাত আৰু পদৰ ক্ৰমৰ শিথিলতা আছে। উদাহৰণস্বৰূপে, সংস্কৃত ভাষাত পদৰ ক্ৰমৰ ধৰা বন্ধা নিয়ম নাই। পদ বাক্যৰ যিকোনো ঠাইত বহিলেও নিৰ্দিষ্ট বিভক্তি প্ৰয়োগৰ বাবে বাক্যৰ অৰ্থ সঠিকৰূপত প্ৰকাশ পায়।

অসমীয়া ভাষাত বাক্যত প্ৰথমে উদ্দেশ্য আৰু পিছত বিধেয় থাকে। কিন্তু প্ৰয়োজন সাপেক্ষে কেতিয়াবা উদ্দেশ্য বা বিধেয়ৰ অন্তৰ্গত পদবোৰৰ ক্ৰমৰ তাৰতম্য ঘটিব পাৰে। সেয়েহে অসমীয়া ভাষাত পদৰ ক্ৰম সিমান শিথিলো নহয় আৰু নিকপকপীয়াও নহয়।

১.৬ বাক্য গঠনৰ বৈশিষ্ট্য ঃ

বাক্য গঠন বা পদৰ নিৰ্বাচন সম্পৰ্কে ভাৰতীয় অলংকাৰ শাস্ত্ৰত সাহিত্য দৰ্পনত উল্লেখ আছে। "বাক্যাংম্যাদ যোগ্যতাকাংক্ষাসক্তিযুক্ত পদোচ্চয়ঃ"। অৰ্থাৎ যোগ্যতা, আকাংক্ষা আৰু আসক্তিযুক্ত পদৰ সমষ্টিয়েই বাক্য। আধুনিক ভাষাবিজ্ঞানতো বাক্য গঠনৰ দিশত এই তিনিটা দিশক বিশেষ গুৰুত্ব আৰোপ কৰা হয়।

যোগ্যতা ঃ বাক্যত যিকোনো পদৰ লগত যিকোনা পদ লগ নালাগে। যোগ্যতা অনুসৰিহে এটা পদৰ লগত আন এটা পদ সংযোগ কৰা হয়। অৰ্থাৎ যোগ্যতা অনুসৰিহে বাক্যত বিভিন্ন পদৰ চয়ন আৰু উপস্থাপন হয়। পদৰ যোগ্যতা দুটা কথাৰ ওপৰত নিৰ্ভৰ কৰে—

(ক) পদৰ অৰ্থগত যোগ্যতা

(খ) পদৰ ৰূপগত যোগ্যতা

অৰ্থগত যোগ্যতা ঃ বাক্যত ব্যৱহৃত পদবোৰৰ প্ৰত্যেকৰে অৰ্থ প্ৰকাশ কৰাৰ ক্ষমতা থাকিব লাগে। এই পদবোৰৰ মাজত অৰ্থৰ সংগতি অত্যন্ত দৰকাৰ। যেনে— অসমীয়া ভাষাত গৰম লাগিছে, আঘাট হানিছে, মানুহজনক লগ ধৰিছে, পানী তপতায়, সাদৰ সম্ভাষণ জনাইছে, পানী পি খাইছে আদি বাক্যত প্ৰয়োগ হোৱা পদসমূহৰ অৰ্থৰ সংগতি ৰক্ষিত হৈছে বাবে বাক্যসমূহৰ ৰূপ শুদ্ধ হৈছে। কিন্তু, তপত লাগিছে, পানী চোবাই খাইছে, আঘাট মাৰিছে আদি বাক্যত পদসমূহৰ অৰ্থৰ সঙ্গতি ৰক্ষা হোৱা নাই। সেয়েহে সেইবোৰ বাক্যৰ শুদ্ধৰূপ নহয়।

ৰূপগত যোগ্যতা ঃ অৰ্থৰ সংগতিৰ লগে লগে বাক্যত পদ সমূহৰ ৰূপগত সঙ্গতি অৰ্থাৎ যোগ্যতা নাথাকিলে বাক্য শুদ্ধ ৰূপত পোৱা নাযায়। বাক্য শুদ্ধ ৰূপত পাবলৈ হ'লে বাক্যৰ শব্দবোৰৰ লগতে উপযুক্ত বিভক্তি, প্ৰত্যয় আদি যথা নিয়মে সংযোগ হ'ব লাগে। পদবোৰৰ মাজত ৰূপগত যোগ্যতাৰ লগতে কিন্তু অৰ্থগত যোগ্যতাও তাকিব লাগিব। কেতিয়াবা কেতবোৰ বাক্য ব্যাকৰণৰ নিয়মৰ পৰা শুদ্ধ যেন লাগিলেও প্ৰকৃতাৰ্থত শুদ্ধ নহয়। উদাহৰণ স্বৰূপে—

চৰাইবোৰ আকাশত উৰি আছে।

চৰাইবোৰে আকাশত সাতুৰি আছে।

এই বাক্য দুটা ব্যাকৰণৰ নিয়মৰ পৰা শুদ্ধ। কিন্তু অৰ্থগত যোগ্যতা নথকা বাবে দ্বিতীয়টো বাক্য শুদ্ধ নহয়। গতিকে শুদ্ধ বাক্য দুটা হ'ব—

চৰাইবোৰ আকাশত উৰি আছে।

চৰাইবোৰে পুখুৰীত সাঁতুৰি আছে।

ওপৰৰ বাক্যদুটাত কৰ্তা পদ দুটাৰ ৰূপ বেলেগ বেলেগ। প্ৰথম বাক্যৰ কৰ্তা 'চৰাইবোৰ' আৰু দ্বিতীয় বাক্যটোৰ কৰ্তা 'চৰাইবোৰে। বাক্য দুটাও কৰ্তাৰ কাৰ্যৰ লগত সঙ্গতি ৰক্ষা কৰিবলৈ যথাক্ৰমে কৰ্তা কাৰক 'শূণ্য বিভক্তি' আৰু '-এ' বিভক্তিযুক্ত কৰা হৈছে। 'সাঁতুৰি আছে' ক্ৰিয়া পদৰ লগত সঙ্গতি ৰক্ষা কৰিবলৈ কৰ্তা পদটিত '-এ' বিভক্তিৰ প্ৰয়োজন আৰু একেদৰে 'উৰি আছে' ক্ৰিয়াপদৰ সঙ্গতি ৰক্ষা কৰিবলৈ 'শূণ্যবিভক্তি'ৰ হে প্ৰয়োজন। পদৰ এনে সঙ্গতিয়ে হ'ব 'ৰূপগত যোগ্যতা'। একেদৰে—

(১) মোৰ মা গৈছে।

(২) তোৰ মাৰ গৈছে।

(৩) তোমাৰ মাৰা গৈছে।

(৪) তাৰ মাক গৈছে

আদি বাক্যত একাদিক্ৰমে পুৰুষ নিৰ্দেশক বিভক্তি 'শূণ্য বিভক্তি', '-ৰ', '-ৰা', '-ক' — এই কেইটাই মোৰ, তোৰ, তোমাৰ, তাৰ আদি পদৰ লগত সঙ্গতি ৰক্ষা কৰিছে।

কেতিয়াবা আকৌ একেটা শব্দতে বেলেগ বেলেগ বিভক্তি লগ লগাই বাক্যৰ মাজৰ সম্পর্ক স্থাপন কৰা হয় আৰু কার্য্যগত অর্থৰ পৰিবর্তন ঘটোৱা হয়। যেনে—

(১) মই তাক কথা কৈ আছো।

(২) মই তাৰ কথা কৈ আছোঁ।

(৩) বাঘে মাংস খায়।

(৪) বাঘৰ মাংস খায়।

কেতিয়াবা ৰূপগত যোগ্যতাৰ অভাৱত বাক্যৰ ভুল ৰূপ পোৱা যায়। যেনে— মই ঘৰক যাম, তেওঁ গাঁওত গৈছে, তাই ভাত বনালে ইত্যাদি। এইবোৰ ব্যাকৰণৰ দিশত অশুদ্ধ বাক্য অসমীয়া ভাষাত পোৱা যায়।

আকাংক্ষা ঃ আকাংক্ষা শব্দৰ অর্থ পাবলৈ ইচ্ছা বা হেঁপাহ। বক্তাই বাক্যৰ যোগেদি মনৰ ভাৱ প্রকাশ কৰিবলৈ আৱশ্যকীয়া পদসমূহৰ প্রয়োগ কৰিবলৈ তেওঁৰ মনত আকাংক্ষা জাগিব লাগিব। বাক্যৰ গঠনত আকাংক্ষাই বাক্যৰ অসম্পূর্ণতা গুচাই পূর্ণতা কৰাৰ ইচ্ছাক বুজায়।

'মই কামটো শেষ কৰি ঘৰলৈ যাম' এইবাক্যটোৰ 'মই কামটো শেষ কৰি' অংশটি আধৰুৱা বাক্য। বক্তাৰ মনৰ ভাৱ প্রকাশ কৰিবলৈ ঘৰলৈ যাম অংশটি প্রথম অংশটিৰ লগত ক'লেহে বাক্যটো সম্পূর্ণ হ'ব। বক্তাৰ আকাংক্ষাৰ বাবে দ্বিতীয় অংশটো উচ্চাৰণ কৰি বাক্যটো সম্পূর্ণ কৰিব।

আগতে আলোচনা কৰি অহা হৈছে যে বাক্য পূর্ণ হ'বলৈ দুটা উপাদানৰ দৰকাৰ— পদ আৰু সুৰ লহৰ। সুৰ লহৰৰ বাবে প্রসঙ্গক্রমে কেতিয়াবা এটা পদেৰেও বাক্য সম্পূর্ণ হয়। যেনে—

(১) এই কামটো কোনে কৰিলে?

(২) মই।

ইয়াৰ দ্বিতীয় বাক্যটো এটা পদেৰে সম্পন্ন হৈছে। সুৰ লহৰৰ বাবে এই বাক্যটোত এটা শব্দ প্রকাশ পালেও আগ অংশ কোৱাৰ বা শুনাৰ বাবে বক্তা বা শ্রোতাৰ আকাংক্ষা নাথাকে। কাৰণ সুৰ লহৰে বাক্যটো সম্পূর্ণ কৰিছে। কিন্তু 'মই—' ইয়াত অসম্পূর্ণ সুৰ লহৰ সৃষ্টি হৈছে। ফলত বাক্যটো সম্পূর্ণ নহ'ল আৰু বক্তা বা শ্রোতাৰ আকাংক্ষা থাকি গ'ল।

সুৰ লহৰে বাক্য পূর্ণ কৰাৰ মূল ভূমিকা পাল কৰে পদে নহয়। সুৰ লহৰৰ বাবে বক্তা বা শ্রোতাৰ আকাংক্ষা পূৰণৰ বাবে একাধিক বাক্যও একেটা বাক্যৰ অন্তর্ভুক্ত হ'ব পাৰে। যেনে—

তেওঁ কি কাম কৰে মই নাজানো কিন্তু তুমি মোক বাৰে বাৰে সেই কথাটো সুধি আছা।

এই বাক্যটোৰ পৰা তিনিটা স্বতন্ত্ৰ বাক্য পাব পাৰোঁ—

(১) তেওঁ কি কাম কৰে?

(২) মই নাজানো।

(৩) তুমি মোক বাৰে বাৰে সেই কথাটো সুধি আছাঁ।

এই বাক্য তিনিটা নির্দিষ্ট ক্ৰমত বিশেষ সুৰ লহৰেৰে কলে শ্ৰোতাৰ শ্ৰৱণৰ আকাংক্ষা পূৰ হয়; সেয়েহে ই এটা বাক্যত পৰিণত হৈছে আৰু অর্থ প্ৰকাশ কৰিছে।

আসক্তি ঃ আসক্তি শব্দৰ ব্যুৎপত্তিগত অর্থ হ'ল ওচৰত বহা বা সন্ধালনিকৈ থকা অর্থাৎ নিকটৱর্তী। বাক্যত পদসমূহ নির্দিষ্ট ক্ৰমত ইটোৰ পিছত সিটো ব্যৱহাৰ হয়। অর্থগত বা ৰূপগত সঙ্গতি থকা পদবোৰ যথোপযুক্ত ক্ৰমত ওচৰা ওচৰিকৈ সজোৱা হয়। সকলো পদ সকলো পদৰ ওচৰত নবহে। আসক্তিযুক্ত পদসমূহ ওচৰা ওচৰিকৈ বহিলেহে বাক্যৰ অর্থ স্পষ্ট হয়। এনেদৰে বাক্যত ওচৰা ওচৰিকৈ বহা পদসমূহক আসন্ন অঙ্গ বা নিকটষ্ঠ অঙ্গ (Immediate constituent) বোলা হয়। বাক্যতত্ত্বৰ বিশ্লেষণত আসক্তিযুক্ত পদ অর্থাৎ আসন্ন অঙ্গৰ বিচাৰ কৰি বাক্যৰ প্ৰকৃত অর্থ নিৰূপণ কৰা হয়।

আসন্ন অংগৰ ধাৰণা পাবলৈ কেইটামান বাক্য বিচাৰ কৰা হওঁক

(১) তেওঁ খেতিয়ক।

(২) তেওঁ এজন খেতিয়ক।

(৩) মানুহজনে ডাঙৰ কিতাপখন পঢ়িলে।

ওপৰৰ প্ৰথম বাক্যত মাথোন দুটা পদ আছে। পদ দুটাৰ অর্থগত আৰু ৰূপগত যোগ্যতা আছে বাবে পদ মর্যাদাও আছে। সেয়েহে ইহঁত পৰস্পৰে পৰস্পৰৰ আসন্ন অঙ্গ। (২) নং বাক্যটোত তিনিটা পদ আছে। বাক্যটোক আমি এনেদৰে ভগাব পাৰোঁ— 'তেওঁ' আৰু 'এজন খেতিয়ক'। দ্বিতীয় ভাগটোত দুটা পদ আছে। ইহঁত পৰস্পৰে আসন্ন অঙ্গ। বাক্যটোক তলত দিয়া ধৰণে দেখুৱাব পাৰি—

তেওঁ // এজন খেতিয়ক।

বাক্যটোৰ আসন্ন অংগৰ সম্পূর্ণ বিচাৰ এনেধৰণৰ—

তেওঁ // এজন / খেতিয়ক।

(৩) নং বাক্যটোত চাৰিটা পদ আছে। ইয়াৰ অংগ বিচাৰ কৰিলে প্ৰথম দুটা ভাগ পাওঁ— 'মানুহজনে', 'ডাঙৰ কিতাপখন পঢ়িলে।' দ্বিতীয় অংগত তিনিটা পদ আছে। এই অংশটোক পুনৰ বিবাজন কৰিলে আকৌ দুটা ভাগ পাওঁ 'ডাঙৰ কিতাপখন' আৰু 'পঢ়িলো'। ইয়াত 'ডাঙৰ কিতাপখন' এই পদ দুটা পৰস্পৰে পৰস্পৰৰ আসন্ন অঙ্গ। পদ দুটাৰ 'পঢ়িলে' ক্ৰিয়াৰ লগত সম্পর্ক আছে। বাক্যটোৰ সম্পূর্ণ আসন্ন অঙ্গ বিচাৰ কৰিলে এনেকুৱা হ'ব—

মানুহজনে ডাঙৰ কিতাপখন পঢ়িলে।

মানুহজনে // ডাঙৰ কিতাপখন পঢ়িলে।

মানুহজনে // ডাঙৰ কিতাপখন / পঢ়িলে।
মানুহজনে // ডাঙৰ / কিতাপখন / পঢ়িলে

১.৭ বাক্যৰ গাঁথনিক বিভাজন

আগতে পাই আহিছো যে বাক্য গাঁথনিক দিশৰ পৰা দুটা প্ৰধান ভাগত ভগাব পাৰি—

(১) উদ্দেশ্য আৰু (২) বিধেয়

উদ্দেশ্য হ'ল প্ৰধানকৈ ক্ৰিয়াই বুজোৱা কাৰ্যৰ কৰোতা বা কৰ্তা। কেতিয়াবা অৱশ্যে কৰ্মকো উদ্দেশ্যই সামৰি লয়। উদ্দেশ্য কেতিয়াবা এটা পদো হয় আৰু কেতিয়াবা ইয়াৰ গুণ, দোষ, সংখ্যা, পৰিমাণ আদি বুজোৱা শব্দগুচ্ছও হ'ব পাৰে। বিধেয় হ'ল সাধাৰণতে ক্ৰিয়া আৰু ক্ৰিয়াই যাৰ ওপৰত ক্ৰিয়া কৰে সেয়া কৰ্ম। কৰ্ম কেতিয়াবা এটা পদো হ'ব পাৰে আৰু কেতিয়াবা ইয়াৰ গুণ, সংখ্যা আদি বুজোৱা শব্দ গুচ্ছও হ'ব পাৰে। একেদৰে ক্ৰিয়াও অকলে থাকিব পাৰে বা অন্য পদো থাকিব পাৰে। উদাহৰণ হিচাপে তলত দিয়া বাক্য দুটা চাব পাৰোঁ।

উদ্দেশ্য	বিধেয়
মানুহজনে (কৰ্তা)	কামটো কৰিলে (কৰ্ম) (ক্ৰিয়া)
সৌ ডেকা মানুহজনে (নিৰ্দে.) (বিন) (কৰ্তা)	সেই কামটো সোনকালে কৰি অটালে। (নিৰ্দে.) কৰ্ম (ক্ৰিঃ বিন.) (অ. ক্ৰিয়া) (ক্ৰিয়া)

ওপৰৰ পৰ্যালোচনাৰ পৰা দেখা গ'ল যে বাক্যক উদ্দেশ্য আৰু বিধেয়— এই দুটা ভগালেও বাক্য গঠনৰ মুল উপাদান তিনিটা— উদ্দেশ্য (Subject) বা কৰ্তা, কৰ্ম (Object) আৰু ক্ৰিয়া (Verb)। ইহঁতৰ ব্যৱহাৰৰ এটা নিৰ্দিষ্ট ক্ৰম থাকে। যেনে— s-o-v, s-v-o ইত্যাদি। ইয়াৰ প্ৰত্যেকটো উপাদানত যদি একাধিক পদ থাকে তেতিয়াহ'লে পদসমূহো নিৰ্দিষ্ট ক্ৰমতে সংলগ্ন হয়। বিশেষণ পদ বিশেষ্যৰ আগত বহে, নিৰ্দেশক সৰ্বনাম তাৰো আগত বহে, ক্ৰিয়া বিশেষণ ক্ৰিয়াৰ আগত বহে। বাক্যৰ ক্ৰমৰ কেতিয়াবা সাল-সলনি ঘটিলেও শব্দ গুচ্ছ (বিশেষ্য শব্দ গুচ্ছ আৰু ক্ৰিয়া শব্দ গুচ্ছ) গঠনৰ ক্ৰম সদায় অপৰিবৰ্তিত হৈ থাকে। যেনে— বিশেষ্য শব্দ গুচ্ছৰ ক্ৰম 'নিৰ্দেশাত্মক বিশেষণ— বিশেষ— নিৰ্দিষ্টতাবাচক' প্ৰত্যয় কেতিয়াও সলনি নহয় যদিহে প্ৰয়োগ থাকে।

চমস্কিৰ সমাৰ্থক ৰীতি অনুযায়ী বাক্যৰীতিক দুই ধৰণে ভাগ কৰা হয়। বিশেষ্য শব্দগুচ্ছ (Noun phrase) আৰু ক্ৰিয়া শব্দ গুচ্ছ (Verb phrase)। তেওঁ উদ্দেশ্যক বিশেষ্য শব্দগুচ্ছ আৰু বিধেয়ক ক্ৰিয়া শব্দ গুচ্ছ হিচাপে দেখুৱাইছে। এই কথাখিনি ওপৰৰ বাক্যত আমি এনেদৰে দেখুৱাব পাৰোঁ।



আত্মমূল্যায়ন প্রশ্ন

১। আসক্তিক কিয় বাক্যৰ আসন্ন অঙ্গ বুলি কোৱা হয়? (৪০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

.....

.....

.....

২। বাক্যত সুৰ লহৰে কি কার্য কৰে? (৩০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

.....

.....

.....

৩। বাক্যৰ উদ্দেশ্য বিধেয়ৰ লগত চমস্কিৰ ধাৰণাৰ সম্পর্ক কি? (৪০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

.....

.....

.....

১.৮ বাক্যৰ শ্রেণী বিভাজন ঃ

সাধাৰণতে বাক্যক তিনিটা দিশৰ ওপৰত গুৰুত্ব দি শ্রেণী বিভাজন কৰা হয়।

(১) বাক্যৰ গাঁথনিক দিশৰ পৰা

(২) অর্থ আৰু ভাৱৰ দিশৰ পৰা

(৩) বাক্যত কর্তা, কর্ম বা ক্রিয়াই লাভ কৰা প্রাধান্যৰ দিশৰ পৰা।

(১) গাঁথনিক দিশ অনুসৰি হোৱা শ্রেণী বিভাজন ঃ

গাঁথনিক দিশ অনুসৰি বাক্যক তিনিটা ভাগত ভগাব পাৰি—

(ক) সৰল বাক্য (Simple Sentence)

(খ) জটিল বাক্য (Complex Sentence)

(গ) যৌগিক বাক্য (Compound Sentence)

তুমি তাক পঢ়ুৱালা। ইত্যাদি।

সৰল বাক্য ঃ সাধাৰণতে ন্যূনতম এটা সমাপিকা ক্রিয়া আৰু সুৰলহৰৰ দ্বাৰা এটা ভাৱ সম্পূর্ণকৈ প্রকাশ কৰিব পৰা বাক্যক সৰল বাক্য বুলি কোৱা হয়। সৰল বাক্যত সাধাৰণতে দুটা শ্রেণীৰ শব্দগুচ্ছ থাকে— বিশেষ্য শব্দগুচ্ছ আৰু ক্রিয়া শব্দগুচ্ছ। যেনে—

তুমি ভাত খোৱা।

মই ঘৰলৈ যাওঁ।

মানুহজনক ওচৰৰ পৰা দেখিলোঁ।

সৰল বাক্য কেতিয়াবা এটা আৰু কেতিয়াবা দুটা পদেৰেও গঠন হ'ব পাৰে। আৰু কেতিয়াবা ই যথেষ্ট দীঘলো হ'ব পাৰে। যেনে—

আহিলোঁ।

মই খালোঁ।

সেই বুঢ়া মানুহজনে সদায় খোজকাঢ়ি ঘৰলৈ অহাযোৱা কৰে।

ওপৰৰ বাক্যকেইটাৰ প্রথমটোত কর্তা আৰু কর্মহীন ভাৱে আৰু দ্বিতীয় বাক্যটোত কর্মহীন ভাৱে সৰল বাক্য গঠন হৈছে। কেতিয়াবা কেতবোৰ ভাষাত ক্রিয়াহীন ভাৱেও (উহ্য থাকি) সৰল বাক্য গঠন হয়। এই ক্ষেত্রত এটা বিশেষ্য শব্দগুচ্ছ লগত আন এটা বিশেষ্য শব্দগুচ্ছ লগ লাগি সৰল বাক্য গঠন হয়। যেনে—

হিমালয় এখন ওখ পর্বত।

তেওঁৰ দেউতাক এজন শিক্ষক।

জটিল বাক্য ঃ জটিল বাক্যত এটা প্রধান বাক্য খণ্ড (main clause) থাকেআৰু আন এটা উপ বাক্য খণ্ড (subordinate clause) থাকে। এই প্রধান বাক্যখণ্ড, উপবাক্য-খণ্ডৰ ওপৰত নির্ভৰশীল হয়। যেনে—

তেওঁ আহিলে মই যাম।

বৰষুণ দিলে খেতি ভাল হ'লহেতেন।

ওপৰৰ বাক্য দুটাত 'তেওঁ আহিলে', 'বৰষুণ দিলে' উপবাক্যখণ্ড আৰু 'মই যাম', 'খেতি ভাল হ'লহেতেন' আদি প্রধান বাক্যখণ্ড। এই প্রধান বাক্য খণ্ডৰ অর্থ উপবাক্যখণ্ড দুটাৰ ওপৰত নির্ভৰ কৰিছে।

যৌগিক বাক্য ঃ একাধিক সৰল বা জটিল বাক্যক সংযোজক বা বিয়োজক অব্যয় লগ লগাই ৰচনা কৰা বাক্যক যৌগিক বাক্য বোলা হয়। এই বাক্যবোৰৰ পৰা

সংযোজক বা বিয়োজক অব্যয়সমূহ আঁতৰাই দিলে একাধিক সলৰ বা জটিল বাক্যত পৰিণত হয়। যৌগিক বাক্যত অব্যয়ৰ আগফালে বা পিছফালে থকা কোনোটো বাক্যই কোনোটোৰ অধীন নহয়; ইহঁতক সহযোগী বাক্যখণ্ড বুলিও কোৱা হয়। যৌগিক বাক্যৰ কেতবোৰ উদাহৰণ—

মানুহজন আহিল আৰু চকীখনত বহিল।
সি যদি যাব বিচাৰে তেতিয়াহ'লে তাক যাব দিয়া।
তেওঁ আহিল কিন্তু কামটো নকৰিলে।

(২) অর্থ বা ভাৱ অনুসৰি বাক্যৰ বিভাজন ঃ

অর্থ বা ভাৱ অনুযায়ী বাক্যক কেতবোৰ শ্রেণীত ভাগ কৰিব পাৰি—

(১) নির্দেশাত্মক বা বর্ণনাত্মক বাক্য (Positive or Affirmative)
—সাধাৰণ তথ্য প্রকাশক বাক্য

(২) প্রশ্নসূচক বাক্য (Interogative) - প্রশ্ন সোধা ভাৱ প্রকাশক

(৩) অনুজ্ঞাসূচক বাক্য (Imperative) - আদেশ, অনুৰোধ, নির্দেশ আদি ভাৱ প্রকাশক

(৪) ইচ্ছাসূচক বা ভাৱসূচক বাক্য (Optative sentence) - ইচ্ছা বা মনৰ ভাৱ প্রকাশক

(৫) বিস্ময় বা আশ্চর্যসূচক বাক্য (Interjective sentence) - আচৰিত বা আশ্চর্য ভাৱ প্রকাশক

(৬) সন্দেহসূচক বাক্য (Dubitative sentence) - সন্দেহভাৱ প্রকাশক

(৭) কার্যকৰণাত্মক বাক্য (Conditional sentence) - কার্যৰ কাৰণ প্রকাশক

উল্লেখযোগ্য যে— নির্দেশাত্মক বাক্যক অকৌ দুটা ভাগত ভগাব পাৰি—

(ক) সদর্থক — হয় বুজোৱা বাক্য
(খ) নঞর্থক বাক্য — নহয় বুজোৱা বাক্য

(১) নির্দেশাত্মক বাক্য ঃ নির্ণয়ক বা নির্দেশক ভাৱৰ সমাপিকা ক্রিয়া থকা বাক্যক নির্দেশাত্মক বাক্য বোলা হয়। নির্দেশাত্মক বাক্যত উদ্দেশ্য আৰু বিধেয় দুয়োটা অংশই থাকে। যিবিলাক নির্দেশাত্মক বাক্যত ক্রিয়াই সূচনা কৰা কার্যৰ যথাযথ বর্ণনা থাকে আৰু তাত নঞর্থক বা প্রশ্নবোধক ভাৱ নাথাকে, এনে বাক্যক সদর্থক বাক্য বোলা হয়। আনহাতে যিবিলাক বাক্যত ক্রিয়াৰ স্থিতি বা কার্য নহয় বা নোহোৱা ভাৱ প্রকাশক হয় সেইবোৰ বাক্যক নঞর্থক বাক্য বোলা হয়। যেনে—

সদর্থক বাক্য ঃ চৰাইবোৰ উৰি আছে।
মানুহজন গ'ল।

তেওঁ মোৰ ভাগিন হয়।

নঞৰ্থক বাক্য ঃ মানুহজন নগ'ল।

সিংহই ঘাঁহ নাখায়।

তেওঁ মোৰ সম্পৰ্কীয় নহয়।

(২) প্ৰশ্নসূচক বাক্য ঃ যিবিলাক বাক্যৰ যোগেদি প্ৰশ্ন শোধা হয়, তেনে বাক্যবোৰক প্ৰশ্নসূচক বাক্য বোলা হয়। যেনে—

মানুহজন ঘৰত আছেনে?

তুমি কথাটো জানা নেকি?

তোমাৰ নাম কি?

(৩) অনুজ্ঞাসূচক বাক্য ঃ যিবোৰ বাক্যই কোনো কাৰ্য ঘটাৰ আভাস বা স্থিতিৰ বৰ্ণনা নিদি কৰ্তাক কোনো আদেশ, অনুৰোধ, নিৰ্দেশ আদি দিয়া বুজায় তেনে বাক্যক অনুকাৰসূচক বাক্য বোলা হয়। যেনে—

তুমি বজাৰলৈ যোৱা।

অনুগ্ৰহ কৰি কামটো কৰি দিয়া।

আপুনি অলপ অপেক্ষা কৰক। ইত্যাদি।

(৪) ইচ্ছাসূচকতা ভাৱসূচক বাক্য ঃ যিবিলাক বাক্যই কৰ্তাৰ মনৰ ইচ্ছা বা ভাৱ প্ৰকাশ কৰে তেনে বাক্যক ইচ্ছাসূচক বা ভাৱসূচক বাক্য বোলা হয়। যেনে—

তোমাৰ ভাল হওঁক।

কামটো কৰিব পাৰিলে ভাল হয়।

(৫) বিস্ময় বা আশ্চৰ্যসূচক বাক্য ঃ যিবিলাক বাক্যৰ মাজেদি বিস্ময়, আচৰিত বা আশ্চৰ্যভাৱ প্ৰকাশ পায়, তেনে বাক্যবোৰক বিস্ময় বা আশ্চৰ্যসূচক বাক্য বোলা হয়। যেনে—

আঃ কি অপূৰ্ব দৃশ্য।

বাঃ আচৰিত কথা।

বাহঃ বাহ ভাল কাম কৰিলা।

বাপৰে ইমান ডাঙৰ সাপ।

(৬) সন্দহসূচক বাক্য ঃ এইবোৰ বাক্যৰ যোগেদি সন্দেহভাৱ প্ৰকাশ পায়। যেনে—

ঘটনাটো হয় জানো।

হয়তো সি নাহিব।

কামটো নহব কিজানি।

(৭) কার্যকৰণাত্মক বাক্য ঃ যিবিলাক বাক্যত মূল কার্য সংঘটিত হোৱাৰ কাৰণটোও সোমাই থাকে তেনে বাক্যই হ'ল কার্যকৰণাত্মক বাক্য। যেনে—

যদি তুমি আহিলাহেতেন মই গ'লোহেতেন।
বৰষুণ দিলে খেলিব ভাল হ'লহেঁতেন।
বেছিকৈ ৰ'দ দিলে ঘাম ওলায়।

(৩) বাচ্য ভিত্তিক অর্থাৎ কর্তা, কর্ম অথবা ক্রিয়াৰ প্রাধান্যৰ ভিত্তিক বাক্যৰ শ্রেণী বিভাজনঃ

বাক্যত কেতিয়াবা কর্তা, কেতিয়াবা কর্ম আৰু কেতিয়াবা ক্রিয়াই ক'বলগীয়া বা প্রকাশ কৰিবলগীয়া বিষয়ত প্রাধান্য লাভ কৰে। সেয়াই বাচ্য। বাচ্য অনুসৰি বাক্য তিনি প্রকাৰ পোৱা যায়। কর্তৃবাচ্যৰ বাক্য, কর্মবাচ্যৰ বাক্য আৰু বাৱবাচ্যৰ বাক্য।

কর্তৃবাচ্যৰ বাক্য ঃ যি বাক্যত কর্তাই মুখ্যস্থান গ্রহণ কৰে সেয়াই কর্তৃপক্ষৰ বাক্য। এই শ্রেণীৰ বাক্যত কর্তাই কাৰ ওপৰত, কিহৰ সহায়ত, কেনেকৈ কেতিয়া কি কাৰণে কোনো কার্য সম্পাদন কৰে সেই কথাই প্রধান বক্তব্য হয়। যেনে—

মানুহজন ঘৰলৈ গ'ল।
লৰাজনে পঢ়ি আছে।
তেওঁ চাকৰি কৰে।
চিকাৰীজনে বন্দুকেৰে চৰাই এটা চিকাৰ কৰিলে।

কর্মবাচ্যৰ বাক্য ঃ কর্মবাচ্যৰ বাক্যত কর্মই প্রধান স্থান গ্রহণ কৰে। এই শ্রেণীৰ বাক্যত কর্ম প্রায়ে উদ্দেশ্যৰ স্থানত বহে আৰু ক্রিয়াৰ লগত অন্বয় হয়। ক্রিয়াৰ কার্য কোনে সম্পাদন কৰিলে সেয়া প্রকাশ কৰাটো এই শ্রেণীৰ বাক্যত সিমান প্রয়োজনীয় নহয়। যেনে—

সাগৰত মাছ থাকে।
দিনত আকাশত তৰা নেদেখি।
চোৰটো ধৰা পৰিল।
বাৰিষা জংঘললৈ যাব পৰা নাযায়।
পুলিচৰ হাতত চোৰটো ধৰা পৰিল।

ভাববাচ্যৰ বাক্য ঃ ভাৱবাচ্যৰ ধাৰণা সম্পূর্ণ ভাৰতীয়। যি বাক্যত ক্রিয়াৰ কার্যৰ বিষয়ে বর্ণনা কৰাই মুখ্য; কর্তা আৰু কর্ম গৌণ অথবা কর্তা গৌণ আৰু কর্ম অবর্তমান, সেই বাক্যই ভাববাচ্যৰ বাক্য। যেনে—

প্রভুৰ কেতিয়ালৈ যোৱা হ'ব?
এতিয়া উঠা যাওঁক।
অন্নমুঠি গ্রহণ কৰিব লাগে।

এই বিভাজনবোৰৰ ওপৰিও উক্তি অনুসৰিও বাক্যক বিভাজন কৰিব পাৰি। প্রত্যক্ষ উক্তিৰ বাক্য আৰু পৰোক্ষ উক্তিৰ বাক্য।

প্ৰত্যক্ষ উক্তিৰ বাক্য ঃ তেওঁ ক'লে 'মানুহ মৰণশীল'।

ল'ৰাটোৱে কৈছিল 'মই কেতিয়াও স্কুল ক্ষতি নকৰো'

পৰোক্ষ উক্তিৰবাক্য ঃ তেওঁ ক'লে যে মানুহ মৰণশীল।

ল'ৰাটোৱে কেতিয়াও স্কুল ক্ষতি নকৰো বুলি ক'লে।

আত্মমূল্যায়ন প্ৰশ্ন

১। কিহৰ ভিত্তিত বাক্যৰ শ্ৰেণী বিভাজন কৰা হয়? (৪০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

.....

.....

.....

২। ভাষ্য অনুসৰি বাক্যৰ বিভাজনৰ ভিত্তি কি? (৪০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

.....

.....

.....

১.৯ বাক্যৰ ৰূপান্তৰ ঃ

বাক্যতত্ত্বৰ এটা গুৰুত্বপূৰ্ণ আলোচনাৰ দিশ হ'ল বাক্যৰ ৰূপান্তৰ। প্ৰায় সকলো ভাষাত এটা শ্ৰেণীৰ বাক্যক অন্য এটা শ্ৰেণীলৈ ৰূপান্তৰ কৰিব পাৰি। নিৰ্দেশাত্মক বাক্যক প্ৰশ্নসূচক বাক্যলৈ ৰূপান্তৰ কৰিব পাৰি। একেদৰে সদৰ্থক বাক্যক নঞৰ্থকলৈ, কৰ্তৃবাচ্যৰ বাক্যক কৰ্মবাচ্য বা ভাৱবাচ্যৰ বাক্যলৈ ৰূপান্তৰ কৰিব পাৰি। একেদৰে প্ৰত্যক্ষ উক্তিৰ বাক্যক পৰোক্ষ উক্তিৰ বাক্যলৈ ৰূপান্তৰ কৰা হয়। একে নিয়মে ওলোটা ধৰণেও এই বাক্যবোৰক ৰূপান্তৰ ঘটাব পাৰি; অৰ্থাৎ প্ৰশ্নসূচক বাক্যক নিৰ্দেশাত্মক বাক্যলৈ, নঞৰ্থক বাক্যক সদৰ্থকলৈ, কৰ্মবাচ্যৰ বাক্যক কৰ্তৃ বাচ্যলৈ; পৰোক্ষ উক্তিৰ বাক্যক প্ৰত্যক্ষ উক্তিৰ বাক্যলৈ ৰূপান্তৰ ঘটাব পাৰি।

১.১০ সাৰাংশ (Summing Up)

বাক্যতত্ত্ব হ'ল ভাষাৰ বাক্য গঠনৰ প্ৰণালী। বাক্যতত্ত্বৰ মূল সমল হ'ল বাক্য। বাক্য এটাৰ আধাৰ হ'ল পদ আৰু সুৰলহৰ। বিভিন্ন পদসমূহ সুনিৰ্দ্দিষ্ট ক্ৰমত বহি সুৰ লহৰৰ প্ৰয়োগৰ দ্বাৰা অৰ্থ প্ৰকাশক বাক্য গঠন হয়। বাক্য গঠনত ব্যৱহৃত পদ সমূহৰ সঙ্গতি থকা দৰকাৰ আৰু পদসমূহ নিৰ্দিষ্ট ক্ৰমতহে ইটোৰ লগত সিটো যোগ হয়। বাক্যৰ মূল অংশ দুটা উদ্দেশ্য আৰু বিধেয়। চমস্কিয়ে এই অংশ দুটাক বিশেষ্য শব্দগুচ্ছ আৰু ক্ৰিয়া শব্দগুচ্ছ বুলি অব্যয় এনেদৰে ভাগ কৰিব পাৰি।

বাক্যক প্রধানত গঠন অনুসৰি, অর্থ আৰু ভাৱ অনুসৰি আৰু বাচ্য অনুসৰি বিভাজন কৰিব পাৰি। সেই অনুসৰি সৰল বাক্য, জটিল বাক্য, মৌলিক বাক্য, নির্দেশাত্মক বাক্য, অনুজ্ঞাসূচক বাক্য, প্রশ্নসূচক বাক্য, ইচ্ছাসূচক বাক্য, বিস্ময়সূচক বাক্য, কর্তৃবাচ্যৰ বাক্য, কর্মবাচ্যৰ বাক্য, ভাববাচ্যৰ বাক্য আদি বিভাজনবোৰ পাওঁ। বিভিন্ন শ্রেণীৰ বাচ্যবোৰক বিভিন্ন শ্রেণীলৈ ৰূপান্তৰ কৰিব পাৰি।

১.১১ আৰ্হি প্রশ্ন (Sample Questions)

১) বাক্যতত্ত্ব মানে কি বুজায় লিখা।

২) বাক্যতত্ত্বৰ আধাৰ কি? বাক্যত পদৰ সংগতি আৰু পদৰ ক্রম সম্পর্কে আলোচনা কৰা।

৩) বাক্যৰ গঠনৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

৪) বাক্যৰ গাঁথনিক বিভাজনৰ বিষয়ে আলোচনা কৰক। পৰম্পৰাগত বিবাজনক চমস্কিয় ধাৰণাই কেনেদৰে উনুকিয়াইছে?

৫) বাক্যৰ শ্রেণী বিভাজন সম্পর্কে এটি আলচ যুগুত কৰক।

৬) কি কি দিশৰ ওপৰত নির্ভৰ কৰি বাক্যৰ শ্রেণী বিভাজন কৰিব পাৰি?

৭) চমুটোকা লিখকঃ

উদ্দেশ্য, বিধেয়, শব্দগুচ্ছ, আসন্ন অঙ্গ, বাক্যত পদৰ সংগতি, পদৰ যোগ্যতা, বাক্যত আকাংক্ষা, জটিল বাক্য, যৌগিক বাক্য, বাচ্য অনুসৰি বাক্য।

১.১২ প্রসঙ্গ গ্রন্থ (References/Suggested Readings)

অপর্ণা কোঁৱৰ ঃ *ভাষাজ্ঞান উপক্রমণিকা*

উপেন্দ্রনাথ গোস্বামী ঃ *অসমীয়া ভাষাৰ ব্যাকৰণ*

গোলোক চন্দ্র গোস্বামী ঃ *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ*

অসমীয়া ভাষাৰ প্রবেশ

ফনীন্দ্র নাৰায়ণ দত্তবৰুৱা ঃ *আধুনিক ভাষাবিজ্ঞান পৰিচয়*

নাহেন্দ্র পাদুন (সম্পা.) ঃ *ভাষাৰ তত্ত্বকথা*

চিন্তা-প্রবাহ

বসন্ত কুমাৰ ভট্টাচার্য ঃ *ভাষাবিজ্ঞান প্ররেশ*

***

দ্বিতীয় বিভাগ

অসমীয়া ভাষাৰ বাক্যৰীতি

বিভাগৰ গঠন ঃ

২.১ ভূমিকা (Introduction)

২.২ উদ্দেশ্য (Objectives)

২.৩ অসমীয়া ভাষাৰ বাক্যৰীতি বা বাক্য বিন্যাস

২.৩.১ বাক্যৰীতিৰ আধাৰ

২.৩.২ বাক্যৰ গাঁথনিক বিভাজন

২.৪ অসমীয়া বাক্যৰ শ্রেণী বিভাগ

২.৪.১ সৰল বাক্য

২.৪.২ জটিল বাক্য

২.৪.৩ যৌগিকবাক্য বা যুগ্ম বাক্য

২.৫ ভাৱ (Mood) ৰ পৰিপ্রেক্ষিতত বাক্যৰ শ্রেণী বিভাজন

২.৬ বাচ্য (Voice)ৰ পৰিপ্রেক্ষিতত বাক্যৰ শ্রেণী বিভাজন

২.৭ বাক্যৰ ৰূপান্তৰ

২.৮ উক্তিৰ পৰিবর্তন

২.৯ সাৰাংশ (Summing Up)

২.১০ আৰ্হিপ্রশ্ন (Sample Questions)

২.১১ প্রসংগ গ্রন্থ (References/Suggested Readings)

২.১ ভূমিকা (Introduction)

পূর্ববর্তী বিভাগটিত বাক্যতত্ত্বৰ সকলো দিশ আলোচনা কৰা হৈছে। এই বিভাগটিত অসমীয়া বাক্যৰ বিষয়ে বহলাই আলোচনা কৰাৰ প্রয়াস কৰা হ'ব।

বাক্যতত্ত্বত শব্দৰ পৰা সাধন আৰু গঠন কৰি উলিওৱা বিভিন্ন ৰূপক কেনেকৈ বিভিন্ন নিয়মৰ দ্বাৰা সংযোজিত কৰি অর্থপূর্ণ বাক্য গঠন কৰা হয়, কি প্রণালীৰে এক শ্রেণীৰ বাক্যৰ গঠন কৰি উলিওৱা হয় ইত্যাদি কথা খৰচি মাৰি আলোচনা কৰা হয়। এই বিভাগটিত অসমীয়া পৰম্পৰাগত বা প্রথাগত বাক্যৰীতিৰ কথা বহলাই আলোচনা কৰি আধুনিক বাক্য তত্ত্বৰ ধ্যান ধাৰণাৰ সামান্য আভাস দিবৰ চেষ্টা কৰা হৈছে।

২.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- অসমীয়া বাক্যৰ গাঁথনিক ৰূপটো বুজিব পাৰিব,

- অসমীয়া বাক্যৰ বিভাজন কৰিব পাৰিব,
- অসমীয়া বাক্যৰ এটা শ্ৰেণীৰ পৰা আন এটা শ্ৰেণীলৈ পৰিবৰ্তন কৰিব পাৰিব,
- উক্তিৰ পৰিবৰ্তন বুজিব পাৰিব।

২.৩ অসমীয়া ভাষাৰ বাক্যৰীতি বা বাক্যবিন্যাস (Assamese Syntax)

পূৰ্ববৰ্তী বিভাগতে আমি পাই আহিছো যে বাক্যৰীতি বুলিলে এটা ভাষাত থকা শব্দসমহক বিভিন্ন বিভক্তিৰ যোগত পদলৈ ৰূপান্তৰিকত কৰি সেইবোৰক বিভিন্ন নিয়মেৰে লানিবদ্ধ ভাবে সংযোজিত কৰি সম্পূৰ্ণ অৰ্থ বহন কৰা বাক্যগঠন প্ৰণালীক বুজায়। 'বাক্যৰীতি'ত ইংৰাজী পৰিভাষা হ'ল 'Syntax' আৰু ই গ্ৰীক 'Syntaxis' শব্দৰ পৰা অহা; গ্ৰীকত 'Syn' মানে একেলগে আৰু 'taxis' মানে সজোৱা। এই সজোৱা কেৱল 'শব্দ সজোৱা' বুজায়। অৰ্থাৎ 'Syntax'। মানে শব্দ একেলগে সজোৱা প্ৰণালী। সেইফালৰ পৰা আমাৰ 'বাক্যৰীতি' আৰু ইংৰাজীৰ 'Syntax' ৰ সংজ্ঞা একেই।

অসমীয়া পঢ়াশলীয়া ব্যাকৰণবোৰত বাক্যৰীতিৰ আলোচনা তেনেই সংক্ষেপ। ইয়াত কেৱল 'উদ্দেশ্য' আৰু 'বিধেয়'ৰ সমাহাৰত কেনেকৈ বাক্য গঠিত হয় সেই কথা কৈ বাক্যৰ প্ৰকাৰ ভেদ, বাচ্য পৰিবৰ্তন, উক্তি পৰিবৰ্তন আদি কথা অতি সংক্ষিপ্তকৈ আলোচনা কৰা হৈছে। গোস্বামী (১৯৮৭) য়ে এই আলোচনাৰ পৰিসৰ বঢ়াবলৈ যত্ন কৰিছে। দত্তবৰুৱাই তেওঁৰ প্ৰবন্ধ আৰু পুথিসমূহত এই বিষয়ে বিস্তাৰিতভাৱে আলোচনা কৰি আধুনিক পশ্চিমীয়া দৃষ্টিভঙ্গীৰে ৰূপান্তৰ সৃজন ব্যাকৰণ (Transformational Generation Grammer) আৰ্হিতো যে অসমীয়া বাক্যৰীতি আলোচনা কৰিব পাৰি সেই বিষয়ে পাঠকক পতিয়ন নিয়াইছে। এই পাঠত প্ৰধানকৈ প্ৰাচ্যৰ দৃষ্টিভঙ্গীৰে অসমীয়া বাক্যৰীতিৰ কথা আলোচনা কৰি ঠায়ে ঠায়ে পাশ্চাত্যৰ দৃষ্টিভঙ্গীৰো আভাস দিবৰ যত্ন কৰা হৈছে।

২.৩.১ বাক্যৰীতিৰ আধাৰ

বাক্যৰীতিৰ আলোচনা আধাৰ হৈছে 'বাক্য'। এক বা একাধিক শব্দ, বিভক্তিযুক্ত পদ হৈ, বিশেষ ক্ৰমত লানি পাতি উচ্চাৰিত হৈ, ইটোৱে সিটোৰ লগত বিভিন্ন ধৰণৰ সম্বন্ধৰ সূচনা কৰি আৰু এক সমাপন সুৰ-লহৰ (finate intonation) বহন কৰি পৰিপূৰ্ণ অৰ্থপ্ৰকাশ কৰিলে তাকে বাক্য বুলি কোৱা হয়। কেতিয়াবা এটা পদেৰেও এটা বাক্য হ'ব পাৰে; যেনে—

/ আহা / অৰ্থাৎ / তুমি আহা /

কেতিয়াবা দুটা বিশেষ্য পদ লগ লাগিও এটা বাক্য হয়; যেনে—

/ তেওঁ শিক্ষক /

এনে বাক্যত ক্ৰিয়াপদ উহ্য হৈ থাকে। কিন্তু সৰহভাগ ক্ষেত্ৰতে কম পক্ষেও

তিনিটা পদ মিলি একোটা পৰিপূৰ্ণ বাক্য গঠিত হয়; যেনে—

/ মানুহজনে ভাত খালে /

২.৩.২ বাক্যৰ গাঁথনিক বিভাজন

পৰম্পৰাগত ৰীতি অনুযায়ী দুই বা ততোধিক পদ থকা বাক্যৰ গাঁথনিক দিশৰ পৰা দুটা প্ৰধান ভাগত ভগোৱা হয়— উদ্দেশ্য (subject) আৰু বিধেয় (predicate)। উদ্দেশ্যৰ ঘৰত প্ৰায়েই ক্ৰিয়াই বুজোৱা কাৰ্যৰ কৰোঁতা বা কৰ্তা বহে (কেতিয়াবা কৰ্মও উদ্দেশ্যৰ ঘৰত বহিব পাৰেঃ পৰিচ্ছেদ ১.৪.১ দ্ৰষ্টব্য)। উদ্দেশ্য কেতিয়াবা এটা পদ হ'ব পাৰে, অথবা ইয়াৰ গুণ, সংখ্যা আদি বুজোৱা পদৰ সমাহাৰত গঠিত এটা শব্দগুচ্ছও হ'ব পাৰে। বিধেয়ৰ ঘৰত মুখ্যতঃ ক্ৰিয়া আৰু কৰ্তাই যাৰ ওপৰত ক্ৰিয়াৰ কাৰ্য সাধন কৰে সেই পদ, অৰ্থাৎ কৰ্ম থাকিব পাৰে। কৰ্ম কেতিয়াবা অকলে থাকিব পাৰে আৰু কেতিয়াবা ইয়াৰ গুণ, সংখ্যা আদি বুজোৱা একাধিক পদৰ সমাহাৰত এটা শব্দগুচ্ছত হ'ব পাৰে। তেনেকৈ ক্ৰিয়াও অকলে থাকিব পাৰে, অথবা লগত ক্ৰিয়াৰ কাৰ্য সম্পাদনৰ ধৰণ বুজোৱা বা অৱস্থা সূচোৱা অন্য পদ থাকিব পাৰে। তলৰ উদাহৰণ দুটালৈ চালে কথাষাৰ স্পষ্ট হ'ব—

উদ্দেশ্য	বিধেয়
মানুহজনে	ভাত খালে
(কৰ্তা)	(কৰ্ম) (ক্ৰিয়া)
সৌ বুঢ়া মানুহজনে	সেইখিনি কৰ্কৰা ভাত লাহে-লাহে চোবাই খালে।
(নিৰ্দে) (বিণ) (কৰ্তা. বি.)	(নিৰ্দে) (বিণ) (কৰ্ম-বিশে) (ক্ৰি.বিণ) (অস.ক্ৰি) (ক্ৰিয়া)

এই বাক্য দুটাৰ পৰা সহজেই বুজা যায় যে বাক্য গঠনৰ মূল উপাদান তিনিটা- কৰ্তা (subject), কৰ্ম (object), আৰু ক্ৰিয়া (verb); ইহঁতৰ ব্যৱহাৰৰ এটা ক্ৰম আছে। ইয়াক গঢ় বুলিব পাৰি। এনেধৰণৰ বাক্যক ইংৰাজীত s-o-v গঢ়ৰ বুলি কোৱা হয়; তাক অসমীয়াত ক-ক-ক্ৰি গঢ়ৰ বাক্য বুলি ক'ব পাৰি। ইয়াৰ প্ৰত্যেকটো উপাদানেই যদি একাধিক পদেৰে গঠন কৰিবলগীয়া হয় তেতিয়াহ'লে পদসমূহ এটা নিৰ্ধাৰিত ক্ৰমতহে যুক্ত হ'ব পাৰে। বিশেষণ পদ বিশেষ্যৰ আগত বহে, নিৰ্দেশাত্মক সৰ্বনাম তাৰো আগত বহে আৰু তাৰো আগত বহে ক্ৰিয়া বিশেষণ (লাহে লাহে চোবাই খালে)।

অসমীয়া বাক্যৰ সাধাৰণ গঢ় s-o-v হ'লেও কবিতাত অথবা বিশেষ প্ৰসংগত এই গঢ় সলনি কৰিব পাৰিঃ

'/ দূৰত জ্বলিছে সৌ প্ৰলয়ৰ শিখা
লম তাতে অনন্ত শয়ন.....।'/— চৌধাৰী

কর্তা আৰু কর্ম বিভক্তিযুক্ত হোৱা কাৰণে এনে ধৰণৰ শব্দক্রমৰ সলনা-সলনি সম্ভৱ; কিন্তু বিশেষ্য শব্দগুচ্ছ বা ক্রিয়া শব্দগুচ্ছৰ ক্রম (নির্দেশাত্মক-বিণ-বিশেষ্য-নির্দিষ্টতাবাচক) সাধাৰণতে অপৰিবর্তিত থাকে।

চমস্কি সমর্থিত ৰীতি অনুযায়ী বাক্যৰীতি একেধৰণে দুটা খণ্ডত ভাগ কৰা যায়; এই খণ্ড দুটাক তেওঁ কেৱল বেলেগ ধৰণে নামকৰণ কৰিছে। আমাৰ পৰম্পৰাত যিটো উদ্দেশ্য সেয়া চমস্কিৰ ৰীতি মতে বিশেষ্যগুচ্ছ (Noun Phrase)। যিটো আমাৰ দৃষ্টিত বিধেয় সেয়া চমস্কিৰ দৃষ্টিত বৃহত্তৰ ক্রিয়া শব্দগুচ্ছ (Verb Phrase), যাৰ ভিতৰত এটা বিশেষ্য শব্দগুচ্ছ আৰু ক্রিয়া সোমাই থাকে। সেই কথাকে এটা বৃক্ষচিত্র (Tree Diagram)-ত দেখুৱালে আৰু তাক ওপৰত দিয়া অসমীয়া উদাহৰণটোৰে বুজালে বা ব্যাখ্যা কৰিলে তলত দিয়া ধৰণৰ হ'ব



বাক্যত ব্যৱহৃত পদৰ সংখ্যা যিমানেই নহওক কিয়, প্রতিটো বাক্যই এনে ধৰণৰ গঢ়কে প্রতিনিধিত্ব কৰে। ওপৰৰ বৃক্ষচিত্রৰে ব্যাখ্যা কৰা বাক্যটো 'মানুহজনে ভাত লাহে লাহে খাইছে' বাক্যৰ সম্প্রসাৰিত ৰূপহে। ইয়াত কোনো বাক্যৰ গঠনগত পৰিবর্তন সাধন কৰা হোৱা নাই। এনে ধৰণে কোনো পৰিবর্তন সাধন নকৰা ক-ক-ক্রি গঢ়ৰ বাক্যকে কোৱা হয় 'সাৰ বাক্য' (Kernal Sentence)। ভাষা এটাত থকা এনে ধৰণৰ সাৰ বাক্যৰ সংখ্যা সীমিত। এনে সাৰ বাক্যত নানা ধৰণৰ ৰূপান্তৰ নিয়ম (Transformational Rules) প্রয়োগ কৰি অজস্র নতুন বাক্য গঠন কৰিব পাৰি। প্রদত্ত উদাহৰণটোত নানা ধৰণৰ ৰূপান্তৰ নিয়ম (সংক্ষেপে ৰূপা-নিয়ম) প্রয়োগ কৰি আমি তলত দিয়া ধৰণৰ বাক্যসমূহ উৎপন্ন কৰিব পাৰোঁ। যেনে,—

/ মানুহজনে ভাত খোৱা নাই। / (নেতিবাচক)

/ মানুহজনে ভাত খাইছে নে? / (প্রশ্নবাচক)

/ মানুহজনৰ (দ্বাৰা) ভাত খোৱা হৈছে। / (কর্মবাচ্য)

/ মানুহজনৰ (দ্বাৰা) ভাত খোৱা হৈছে নে? / (প্রশ্নবাচক কর্মবাচ্য)

/ মানুহজনৰ (দ্বাৰা) ভাত খোৱা হোৱা নাই। / (নেতিবাচক কর্মবাচ্য)

এনে ধৰণে ভাষা এটাৰ মূল জঁকা হিচাপে সীমিত সংখ্যক সাৰ বাক্যৰ স্থিতি

স্বীকাৰ আৰু সেই সাৰ বাক্যসমূহত নানা ধৰণৰ ৰূপ-নিয়ম প্ৰয়োগ কৰি অসংখ্য নতুন নতুন বাক্যৰ উৎপাদন বা সৃজনেই হ'ল চমস্কি সমৰ্থিত বাক্য-বিন্যাসৰ মূল মন্ত্ৰ। সেয়ে এই পৰম্পৰাৰ বাক্য বিন্যাসক ৰূপান্তৰ-সৃজন ব্যাকৰণ (Transformational Generative Grammer সংক্ষেপে T.G. Grammar) বুলি কোৱা হয়। এইখিনিতে এইটো স্পষ্টকৈ কৈ থোৱা প্ৰয়োজন যে চমস্কিৰ 'ৰূপান্তৰ-সৃজন ব্যাকৰণ' আমি সৰ্বসাধাৰণ মানুহে বুজা বা ধাৰণা কৰা ধৰণৰ এখন ব্যাকৰণ পুথি নহয়; ই হৈছে এমুঠিমান নিয়ম (a set of rules) যাৰ সহায়ত আমি অলেখ নতুন বাক্য গঠন কৰিব পাৰোঁ। এই ফালৰ পৰা চালে বুজা যায় যে চমস্কিৰ ৰূপান্তৰ-সৃজন ব্যাকৰণ একো বিশেষ জটিল আৰু বুজিব নোৱাৰা বিষয় নহয়। ইচ্ছা কৰিলে আমি আমাৰ ভাৰতীয় ভাষাসমূহকো ৰূপান্তৰ-সৃজন ব্যাকৰণৰ পটভূমিত বিশ্লেষণ কৰিব পাৰোঁ।

আত্মমূল্যায়ন প্ৰশ্ন

(১) বাক্যৰীতি বুলিলে কি বুজা যায়? ইয়াৰ ইংৰাজী পৰিভাষা কি আৰু সেয়া ক'ৰ পৰা ওলাইছে?

.....

.....

.....

(২) এটা শব্দৰে বাক্য গঠিত হ'ব পাৰে নে? ক্ৰিয়াহীন বাক্য কি ?

.....

.....

.....

(৩) s-o-v আৰু ক-ক-ক্ৰি গঢ়ৰ বাক্যৰ দুটা উদাৰণ দিয়ক। অসমীয়াত ক-ক-ক্ৰি ৰূপ ভংগ কৰিব পাৰিনে উদাহৰণ সহ বুজাই লিখক।

.....

.....

.....

(৪) চমস্কিৰ সমৰ্থিত বাক্য-বিন্যাসৰ প্ৰথম ঢাপ, যথা NP-VP বিভাজনৰ লগত ভাৰতীয় বাক্যবিন্যাসৰ কিবা সমিলমিল বিচাৰি পাব পাৰি নেকি?

.....

.....

.....

(৫) চমস্কিৰ ৰূপান্তৰ-সৃজন ব্যাকৰণৰ মূল মন্ত্ৰ কি?

.....

.....

.....

২.৪ অসমীয়া বাক্যৰ শ্ৰেণীবিভাজন

গাঁথনিক দৃষ্টিকোণৰ পৰা অসমীয়া বাক্যক তিনিটা প্ৰধান শ্ৰেণীত ভাগ কৰিব পাৰি—

(ক) সৰল বাক্য (Simple Sentence)

(খ) জটিল বাক্য (Complex Sentence) আৰু

(গ) যুগ্ম বা যৌগিক বাক্য (Compound Sentence)।

৪.৩.১ সৰল বাক্য (Simple Sentence)

কম পক্ষেও এটা সমাপিকা ক্ৰিয়া আৰু সমাপন সুৰ-লহৰ (finate intonation) থকা এটা সম্পূৰ্ণ ভাব প্ৰকাশ কৰিব পৰা বাক্যক সৰল বাক্য বুলি কোৱা হয়। সৰল বাক্য কেতিয়াবা এটা আৰু কেতিয়াবা দুটা পদেৰেও গঠিত হ'ব পাৰে (পাৰি .....) আৰু কেতিয়াবা ই যথেষ্ট দীঘল হ'বও পাৰে। যেনে,—

সৌ বুঢ়া মানুহজনে প্ৰায়েই গছৰ ছাঁত ডাঙৰ ডাঙৰ ঐতিহাসিক উপন্যাস পঢ়ি থাকে।

বাৰটা শব্দ থকা এই দীঘল বাক্যটোও এটা সৰল বাক্যই। ইয়াৰ উদ্দেশ্য 'সৌ বুঢ়া মানুহজনে', ইয়াৰ প্ৰধান শব্দ (head word) মানুহ; বাকী শব্দবোৰে 'মানুহ'ৰ গুণাগুণ বৰ্ণাইছে। বিধেয়ত থকা 'গছৰ ছাঁত' প্ৰধান শব্দ 'উপন্যাস' আৰু 'পঢ়ি থাকে'ত প্ৰধান শব্দ 'পঢ়'।

২.৪.২ জটিল বাক্য (Complex Sentence)

দুটা সৰল বাক্য 'যদি', 'যেতিয়া', 'যি', 'যে' আদি সংযোগক শব্দৰ সহায়ত লগ লাগি এটা বাক্য গঠিত হ'লে তাক জটিল বাক্য বোলা হয়। জটিল বাক্যত এটা প্ৰধান বাক্য খণ্ড (main clause) থাকে আৰু আন এটা অধীনস্থ বা তলতীয়া (subordinate clause) থাকে। তলতীয়া বাক্য-খণ্ডত থকা বিশেষ্য, বিশেষণ আদি শব্দৰ প্ৰাধান্যলৈ চাই তেনে বাক্য-খণ্ডক বিশেষ্য বাক্যখণ্ড (noun clause), বিশেষণ বাক্যখণ্ড (objective clause), ক্ৰিয়া-বিশেষণ বাক্যখণ্ড (adverbial clause) আদি ধৰণে উল্লেখ কৰা হয় ।

তলৰ উদাহৰণ কেইটালৈ চোৱা যাওক—

/সুবাসনাই ক'লে যে চাৰৰ কিতাপত বহুত খেলিমেলি আছে।/

প্রধান বাক্য *বিশেষ্য বাক্যখণ্ড*

/যদি বৰষুণ হয়, খেতি ভাল হ'ব। /

ক্রি.বিণ.বাক্যখণ্ড *প্রধান বাক্যখণ্ড*

/মই এনে এটা সপোন দেখিলোঁ, যিটো মই পাহৰিব নোৱাৰোঁ।/

প্রধান বাক্য *বিণ. বাক্যখণ্ড*

ওপৰৰ প্রথম উদাহৰণটোলৈ চালে দেখা যাব যে বিশেষ্য বাক্যখণ্ড, 'যে চাৰৰ কিতাপত বহুত খেলিমেলি আছে' প্রধান বাক্যখণ্ড 'সুবাসনাই ক'লে'ৰ পেটত সোমাই আছে। এনে ধৰণৰ জটিল বাক্যৰ প্রধান বাক্যখণ্ডক সূচক বাক্যখণ্ড (matrix clause) আৰু কর্ম হিচাপে ব্যৱহৃত বিশেষ্য বাক্যখণ্ডক গর্ভবাক্য (embedded clause) বুলি কোৱা হয়।

অসমীয়াত কর্ম বাক্যখণ্ডৰ পৰা 'যে' উহ্য কৰি, ইয়াক বাক্যৰ আৰম্ভণিত ব্যৱহাৰ কৰি ইয়াৰ পিছত 'বুলি' সংযোজক অব্যয় বহুবাই প্রধান বাক্যখণ্ডৰ শেষত বাৱহাৰ কৰিব পাৰি। তেতিয়া ওপৰৰ বাক্যটো হ'বগৈ,

/চাৰৰ কিতাপত বহুত খেলিমেলি আছে বুলি সুবাসনাই ক'লে।/

২.৪.৩ যৌগিক বা যুগ্ম বাক্য (Compound Sentence)

একাধিক সৰল বা জটিল বাক্য সংযোজক অব্যয় আৰু বিয়োজক অব্যয় 'বা', 'অথবা', 'কিন্তু' আদিৰ সহায়ত সংযোগ কৰি গঠন কৰা বাক্যক যুগ্ম বা জটিল বাক্য বোলা হয়। যৌগিক বাক্যত অব্যয়ৰ আগফালে আৰু পিছফালে থকা বাক্য দুটাৰ কোনোটোৱে কোনোটোৰ তলতীয়া নহয়; দুয়োটাই পৰস্পৰে সহযোগী; সেয়ে ইহঁতক সহযোগী (co-ordinate) বাক্যখণ্ড বোলা হয়। তলৰ উদাহৰণবোৰলৈ চোৱা যাওক,—

/চাৰ আহিল আৰু (চাৰ) চকীত বহিল। /

/'ক' শাখাৰ (প্রশ্নৰ উত্তৰ কৰা) অথবা 'খ' শাখাৰ প্রশ্নৰ উত্তৰ কৰা।/

/চাৰ আহিল কিন্তু (চাৰ) অকণো নবহিল।/

/যদি দেউতা নাযায়, ভাইটি (বিয়ালৈ যাব) আৰু মা বিয়ালৈ যাব।/

ওপৰৰ উদাহৰণবোৰৰ পৰা বুজা যায় যে যৌগিক বাক্যৰ গঠন তেনেই সহজ; বাক্যখণ্ডবোৰ সংযোজক অব্যয়ৰ দ্বাৰা গাঁঠি লগাই দিয়াৰ নিচিনাকৈ যুক্ত কৰা হয়। সেয়ে জটিলতাৰ পৰিপ্রেক্ষিতত যৌগিক বাক্যক বহুতে জটিল বাক্যতকৈ সহজ বুলি ভাবে আৰু ইয়াক জটিল বাক্যৰ আগতে আলোচনা কৰে।

মনকৰিবলগীয়া যে যৌগিক বাক্যত কিছু শব্দ পুনৰাবৃত্তি হ'ব পাৰে, তেনে ক্ষেত্রত দ্বিতীয়টো পুনৰাবৃত্ত শব্দ উঠাই দিব পাৰি; ইয়াকে সম-শব্দলোপ (equi-deletion)

বুলিব পাৰি। ওপৰৰ উদাহৰণবোৰত চন্দ্রবন্ধনিৰ ভিতৰত থকা শব্দবোৰ উঠাই দিব বা লোপ কৰিব পাৰি।

২.৫ ভাব (Mood) ৰ পৰিপ্রেক্ষিতত বাক্যৰ শ্রেণী-বিভাজন

বাক্যত থকা ক্রিয়াপদৰ ভাবেই বাক্যৰ ভাব। ভাবৰ পৰিপ্রেক্ষিতত বাক্যক প্রধানকৈ দুটা ভাগত ভগাব পাৰি-নির্ণয়াত্মক (assertive) আৰু অনুজ্ঞা (imperative)। নির্ণয়াত্মক বাক্যকো তিনিটা উপবিভাগত বিভক্ত কৰিব পাৰি। সেইবোৰ তলত দিয়া ধৰণে উপস্থাপন কৰিব পাৰি।

১। নির্ণয়াত্মক
— ইতিবাচক (affirmative)
— নেতিবাচক (negative)
— প্রশ্নবাচক (interrogative)

২। অনুজ্ঞা

(ক) ইতিবাচক (affirmative)

যিবিলাক বাক্য সমাপন সুৰ-লহৰেৰে শেষ হয় আৰু যাৰ পূর্ণ অর্থ 'হয়' সূচক, সেইবিলাক বাক্যকে **ইতিবাচক বাক্য** বোলা হয়; যেনে,

/সূর্য পূৱপিনে উদয় হয়।/
/প্রাগজ্যোতিষপুৰত নৰকাসুৰে ৰাজত্ব কৰিছিল।/

(খ) নেতিবাচক (negative)

যিবিলাক বাক্য সমাপন সুৰ-লহৰেৰে শেষ হয় আৰু যাৰ পূর্ণ অর্থ 'নহয়' সূচক, সেইবিলাক বাক্যকে নেতিবাচক বাক্য বোলা হয়; যেনে,—

/দিনত ভেটফুল নুফুলে।/
/আমি আন্দামান দেখা নাই।/

(গ) প্রশ্নবাচক (interrogative)

যিবিলাক বাক্য প্রশ্নবাচক সুৰ লহৰেৰে সমাপ্ত হয় আৰু যাৰ পূর্ণ অর্থ 'কোনো কথা হয় নে নহয়' অথবা 'কোনো নজনা কথা জানিব খোজা' সেইবিলাক বাক্যকে প্রশ্নবাচক বাক্য বোলা হয়; যেনে,—

/পাকিস্তানৰ ৰাজধানী লাহোৰ হয় নে?/
/যুৱ কংগ্রেছৰ সভাপতি কোন?/

২.৬ বাচ্য (Voice) ৰ পৰিপ্রেক্ষিতত বাক্যৰ শ্রেণীবিভাজন

বাক্যত প্রধানকৈ কর্তাৰ বিষয়ে ক'ব খোজা যায়, নে কর্মৰ বিষয়ে ক'ব খোজা হয় অথবা ক্রিয়াৰ বিষয়ে ক'ব বিচৰা হয়, তাৰ ভিত্তিতে বাক্যক তিনিটা ভাগত বিভক্ত কৰা যায়। সেয়া হ'ল- কর্তৃবাচ্য, কর্মবাচ্য আৰু ভাববাচ্য।

কর্তৃবাচ্য ঃ

যি বাক্যত কর্তাই প্রাধান্য লাভ কৰে, অর্থাৎ কর্তাৰ বিষয়ে বিশেষভাৱে কোৱা হয়, তেনে বাক্যই **কর্তৃবাচ্যৰ বাক্য**; যেনে,

/ৰামে ৰাৱণক মাৰিলে।/

/পুলিচে চোৰটো ধৰিলে।/

কর্মবাচ্য ঃ

যি বাক্যত কর্মই প্রাধান্য লাভ কৰে, অর্থাৎ কর্মৰ বিষয়ে বিশেষভাৱে কোৱা হয়, আৰু য'ত কর্তাৰ ভূমিকা গৌণ হৈ পৰে তেনে বাক্যৰ বাক্যকে কর্মবাচ্যৰ বাক্য বোলে। কর্মবাচ্যত প্রধানকৈ ক্রিয়াপদৰ ৰূপগত পৰিবর্তন হয়; মূল কর্ম উদ্দেশ্যৰ স্থানত বহে আৰু মূল কর্তা হয় {-ৰ দ্বাৰা} বা {-ৰ হাতত} যুক্ত হৈ গৌণভাৱে প্রকাশিত হয়, নহয় লুপ্ত হয়; যেনে,—

/চোৰটো পুলিচৰ হাতত ধৰা পৰিল।/

/এই কাম তাৰ দ্বাৰা নহ'ব।/

/ফলাফল ঘোষণা কৰা হৈছে।/

অসমীয়াত 'পাৰ', 'শুন', 'দেখ', 'মন' আদি কেইটামান ধাতুত {-ই} যোগ কৰি পুৰুষ নিৰপেক্ষ কর্মবাচ্যৰ ক্রিয়াপদ গঠন কৰিব পাৰি, তেনে ক্রিয়াপদ যুক্ত বাক্যক পুৰুষ নিৰপেক্ষ কর্মবাচ্য (Impersonal Passive) ৰ বাক্য বুলিব পাৰি। যেনে,—

ভাববাচ্য ঃ

/ব্রহ্মপুত্র নৌকাৰে পাৰ হ'ব পাৰি।/

/বৰ গণ্ডগোল, একো নুশুনি।/

যি বাক্যত ক্রিয়াই প্রাধান্য লাভ কৰে, আৰু কর্তা-কর্ম দুয়ো অপ্রধান হৈ পৰে তেনে বাক্যৰ বাক্যক ভাববাচ্য বোলে। অকর্মক ক্রিয়াযুক্ত বাক্যক ভাববাচ্যলৈ ৰূপান্তৰিত কৰিব পাৰি; যেনে,

/প্রভুৰ কেতিয়াকৈ শিচ ফুৰিবলৈ যোৱা হ'ব?/

/অলপ পৰ বহা যাওক।/

আত্মমূল্যায়ন প্রশ্ন

(১) গাঁথনিক দৃষ্টিকোণৰ পৰা বাক্যক কেইটা শ্রেণীত ভগাব পাৰি?

.....

.....

.....

.....

(২) গৰ্ভবাক্য কি? গৰ্ভবাক্যৰ স্থান সলনি কৰি পাৰি নেকি; যদি পাৰি, তেতিয়া ক'ত কি পৰিৱৰ্তন হয়?

.....

.....

.....

(৩) ভাবৰ পৰিপ্ৰেক্ষিতত বাক্যক কেনেকৈ বিভাজিত কৰিব পাৰি?

.....

.....

.....

(৪) কৰ্মবাচ্য কি আৰু ইয়াক কেনেকৈ গঠন কৰা হয়?

.....

.....

.....

২.৭ বাক্যৰ ৰূপান্তৰ (Transformation of Sentences)

ওপৰত বৰ্ণনা কৰা প্ৰতিটো শ্ৰেণীৰ বাক্যৰ বিভিন্ন উপশ্ৰেণীৰ এটাৰ পৰা আন এটালৈ বিভিন্ন ৰূপা-নিয়মৰ প্ৰয়োগ কৰি ৰূপান্তৰ কৰিব পাৰি। এনেকুৱা বিভিন্ন প্ৰকাৰৰ ৰূপান্তৰৰ ভিতৰত পশ্চিমীয়া ভাষা বৈজ্ঞানিকসকলে ইতিবাচক-প্ৰশ্নবাচক আৰু কৰ্তৃবাচ্য-কৰ্মবাচ্যৰ ৰূপান্তৰৰ ওপৰতহে বিশেষ গুৰুত্ব আৰোপ কৰিছে। অসমীয়াত সম্ভৱপৰ সকলো প্ৰকাৰ ৰূপান্তৰৰে সংক্ষেপ বৰ্ণনা তুলি ধৰা হ'ল।

ইতিবাচকৰ পৰা নেতিবাচক ঃ

অসমীয়াত সামান্য বৰ্তমান আৰু সামান্য কালৰ ক্ৰিয়া থকা বাক্যৰ ক্ৰিয়াপদৰ আগত {ন-, নে-, নি-, নু- বা নো-} যোগ কৰি বাক্যক নেতিবাচক কৰা হয়; যেনে,—

/তেওঁ ভেটি লয় — তেওঁ ভেটি নলয়।/

/তাই পৰীক্ষা দিলে — তাই পৰীক্ষা নিদিলে।/

সাধাৰণ ভৱিষ্যৎ কালৰ ক্ৰিয়া থকা বাক্যক নেতিবাচকলৈ ৰূপান্তৰ কৰিব লাগিলে মূল ক্ৰিয়াপদৰ বৰ্তমান কালৰ নেতিবাচক ৰূপ ব্যৱহাৰ কৰিব লাগে আৰু বৰ্তমান কালৰ অনুজ্ঞাৰ নেতিবাচক ৰূপ উলিয়াবলৈ হ'লে ভৱিষ্যৎ কালৰ নেতিবাচক ৰূপ ব্যৱহাৰ কৰিব লাগে

/মই ঘৰলৈ যাম — মই ঘৰলৈ নাযাওঁ।/

/তাক কথাটো কোৱা — তাক কথাটো নকবা।/

স্বৰূপ বৰ্তমান বা স্বৰূপ অতীত কালৰ ক্ৰিয়া থকা বাক্যক নেতিবাচকলৈ ৰূপান্তৰ কৰিবলৈ হ'লে মূল ধাতুত {-আ} যোগ কৰি পিছফালে 'নাই' বা 'নাছিল' যোগ দিব লাগে।

/তেওঁ ভাত খাইছে — তেওঁ ভাত খোৱা নাই।/

/সি পৰীক্ষা দিছিল — সি পৰীক্ষা দিয়া নাছিল।/

ইতিবাচকৰ পৰা প্ৰশ্নবাচক ঃ

অসমীয়াত তিনিটা উপায়ে ইতিবাচকৰ পৰা প্ৰশ্নবাচক বাক্য গঠন কৰিব পাৰি। যেনে —'নে' যোগকৰি 'হয়-নহয়' উত্তৰ দিব পৰা প্ৰশ্ন, 'ক'-ৰে আৰম্ভ হোৱা প্ৰশ্নবাচক সৰ্বনাম বা ক্ৰিয়া বিশেষণ যোগ কৰি যুক্ত প্ৰশ্ন আৰু বাক্যৰ সুৰ লহৰ সলনি কৰি নিশ্চয়তাবাচক প্ৰশ্ন গঠন কৰিব পাৰি। তলত প্ৰতিটোৰে উদাহৰণ দিয়া হ'ল।

/বাইদেউ আহি পালে — বাইদেউ আহি পালে নে?/

/চাৰ ক'ত থাকে?/

/তুমি আহিলা — তুমি আহিলা?/

কৰ্তৃবাচ্যৰ পৰা কৰ্মবাচ্য ঃ

কৰ্তৃবাচ্যৰ বাক্য কৰ্মবাচ্যলৈ ৰূপান্তৰ কৰিবলৈ হ'লে তিনিটা বিষয়ত পৰিবৰ্তন সাধন কৰিবলগীয়া হয়। যি ধাতুত {-আ} যোগ দি তাৰ পাছত 'হয়', 'যায়' বা 'হৈছিল' ক্ৰিয়াপদ বহুৱাব লাগে; কৰ্তৃবাচ্যৰ মূল কৰ্ম উদ্দেশ্যৰ স্থানত বহে আৰু ইয়াৰ লগত ক্ৰিয়াৰ পুৰুষগত অন্বয়, হয়, মূল বাক্যৰ উদ্দেশ্য {ৰ দ্বাৰা} বা {ৰ হাতত} যুক্ত হৈ দুৰ্বল কৰোঁতাৰ স্থানলৈ অপসাৰিত হয়। 'দ্বাৰা' বা 'হাতত' প্ৰায়ে উহ্য থাকে।

/মই ভাত খালোঁ — মোৰ (দ্বাৰা) ভাত খোৱা হ'ল।/

/পুলিচে চোৰটো ধৰিলে — পুলিচৰ হাতত চোৰটো ধৰা পৰিল।/

২.৮ উক্তিৰ পৰিবৰ্তন (Change of Speech)

আমি পূৰ্বতে প্ৰত্যক্ষ আৰু পৰোক্ষ উক্তিৰ কথা পাই আহিছোঁ। প্ৰত্যক্ষ উক্তি পৰোক্ষ উক্তিলৈ পৰিবৰ্তন কৰাৰ কথা চমস্কি আৰু তেওঁৰ সমৰ্থকসকলে আলোচনা কৰা নাই। কিন্তু পৰম্পৰাগত ব্যাকৰণৰ ই এটা আলোচ্য বিষয়। এই পৰিবৰ্তনতো বিশেষ ৰূপান্তৰ-নিয়মৰ প্ৰয়োগ হয়।

প্ৰত্যক্ষ উক্তিক পৰোক্ষলৈ ৰূপান্তৰ অসমীয়াত দুই ধৰণে কৰা হয় আৰু দুয়োটা নিয়মেই সহজ। প্ৰায় ক্ষেত্ৰতে গৰ্ভস্থ বাক্যৰ আগত 'যে' বা 'বোলে' আৰু গৰ্ভবাক্যৰ কৰ্তাৰ পুৰুষ সলনি কৰি পৰোক্ষ উক্তিৰ বাক্য গঠন কৰা হয়। কেতিয়াবা আকৌ গৰ্ভ-বাক্যক আগলৈ নি তাৰ পিছত 'বুলি' যোগ কৰি সূচক বাক্যখণ্ডক শেষলৈ নিয়া হয়।

তলৰ উদাহৰণ দুটালৈ চোৱা যাওক—

/দেউতাই ক'লে, 'মই পদত্যাগ কৰিম'।/

/দেউতাই ক'লে যে তেওঁ পদত্যাগ কৰিব।/

বা /(তেওঁ) পদত্যাগ কৰিব বুলি দেউতাই ক'লে।/

ওপৰত অসমীয়া বাক্যৰীতি বা বাক্যবিন্যাসৰ সামান্য আভাস দিয়া হ'ল। চমস্কিয়ে জনপ্রিয় কৰি তোলা ৰূপান্তৰ সৃজন ব্যাকৰণৰ মূল কথাবোৰো সহজ-সৰল কৰি উপস্থাপন কৰা হ'ল। এই পাঠত দিয়া কথাখিনি ভালদৰে পঢ়ি আৰু বুজি ল'লে বিদ্যার্থীসকলে বাক্যবিন্যাস সম্পর্কে মূল কথাখিনি জানিব পাৰিব। এই বিষয়ে অধিক জানিবলৈ হ'লে প্রসংগ গ্রন্থ তালিকাত দিয়া পুথিবোৰৰ সংশ্লিষ্ট অধ্যায় পঢ়িবলৈ যত্ন কৰিব।

আত্মমূল্যায়ন প্রশ্ন

(১) ইতিবাচকৰ পৰা নেতিবাচক বাক্য গঠন কৰাৰ নিয়ম কি?

.....

.....

.....

(২) অসমীয়াত ইতিবাচকৰ পৰা কেনেকৈ প্রশ্নবাচক বাক্য গঠন কৰা হয়?

.....

.....

.....

(৩) অসমীয়া কর্মবাচ্যৰ বাক্যত {-ৰ দ্বাৰা} বা {-ৰ হতুৱাই/হাতত} ব্যৱহাৰ কৰা অপৰিহার্য হয় নে?

.....

.....

.....

২.৯ সাৰাংশ (Summing Up)

অসমীয়া ভাষাৰ ব্যাকৰণগত বিষয় বুলিলে সাধাৰণতে পুৰুষ, লিংগ, বচন, কাৰক, কাল, দশা আৰু বাচ্যকে বুজায়। এইবোৰৰ ভিতৰত লিংগ আৰু বচন শুদ্ধ অর্থত ব্যাকৰণগত বিষয় নহয় । কাৰণ, বিশেষ্য আৰু সর্বনামৰ বচন আৰু লিংগ অনুসৰি বাক্যৰ অন্যান্য স্থানত থকা বিশেষণ বা ক্রিয়া পদৰ কোনো পৰিবর্তন নহয়। বচন আৰু লিংগ অসমীয়াত কেৱল অর্থৰ চাহিদাহে পূৰণ কৰে। তথাপিও কিছুমান বিশেষ্য আৰু সর্বনামৰ একবচনৰ পৰা বহুবচনলৈ পুংলিংগৰ পৰা স্ত্রীলিংগলৈ ইমান প্রণালীবদ্ধ যে ইহঁতক ব্যাকৰণত ঠাই নিদি নোৱাৰি। ক্রিয়াপদৰ ক্ষেত্রত ভাব (mood) বুজাবৰ বাবে কোনো

বিশেষ বিভক্তি নাই; অনুজ্ঞাত কেৱল নির্ণয়বোধকত ব্যৱহাৰ হোৱা পুৰুষ বিভক্তিৰ সলনি এলানি সুকীয়া পুৰুষ বিভক্তিৰ ব্যৱহাৰ হয় ।

বাক্যৰীতি বাক্যবিন্যাসৰেই আন এটি নাম। বিভক্তি যুক্ত পদবোৰ কি নিয়মে কি ক্রমত বহি অর্থপূর্ণ বাক্য গঠন কৰে আৰু কি নিয়মৰ প্রয়োগ কৰি এক শ্রেণী বাক্যৰ পৰা আন এক শ্রেণীৰ বাক্য গঠন কৰিব পাৰি, কেনেকৈ কর্তৃবাচ্যৰ পৰা কর্মবাচ্যৰ বাক্য গঠন কৰিব পাৰি ইত্যাদি কথাৰ বিশ্লেষণো বাক্যবিন্যাসৰ ভিতৰত পৰে। পৰম্পৰাগত ব্যাকৰণৰ বাক্যবিন্যাসৰ কিছু সূত্র চমস্কি সমর্থিত ৰূপান্তৰ সৃজন ব্যাকৰণৰ বাক্য-বিন্যাসৰ লগত মিলে। চমস্কি সমর্থিত ৰূপান্তৰ সৃজন ব্যাকৰণৰ বাক্য-বিন্যাসৰ লগত মিলে। চমস্কি সমর্থিত পশ্চিমীয়া বাক্য-বিন্যাসৰ সূত্রেৰেও অসমীয়া বাক্যবিন্যাস বিশ্লেষণ কৰিব পাৰি।

২.১০ আৰ্হি প্রশ্ন (Sample Questions)

১) বাক্য-ৰীতি বা বাক্যবিন্যাস বুলিলে কি বুজা যায়?

২) সাধাৰণ অসমীয়া বাক্যৰ গঢ় কেনেকুৱা? বিশেষণ আৰু ক্রিয়া বিশেষণ সাধাৰণতে ক'ত বহে?

৩) 'সৌ ডেকা ল'ৰাটোৱে এটা পকা মালদহী আম চুহি চুহি খাই আছে'— বাক্যটো বৃক্ষচিত্রত দেখুৱালে কেনে হ'ব?

৪) যুগ্ম বা যৌগিক বাক্য উদাহৰণসহ ব্যাখ্যা কৰক।

৫) ইতিবাচক — নেতিবাচক ৰূপান্তৰ নিয়ম কি কি?

৬) অসমীয়াত প্রশ্নবাচক বাক্য কেনেকৈ গঠন কৰা হয়?

৭) এই গোটৰ পাঠসমূহ পঢ়ি আপুনি কি নতুন কথা শিকিলে?

২.১১ প্রসঙ্গ গ্রন্থ (References/Suggested Readings)

উপেন্দ্রনাথ গোস্বামী ঃ *অসমীয়া ভাষাৰ ব্যাকৰণ*

গোলোক চন্দ্র গোস্বামী ঃ *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ*

ফনীন্দ্র নাৰায়ণ দত্তবৰুৱা ঃ 'কাৰক বিচাৰৰ নতুন চিন্তাধাৰা, *অসম সাহিত্য সভা পত্রিকা*

(—) ঃ 'অসমীয়া বাক্য বিন্যাস', *অসম সাহিত্য সভা পত্রিকা*

(—) ঃ 'ৰূপান্তৰস্ফোট ব্যাকৰণ চমু পৰিচয়', *ভাষাৰ তত্ত্বকথা (নাহেন্দ্র পাদু সম্পাদিত)*

(—) ঃ 'ভাষাতাত্ত্বিক মিতব্যয়িতা', *ভাষাতত্ত্বৰ আদিকথা* (দীপ্তি ফুকন পাটগিৰি সম্পাদিত)

দীপ্তি ফুকন বাটগিৰি ঃ *ভাষাতত্ত্ব*

Merry Puzary	ঃ	*Case in Assamese in Languages of the North East Ed.*
Berlock Filmore	ঃ	*Case for Case*
লীলাৱতী শইকীয়া বৰা	ঃ	*অসমীয়া ভাষাৰ ৰূপতত্ত্ব*
নাৰায়ণ শর্মা	ঃ	*অসমীয়া ৰূপতত্ত্ব আৰু ব্যাকৰণ*
C.F. Hocket	ঃ	*A Course in Modern Linguistics*
Ananta N. Konwar	ঃ	*Karaka Theory and Case Grammar : Indian Linguistics*
P N Dutta Baruah	ঃ	*A Contrastive Analysis of the Morphological Aspects of Assamese and Oriya*
(—)	ঃ	*An intensive Course in Assamese*
(—)	ঃ	*A Contrastive Analysis of the Assamese and Bengali Syntax* (Ph.D. Thesis of Mysore University)
(—Ed.)	ঃ	*Languages of the North East.*

***

তৃতীয় বিভাগ

ৰূপান্তৰ-সৃজন বা ৰূপান্তৰ উৎপাদক ব্যাকৰণ আৰু শব্দ গুচ্ছ (Phrase) ৰ গঠন

বিভাগৰ গঠন ঃ

৩.১ ভূমিকা (Introduction)

৩.২ উদ্দেশ্য (Objectives)

৩.৩ ৰূপান্তৰ-সৃজন ব্যাকৰণৰ সংজ্ঞা

৩.৪ বাক্যতত্ত্বৰ আধাৰ

৩.৫ সৃজন বা স্ফোট শব্দৰ তাৎপর্য

৩.৬ ৰূপান্তৰ-সৃজন ব্যাকৰণৰ প্রকাৰভেদ

৩.৭ ৰূপান্তৰ-সৃজন ব্যাকৰণত প্রযোজ্য সাংকেতিক চিন

৩.৮ শব্দগুচ্ছৰ গাঁথনি

৩.৯ বৃক্ষ ৰেখাচিত্র

৩.১০ শব্দগুচ্ছৰ গঠন নিয়মাৱলী

৩.১১ ৰূপান্তৰ নিয়মাৱলী

৩.১২ সাৰাংশ (Summing Up)

৩.১৩ আর্হিপ্রশ্ন (Sample Questions)

৩.১৪ প্রসংগ গ্রন্থ (References/Suggested Readings)

৩.১ ভূমিকা (Introduction)

পূর্ৱৱর্তী বিভাগত অসমীয়া বাক্য তত্ত্বৰ বিষয়ে আলোচনা কৰি অহা হৈছে। এই বিভাগটোত বাক্যতত্ত্বৰ আধুনিক ধাৰা ৰূপান্তৰ সৃজন ব্যাকৰণৰ বিষয়ে আলোচনা কৰা হ'ব। আমি জানো যে ভাষাবিজ্ঞান চর্চাৰ দুটা আধুনিক ধাৰা আছে— বর্ণনাত্মক ভাষাবিজ্ঞান আৰু গঠনাত্মক ভাষাবিজ্ঞান। সেই দুটা ধাৰাৰ চর্চা পূর্ণ উদ্যমত চলি থকা সময়তে ভাষাবিজ্ঞানৰ চর্চাত মনস্তত্ত্ববিজ্ঞানীসকলে মনোনিৱেশ কৰিবলৈ ধৰিলে। ১৯৫৭ চনত আমেৰিকাৰ মনস্তত্ত্ববিদ নোৱম চমস্কিয়ে Syntactic Structure শীর্ষক পুথি এখন ৰচনা কৰি ভাষাবিজ্ঞানৰ তাত্ত্বিক আলোচনাত এটা জোকাৰণি তুলিলে। তেওঁ চচ্যুৰ-চাপিৰ - ব্লুমফিল্ড সমর্থিত ভাষাবিষয়ক কিছু মৌলিক ধাৰণাক আৰু স্কিনাৰ সমর্থিত উদ্দীপক-সহাঁৰি কেন্দ্রিক মনোবৈজ্ঞানিক তত্ত্বক দলিয়াই পেলাই ভাষাৰ প্রকৃতি, শিশুৰ ভাষা আহৰণ, ভাষাৰ গঠন আৰু সৃজন সম্পর্কে কেইটামান তাত্ত্বিক কথা ক'লে। সেয়ে ভাষাবিজ্ঞানৰ চিন্তা-চর্চাত এক নতুন উকমুকনিৰ সৃষ্টি কৰিলে। চমস্কিয়ে তেওঁৰ এই নতুন চিন্তা-চর্চাক পৰিশীলিত কৰি ১৯৬৫ চনত Aspect of the Theory of Syntax নামৰ আন এখন

পুথি প্ৰকাশ কৰি উলিয়ালে। এই পুথি প্ৰকাশৰ লগে লগে ভাষাবিজ্ঞান চৰ্চাৰ এক নতুন দিগন্ত উন্মোচিত হ'ল আৰু কেইবাজনো ভাষাবৈজ্ঞানিক তেওঁৰ আদৰ্শত ভাষাবিজ্ঞানৰ চৰ্চাত ব্ৰতী হ'ল। কিন্তু তথাপিও বৰ্ণনাত্মক তথা গঠনাত্মক ভাষাবিজ্ঞানৰ দৃষ্টিকোণৰপৰা কৰা ভাষাৰ অধ্যয়নৰ পৰম্পৰা ৰুদ্ধ হৈ নগ'ল। এই বিভাগত আপোনালোকে চমস্কিয়ে প্ৰৱৰ্তন কৰা ভাষাবিজ্ঞান চৰ্চাৰ নতুন ধাৰাটোৰ বিষয়ে বিস্তাৰিতভাৱে জানিবলৈ পাব।

৩.২ উদ্দেশ্য (Objective)

এই বিভাগত সন্নিৱিষ্ট কথাখিনি খৰচি মাৰি পঢ়িলে আপুনি—

- বিংশ শতিকাৰ ষষ্ঠ দশকৰ মাজভাগৰ পৰা ভাষাবিজ্ঞানৰ চিন্তা-চৰ্চাত ঘটা বৈপ্লৱিক পৰিৱৰ্তন ফঁহিয়াই দেখুৱাব পাৰিব;
- ভাষাৰ প্ৰকৃতি আৰু বক্তাৰ মাতৃভাষাৰ জ্ঞান সম্পৰ্কে চমস্কিয়ে কি নতুন কথা ক'লে তাক ব্যাখ্যা কৰিব পাৰিব;
- মাতৃভাষা ভাষী কেনেকৈ নিৰন্তৰ ভাষা সৃজন অৰ্থাৎ নিত্য নতুন বাক্য সৃজন ক্ৰিয়াত নিমজ্জিত হৈ থাকে তাক আলোচনা কৰিব পাৰিব; আৰু
- পৃথিৱীৰ ভাষাসমূহৰ মাজত কেনে ধৰণৰ সাৰ্বজনীনতা বিদ্যমান সেই কথা বিশ্লেষণ কৰিব পাৰিব।

৩.৩ ৰূপান্তৰ-সৃজন ব্যাকৰণৰ সংজ্ঞা

'ব্যাকৰণ' বুলিলে কি বুজায় সেই বিষয়ে আমাৰ সকলোৰে এটা সাধাৰণ ধাৰণা আছে। বিদ্যালয়ৰ শিক্ষাই আমাক শিকাই থৈছে যে ব্যাকৰণ হ'ল লিখিত ভাষাৰ নিয়ম-প্ৰণালীৰ বিশদ বৰ্ণনা থকা এখন লিখিত পুথি। বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ চৰ্চাকাৰীসকলৰ মতে ব্যাকৰণৰ সংজ্ঞা সামান্য বেলেগ। মাতৃভাষা ভাষীসকলে তেওঁলোকে মগজুত কঢ়িয়াই ফুৰা যি নিয়ম-প্ৰণালীৰ সহায়ত ধ্বনিৰ লগত ধ্বনি সংযোগ কৰি অক্ষৰ (Syllable), অক্ষৰৰ লগত অক্ষৰ সংযোগ কৰি শব্দ, শব্দত বিভক্তি যোগ কৰি পদ, পদৰ সমাহাৰত বাক্য গঠন কৰি মৌখিকভাৱে ভাব বিনিময় কৰে, সেই নিয়ম প্ৰণালীৰ বৰ্ণনাই হৈছে ব্যাকৰণ। এই ব্যাকৰণ লিখিত নহৈ মৌখিকো হ'ব পাৰে। যিকোনো ভাষাৰ পূৰ্ণাঙ্গ ব্যাকৰণখন স্বাভাৱিকতে মৌখিক। ভাষাবৈজ্ঞানিকৰ মতে এতিয়ালৈ পৃথিৱীৰ কোনো ভাষাৰে পূৰ্ণাঙ্গ ব্যাকৰণ লিখি উলিওৱা হোৱা নাই।

ৰূপান্তৰ-সৃজন ব্যাকৰণ প্ৰকৃতাৰ্থত এখন ব্যাকৰণ পুথি নহয়। ই হ'ল এমুঠি সীমিত সংখ্যক নিয়মৰ সমষ্টি যাক প্ৰয়োগ কৰি অসংখ্য সুগঠিত আৰু অৰ্থপূৰ্ণ বাক্য সৃজন বা উৎপাদন কৰিব (Transformational Generative Grammar is a set of finite number of rules by which one can produce infinite number of well-formed and acceptable sentences.) অৰ্থাৎ এই ব্যাকৰণে ভাষাৰ সকলোবোৰ কথা নাসামৰে; ই কেৱল বাক্যৰ গঠন আৰ ৰূপান্তৰৰ কথাহে বিশ্লেষণ কৰে ।

আগতে উল্লেখ কৰি অহা হৈছে যে ১৯৫৭ চনত আমেৰিকাৰ বিশিষ্ট মনস্তত্ত্ববিদ নোৱম চমস্কিয়ে ৰচনা কৰা Syntactic Structure-এ ভাষাবিজ্ঞানৰ চিন্তা-চর্চাত এক নতুন অধ্যায়ৰ সূচনা কৰে। তেওঁৰ সমসাময়িক ভাষাতত্ত্ববিদ হেৰিচ (১৯৫৭), ৰচ (১৯৬৭) আদিয়ে এই চিন্তাধাৰাত কিছু নতুন তত্ত্ব আৰু অভিনৱ ব্যাখ্যা সংযোগ কৰি ভাষাবিজ্ঞান চর্চাৰ নতুন পৰম্পৰাক এক অতিশয় সংহত আৰু গাণিতিক ৰূপ প্রদান কৰে। চমস্কিয়ে নিজেই তেওঁৰ পূর্বৰ ধ্যান-ধাৰণা আৰু বিশ্লেষণক পৰিশীলিত কৰি ১৯৬৫ চনত Aspect of the Theory of Syntax পুথি প্রণয়ন কৰি এই নতুন ধাৰাটোক বলিষ্ঠ ৰূপত প্রতিষ্ঠা কৰে। মনকৰিবলগীয়া যে চমস্কি, হেৰিচ বা ৰচ কোনেও ইয়াক ৰূপান্তৰ সৃজন ব্যাকৰণ বুলি কোৱা নাছিল। পিছৰ সমালোচকসকলেহে চমস্কিয়ে উদ্ভাৱন কৰা আৰু হেৰিচৰচে সমর্থন কৰা, বাক্যৰ গঠন আৰু ৰূপান্তৰ তত্ত্বক 'ৰূপান্তৰ সৃজন ব্যাকৰণ' (Transformational Generative Grammar) বুলি অভিহিত কৰিলে। অসমৰ ভাষাবৈজ্ঞানিক আলোচনাত ইয়াক প্রথমে 'ৰূপান্তৰ-স্ফোর্ট ব্যাকৰণ' (দত্তবৰুৱা, ১৯৯৩), পিছত 'ৰূপান্তৰ উৎপাদক ব্যাকৰণ' (বসন্ত কুমাৰ ভট্টাচার্য, ১৯৯৬-৯৭) আৰু শেহতীয়াকৈ 'ৰূপান্তৰ-সৃজন ব্যাকৰণ' বুলি অভিহিত কৰা হৈছে।

৩.৪ ৰূপান্তৰ-সৃজন ব্যাকৰণৰ ভিত্তি স্বৰূপ পাঁচটা মৌলিক সিদ্ধান্ত

ৰূপান্তৰ-সৃজন ব্যাকৰণৰ ভিত্তি হ'ল ভাষা সম্বন্ধে কৰা কেইটামান মূল্যৱান সিদ্ধান্ত সেই সিদ্ধান্তসমূহ সার্বজনীন আৰু বিবাদবিহীন। এই সিদ্ধান্তসমূহৰ ধাৰণা স্পষ্ট নহ'লে 'ৰূপান্তৰ সৃজন ব্যাকৰণ'ৰ তত্ত্ব বুজা তেনেই কঠিন। সেই সিদ্ধান্তসমূহ সংক্ষেপে তলত বর্ণনা কৰা হ'ল।

(ক) ভাষা আহৰণৰ অন্তর্নিহিত ক্ষমতা ঃ প্রতিজন সুস্থ সৱল আৰু স্বাভাৱিক বুদ্ধি- বৃত্তি সম্পন্ন মানৱ শিশুৱে মাতৃভাষা আহৰণৰ ক্ষেত্রত এক সহজাত ক্ষমতা বা জন্মগত ক্ষমতা (Innate Capacity) থাকে। শিশু যি ভাষা পৰিৱেশত লালিত-পালিত হয়, সেই পৰিৱেশৰ ভাষা অর্থাৎ মাতৃভাষা, অনায়াসে আহৰণ কৰে। তাৰ কাৰণে তাক কোনো ধৰণৰ প্রশিক্ষণ বা অনুপ্রেৰণা দিয়াৰ প্রয়োজন নহয়। শিশুৰ মাতৃভাষা আহৰণ প্রক্রিয়া ইমান স্বাভাৱিক আৰু জৈৱিক সময় ঘড়ী (Biological time clock)-ৰ দ্বাৰা নিয়মিত যে শিশুক মাতৃভাষা আহৰণৰ পৰা বিৰত ৰখাহে এক প্রকাৰ অসম্ভৱ কাম। পৃথিৱীৰ বিভিন্ন নৃগোষ্ঠীৰ বিভিন্ন ভাষাভাষী শিশুৱে এক সময়তে, কোনো কষ্ট অনুভৱ নকৰাকৈ, মাতৃভাষা আহৰণ কৰে। সেয়ে ৰূপান্তৰ- সৃজন ব্যাকৰণৰ তাত্ত্বিক আলোচনাত শিশুৰ ভাষা আহৰণৰ আশ্চর্যজনক মানসিক ক্ষমতাৰ কথাই বিশেষ গুৰুত্ব লাভ কৰিছে।

(খ) ভাষা আহৰণ শিশুৰ সৃজনী শক্তিৰ পৰিচায়ক ঃ প্রত্যেক শিশুৱে মাতৃভাষা আহৰণ কৰোঁতে সৃজনী প্রতিভাৰ পৰিচয় দিয়ে। সি দিনে ৰাতিয়ে ডাঙৰৰ মুখত শুনা কথা কেৱল অনুকৰণ কৰিয়েই ক্ষান্ত নাথাকে, শুনা কথাৰ মাজৰ পৰা ভাষাৰ প্রণালীটো

আয়ত্ব কৰিবলৈ যত্ন কৰে। প্ৰথম অৱস্থাত সি ভাষাটোৰ নিয়ম সম্পৰ্কে কিছু সাধাৰণীকৰণ (Generalization) কৰে অৰ্থাৎ কিছু সাধাৰণ সংজ্ঞা নিৰ্ধাৰণ কৰে আৰু তাৰ প্ৰয়োগ কৰি সি নিজাববীয়াকৈ শব্দ বা বাক্য খণ্ড গঠন কৰে। অসমীয়া শিশুৱে ভাতৃভাষা আহৰণ কৰোঁতে প্ৰায়েই * 'নাযাম', * 'নাপাৰো', * 'যাইছিল' আদি ধৰণৰ ক্ৰিয়াপদ গঠন কৰি সৰু সৰু বাক্যত ব্যৱহাৰ কৰা দেখা যায়। এইবোৰ ক্ৰিয়াৰূপ সি ডাঙৰৰ মুখত শুনি শিকা নহয়। এইবোৰ তাৰ নিজৰ সৃষ্টি। বয়স্ক লোকেও দ্বিতীয় ভাষা হিচাপে কোনো এটা ভাষা শিকিলে এনে ধৰণৰ ভুল কৰে। উড়িয়া ভাষাত প্ৰায় সকলো বিশেষ্যৰ শেষত -অ উচ্চাৰিত হয়; সেয়ে উড়িয়া শিকোঁতে বয়স্ক অসমীয়ালোকে সকলো বিশেষ্যকে অকাৰন্ত হিচাপে উচ্চাৰণ পৰি প্ৰমাদ কৰে। 'ভাত (অ)', 'হাত (অ)', 'ঘৰ (অ)' আদিৰ অনুকৰণত বিদেশী শব্দকো যথা, 'প্লেট (অ)', 'কাপ (অ)' আদি ধৰণে উচ্চাৰণ কৰে। এয়াই সৃজনশীলতা। মানুহে ভাষা শিকোঁতে সকলোখিনি মুখস্থ কৰি নিশিকে; ভাষাৰ ব্যৱহৃত ৰূপবোৰ চাই, তাৰ মাজত থকা নিয়মবোৰ উলিয়াই লয় আৰু সেই নিয়ম খটুৱাই পূৰ্বতে নুশুনা শব্দ আৰু বাক্য গঠন কৰে।

মানুহে ভাৱৰ আদান প্ৰদান কৰোঁতে ব্যৱহাৰ কৰা প্ৰতিটো বাক্যই তেওঁৰ অভিনৱ আৰু নিজস্ব সৃজন। দুজন মানুহে কোনো এটা বিশেষ বাৰ্তা প্ৰেৰণ কৰিব লগা হ'লে অৰ্থাৎ একেষাৰ কথাকে ক'ব লগা হ'লে অবিকল একে শব্দাৱলী আৰু বাক্য বিন্যাস ব্যৱহাৰ নকৰে। কোনো এজন মানুহে একেষাৰ কথাকে বেলেগ বেলেগ সময়ত ক'ব লাগিলে অবিকল একেবোৰ শব্দ একে ক্ৰমত ব্যৱহাৰ নকৰে। শ্ৰোতায়ো একে ক্ষমতাৰ বলতে পূৰ্বতে নুশুনা কথাৰ অৰ্থ উদ্ধাৰ কৰিব পাৰে। কোনোবাই যদি কয়— 'উজান বজাৰত ব্ৰহ্মপুত্ৰৰ দাঁতিত এখন শ্লেজ গাড়ী পৰি আছে।' শ্ৰোতাই সহজে ইয়াৰ অৰ্থ বুজি পাব, যদিও তেওঁ আগতে কেতিয়াও এই বাক্যটো শুনা নাই।

প্ৰতিটো ভাষাতে মানুহে ভাৱৰ আদান-প্ৰদান কৰিবৰ কাৰণে ব্যৱহাৰ কৰা বাক্যৰ সংখ্যা অপৰিসীম (Infinite)। কিন্তু সেই বাক্যসমূহ উৎপাদন বা সৃজন কৰাৰ নিয়মসমূহ সীমিত (Finite)। এই সীমিত সংখ্যক নিয়ম-নীতি প্ৰয়োগ কৰি আমি অজস্ৰ সুগঠিত আৰু অৰ্থপূৰ্ণ বাক্য গঠন কৰোঁ। কথাটো আমাৰ দৈনন্দিন জীৱনত গণিত শাস্ত্ৰৰ প্ৰয়োগৰ লগত তুলনীয়। গণিতত মৌলিক অংক মাথোন দহটা, '০' পৰা '৯'লৈকে। এই সীমিত দহটা অঙ্কৰ পৰা যোগ, বিয়োগ, পূৰ্ণ, হৰণ— এই চাৰিটা নিয়মৰ সহায়ত অগণন সৃজন বা উৎপাদন কৰিব পাৰোঁ। ভাষাৰ ক্ষেত্ৰতো একে কথা। আমি জনা সীমিত সংখ্যক শব্দত সীমিত সংখ্যক নিয়ম প্ৰয়োগ কৰি নিত্য নতুন অজস্ৰ বাক্য উৎপাদন বা সৃজন কৰিব পাৰোঁ। শিশুৱে কোৱা প্ৰত্যেকটো বাক্য ডাঙৰৰ মুখত শুনি মুখস্থ কৰি শিকা নহয়; ইয়াৰ বহুলাংশ তাৰ নিজৰ সৃজন।

সাৰবাক্য (Kernel Sentence) আৰু ৰূপান্তৰ (Transformation) ঃ

আমি ভাব বিনিময়ৰ কাৰণে ব্যৱহাৰ কৰা অজস্ৰ বাক্যৰ কিছুমান বাক্যহে মৌলিক, ওপৰত বৰ্ণনা কৰা নিয়মৰ প্ৰয়োগৰ দ্বাৰা সৃষ্ট। বাকীবোৰ বাক্য সেই মৌলিক বাক্যবোৰৰ পৰা বিশেষ প্ৰণালীৰে ৰূপান্তৰ কৰি সাধন কৰা।

'পুলিচৰ হাতত চোৰটো ধৰা পৰিল।'

বাক্যটো এক বিশেষ নিয়মেৰে 'পুলিচে চোৰটো ধৰিলে।' বাক্যৰ পৰা সাধন কৰি উলিওৱা হৈছে।

তেনেকৈ—

'২৬ হাজাৰ শিক্ষকক নিযুক্তি পত্ৰ দিয়া হৈছে।'

'GMC-ৰ দ্বাৰা দুৱাৰত তলা মাৰি দিয়া হ'ল।'

আদি বাক্য কিছুমান মৌলিক কৰ্তৃবাচ্যৰ বাক্যৰ পৰা একে নিয়মে ৰূপান্তৰ সাধন কৰি সাজি লোৱা।

তেনেকৈ

'চোনিয়া গান্ধী গুৱাহাটীলৈ নাহিল।'

বাক্যটো 'চোনিয়া গান্ধী গুৱাহাটীলৈ আহিল।'

বাক্যৰ পৰা নঞৰ্থ গঠন নিয়ম অনুসৰি সৃষ্ট।

একেদৰে— 'আলফাই বন্ধ উঠাই ললে নে?'

বাক্যটো তলৰ বাক্যৰ পৰা প্ৰশ্ন গঠন নিয়ম অনুসৰি গঠিত

'আলফাই বন্ধ উঠাই ললে।'

এনে ধৰণৰ কোনো ৰূপান্তৰ নিয়ম প্ৰয়োগ নকৰাকৈ সৃষ্ট মূল বাক্যসমূহক চমস্কিয়ে সাৰবাক্য বা সাহ-বাক্য (Kernel Sentence) বুলিছে। সেইবোৰৰ পৰা কোনো ৰূপান্তৰ নিয়ম অনুযায়ী সৃষ্ট বাক্যক ৰূপান্তৰ যোগে সাধিত (Derived) বাক্য বুলিছে।

বাহ্যিক গঠন (Surface Structure) আৰু অন্তর্লীন গঠন (Deep Structure)ঃ ৰূপান্তৰ সৃজন ব্যাকৰণৰ পথ প্ৰদৰ্শকসকলে বাক্যৰ বাহ্যিক গঠন (Surface Structure) আৰু আভ্যন্তৰীণ বা অন্তর্লীন গঠন (Deep Structure)-ৰ মাজত ভেদ ঠাৱৰ কৰিব খোজে। বাক্যত ব্যৱহৃত শব্দবিলাকৰ পাৰস্পৰিক বৈয়াকৰনিক অন্বয়ৰ দ্বাৰা প্ৰকাশিত ৰূপটোৱেই বাক্যৰ বাহ্যিক গঠন (Surface Sturcture)। বাক্যৰ এই গঠনৰ আৱৰণৰ অন্তৰালত একোটা একে বা ভিন্ন অৰ্থ লুকাই থাকিব পাৰে; তাকেই কোৱা হয় বাক্যৰ অন্তর্লীন বা আভ্যন্তৰীণ গঠন (Deep Structure)। উদাহৰণ স্বৰূপে, আমি প্ৰায়ে শুনা যোজনা সদৃশ বাক্য-

পাগলে নকয় কি?

ছাগলে নাখায় কি?

দেখাত প্ৰশ্নবোধক যেন লাগিলেও ইহঁত আচলতে প্ৰশ্নবোধক নহয়। বক্তাই বাক্য দুটা উচ্চাৰণ কৰাৰ পাছত শ্ৰোতাৰ পৰা একোটা উত্তৰ প্ৰত্যাশা নকৰে। শ্ৰোতায়ো এই কথা

শুনি ‘পাগলে কি কি নকয়?’ আৰু ‘ছাগলে কি কি নাখায়’ তাৰ একোখন তালিকা দাঙি নধৰে। তেওঁ বুজে যে বক্তাৰ মূল বক্তব্য একোটা ইতিবাচক ইংগিত; অর্থাৎ ওপৰৰ বাক্য দুটা শুনিলে তেওঁ ক্রমে দিয়া অর্থহে উপলব্ধি কৰিব।

পাগলে যি পায় তাকে কয়।

ছাগলীয়ে যি পায় তাকে খায়।

ওপৰৰ প্রথম দুটা বাক্য বাহ্যিক গঠন আৰু শেষৰ বাক্য অন্তর্লীন বা আভ্যন্তৰীণ গঠন। কেতিয়াবা কিছুমান বাক্যৰ পৰা তাৰ বাহ্যিক গঠন আৰু আভ্যন্তৰীণ বা অন্তর্লীন গঠনৰ মাজত থকা ভেদ ঠাৱৰ কৰা টান হৈ পাৰে। তেনে ধৰণৰ বাক্যৰ প্রকৃত অর্থ নিৰূপণ কৰিবলৈ হ’লে তাৰ শব্দগুচ্ছৰ গঠন (Phrase Sturcture) আৰু শব্দৰ অন্তর্নিহিত বা ব্যঞ্জিত অর্থ নির্ণয় কৰিবলগীয়া হয়। উদাহৰণ স্বৰূপে, কোনোবাই যেতিয়া কয়—

‘তাই তালৈ গ’ল।’

শ্রোতা স্বাভাৱিকতে বিমোৱত পৰে। এই বাক্যটোৰ এটা অর্থ হ’ব— ‘তাই সেই ঠাইলৈ গ’ল।’

আৰু আনটো অর্থ হ’ব—

‘তাই সেইজন মানুহলৈ (ঘৈণীয়েক হৈ) গ’ল।’

এনেধৰণে উপৰুৱা দৃষ্টিকোণৰ পৰা দুটা অর্থ প্রকাশ কৰিব পৰা বাক্যৰ প্রকৃত অর্থাৎ অন্তর্লীন বা অন্তর্নিহিত অর্থ উদ্ধাৰ কৰিবলৈ হ’লে ব্যৱহৃত শব্দবোৰৰ প্রকৃতি বিশ্লেষণৰ প্রয়োজন। ‘তাই তালৈ গ’ল’ বাক্যৰ ‘তালৈ’ শব্দ ব্যক্তি বুজোৱা (+মানুহ) হয়নে নহয় তাৰ ওপৰত নির্ভৰ কৰি বাক্যটোৰ অন্তর্নিহিত অর্থ নিৰূপিত হ’ব। সেই দৃষ্টিকোণৰ পৰা ৰূপান্তৰ সৃজন ব্যাকৰণৰ সমর্থকসকলে বাক্যৰ বাহ্যিক আৰু আভ্যন্তৰীণ ৰূপৰ মাজত স্পষ্ট ভেদ ঠাৱৰ কৰাটো প্রয়োজনীয় বুলি বিবেচনা কৰে। তেওঁলোকে ৰচনা কৰা ব্যাকৰণৰ বর্ণনাত এই দুটা শব্দগুচ্ছৰ উল্লেখ বৰ সঘনাই কৰা দেখা যায়।

ভাষা-পটুতা (Linguistic Competence) আৰু ভাষা-কৃতি (Liguistic Performance) ঃ ৰূপান্তৰ সৃজন ব্যাকৰণে প্রতিজন আদর্শ মাতৃভাষা-ভাষীৰ নিজৰ মাতৃভাষাত থকা ভাষা-পটুতা (Competence) আৰু ভাষা-কৃতি (Performance)-ৰ মাজতো এটা সুস্পষ্ট ভেদ নির্ণয় কৰিব বিচাৰে। এজন মানুহে কোনো এক সময়ত তেওঁৰ মাতৃভাষাৰ প্রয়োগ কৰোঁতে তেওঁ তেওঁৰ মাতৃভাষাৰ যি সামগ্রিক জ্ঞান মগজুত কঢ়িয়াই ফুৰে, অর্থাৎ তেওঁৰ মাতৃভাষাত থকা ভাষা-পটুতা পুৰাদমে প্রকাশ নকৰিবও পাৰে। কেতিয়াবা তেওঁৰ উচ্চাৰণ অস্পষ্ট হয়, কেতিয়াবা তেওঁ দুই এটা শব্দ এৰি যায়, কেতিয়াবা বাক্যত কর্তা ক্রিয়াৰ সংগতি হেৰাই যায় অথবা কেতিয়াবা তেওঁ বাক্যটো সম্পূর্ণ কৰিব নোৱাৰে। এনেকুৱা ত্রুটীপূর্ণ ভাষাক তেওঁৰ ভাষা-কৃতি বুলি কোৱা হয়। বক্তাই এনে ধৰণৰ ভাষা ব্যৱহাৰ কৰিলেও শ্রোতাৰ কাণত এই সৰু সুৰা অসংগতিবোৰ নাবাজে আৰু তেওঁ বক্তাৰ ভুল-ভ্রান্তিৰ অন্তৰালত লুকাই থকা বিশুদ্ধ আৰু পৰিপূর্ণ ৰূপটোহে অর্থাৎ

বক্তাৰ ভাষা-পটুতাহে উপলব্ধি কৰে। অর্থাৎ আদর্শ মাতৃভাষা-ভাষীয়ে সদায় ভাষা পটুতাৰ স্তৰত বিচৰণ কৰে। বক্তাৰ ভাষা-কৃতিয়ে তেওঁৰ অর্থাৎ শ্রোতাৰ অর্থবোধত ব্যাঘাত জন্মাব নোৱাৰে। ৰূপান্তৰ সৃজন ব্যাকৰণে মাতৃভাষা-ভাষীৰ ভাষা-পটুতাৰ স্বৰূপটোহে বর্ণনা কৰিব বিচাৰে।

৩.৫ সৃজন বা স্ফোট (Generative) শব্দৰ তাৎপর্য

ধ্বনিবিজ্ঞানত স্ফোটন, স্ফোট আদি শব্দৰ ব্যৱহাৰ আজি প্রায় ছয় দশক জুৰি চলি আহিছে। ধ্বনিবিজ্ঞানত স্ফোটন শব্দৰ অর্থ যদি ধ্বনিৰ উৎপাদন হয়, বাক্যবিন্যাসৰ আলোচনাত সি বাক্যৰ উৎপাদন বুজোৱাটো একো অস্বাভাৱিক নহয়। আমি সাহিত্যতো সৃজনশীলতাৰ কথা পাই আহিছোঁ। আলোচিত ৰূপান্তৰ ভিত্তিক ব্যাকৰণৰো মূল তত্ত্ব হৈছে নিত্য নতুন বাক্যৰ স্রজন বা উৎপাদন; বক্তাই উচ্চাৰণ কৰা প্রত্যেকটো বাক্যই তেওঁ মগজুত কঢ়িয়াই ফুৰা ব্যাকৰণৰ সীমিত নিয়ম-নীতি প্রয়োগ কৰি উৎপাদন কৰা বা সৃজন কৰা একো একোটা অভিনৱ সৃষ্টি। তেওঁ কোনো বাক্য অনুকৰণ কৰি পুনৰাবৃত্ত নকৰে। সাৰবাক্যৰ পৰা সাধিত বাক্য উৎপাদন কৰোঁতেও তেওঁ সেই সৃজনী শক্তিৰ পৰিচয় দিয়ে। তেওঁৰ প্রত্যেকটো উৎপাদন সৃজন বা স্ফোটন ইমান নিখুঁত যে তাক অন্য শ্রোতাই সদায় ব্যাকৰণ-সিদ্ধ (Grammatical) বুলি গ্রাহ্য কৰে। অর্থাৎ তেওঁ কেতিয়াও ব্যাকৰণ অসন্মত (Ungrammatical) বাক্য সৃজন নকৰে। আন কথাত ক'বলৈ গ'লে আদর্শ মাতৃভাষা-ভাষীয়ে সেই ভাষাত নিত্য নতুন ব্যাকৰণ-সিদ্ধ বাক্য উৎপাদন বা সৃজন কৰিব পৰা জ্ঞানৰ পৰম্পৰাগত বর্ণনাই ৰূপান্তৰ সৃজন-ব্যাকৰণ বা ৰূপান্তৰ স্ফোট-ব্যাকৰণ (Generative grammar)।

৩.৬ ৰূপান্তৰ-সৃজন ব্যাকৰণৰ প্রকাৰভেদ

ৰূপান্তৰ-সৃজন ব্যাকৰণৰ দুটা বিভাগ পৰিদৃষ্ট হয়— (ক) বাক্য-বিন্যাসজনিত আৰু (খ) ধ্বনি-বিন্যাসজনিত। ইয়াৰ প্রথমটোৰ আকৌ দুটা স্তৰ পৰিলক্ষিত হয়— (১) শব্দগুচ্ছ গঠন (Phrase Structure) আৰু (২) ৰূপান্তৰ (Transformation)। শব্দগুচ্ছৰ গঠনে বাক্যত ব্যৱহৃত শব্দবোৰৰ সহগমন (Cooccurance) সম্বন্ধ (যথা; 'সূৰুযৰ হেঙুলীয়া আভা','জোনৰ হেঙুলীয়া আভা' নহয়; 'মানুহ মৰে' কিন্তু 'বৰফ মৰে' নহয়), শব্দৰ স্বাভাৱিক ক্রম, (যথা; 'ধুনীয়া ছোৱালী', কিন্তু 'ছোৱালী ধুনীয়া' নহয়; 'মানুহে ভাত খায়', কিন্তু 'খায় মানুহে ভাত' নহয়) আৰু শব্দাৱলীৰ অন্তর্নিহিত গুণাগুণৰ কথা সামৰে। ৰূপান্তৰে কি নিয়মে 'চাহ খায়'ৰ পৰা 'চাহ খোৱা হয়', অথবা 'জেঠ মাহত বৰষুণ হয়' ৰ পৰা 'জেঠ মাহত বৰষুণ নহয়' ধৰণৰ বাক্য সাধিত হয় ইত্যাদি কথা আলোচনা কৰে।

ধ্বনিৰ ক্ষেত্রতো সন্নিকটস্থ ৰূপ বা প্রাকৃতিৰ প্রভাৱত কিছু ৰূপান্তৰ সাধিত হয়। আমাৰ পৰিচিত 'পাগল' শব্দত যেতিয়া {-আমি} প্রত্যয় যোগ দিয়া হয় তেতিয়া (গ)ৰ

লগত থকা (অ) ধ্বনি লোপ পায় আৰু শব্দটো হয় 'পাগলামি', আমি ইয়াক পাগলামি (প + আ + গ + অ + ল + আ + ম + ই) বুলি নকওঁ বা নপঢ়ো। 'সৎ' শব্দৰ পৰা যেতিয়া আমি বিশেষ্য ৰূপ 'সততা' < সৎ + তা গঠন কৰোঁ 'খণ্ড ত'টো পূৰ্ণ ৰূপত আত্মপ্রকাশ কৰে আৰু ইয়াৰ লগত এটা (অ) ধ্বনি উচ্চাৰিত হয়; 'সহিষ্ণু'ৰ পৰা 'সহিষ্ণুতা' গঠন কৰিলে এনে নহয়। ইও এক প্রকাৰ ৰূপান্তৰ । আমি মাতৃভাষা-ভাষী হিচাপে এনে ধ্বনি পৰিৱৰ্তনৰ জ্ঞান ক'ব নোৱাৰাকৈয়ে মগজুত বহন কৰি ফুৰোঁ। বাক্যৰ নিচিনাকৈ শব্দৰ ক্ষেত্রতো বহির্গঠন আৰু অন্তর্লীন গঠনৰ ভেদ থাকিব পাৰে। 'পাগলামি'ৰ বহির্গঠনত (Surface Structure)-ত মধ্যস্থিত '-অ-' ধ্বনিটো নাই, ইয়াৰ অন্তর্লীন গঠনত ই বৰ্তমান। ধ্বনিৰ এনে ধৰণৰ ৰূপান্তৰৰ বিশ্লেষণো ধ্বনি স্তৰীয় ৰূপান্তৰ সৃজন ব্যাকৰণৰ আওতাৰ ভিতৰত পৰে।

এই উদাহৰণ আৰু ধ্বনি উৎপাদক বা ধ্বনি সৃজনৰ ব্যাখ্যা পার্থ সাৰথি মিশ্রৰ 'উৎপাদক ধ্বনিতত্ত্ব আৰু ৰূপান্তকৰণৰ সূত্র' নামৰ প্রবন্ধৰ আধাৰত প্রস্তুত।

৩.৭ ৰূপান্তৰ-সৃজন ব্যাকৰণত প্রযোজ্য সাংকেতিক চিন

ৰূপান্তৰ-সৃজন ব্যাকৰণে যিহেতু ভাষাৰ স্বৰূপ সংক্ষেপে আৰু যথাযথভাৱে দাঙি ধৰিব বিচাৰে আৰু অযথা পুনৰাবৃত্তিৰ পৰা নিষ্কৃতি বিচাৰে, ই বহুলাংশে বীজগণিত আৰু পাটীগণিতৰ নিচিনা বিভিন্ন সাংকেতিক চিনৰ প্রয়োগৰ ওপৰত গুৰুত্ব প্রদান কৰে। যি কোনো ভাষাৰ ৰূপান্তৰ-সৃজন ব্যাকৰণ ৰচনা কৰিবলৈ হ'লে অথবা উপলব্ধি কৰিবলৈ হ'লে সেই সাংকেতিক চিনবোৰৰ ব্যৱহাৰৰ জ্ঞান অপৰিহার্য। তলত কেতবোৰ সাংকেতিক চিনৰ বিষয়ে আলোচনা দাঙি ধৰা হ'ল—

শব্দ প্রতীক ঃ শব্দ প্রতীক দুই ধৰণৰ হ'ব পাৰে; (১) বর্গ প্রতীক (Class Symbol) আৰু (২) ৰূপ প্রতীক (Morpheme Symbol)। বর্গ প্রতীকৰ লগত আমাৰ সকলোৰে কম বেছি পৰিমাণে পৰিচয় আছে। আমি বাক্যত ব্যৱহাৰ হোৱা শব্দবোৰক কিছুমান বর্গ (Class)ত বিভক্ত কৰোঁ; যেনে— বিশেষ্য, বিশেষণ, ক্রিয়া ইত্যাদি। অভিধানত শব্দবোৰ দিওঁতেও আমি সেই বর্গৰ উল্লেখ কৰোঁ, যেনে— বি. মানে বিশেষ্য, বিণ. মানে বিশেষণ, ক্রি. মানে ক্রিয়া ইত্যাদি। ৰূপান্তৰ-সৃজন ব্যাকৰণেও বাক্যত ব্যৱহৃত শব্দগুচ্ছক বহল অর্থত দুটা ভাগত ভাগ কৰে; যেনে— বিশেষ্য শব্দগুচ্ছ (Noun Phrase) সংক্ষেপে বি. শ. (NP) আৰু ক্রিয়া শব্দগুচ্ছ (Verb Phrase) সংক্ষেপে ক্রি. শ. (VP)। তলৰ—

ৰাম আহিল।
তেওঁ গ'ল। (ক)
তুমি ক'লা

তিনিওটা বাক্যক একোটা বর্গ প্রতীকেৰে এনে ধৰণে প্রকাশ কৰিব পাৰি ঃ

বি. শ. (NP) + ক্রি. শ. (VP)।
(ৰাম/তেওঁ/তুমি) + (আহিল/গ'ল/ক'লা) (খ)

ৰূপ প্ৰতীক ঃ বুলিলে ভাষাটোত ব্যৱহাৰ হোৱা মুক্তৰূপ (Free Form) আৰু বদ্ধৰূপ (Bound Form) দুয়োটাৰে প্ৰতীকক বুজায়। মুক্তৰূপৰ প্ৰতীকসমূহক এই মুক্তৰূপসমূহক উল্লেখ কৰিয়েই বুজোৱা হয় আৰু বদ্ধৰূপৰ প্ৰতীকসমূহক সিহঁতে বুজোৱা অন্তৰ্নিহিত অৰ্থটোৰে সাংকেতিকভাৱে বুজোৱা হয়। উদাহৰণস্বৰূপে—

ৰাম আহিল।

যদু আহিব।

এই বাক্য দুটাত 'ৰাম', 'যদু' আৰু 'আহ' মুক্তৰূপ, ইহঁতক সেই বানানেৰে বুজোৱা হয়। ক্ৰিয়াপদ দুটাত {-ইল} আৰু {-ইব} বিভক্তি যুক্ত হৈ ক্ৰমে অতীত আৰু ভৱিষ্যৎ কাল বুজাইছে; গতিকে এই শব্দ দুটাত ইহঁতৰ স্থিতি ক্ৰমে কালবাচক অতীত (সংক্ষেপে + অতী + Past) আৰু + ভৱিষ্যৎ (সংক্ষেপে + ভৱি Fut বুলি বুজোৱা হয়। সেই মৰ্মে এই বাক্য দুটাক ক্ৰমে—

ৰাম আহ + অতী

যদু আহ্ + ভৱি কালবাচক। এনেদৰে উল্লেখ কৰা হয়।

সূত্ৰ (String) ঃ শব্দগুচ্ছৰ আলোচনাৰ প্ৰসংগত এক বা একাধিক শব্দ প্ৰতীকক সূত্ৰ **(String)** বুলি বুজোৱা হয়। ওপৰৰ (ক) বাক্য কেইটাক যদি (খ)ত দেখুওৱাৰ দৰে বি. শ. + ক্ৰি. শ. বুলি উল্লেখ কৰা হয়, তেতিয়া হ'লে বি. শ. আৰু ক্ৰি. শ. একো একোটা সূত্ৰ।

+ (যোগ চিন) ঃ + চিন ইয়াত অংকশাস্ত্ৰত ব্যৱহাৰ হোৱা অৰ্থতে প্ৰয়োগ কৰা হয়। + চিনৰ দ্বাৰা বাক্যত ব্যৱহাৰ হোৱা একাধিক সূত্ৰৰ সংযোগক বুজায়। ব্যাকৰণৰ কোনো এটা নিয়ম মতে যদি 'ক' → 'খ' + 'গ' হয়, তাৰ অৰ্থ হ'ব 'খ' আৰু 'গ' একো একোটা স্বয়ং সম্পূৰ্ণ সূত্ৰ আৰু দুয়ো লগ লাগি 'ক' হ'ব পাৰে। তদুপৰি + চিনে ইয়াৰ পিছফালে উল্লিখিত গুণাগুণ থকাটো বুজায়; (ল'ৰা শব্দটো হ'ল + animate অৰ্থাৎ প্ৰাণীবাচক আৰু + male অৰ্থাৎ পুংলিংগ বাচক।

 # (দ্বিত্ব পূৰ্ণ চিন) ঃ # চিনৰ প্ৰয়োগে বাক্যৰ সীমাৰেখা বুজায়। যদি কোনো এক বা একাধিক সূত্ৰৰ দুয়োফালে # চিন থাকে, তেতিয়া হ'লে এই দুই চিনৰ ভিতৰত থকা খিনি এটা বাক্য বুলি জনা যাব। # S # মানে এটা পৰিপূৰ্ণ বাক্য; ই এটা শব্দও হ'ব পাৰে বা একাধিক শব্দগুচ্ছও হ'ব পাৰে। যদি # NP + VP # লিখা হয় তেন্তে বুজা যায় যে ই NP আৰু VP এই দুটা সূত্ৰৰ সংযোগত গঠিত এটা বাক্য। অসমীয়াত # S # ক # বা # বুলি বুজাব পাৰি ।

→ (পুনৰ লিখন চিন) ঃ ৰূপান্তৰ স্ফোট ব্যাকৰণত কাঁড় চিনৰ অৰ্থ এয়ে যে কাঁড়ৰ বাঁওফালে থকা কথাখিনি সোঁফালে দিয়াৰ দৰে লিখিব লাগে। কোনো এটা নিয়মত

যদি থাকে 'ক' → 'খ' তাৰ মানে বুজিব লাগিব যে 'ক'ক 'খ' হিচাপে লিখিব লাগে। যদি কেতিয়াবা লিখা থাকে যে

বা → বি. শ. + ক্রিয়া বিশেষণ + ক্রি. শ.

তাৰ মানে বুজিব লাগিব যে আলোচিত বাক্যটো বিশেষ্য শব্দগুচ্ছ, ক্রিয়া বিশেষণ (ক্রি. বিণ.) আৰু ক্রিয়া শব্দগুচ্ছৰ সংযোগত গঠিত। এই চিনক বাঁওফালৰ শব্দটোৰ পৰা সোঁফালৰটো সাধিত (Derived) হোৱা বুলি বুজিব নালাগিব।

* **(তৰা চিন)** ঃ ৰূপান্তৰ সৃজন ব্যাকৰণত * চিন বিশেষ তাৎপর্যপূর্ণ। যি বাক্যৰ আগত * চিন থাকে সেই বাক্য ব্যাকৰণসিদ্ধ নহয়। তেনেদৰে কোনো শব্দ বা শব্দগুচ্ছৰ বাঁওফালে যদি * চিন থাকে তেতিয়া হ'লে বুজা যাব যে সেই শব্দ বা শব্দগুচ্ছও ব্যাকৰণসিদ্ধ বা গ্রহণযোগ্য নহয়। ঐতিহাসিক ভাষাতত্ত্বৰ আলোচনাত কাল্পনিক বা অনুমানসিদ্ধ (Hopothetical) ৰূপ বুজাবলৈ তৰা চিন ব্যৱহাৰ কৰা হৈছিল।

() **(চন্দ্রবন্ধনী)** ঃ চন্দ্রবন্ধনীৰ প্রয়োগে ইচ্ছাধীনতাৰ সংকেত বহন কৰে। যদি কোনো এটা সূত্র বন্ধনীৰ ভিতৰত উল্লেখ কৰা হয় তেনেহ'লে বুজা যাব যে বন্ধনীৰ ভিতৰত দিয়া সূত্রটো ব্যৱহাৰ কৰাটো বা নকৰাটো বক্তাৰ বা লেখকৰ ইচ্ছাধীন। যদি কোনো এটা নিয়ম হয়

ক → খ (গ)

তাৰ অর্থ হ'ব

ক → খ, আৰু বিকল্পে

ক → খ + গ ।

অর্থাৎ 'ক'ক 'খ' বুলি লিখিব লাগিবই; কিন্তু 'খ'ৰ পিছত 'গ' যুক্ত হোৱাটো বাধ্যতামূলক নহয়। বক্তা বা লেখকে ইচ্ছা কৰিলে 'খ'-ৰ পিছত 'গ' ব্যৱহাৰ নকৰিবও পাৰে।

{} **(কূটিল বন্ধনী)** ঃ দুটা বা ততোধিক সদৃশ নিয়মক সংক্ষেপে উল্লেখ কৰিবৰ কাৰণে ইয়াৰ ব্যৱহাৰ কৰা হয়। যদি কোনো এটা ভাষাত

ক → খ

ক → গ

ক → ঘ

হ'ব পাৰে, তেনেহ'লে তাক সংক্ষেপে লিখা হয়—

$$ক \rightarrow \begin{Bmatrix} খ \\ গ \\ ঘ \end{Bmatrix}$$

যদি আন এটা ভাষাত

ক + গ → ঙ

খ + গ → ঙ

হয়, তেনেহ'লে তাক সংক্ষেপে লিখা হয়।

$$\left\{\begin{matrix}\text{ক}\\ \text{খ}\end{matrix}\right\} + \text{গ} \rightarrow \text{ঙ}।$$

ই অংকশাস্ত্ৰৰ পূৰ্ণ অংকত সাধাৰণ (Common) লোৱাৰ নিচিনা।

[ ] **(বৰ বন্ধনী)** ঃ দুটা বা ততোধিক সূত্ৰ সদৃশ হৈও আভ্যন্তৰীণ কিবা বৈসাদৃশ্যৰ সূচনা কৰিব লাগিলে বৰ বন্ধনী ব্যৱহাৰ কৰা হয়। যদি কোনো এটা ভাষাত

ক ঋ গ ঋ স → ক ঋ গ ঋ স

খ ঋ গ ঋ স → খ ঋ গ ঋ স

হয়, তাক সংক্ষেপে

$$\left\{\begin{matrix}\text{ক}\\ \text{খ}\end{matrix}\right\} \text{গ} + \text{স} \rightarrow \quad \left\{\begin{matrix}\underline{\text{ক}}\\ \underline{\text{খ}}\end{matrix}\right\} \quad \text{গ} + \text{স}$$

বুলি লিখা হয়। ইয়াৰ অর্থ এয়ে যে কাঁড় চিনৰ দুয়োমূৰে থকা সূত্ৰবোৰ একে হ'লেও সাধিত ৰূপত 'গ'ৰ আগত ব্যৱহৃত সূত্ৰ 'ক' বা 'খ' সাৰবাক্যৰ 'ক' বা 'খ'তকৈ কিবা গুণত বেলেগ।

⇒ **(দ্বিত্ব কাড় চিন)** ঃ ই সোঁফালে থকা বাক্য বাঁওফালৰ বাক্যৰ পৰা ৰূপান্তৰ যোগে সাধিত বুজায়।

৩.৮ শব্দগুচ্ছৰ গাঁথনি (Phrase Structure)

যদি কোনো এটা ভাষাৰ তলত দিয়া ধৰণৰ আংশিক আৰ্হি ব্যাকৰণ দিয়া থাকে

আৰ্হি ব্যাকৰণ 'ক'

বা

1. বা → বি. শ. + ক্রি. বিণ. + ক্রি. শ.
2. ক্রি. শ. → বি. শ. + ক্রি.
3. ক্রি. শ. → নি (দেশক) + (বিণ.) + বি.
4. ক্রি. → ক্রিয়া (+ অতী)
5. নি. → সৌজন, এখন
6. বি. → মানুহ, গাড়ী
7. ক্রি. → আন (+ অতী)
8. বিণ. → নতুন
9. ক্রি. বিণ. → যোৱা কালি

আৰু ওপৰৰ সাংকেতিক চিনসমূহ হয়-

ক্রি. ঃ ক্রিয়া
নি ঃ নির্দেশাত্মক প্রত্যয়
বা. ঃ বাক্য
বি. ঃ বিশেষ্য
বিণ. ঃ বিশেষণ
ক্রি. বিণ ঃ ক্রিয়া বিশেষণ
শ. ঃ শব্দগুচ্ছ

তেনেহ'লে সেই ব্যাকৰণে তলত দিয়াৰ নিচিনা সাৰ-বাক্য এটা বুজাব।

সৌজন মানুহে যোৱাকালি এখন নতুন গাড়ী কিনিলে।

ক্রিয়াপদটো সলনি কৰি এই বাক্যৰ পৰা তলত দিয়াৰ নিচিনা সাধিত বাক্য এটা পাব পাৰোঁ। সাধিত বাক্য ঃ সৌজন + মানুহে + যোৱাকালি + এখন + নতুন + গাড়ী + আনিলে। যাৰ সাধন স্তসমূহ তলত দিয়া ধৰণৰ হ'ব।

বা

1. বি. শ. + ক্রি. বিণ. + ক্রি. শ.
2. বি. শ. + ক্রি. বিণ. + বি. শ. + ক্রি. (+ অতী)
3. বি. শ. + ক্রি. বিণ. + নি. + বিণ. + বি. +ক্রি. (+ অতী)
4. নি.+ বি. + ক্রি. বিণ + নি. + বিণ. + বি. + ক্রি. (+ অতী)
5. নি. + বি. + ক্রি. বিণ. + নি. + বিণ.+ গাড়ী + ক্রি. (+ অতী)
6. নি. + বি. + ক্রি. বিণ. + নি. + নতুন + গাড়ী + ক্রি. (+ অতী)
7. নি. + বি. + ক্রি. বিণ. + এখন + নতুন + গাড়ী + ক্রি. (+ অতী)
8. নি. + বি. + ক্রি. বিণ. + এখন + নতুন + গাড়ী + আনিলে
9. নি + মানুহে + ক্রি. বিণ. + এখন + নতুন + গাড়ী + আনিলে
10. সৌজন + মানুহে + ক্রি. বিণ. + এখন + নতুন + গাড়ী + আনিলে

মন কৰিবলগীয়া যে ওপৰৰ সাধিত (Derived) বাক্যটোত কোনো এটা সূত্রৰ স্থান খালী নাই। প্রতিটো সূত্র উপযুক্ত শব্দ প্রতীকেৰে পূৰণ কৰা হৈছে। ইয়াৰ কোনোটো সূত্রকে আৰু সম্প্রসাৰিত কৰিব নোৱাৰি। এনে ধৰণৰ পুনৰ সম্প্রসাৰিত কৰিব নোৱৰা সূত্রক অন্তিম সূত্র (Terminal String) বোলে। ইয়াৰ বিপৰীতে ওপৰৰ (১) ৰ পৰা (৯) লৈ দিয়া সূত্রসমূহক কিবা নহয় কিবা প্রকাৰে সম্প্রসাৰিত কৰিব পাৰি। এনে ধৰণৰ সম্প্রসাৰিত কৰিব পৰা সূত্রবোৰক অনন্তিম সূত্র (Nonterminal String) বোলে।

৩.৯ বৃক্ষ ৰেখাচিত্র

ওপৰৰ 'আৰ্হি' ব্যাকৰণ 'ক'ত বাক্য সাধনৰ একাদিক্রমিক স্তৰ নির্দেশিত হৈছে। (১) ৰ পৰা (৭) লৈ প্রত্যেকটো লানিয়েই একো একোটা সাধন স্তৰ। এই স্তৰ অনুক্রমে

বাক্যৰ বিকাশৰ ৰূপৰেখা বুজিব পাৰি সঁচা; কিন্তু পুনৰাবৃত্তি আৰু একাধিক স্তৰ বিন্যাসৰ কাৰণে ইয়াক থিতাতে হৃদয়ংগম কৰিব নোৱাৰি। সেই কাৰণে একেখিনি কথাকে চকুৰ পলকতে বুজিব পৰাকৈ এক প্ৰকাৰ বৃক্ষসদৃশ ৰেখাচিত্ৰৰে উপস্থাপন কৰাৰ পৰম্পৰা প্ৰতিষ্ঠিত হৈছে। যেনে— সৌজন + মানুহে + যোৱাকালি + এখন + নতুন + গাড়ী + আনিলে।

(ক)



এনে ধৰণৰ বৃক্ষ ৰেখাচিত্ৰক কোৱা হয় মাৰ্কা মৰা বৃক্ষ চিত্ৰ (Labelled Tree Diagram); সংক্ষেপে সাধন চিত্ৰ (Derivational Tree)। চমস্কিয়ে অৱশ্যে এনে মাৰ্কা মৰা বৃক্ষক শব্দগুচ্ছ- সূচক (Phrase Marker), সংক্ষেপে শ. সূচক (P-marker) বুলিছিল।

৩.১০ শব্দগুচ্ছৰ গঠন নিয়মাৱলী ঃ (Phrase Structure Rules)

ৰূপান্তৰ সৃজন ব্যাকৰণত শব্দগুচ্ছৰ গঠন নিয়মৰ সঘন উল্লেখ দেখিবলৈ পোৱা যায়। ই শুনাত জটিল যেন লাগিলেও প্ৰকৃততে তেনেই উজু ধাৰণা। ই সাধাৰণতে তিনিটা কথা সামৰে : শব্দাৱলী, শব্দাৱলীৰ পৰস্পৰ সহগমন সম্বন্ধ (Co-occurrance Relation) আৰু শব্দাৱলীৰ বৰ্গীকৰণ। ওপৰৰ ২.৭ পৰিচ্ছেদত কিছুমান শব্দ প্ৰতীক ব্যৱহাৰ কৰা হৈছে। শব্দ প্ৰতীক বাক্যৰ মৌলিক উপাদান। শব্দ প্ৰতীকৰ উল্লেখ অবিহনে ৰূপান্তৰ সৃজন ব্যাকৰণ সম্পূৰ্ণ হ'ব নোৱাৰে। দ্বিতীয়তে, ওপৰৰ একে পৰিচ্ছেদতে 'মানুহ' আৰু 'গাড়ী' শব্দই 'বি'ক স্থানান্তৰ কৰিব পাৰিছে; তাৰ অৰ্থ এয়ে যে ইহঁত দুটা একে বৰ্গৰ অন্তৰ্ভুক্ত। তৃতীয়তে, প্ৰদত্ত বাক্যত 'যোৱাকালি' শব্দ থকা কাৰণে 'আন-' ধাতুত অতীত কালৰ চিন যুক্ত হৈছে। কথাটোক এনেকৈ ঘূৰায়ো ক'ব পাৰি- প্ৰদত্ত বাক্যৰ ক্ৰিয়া অতীত কালৰ হোৱা কাৰণে আগৰ ফালে অতীত সময়-সূচক ক্ৰিয়া বিশেষণ ব্যৱহৃত হৈছে। ইয়াকে কোৱা হয় শব্দৰ সহগমন সম্বন্ধ। শব্দগুচ্ছ গঠন নিয়মাৱলী বুলিলে এই বিষয়সমূহৰ প্ৰণালীবদ্ধ, বীজগণিত সদৃশ সাংকেতিক চিনেৰে ভৰা বৰ্ণনাকে বুজায়।

৩.১১ ৰূপান্তৰ নিয়মাৱলী (Transformation Rules)

ৰূপান্তৰ সৃজন ব্যাকৰণত ওপৰত আলোচিত শব্দগুচ্ছৰ গঠন নিয়মাৱলীৰ উপৰি আৰু এলানি নিয়ম থাকে। তাকে কোৱা হয় ৰূপান্তৰ নিয়মাৱলী (Transformation Rules) সংক্ষেপে, ৰূপা-নিয়ম (T-rules)। এই ৰূপান্তৰ নিয়মাৱলীয়েই ৰূপান্তৰ সৃজন ব্যাকৰণৰ সবাতোকৈ গুৰুত্বপূৰ্ণ অংশ। ৰূপা-নিয়মো এক প্ৰকাৰ পুনৰ লিখন নিয়ম। সাধাৰণতে অন্তর্নিহিত বা অন্তর্লীন গঢ়ৰ পৰা অভিধা গঢ় সৃজন কৰিবৰ কাৰণে এই নিয়মৰ প্ৰয়োগ কৰা হয়। কেতিয়াবা অৱশ্যে এটা অভিধা গঢ়ৰ পৰা আন এটা অভিধা গঢ়ৰ সৃজনো ৰূপা-নিয়মৰ ভিতৰত সামৰা হয়। শব্দগুচ্ছৰ গঠন নিয়মাৱলীৰ লগত ইহঁতৰ প্ৰভেদ ইমানেই যে প্ৰথম বিধে কেৱল একক সূত্ৰৰ সাধন (Derivation) বৰ্ণনা কৰে আৰু দ্বিতীয় বিধে এটা সমষ্টিৰপৰা আন এটা সমষ্টিৰ সাধনৰ বিধি নিৰ্ণয় কৰে। উদাহৰণস্বৰূপে 'বিণ'ৰ ঠাইত কোনোবা এটা বিশেষণ পদ, যেনে- 'নতুন' বহুওৱাটো শব্দগুচ্ছৰ গঠন নিয়মাৱলীৰ ভিতৰুৱা; কিন্তু

'তেওঁ গাড়ী কিনিলে' বাক্যৰ ঠাইত

'তেওঁ গাড়ী নিকিনিলে' ব্যৱহাৰ কৰাটো ৰূপান্তৰ নিয়মাৱলীৰ ভিতৰুৱা।

মন কৰিবলগীয়া যে সকলোবোৰ ৰূপা-নিয়মৰ প্ৰয়োগ শব্দগুচ্ছ গঠনৰ নিয়মাৱলীৰ দৰে বাধ্যতামূলক নহয়। কিছুমান ৰূপা-নিয়মৰ প্ৰয়োগ বক্তাৰ ইচ্ছাধীন (Optional), আন কিছুমানৰ প্ৰয়োগ বাধ্যতামুলক (Obligatory)। এই বিষয়টোৰ ইংগিত ৰূপা-নিয়মৰ মাজত কেনেবাকৈ দিয়াটো প্ৰয়োজনীয় কথা। যদি কোনো এটা ৰূপা-নিয়ম কোনো এক পৰিস্থিতিত ইচ্ছামূলক আৰু আন কোনো পৰিস্থিতিত বাধ্যতামূলক তেনেহ'লে নিয়মটোৰ আৰম্ভণিতে 'ৰূপা' লিখি নিয়মটোৰ তলত প্ৰযোজ্য চৰ্ত- (ইচ্ছা) বা (বাধ্য) শব্দ উল্লেখ কৰাটোৱেই সাধাৰণ পৰম্পৰা। উদাহৰণস্বৰূপে—

ৰূপা

ক + খ + গ ⇒ ক + গ + খ

বাধ্য (তামূলক), যদিহে খ = সর্বনাম, অন্যথাই ইচ্ছা (মূলক)।

এই ৰূপান্তৰ নিয়মটো সহজ ভাষাৰে বুজাই ক'লে এনেকুৱা হ'ব ঃ যদি পূৰ্বতে উল্লেখ কৰা 'আৰ্হি' ব্যাকৰণ 'ক'ৰ প্ৰয়োগ কৰি পূৰ্বতে দিয়া 'সৌজন মানুহে যোৱাকালি এখন নতুন গাড়ী কিনিলে'— বাক্যটোৰ বিকল্পে তলৰ নিচিনা বাক্য উৎপন্ন কৰিব খোজা হয়।

যোৱাকালি সৌজন মানুহে নতুন গাড়ী আনিলে।

কেৱল মাত্ৰ ইচ্ছামূলক ৰূপা-নিয়ম 'ব্যাকৰণ ক'ত যোগ দিব লাগিব। তেতিয়াহ'লে নতুন 'ব্যাকৰণ খ' তলত দিয়া ধৰণৰ হ'ব।

ব্যাকৰণ খ

বা

1. বা. → বি. শ. + ক্রি. বিণ. + ক্রি. শ.

2. ক্রি. শ. → বি. শ. + ক্রি.

3. বি. শ. → নি. (দেৰ্শক) + (বিণ) + বি.

4. ক্রি. → ক্রিয়া (+ অতী)

5. নি. → সৌজন, এখন

6. বি. → মানুহ গাড়ী

7. ক্রি. → আন (+অতী)

8. বিণ. → নতুন

9. ক্রি. বিণ. → যোৱাকালি

10. ৰূপা → বি. শ. +ক্রি. বিণ. +ক্রি. শ. ⇒ ক্রি. বিণ. +বি. শ. +ক্রি. শ. (ইচ্ছা)

অর্থাৎ নিয়ম (১০) ত দেখুওৱা ৰূপা-নিয়ম ইচ্ছামূলক। পূর্বতে দিয়া 'ব্যাকৰণ ক'তকৈ 'ব্যাকৰণ খ' কেৱল (১০) নম্বৰ নিয়মৰ সংযোগৰ কাৰণেই বেলেগ। (১০) নম্বৰ নিয়মৰ মর্ম এয়েই যে ক্রিয়া বিশেষণ 'যোৱাকালি' পদ বাক্যৰ আৰম্ভণিত ব্যৱহাৰ কৰা বা উদ্দেশ্য (Subject) হিচাপে ব্যৱহৃত বি. শ.ৰ পিছত ব্যৱহাৰ কৰা লেখকৰ ইচ্ছাৰ কথা।

২.৯ পৰিচ্ছেদত দেখুওৱা (ক) বৃক্ষচিত্রৰ যোগেদি এই ৰূপান্তৰৰ [যথা— ওপৰৰ ১০ ৰূপা (ইচ্ছা),] ৰূপৰেখা দেখুৱাব লাগিলে তলত দিয়া ধৰণৰ হ'ব।



সৌজন মানুহে যোৱাকালি এখন নতুন গাড়ী আনিলে ⇒ যোৱাকালি সৌজন মানুহে এখন নতুন গাড়ী আনিলে।

আকৌ যদি **'ব্যাকৰণ খ'**ত পূর্বতে কোৱা মতে [ ] বৰ বন্ধনীৰ ব্যৱহাৰ কৰি ৩য় শাৰীৰ 'নি + বি' ঠাইত মানুহৰ নাম দিব পৰাৰ ইংগিত দিয়া হয় তেতিয়া হ'লে সি 'ব্যাকৰণ -ই'ব আকাৰ ল'ব।

ব্যাকৰণ -গ

1. বা. → বি. শ. + ক্রি. বিণ. + ক্রি. শ.

2. ক্রি. শ. → বি. শ. + ক্রি.

3. বি. শ. → নি. + বি.
নাম

4. ক্রি. → ক্রিয়া (+ অতী)

5. নি. → সৌজন, এখন

6. বি. → মানুহ; গাড়ী

7. নাম. → দিলীপ, গীতা

8. ক্রি. → আন (+ অতী)

9. বিণ. → নতুন

10. ক্রি. বিণ. → যোৱাকালি

11. ৰূপা → বি. শ. + ক্রি. বিণ. + ক্রি. শ. → ক্রি. বিণ. + বি. শ. + ক্রি. শ. (ইচ্ছা)

মন কৰিবলগীয়া যে 'ব্যাকৰণ-গত তৃতীয় শাৰীৰ সাধন **'ব্যাকৰণ খ'**তকৈ সামান্য বেলেগ আৰু তাৰ ফল স্বৰূপে নিয়ম (৭) সংযোজিত হৈছে। এতিয়া 'মানুহে' শব্দৰ সলনি এবাৰ 'দিলীপে' আৰু আন বাৰ 'গীতাই' শব্দ ব্যৱহাৰ কৰিব পৰা হৈছে (নিয়ম ৭)। তাকে কৰাৰ পিছত (১১) নম্বৰ নিয়ম প্ৰয়োগ কৰিলে সমুদায় ৮-টা বাক্য উৎপন্ন কৰিব পৰা যাব। যেনে—

১) দিলীপে যোৱাকালি এখন নতুন গাড়ী আনিলে

২) যোৱাকালি দিলীপে এখন নতুন গাড়ী আনিলে

৩) গীতাই যোৱাকালি এখন নতুন গাড়ী আনিলে

৪) যোৱাকালি গীতাই এখন নতুন গাড়ী আনিলে

৫) দিলীপে যোৱাকালি গীতাক আনিলে

৬) যোৱাকালি দিলীপে গীতাক আনিলে

৭) গীতাই যোৱাকালি দিলীপক আনিলে

৮) যোৱাকালি গীতাই দিলীপক আনিলে

'দিলীপ' আৰু 'গীতা' শব্দৰ সলনি মূলত থকা 'এজন মানুহ' আৰু 'এখন গাড়ী' ব্যৱহাৰ কৰিলে আন চাৰিটা বাক্য পাব পাৰি। অৰ্থাৎ 'ব্যাকৰণ-গ'ৰ ১১নং ৰূপা নিয়মৰ প্ৰয়োগ কৰি আমি আন চাৰিটা বাক্যৰ সৃজন কৰিব পাৰোঁ।

বাধ্যতামূলক ৰূপান্তৰ নিয়মাৱলীৰ প্ৰয়োগ কৰি আমি অসংখ্য ভিন্ন অৰ্থ জ্ঞাপক বাক্য সৃজন কৰিব পাৰো। ৰূপা-নিয়ম বাধ্য নিয়মৰ প্ৰয়োগ হোৱা কেইটামান সাধাৰণ ক্ষেত্ৰ হ'ল—

ইতিবাচক ⇒ নেতিবাচক ৰূপান্তৰ, ইতিবাচক ⇒ প্ৰশ্নবাচক ৰূপান্তৰ আৰু কৰ্তৃবাচক ⇒ কৰ্মবাচ্য ৰূপান্তৰ। আমি স'ততে ব্যৱহাৰ কৰা ইতিবাচক ⇒ নেতিবাচক ৰূপান্তৰৰ উদাহৰণ এটা ল'লেই এনে বাধ্যতামূলক ৰূপান্তৰ নিয়মাৱলীৰ প্ৰয়োগৰ আভাস পোৱা যাব। উদাহৰণস্বৰূপে—

ভিতৰত কোনো নাই

বাক্য তলত দিয়া বাক্যৰ পৰা

ভিতৰত কোনোবা আছে।

নেতিবাচক ৰূপান্তৰ নিয়ম অনুসৰি সাধিত। ইয়াৰ শব্দগুচ্ছ গঠন নিয়মাৱলী পূৰ্বতে 'ব্যাকৰণ- গ'ত ব্যৱহাৰ কৰা নিয়ম (১) ৰ পৰা (১০) লৈ একেই। কেৱল মাত্ৰ (১১) নম্বৰ ৰূপান্তৰ (বাধ্য) নিয়মটো বেলেগ আৰু এইটো এনে ধৰণৰ হ'ব।

11. ৰূপা → বি. + বি. + ক্ৰি. ⇒ বি. + বি. + ক্ৰি. (নেতিবাচক) (বাধ্য) অৰ্থাৎ ইয়াত নেতিবাচক ৰূপান্তৰ (বাধ্য) নিয়ম প্ৰয়োগ কৰি ইতিবাচক ক্ৰিয়াক নেতিবাচক কৰা হয় আৰু লগতে পূৰ্বস্থিত সৰ্বনাম পদৰো অনিশ্চয়বাচক ৰূপৰ সলনি কৰি নেতিবাচক ৰূপ ব্যৱহাৰ কৰা হয়। সেই অনুক্ৰমে ওপৰৰ দ্বিতীয় বাক্যত 'আছে' ক্ৰিয়া আৰু 'কোনোবা' সৰ্বনামৰ সলনি প্ৰথম বাক্যত নেতিবাচক ৰূপ ব্যৱহাৰ কৰা হৈছে। ইয়াত এই দুয়োটা স্তৰত ৰূপান্তৰ বাধ্যতামূলক। অৰ্থাৎ বাক্যৰ কোনো শব্দগুচ্ছত বাধ্যতামূলক ৰূপান্তৰ নিয়মাৱলী প্ৰয়োগ কৰাৰ ফলত সমগ্ৰ বাক্যটোৱেই নেতিবাচকলৈ ৰূপান্তৰিত হৈছে। মন কৰিবলগীয়া যে ইয়াত ক্ৰিয়া পদৰ সলনি কৰিলে পূৰ্বৰ সৰ্বনাম পদৰো সলনি কৰিব লাগে, অৰ্থাৎ এটা ৰূপান্তৰ নিয়ম আনটো ৰূপান্তৰ নিয়মৰ ওপৰত নিৰ্ভৰশীল।

ওপৰৰ বাক্য দুটাৰ ৰূপান্তৰক বৃক্ষ চিত্ৰৰ মাধ্যমত প্ৰকাশ কৰিব লাগিলে প্ৰথমে তলত দিয়া ধৰণে বৰ্ণনা কৰিব লাগে।

ৰূপা নিয়ম ১

ভিতৰত কোনোবা আছে ⇒ কোনোবা ভিতৰত আছে (ইচ্ছাধীন)

⇒ চিনৰ সোঁফালে দিয়া সাধিত বাক্যটোৱে বাক্যৰ আৰম্ভণিতে কৰ্তা থকা সাধাৰণ ৰূপৰ প্ৰতিনিধিত্ব কৰে। ইয়াৰ পৰাহে নেতিবাচক ৰূপ উলিয়াবলৈ সুবিধা। এই ৰূপা নিয়ম বাধ্যতামূলক। যেনে,—

ৰূপা নিয়ম ২



এই ৰূপা- বাধ্য নিয়ম মতে নেতিবাচক 'কোনো ভিতৰত নাই' বাক্য পোৱাৰ পাছত পুনৰ ইচ্ছাধীন ৰূপা নিয়ম ১ৰ বিপৰীত প্ৰয়োগ কৰি তলৰ নিয়ম পাব পাৰি।

ৰূপা নিয়ম ১

কোনো ভিতৰত নাই ⇒ ভিতৰত কোনো নাই (ইচ্ছাধীন)

একে ধৰণে ইতিবাচক ⇒ প্ৰশ্নবাচক আৰু কৰ্তৃবাচ্য ⇒ কৰ্মবাচ্য বা তেনে ধৰণৰ অন্যান্য ৰূপান্তৰ প্ৰতীকৰ মাধ্যমত বৰ্ণনা কৰিব পৰ যায়। দৰাচলতে ৰূপান্তৰ সৃজন ব্যাকৰণৰ আলোচনাত ঘাইকৈ কৰ্তৃবাচ্যৰ পৰা কৰ্মবাচ্য গঠনৰ উদাহৰণহে দিয়া হয়। ৰূপান্তৰ সৃজন ব্যাকৰণে এনে প্ৰতিটো ৰূপান্তৰকে সূক্ষ্মাতিসূক্ষ্মভাৱে বিশ্লেষণ কৰি সাংকেতিকভাৱে সংক্ষেপে প্ৰকাশ কৰি ভাষাবিজ্ঞানৰ আলোচনাক গাণিতিক ৰূপ প্ৰদানৰ প্ৰয়াস কৰা যেন লাগে।

ৰূপান্তৰ সৃজন ব্যাকৰণৰ পটভূমিত ইংৰাজী ভাষাৰ বাক্য-বিন্যাসৰ বিচাৰ বিশ্লেষণ ভালেখিনি হৈছে যদিও সি এতিয়ালৈ পূৰ্ণাংগ আৰু স্থিৰ ৰূপ লোৱা নাই। ভাৰতীয় ভাষাবোৰৰো ৰূপান্তৰ সৃজন ব্যাকৰণৰ পটভূমিত বহল আলোচনা তেনেকৈ ওলোৱা নাই। ভাৰতীয় ভাষাবোৰৰ স্বৰূপ প্ৰকৃততে ৰূপান্তৰ সৃজন ব্যাকৰণৰ গণ্ডীৰ ভিতৰত আলোচনা কৰিব পাৰিনে নোৱাৰি বা কৰাৰ প্ৰয়োজন আছেনে নাই সিও এটা বিবাদমান বিষয়। সেই দৃষ্টিকোণৰ পৰা অসমীয়া বাক্য গঠনৰ উদাহৰণেৰে ৰূপান্তৰ সৃজন ব্যাকৰণৰ স্বৰূপ প্ৰকাশ কৰিবলৈ কৰা প্ৰয়াস এক বলিষ্ঠ পৰীক্ষামূলক পদক্ষেপ মাথোন। মাত্ৰ সময়েহে তাৰ স্থায়ী মূল্য নিৰূপণ কৰিব।

৩.১২ সাৰাংশ (Summing Up)

ৰূপান্তৰ সৃজন ব্যাকৰণ স্বৰূপাৰ্থত এখন ব্যাকৰণ নহয়। ই হ'ল এমুঠি সীমিত সংখ্যক নিয়ম, যাৰ প্ৰয়োগ কৰি সীমাহীন অৰ্থাৎ অসংখ্য সুগঠিত আৰু গ্ৰহণযোগ্য বাক্য গঠন কৰিব পাৰি। আনভাৱে ক'বলৈ গ'লে ই ৰূপান্তৰ যোগ্য বাক্য-গঠনৰ এটা তত্ত্ব। এই তত্ত্বৰ জনক মনস্তত্ত্ববিজ্ঞানী নোৱম চমস্কি। এই তত্ত্বৰ মূল কথা কেইটা হ'ল— ভাষা মানবীয়, মানুহৰ ভাষা আহৰণৰ স্বভাৱজাত বা সহজাত ক্ষমতা আছে। মানুহৰ ভাষা আহৰণ তেওঁৰ সৃজনশীলতাৰ গুণে সাধিত হয়, ভাষা সীমিত সংখ্যক নিয়মৰ সহায়ত

সৃষ্ট অসীম বাক্যৰ সমষ্টি, ভাষাৰ জুমুঠিটো কেইটামান মাত্ৰ সাৰ-বাক্যৰ দ্বাৰা গঠিত, ভাষাৰ বহিৰ্গঠন আৰু অন্তৰ্লীন গঠন দুটা সুকীয়া কথা, মানুহৰ ভাষা-পটুতা ভাষা-কৃতিতকৈ বেলেগ। নিত্য নতুন বাক্যৰ সৃজনেই হ'ল এই তত্ত্বৰ মূল প্ৰতিপাদ্য বিষয়। এই তত্ত্বৰ বিশ্লেষণ যথেষ্ট সংহত আৰু উপস্থাপন গাণিতিক। এই তত্ত্ব বুজিবলৈ কিছুমান সাংকেতিক চিনৰ ব্যৱহাৰ বুজিব লাগিব। এই তত্ত্বত প্ৰথমে বাক্যৰ গঠন বিশ্লেষণ কৰি বৃক্ষৰেখা চিত্ৰত উপস্থাপিত কৰি তাৰ ওপৰত বাক্য ৰূপান্তৰৰ নিয়ম প্ৰয়োগ কৰি দেখুওৱা হয়। এই তত্ত্ব এতিয়া পৃথিৱীৰ সৰ্বত্ৰ চৰ্চিত হলেও আৰু উদাহৰণ দিবলৈ নিৰ্দিষ্ট কোনো কোনো ভাষাৰ চানেকি ডাঙি ধৰিলেও পৃথিৱীৰ কোনো ভাষাৰ বাক্যতত্ত্বৰ সম্পূৰ্ণ বিশ্লেষণ এই তত্ত্বৰ আধাৰত কৰা হোৱা নাই ।

৩.১৩ আৰ্হি প্ৰশ্ন (Sample Questions)

(১) ৰূপান্তৰ-সৃজন ব্যাকৰণ কি?

(২) ৰূপান্তৰ-সৃজন ব্যাকৰণৰ জনক কোন? তেওঁৰ কি কি পুথিৰ জৰিয়তে ইয়াৰ কথা কোৱা হৈছে?

(৩) চমস্কিৰ ধাৰণা মতে ভাষা আৰু মনৰ মাজত সম্পৰ্ক কেনেদৰে পৰিদৃষ্ট হয়?

(৪) কৰ্মবাচ্যৰ বাক্য কেনেদৰে গঠিত হয়?

(৫) ৰূপান্তৰ সৃজন ব্যাকৰণক 'গাণিতিক সূত্ৰ' আশ্ৰিত বুলিব পাৰি নেকি?

(৬) ৰূপান্তৰ-সৃজন ব্যাকৰণত ব্যৱহৃত সাংকেতিক চিনবোৰ কি কি?

(৭) চমুটোকা লিখাঃ—

(ক) বাহ্যিক গঠন আৰু অন্তৰ্লীন গঠন, (খ) ভাষা-পটুতা আৰু ভাষা-কৃতি, (গ) সাৰবাক্য, (ঘ) বৃক্ষ-ৰেখাচিত্ৰ

৩.১৪ প্ৰসঙ্গ গ্ৰন্থ (References / Suggested Readings)

পিটাৰ কুলিকোভাৰ	ঃ	*Syntax, 1982. New York, Academy Press.*
ফণীন্দ্ৰ নাৰায়ণ দত্তবৰুৱা	ঃ	*আধুনিক ভাষাবিজ্ঞান পৰিচয়,* পৰিবৰ্ধিত সংস্কৰণ
নাহেন্দ্ৰ পাদুন (সম্পা.)	ঃ	*ৰূপান্তৰস্ফোট ব্যাকৰণৰ চমু পৰিচয়*
নোৱম চমস্কি	ঃ	*Syntactic Structure, 1957*
Massachusetts	ঃ	*Aspect of the Theory of Syntax 1965*
বসন্ত কুমাৰ ভট্টাচাৰ্য	ঃ	*চমস্কিৰ ভাষাতত্ত্ব : ৰূপান্তৰউৎপাদক ব্যাকৰণ*
নাহেন্দ্ৰ পাদুন (সম্পা.)	ঃ	*চিন্তা-প্ৰবাহ*
জে মিলাৰ	ঃ	*Semantics and Syntax, 1985*
পাৰ্থ সাৰথি মিশ্ৰ	ঃ	*উৎপাদক ধ্বনিতত্ত্ব আৰু ৰূপান্তকৰণৰ সূত্ৰ;*
নাহেন্দ্ৰ পাদুন (সম্পা.)	ঃ	*ভাষাৰ তত্ত্বকথা,* ১৯৯৩

***

চতুর্থ বিভাগ

বাক্যৰ উপাদানগত আৰু গাঁথনিক সম্বন্ধ

বিভাগৰ গঠন ঃ

৪.১ ভূমিকা (Introduction)
৪.২ উদ্দেশ্য (Objectives)
৪.৩ বাক্যৰ উপাদান
৪.৪ শাব্দিক শ্রেণী
৪.৫ ব্যৱহাৰিক শ্রেণী
৪.৬ বাক্যৰ উপাদানগত আৰু গাঁথনিক সম্বন্ধ
৪.৭ সাৰাংশ (Summing Up)
৪.৮ আৰ্হি প্রশ্ন (Sample Questions)
৪.৯ প্রসংগ গ্রন্থ (References/Suggested Readings)

৪.১ ভূমিকা (Introduction)

পূর্বৱর্তী বিভাগটিত ৰূপান্তৰ সৃজনব্যাকৰণৰ সবিশেষ আলোচনা কৰা হৈছে। এই বিভাগটিৰ আলোচ্য বিষয় হ'ল বাক্যৰ উপাদানগত আৰু গাঁথনিক সম্পর্ক। বাক্য হ'ল একাধিক সুসংবদ্ধ পদৰ মিলন। পদৰ লগতে সুৰ লহৰো বাক্যৰ অন্যতম উপাদান। পদৰ বা শব্দৰপৰা সাধন বা গঠন কৰি উলিওৱা বিভিন্ন ৰূপক বিভিন্ন নিয়মে সংযোজিত কৰি অর্থপূর্ণ বাক্য গঠন কৰা হয়। বিভিন্ন প্রণালীৰে এটা বাক্যৰ পৰা আন এটা বাক্যলৈ পৰিবর্তনো কৰিব পাৰি। এই বিভাগটিত বাক্যৰ উপাদানসমূহৰ বিষয়ে আলোচনা কৰা হৈছে। তাৰ লগতে বাক্যৰ উপাদানগত গাঁথনিক সম্পর্কৰ এটি পর্যালোচনা দাঙি ধৰিবলৈ প্রয়াস কৰা হৈছে। ৰূপতত্ত্বৰ বহুতো কথা বাক্য বিন্যাসৰ ওপৰত নির্ভৰশীল। সেয়েহে ইয়াৰ আলোচনাত পদ প্রকৰণেও ঠাই পাইছে।

৪.২ উদ্দেশ্য (Objective)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- বাক্যৰ উপাদান সমূহ আলোচনা কৰিব পাৰিব,
- শাব্দিক আৰু ব্যৱহাৰিক শ্রেণীৰ বিষয়ে জানিব পাৰিব,
- বাক্যৰ উপাদানগত আৰু গাঁথনিক সম্পর্কৰ বিষয়ে বিচাৰ কৰিব পাৰিব,
- বাক্যৰ উপাদান নির্ণয়ৰ উপায় জানিব পাৰিব।

৪.৩ বাক্যৰ উপাদান

বাক্যৰ উপাদান সম্পৰ্কে আগতে আলোচনা কৰি অহা হৈছে। বাক্যত ব্যৱহাৰ হোৱা পদবোৰ হ'ল বাক্যৰ মৌলিক উপাদান। বাক্য গঠিত হয় পদ সমষ্টিৰ দ্বাৰা আৰু এই পদ সমষ্টিয়ে হ'ল বাক্যস্তৰৰ নিম্নতম গোট। একাধিক পদৰ সুসংগঠনত বাক্য এটাৰ সৃষ্টি হয়। পদ গঠনৰ উপৰি বাক্য গঠনত সুৰ বা সুৰ লহৰ (Intolnation) এবিধ অপৰিহার্য অঙ্গ। সুৰ লহৰৰ সহায়ত এটা নিশ্চয়বাচক বাক্য প্রশ্নসূচক বাক্যলৈ ৰূপান্তৰ কৰিব পাৰি। যেনে—

তুমি ঘৰলৈ গ'লা।

তুমি ঘৰলৈ গ'লা?

পদসমূহ গঠনত আকৌ বিভিন্ন প্রত্যয় বিভক্তি লগ লাগে। সেয়েহে প্রত্যয় বিভক্তি সমূহকো বাক্যৰ এটা উপাদান বুলি বিবেচনা কৰা হয়। সেই হিচাপে বাক্যৰ উপাদানসমূহক আমি এনেদৰে দেখুৱাব পাৰোঁ।

পদ (বিশেষ্য, সর্বনাম, বিশেষণ, ক্রিয়া, অব্যয়), প্রত্যয়-বিভক্তি আৰু সুৰ লহৰ। সুৰ লহৰক বাদ দি আমি বাক্যৰ উপাদাসমূহক দুটা ভাগত ভগাই আলোচনা কৰিব পাৰোঁ— শাব্দিক শ্রেণী আৰু ব্যৱহাৰিক শ্রেণী। পদ প্রকৰণৰ বিশেষ্য, বিশেষণ, সর্বনাম আৰু ক্রিয়াপদ শাব্দিক শ্রেণীৰ আৰু অব্যয়, প্রত্যয় বিভক্তি আদি ব্যৱহাৰিক শ্রেণীৰ ভিতৰুৱা।

৪.৪ শাব্দিক শ্রেণী ঃ

বাক্যত স্বতন্ত্র অর্থ প্রকাশক ৰূপবোৰক শাব্দিক শ্রেণী বুলি কোৱা হয়। নামপদ আৰু ক্রিয়াপদ শাব্দিক শ্রেণীৰ অন্তর্গত। বিশেষ্য, সর্বনাম, বিশেষণ নামপদৰ ভিতৰুৱা। ইয়াৰে বিশেষ্য আৰু সর্বনামক কাৰকবাচক পদ বুলিও কোৱা হয়। কাৰণ এই পদ দুবিধত কাৰক বিভক্তি পোৱা যায়।

নামপদ ঃ

নামপদে একোটা বিশেষ ভাৱ, অৱস্থা, কার্য, গুণ, বস্তু, ঠাই আৰু ব্যক্তিৰ নাম বা শ্রেণীক প্রত্যক্ষ বা পৰোক্ষভাৱে বুজায়।

বিভক্তি গ্রহণৰ ওপৰত ভিত্তি কৰি নামপদসমূহক দুটা শ্রেণীত ভাগ কৰিব পাৰি— (১) সম্বন্ধবাচক নামপদ আৰু

(২) সাধাৰণ নামপদ।

সম্বন্ধবাচক নামপদ ঃ

সাধাৰণতে কাৰকৰ বিভক্তি লগ লগাবলৈ কোনো নামপদে বাক্যত ব্যৱহাৰ হ'ব নোৱাৰে। কিন্তু সম্বন্ধবাচক নামপদবোৰত দুই ধৰণৰ বিভক্তি শেষ হয়— সম্বন্ধ বুজোৱা পুৰুষবাচক বিভক্তি আৰু কাৰকবাচক বিভক্তি। কাৰকবাচক বিভক্তিসমূহ যোগ

হোৱাৰ আগতে পুৰুষবাচক বিভক্তি যুক্ত ৰূপবোৰত প্ৰয়োজন অনুযায়ী নির্দিষ্টতাবাচক প্ৰত্যয় অথবা বিভক্তি লগ লাগে।

যেনে— ভনী - এৰ - হঁত - ক = ভনীয়েৰাহঁতক

ভাই - এক - জন - লৈ = ভায়েকজনলৈ

সাধাৰণ নামপদ ঃ

বাক্যত পদৰ লগত পদৰ সঙ্গতি আৰু অর্থৰ ভিত্তিত সাধাৰণ নামপদক প্ৰধানতঃ তিনিটা ভাগত ভাগ কৰিব পাৰি—

(১) বিশেষ্য (Noun)

(২) সর্বনাম (Pronoun)

(৩) বিশেষণ (Adjectives)

এই তিনিটাৰ ওপৰি কিছুমান ভাষাবিদে সংখ্যাবাচক শব্দকো সাধাৰণ নামপদৰ অন্তর্ভুক্ত কৰিব খোজে।

বিশেষ্য পদ ঃ

নামমাত্রেই বিশেষ্যপদ। প্ৰাণীবাচক বা অপ্ৰাণীবাচক যিকোনো প্ৰাণী, পদার্থ বা ধাৰণাৰ নামেই বিশেষ্য। ৰূপগত দিশৰ পৰা ক'বলৈ গ'লে যিবোৰ পদত কাৰক বিভক্তি, বচনবাচক, লিংগবাচক, নির্দিষ্টতা বাচক— অনির্দিষ্টতাবাচক সর্গ যোগ হয় সেইবোৰেই **বিশেষ্য পদ।** গঠন অনুযায়ী বিশেষ্যক দুভাগত ভাগ কৰিব পাৰি— মৌলিক আৰু যৌগিক। ভাঙিব নোৱাৰা শব্দবোৰ যেনে— ঘৰ, মানুহ, গৰু, তৰা, বেলি আদি মৌলিক বিশেষ্য আৰু ভাঙি বিশ্লেষণ কৰিব পৰা যেনে— ধাননি (ধান + অনি), ৰূপালী (ৰূপ + আলি) আদিবোৰ যৌগিক বিশেষ্য। অর্থৰ ভিত্তিত বিশেষ্য সমূহক কেইটামান ভাগত ভাগ কৰিব পাৰি।

যেনে—

(১) জাতিবাচক বা সাধাৰণ বিশেষ্য (Common Noun)

(২) বিশেষ সংজ্ঞাবাচক বিশেষ্য (Proper Noun)

(৩) সমূহ বা সমষ্টিবাচক বিশেষ্য Collective Noun)

(৪) বস্তুবাচক বিশেষ্য (Material Noun)

(৫) গুণবাচক বিশেষ্য (Abstract Noun)

(৬) ক্ৰিয়াবাচক বিশেষ্য (Verbal Noun)

কোনো জাতি বা শ্ৰেণীৰ সাধাৰণ সংজ্ঞা বা নাম বুজোৱা বিশেষ্যই জাতিবাচক বা সাধাৰণ বিশেষ্য। যেনে— মানুহ, গৰু, নদী, জন্তু, পর্বত, চৰাই ইত্যাদি। বিশেষ সংজ্ঞাবাচক পদবোৰে বিশেষ বস্তু, ঠাইৰ নাম, মানুহৰ নাম, নদ-নদী, পর্বত আদিৰ নাম বুজায়। যেনে— হৰি, গুৱাহাটী, ব্ৰহ্মপুত্ৰ, হিমালয় ইত্যাদি। সমূহ বা সমষ্টিৰ নাম বুজোৱা পদবোৰক সমষ্টিবাচক বিশেষ্য পদ বোলা হয়। যেনে— সমাজ, ৰাইজ, সভা,

সমিতি ইত্যাদি। মাটি, পানী, কাঠ, বাহ, চাউল, দালি, চেনী, সোণ, ৰূপ আদি সাধাৰণ বস্তুক বুজোৱা বিশেষ্যবোৰ বস্তুবাচক বিশেষ্য। এই বিশেষ্যসমূহ একপ্রকাৰ জাতিবাচক বা সাধাৰণ সংজ্ঞাবাচক বিশেষ্যই। গুণবাচক বিশেষ্য সমূহে মনৰ আবেগ, অনুভূতি, গুণ-দোষ, আদি বুজায়। যেনে— বেজাৰ, দুখ, সুখ, ল'ৰালি, দুষ্টালি, সাধুতা আদি। ক্রিয়ামূলত 'অন' প্রত্যয় লগ লগাই অসমীয়া ভাষাত এবিধ বিশেষ্য পদ সাধন কৰা হয়। এই প্রকাৰৰ বিশেষ্যবিধক ক্রিয়াবাচক বিশেষ্য বোলা হয়। যেনে— গমন, খাৱন, শোৱন, উৰণ ইত্যাদি।

সর্বনাম পদ ঃ

সর্বনামবোৰ নামপদৰেই এটা ভাগ। বিশেষ্যৰ সলনি ব্যৱহাৰ হোৱা পদবোৰেই সর্বনাম। সর্ব অর্থাৎ সকলো সর্বনামৰ সলনি ব্যৱহাৰ হয় বাবে ইয়াক সর্বনাম বোলা হয়। বিশেষ্যৰ লগত সর্বনামৰ ভালেমান দিশত সাদৃশ্য পৰিলক্ষিত হয়। কিন্তু প্রায়োগিক দিশত সর্বনামবোৰৰ কিছুমান নিজস্ব বৈশিষ্ট্য আছে। এই বৈশিষ্ট্যবোৰ তলত দিয়া ধৰণৰ—

(ক) বর্তমানৰ তিনিটা পুৰুষ হৈছে— প্রথম পুৰুষ, দ্বিতীয় পুৰুষ আৰু তৃতীয় পুৰুষ।

(খ) দ্বিতীয় আৰু তৃতীয় পুৰুষৰ সর্বনামৰ তুচ্চার্থক, মান্যার্থক আৰু অধিক মান্যার্থক ৰূপ পোৱা যায়।

(গ) কিছুমান সর্বনামৰ একবচন আৰু বহুবচনৰ ৰূপ সুকীয়া। যেনে— মই - আমি।

(ঘ) প্রায়বোৰ সর্বনামৰে দুটা ৰূপ পোৱা যায়— প্রত্যক্ষ আৰু পৰোক্ষ।

যেনে— মই — মো-
তই — তো-
তুমি — তোমা-
সি — তা- ইত্যাদি

(ঙ) সর্বনামবোৰ কর্মকাৰকত ৰূপ হ'লে শূণ্য বিভক্তি অর্থাৎ বিভক্তিহীন হ'ব নোৱাৰে।

(চ) ব্যক্তিবাচক সর্বনামত পোনপটীয়াকৈ নির্দিষ্টতাবাচক প্রত্যয় যোগ নহয়। সর্বনামবোৰৰ সম্বন্ধবাচক ৰূপৰ প্রয়োগৰ পাছতহে নির্দিষ্টতাবচাক প্রত্যয় লগ লাগে। যেনে— **মোৰ খন** কিতাপ তাৰডাল পেঞ্চিল। ইত্যাদি।

সর্বনামৰ শ্রেণীবিভাগ ঃ লীলাৱতী শইকীয়া বৰাই তেখেতৰ 'অসমীয়া ভাষাৰ ৰূপতত্ত্ব'ৰ নামৰ গ্রন্থখনত সর্বনামক সাতোটা ভাগত ভাগ কৰি দেখুৱাইছে। যেনে—

(১) ব্যক্তিবাচক সর্বনাম (Personal Pronoun)

(২) নির্দেশবোধক সর্বনাম Demonstrative Pronoun)

(৩) সাকল্যবাচক সর্বনাম (Inclusive Pronoun)

(৪) সঙ্গতিবাচক বা সম্বন্ধবাচক সর্বনাম (Relative Pronoun)

(৫) অনির্দিষ্টবাচক সর্বনাম (Indefinite Pronoun)

(৬) প্রশ্নবাচক সর্বনাম Interogative Pronoun)

(৭) আত্মবাচক সর্বনাম (Reflecxive Pronoun)

ভাষাবিদ গোলোকচন্দ্র গোস্বামীয়ে সর্বনামক প্রধানকৈ তিনিটা ভাগত ভাগ কৰি দেখুৱাইছে। যেনে—

(১) ব্যক্তিবাচক সর্বনাম

(২) সাকল্যবাচক সর্বনাম

(৩) তদর্থক সর্বনাম

ব্যক্তিবাচক সর্বনাম ঃ যিবোৰ সর্বনামে ব্যক্তি অর্থাৎ মানুহ বা প্রাণীক বুজায়, সেয়াই ব্যক্তিবাচক সর্বনাম। যেনে— মই, আমি, তুমি, তই, আপুনি, সি, তাই, তেখেত, এখেত, তেওঁ আদি।

পুৰুষ অনুযায়ী এই সর্বনামবোৰক তিনিটা ভাগত ভগাব পাৰি—

প্রথম পুৰুষ ঃ মই, আমি

দ্বিতীয় পুৰুষ ঃ তই, তুমি, আপুনি

তৃতীয় পুৰুষ ঃ সি, তাই, তেওঁ, এখেত, তেখেত ইত্যাদি।

সাকল্যবাচক সর্বনাম ঃ সকলো, সমূহ বা সমষ্টি বুজাবলৈ ব্যৱহাৰ হোৱা সর্বনামক সাফল্যবাচক সর্বনাম বোলে। যেনে— সকলো, সমূহ, আটাই, গোটেই, সব, সদৌ, উভয় ইত্যাদি।

নির্দেশবোধক সর্বনাম ঃ এই সর্বনামবোৰে ওচৰত বা দূৰত থকা কোনো প্রাণী বা বস্তুক নির্দেশ কৰে। দূৰত্ব বুজোৱা অনুসৰি ইয়াৰ ভাগ দুটা— প্রত্যক্ষ বা নিকটস্থ নির্দেশক আৰু পৰোক্ষ বা দূৰস্থ নির্দেশক। যেনে—

নিকটস্থ	**দূৰস্থ**
ই, এওঁ, এই, এখেত এইটো	সেই, তেওঁ, সেইয়া, সেই, সৌৱা
এইয়া, ইহঁতে, এওঁলোকে,	সেইটো, তেওঁলোক, তেখেত, সি,
এইবোৰ, ইত্যাদি।	তাই ইত্যাদি।

সম্বন্ধ বা সঙ্গতিবাচক সর্বনাম ঃ বাক্যত বহি আন নাম পদৰ লগত সম্বন্ধ বা সঙ্গতি বুজোৱা সর্বনামবোৰে সঙ্গতিবাচক সর্বনাম। অসমীয়া ভাষাত দুটা এনে সর্বনাম পোৱা যায়। যেনে— যি আৰু যিহ।

অনিশ্চয় বা অনির্দিষ্টতাবাচক সর্বনাম ঃ অনিশ্চিত বা অনির্দিষ্ট কোনো বস্তুৰ সলনি ব্যৱহাৰ হোৱা সর্বনামে অনির্দিষ্টবাচক সর্বনাম। যেনে— একো, কেও/কেৰ, কোনো, কোনোবা।

আত্মবাচক সর্বনাম ঃ নিজকে বুজোৱা সর্বনামবোৰেই আত্মবাচক সর্বনাম। যেনে— নিজ, স্বয়ং, আপোনা/আপুনি।

বিশেষণ পদ ঃ যি পদে আন পদৰ বিষয়ে বিশেষকৈ বুজায়, গুণ দোষ, আকাৰ আকৃতি আদি প্ৰকাশ কৰে, তেনে পদকে বিশেষণ পদ বুলি কোৱা হয়। বিশেষণ শব্দবোৰ সাধাৰণ বিশেষণ ৰূপে ব্যৱহাৰ হ'লে ইহঁতৰ লগত কোনো প্ৰত্যয় বিভক্তি যোগ নহয় অৰ্থাৎ ইহঁতৰ ৰূপৰ সলনি নহয়। যেনে— ভাল লৰা, ডাঙৰ ঘৰ, ওখ গছ ইত্যাদি। কিন্তু কেতিয়াবা বিশেষ্যৰ নিচিনাকৈ কেতবোৰ বিশেষণ পদতো বচন, লিঙ্গবাচক প্ৰত্যয়, নিৰ্দিষ্টতাবাচক প্ৰত্যয়, শব্দবিভক্তি আদি লগ লাগে। তেতিয়া এই শব্দবোৰৰ ব্যৱহাৰ নামপদৰ দৰে হয়। যেনে— ভালৰ ভাল, ভাললৈ আশা, বুধিয়কৰ কাম, বেয়াবোৰ, ডাঙৰ জনী ইত্যাদি।

বাক্যত বিশেষণৰ স্থান আৰু আনপদৰ লগত থকা সম্পৰ্কৰ দিশলৈ চাই বিশেষণক মূলতঃ চাৰিটা ভাগত ভগাব পাৰি—

(১) বিশেষ্যৰ বিশেষণ

(২) সৰ্বনামৰ বিশেষণ

(৩) বিশেষণৰ বিশেষণ বা বিশেষণীয় বিশেষ

(৪) ক্ৰিয়া বিশেষণ

(১) বিশেষ্যৰ আগত বহি গুণ-দোষ, অৱস্থা, পৰিমাণ, উপাদান, সংখ্যা আদি বুজোৱা বিশেষণবোৰে বিশেষ্যৰ বিশেষণ। যেনে—

ৰঙা ফুল, গৰম পানী, দহজন লৰা, মাটিৰ কলহ, এমাইল বাট ইত্যাদি।

(২) **সৰ্বনামৰ বিশেষণ ঃ** সৰ্বনাম পদৰ গুণ-দোষ, অৱস্থাদি, বুজোৱা পদবোৰেই সৰ্বনামৰ বিশেষণ। এই বিশেষণ পদবোৰ সাধাৰণতে সৰ্বনামৰ পাছতহে বহে। যেনে—

তেওঁ ভাল ল'ৰা। তাই দুষ্ট ছোৱালী, ইত্যাদি।

কেতিয়াবা অৱশ্যে বিশেষ পৰিৱেশত সৰ্বনামৰ আগতো বিশেষনৰ প্ৰয়োগ হয়। যেনে—

দুষ্ট ল'ৰা, মহা ধুৰন্ধৰ তহঁত, মূৰ্খ আমি ইত্যাদি।

(৩) **বিশেষণৰ বিশেষণ ঃ** বাক্যত আন বিশেষণৰ আগত বহি যিবোৰ বিশেষণে বিশেষণৰ গুণ-দোষ, অৱস্থা আদি বুজায়, সেইবোৰেই বিশেষণৰ বিশেষণ। এনে বিশেষণে বিশেষ্য বা সৰ্বনামৰ বিশেষণবোৰো গুণ দোষ অৱস্থা আদি বুজায়। যেনে—

কিচকিচিয় ক'লা, ধকধকীয়া বগা, সি বৰ বেঙা, বৰ ভাল ল'ৰা ইত্যাদি।

ক্ৰিয়া বিশেষণ ঃ ক্ৰিয়া পদৰ গুণ-দোষ; অৱস্থাদি বুজোৱা বিশেষণে ক্ৰিয়া বিশেষণ। যেনে—

বেগাই যোৱা

খৰকৈ কৰা।

সোনকালে আহিবা। ইত্যাদি।

ক্রিয়াপদ ঃ বাক্যৰ শাব্দিক শ্রেণীৰ উপাদানৰ এটা উল্লেখযোগ্য দিশ হ'ল ক্রিয়া পদ। ধাতু প্রকৃতিৰ লগত কাল, ভাৱ, আৰু পুৰুষবাচক প্রাকৃতিসমূহ লগ হৈ ক্রিয়াপদৰ গঠন হয়। ক্রিয়াপদবোৰে কোনো কাম কৰা, হোৱা বা নোহোৱা অর্থ প্রকাশে কৰে। ক্রিয়াপদৰ বিষয়ে পূর্বৱর্তী ৰূপতত্ত্ব শিতানত বিস্তৃতভাৱে আলোচনা কৰি অহা হৈছে। সেয়েহে ইয়াত বিস্তৃতভাৱে আলোচনা কৰা হোৱা নাই। শিক্ষার্থীসকলে এই বিষয়ে সেই বিভাগটিত অধ্যয়ন কৰিব পাৰিব।

৪.৫ ব্যৱহাৰিক শ্রেণী

বাক্যৰ যিবিলাক উপাদানে (পদ) অকলশৰীয়াকৈ অর্থ প্রকাশ কৰিব নোৱাৰে বা অকলশৰীয়াকৈ বাক্যত ব্যৱহাৰ হ'ব নোৱাৰে, সেইবোৰকে **ব্যৱহাৰিক শ্রেণী** বুলি কোৱা হয়। অব্যয় পদ আৰু ভাষাৰ ব্যৱহাৰ হোৱা বিভিন্ন সর্গ (বিভক্তি আৰু প্রত্যয়)বোৰক এই শ্রেণীত অন্তর্ভুক্ত কৰা হয়। অব্যয় পদ বাক্যত অকলশৰীয়াকৈ ব্যৱহাৰ হয় কিন্তু তাৰ বাক্যৰ অর্থ বুজোৱাৰ সামর্থ নাথাকে। আনহাতে বিভিন্ন সর্গবোৰে অকলশৰে বাক্যত ব্যৱহাৰ হ'ব নোৱাৰে, অন্য যুক্ত ৰূপৰ লগত সংযুক্ত হৈহে এইবোৰ বাক্যত ব্যৱহাৰ হ'ব পাৰে। এই উপাদানসমূহৰ বাক্যত ব্যৱহাৰ আছে কিন্তু নিজস্ব অর্থ নাই; এইবোৰে শাব্দিক শ্রেণীৰ অর্থকহে প্রকট কৰি তোলে।

অব্যয় পদ ঃ

কোনো পৰিবেশ বা অৱস্থাতে ৰূপৰ পৰিবর্তন নোহোৱা পদবোৰে অব্যয়। অব্যয় শব্দবোৰৰ কাৰক, পুৰুষ, বচন, লিংগ ইত্যাদি অনুযায়ী ৰূপ নহয়, অর্থাৎ ইয়াৰ লগত প্রত্যয় বিভক্তি আদি লগ নালাগে।

গঠনৰ দিশৰ পৰা অব্যয়বোৰৰ দুটা ভাগ— মৌলিক আৰু যৌগিক। যদি, আৰু, বা, অথবা, নাইবা, কিন্তু, তথাপি আদি মৌলিক অব্যয়। নতুবা, জানোচা, কিজানিবা, হ'বলা আদি যৌগিক অব্যয়। এইবোৰক অর্থবহভাৱে খণ্ডিত কৰিব পাৰি। প্রায়োগৰ দিশৰ পৰাও অব্যয়বোৰক ভাগ কৰিব পাৰি। যেনে— **স্বতন্ত্র অব্যয়,** আৰু **অনুপদ অব্যয়।**

অর্থৰ ওপৰত ভিত্তি কৰিও অব্যয়বোৰক কেইটামান শ্রেণীত ভগাব পাৰি। যেনে—

(১) সংযোজক অব্যয়
(২) বিয়োজক অব্যয়
(৩) সন্দেহবোধক অব্যয়
(৪) ভাৱবোধক অব্যয়
(৫) সম্বোধনবোধক অব্যয়
(৬) সমিধানবোধক অব্যয়
(৭) পদাম্বয়ী অব্যয়।

সংযোজক অব্যয় ঃ যিবিলাক অব্যয় দুটা শব্দ বা দুটা বাক্যৰ মাজত বহি সংযোগ স্থাপন কৰে সেইবোৰেই সংযোজক অব্যয়। যেনে—

মই আৰু তুমি একেলগে যাম।

তুমি মাতিলা বাবে মই আহিলো।

তুমি নগ'লা হেতুকে ময়ে আহিলো।

এতেকে, তেন্তে, তেনেহ'লে, বৰং, কাৰণ, বাবে, গতিকে, কিয়নো, দেখি, আদি সংযোজক অব্যয়ৰ উদাহৰণ।

বিয়োজক অব্যয় ঃ যিবিলাক অব্যয় দুটা শব্দ বা বাক্যৰ মাজত বহি শব্দ বা বাক্য দুটাক পৃথক কৰে সেয়াই বিয়োজক অব্যয়। যেনে— বা, তথাপি, কিন্তু, নাইবা, অথবা, কিম্বা, নহ'লে ইত্যাদি।

সন্দেহবোধক অব্যয় ঃ সন্দেহ, অনিশ্চিয়তা, সম্ভাৱনা আদি ভাৱ প্ৰকাশক অব্যয়বোৰ সন্দেহবোধক অব্যয়। যেনে—

জানোচা কামটো হয়।

যদি সি আহে ময়ো যাম।

লৰাজন গ'ল কিজানি।

আন কেতবোৰ উদাহৰণ— জানো, চাগৈ, হ'বলা ইত্যাদি।

ভাৱবোধক অব্যয় ঃ সুখ-দুখ, হৰ্ষ-বিষাদ, লাজ-ভয়, ঘৃণা, আশ্চৰ্য আদি ভাৱ প্ৰকাশক অব্যয়বোৰ ভাৱবোধক অব্যয়। যেনে—

ছিঃ এনে বেয়া কাম।

ইচ, দুখ পালো।

ঐদেহী বৰ মৰমলগা ল'ৰা।

আঃ তাৰ ইমান সাহস।

আনকেতবোৰ উদাহৰণ— বাঃ, হায় হায়, উঃ, আই ঐ, ঐ দেহি, হৰি হৰি, ৰাম ৰাম, ইত্যাদি।

সম্বোধনবোধক অব্যয় ঃ কাৰোবাক সম্বোধন কৰি মাতিবলৈ ব্যৱহাৰ হোৱা অব্যয়বোৰে সম্বোধনবোধক অব্যয়। যেনে—

অ' (শুনিছা), ঐ (ছোৱালী), হেৰা (বন্ধু), (পিতাই) ঔ ইত্যাদি।

সমিধানবোধক অব্যয় ঃ আন মানুহৰ প্ৰশ্ন বা কথাৰ উত্তৰ দিবলৈ ব্যৱহাৰ কৰা অব্যয় হ'ল **সমিধানবোধক অব্যয়**। যেনে—

আপুনি ঘৰত আছে নে। হয় আছো।

তুমি যাবানে? ওহো, নাযাওঁ।

আজি কামটো হ'বনে? অ, হ'ব। ইত্যাদি।

এৰা, বাৰু, ভাল, পাচে, বেচ, ঠিক ঠাক আদি সমিধানবোধক অব্যয়ৰ উদাহৰণ।

পদান্বয়ী অব্যয় ঃ বিশেষ্য, সর্বনাম আৰু ক্রিয়াপদৰ লগত ব্যৱহাৰ হোৱা অব্যয়বোৰ হ'ল **পদান্বয়ী অব্যয়।** এই অব্যয়বোৰ দুই ধৰণৰ— উপপদ আৰু অনুপদ। পদৰ আগত বহা অব্যয়বোৰ উপপদ আৰু পদৰ পাছত বহা অব্যয়বোৰ অনুপদ। অসমীয়া ভাষাত উপসর্গবোৰ আটাইবোৰ উপপদ। নমপদৰ পাছত বহা অনুপদবোৰক নামবাচক অনুপদ আৰু ক্রিয়াবাচক অনুপদবোৰৰ পাছত যোগ হোৱা অনুপদক ক্রিয়াবাচক অনুপদ বোলা হয়। কেতবোৰ উদাহৰণ—

উপপদ ঃ বিনা, উপ, মহ, অ, ৰে, অনা, সাইলাখ, প্রতি ইত্যাদি।

নামবাচক অনুপদ ঃ অর্থে, ওপৰত, কাৰণে, দৰে, দ্বাৰা, নিমিত্তে, নিচিনা, মতে, পৰা, পিছত, পিনে, প্রতি, বাবে, বাহিৰে ইত্যাদি।

ক্রিয়াবাচক অনুপদ ঃ ক্রিয়াবাচক অনুপদবোৰকে স্বার্থক প্রত্যয় বুলি কোৱা হয়। যেনে— হি (পালেহি), গৈ (পালেগৈ), চোন (আহিলাচোন), দেই (আহিবাদেই), বুলি (আহিবাবুলি), পাই (জানোপাই), দেখোন (ফালে দেখোন) ইত্যাদি।

সর্গ (প্রত্যয় আৰু বিভক্তি) ঃ

যিবোৰ ৰূপে আন মুক্তৰূপ তথা আন পদসমূহৰ লগত বহি বাক্যত ব্যৱহাৰ হোৱাৰ উপযোগী পদৰ সৃষ্টি কৰে সেয়াই সর্গ। সর্গবোৰে আন মূল ৰূপৰ লগত লগ নলগাকৈ বাক্যত অকলে ব্যৱহাৰ হ'ব নোৱাৰে। আন কথাত ক'বলৈ হ'লে মূলৰূপ বা আন পদৰ আগত বা পাছত যোগ হৈ বাক্যত ব্যৱহাৰৰ উপযোগী ভিন্ন অর্থবাচক শব্দ সৃষ্টি কৰা, পদৰ লগত পদৰ সম্পর্ক স্থাপন কৰা, ব্যাকৰণগত বিশেষ অর্থ প্রকাশ কৰা বদ্ধ ৰূপবোৰেই সর্গ।

(সর্গৰ বিষয়ে ৰূপতত্ত্ব শিতানত বহলাই আলোচনা কৰি অহা হৈছে।)

আত্মমূল্যায়ন প্রশ্ন

১। শাব্দিক শ্রেণী আৰু ব্যৱহাৰিক শ্রেণীৰ মূল পার্থক্য কি? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক।)

.....

.....

.....

২। অব্যয়বোৰে বাক্য গঠনৰ দিশত কি সহায় কৰে? (৩০ টা শব্দৰ ভিতৰত দিয়ক।)

.....

.....

.....

৩। সৰ্গবোৰৰ বাক্য গঠনত ভূমিকা কি? (৩০ টা শব্দৰ ভিতৰত দিয়ক।)

.....

.....

.....

৪.৬ বাক্যৰ উপাদানগত আৰু গাঁথনিক সম্বন্ধ ঃ

বাক্য ৰচিত হয় পদেৰে। বাক্য এটা শুদ্ধ ৰূপত পাবলৈ হ'লে পদসমূহ য'তে ত'তে বহুৱাই দিলেই নহ'ব। অৰ্থযুক্ত পদসমূহ যথাস্থানত বহিলেহে এটা সম্পূৰ্ণ অৰ্থ বা ভাৱ প্ৰকাশক বাক্য গঠন হয়। বাক্যত ব্যৱহৃত পদবোৰৰ পাৰস্পৰিক সংগতি থাকিব লাগে আৰু সুনিৰ্দিষ্ট ক্ৰম সন্নিৱিষ্ট হ'ব লাগে। সেই অনুসৰি পদবোৰৰ ৰূপ হয়।

বাক্যত ক্ৰিয়াপদৰ অত্যন্ত আৱশ্যক। ক্ৰিয়াপদৰ কৰ্তা থাকে। কৰ্তা আৰু ক্ৰিয়াপদৰ সমন্বয়ত বাক্য এটা সাৰ্থক হয়। কৰ্তা, কৰ্ম, কৰণ, কম্পদান, অপাদান, নিমিত্ত অধিকৰণ আদি কাৰকবাচক পদসমূহৰ ক্ৰিয়া পদৰ লগত সম্পৰ্ক ৰক্ষিত হয়। সেইবাবে এই কাৰকবাচক পদসমূহক বাক্যত সুনিৰ্দিষ্ট স্থান দিয়া হয়। বাক্য গঠনত পদবোৰৰ ইটোৰ লগত সিটোৰ সম্পৰ্ক স্থাপন কৰিবলৈ পদবোৰৰ লগত প্ৰত্যয় বিভক্তি যোগ হয়। উদাহৰণ স্ৱৰূপে দুটা বাক্য লোৱা হওক—

গৰুৱে ঘাঁহ খায়।

গৰুবোৰে পথাৰত চৰি আছে।

এই বাক্য দুটাত গৰুৱে আৰ গৰুবোৰে কৰ্তা, খায়, আছে ক্ৰিয়া; ঘাহ কৰ্ম, পথাৰ অধিকৰণ কাৰক আদি ধৰণে প্ৰয়োগ হৈছে। কৰ্তাৰ লগত ক্ৰিয়াৰ সম্পৰ্ক ৰক্ষিত হোৱাৰ নিচিনাকৈ কৰ্ম আৰু অধিকৰণ কাৰকৰ পদৰো ক্ৰিয়াৰ লগত সম্পৰ্ক ৰক্ষিত হৈছে। আনহাতে শব্দবোৰৰ ব্যাকৰণমূলক পৰিবৰ্তন বাক্য বিন্যাসৰ তাগিদামতে হয়। এই পৰিবৰ্তন হয় বিভক্তি আৰু প্ৰত্যয়ৰ সংযোগৰ বাবে।

সেই অনুসৰি ঃ- গৰু-গৰুৱে; গৰু-গৰুবোৰ, পথাৰ-পথাৰত, খা-য়, আছ্-আছে হৈছে।

অব্যয় পদসমূহে বাক্যত পদসমূহৰ লগত সম্পৰ্ক স্থাপন নকৰে। দুটা বাক্য সংযোগ কৰিবলৈ আৰু আন বিভিন্ন ভাৱ প্ৰকাশ কৰিবলৈ অব্যয় পদসমূহ বাক্যত সংযোগ কৰা হয়। যেনে—

সংযোগ ঃ মই আৰু তুমি ঘৰলৈ যাম।

যদু নাইবা ৰাম আহিব।

ভাব প্ৰকাশ ঃ ছিঃ ছিঃ বৰ লেতেৰা।

দেহি ঐ, মৰমলগা ল'ৰা।

আগতে আমি পাই আহিছো যে যোগ্যতা, আকাংক্ষা আৰু আসক্তিযুক্ত পদৰ সমষ্টিয়ে বাক্য। বাক্য গঠনত আকাংক্ষা শব্দই বাক্যৰ অসম্পূৰ্ণতা গুচাই পূৰ্ণতা লাভ কৰাৰ ইচ্ছা বুজায়। বাক্যৰ এই অসম্পূৰ্ণতা সুৰ লহৰে পূৰ কৰিব পাৰে। কথাখিনি আমি এইদৰে চাব পাৰো—

কামটো কোনে কৰিলে? এই প্ৰশ্নৰ উত্তৰ হিচাপে আমি পাব পাৰো— 'মই'। ইয়াত 'মই' শব্দটোৰ এটা পূৰ্ণাংগ বাক্যৰ গঠন হৈছে। ইয়াৰ অৰ্থ কামটো মই কৰিলো। এটা শব্দৰ বাক্যটো শুনাৰ পিছত শ্ৰোতাৰ আৰু আন কথা শুনিবলৈ আকাংক্ষা নাথাকে। কিন্তু যদি সুৰ লহৰে আকাংক্ষা দূৰ কৰিব নোৱাৰে তেতিয়া শ্ৰোতাই ভাবিব বাক্যটো শেষ হোৱা নাই। বক্তাৰ আৰু কিবা ক'ব লগা আছে। অৰ্থাৎ শ্ৰোতাৰ আকাংক্ষা পূৰ হোৱা নাই। গতিকে বুজা গ'ল সুৰ লহৰেহে বাক্য পূৰ্ণ হোৱাত মুখ্য ভূমিকা গ্ৰহণ কৰিব পাৰে।

আগতে পাই আহিছো যে বাক্যৰ প্ৰধান দুটা অংশ উদ্দেশ্য আৰু বিধেয়। কৰ্তা আৰু কৰ্তাৰ অনুগামী পদবোৰৰ সৈতে কৰ্তাক উদ্দেশ্য বোলে। আনহাতে ক্ৰিয়াপদ আৰু ক্ৰিয়াপদৰ অনুগামী সকলো পদকে বিধেয় বোলা হয়। এই বাক্যৰ উদাহৰণ দি কথাখিনি এনেদৰে দেখুৱাওক পাৰি—

বুঢ়া মানুহজনে পইতা ভাতখিনি লাহে লাহে খালে।
উদ্দেশ্য বিধেয়

উদ্দেশ্য কেতিয়াবা এটা পদ হব পাৰে অথবা ইয়াৰ গুণ, সংখ্যা আদি বুজোৱা পদৰ সমাহাৰত গঠিত এটা শব্দ গুচ্ছও হ'ব পাৰে। বিধেয়ৰ ঘৰত মুখ্যতঃ ক্ৰিয়া আৰু কৰ্তাই যাৰ ওপৰত ক্ৰিয়াৰ কাৰ্য সাধন কৰে অৰ্থাৎ 'কৰ্ম' থাকিব পাৰে। কৰ্ম কেতিয়াবা অকলে থাকিব পাৰে আৰু কেতিয়াবা ইয়াৰ গুণ, সংখ্যা আদি বুজোৱা একাধিক পদৰ পদগুচ্ছও হ'ব পাৰে। তেনেকৈ ক্ৰিয়াও অকলে থাকিব পাৰে অথবা ক্ৰিয়াৰ কাৰ্য সম্পাদনৰ ধৰণ বুজোৱা অথবা অৱস্থা সুচোৱা অন্য পদ (ক্ৰিয়া বিশেষণ) থাকিব পাৰে। মন কৰিবলগীয়া যে বাক্যৰ প্ৰত্যেকটো উপাদান যদি একাধিক পদেৰে গঠন কৰিবলগীয়া হয় তেতিয়াহ'লে পদসমূহ এটা নিৰ্ধাৰিত ক্ৰমত যুক্ত হয়। বিশেষণ পদ বিশেষ্য পদৰ আগত বহে, নিৰ্দেশক সৰ্বনাম তাৰো আগত বহে, ক্ৰিয়া বিশেষণ মূল ক্ৰিয়াৰ আগত বহে। যেনে—

উদ্দেশ্য	**বিধেয়**
সেই বুঢ়া মানুহজনে	সেইখিনি পইতা ভাত লাহে লাহে চোবাই খালে
(নিৰ্দে) (বিণ.) (কৰ্তা বিশেষ্য)	(নিৰ্দে.) (বিণ.) (কৰ্ম) (ক্ৰি. বিণ.) (অস.ক্ৰি.) (ক্ৰিয়া)

চমস্কি সমৰ্থিত ৰীতি অনুযায়ীও বাক্যত দুটা খণ্ডত খণ্ডিত কৰিব পাৰি। তেওঁ উদ্দেশ্যক বিশেষ্যগুচ্ছ (Noun phase) আৰু বিধেয়ক ক্ৰিয়া গুচ্ছ (Verb phase) বুলি দেখুৱাইছে। ই ৰীতি অনুসৰি বাক্যৰ গঠন আমি বৃক্ষচিত্ৰৰ সহায়ত এনেদৰে দেখুৱাব পাৰোঁ।



ওপৰত দিয়া বাক্যটো এই ৰীতি অনুসৰি আমি এনেদৰে দেখুৱাব পাৰো—



ওপৰৰ আলোচনাৰ পৰা এইটো স্পষ্ট হ'ল যে বাক্যৰ উপাদান সমূহ নির্দিষ্ট ক্রমত সংবদ্ধ হৈ বাক্যৰ গঠন হয়। এই উপাদান বা অংগ সমূহ বাক্যৰ উপাদান হয় নে নহয় পৰীক্ষা কৰা কেতবোৰ নিয়ম থাকে। অর্থাৎ উপাদানসমূহে বাক্য গঠন কৰাৰ বাবে কেতবোৰ দিশৰ পর্যায় মানি চলে। সেইবোৰ তলত দাঙি ধৰা হ'ল—

(ক) বিকল্প উপাদান প্রয়োগ ঃ কোনো এটা বাক্য একাধিক উপাদানৰ দ্বাৰা গঠিত হয়। এটা গঠনগত উপাদানৰ সলনি অন্য এটা শব্দ বহুৱাই, বাক্যটোৰ আন অংশবোৰ যথাযথ ৰাখিলেও সি ব্যাকৰণগত ভাৱে গুচ্ছ হয়। অর্থাৎ তেতিয়া জানিব লাগিব যে বাক্যটোক গঠনগত উপাদান অর্থাৎ বিভক্তি কৰণত কোনো বিচ্যুতি ঘটা নাই। যেনে—

ৰামে ভাত খায়।

হৰিয়ে ভাত খায়।

(খ) শব্দ গুচ্ছৰ সলনি এটা শব্দ ব্যৱহাৰ কৰিব পাৰি। সেই পৰিবেশত বাক্যটো অশুদ্ধ নহয় অর্থাৎ বাক্য গঠনত গঠন ভংগ নহয়। যেনে—

বুঢ়ামানুহজন ঘৰলৈ গ'ল।

মানুহজন ঘৰলৈ গ'ল।

(গ) স্বতন্ত্রতা (Stand alone) ঃ বাক্যৰ নিকটস্থ অংগৰ মাজত আন এটা উপাদান সোমাই থাকে। যিটো উপাদানে এটা বাক্যৰ ধাৰণা দিয়ে। সাধাৰণতে এটা প্রশ্নৰ উত্তৰ ৰূপে এটা উপাদানে স্বতন্ত্রভাৱে প্রয়োগ হৈ এটা বাক্যৰ ভাৱ প্রকাশ কৰে। যেনে—

(১) ৰামে বাচেৰে স্কুললৈ গ'ল।

(২) ৰাম ক'লৈ গ'ল? উত্তৰ ঃ স্কুললৈ।

(৩) ৰামে কিহেৰে স্কুললৈ গ'ল? উত্তৰ ঃ বাচেৰে।

(৪) কোনে স্কুললৈ গ'ল? উত্তৰ ঃ ৰাম

ওপৰত (২), (৩) আৰু (৪) নং প্ৰশ্নবাচক বাক্য তিনিটাৰ উত্তৰ স্বৰূপে স্কুললৈ, বাচেৰে, ৰাম আদি শব্দই স্বতন্ত্ৰভাৱে একোটা বাক্যৰ ভাৱ বা অৰ্থ প্ৰকাশ কৰিছে। কিন্তু প্ৰথম বাক্যৰ ৰামে, স্কুললৈ বাচেৰে আদি শব্দই অকলে সেই অৰ্থ প্ৰকাশ কৰিব নোৱাৰে।

(ঘ) সংযোগ (Coordination) ঃ অব্যয়ৰ যোগেৰে দুটা উপাদান সংযোগ কৰিব পাৰি।

ৰাম আৰু হৰি ঘৰলৈ গ'ল।

মই নাইবা হৰিয়ে কামটো শেষ কৰিম।

(ঙ) স্থানান্তৰ ঃ এটা শ্ৰেণীৰ বাক্যত আন এটা শ্ৰেণীলৈ পৰিবৰ্তন কৰিব পাৰি। এনে পৰিস্থিতিতো বাক্যৰ গঠনৰ বিজুতি নঘটে। যেনে—

কৰ্তৃবাচ্য ঃ মই ভাত খালো।

কৰ্ম বাচ্য ঃ মোৰ দ্বাৰা ভাত খোৱা হ'ল।

ইতিবাচক ঃ তাই পৰীক্ষা দিলে।

নেতিবাচক ঃ তাই পৰীক্ষা নিদিলে।

ইতিবাচক ঃ তেওঁ আহি পালে।

প্ৰশ্নবাচক ঃ তেওঁ আহি পালে নে?

৪.৭ সাৰাংশ (Summing up) ঃ

বাক্যৰ উপাদানৰ মূলতঃ হ'ল পদ আৰু সুৰ লহৰ। পদসমূহ গঠন হ'বলৈ আকৌ প্ৰত্যয় বিভক্তি সংযোগ হয়। এই উপাদান সমূহক দুটা ভাগত ভাগ কৰিব পাৰি— শাব্দিক শ্ৰেণী আৰু ব্যৱহাৰিক শ্ৰেণী। কাৰকবাচক পদ, বিশেষণ আৰু ক্ৰিয়াপদ শাব্দিক শ্ৰেণীৰ উপাদান। আনহাতে অব্যয় আৰু প্ৰত্যয়, বিভক্তি ব্যৱহাৰিক শ্ৰেণীৰ উপাদান। বাক্য গাঁথনিক দিশত চুটী খণ্ডত ভাগ কৰিব পাৰি— উদ্দেশ্য আৰু বিধেয়। কৰ্তাক কেন্দ্ৰকৰি উদ্দেশ্য অংশ আৰু ক্ৰিয়াপদক কেন্দ্ৰ কৰি বিধেয় অংশ গঢ় লয়। চমস্কিৰ ধাৰণা মতে উদ্দেশ্য হ'ল নাম শব্দগুচ্ছ আৰু বিধেয়ক হ'ল ক্ৰিয়া শব্দগুচ্ছ। বাক্যত কাৰকবাচক পদসমূহৰ ক্ৰিয়া পদৰ লগত সমন্বয় ৰক্ষিয় হয়। নামশব্দ গুচ্ছ লগ লগা পদসমূহে নিৰ্দিষ্ট ক্ৰম ৰক্ষা কৰে আৰু ক্ৰিয়াশব্দ গুচ্ছ গঠন কৰা পদবোৰেও নিৰ্দিষ্ট ক্ৰমত ব্যৱহাৰ হয়। নামশব্দ গুচ্ছ আৰু ক্ৰিয়াশব্দ গুচ্ছৰ লগ হৈ বাক্য গঠন হয়। বাক্যৰ উপাদানসমূহ উপাদান হয় নে নহয় তাক প্ৰমাণ কৰাৰো নিয়ম আছে।

৪.৮ আৰ্হি প্ৰশ্ন (Sample Questions) ঃ

(১) বাক্যৰ উপাদানসমূহ কি কি? বুজাই লিখক।

(২) শাব্দিক শ্ৰেণী আৰু ব্যৱহাৰিক শ্ৰেণী মানে কি?

(৩) বাক্যৰ গঠন মানে কি?

(৪) বাক্যৰ উপাদান আৰু গাঁথনিক সম্পৰ্ক বিচাৰ কৰক।

(৫) বাক্যৰ গঠনত বাক্যৰ উপাদানসমূহে কেনেদৰে কাৰ্য্য কৰে ব্যাখ্যা কৰক।

(৬) চমুটোকা ঃ

সুৰ-লহৰ, শব্দ গুচ্ছ, উদ্দেশ্য, বিধেয়, নাম শব্দ গুচ্ছ, ক্ৰিয়া শব্দ গুচ্ছ, বাক্যৰ গঠন।

৪.৯ প্ৰসঙ্গ গ্ৰন্থ (References / Suggested Readings)

অপৰ্ণা কোঁৱৰ	ঃ	*ভাষাবিজ্ঞান উপক্ৰমণিকা*
উপেন্দ্ৰনাথ গোস্বামী	ঃ	*ভাষাবিজ্ঞান*
গোলক গোস্বামী	ঃ	*অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ*
নাহেন্দ্ৰ পাদুন (সম্পা.)	ঃ	*চিন্তা-প্ৰবাহ*
(—) (সম্পা.)	ঃ	*ভাষাৰ তত্ত্ব-কথা*
ফণীন্দ্ৰ নাৰায়ণ দত্তবৰুৱা	ঃ	*আধুনিক ভাষাবিজ্ঞান পৰিচয়*
বসন্ত কুমাৰ ভট্টাচাৰ্য	ঃ	*ভাষাবিজ্ঞান প্ৰৱেশ*
ৰমেশ পাঠক	ঃ	*ভাষাবিজ্ঞানৰ ভূমিকা*

***

চতুর্থ গোট ঃ অর্থতত্ত্ব

প্রথম বিভাগ ঃ অর্থতত্ত্ব
দ্বিতীয় বিভাগ ঃ অর্থৰ পৰিৱর্তন
তৃতীয় বিভাগ ঃ বর্ণনাত্মক দৃষ্টিভঙ্গীৰে অর্থতত্ত্বৰ বিচাৰ

প্ৰথম বিভাগ

অৰ্থতত্ত্ব

বিভাগৰ গঠন ঃ

১.১ ভূমিকা (Introduction)

১.২ উদ্দেশ্য (Objectives)

১.৩ অৰ্থতত্ত্ব কি ?

১.৪ অৰ্থৰ সাধন

১.৫ অৰ্থৰ প্ৰকাৰ

১.৬ অৰ্থতত্ত্বৰ পৰিসৰ

১.৭ অৰ্থতত্ত্ব অধ্যয়নৰ দৃষ্টিভঙ্গী

১.৮ সাৰাংশ (Summing Up)

১.৯ আৰ্হিপ্ৰশ্ন (Sample Questions)

১.১০ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

১.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগ সমূহত ৰূপতত্ত্বৰ বিষয়ে আলোচনা কৰি অহা হৈছে। এই বিভাগটিত ভাষাবিজ্ঞানৰ আন এটা গুৰুত্বপূৰ্ণ দিশ অৰ্থতত্ত্বৰ বিষয়ে পৰ্যালোচনা কৰা হ'ব।

ধ্বনি, ৰূপ, বাক্যৰ পিছতে ভাষাৰ চতুৰ্থ উপাদান হ'ল অৰ্থ। অৰ্থ প্ৰকাশৰ যোগেদিহে বক্তা এজনৰ মনৰ ভাৱ প্ৰকাশ পায়। অৰ্থৰ তাত্ত্বিক অধ্যয়নে হ'ল অৰ্থতত্ত্ব। মনৰ ভাৱ প্ৰকাশ কৰিবলৈ মানুহে ধ্বনিৰ সংযোগত শব্দ আৰু শব্দ গুচ্ছৰ সহায়ত বাক্য গঠন কৰে। সেই শব্দ শব্দগুচ্ছ বা বাক্যৰ জৰিয়তে শ্ৰোতাই এটা ধাৰণা লাভ কৰে। সেই ধাৰণাৰ নামে অৰ্থ। অৰ্থতত্ত্বত অৰ্থ বিষয়ক সকলো কথা পুংখানুপুংখভাৱে বিচাৰ কৰা হয়। অৰ্থৰ ধাৰণা, শব্দৰ সাধাৰণ অৰ্থ, অৰ্থৰ পৰিবৰ্তন, শব্দ সমূহৰ পাৰস্পৰিক সম্পৰ্ক, পৰিৱেশ সাপেক্ষে অৰ্থ ধাৰণাৰ ভিন্নতা আদি অৰ্থ-তত্ত্বৰ আলোচনাৰ বিষয়। এই বিভাগটিত এই সকলোবোৰ কথা বিচাৰ কৰাৰ প্ৰয়াস কৰা হ'ব।

১.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- অৰ্থতত্ত্ব কি তাক ফঁহিয়াই চাব পাৰিব,
- অৰ্থৰ ধাৰণা আৰু প্ৰকাৰ বিচাৰ কৰিব পাৰিব,
- অৰ্থতত্ত্বৰ পৰিসৰ বুজিব পাৰিব,

- অর্থতত্ত্ব অধ্যয়নৰ দৃষ্টিভঙ্গী দেখুৱাব পাৰিব,
- অর্থগত আৰু সম্পর্কগত উপাদান সম্পর্কে ব্যাখ্যা কৰিব পাৰিব।

১.৩ অর্থতত্ত্ব কি ?

ইংৰাজী Sementics শব্দৰ প্রতিশব্দ ৰূপে অসমীয়াত অর্থতত্ত্ব, অর্থবিজ্ঞান, শব্দার্থতত্ত্ব আদি পৰিভাষা ব্যৱহাৰ কৰা হয়। ইংৰাজীৰ 'Sementics' শব্দটো গ্রীক ভাষাৰ পৰা অহা। গ্রীক ভাষাৰ বিশেষ্য ৰূপ 'Sema'ৰ অর্থ হৈছে Sign or signal (চিত্র বা সংকেত)। ক্রিয়াৰূপ 'Semains'ৰ অর্থ হৈছে signal (সংকেত), mean (অর্থ), signify (ধাৰণা)।

অর্থতত্ত্ব বা অর্থবিজ্ঞান ভাষাবিজ্ঞানৰ এটা গুৰুত্বপূর্ণ দিশ। ভাষাৰ মৌলিক উপাদান ধ্বনি, ৰূপ, বাক্য আৰু অর্থ। প্রকৃতার্থত ভাষাৰ মুল উদ্দেশ্য হ'ল মনৰ ভাৱ প্রকাশ কৰা। বক্তাৰ মনৰ ভাৱ প্রকাশ কার্য অর্থৰ অবিহনে আমাৰ অন্যান্য উপাদানে প্রকাশ কৰিব নোৱাৰে। ভাৱৰ সূচনা কৰে কেৱল অর্থই। অর্থৰ প্রধান কাম হৈছে কোনো বস্তু বা বিষয় সম্পর্কে শব্দ বা বাক্যৰ জৰিয়তে বোধ জন্মোৱা, পৃথিৱীত প্রাপ্ত সকলো বয়-বস্তুৰ প্রতি জ্ঞান আৰু ধাৰণা উপলব্ধি কৰোৱা অংশকেই জ্ঞান আৰু ব্যক্তিৰ মনোজগতৰ ব্যাখ্যা দাঙি ধৰা। এই অর্থৰ তাত্ত্বিক অধ্যয়নে হ'ল অর্থতত্ত্ব বা অর্থবিজ্ঞান। অর্থতত্ত্বৰ ব্যাখ্যা এনেদৰেও দিব পাৰি যে বক্তব্য আৰু বিষয়ৰ লগত সম্পর্ক গঢ়ি যি ধাৰণা জন্মায় অর্থাৎ অর্থৰ বোধ জন্মায় সেয়াই অর্থতত্ত্ব। অর্থৰ বিশ্লেষণ বা অধ্যয়নকে অর্থতত্ত্ব বোলা হয়।

১.৪ অর্থৰ সাধন ঃ

আমি জানো যে ভাষাৰ প্রাথমিক উপাদান হ'ল ধ্বনি। মানুহে কথা কওঁতে কেতবোৰ ধ্বনিহে উচ্চাৰণ কৰে। ধ্বনি বা ধ্বনি সমষ্টি হৈ ৰূপ সৃষ্টি হয়। ৰূপৰ পৰা শব্দ আৰু শব্দ গুচ্ছ সাধন হয়। শব্দ আৰু শব্দগুচ্ছৰ সহায়ত বাক্য সৃষ্টি হয়। বাক্যৰ সহায়ত মনৰ ভাব প্রকাশ কৰা হয়। অৱশ্যে শব্দসমূহবোৰ ভাৱ প্রকাশৰ ক্ষমতা থাকে। মনৰ ভাৱ প্রকাশ কৰিবলৈ ব্যৱহাৰ কৰা শব্দ বা বাক্যৰ অন্তৰালত তিনিটা দিশ জড়িত হৈ থাকে। উচ্চাৰিত ধ্বনি বা শব্দ অর্থাৎ বক্তব্য (reference); যি বিষয়ে কোৱা হৈছে অর্থাৎ বিষয়বস্তু আৰু বক্তব্য আৰু বিষয়ৰ মাজত সম্পর্ক গঢ়ি তোলা ভাৱ বা ধাৰণা। এই ভাৱ বা ধাৰনাই হ'ল 'অর্থ'। বক্তব্য বিষয় আৰু ধাৰণা এই তিনিটা দিশৰ সহসম্বন্ধ এটা ত্রিভুজৰ সহায়ত এনেদৰে দেখুৱাব পাৰি—

অর্থ (ভাৱ, ধাৰণা, জ্ঞান, প্ৰতিৰূপ)

Meaning (thought, concept, sense, image)



বক্তব্য (নাম, প্ৰতীক) (বিষয় বস্তু, বার্তা)

referents (name, symbol) Refered (thing, information)

আত্মমূল্যায়ন প্ৰশ্ন

১। অর্থতত্ত্বৰ ধাৰণা কি? (৩০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

.....

.....

.....

২। বক্তব্য আৰু বিষয়ৰ লগত অর্থৰ সম্পর্ক কি? (৪০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

.....

.....

.....

১.৫ অর্থৰ প্ৰকাৰ

শব্দ বা বাক্যৰ জৰিয়তে মনৰ ভাৱ প্ৰকাশ কৰে। এই কার্য্যত কেতিয়াবা প্ৰয়োগ হোৱা শব্দবোৰে আভিধানিক অর্থ প্ৰেৰণ কৰে। কেতিয়াবা আকৌ অভিধানিক অর্থ প্ৰেৰণ নকৰি অন্য অর্থহে প্ৰেৰণ কৰে। কেতিয়াবা আকৌ বক্তা প্ৰেৰণ কৰিবলৈ প্ৰয়াস কৰা অর্থ শ্ৰোতাই গ্ৰহণ নকৰে। বিপৰীত অর্থ এটাহে গ্ৰহণ কৰে। বক্তাই প্ৰেৰণ কৰা শব্দ বা শব্দ সমষ্টি বা বাক্যত হোৱা সংযোজনৰ অর্থ শ্ৰোতাৰ গ্ৰহণশীলতাৰ ওপৰত নির্ভৰ কৰি অর্থৰ এই তাৰতম্য ঘটে। সেয়েহে শব্দ সংযোজনৰ ওপৰত নির্ভৰ কৰি অর্থৰ বিভিন্ন ধৰণৰ প্ৰকাৰভেদ হব পাৰে। যেনে—

(ক) অভিধেয় অর্থ/বাচ্যার্থ (conceptual/denotative meaning)

(খ) লক্ষ্যার্থ (Connotative meaning)

(গ) অনুভূতিক (Emotive meaning)

(ঘ) ব্যংগার্থ (Non-natural meaning)

(ঙ) উদ্দিষ্টার্থ (Thematic meaning)

(ক) অভিধেয় অর্থ ঃ

ই হ'ল স্বাভাৱিক অর্থসূচক। বাক্যত ব্যৱহাৰ হোৱা পদবোৰৰ পোণপটীয়া অর্থই অভিধেয় অর্থ। বক্তাই পদৰ লগত পদৰ পা�ৰস্পৰিক সম্পর্ক স্থাপন কৰি যি অর্থ প্রকাশ কৰে সেয়াই অভিধেয় অর্থ। অৱশ্যে এই ক্ষেত্রত শ্রোতাৰ বিষয় সম্পর্কত পূর্বজ্ঞান থকাটো জৰুৰী। সাধাৰণতে বক্তাই উচ্চাৰণ কৰা শব্দবোৰৰ জৰিয়তে শ্রোতাৰ পূর্বজ্ঞান থকা অভিধানিক অর্থ সূচনা কৰা জগতৰ সকলো বস্তুৰে চিত্র এখন শ্রোতাৰ আগত দাঙি ধৰা হয়। এয়াই অভিধেয় অর্থ। উদাহৰণস্বৰূপে— 'গছ' শব্দটো উচ্চাৰণ কৰাৰ লগে লগে শ্রোতাৰ মনত ঠাল-ঠেঙুলি যুক্ত, সেউজীয়া বৰণৰ ফল ফুল যুক্ত অৱয়ব এটাৰ ধাৰণা শ্রোতাৰ মনলৈ আহে। এয়াই অভিধেয় অর্থ।

(খ) লক্ষার্থ

বক্তাৰ বক্তব্যই কেতিয়াবা অভিধা অর্থৰ ওপৰি তাৰ লক্ষণা গুণৰ বাবে আন এটা অর্থ শ্রোতাৰ মনলৈ আনে। এই ক্ষেত্রত অভিধেয় অর্থৰ সলনি লক্ষ গুণৰ অর্থটোৱে প্রাধান্য লাভ কৰে। এয়াই লক্ষার্থ। উদাহৰণস্বৰূপে— 'সেই হাতীজনীক চোৱাচোন'। এই বাক্যটোত 'হাতী' শব্দটোৱে চাৰিঠেঙীয়া জন্তুক বুজোৱা নাই। শকত আবত এজনী ছোৱালীকহে বুজোৱা হৈছে। একেদৰে গাধবোৰক পঢ়াই লাভ নাই। বাক্যটোত 'গাধ' শব্দটোৱে জন্তুক বুজোৱা নাই; ই মূর্খৰ অর্থহে বহন কৰিছে। এই ধৰণৰ অর্থবোৰকে লক্ষার্থ বোলা হয়।

(গ) অনুভূতিক অর্থ ঃ

এই ধৰণৰ অর্থ হ'ল অনুভূতি উদ্রেককাৰী অর্থ। এই অর্থ বক্তা আৰু শ্রোতাৰ সংস্কাৰৰ ওপৰত নির্ভৰশীল। কিছুমান শব্দৰ সাধাৰণভাৱে অর্থ থাকে যদিও সামাজিক সংস্কাৰৰ বাবে তাৰ অর্থই শ্রোতাক মনোকষ্ট দিব পাৰে। তেনেক্ষেত্রত এই অর্থবাহক শব্দবোৰ বিশেষ ধৰণে ব্যৱহাৰ হয়। গালি-গালাজ, অশ্লীল শব্দ, জাতপাত বুজোৱা শব্দবোৰৰ অর্থ এনেধৰণৰ।

(ঘ) ব্যাগ্যাংর্থ ঃ

বাক্যত ব্যৱহাৰ হোৱা শব্দবোৰৰ যেতিয়া অভিধেয় আৰু লক্ষনা অর্থ পোৱা নাযায় তেতিয়া তাৰ অর্থক ব্যাংগ্যার্থ বোলা হয়। ইয়াক ব্যঞ্জনাধর্মী অর্থও বোলা হয়। ব্যাগ্যাংর্থ হ'ল অভিধেয় আৰু তাৰ লগত সম্পর্ক নথকা অর্থ। উদাহৰণ স্বৰূপে— গুৱাহাটীখন শুই পৰিল। ইয়াত গুৱাহাটী নগৰখনৰ কথা কোৱা হোৱা নাই। গুৱাহাটী শব্দটোৰ লক্ষনাগুনেও ইয়াৰ অর্থ দিব পৰা নাই। ইয়াৰ অর্থ হ'ল গুৱাহাটী নগৰখনত বাস কৰা লোকসকল শুই পৰিল। একেদৰে 'চৰাই চিৰিকটি বাহত সোমাল' বাক্যটো চৰাই বা আন জীৱজন্তু বাহত আশ্রয় লোৱাৰ কথা কোৱা হোৱা নাই। ইয়াৰ অর্থ হ'ল 'গধুলি হ'ল'। তাৰ পৰা আন অর্থও প্রকাশ পাব পাৰে। যেনে— চাকি বত্তি জ্বলাবৰ হ'ল। ছাত্র-ছাত্রীসকলে পঢ়াশুনা কৰিবৰ হ'ল। দিনৰ কামকাজ সামৰিব হ'ল। ইত্যাদি।

(ঙ) **উদ্দিষ্টার্থ** (Thematic meaning)

ই হ'ল নির্দিষ্ট ভাৱ বা অর্থ প্রকাশক। কোনো বিশেষ ভাৱ বা বিষয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰি বক্তব্য ৰাখিলে উদ্দিষ্টার্থ প্রকাশ পায়। সাধাৰণতে বক্তব্য ৰখাৰ সময়ত বাক্যত প্রয়োজন অনুসৰি সুৰ, সুৰ-লহৰ, সন্ধি, স্বাসাঘাত আদি প্রয়োগ কৰি বাক্য এটা উদ্দিষ্টার্থ প্রকাশ কৰিব পাৰি। যেনে—

ৰাম আহিব।

ৰামেই আহিব।

আত্মমূল্যায়ন প্রশ্ন

১। লক্ষণা মানে কি? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক।)

.....

.....

.....

.....

২। অভিধানিক অর্থ কি? (৩০ টা শব্দৰ ভিতৰত দিয়ক।)

.....

.....

.....

.....

১.৬ অর্থতত্ত্বৰ পৰিসৰ

অর্থতত্ত্বৰ পৰিসৰ অতি ব্যাপক। অর্থ সম্পর্কীয় সকলো চিন্তাচর্চাই অর্থতত্ত্বৰ বিষয়বস্তু। অর্থৰ ধাৰণা, শব্দৰ সাধাৰণ অর্থ, অর্থৰ পৰিবর্তন, অর্থবিস্তাৰ, অর্থসংকোচন, অর্থ-সংশ্লেষণ, অর্থোৎসাৰ, অর্থাপকর্ষ আদি অর্থ তত্ত্বৰ ভিতৰুৱা। শব্দৰ অর্থতত্ত্ব বিচাৰত বাক্যৰ ওপৰতো অধিক গুৰুত্ব আৰোপ কৰা হয়। বাক্যৰ গঠন একে হ'লেও সুৰ, বিৰাম, শ্বাসাঘাত আদিৰ বাবে বাক্যৰ অর্থৰ পৰিবর্তন হ'ব পাৰে। ভাৱ বিনিময় কৰোতে ব্যৱহৃত হোৱা ভক্তি, বাক্য, বাক্যাংশ, শব্দ আদিৰ মাজেদি মনৰ অভিপ্রায়ে কোনো ধাৰণা বা কোনো বস্তুৰ সূচনা জন্মালে সেয়ে হয় অর্থ। অর্থ প্রকাশৰ বৈশিষ্ট্যই কেতিয়াবা বক্তাৰ অভিপ্রেত অর্থ বা প্রেৰিত অর্থ শ্রোতাৰ বাবে সন্দিগ্ধার্থ বা বিপৰীতার্থ হ'ব পাৰে। সেইদৰে উক্তিৰ ধৰণ বা শব্দৰ ব্যৱহাৰৰ বাবে কওঁতাৰ অভীপ্সিত ভাৱ প্রকাশ নাপাবও পাৰে। কেতিয়াবা প্রেৰিত অর্থই বক্তাৰ মগজুত নতুন অর্থ গ্রহণ কৰাত ইন্ধন যোগাব পাৰে। অর্থ বিষয়ক এই সকলো কথা অর্থতত্ত্বই সামৰি লয়।

১.৭ অর্থতত্ত্ব অধ্যয়নৰ দৃষ্টিভংগী ঃ

অর্থতত্ত্বৰ আলোচনাত অর্থৰ কার্যৰ চাৰিটা দিশ চালি জাৰি চোৱা হয়।

(১) বাক্যৰ গঠন সঠিক ৰূপত হৈছে নে নাই তাৰ ধাৰণা বিচাৰ কৰা হয়।

(২) প্রতিটো শব্দৰে অর্থ প্রণালীবদ্ধভাৱে বিচাৰ কৰা হয়।

(৩) শব্দৰ অর্থৰ গঠন পর্যালোচনা কৰা হয়। বাক্যৰ লগত অর্থৰ সহসম্বন্ধ বিচাৰ কৰে।

(৪) ভাৱ আৰু বিষয়ৰ লগত ব্যাখ্যাৰ সঙ্গতি স্থাপন বিচাৰ কৰা।

উপৰুক্ত দিশবোৰ অর্থতত্ত্বৰ বিচার্যৰ বস্তু। অর্থতত্ত্বৰ অধ্যয়ন দুটা দৃষ্টিভঙ্গীৰে কৰা হয়।

(১) ঐতিহাসিক দৃষ্টিভংগী।

(২) বর্ণাত্মক দৃষ্টিভংগী।

ঐতিহাসিক দৃষ্টিভঙ্গী ঃ শব্দৰ অর্থৰ ঐতিহাসিক বিচাৰ বিশ্লেষণেৰে বিচাৰ কৰাটোৱে ঐতিহাসিক দৃষ্টিভঙ্গী। ভাষাত ব্যৱহৃত শব্দবোৰৰ অর্থ সদায় একে নাথাকে। সময় বাগৰাৰ লগে লগে এটা ভাষা এটা পুৰুষৰ পৰা আন এটা পুৰুষলৈ বাগৰি আহে। সময়ৰ লগে লগে সমাজৰো পৰিবর্তন হয়। সমাজৰ পৰিবর্তনৰ লগে লগে সমাজৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, পিন্ধন-উৰণ, খোৱা-বোৱা, বস্তু-বাহানি আদিৰো সলনি হয়। ফলত আমাৰ সমাজ ব্যৱস্থাৰ লগত জড়িত বহুতো শব্দৰ প্রচলন কমি লাহে লাহে মৃত্যুমুখত পৰে। আনহাতে নতুন সমাজ ব্যৱস্থাৰ লগত খাপ খোৱা নতুন শব্দৰো আগমন ঘটে। এনেদৰে সময়ৰ লগে লগে সামাজিক সাংস্কৃতিক কাৰণবশতঃ শব্দৰ অর্থৰো পৰিবর্তন ঘটে। যুগৰ পৰিবর্তনৰ লগে লগে শব্দৰ সলনি নতুন শব্দৰ আগমন ঘটে। এটা শব্দৰ আগতে কি অর্থ আছিল, বর্তমান কি হ'ল, কিয় হ'ল, কেনেদৰে হ'ল এইবোৰৰ বিচাৰ বিশ্লেষণ ঐতিহাসিক দৃষ্টিভঙ্গীৰে কৰা হয়।

বর্ণনাত্মক দৃষ্টিভঙ্গী ঃ বর্ণনাত্মক দৃষ্টিভঙ্গীৰেও অর্থতত্ত্বৰ অধ্যয়ন কৰা হয়। এই ক্ষেত্রত এটা ভাষাত ব্যৱহৃত শব্দই বিভিন্ন প্রৱেশত কেনেদৰে ভিন্ন অর্থৰ ধাৰণা দিয়ে তাৰ পর্যালোচনা কৰা হয়। ভাষা এটাত থকা শব্দবোৰৰ মাজত পাৰস্পৰিক সম্পর্ক, শব্দবোৰৰ অন্তর্নিহিত ধর্ম, শব্দবোৰে কেনেদৰে অর্থ বহন কৰে, এইবোৰ বর্ণনাত্মক দৃষ্টিভঙ্গীৰে বিচাৰ কৰা হয়। সমার্থক শব্দ, বিপৰীতার্থক শব্দ, বহু অর্থ প্রকাশক শব্দ আদিৰ যোগেদি শব্দৰ মূল অর্থ কেনেদৰে বিচাৰ কৰিব পাৰি এনেবোৰ কথাও এই দৃষ্টিভঙ্গীৰে বিচাৰ কৰা হয়। সুৰ-লহৰ, বিৰাম, আদিয়েও শব্দৰ অর্থ নিয়ন্ত্রণ কৰে; বক্তা আৰু শ্রোতাৰ ভাবৰ সহগামিতাই কেনেদৰে শব্দশুদ্ধ বা বাক্যৰ অর্থটোত সহায় কৰে তাকো অর্থতত্ত্বৰ অধ্যয়নৰত বর্ণানাত্মক দৃষ্টিভঙ্গীৰে বিচাৰ কৰা হয়। মূলতঃ বর্ণনাত্মক দৃষ্টিভঙ্গীৰে শব্দৰ অর্থ গঠন সম্পর্কে আলোচনা কৰা হয়।

শব্দৰ অর্থত প্রধানকৈ দুটা উপাদান নিহিত হৈ আছে—

(ক) অর্থগত উপাদান

(খ) সম্পর্কগত উপাদান

(ক) অর্থগত উপাদান ঃ বক্তাই শব্দ বা বাক্য উচ্চাৰণ কৰে। সেই শব্দ শ্রোতাৰ কাণত পৰাৰ পিছত শ্রোতাৰ মনত এটা ধাৰণাৰ জন্ম হয় অর্থাৎ মনত এক মানসিক প্রতিচ্ছবি ভাহি উঠে। সেয়াই অর্থ। এই ক্ষেত্রত শ্রোতাৰ বিষয় সম্পর্কে পূর্বজ্ঞান বা ধাৰণা থকাটো অত্যন্ত দৰকাৰী। বক্তাই কোৱা শব্দটো বিষয়ক শ্রোতাৰ মনত থকা পূর্বজ্ঞানৰ ধাৰণাৰ বাবে শ্রোতাৰ এক মানসিক প্রতিচ্ছবি জগাই তুলিব পাৰিছে। এই ক্ষেত্রত মন কৰিবলগীয়া যে ভাষা এটাৰ প্রতিটো শব্দৰ লগত সাংস্কৃতিক পৰম্পৰা আৰু সামাজিক আচাৰ-বিচাৰৰ কথা জড়িত হৈ থাকে। শ্রোতাজন সেই সমাজৰে অংগ বাবে এইবোৰৰ দিশত পূর্ব ধাৰণা এটা থাকে। শব্দৰ অর্থতত্ত্বৰ বিচাৰত শব্দত অন্তর্নিহিত হৈ থকা গুণ বা ধর্মৰ বিশ্লেষণৰে আৱশ্যক। বক্তাই পৰিৱেশ অনুযায়ী শব্দ প্রয়োগ কৰে। সেই পৰিৱেশ বক্তাৰ অৱস্থা, গুণ, ধর্ম, আচাৰ, সংস্কাৰ, সম্বন্ধ, আদি বিভিন্ন দিশত হব পাৰে। আৰু শ্রোতাই সেইবোৰ বুজিব পাৰে। কাৰণ সেই বিষয়ে তেওঁৰ পূর্বজ্ঞান থাকে আৰু তাৰ অন্তর্নিহিত ভাৱ বিশ্লেষণ কৰিব পাৰে। উদাহৰণ স্বৰূপে— 'বিহু' বুলি কোৱাৰ লগে লগে অসমীয়া মানুহ এজনৰ মানসিক যিটো উন্মাদনা হ'ব অন্য লোকৰ নহয়। 'ফুল' বুলি কোৱাৰ লগে লগে ফুলৰ বিভিন্ন প্রকাৰ, বিবিধ ৰং, বিভিন্ন গোন্ধ, ভিন ভিন আকৃতি আদি শ্রোতাৰ মনলৈ আহিব পাৰে। একেদৰে গৰু বুজাবলৈ আমাৰ ভাষাত দমৰা, চেউৰী, দামুৰী, বলধ, গাই, ষাড় আদি শব্দক সিহঁতৰ বয়স আৰু গুণ অনুসৰি বক্তাই প্রয়োগ কৰিব আৰু শ্রোতাই তাক হৃদয়ঙ্গম কৰিব। 'ককাইদেউ' বুলি কোৱাৰ লগে লগে এজন অসমীয়া লোকৰ মনত শব্দটোৰ অন্তর্নিহিত গুণবোৰ মনলৈ আহিব; যেনে— প্রাণীবাচক, মানুহ, পুৰুষবাচক, বক্তাতকৈ বয়সত ডাঙৰ ইত্যাদি।

এনেদৰে শব্দই বুজোৱা বিভিন্ন বস্তু বা ক্রিয়াৰ অন্তর্নিহিত গুণ বা ধর্ম অনুযায়ী বক্তা শ্রোতাই শব্দবোৰ ব্যৱহাৰ কৰে। যেনে— বগোৱা, উৰা, সাতোৰা, খোজকঢ়া এই ক্রিয়া চাৰিটাৰ প্রত্যেকটোৱে বিশিষ্ট গুণৰ অধিকাৰী। সেই গুণৰ পৰা এটা আনটোৰ পৰা পৃথক। বক্তা আৰু শ্রোতাৰ পূর্বধাৰণা থকা বাবে জ্ঞানৰ সহায়ত শব্দৰ অর্থক বোধ দিয়ে আৰু গ্রহণ কৰে। এই দিশত প্রত্যেকটো ক্রিয়া পদৰ গুণ অনুযায়ী নির্দিষ্ট বিশেষ্য পদ প্রয়োগ কৰা হয়। যেনে— পাহাৰ বগায়, চাৰই উৰে, ল'ৰাবোৰে সাতোঁৰে, মানুহজনে খোজ কাঢ়িছে। ইত্যাদি।

সম্পর্কগত উপাদান ঃ

ভাষাত ব্যৱহাৰ হোৱা শব্দবোৰৰ অর্থবোৰৰ মাজতো সম্পর্ক থাকে। এটা শব্দৰ লগত থকা আন এটা শব্দৰ সম্পর্ক অর্থাৎ সম্পর্কয়ো অর্থ নিৰূপণত প্রভাৱ পেলায়।

এটা শব্দৰ অর্থ জনাৰ লগে লগে তাৰ লগত সম্পর্ক থকা আন শব্দবোৰৰ অর্থ জনা আৱশ্যক। তাৰ ফলতে প্রথম শব্দটোৰ অর্থ প্রকট হয়। উদাহৰণস্বৰূপে নীলা বা অন্যান্য এটা ৰংৰ অর্থ জানিবলৈ অন্যান্য ৰং যেনে— ৰঙা, কমলা, সেউজীয়া, গোলপীয়া, হালধীয়া আদি ৰঙৰ অর্থ জানিব লাগিব। এই ৰং বুজোৱা শব্দবোৰৰ অন্তর্নিহিত গুণ একে হোৱা বাবে ইহতঁক এটা শ্রেণীত অন্তর্ভুক্ত কৰা হয়। এই একেজাতীয় শব্দবোৰৰ অর্থবোৰে একোটা অর্থগত ক্ষেত্রৰ (Semantic field) ৰচনা কৰে। এনেদৰে চৰাই শব্দৰ প্রকৃত অর্থ অনুধাৱন কৰিবলৈ— ডেউকা, পাখি, ঠেং, ঠোঁট, আকাশ, উৰুণ, বতাহ আদি শব্দৰ অর্থ জনাটো দৰকাৰ। এইবোৰ শব্দ একেখন অর্থগত ক্ষেত্রৰ অন্তর্গত।

ভাষাৰ বিশেষ্য আৰু ক্রিয়া পদবোৰৰ মাজতো সম্পর্ক থাকে। মানুহ বিশেষ্য পদৰ লগত খায়, হাঁহে, কান্দে, দেখে, চাই আদি ক্রিয়া পদ ব্যৱহাৰ হয়। একেদৰে ফুলৰ লগত ফুলা, চৰাইৰ লগত উৰা, মেঘৰ লগত গৰজা আদি ক্রিয়াপদৰ ব্যৱহাৰ হয়। কেতিয়াবা একেটা ক্রিয়াৰ লগত একাধিক বিশেষ্য পদৰ ব্যৱহাৰ হোৱাও দেখা যায়। যেনে— 'গৰজা' ক্রিয়াৰ লগত হাতী, বাঘ, সিংহ, সাগৰ, মেঘ আদি বিশেষ্য পদৰ সম্বন্ধ পোৱা যায়।

গতিকে দেখা যায় যে বাক্যত ব্যৱহৃত শব্দবোৰ সিহঁতৰ কেতবোৰ অন্তর্নিহিত গুণৰ বাবে পৰস্পৰৰ লগত সম্পর্কিত। এই শব্দবোৰ বুজিব বা পঢ়িব নোৱাৰিলেও তাৰ অর্থ তাৰ লগত সম্পর্ক থকা অন্যান্য শব্দৰ পৰা আহৰণ কৰিব পাৰি। অর্থতত্ত্বৰ আলোচনাত এই দিশবোৰৰ কথাও বিশ্লেষণ কৰা হয়।

আত্মমূল্যায়ণ প্রশ্ন

১। অর্থতত্ত্বৰ পর্যালোচনাত ঐতিহাসিক দৃষ্টিভঙ্গীৰ ভিত্তি কি? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক।)

.....

.....

২। অর্থগত উপাদান আৰু সম্পর্কগত উপাদানৰ পার্থক্য কি? (৫০ টা শব্দৰ ভিতৰত দিয়ক।)

.....

.....

১.৮ সাৰাংশ (Summing Up)

অর্থতত্ত্ব ভাষাবিজ্ঞানৰ এটা গুৰুত্বপূর্ণ দিশ। শব্দ বা বাক্যৰ অর্থগত দিশৰ তাত্ত্বিক বিশ্লেষণে হ'ল অর্থতত্ত্ব। অর্থৰ লগত বক্তাৰ বক্তব্য আৰু বিষয় জড়িত হৈ থাকে। অর্থক অভিধেয়, লক্ষার্থ, ব্যাংগার্থ, অনুভূতিক অর্থ, উদ্দিষ্টার্থ আদিত ভাগ কৰিব পাৰি। অর্থতত্ত্বৰ

পৰিসৰ অতি বিস্তৃত। অৰ্থৰ ধাৰণা, অৰ্থৰ পৰিবৰ্তন, অৰ্থ বিস্তাৰ, অৰ্থসংকোচন, অৰ্থাদেশ আদিৰ লগতে অৰ্থৰ প্ৰকাৰ, সুৰ, লহৰ আদিৰ বাবে বাক্যত অৰ্থৰ পৰিবৰ্তন আদিৰ কথাও আলোচনা কৰা হয়। ঐতিহাসিক আৰু বৰ্ণনামূলক — এই দুটা দৃষ্টিভঙ্গীৰে অৰ্থতত্ত্বৰ বিচাৰ কৰা হয়। ঐতিহাসিক দৃষ্টিভঙ্গীৰে অৰ্থৰ পৰিবৰ্তনৰ বিষয়ে বিশ্লেষণ কৰা হয় আনহাতে বৰ্ণনাত্মক দৃষ্টিভঙ্গীৰে শব্দবোৰৰ মাজত থকা সম্পৰ্ক, শব্দই পৰিবেশ সাপেক্ষে দিয়া ভিন্ন অৰ্থৰ ধাৰণা আদিৰ বিষয়ে পৰ্যালোচনা কৰা হয়। সমাৰ্থক শব্দ, বিপৰীতাৰ্থক শব্দ, বহু অৰ্থ প্ৰকাশক শব্দ আদিৰ বিষয়েও বৰ্ণনাত্মক দৃষ্টিভঙ্গীৰে বিচাৰ কৰা হয়।

১.৯ আৰ্হি প্ৰশ্ন (Sample Questions)

১) অৰ্থতত্ত্ব মানে কি? বুজাই লিখক।

২) অৰ্থ কি? অৰ্থৰ প্ৰকাৰভেদ সম্পৰ্কে আলোচনা কৰক।

৩) অৰ্থতত্ত্বৰ পৰিসৰ কি? অৰ্থতত্ত্বত কি কি দিশ চালিজাৰি চোৱা হয়?

৪) কি কি দৃষ্টিভঙ্গীৰে অৰ্থতত্ত্বৰ অধ্যয়ন কৰা হয়? বুজাই লিখা।

৫) অৰ্থতত্ত্বৰ ঐতিহাসিক দৃষ্টিভঙ্গী আৰু বৰ্ণনাত্মক দৃষ্টিভঙ্গীৰ বিষয়ে আলোচনা কৰক।

৬) অৰ্থৰ অৰ্থগত উপাদান আৰু বাক্যগত উপাদান কি? বিচাৰ কৰক।

১.১০ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

অপৰ্ণা কোঁৱৰ ঃ *ভাষাজ্ঞান উপক্ৰমণিকা*

গোলোক চন্দ্ৰ গোস্বামী ঃ *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ*

দীপ্তি ফুকন পাটগিৰি ঃ *ভাষাতত্ত্ব*

ফনীন্দ্ৰ নাৰায়ণ দত্তবৰুৱা ঃ *আধুনিক ভাষাবিজ্ঞান পৰিচয়*

ৰমেশ পাঠক ঃ *ভাষাবিজ্ঞানৰ ভূমিকা*

***

দ্বিতীয় বিভাগ

অর্থৰ পৰিবৰ্তন

বিভাগৰ গঠন ঃ

২.১ ভূমিকা (Introduction)

২.২ উদ্দেশ্য (Objectives)

২.৩ অর্থৰ পৰিবৰ্তন

২.৪ অর্থ পৰিবৰ্তনৰ কাৰণ

২.৫ অর্থ পৰিবৰ্তনৰ ধাৰা

২.৬ অর্থ পৰিবৰ্তনৰ মান

২.৭ সাৰাংশ (Summing Up)

২.৮ আৰ্হিপ্ৰশ্ন (Sample Questions)

২.৯ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

২.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগটিত অর্থতত্ত্বৰ সাধাৰণ দিশবোৰৰ বিষয়ে পৰ্যালোচনা কৰি অহা হৈছে। এই বিভাগটিত অর্থৰ পৰিবৰ্তনৰ বিষয়ে আলোচনা আগবঢ়োৱা হ'ব।

ঐতিহাসিক দৃষ্টিঙ্গীৰে কৰা অর্থতত্ত্ব অধ্যয়নৰ এটা গুৰুত্বপূৰ্ণ দিশ হ'ল অর্থৰ পৰিবৰ্তন। সামাজিক পৰিবৰ্তনৰ লগে লগে সমাজত প্ৰচলিত ভাষাৰো পৰিবৰ্তন হয়। ভাষা পৰিবৰ্তন এটা উল্লেখযোগ্য দিশ হ'ল অর্থ। অর্থ পৰিবৰ্তনৰ নিয়ম নিৰ্দিষ্ট কৰা অতি সূচল নহয় যদিও ভাষাবিজ্ঞানীসকলে অর্থৰ পৰিবৰ্তনৰ কাৰণ, অর্থ পৰিবৰ্তনৰ ধাৰা, অর্থ পৰিবৰ্তনৰ মান আদি নিৰ্ণয় কৰাৰ প্ৰচেষ্টা কৰিছে। এই বিভাগটিত অর্থ পৰিবৰ্তনৰ সকলো দিশৰ ওপৰত আলোকপাত কৰাৰ প্ৰয়াস কৰা হ'ব।

২.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- অর্থ পৰিবৰ্তনৰ ধাৰণা লাভ কৰিব পাৰিব,
- অর্থপৰিবৰ্তনৰ কাৰণ বিচাৰ কৰিব পাৰিব,
- অর্থ পৰিবৰ্তনৰ ধাৰা ব্যাখ্যা কৰিব পাৰিব,
- অর্থ পৰিবৰ্তনৰ মানৰ বিষয়ে জানিব পাৰিব।

২.৩ অর্থৰ পৰিবর্তন

আগৰ বিভাগতে আমি পাই আহিছো যে ভাষা এটাত ব্যৱহৃত শব্দসমূহৰ অর্থ সদায়ে একে নাথাকে। ভাষাও পৰিবর্তনশীল। একেদৰে ভাষা এটাৰ শব্দৰ অর্থও পৰিবর্তনশীল। সমাজ পৰিবর্তনৰ লগে লগে সমাজৰ ৰীতি নীতি, খাদ্য, বস্ত্র, বাসস্থান, সংস্কৃতি আদিৰ পৰিবর্তনৰ ফলত ভাষা এটাত নতুন শব্দৰ আগমন ঘটে। তাৰ লগে লগে অর্থৰো পৰিবর্তন হয়। কোনো এটা বস্তু বা ভাৱ বুজোৱা কোনো এটা শব্দ একাধিক ভাৱ বুজোৱাত ব্যৱহাৰ হৈছে; কোনোবাটো শব্দই আকৌ পুৰণি অর্থ পৰিহাৰ কৰি নতুন অর্থ গ্রহণ কৰিছে। শব্দৰ এই অর্থৰ পৰিবর্তনৰ বিষয়ে ঐতিহাসিক দৃষ্টিভঙ্গীৰে অর্থতত্ত্বত পর্যালোচনা কৰা হয়।

২.৪ অর্থৰ পৰিবর্তনৰ কাৰণ

নানান কাৰণত শব্দৰ অর্থৰ পৰিবর্তন ঘটিব পাৰে। ভাষাবিদসকলে শব্দৰ অর্থ পৰিবর্তনৰ তিনিটা দিশ দেখুৱাইছে— (১) আলংকাৰিক, (২) পৰিবেশগত আৰু (৩) মানসিক। এই দিশ কেইটাৰ ওপৰত নির্ভৰ কৰি আমি অর্থ পৰিবর্তনৰ কেটিমান কাৰণ বিচাৰি পাওঁ। তলত এই কাৰণবোৰ দাঙি ধৰা হ'ল—

(ক) অলংকাৰ প্রয়োগ ঃ

অলংকাৰ প্রয়োগৰ যোগেদি বক্তব্য বিষয়ক ৰমনীয়তা প্রদান কৰা হয়। অলংকাৰ প্রয়োগৰ ফলত অর্থৰো পৰিবর্তন ঘটে। ৰূপক, অতিশয়োক্তি, উপমা, থমক আদি অলংকাৰ প্রয়োগৰ বাবে শব্দ একোটাৰ নতুন অর্থ পোৱা যায়। অলংকাৰ প্রয়োগৰ ফলত যি পৰিবর্তিত অর্থ পোৱা যায় তাৰ লগত শব্দৰ মূল অর্থৰ ভালেমান পার্থক্য থাকে। ভাষাত অলংকাৰ প্রয়োগ মানুহৰ সহজাত প্রবৃত্তি। মানুহে দৈনন্দিন কথা-বতৰাতো অলংকাৰৰ প্রয়োগ কৰে। যেনে— তেওঁ গপতে গঙ্গাটোপ হৈ আছে, তেওঁৰ মুখখন একেবাৰে লাওপাত কচুপাত, কাহ পৰি জীন যোৱা অৱস্থা। এই বাক্যবোৰত প্রথম বাক্যত মানুহজনৰ স্বভাৱৰ কথা কোৱা হৈছে। দ্বিতীয় বাক্যত 'মুখখন চোকা' আৰু তৃতীয়বাক্যত নির্জনতাৰ কথা কোৱা হৈছে।

(খ) সামাজিক সংস্কাৰ ঃ সামাজিক সংস্কাৰৰ বাবেও অর্থৰ পৰিবর্তন ঘটে। অৱশ্যে ইয়াৰ লগত কেতবোৰ অন্ধবিশ্বাসো জড়িত হৈ থাকে।

আমাৰ সমাজৰ ডাঙৰৰ নাম ল'ব নাপায়। সেই ক্ষেত্রত তেওঁলোকে অন্য শব্দ ব্যৱহাৰ কৰে। যেনে— চেনীৰামৰ ঘৈণীয়েকে চেনীক 'বগা গুৰ', মহেশ্বৰৰ ঘৈণীয়েকে 'মহ'ক লেক বুলিহে কয়।

কিছুমান বস্তুৰ নাম ৰাতি লব নাপায়। যেনে— সাপক ৰাতি দীঘল বা আস্তিক বুলি কয়। আনকি ৰাতি কিছুমান বস্তুৰ নাম কলে দোকানীয়ে বস্তু বিক্রী নকৰে; কিন্তু অন্য শব্দেৰে কলে বিক্রী কৰে। যেনে— 'হালধিৰ' সলনি 'ৰংগুৰি', 'চূণ'ৰ সলনি 'বগা'।

কেতবোৰ বেমাৰৰ নাম আমাৰ সমাজত নলয়। তাৰ সলনি অন্য শব্দ ব্যৱহাৰ কৰা হয়। যেনে— 'বসন্ত'ৰ সলনি 'আইসকল'। ভূত বা প্ৰেত ৰাতি উচ্চাৰণ কৰা নহয় তাৰ সলনি 'দেৱতা' কোৱা হয়। এনেদৰে প্ৰচলিত শব্দবোৰৰ অৰ্থৰ পৰিবৰ্তন ঘটে। এই পৰিবৰ্তনৰ কাৰণ সামাজিক সংস্কাৰ বা বিশ্বাস।

(গ) পৰিৱেশৰ প্ৰভাৱ ঃ

পৰিৱেশৰ বাবেও অৰ্থৰ পৰিবৰ্তন ঘটে। বৈদিক সময়ত 'উষ্ট্ৰ' শব্দটোৱে ম'হক বুজাইছিল। কিন্তু প্ৰব্ৰজনৰ বাবে আৰ্যসকল মই থকা ঠাইৰ পৰা উট থকা ঠাইলৈ অহা বাবে উট'ক বুজোৱা হ'ল। আগতে 'কাপ মৈলাম' শব্দই লিখা সজুলিক বুজাইছিল এতিয়া কাপ মানে হ'ল 'পিয়লা'। Father মানে দেউতা কিন্তু ধৰ্মযাজককো Father বোলে। Siser মানে বাই-ভনী কিন্তু হস্পিটেলৰ Sister মানে নাৰ্চ। পুৰণি কালত গ্ৰন্থি বা গাথি মৰা বাবে (সাঁচিপাত) গ্ৰন্থ বোলা হৈছিল এতিয়া সকলো প্ৰকাৰৰ কিতাপকে 'গ্ৰন্থ' বোলা হয়। নামনি অসমত 'আপী' মানে ছোৱালী কিন্তু গুৱাহাটীত আপী মানে কাম কৰা ছোৱালী।

(ঘ) সুমিষ্ট ভাষণ ঃ

কিছুমান কথা পোনপটীয়াকৈ নকৈ শুনিবলৈ ভাল লগা ধৰণে কোৱাই হ'ল সুমিষ্ট ভাষণ। ইয়াৰ ফলতো অৰ্থ পৰিবৰ্তন ঘটে। স্বাভাৱিকতে সাধাৰণ ব্যৱসায়, সমাজৰ তথাকথিত নিম্নজাতি, বেয়া খবৰ আদি বুজাবলৈ সুমিষ্ট ভাষণৰ সহায় লোৱা হয়। মানুহ মৰা বুলি নকৈ দেহ ত্যাগ কৰিলে বুলি কোৱা হয়। চাকৰ চাকৰণীৰ সলনি কাম কৰা লৰা বা ছোৱালী, পাণদোকানীক 'পণ্ডিতজী' ৰান্ধনিক 'ঠাকুৰ', মেতৰৰ সলনি 'হৰিজন', মুচী, দৰ্জী, নাপিত আদিৰ সলনি 'মিস্ত্রি' শব্দৰ প্ৰয়োগ ইয়াৰ উৎকৃষ্ট উদাহৰণ।

(ঙ) নম্ৰতা প্ৰদৰ্শন ঃ

বিনম্ৰতা প্ৰদৰ্শনৰ বাবেও অৰ্থৰ পৰিবৰ্তন হ'ব পাৰে। বিনয় ভাৱেৰে বহুলোকে 'মই'ৰ সলনি 'আমি' ব্যৱহাৰ কৰে। নিজৰ ঘৰটো ভাল হ'লেও 'ভগা পজা' বুলি কয়। ভকতীয়া সমাজত ভাত খোৱাৰ কথা নকয় অন্নমুঠি গ্ৰহণ কৰাৰ কথাহে কয়। 'আপোনাৰ চৰণৰ ধুলি', 'শুকক শাস্ত্ৰজ্ঞান কি দিম', 'দাসৰো দাস' আদি নম্ৰতা প্ৰদৰ্শনৰ বাবে অসমীয়া ভাষাত ব্যৱহৃত উদাহৰণ।

(চ) অজ্ঞানতা ঃ

অজ্ঞানতাৰ বাবেও মূল শব্দৰ অৰ্থৰ পৰিবৰ্তন ঘটে। শব্দৰ মূল অৰ্থ নজনা বাবে শব্দৰ প্ৰয়োগত ভিন্নতা আহে আৰু অৰ্থৰ পৰিবৰ্তন হয়। সংস্কৃতত মুগ্ধ শব্দই মূৰ্খক বুজাইছিল কিন্তু বৰ্তমান মুগ্ধ শব্দৰ অৰ্থ হ'ল মোহিত হোৱা। সংস্কৃতত সহবাস মানে একেলগে বাস কৰা বৰ্তমান ইয়াৰ অৰ্থ স্বামী-স্ত্ৰী একেলগে থকা আৰু ৰতিকাৰ্য। 'কলগেট'

এবিধ দাত পৰিষ্কাৰ কৰাৰ বাবে ব্যৱহাৰ কৰা মলম। কিন্তু 'কলগেটে' সকলো দাত পৰিষ্কাৰ কৰা মলমক বুজায়। চাৰ্ফ মানে এবিধ কাপোৰ ধোৱা পাউডাৰ কিন্তু সকলো কাপোৰ ধোৱা পাউডাৰক বুজাবলৈ 'চাৰ্ফ' শব্দটো ব্যৱহাৰ কৰা হয়। এনেদৰে শব্দৰ প্ৰকৃত অৰ্থ নজনা বাবে আৰু প্ৰয়োগৰ অসাৱধানতাৰ বাবে শব্দৰ অৰ্থৰ পৰিবৰ্তন ঘটে।

(ছ) একাধিক শব্দৰ পৰিবৰ্তে এটা ঃ

কিছুমান শব্দ আছে যিবোৰ একাধিক শব্দেৰে গঠিত। যেনে— বাই-চাইকেল, ৰেল-গাড়ী, মটৰ-গাড়ী, স্লাইজ-ব্ৰেড আদি। বৰ্তমান সময়ত এই শব্দবোৰৰ প্ৰায়োগিক ৰূপ এনেধৰণৰ— চাইকেল, ৰেল, মটৰ, ব্ৰেড।

(জ) অনেক অৰ্থযুক্ততা ঃ

একেটা শব্দৰে একাধিক অৰ্থ থাকিব পাৰে। শব্দটোৰ নতুন অৰ্থই পুৰণি অৰ্থক আঁতৰ নকৰি তাৰ সমান্তৰালভাৱে প্ৰচলিত হৈ থাকিব পাৰে। মূল শব্দটোৱে পাঠৰ মূল, পৰিয়ালৰ প্ৰাধান্য থকা ব্যক্তিজন, শব্দমূল আদি বুজায়। একেদৰে যোগ মানে অংকৰ যোগ, দুজন লগলগা, সময়ৰ ক্ষণ, যৌগিক প্ৰক্ৰিয়া আদি অৰ্থ প্ৰকাশ কৰিব পাৰে।

(ঝ) সাদৃশ্য ঃ

সাদৃশ্যৰ বাবেও অৰ্থৰ পৰিবৰ্তন হয়। ভাষাৰ আভ্যন্তৰীণ পৰিবৰ্তনৰ সাদৃশ্য থাকে। উদাহৰণ স্বৰূপে প্ৰত্যেক ভাষাতে শব্দ গঠনত কেতবোৰ নিয়ম মানি চলা দেখা যায়। তাৰ সাদৃশ্যতে অন্য শব্দ গঠনতো সেই নিয়ম মনা হয়। যেনে— অসমীয়া ভাষাত ক্ৰিয়া গঠন ক্ষেত্ৰত খা-খালে, পাৰ-পাৰে, কৰ-কৰে আদি ৰূপ পোৱা আৰু তাৰ সাদৃশ্যতে শিশুৱে আৰম্ভণিৰ সময়ত যা-যালে ক্ৰিয়াৰূপৰ গঠন কৰে। কিন্তু অসমীয়া ভাষাত ইয়াৰ প্ৰকৃত ৰূপ যা— 'গলে'হে হয়। অসমীয়া ভাষাত ভিন ভিন উপাধিধাৰী পুৰুষ উপাধিৰ লগত -অনী প্ৰত্যয় লগ লগাই ঘৈণীয়েকজনীক বুজোৱা হয়। যেনে— কলিতা-কলিতানী, বৰুৱা-বৰুৱানী গঠন হয়। তাৰ সাদৃশ্যতে ডাক্তৰ-ডাক্তৰনী, মাষ্টৰ-মাষ্টৰনী শব্দ গঠন কৰা হয় যদিও ডাক্তৰণী বা মাষ্টৰনী প্ৰকৃততে পেছাগত অৰ্থ প্ৰকাশ কৰা নাই। এনেদৰে গঠন হোৱা শব্দবোৰৰ অৰ্থ পৰিবৰ্তন হোৱা দেখা যায়।

(ঞ) লোক-ব্যুৎপত্তি ঃ

লোক-ব্যুৎপত্তি হ'ল কোনো অপৰিচিত শব্দৰ অন্তৰ্নিহিত অৰ্থ নাজানি তাৰ কাৰ্যৰ প্ৰতি দৃষ্টি ৰাখি নতুন অৰ্থ আৰোপ কৰা। উদাহৰণ স্বৰূপে— ইংৰাজী ভাষাৰ Arm-chair শব্দটো অসমীয়া ভাষাত 'আৰামী চকী' বুলি কোৱা হয়। ইংৰাজী ভাষাৰ Arm chair মানে হ'ল 'হাত থকা চকী'। ইয়াত বহিলে আৰাম পোৱা যায় বাবে অসমীয়াত ইয়াৰ নাম 'আৰামী চকী'। একেদৰে অসমীয়াত 'Safety pin'ক চেপেটা বাবে চেপ্তি পিন কোৱা হয়। এনেদৰে লোক-ব্যুৎপত্তিৰ বাবে শব্দাৰ্থৰ পৰিবৰ্তন হয়।

আত্মমূল্যায়ন প্রশ্ন

১। কি কি দিশত অর্থৰ পৰিবর্তন হয়? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক।)

.....

.....

.....

.....

২। লোক বুৎপত্তি কি? (৩০ টা শব্দৰ ভিতৰত দিয়ক।)

.....

.....

.....

২.৫ অর্থ পৰিবর্তনৰ ধাৰা

অর্থ পৰিবর্তনৰ ধাৰা তিনিটা— (১) অর্থ বিস্তাৰ, (২) অর্থ সংকোচন আৰু (৩) অর্থাদেশ বা অর্থসংশ্লেষ।

অর্থ বিস্তাৰ ঃ

সীমিত অর্থ থকা শব্দই যদি বহল বা ব্যাপক অর্থ বুজাবলৈ লয় সেয়াই অর্থবিস্তাৰ। সময়ৰ গতিত মানুহে জ্ঞাতে বা অজ্ঞাতে কিছুমান শব্দৰ অর্থৰ পৰিবর্তন ঘটাই অর্থৰ পৰিসৰ বিস্তৃত কৰে সেয়াই **অর্থবিস্তাৰ**। উদাহৰণস্বৰূপে— তেল শব্দটো তিলৰ পৰা আহিছে। তেলৰ অর্থ আছিল তিলৰ বীজৰ ৰস। কিন্তু বর্তমান সময়ত সকলো বীজৰ ৰসকে বুজায়। অর্থবিস্তাৰৰ আন কেতবোৰ উদাহৰণ—

সংস্কৃতৰ 'বৎসৰ' শব্দৰ অর্থ 'বর্ষ', বর্ষ শব্দই বর্ষা ঋতুক বুজাইছিল। এই বৎসৰ শব্দৰ পৰা অহা বছৰ শব্দই গোটেইবোৰ ঋতুৰ সময়ক অর্থাৎ বছৰক বুজায়। 'অভ্যাস' শব্দৰ সংস্কৃতত অর্থ আছিল বাৰে বাৰে কাড় মৰা কার্য। পাছলৈ সকলো কার্যৰে অনুশীলনক অভ্যাস বোলা হ'ল। প্রবীণ শব্দৰ মূল অর্থ আছিল বীণ বজোৱাত পাকৈত। এতিয়া সকলো কামতে পাকৈত লোকক প্রবীণ শব্দৰে বুজোৱা হয়। অৱশ্যে অভিজ্ঞ আৰু বয়সস্থ অর্থও বুজোৱা হয়। বঙাল মানে বঙ্গ দেশৰ পৰা অহা বিদেশী। কিন্তু অসমীয়াত সকলো বিদেশী লোককে 'বঙাল' বোলা হয়। ইংৰাজী লোকক বুজাবলৈ অসমীয়া ভাষাত 'বগা বঙাল' শব্দটি ব্যৱহাৰ কৰা হয়। লক্ষী ধনৰ অধিষ্ঠাত্রী দেৱী। কিন্তু ভদ্র, শান্ত, আদি অর্থ বুজাবলৈ লক্ষ্মী শব্দটি ব্যৱহাৰ কৰা হয়।

অসমীয়া ভাষাত অর্থবিস্তাৰৰ কেতবোৰ উদাহৰণ— টুটকীয়া অর্থত 'নাৰদ', 'মন্থৰা', দেশদ্রোহী অর্থত 'বদন', সত্যবাদী অর্থত 'যুধিষ্ঠিৰ, টোপানি প্রিয়ৰ অর্থত 'কুম্ভকর্ণ', ঘৰ শত্রুৰ অর্থত 'বিভীষণ' সুপুত্র অর্থত 'ৰামচন্দ্র' ইত্যাদি।

অর্থ সংকোচন ঃ

অর্থ সংকোচন অর্থ বিস্তাৰৰ বিপৰীত। ব্যাপক অর্থত ব্যৱহৃত শব্দ এটা যেতিয়া অর্থৰ পৰিসৰ সীমিত হয় তেতিয়া তাক অর্থ সংকোচন বোলে। উদাহৰণ স্বৰূপে— সংস্কৃত ভাষাত 'মৃগ' মানে জন্তু কিন্তু এতিয়া মৃগ শব্দই হৰিণাক বুজায়। ভার্যা শব্দৰ অর্থ আছিল যাক ভৰণ পোষণ দিয়া হয়। বর্তমান সময়ত ভার্যা শব্দই পৰিবাৰক বুজায়। সংস্কৃত ভাষাত গংগা শব্দই সকলো প্রকাৰৰ নদীক বুজাইছিল এতিয়া গংগা শব্দ এটা বিশেষ নদীক বুজায়। বৈদিক যুগত শৰৎ শব্দটোৱে বছৰ বুজাইছিল বর্তমান এটা ঋতুকবুজায়। সংস্কৃতত 'অন্ন' শব্দৰ অর্থ খাদ্য কিন্তু আধুনিক ভাৰতীয় ভাষাত 'অন্ন' মানে ভাত। একেদৰে 'পশু' শব্দৰ পৰা ওলোৱা 'পহু' শব্দই হৰিণাক বুজায়।

ইংৰাজী বা আন আন ভাষাটো অর্থ সংকোচনৰ উদাহৰণ আছে। প্রাচীন ইংৰাজী ভাষাত Meat শব্দই খাদ্যক বুজাইছিল, কিন্তু এতিয়া Meat মানে 'মাংস'। 'Deer' শব্দৰ অর্থ আছিল জন্তু। কিন্তু বর্তমান অর্থ 'হৰিণা'। আৰবী ফার্চীত 'বিলাত' মানে চৰকাৰ, ক্ষমতা, কর্তৃত্ব, দেশ আদি বুজায় কিন্তু অসমীয়াত 'বিলাত' শব্দই ইংলণ্ডক বুজায়।

অর্থসংল্লেষ বা অর্থাদেশ ঃ

কেতিয়াবা শব্দবোৰৰ পুৰণি অর্থৰ ধাৰণা নোহোৱা হৈ পৰে আৰু নতুন অর্থৰ ধাৰণাই গা কৰি উঠে। নতুন অর্থৰ যদি পুৰণি অর্থৰ লগত সম্পর্ক নাথাকে অর্থাৎ অর্থগত দিশত এটা সম্পূর্ণ বেলেগ অর্থ প্রকাশ হয়, তেতিয়া সেই পৰিস্থিতিকে অর্থসংল্লেষ বা অর্থাদেশ বোলা হয়। অর্থৰ বিস্তাৰ বা সংকোচনৰ ফলত বহু সময়ত পুৰণি অর্থৰ লোপ হৈ শব্দটোৰ যি নতুন অর্থ মুখ্য হৈ উঠে তাৰ সৈতে শব্দটিৰ প্রথম অর্থৰ কোনো সম্পর্ক নাথাকে। এয়াই অর্থসংল্লেষ। উদাহৰণস্বৰূপে সংস্কৃতৰ ধুৰন্ধৰ শব্দই শ্রেষ্ঠ, প্রধান আদি অর্থ প্রকাশ কৰিছিল কিন্তু বর্তমান সময়ত ধুৰন্ধৰ মানে দুষ্ট, দগাবাজ, ঠগবাজ আদি। সংস্কৃত 'মহাজন' শব্দই ডাঙৰ মানুহ, মহান লোকক বুজাইছিল কিন্তু বর্তমান ইয়াৰ অর্থ দোকানী, ব্যৱসায়ী, আদি। পাষণ্ড শব্দটিৰ অর্থ আছিল 'বর্ণ সম্প্রদায়'। কিন্তু বর্তমান সময়ত ধর্মজ্ঞানহীন, অত্যাচাৰী, দগাবাজ আদিহে বুজায়।

হিন্দী ভাষাত 'গৱাৰ' শব্দই গাওঁত বাস কৰা বুজাইছিল কিন্তু এতিয়া 'গৱাৰ' মানে শিক্ষা দীক্ষা নথকা, মুর্খ, পিছপৰাক বুজায়। হাৰামজাদা মানে পাপৰ সন্তান অর্থাৎ জাৰজ কিন্তু অসমীয়াত ইয়াৰ অর্থ দুষ্ট, দগাবাজ।

২.৬ অর্থ পৰিবর্তনৰ মান ঃ

আমি শব্দৰ অর্থৰ পৰিবর্তনৰ ত্রিধাৰা সম্পর্কে আলোচনা কৰিলোঁ। এই পৰিবর্তনৰ ক্ষেত্রত এটি লক্ষ্য কৰিবলগীয়া দিশ হ'ল যে— পৰিবর্তনৰ ফলত কেতিয়াবা অর্থৰ মান মূল অর্থতকৈ উন্নত হয় আৰু কেতিয়াবা অৱনত হয়। ইয়াৰ ওপৰত নির্ভৰ কৰি শব্দৰ অর্থ পৰিবর্তনক দুটা ভাগত ভগাব পাৰি— অর্থৰ উন্নতি আৰু অর্থৰ অৱনতি।

অর্থৰ উন্নতি ঃ

অর্থৰ পৰিবর্তনৰ ক্ষেত্রত কেতিয়াবা মূল অর্থতকৈ নতুনকৈ আৰোপিত অর্থৰ মান উন্নত হয়। উদাহৰণস্বৰূপে- মন্দিৰ শব্দৰ মূল অর্থ আছিল 'ঘৰ'। এতিয়া মন্দিৰ বুলিলে 'দেৱগৃহ' বুজায়। এই ক্ষেত্রত অর্থৰ মান উন্নত হৈছে। পার্চী আৰৱীত 'হাৰামজাদা' শব্দৰ অর্থ আছিল অবৈধ সন্তান। অসমীয়াত ইয়াৰ অর্থ 'দুষ্ট'। এইক্ষেত্রত অর্থৰ উন্নতি হৈছে। আনকেতবোৰ উদাহৰণ—

বজ্জাত শব্দৰ অর্থ নীহকুলীয়া, অসমীয়াত ইয়াৰ অর্থ হ'ল 'দুষ্ট'। সাহস শব্দৰ মূল অর্থ আছিল 'পাপকাম' অসমীয়াত ইয়াৰ অর্থ 'নির্ভীকতা'। মুগ্ধ শব্দৰ প্রাথমিক অর্থ আছিল 'মূর্খামি', অসমীয়াত ইয়াৰ অর্থ 'মোহিত'। এই সকলো শব্দৰে অর্থৰ উন্নতি হৈছে।

অর্থৰ অৱনতি ঃ

কেতিয়াবা নতুন অর্থৰ অৱনতি হয়। সামাজিক পৰিবর্তন, মূল শব্দৰ অর্থৰ প্রতি সচেতনতাৰ অভাৱ আদিৰ বাবে অর্থৰ অৱনতি ঘটে। সমাজত এসময়ত সন্মানিত বুলি ভবা পদ-মর্যাদা পৰৱর্তী সময়ত অপমানৰ কাৰণ হ'ব পাৰে যাৰ ফলত তাৰ অর্থৰো পৰিবর্তন হয়। যেনে— ইংৰাজৰ দিনৰ সন্মানৰ খিতাপ ৰায়বাহাদুৰ, ৰায়চাহেব পৰৱর্তী সময়ত ঘৃণাৰ বিষয় হৈছিল। সংস্কৃতত সহবাহ মানে একেলগে থকা কিন্তু অসমীয়া সমাজত সহবাসৰ অর্থ হ'ল স্বামী স্ত্রীৰ ৰতিক্রিয়া। বর্তমানে দুই এটা গান গোৱা লোকজনক শিল্পী বোলাৰ ফলত শিল্পী শব্দটিৰ অর্থৰ অৱনতি ঘটিছে। 'অসুৰ' শব্দৰ অর্থ আছিল 'দেৱতা'। কিন্তু পিছলৈ অসুৰ শব্দই ৰাক্ষস, দৈত্য আদি অর্থ প্রকাশ কৰিবলৈ ধৰে।

আত্মমূল্যায়ন প্রশ্ন

১। কিহৰ ভিত্তি অর্থ পৰিবর্তনৰ ধাৰাসমূহ বিচাৰ কৰা হয়? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক।)

.....

.....

.....

.....

২। অর্থ পৰিবর্তনৰ মান মানে কি? (৩০ টা শব্দৰ ভিতৰত দিয়ক।)

.....

.....

.....

.....

২.৭ সাৰাংশ (Summing Up)

সামাজিক পৰিবৰ্তনৰ লগে লগে ভাষা এটাত ব্যৱহাৰ হোৱা শব্দবোৰৰ অৰ্থৰ পৰিবৰ্তন হয়। এই পৰিবৰ্তনৰ ধাৰা তিনিটা— অৰ্থবিস্তাৰ, অৰ্থসংকোচন আৰু অৰ্থসংশ্লেষ। মূলৰ অৰ্থতকৈ নতুন অৰ্থৰ পৰিসৰ বৃদ্ধি পালে তাক অৰ্থবিস্তাৰ, পৰিসৰ হ্ৰাস পালে তাক অৰ্থসংকোচন আৰু নতুন অৰ্থ যদি পুৰণি অৰ্থতকৈ বেলেগ হয় তেতিয়া তাক অৰ্থসংশ্লেষ বুলি কোৱা হয়। এই তিনিটা ধাৰাৰ ওপৰি পৰিবৰ্তিত অৰ্থৰ মানৰ ওপৰত নিৰ্ভৰ কৰি অৰ্থৰ পৰিবৰ্তনক দুটা ভাগত ভাগ কৰি বিচাৰ কৰা হয়— অৰ্থৰ উন্নতি আৰু অৰ্থৰ অৱনতি। মূল অৰ্থতকৈ নতুন অৰ্থৰ মান উন্নত হ'লে তাক অৰ্থৰ উন্নতি আৰু নতুন অৰ্থৰ মান পুৰণি অৰ্থতকৈ নিম্ন হ'লে তাক অৰ্থৰ অৱনতি বুলি কোৱা হয়।

২.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

১) অৰ্থৰ পৰিবৰ্তন মানে কি? অৰ্থ পৰিবৰ্তনৰ ধাৰা সমূহ আলোচনা কৰক।

২) অৰ্থ পৰিবৰ্তনৰ ধাৰা মানে কি? অৰ্থ পৰিবৰ্তনৰ ধাৰা তিনিটা ফঁহিয়াই দেখুওৱাক।

৩) অৰ্থ পৰিবৰ্তনৰ কাৰণসমূহ আলোচনা কৰক।

৪) অৰ্থৰ পৰিবৰ্তন কি কি দিশত হ'ব পাৰে? বুজাই লিখক।

৫) অৰ্থৰ পৰিবৰ্তনৰ মানসমূহ কি কি? ব্যাখ্যা কৰক।

৬) অৰ্থৰ অৰ্থগত উপাদান আৰু বাক্যগত উপাদান কি? বিচাৰ কৰক।

২.৯ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

অপৰ্ণা কোঁৱৰ ঃ *ভাষাজ্ঞান উপক্ৰমণিকা*

গোলোক চন্দ্ৰ গোস্বামী ঃ *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ*

দীপ্তি ফুকন পাটগিৰি ঃ *ভাষাতত্ত্ব*

ফনীন্দ্ৰ নাৰায়ণ দত্তবৰুৱা ঃ *আধুনিক ভাষাবিজ্ঞান পৰিচয়*

ৰমেশ পাঠক ঃ *ভাষাবিজ্ঞানৰ ভূমিকা*

***

তৃতীয় বিভাগ
বর্ণনাত্মক দৃষ্টিভঙ্গীৰে অর্থতত্ত্বৰ বিচাৰ

বিভাগৰ গঠন ঃ

৩.১ ভূমিকা (Introduction)

৩.২ উদ্দেশ্য (Objectives)

৩.৩ অর্থতত্ত্বৰ বর্ণনাত্মক দৃষ্টিভঙ্গী

৩.৪ সামর্থকতা

৩.৫ বিপৰীতার্থকতা

৩.৬ অভ্যন্তৰার্থকতা

৩.৭ অনেকার্থকতা

৩.৮ ভিন্নার্থকতা

৩.৯ বাক্য স্তৰত অর্থতত্ত্ব

৩.১০ সাৰাংশ (Summing Up)

৩.১১ আৰ্হিপ্ৰশ্ন (Sample Questions)

৩.১২ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

৩.১ ভূমিকা (Introduction)

আগৰ বিভাগটিত অর্থৰ পৰিবর্তনৰ বিষয়ে আলোচনা কৰি অহা হৈছে। এই বিভাগটিত বর্ণনাত্মক দৃষ্টিভঙ্গীৰে অর্থতত্ত্বৰ দিশবোৰ চালি জাৰি চোৱা হ'ব।

অর্থতত্ত্বক দুটা দৃষ্টিৰে বিচাৰ কৰা হয়। ঐতিহাসিক দৃষ্টিভঙ্গী আৰু বর্ণনাত্মক দৃষ্টিভঙ্গী। শব্দৰ সাধাৰণ অর্থ আৰু অর্থ পৰিবর্তনৰ বিভিন্ন দিশবোৰে সুকীয়া অর্থ কেনেদৰে বহন কৰে তাক বর্মনাত্মক দৃষ্টিভঙ্গীৰে বিচাৰ কৰা হয়। অর্থৰ বিভিন্ন উপাদান যিবিলাকৰ লগত অর্থ বহনৰ পাৰিবাৰিক সম্পর্ক ইয়াত বিচাৰ কৰা হয়। অকল শব্দৰ অর্থৰ ক্ষেত্ৰতে নহয় বাক্যৰ অর্থগত দিশৰ কথাও বর্ণনাত্মক দৃষ্টিভঙ্গীৰে বিচাৰ কৰা হয়। প্ৰধানতঃ সুৰ-লহৰ বা বিৰামৰ জৰিয়তে কেনেদৰে বাক্যৰ দিশত অর্থ প্ৰকট হয় তাক এই দৃষ্টিভঙ্গীৰে বিচাৰ কৰা হয়।

৩.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- বর্ণনাত্মক দৃষ্টিভঙ্গীৰে কেনেদৰে অর্থতত্ত্বৰ বিচাৰ কৰা হয় তাৰ বিষয়ে জানিব পাৰিব,
- অর্থৰ দিশত শব্দ কেনেদৰে বিভাজন কৰিব পাৰি তাক বিচাৰ কৰিব পাৰিব,

- বাক্যগত দিশত কেনেদৰে অর্থতত্ত্বৰ বিচাৰ কৰা হয় তাক পর্যালোচনা কৰিব পাৰিব।

৩.৩ অর্থতত্ত্বৰ বর্ণনাত্মক দৃষ্টিভঙ্গী

এই খণ্ডৰ প্রথম বিভাগত অর্থতত্ত্ব অধ্যয়নত বর্ণণাত্মক দৃষ্টিভঙ্গীৰ বিষয়ে আলোচনা কৰি অহা হৈছে। এই বিভাগটি বর্ণনাত্মক দৃষ্টিভঙ্গীৰে অর্থতত্ত্বৰ বিচাৰ প্রসঙ্গত আন কেতবোৰ কথা আলোচনা কৰা হ'ব।

পূর্বৱর্তী বিভাগত আমি অর্থ বিষয়ক যিখিনি কথা আলোচনা কৰিলো সেয়া ঐতিহাসিক দৃষ্টিভঙ্গীৰে কৰা পর্যালোচনা। কিন্তু শব্দ এটাৰ অর্থৰ ঐতিহাসিক বিবর্তনতকৈও পৰিৱেশভেদে একোটা শব্দেৰে কেনেদৰে সুকীয়া সুকীয়া অর্থ বহন কৰিব পাৰে সেই সম্পর্কেও আলোচনাৰ প্রসংগিকতাৰ কথা বর্ণনাত্মক ভাষাবিজ্ঞানীসকলে ক'ব খোজে। এই দৃষ্টিভঙ্গী অনুসৰি অর্থৰ উপাদান দুই ধৰণৰ অর্থগত উপাদান আৰু সম্পর্কগত উপাদান। এই বিষয়ে প্রথম বিভাগতে আলোচনা কৰি অহা হৈছে।

মানহে উচ্চাৰণ কৰা কথাৰ কিছুমান অভিপ্রেত অর্থ থাকে। এই অর্থ শ্রোতাই সদায় নির্ভুলভাৱে গ্রহণ নকৰবিও পাৰে। প্রেৰিত অর্থ আৰু গ্রহণ কৰা অর্থৰ তাৰতম্য ঘটিব পাৰে। এনে হোৱাৰ কাৰণ প্রেৰিত অর্থত থকা অস্পষ্টতা, শ্রোতাৰ জ্ঞানৰ সীমাবদ্ধতা বা ব্যাপকতা, পৰিৱেশ আদি হ'ব পাৰে। সেই অনুসৰি অর্থবোৰ প্রকাৰ ভেদ থাকে। যেনে— অভিধেয় অর্থ, লক্ষ্যার্থ, ব্যাঙ্গ্যার্থ, আনুভূতিক অর্থ, উদ্দিষ্টার্থ। এই বিষয়ত আগতে আলোচনা কৰি অহা হৈছে।

অর্থতত্ত্বৰ বিচাৰত শব্দৰ অন্তর্নিহিত কিছুমান গুণ বা কর্মৰ বিশ্লেষণ আৰু সিহঁতৰ মাজত থকা পাৰস্পৰিক সম্পর্ক বা ক্ষেত্র সম্পর্ক স্থাপনৰ ওপৰত নির্ভৰশীল। অর্থাৎ প্রকাৰ অনুসৰিও শব্দৰ ভিন্ন অর্থ প্রকাশ পায়। বর্ণনাত্মক ভাষাবিজ্ঞানত শব্দৰ অর্থৰ এই দিশটোৰ কথাও বিচাৰ কৰা হয়। বিবিধ পৰিস্থিতিত, বিবিধ প্রসঙ্গত শব্দই কি ভিন ভিন অর্থ বুজায় বা বুজাব পাৰে সেই সকলোৰে মিলি এটা অর্থৰ ক্ষেত্র ৰচনা কৰে।

শব্দই বিভিন্ন প্রসঙ্গত বুজোৱা অর্থৰ প্রকাৰভেদ অনুসৰি (ক) অসমার্থকতা, (খ) বিপৰীতার্থকতা, (গ) অভ্যন্তৰার্থকতা, (ঘ) অনেকার্থকতা, (ঙ) ভিন্নার্থকতা আদি পাওঁ। এইবোৰক অর্থ অনুযায়ী শব্দৰ শ্রেণী বিভাজন বুলিও ক'ব পাৰি। তলত এই বিভাগবোৰৰ বিষয়ে চমুকৈ আলচ দাঙি ধৰা হ'ল—

৩.৪ সমার্থকতা (Synonymy)

দুই বা ততোধিক শব্দৰ অর্থ যদি একে হয় তেনেহ'লে তেনে শব্দসমূহক সমার্থক শব্দ বোলে। শব্দৰ এই গুণক **সমার্থকতা** বোলা হয়। উদাহৰণস্বৰূপে অসমীয়া ভাষাত গৰম, উষ্ণ, তপত— এই তিনিটা সমার্থক শব্দ। তিনিওটাই একে অর্থ প্রকাশ কৰে।

কিন্তু সকলো ক্ষেত্রতে সম্পূর্ণ সমার্থকতা গুণ হৈ শব্দবোৰৰ মাজত পোৱা নাযায়। ওপৰৰ শব্দ তিনিটাৰ অর্থ একে যদিও ইহঁতৰ সম্পূর্ণ অর্থ এএখ -ঙ ? আৰু প্রয়োগতো ভিন্নিতা আছে। যেনে— 'আজি বৰ গৰম' কিন্তু 'আজি বৰ তপত' শুদ্ধ নহয়। উষ্ম শব্দটোৰ বিশেষ্য ৰূপ 'উষ্ণতা' পোৱা যায়, কিন্তু তপত বা গৰমৰ বিশেষ্য ৰূপ পোৱা নাযায়। অসমীয়া ভাষাৰ কেতবোৰ সমার্থতা থকা শব্দ এনেধৰণৰ ঃ— চেঁচা-ঠাণ্ডা, দ-গভীৰ, লোৱা-নিয়া, বিতোপন-ধুনীয়া, কন্যা-ছোৱালী, ঘৰ-গৃহ-দালান-অট্টালিকা, জুপুৰি ইত্যাদি। উল্লেখযোগ্য প্রসঙ্গক্রমে এই শব্দবোৰৰ সম্পূর্ণ সমার্তকতা কেতিয়াবা প্রকাশ পায় কিন্তু ভালেমান প্রসঙ্গতে নাপায় অর্থাৎ প্রসঙ্গভেদে একে অর্থবাচক হ'লেও বেলেগ বেলেগ শব্দহে প্রয়োগ হয়। যেনে— তেওঁৰ ছোৱালী, তেওঁৰ কন্যা— একে অর্থ প্রকাশ পাইছে। একেদৰে ছোৱালী মহাবিদ্যালয়, কন্যা মহাবিদ্যালয়— একে। আনহাতে দ পুখুৰী, গভীৰ সাগৰ, ধুনীয়া বাগিছা কিন্তু ধুনীয়া ছোৱালী কিন্তু বিতোপন বাগিছা নহয়।

৩.৫ বিপৰীতার্তকতা ঃ

অর্থতত্ত্ব বিচাৰৰ আন এটা দিশ হ'ল বিপৰার্থ বিচাৰ। কোনো এটা শব্দৰ সম্পূর্ণ বিপৰীত নহ'লেও আংশিক বিপৰীত অর্থযুক্ত শব্দ থাকে। যেনে— গৰমৰ বিপৰীত ঠাণ্ডা। তথা বিপৰীত হোৱা বুলি ভবা হয় যদিও অহাৰ বিপৰীতে 'নহা'কো ধৰিব পাৰি। যি শব্দেৰে এটা অর্থক বিপৰীত অর্থ প্রকাশ কৰিব পাৰি বা 'নহয়' বুলি দেখুৱাব পাৰি সেয়াই বিপৰীতার্থক শব্দ। যেনে— 'গৰম নহয়' ই গৰমৰ বিপৰীতার্থক, নৰম নহয়ৰ সলনি 'ঠাণ্ডা' ব্যৱহাৰ কৰা হয়। গতিকে গৰমৰ বিপৰীতার্তক শব্দ হ'ল ঠাণ্ডা। উল্লেখযোগ্য যে বিপৰীত অর্থ বাচক শব্দ নিৰূপণত প্রাসংগিকতাৰ অতি আৱশ্যক। 'এন্ধাৰ গৰম নহয়' অর্থাৎ 'এন্ধাৰ ঠাণ্ডা'— ই অপ্রাসংগিক। কাৰণ এন্ধাৰ আৰু গৰম বা ঠাণ্ডৰ সম্পর্ক নাই। অসমীয়া ভাষাৰ কেতবোৰ বিপৰীতার্থক শব্দ— ভাল-বেয়া, উচ্চ-নীচ, আন্ধাৰ-পোহৰ, গধুৰ-পাতল, ডাঠ-পাতল, ওখ-চাপৰ, উত্তম-অধম, ডেকা-গাভৰু, দীঘল-চুটি, পুৰুষ-মহিলা, ক'লা-বগা, মিঠা-টেঙা, ল'ৰা-ছোৱালী, কেচা-পকা ইত্যাদি।

বিপৰীতার্থক শব্দবোৰৰ উপৰি ইহঁতৰ মধ্যৱর্তী কিছুমান শব্দও পোৱা যায়। যেনে— গৰমৰ বিপৰীত ঠাণ্ডা, কিন্তু তাৰ মধ্যৱর্তী কুহুমীয়া বুলি শব্দ এটাও আছে। অর্থৰ দিশত কি দুয়োটাৰে মধ্যস্থানত অৱস্থান লয়। একেদৰে পোহৰ আন্ধাৰ মাজত চিকিমিকি শব্দও পোৱা যায়।

৩.৬ অভ্যন্তৰার্তকতা (Hyponymy)

ব্যাপক অর্থবাচক শব্দৰ আংশিক অর্থ বহন কৰিব পৰা শব্দ ব্যাপক অর্থবাচক শব্দৰ অভ্যন্তৰার্থ। অর্থাৎ এটা শব্দৰ অর্থ যদি আন এটা শব্দৰ পৰিধিৰ ভিৰত সোমাই থাকে তেতিয়া প্রথমটো দ্বিতীয়টোৰ অভ্যন্তৰার্থক। যেনেঃ— কন্দা শব্দৰ অর্থৰ লগত

উচুপা, ফেকুৰা, চলচলীয়া, হুকহুকা আদিৰ শব্দৰ অর্থ নিহিত হৈ আছে। একেদৰে— অসমীয়া ভাষাৰ 'খোৱা'ৰ লগত পাম, ভোজন, চর্বন, ধূম্রপান, চুম্বন, দুর্ভোগ আদি জড়িত আছে। একেদৰে মুখৰ লগত মুখৰন্ধ্র, মুখমণ্ডল, নির্গমন পথ, নদীৰ উৎস; সখীৰ লগত বন্ধু, চোৱাৰ লগত 'দেখা' আদি জড়িত হৈ আছে। শব্দৰ অভ্যন্তৰত নিহিত হৈ থকা এনে গুণকে অভ্যন্তৰার্তকতা বোলা হয়।

৩.৭ অনেকার্তকতা (Polysemy)

একেটা শব্দই যেতিয়া একাধিক অর্তত প্রয়োগ হয় তাক অনেকার্থকতা বোলা হয়। উদাহৰণ স্বৰূপে অসমীয়া ভাষাৰ 'আই' শব্দটিয়ে কেতিয়াবা মাক, কেতিয়াবা কন্যাক আৰু কেতিয়াবা বেমাৰ (বসন্ত)ক বুজায়। 'শ' শব্দটোৱে 'শতক' অথবা 'মৰাশ'ক বুজায়। ৰং শব্দই বৰণক বুজোৱাৰ লগতে মানুহৰ আনন্দকো প্রকাশ কৰে। ইংৰাজী Light শব্দই 'পোহৰ' আৰু 'পাতল'ক বুজায়। একেদৰে অসমীয়া ভাষাৰ বাইদেউ শব্দৰ অর্থ দুটা ঘৰুৱা পৰিবেশত 'জেষ্ঠা ভগ্নী' আৰু আনুস্থানিকতাত 'শিক্ষয়ত্রী বা ভদ্র মহিলা'। ইংৰাজী Sister শব্দৰ অর্থ দুটা ভগ্ন বা নার্চ।

৩.৮ ভিন্নার্থকতা (Homonymy)

দুই বা ততোধিক শব্দৰ যদি উচ্চাৰণবা বানান একে কিন্তু অর্থ ভিন্ন; তেনে শব্দ সমূহক ভিন্নার্থক শব্দ বোলে। শব্দসমূহৰ এনে গুণকে ভিন্নার্থকতা বোলা হয়। অসমীয়া ভাষাৰ হাত ৰু হাট; ইয়াত হাত মানে এবিধ অংগ আৰু 'হাট' মানে বজাৰ। পানী আৰু পাণি— পানী মানে পানীয় আৰু পাণি মানে হাত।

আত্মমূল্যায়ন প্রশ্ন

১। অর্থতত্ত্বৰ বর্ণনাত্মক দৃষ্টিভঙ্গীৰ আধাৰ কি? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক।)

.....

.....

.....

২। অনেকার্থকতা আৰু ভিন্নার্থকতাৰ মাজত প্রভেদ কি? (৩০ টা শব্দৰ ভিতৰত দিয়ক।)

.....

.....

.....

৩.৯ বাক্যৰ স্তৰত অর্থতত্ত্ব

অর্থতত্ত্বৰ আলোচনাই যে কেৱল শব্দক কেন্দ্ৰ কৰিয়েই হয় এনে নহয়। অর্থতত্ত্বই বাক্যৰ অর্থৰ কথাও সামৰে। বাক্যৰ অর্থ নির্ধাৰণৰ কথাও অর্থতত্ত্বত বিচাৰ কৰা হয়। শব্দৰ অর্থ যেনেকৈ স্থবিৰ নহয় ঠিক একেদৰে বাক্যৰ অর্থও স্থিৰ নহয়। শব্দৰ ওচৰত বহা অন্য শব্দৰ ফলত অর্থৰ তাৰতম্য হোৱাৰ লেখিয়াকৈ বাক্যতো বিৰাম, সুৰ লহৰ আদিৰ বাবে অর্থৰ পৰিবর্তন হয়। বাক্য গঠনত জড়িত শব্দসমূহে বহন নকৰা অর্থও কেতিয়াবা বাক্যই প্ৰকাশ কৰে। বাক্যৰ বাহ্যিক অর্থৰ অন্তৰালত একোটা ভিন্ন অর্থও সোমাই থাকে।

কেতবোৰ উদাহৰণ চোৱা যাওঁক—

আপুনি অকণমান ঘৰলৈ যাব নেকি?

ওপৰুৱাকৈ চালে এইটো এটা প্ৰশ্নবোধক বাক্য যেন লাগে? কিন্তু প্ৰকৃতার্থত এইটো প্ৰশ্নবোধক বাক্য নহয়। ইয়াত বক্তাই শ্ৰোতাক ঘৰলৈ যাবলৈ অনুৰোধ কৰিছে।

আমাক পূজাৰ বোনাচ নিদিলে হব জানো?

এই বাক্যটো বিশ্লেষণ কৰিলে দেখা যাব যে বাক্যটো প্ৰশ্নবোধক বাক্যও নহয় আৰু অনুৰোধসূচক বাক্যও নহয়। এইটো এটা বাধ্যতাসূচক মন্তব্য যাৰ অর্থ হ'ল যে কর্তৃপক্ষ পূজাৰ বোনাচ দিবলৈ বাধ্য।

আলহী থাকিব নহয়?

এই বাক্যটোত গৃহস্থই আলহীক প্ৰশ্নৰ জৰিয়তে অতি নম্ৰভাৱে আলহীৰ মনোভাৱ জানিব খুজিছে।

সুৰ লহৰৰ বাবেও বাক্যৰ অর্থৰ তাৰতম্য ঘটে—

গৰুটো আহিল নে?

গৰুটো আহিল নে?

প্ৰথম বাক্যত বক্তাই গৰু (জন্তু)ৰ কথা সুধিছে কিন্তু দ্বিতীয় বাক্যত ল'ৰাৰ কথা জানিব বিচাৰিছে।

(১) তুমি ওলাই যোৱা। (সাধাৰণ ভাৱ)

(২) তুমি ওলাই যোৱা? (প্ৰশ্নসূচক)

(৩) তুমি ওলাই যোৱা। (আদেশসূচক)

(৪) তুমি ওলাই যোৱা! (অনুৰোধ সূচক)

এনেদৰে সুৰ লহৰৰ বাবে বাক্যৰ অর্থ ভিন্ন হয়। কেতিয়াবা একেটা বাক্যই দুটা অর্থও প্ৰকাশ কৰে। যেনে—

তাই তালৈ গ'ল।

প্ৰথম অর্থ ঃ তাই সেই ঠাইলৈ গ'ল।

দ্বিতীয় অর্থ ঃ তাই সেই মানুহজনলৈ গ'ল।

এনেদৰে বাক্যৰ স্তৰত অর্থৰ বিচাৰ কৰিব পাৰি।

আত্মমূল্যায়ন প্রশ্ন

১। বাক্যৰ স্তৰত অর্থতত্ত্ব বিচাৰৰ মূল আধাৰ কি? (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক।)

.....

.....

.....

৩.১০ সাৰাংশ (Summing Up)

বর্ণনাত্মক দৃষ্টিভঙ্গীৰে অর্থৰ বিচাৰ কৰা হয়। ইয়াৰ মূল উপাদান দুটা অর্থগত উপাদান আৰু সম্পর্কগত উপাদান। এই দৃষ্টিভঙ্গীৰে অর্থতাত্ত্বিক বিচাৰ শব্দৰ অন্তর্নিহিত কিছুমান গুণ বা কর্ম বিশ্লেষণ আৰু সিহঁতৰ মাজৰ পাৰস্পৰিক সম্পর্কৰ ওপৰত নির্ভৰশীল। শব্দই বিভিন্ন প্রসঙ্গত বুজোৱা অর্থৰ প্রকাৰভেদ অনুসৰি সমার্থকতা, বিপৰীতার্থকতা, আভ্যন্তৰার্থকতা, অনেকার্থকতা, ভিন্নার্থকতা আদি ৰূপ পাও। অর্থতত্ত্বৰ আলোচনাত বাক্যৰ অর্থৰ কথাও বিশ্লেষণ কৰা হয়। বাক্যত বিৰাম, সুৰ লহৰ আদিৰ বাবে অর্থৰ তাৰতম্য হয়।

৩.১১ আর্হি প্রশ্ন (Sample Questions)

১) অর্থতত্ত্বৰ বিশ্লেষণত বিশ্লেষণাত্মক দৃষ্টিভঙ্গী কি?

২) অর্থগত আৰু সম্পর্কগত উপাদান কি?

৩) অর্থৰ ওপৰত নির্ভৰ কৰি শব্দক কি কি ভাগত ভগাব পাৰি?

৪) বাক্যগত অর্থতত্ত্বত কি কি বিষয় বিচাৰ কৰা হয়?

৫) চমুটোকা ঃ সমার্থকতা, বিপৰীতার্থকতা, অনেকার্থকতা, অভ্যন্তৰার্থকতা।

৩.১২ প্রসঙ্গ গ্রন্থ (References/Suggested Readings)

অপর্ণা কোঁৱৰ ঃ *ভাষাজ্ঞান উপক্রমণিকা*

গোলোক চন্দ্র গোস্বামী ঃ *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ*

দীপ্তি ফুকন পাটগিৰি ঃ *ভাষাতত্ত্ব*

ফনীন্দ্র নাৰায়ণ দত্তবৰুৱা ঃ *আধুনিক ভাষাবিজ্ঞান পৰিচয়*

ৰমেশ পাঠক ঃ *ভাষাবিজ্ঞানৰ ভূমিকা*

***